# অসমৰ মুছলমান

প্ৰথম খণ্ড

# ইতিহাস আৰু সমাজ



আল-আমিন জনকল্যাণ সমাজ

পাঞ্জাবাৰী, গুৱাহাটী

জুলাই ২০১৩

# অসমৰ মুছলমান

## প্ৰথম খণ্ড

# ইতিহাস আৰু সমাজ


লেখক মণ্ডলী

**ছাজিদুল হক বৰবৰা**
**ড° তচদ্দুক আমানুল হুছেইন**
**অধ্যাপক মুহিউদ্দিন আহমেদ**
**মহম্মদ তাহেৰ**

সমন্বয়ক ঃ **অধ্যাপক মুহিউদ্দিন আহমেদ**

মুখ্য সম্পাদক
**মহম্মদ তাহেৰ**
যুটীয়া সম্পাদক
**ড° ইৰশ্বাদ আলি** আৰু **কমৰুজ্জামান আহমদ**



প্ৰকাশক
আল-আমিন জনকল্যাণ সমাজ
পাঞ্জাবাৰী, গুৱাহাটী
দ্বিতীয় প্ৰকাশ, জুলাই ২০১৮

ASOMAR MUSALMAN : Vol - I : ITIHASH ARU SAMAJ: A study on history and society of the Muslims of Assam, authored by Prof. Sajidul Haque Barborah, Dr. Tasadduque Amanul Hussain, Prof. Muhiuddin Ahmed and Mohammed Taher and published by Al -Ameen Janakalyan Samaj, Panjabari, Guwahati- 781037, Assam.

Second published : July, 2018 Price : ₹ 350/-

প্ৰকাশক ঃ

আল-আমিন জনকল্যাণ সমাজ

(Al-Ameen Welfare Society)

২১, বাঘৰবৰি পথ, পাঞ্জাবাৰী

গুৱাহাটী- ৭৮১০৩৭, অসম

ফোন ঃ ৯৯৫৪০-৭৮৯৯০, ৯৪৩৫৩-৯৪২২৮

© প্ৰকাশক

ISBN : 978-81-927731-0-0

দ্বিতীয় প্ৰকাশ, আগষ্ট, ২০১৮

মূল্য ঃ ৩৫০.০০ টকা মাত্ৰ

মুদ্ৰণ ঃ মাইক্ৰ কম্প-টেক

জয়ানগৰ পথ, ছয়মাইল, গুৱাহাটী-৭৮১০২২,

ফোন-৯৮৬৪০-৭২৯৬৯, ৯৫০৮৭-৮০৪৬৭

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| মহম্মদ তাহেৰ | ঃ | মুখ্য সম্পাদক |
| ড° ইৰশ্বাদ আলি | ঃ | যুটীয়া সম্পাদক |
| কমৰুজ্জামান আহমদ | ঃ | যুটীয়া সম্পাদক |
| অধ্যাপক ছাজিদুল হক বৰবৰা | ঃ | লেখক |
| ড° তচদ্দুক আমানুল হুছেইন | ঃ | লেখক |
| অধ্যাপক মুহিউদ্দিন আহমেদ | ঃ | লেখক |
| চফিউৰ ৰহমান শইকীয়া | ঃ | ব্যৱস্থাপক |
| আকদাছ আলী মীৰ | ঃ | ব্যৱস্থাপক |
| মহম্মদ আব্দুল হাৰমাইন | ঃ | সভাপতি, আল-আমিন |
| হাছিবুৰ ৰহমান | ঃ | সচিব, কেন্দ্ৰীয় উপদেষ্টা সমিতি, আহ্বায়ক |
| ড° তৌফিকুৰ ৰহমান বৰবৰা | ঃ | সচিব প্ৰধান, আল-আমিন |

## পুথি প্ৰণয়ন আৰু প্ৰকাশন উপদেষ্টা সমিতি, আল-আমিন

| | | |
|---|---|---|
| মহম্মদ তাহেৰ | ঃ | সভাপতি |
| ড° ইৰশ্বাদ আলি | ঃ | কাৰ্যকৰী সভাপতি |
| কমৰুজ্জামান আহমদ | ঃ | সদস্য |
| ড° আবু নাছাৰ চাঈদ আহমদ | ঃ | সদস্য |
| ইনামুল ইছলাম | ঃ | সদস্য |
| ইলতাফ হুছেইন হাজৰিকা | ঃ | সদস্য |
| মহম্মদ আব্দুল হাৰমাইন | ঃ | সভাপতি, আল-আমিন, পদেন সদস্য |
| হাছিবুৰ ৰহমান | ঃ | সচিব তথা আহ্বায়ক |

# লেখককেইগৰাকীৰ পৰিচয়

## অধ্যাপক ছাজিদুল হক বৰবৰা

যোৰহাটৰ সন্তান ছাজিদুল হক বৰবৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৯১ চনত শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ প্ৰবক্তাৰূপে শিক্ষক জীৱনৰ পাতনি মেলে আৰু ইতিমধ্যে এম ফিল ডিগ্ৰী লাভ কৰে। অধ্যাপক বৰবৰা পোনপটীয়াকৈ বুৰঞ্জীৰ ছাত্ৰ যদিও 'অসমৰ মুছলমান সমাজ আৰু সংস্কৃতি' বিষয়ত তেখেতৰ গৱেষণাধৰ্মী কেইবাটাও প্ৰবন্ধ অসমৰ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণা গ্ৰন্থতো প্ৰকাশ পাইছে। বৰবৰাই বিশ্ববিদ্যালয় অনুদান আয়োগৰ (UGC) অনুদান লাভ কৰি 'আহোম ৰাজত্বত মুছলমান প্ৰজাৰ অৱস্থা'ৰ বিষয়ে এটি Minor Research Project-ও ইতিমধ্যে সম্পন্ন কৰিছে। কেইবাখনো গ্ৰন্থ, আলোচনী আদিৰ সম্পাদনাৰ লগত জড়িত থকা ছাজিদুল হক বৰবৰা বৰ্তমান একেখন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত বিভাগীয় মুৰব্বী।

## ড° তচদ্দুক আমানুল হুছেইন

ড° তচদ্দুক আমানুল হুছেইন  গোলাঘাটৰ ডি আৰ কলেজৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক। মাধ্যমিকৰ পৰা আৰম্ভ কৰি ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলালৈকে পাঠ্যক্ৰমৰ বাবে

কেইবাখনো বুৰঞ্জীৰ পাঠ্যপুথিৰ প্ৰণেতা। বিভিন্ন আলোচনা-চক্ৰত অংশগ্ৰহণকাৰী ড° তচদ্দুক আমানুল হুছেইনৰ কেইবাটাও বুৰঞ্জীমূলক প্ৰবন্ধ 'বিশ্বকোষ আৰু সংকলিত' গ্ৰন্থত সন্নিৱিষ্ট হৈছে।

## অধ্যাপক মুহিউদ্দিন আহমেদ

মুহিউদ্দিন আহমেদ নগাঁও জিলাৰ কামপুৰ কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক। অধ্যাপনাৰ লগে লগে তেওঁ সাহিত্য চৰ্চাত ব্ৰতী হৈ কেইবাখনো অমূল্য গ্ৰন্থ ৰচনা কৰি অসমৰ সাহিত্য জগতত অৱদান আগবঢ়াইছে। তেখেতে অসমীয়া মুছলমানসকলৰ উত্থান, ঔপনিৱেশিকতা, সমাজ ব্যৱস্থাৰ বিষয়ে যথেষ্ট অধ্যয়ন আৰু গৱেষণা কৰিছে আৰু এই গ্ৰন্থখনত তেওঁৰ লেখাৰ মাজেৰে সেই কথাকে প্ৰকাশ পাইছে।

## মহম্মদ তাহেৰ

১৯৩১ চনত উত্তৰ লক্ষীমপুৰত জন্ম। ১৯৫৮ চনৰ পৰা ১৯৯১ চনলৈ, পুনৰ ১৯৯৩ চনৰ পৰা ২০০2 চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত ভূগোল বিষয়ত অধ্যাপনা। ১৯৯১-৯২ চনত অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষতা, ২০০৩ ৰ পৰা ২০০7 লৈ অসম সাহিত্য সভাৰ বিশ্বকোষ লানিৰ 'সমাজ আৰু সংস্কৃতি' (৮ম আৰু ৯ম) খণ্ড দুটাৰ মুখ্য সম্পাদক হিচাপে সম্পাদনা। অসম চৰকাৰৰ দ্বাৰা ২০০9 চনৰ স্বাধীনতা দিৱসত শিক্ষা আৰু সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰাজ্যিক সন্মান প্ৰাপ্তি। ২০১২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় D.Sc. (Honoris Causa) প্ৰাপ্তি।

## আল-আমিন জনকল্যাণ সমাজৰ 'অসমৰ মুছলমানৰ ইতিহাস আৰু ঐতিহ্য' বিষয়ক গ্ৰন্থ প্ৰণয়নৰ পৰিকল্পনা

"যি জাতিয়ে নিজৰ ইতিহাস আৰু ঐতিহ্যৰ বিষয়ে নাজানে সেই জাতি কেতিয়াও জীয়াই থাকিব নোৱাৰে।" অসমৰ মুছলমানৰ ইতিহাস বহু পুৰণি আৰু ঐতিহ্যমণ্ডিত যদিও প্ৰণালীবদ্ধভাৱে ইয়াৰ লিপিবদ্ধ হোৱা নাই আৰু সেয়েহে আমাৰ নতুন প্ৰজন্মই মুছলমানৰ ইতিহাস আৰু ঐতিহ্যৰ বিষয়ে জানিবলৈ সুবিধা পোৱা নাছিল। যি দুই-এখন গ্ৰন্থ বা যি দুই-চাৰিটা লেখা বা প্ৰবন্ধ পাতি প্ৰকাশ পাইছে তাৰ পৰা অসমৰ মুছলমানৰ পুৰণি ইতিহাস আৰু ঐতিহ্যৰ বিষয়ে সম্পূৰ্ণ জনা নাযায়। সেয়েহে অসমৰ কেইজনমান সমাজ-সচেতন নাগৰিক, বুদ্ধিজীৱী আৰু লেখক লগ হৈ ২০০৩ চনত "আল-আমিন জনকল্যাণ সমাজ" নামৰ এটা অৰাজনৈতিক সংগঠনৰ জন্ম দিয়ে আৰু তেতিয়াৰ পৰাই অসমৰ মুছলমানৰ অপ্ৰকাশিত জীৱন কাহিনী, মুছলমানৰ ঐতিহ্যমণ্ডিত ইতিহাস আৰু অসমীয়া সমাজ গঠনত মুছলমানৰ অৱদানৰ লগতে সাহিত্য-সংস্কৃতিৰ জগতখনলৈ মুছলমানৰ অৰিহণা আদি লিপিবদ্ধ কৰি কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ মনস্থ কৰে। সেই উদ্দেশ্য আগত ৰাখি আল-আমিনে ইতিমধ্যে "স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান" নাম দি দুখন জীৱনী গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। অসমৰ মুছলমানৰ ইতিহাস বা ঐতিহ্যৰ বিষয়ে লিখিবলৈ 'আল-আমিন'ৰ বাবে সহজ কাম নহয়। এই কামত অগ্ৰসৰ হ'বলৈ আমাক বহুতো বিজ্ঞ লোকৰ প্ৰয়োজন। সেয়েহে আল-আমিনে অসমৰ সমূহ বিজ্ঞ সমাজ, বুৰঞ্জীবিদ, লেখক আৰু অসমৰ মুছলমানৰ চিন্তাশীল ব্যক্তিসকলক গুৱাহাটীলৈ নিমন্ত্ৰণ কৰি আনি ১০/১০/২০১০ তাৰিখে এখন সভা আয়োজন কৰি আল-

আমিনৰ উদ্দেশ্যৰ কথা ব্যাখ্যা কৰি উপস্থিত ৰাইজৰ পৰা পৰামৰ্শ বিচাৰিছিল। সেই সভাত অসমৰ বিভিন্ন ঠাইৰ পৰা মুছলমান বুদ্ধিজীৱী, শিক্ষাবিদ আৰু চিন্তাশীল লেখকসকল আহি 'আল-আমিন'ৰ উদ্দেশ্যক শলাগ জনায় আৰু সেইদিনাই এখন কেন্দ্ৰীয় উপদেষ্টা সমিতি গঠন কৰা হয়।

উপদেষ্টা কমিটিৰ বিষয়ববীয়াসকল হ'ল—

(১) সভাপতি ড° মহম্মদ তাহেৰ

(২) কাৰ্যকৰী সভাপতি ড° ইৰশ্বাদ আলি।

(৩) সদস্য কমৰুজ্জামান আহমদ

(৪) সদস্য ড° আবু নাছাৰ চাঈদ আহমদ

(৫) সদস্য ইনামূল ইছলাম

(৬) সদস্য ইলতাফ হুছেইন হাজৰিকা

(৭) সদস্য আব্দুল হাৰমাইন ( সভাপতি, আল-আমিন, পদেন সদস্য)

(৮) সদস্য, সম্পাদক আৰু আহ্বায়ক ঃ হাছিবুৰ ৰহমান।

উক্ত সমিতিখন গঠন কৰাৰ লগতে 'অসমৰ মুছলমানৰ ইতিহাস আৰু ঐতিহ্য' ৰচনাৰ আঁচনিখন চালি-জাৰি চাই সদ্যহতে পাঁচটা দিশত একোখনকৈ অধ্যয়নপুষ্ট গ্ৰন্থ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। দিশকেইটা হৈছে -

(১) অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ

(২) অসমৰ মুছলমানঃ অসমীয়া সাহিত্য-সংস্কৃতিলৈ অৱদান

(৩) অসমৰ মুছলমান ঃ ঐতিহ্য আৰু ৱাকফ

(৪) অসমীয়া ঐশ্লামিক সাহিত্য

(৫) অসমৰ মুছলমান ঃ ভৌগোলিক বিতৰণ আৰু আৰ্থ-সামাজিক অৱস্থা।

উপৰোক্ত সিদ্ধান্ত অনুসৰি পাঁচোখন গ্ৰন্থৰ বাবে বিভিন্ন শিতানত একোজন মুখ্য গৱেষক আৰু একাধিক গৱেষকৰ হাতত দায়িত্ব ন্যস্ত কৰা

হয় আৰু ড° মহম্মদ তাহেৰ চাহাবক সকলোবোৰ গ্ৰন্থৰ মুখ্য সম্পাদক আৰু ড° ইৰশ্বাদ আলিক যুটীয়া সম্পাদক হিচাপে কেন্দ্ৰীয় সমিতিয়ে নিৰ্বাচিত কৰে। পাছত কমৰুজ্জামান আহমদকো যুটীয়া সম্পাদক হিচাপে মনোনীত কৰা হয়।

সুখৰ বিষয় যে আমাৰ প্ৰথমখন গ্ৰন্থ "অসমৰ মুছলমানঃ ইতিহাস আৰু সমাজ" পাঠকৰ হাতলৈ আগবঢ়াই দিবলৈ আমি সক্ষম হৈছোঁ। এই তথ্যপূৰ্ণ পুথিখন অশেষ কষ্টৰে প্ৰস্তুত কৰিছে অধ্যাপক ছাজিদুল হক বৰবৰা, ড° তচদ্দুক আমানুল হুছেইন, অধ্যাপক মুহিউদ্দিন আহমেদ আৰু প্ৰধান সম্পাদক অধ্যাপক মহম্মদ তাহেৰে। এই পুথিখন প্ৰকাশ কৰাৰ বাবে তথ্য সংগ্ৰহ কৰিবলৈ অধ্যাপক মুহিউদ্দিন আহমেদ আৰু অধ্যাপক ছাজিদুল হক বৰবৰাই উজনি আৰু নামনি অসমৰ লগতে বৰাক উপত্যকাও ভ্ৰমণ কৰিব লগা হৈছে। ড° তচদ্দুক আমানুল হুছেইনে উজনিত ক্ষেত্ৰ আৰু পুথিভঁৰালত অধ্যয়ন কৰি কিছু নতুন তথ্য সংগ্ৰহ কৰি এই পুথিত সন্নিৱিষ্ট কৰিছে।

আমি আঁচনি সমিতিৰ মুখ্য সচিব তথা আহ্বায়ক হিচাপে লেখকসকলক সামাজিক আলোচনা আৰু কামৰ সমন্বয় ৰক্ষাৰ বাবে গুৱাহাটী, নগাঁও, যোৰহাট আৰু গোলাঘাটত কেইবাবাৰো সম্পাদকৰ লগত বৈঠকৰ আয়োজন কৰি কামৰ অগ্ৰগতিত সহায় কৰিব লগা হৈছিল। ইয়াৰ বাহিৰেও উক্ত কামত প্ৰয়োজন হোৱা অৰ্থৰ বাবে আমি অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু উন্নয়ন মন্ত্ৰালয়ৰ পৰাও অনুদান বিচাৰি ব্যক্তিগতভাৱে দুয়োখন চৰকাৰক অনুৰোধ জনাইছিলোঁ। কিন্তু চৰকাৰী অনুদানৰ পৰা আমি বঞ্চিত হ'লোঁ। আমি হতাশ হোৱা নাছিলোঁ, কাৰণ অসমৰ ৰাইজ আমাৰ লগত আছিল আৰু সকলোৱে আমাক এই কামত সহায়ৰ হাত আগবঢ়াইছিল। পুথিখন প্ৰণয়ন কৰিবলৈ আৰু প্ৰকাশ কৰি উলিয়াবলৈ দুবছৰৰো কিছু অধিক সময় লাগিল। ইতিহাসমূলক এখন গ্ৰন্থৰ সাৰ্থক প্ৰকাশ তেতিয়াহে হয় যেতিয়া ইয়াত থকা তথ্যসমূহ শুদ্ধ হয়। আমাৰ এই পুথিত যদি কিবা তথ্যগত ভুল আছে সদাশয় পাঠকে গঠনমূলক দিহাৰে তাক আঙুলিয়াই

দিলে আমি ভৱিষ্যৎ সংস্কৰণত তাক সন্নিৱিষ্ট কৰিব পাৰিম।

লেখকসকলৰ লিখনিৰ যাৱতীয় সম্পাদনাৰ কাম বহুতো কষ্ট সহকাৰে সম্পন্ন কৰি দিয়াৰ বাবে বয়োবৃদ্ধ মুখ্য সম্পাদক মহম্মদ তাহেৰ, যুটীয়া সম্পাদকদ্বয় ড° ইৰশ্বাদ আলি আৰু কমৰুজ্জামান আহমদক আমি ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। পুথিখনৰ লগত আৰম্ভণিৰ পৰা জড়িত হৈ সকলো প্ৰকাৰে সহায়-সহযোগিতা আৰু উৎসাহ যোগোৱা 'আল-আমিন'ৰ সকলো সদস্যবৃন্দলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পুথিখন প্ৰকাশ কৰি উলিয়াবলৈ যিসকলে দান-বৰঙণিৰে আমাক সহায় কৰিছে, সেই সকলোলৈকে আমাৰ আন্তৰিক শুভেচ্ছা যাচিছোঁ। তেখেতসকলৰ নাম পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে। পুথিখনৰ ছপা কামৰ বাবে সহায় কৰা ব্যৱস্থাপক জোনাব চফিউৰ ৰহমান শইকীয়া আৰু নেপথ্যত থাকি সৰ্বতোপ্ৰকাৰে সহায় কৰা আল-আমিনৰ যুটীয়া সচিব মেহমুদুৰ ৰেহমান বৰালৈ ধন্যবাদ যাচিছোঁ। এই পৰিকল্পনাৰ বাবে কৰা কেইবাখনো সভাৰ কাৰণে গুৱাহাটীৰ হাজী মুছাফিৰ খানাৰ কৰ্তৃপক্ষই বিনামূলীয়াকৈ তেওঁলোকৰ সভাকক্ষ ব্যৱহাৰ কৰিবলৈ দিয়া বাবে তেওঁলোকলৈ আমাৰ ধন্যবাদ থাকিল।

সদৌ শেষত উনুকিয়াব খুজিছোঁ যে আমাৰ এই গ্ৰন্থখনে অসমৰ বৃহত্তৰ সমাজৰ সংহতি-সমন্বয়লৈ সামান্য অৰিহণা যোগালেও আমি কৃতাৰ্থ হ'ম। আশা ৰাখিছোঁ আমাৰ এই পুথিৰ জৰিয়তে অসমৰ মুছলমানৰ ইতিহাস আৰু ঐতিহ্যৰ বিষয়ে নতুন প্ৰজন্মই কিছু আভাস পাব। o

**মহম্মদ আব্দুল হাৰমাইন**
সভাপতি
'আল-আমিন' জনকল্যাণ সমাজ
গুৱাহাটী
ফোন ঃ ৯৯৫৪০৭৮৯৯০
০৪ আগষ্ট ২০১৩

**হাছিবুৰ ৰহমান**
সদস্য, সচিব তথা আহ্বায়ক
'আল-আমিন' পুথি প্ৰণয়ন আঁচনি সমিতি
গুৱাহাটী
ফোন ঃ ৯৪৩৫১১০৯৭৩

## সমন্বয়কৰ একাষাৰ

গুৱাহাটীৰ আল-আমিন জনকল্যাণ সমাজে বিগত বছৰকেইটাত অসমৰ বৰেণ্য মুছলমানসকলৰ জীৱন আৰু কীৰ্তি সম্পৰ্কে দুখনকৈ গ্ৰন্থ প্ৰকাশ কৰিছে। শেহতীয়াকৈ অসমৰ মুছলমানৰ ঐতিহাসিক, আৰ্থ-সামাজিক, সাংস্কৃতিক আদি ভিন্ন দিশৰ পটভূমিত পাঁচখন গ্ৰন্থ ৰচনাৰ এক গুৰুত্বপূৰ্ণ আঁচনিৰ আধাৰত আল-আমিন জনকল্যাণ সমাজে উক্ত পাঁচখন গ্ৰন্থ ৰচনা কৰোৱা তথা প্ৰকাশ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। উক্ত পাঁচখন পুথিৰ 'অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ' নামেৰে নামাংকন কৰা এই প্ৰথম পুথিভাগ ৰচনাৰ দায়িত্ব এই অভাজনৰ লগতে গোলাঘাট দেৱৰাজ ৰয় কলেজৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° তচদ্দুক আমানুল হুছেইন আৰু জাঁজী কলেজৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ছাজিদুল হক বৰবৰা আৰু মহম্মদ তাহেৰৰ ওপৰত অৰ্পণ কৰে। এই অভাজনক এই লেখককেইজনৰ সমন্বয়ক মনোনীত কৰা হয়।

অসমৰ মুছলমানৰ ইতিহাস ৰচনা কৰাটো দুৰূহ কাম। প্ৰয়োজনীয় সমলৰ অভাৱ অধিক। অসম-মুছলমান ৰাজশক্তিৰ দীঘলীয়া যুদ্ধৰত অৱস্থাতো অসমৰ তেওঁলোকেও ভিন্ন দিশত ভিন্ন ধৰণেৰে ত্যাগ স্বীকাৰ কৰি আহিছে। অসমৰ মুছলমানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনতো বহু অৱদান আগবঢ়ায়। ঔপনিৱেশিক কালছোৱাতো স্বদেশক পৃথক পৃথক শত্ৰুৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ থলুৱা অমুছলমান অসমীয়াৰ সৈতে মুছলমানসকলেও দেহ-মন সমৰ্পণ কৰি আহিছে। অৱশ্যে ৰজাঘৰীয়া বুৰঞ্জীত সাধাৰণ প্ৰজাৰ অৱদানে ঠাই নাপায়। ক'ৰবাত দুটা-এটা ফিৰিঙতিহে প্ৰত্যক্ষ হয়। কোনোৱে ব্যক্তিগতভাৱে দুই-এখন বুৰঞ্জী ৰচনা কৰি সংৰক্ষণ কৰিলেও মোৱামৰীয়া, মানৰ আক্ৰমণ, সঘন প্ৰাকৃতিক দুৰ্যোগ, সঘন মাৰি-মৰকৰ প্ৰকোপত সেইবোৰৰ ক'ত কেনেকৈ বিনাশ ঘটিল, তাৰ সম্ভেদ পোৱা নাযায়। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই দাহ কৰা

বুৰঞ্জীখিনিয়ে বহু ইতিহাস বিনষ্ট কৰিলে। এনে এটা অৱস্থাত অসমৰ মুছলমানৰ ইতিহাস আৰু ঐতিহ্য বিস্মৃতিৰ কৰাল গ্ৰাসত ডুব যাওঁ যাওঁ অৱস্থা বৰ্তমান। আমি ভাবোঁ নিজৰ জাতিৰ, সম্প্ৰদায়ৰ, গোষ্ঠীৰ স্বকীয় ইতিহাস আৰু ঐতিহ্য ধৰি ৰাখিবলৈ চেষ্টা কৰাটো প্ৰতিগৰাকী অসমীয়াৰ, বিশেষকৈ প্ৰতিগৰাকী মুছলমানৰ নিতান্ত কৰ্তব্য। এনে কিছু ভাবৰ বশৱৰ্তী হৈ আমি অসমৰ মুছলমানৰ ইতিহাস আৰু সমাজ সম্পৰ্কে যি পাৰোঁ আগবঢ়াই থৈ যোৱা হওক। এনে মনোবৃত্তিৰেহে গ্ৰন্থভাগ ৰচনাৰ দায়িত্ব মূৰ পাতি লওঁ।

প্ৰয়োজনীয় সমলৰ অনুসন্ধানত আমি ৰাইজৰ মাজৰ একোগৰাকীহঁতৰ কাষ চাপিব লগা হয়, অ'ত-ত'ত সিঁচৰতি হৈ থকা পুৰণা মছজিদ, ঈদগাহ ময়দান, দৰগাহ আদি প্ৰত্যক্ষ কৰি সেইবোৰৰ সৈতে জড়িত কাহিনী, জনশ্ৰুতি আদি বুটলি অনাৰ লগতে মুছলমান লেখকৰ দ্বাৰা ৰচিত পাৰ্চী ভাষাৰ গ্ৰন্থসমূহৰ অনূদিত যি দুই-চাৰিখন পাইছোঁ, তাকো সংগ্ৰহ কৰি লওঁ। আকৌ ভিন ভিন স্মৃতিগ্ৰন্থ, আলোচনী, বাতৰিকাকত আদিৰো পাৰ্যমানে সহায় লৈ যিখিনি পাওঁ তাৰ আধাৰতে গ্ৰন্থভাগ পাঠকৰ হাতত তুলি দিয়াৰ চেষ্টা কৰিছোঁ।

গ্ৰন্থখনত অসমীয়া জাতি গঠন প্ৰক্ৰিয়া, প্ৰাক্-আহোম আৰু আহোম যুগৰ অসম-মুছলমান ৰাজশক্তিৰ ৰণসমূহ, সমকালীন অসমৰ ৰাজনৈতিক অৱস্থা, অসমত মধ্যযুগ আৰু ব্ৰিটিছাধীন কালত সংঘটিত মুছলমানৰ বসবাস, ক্ৰম অনুসৰি তেওঁলোকৰ জনসংখ্যা বৃদ্ধি, বৰাক উপত্যকাত মুছলমানৰ বসতি স্থাপন, মধ্যযুগ আৰু ঔপনিৱেশিক কালৰ অসমৰ ৰাজনীতিত মুছলমানৰ অংশগ্ৰহণ তথা ত্যাগ আৰু তেওঁলোকৰ সমাজ-সংস্কৃতিৰ বিষয়ে সংক্ষিপ্ত আলোচনা কৰা হৈছে। এয়া অসমৰ মুছলমানৰ সম্পূৰ্ণ ইতিহাস নহয়। আমি কিমানদূৰ সফল হ'ব পাৰিছোঁ নিজে তাৰ ভু নাপাওঁ। পাঠকবৰ্গৰ গঠনমূলক সমালোচনাই আমাক প্ৰেৰণা যোগাব।

গ্ৰন্থভাগ ৰচনাৰ ক্ষেত্ৰত সকলো দিশতে সক্ৰিয় সহযোগ, পৰামৰ্শ প্ৰদান আদিৰ বাবে ড° মহম্মদ তাহেৰ আৰু ড° ইৰশ্বাদ আলিৰ ওচৰত আমি চিৰকৃতজ্ঞ। আল-আমিন জনকল্যাণ সমাজৰ সভাপতি মহম্মদ আব্দুল হাৰমাইন, উপ-সভাপতি নুৰুল হক, সম্পাদক ড° তৌফিকুৰ ৰহমান বৰবৰা

আৰু প্ৰকাশন সমিতিৰ কাৰ্যকৰী সভাপতি ড° ঈৰশ্বাদ আলি, সম্পাদক হাছিবুৰ ৰহমান, কমৰুজ্জামান এন আহমদ, ড° আবুনাছাৰ চাঈদ আহমদ প্ৰমুখ্যে সমূহ সদস্যক আমাক এইকণ উৎসাহ যোগোৱাৰ বাবে তেখেতসকলৰ ওচৰতো আমি চিৰঋণী হৈ ৰ'লোঁ। এইসকলৰ লগতে মঞ্জিল মাষ্টৰ (মানকাচৰ), ৰহিম আহমেদ, ছফিকুজ্জামান (গাসাঁইডুবি), নজুৰ আলি (মাটিয়া, গোৱালপাৰা), আনিচুৰ ৰহমান, জুলিয়াছ (ধুবুৰী), কাছেমা খাতুন, মজিদুৰ ৰহমান সৰকাৰ (গৌৰীপুৰ), সাহিত্যিক পেন্সনাৰ ছেৰিফুদ্দিন আহমদ, উমেশ চন্দ্ৰ দেৱচৌধুৰী (পাটাছাৰকুছি), হুছেইন আলি, আব্দুল মতলেব (খন্দকাৰপাৰা, বৰপেটা), চমছেৰ আলি দেৱান (কলিতাকুছি, হাজো), মুকিবুৰ ৰহমান, নুৰ মহম্মদ (গাড়ীগাঁও, গুৱাহাটী), ছহিদুল ইছলাম (মাজদিয়া, নলবাৰী), আমিৰুল হাজৰিকা (মাহমৰা, শিৱসাগৰ), মঃ ছাইফুল হুছেইন (নাহৰণি, গোলাঘাট), চৈয়দ মুবিদুল ইছলাম (নাজিৰা), উবেদুৰ ৰহমান (লক্ষীমপুৰ), ৰফিক আহমেদ (যোৰহাট), ৰফিক আহমেদ (কামপুৰ, নগাঁও), আব্দুৰ ৰহমান (হোজাই), আবুল হুছেইন মজুমদাৰ, আজিৰুদ্দিন চৌধুৰী, মইনউদ্দিন বৰভূঞা, আব্দুল শুক্কুৰ বৰভূঞা, আব্দুল জেলিল লস্কৰ, আবিদ ৰাজা মজুমদাৰ, আলহাজ চামছুদ্দিন, ড° আলি আকবৰ হুছেইন (বৰাক উপত্যকা), আলি হাইদৰ লস্কৰ, ইচফাকুৰ ৰহমান বৰবৰা, মাজিদ আলি (গুৱাহাটী) আৰু বহুতো লোকে আমাক তথ্য-পাতি যোগান ধৰি সহায় কৰিছে। এইসকল লোকলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত আমি চিৰকৃতজ্ঞ আমাৰ সহযোগী লেখক ড° তচদ্দুক আমানুল হুছেইন, ছাজিদুল হক বৰবৰা আৰু মহম্মদ তাহেৰৰ ওচৰত। সময়ৰ অভাৱ, শিক্ষকতাৰ দায়িত্ব অধিক হোৱা সত্বেও উল্লেখিত প্ৰথম লেখকদ্বয়ে নিজৰ অংশৰ লেখাসমূহ সময়মতে লিখি দিয়াত গ্ৰন্থখন ছপাশাললৈ পঠিয়াব পৰা হ'ল। সদৌ শেষত নিৰ্ধাৰিত সময়ত গ্ৰন্থখন প্ৰকাশ কৰি দিয়াৰ বাবে চিত্ৰবন প্ৰিণ্টাৰ্ছৰ (ডি টি পি) আৰু মাইক্ৰ কম্প-টেক (মুদ্ৰণ)ৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মকৰ্তাক আমাৰ শলাগ যাচিলোঁ।

আনন্দ নগৰ, পানীগাঁও, নগাঁও
ফোন ঃ ৯৪৩৫৩১৬৬৯২

মুহিউদ্দিন আহমেদ
সমন্বয়ক

# সূচীপত্ৰ


মুখ্য সম্পাদকৰ নিৱেদন ক

**প্ৰথম অধ্যায়** ৩

ভূমিকা

- যুগে যুগে অসম - ড° তচদ্দুক আমানুল হুছেইন, অধ্যাপক মুহিউদ্দিন আহমেদ
- অসমত জনবসতিৰ ধাৰা - মহম্মদ তাহেৰ

**দ্বিতীয় অধ্যায়** ১৫

অতীতৰ মুছলমান ৰাজশক্তিৰ অভিযানসমূহ আৰু তৎকালীন অসমৰ ৰাজনৈতিক অৱস্থা - ড° তচদ্দুক আমানুল হুছেইন

- মহম্মদ বিন বখতিয়াৰ খিলিজিৰ নেতৃত্বত মুছলমানৰ প্ৰথম কামৰূপ অভিযান
- গিয়াছউদ্দিন ইৱাজ খিলিজি আৰু নাচিৰুদ্দিনৰ কামৰূপ ৰাজ্যলৈ অভিযান
- ইফটিয়াৰউদ্দিন উজবেক তুগ্ৰিল খাঁৰ অভিযান
- চুলতান গিয়াচুদ্দিন বাহাদুৰ চাহৰ কামৰূপ-কমতা ৰাজ্য আক্ৰমণ
- চুলতান মহম্মদ বিন টোগলকৰ কমতা অভিযান
- চিকন্দৰ চাহৰ কমতা আক্ৰমণ
- গিয়াচউদ্দিন আজম চাহৰ কমতা আক্ৰমণ
- কমতাৰ খান বা খেন বংশৰ ৰজাসকল আৰু ৰুকুনুদ্দিন বাৰবাক্ চাহ আৰু আলাউদ্দিন হুছেইন চাহৰ আক্ৰমণ

**তৃতীয় অধ্যায়** ৪৩

**আহোম মুছলমান সম্পৰ্কৰ পটভূমি - অধ্যাপক ছাজিদুল হক বৰবৰা**

- আহোম মুছলমান ৰাজশক্তি (প্ৰাকমোগল)ৰ ৰণ
- আহোম মোগল সংঘৰ্ষ
- বাঘ হাজৰিকা
- মধ্যযুগৰ অসমত থলুৱা মুছলমানৰ ভূমিকা

**চতুৰ্থ অধ্যায়** ৮৩

**অসমত মুছলমান বসতিৰ ৰূপৰেখা - অধ্যাপক মুহিউদ্দিন আহমেদ**

- যুদ্ধবন্দী মুছলমানৰ বসবাস
- নামনি অসমত মুছলমান
- ইছলামীয় সাধকৰ বসবাস
- ৰজাঘৰীয়া পৃষ্ঠপোষকতাত বসবাস
- ধৰ্মান্তৰৰ যোগেৰে হোৱা মুছলমান
- ঔপনিৱেশিক কালত প্ৰব্ৰজন কৰা মুছলমানসকল
- পূৰ্ববঙ্গীয় মূলৰ মুছলমানৰ বসতি
- জোলা মুছলমান
- পাঠান মুছলমান
- ভাৰতৰ অন্য প্ৰান্তৰ মুছলমান চিপাহী
- বৰাক উপত্যকাত মুছলমান বসতি

**পঞ্চম অধ্যায়** ১৬৯

**ঔপনিৱেশিক কাল, অসমৰ ৰাজনীতি আৰু মুছলমান**

- ঔপনিৱেশিক কালৰ অসমৰ ৰাজনীতিত মুছলমান - অধ্যাপক মুহিউদ্দিন আহমেদ
- পূৰ্ববঙ্গ আগত মুছলমানসকলৰ বসতি আৰু লাইন প্ৰথা - মহম্মদ তাহেৰ

**ষষ্ঠ অধ্যায়** ২১৯

**অসমৰ মুছলমানৰ সামাজিক ভাগ - মুহিউদ্দিন আহমেদ**

- গৰীয়া
- চৈয়দ/দাৰুন
- মৰীয়া
- দেশী
- জোলা
- মণিপুৰী মুছলমান
- পূৰ্ববঙ্গীয় মূলৰ মুছলমান
- বৰাক উপত্যকাৰ মুছলমান (চতুৰ্থ অধ্যায় পৃষ্ঠা ১৪৭ দ্ৰষ্টব্য)

**সপ্তম অধ্যায়** ২৩৭

**অসমৰ মুছলমান ঃ সমাজ আৰু সংস্কৃতি - অধ্যাপক ছাজিদুল হক বৰবৰা**

- পশ্চাদপট
- মুছলমানসকলৰ সামাজিক গোট
- চৈয়দ
- চেখ আৰু গৰীয়া
- মৰীয়া
- দেশী
- পূৰ্ববঙ্গীয় মূলৰ মুছলমান
- বৰাক উপত্যকাৰ মুছলমান (পৃষ্ঠা ১৪৭ দ্ৰষ্টব্য)
- সামাজিক জীৱন
- ধৰ্মীয় আচাৰ, নীতি, উৎসৱ, অনুষ্ঠান
- অন্যান্য সামাজিক অনুষ্ঠান
- স্থানীয় লোকবিশ্বাস, উৎসৱ, ৰীতি-নীতি

**পৰিশিষ্ট** ২৮৯

- অসমৰ মুছলমান ঃ "ইতিহাস আৰু ঐতিহ্যৰ অধ্যয়ন আৰু গৱেষণা" - দাতাসকলৰ প্ৰতি কৃতজ্ঞতা
- 'আল-আমিন'ৰ কাৰ্যনিৰ্বাহক সমিতি (২০১১-২০১৩) ২৯৪

## মুখ্য সম্পাদকৰ নিৱেদন

গুৱাহাটীস্থিত আল-আমিন জনকল্যাণ সমাজে ২০১০ চনৰ দহ অক্টোবৰ তাৰিখে এক মহান উদ্দেশ্যেৰে উদ্বুদ্ধ হৈ এই সিদ্ধান্ত লয় যে অসমৰ মুছলমানসকলৰ ইতিহাস, ঐতিহ্য, সমাজ, সংস্কৃতি আদি সকলো দিশ সামৰি এক ব্যাপক অধ্যয়ন আৰু গৱেষণা কৰা হওক আৰু ইয়াৰপৰা লব্ধ তথ্যসম্ভাৰ পুথি আকাৰে প্ৰকাশ কৰা হওক। যোৱা আঠশ বছৰৰো অধিক কালজুৰি এই ভূখণ্ডতে বাস কৰিবলৈ আৰম্ভ কৰি বৃহত্তৰ সমাজখনৰ অঙ্গ হিচাপে ইয়াৰ সৌষ্ঠৱ বঢ়াই অহা মুছলমানসকল নিশ্চয় ইয়াৰ এটি তাৎপৰ্যপূৰ্ণ জনগোষ্ঠী। তেওঁলোকৰ অস্তিত্বই ভাৰতবৰ্ষৰ এই অঞ্চলৰ ইতিহাস-ঐতিহ্যলৈ মূল্যৱান অৱদান আগবঢ়াইছে। আমি ভাবোঁ— এই জনগোষ্ঠীটোৰ অৱদানৰ ঐতিহ্য জীয়াই ৰাখিবলৈ হ'লে ইয়াৰ অতীত, ইয়াৰ বৰ্তমান, ইয়াৰ অৱদান আদি আমি সম্যকভাৱে জানিব লাগিব। এই উদ্দেশ্য আগত ৰাখিয়েই আল-আমিনে এক গঠনাত্মক দিশত পদক্ষেপ পেলাই, যোৱা আঠশ বছৰৰো অধিক কাল অসমৰ সমাজলৈ তথা অসমৰ ঐতিহ্য-সংস্কৃতিলৈ বিভিন্ন সময়ত, বিভিন্ন অৱস্থাত আৰু বিভিন্ন স্তৰত অৱদান আগবঢ়াই যোৱা অসমৰ প্ৰয়াত মুছলমান ব্যক্তিৰ জীৱন আলেখ্য সন্নিৱিষ্ট কৰি 'স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান' নামেৰে দুশ বত্ৰিছজন লোকৰ জীৱন সামৰি দুখন পুথি প্ৰকাশ কৰিছে। ই আমাক আপুৰুগীয়া আত্ম-পৰিচয়েৰে মণ্ডিত কৰিব বুলি আশা কৰা হৈছে।

উক্ত জীৱনীমূলক পুথি দুখনৰ প্ৰকাশৰ পাছত এই 'সমাজ' অসমৰ মুছলমান সম্পৰ্কে সম্যক অধ্যয়নপুষ্ট আৰু পাঁচখন গ্ৰন্থৰ এটা লানি প্ৰকাশৰ আঁচনি হাতত লয়। এই গ্ৰন্থ পাঁচখনত সন্নিৱিষ্ট বিষয়বস্তু এনে ধৰণৰ- প্ৰথম, অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ; দ্বিতীয়, অসমৰ মুছলমান ঃ

অসমীয়া সাহিত্য-সংস্কৃতিলৈ অৱদান; তৃতীয়, অসমৰ মুছলমান ঃ ঐতিহ্য আৰু ৱাকফ; চতুৰ্থ, অসমীয়া ইছলামীয় ধৰ্ম সাহিত্য আৰু পঞ্চম, অসমৰ মুছলমান ঃ ভৌগোলিক বিতৰণ আৰু আৰ্থ-সামাজিক অৱস্থা। ই এখন কষ্টসাধ্য আঁচনি, কিন্তু আমাৰ ধাৰণা— আত্মবিশ্বাস আৰু যৌথ সদিচ্ছাৰে আগবাঢ়িলে ইয়াত সফলকাম হ'ব পৰা যাব।

অসমৰ মুছলমান বোলা এই বৰ্ণাঢ্য জনগোষ্ঠীটোৰ এহাতে আছে মধ্য-প্ৰাচ্যৰ পৰা অনা ঐছলামিক ধৰ্ম-সংস্কৃতি আৰু আনহাতে আছে অসমৰ সেউজভৰা মৌচুমীয় পৰিৱেশত গঢ়ি উঠা সমৃদ্ধ লোক-সংস্কৃতি। এই দুয়োটাৰ সমন্বয়ত অসমৰ মুছলমানৰ যি সংমিশ্ৰিত উপাদানেৰে সম্পৃক্ত সংস্কৃতি, সিও বিশ্বায়নৰ আগ্ৰাসনত নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে। এই সংস্কৃতিক লিপিবদ্ধ কৰি হ'লেও বিলুপ্তিৰ পৰা ৰক্ষা কৰাৰ আৱশ্যক বুলি ভাবোঁ আৰু এই প্ৰচেষ্টা হাতত লোৱাৰ সিও এটা উদ্দেশ্য।

এইখিনিতে প্ৰণিধানযোগ্য যে আজি ইছলাম তথা সমগ্ৰ বিশ্বৰ মুছলমানসকল দুটা বিপৰীতমুখী ধ্বংসাত্মক প্ৰক্ৰিয়াৰ দ্বাৰা আক্ৰান্ত হৈছে। ইয়াৰ এটা হৈছে মৌলবাদ, আনটো তথাকথিত সাংস্কৃতিক বিশ্বায়ন। এইটো সৰ্বজনবিদিত যে হজৰত মুহাম্মদ(দঃ)ৰ মহাপ্ৰয়াণৰ দুশমান বছৰৰ পাছতে ন্যস্তস্বাৰ্থ জড়িত চুলতান, বাদচাহ, সামন্তনেতা, এক শ্ৰেণীৰ আলিম আৰু ধৰ্মীয় নেতাৰ ষড়যন্ত্ৰত কোৰান হাদিছৰ ভুল ব্যাখ্যাৰে সামাজিক আৰু সাংস্কৃতিক প্ৰগতিবাদৰ পথ ৰুদ্ধ কৰি তক্‌লিদ (পৰম্পৰাবাদ) মুছলমান সমাজবোৰত প্ৰৱৰ্তন কৰা হ'ল আৰু এইদৰে ইউৰোপৰ জনসমাজত আৰম্ভ হোৱা ঊৰ্ধ্বমুখী নৱোন্মেষণ (renaissance) আৰু শিল্পবিপ্লৱে (industrial revolution) পৃথিৱীৰ আন সকলো ধৰ্মৰ মানুহলৈ গঠনাত্মক পৰিৱৰ্তন আনিলে যদিও মুছলিম বিশ্ব ইয়াৰ পৰা আঁতৰি থাকিল। তাৰ ওপৰত আকৌ যোৱা দুশ বছৰৰ ভিতৰত ছৌদি আৰবত আৰম্ভ হোৱা মৌলবাদভিত্তিক ৱাহাবি আন্দোলনে (Wahabi movement) মুছলমান বিশ্বলৈ পুনৰ আনিলে অভাৱনীয় ৰক্ষণশীলতা। এই আন্দোলন আৰব উপদ্বীপ আৰু দক্ষিণ এছিয়াত অধিক উগ্ৰতাৰে বিয়পি পৰিল। মন কৰিবলগীয়া যে এই ৱাহাবি

মতবাদক লাগে সমগ্ৰ পৃথিৱীৰে মুছলমানৰ বাবে নিৰন্ধ্ৰ সামাজিক-সাংস্কৃতিক সাদৃশ্যৰ সংস্কৃতি, আনকি একে ধৰণৰ পোছাক-পৰিচ্ছদো; সিপিনে তেওঁলোকৰ স্থানীয় প্ৰাকৃতিক পৰিৱেশ যিয়েই নহওক লাগে। এইদৰে এনেবোৰ ভাবাদৰ্শই পৃথিৱীৰ বহুতো লোকক ৰক্ষণশীলতা আৰু মৌলবাদৰ গভীৰ পঙ্কলৈ সুমুৱাই লৈ গৈছে। ইয়াৰ ফলত অন্য লোকৰ লগত, আনকি ইছলামধৰ্মীয় লোকৰ মাজৰে অন্য এটা পন্থাৰ লগতো এওঁলোকৰ মনত বুজাবুজি, আপোচ-মীমাংসাৰ কোনো ঠাই নোহোৱা হৈছে। আপোচবিহীন মৌলবাদে অসহনশীলতা তথা মূঢ়তাৰ সৃষ্টি কৰে। সেয়েহে তেওঁলোকৰ মাজত সৃষ্টি হয় সন্ত্ৰাসবাদ, যিটো প্ৰকৃত ইছলামৰ আদৰ্শৰ পৰিপন্থী। এনেবোৰ মুছলমানক সহজেই মানৱ জাতিৰ শত্ৰু সজোৱা হয় আৰু সভ্য জগতৰ ভিতৰত গণ্য নহয় বুলি কোৱা হয়। দৰাচলতে এওঁলোক ইছলামৰ মূল পথৰ পৰা চ্যুত হৈ গৈছে। আগতে উনুকিওৱাৰ দৰে বিশ্বৰ মুছলমানে সন্মুখীন হোৱা এইটো এটা ধ্বংসাত্মক দিশ। দ্বিতীয় দিশটো হৈছে বিজ্ঞান-প্ৰযুক্তিবিদ্যাই সৃষ্টি কৰা, ধৰ্মদৰ্শন আৰু আধ্যাত্মিকতাবাদৰ পৰা আঁতৰত প্ৰতীচ্যৰ নৱ-জীৱনবীক্ষাৰ ভিত্তিত গঢ়ি উঠা বিশ্বায়ন, যাৰ দ্বাৰা সমস্ত বিশ্ব সংক্ৰমিত হৈছে।

এই সকলোবোৰৰ উপৰিও বিশ্বৰ মুছলমানসকল আৰু এটা কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছে। সেইটো বুজিবলৈ আমি মন কৰা উচিত যে যোৱা দুশমান বছৰ ধৰি আফ্ৰিকা, ইউৰোপ আৰু আমেৰিকাত হোৱা ইছলামৰ দ্ৰুত প্ৰসাৰে ইউৰোপ আৰু আমেৰিকাৰ ৰাজনৈতিক ক্ষমতাসীন বহুতো ব্যক্তিক সচকিত কৰি তুলিছে। তদুপৰি মুছলমানসকলৰ জনসংখ্যা বৃদ্ধিৰ হাৰো অধিকতৰ। গতিকে ইছলামৰ এই প্ৰসাৰ ৰোধ কৰিবলৈ ইউৰোপ-আমেৰিকাত এক শ্ৰেণীৰ নেতা এক দীৰ্ঘম্যাদী প্ৰচেষ্টাত সংগোপনে ৰত হৈ আছে। আনহাতে আকৌ কিছুমান মৌলবাদী মুছলমানে আশ্ৰয় লোৱা সন্ত্ৰাসবাদলৈ আঙুলিয়াই দি পাশ্চাত্যৰ নেতা আৰু সংবাদ মাধ্যমে মুছলমান মাত্ৰেই সন্ত্ৰাসবিশ্বাসী বুলি প্ৰতিপন্ন কৰিবলৈ যত্ন কৰে। এনেকুৱা অৱস্থাত আমাক লাগে ইছলামৰ মূল নীতি, শান্তিবাদৰ শিকনি আৰু নিজ নিজ জন্মভূমিৰ

ঐতিহ্যৰে গঢ়ি উঠা আত্মপৰিচয় আৰু আত্মগৌৰৱ। যাক এই আত্মপৰিচয়ে গৰীয়ান কৰে, তাক বিশ্বায়নে সহজে উটুৱাই নিব নোৱাৰে।

আমাৰ এই পুথিলানি প্ৰস্তুত কৰিবলৈ লোৱাৰ এটা বিশেষ উদ্দেশ্য হৈছে আমাৰ যুৱ-প্ৰজন্মক এইটো কথা সোঁৰৰাই দিয়া যে আমি এহাতে যেনেকৈ বিশ্বধৰ্ম ইছলামৰ উম্মত (সম্প্ৰদায়), আনহাতে তেনেকৈ অসমৰ সমৃদ্ধ ভাষা-কৃষ্টি-ইতিহাসৰো উত্তৰাধিকাৰী। অকল সেয়েই নহয়, যি ইতিহাস ঐতিহ্যৰ আমি উত্তৰাধিকাৰী, সেই ইতিহাস-সংস্কৃতি আমি অসমৰ বিভিন্ন জনগোষ্ঠীৰে সৈতে সংহত-সমন্বয়েৰে গঢ়ি তুলিছোঁ। আমাৰ সংস্কৃতি হ্ৰস্ব কালৰ মিশ্ৰণৰ ফল নহয়, ই এটা দীৰ্ঘম্যাদী যৌগিক প্ৰক্ৰিয়াই গঢ়ি তোলা সংস্কৃতি। তাতোকৈ তাৎপৰ্যপূৰ্ণ কথা, আমাৰ অসমৰ সংস্কৃতি হৈছে এটা মুক্তদ্বাৰ সংস্কৃতি (open door-culture)। ইয়াৰ মুক্তদ্বাৰেৰে যুগ যুগ ধৰি সোমাই আহি ইয়াতে 'দিয়া আৰু লোৱা'ৰ মাজেৰে লীন হোৱা সকলো গোষ্ঠীৰ ঐতিহ্য প্ৰতিফলিত কৰিব পৰাকৈ আমাৰ সংস্কৃতিৰ এটা আন্তঃক্ৰিয়াশীলতা এই সংস্কৃতি আৰু ইতিহাসত বৰ্তমান। আমি ইয়াৰ স্ৰষ্টা, দ্ৰষ্টা আৰু উত্তৰাধিকাৰী। সেয়েহে আমি দেশৰ জনজীৱনৰ মূল সুঁতিৰহে জনগোষ্ঠী। কোনো প্ৰকাৰৰ ৰক্ষণশীলতা বা মৌলবাদ আমাৰ আদৰ্শনীয় নহয়। মানৱতাৰ ভাবধাৰাৰে সিক্ত উদাৰতাহে আমাৰ আদৰ্শ।

এই পুথিলানিৰ মাজেৰে আমি সংশ্লিষ্ট সকলোকে ঘাইকৈ যুৱ-প্ৰজন্মক তেওঁলোকৰ ইতিহাস আৰু ঐতিহ্য তথা গৌৰৱোজ্জ্বল আত্ম-পৰিচয়েৰে উদ্বুদ্ধ কৰিব খুজিছোঁ।

উপৰি উক্ত বক্তব্যৰ পৰা বুজা যাব যে এই পুথিলানি প্ৰণয়নৰ পাছত যি ভাবাদৰ্শ আছে, সেই ভাবাদৰ্শ গঠনাত্মক। বিভেদকামী কোনো ভাবে যাতে ইয়াত ঠাই নাপায়, সচেতনতাৰে তাৰ যত্ন লোৱা হৈছে। সাম্প্ৰদায়িকতা আৰু মৌলবাদৰ দৰে ঋণাত্মক ভাব-চিন্তা এই পুথিলানিয়ে আঁতৰ কৰাত সহায় কৰিব পাৰিলে আমি পৰম কৃতাৰ্থ হ'ম।

এই পুথিলানি প্ৰস্তুত কৰিবলৈ লৈ আমি উপলব্ধি কৰিলোঁ যে ঐতিহাসিকভাৱে অসমৰ মুছলমানসকল যোৱা আঠশ বছৰ ধৰি যেনেকৈ

অসমৰ লগত সম্পৃক্ত, সেইদৰে তেওঁলোকৰ ভৌগোলিক বিস্তৃতি প্ৰায় আশী হাজাৰ বৰ্গ কিলোমিটাৰজোৰা এক বিস্তীৰ্ণ অঞ্চল। অকল সেয়েই নহয়, তেওঁলোক বিভিন্ন ভাষিক গোষ্ঠীৰ আৰু আৰ্থ-সামাজিকভাৱে বিভিন্ন পৰিৱেশত থাকি তেওঁলোকে ভিন ভিন আৰ্থ-সামাজিক অৱস্থাত বৰ্তি আছে। তেওঁলোকক সম্যকভাৱে জনাটো দুৰূহ। অতি দীঘলীয়া নৃতাত্ত্বিক, সামাজিক, অৰ্থনৈতিক আৰু ধৰ্ম-সাংস্কৃতিক অধ্যয়ন আৰু গৱেষণা নকৰাকৈ তেওঁলোকৰ বিষয়ে সম্যক কিবা লেখা সম্ভৱ নহয়। অথচ আমি যে সহজে একোজন সামগ্ৰিকভাৱে অধ্যয়নপুষ্ট লেখক পাম, সেই বিষয়ে নিশ্চিত নাছিলোঁ। সেয়েহে একোখন গ্ৰন্থ লেখাৰ গুৰুদায়িত্ব একাধিক লেখকৰ গাত অৰ্পণ কৰা হ'ল, যাতে তেখেতসকলে কেতিয়াবা গাইগুটীয়াভাৱে আৰু কেতিয়াবা যৌথভাৱে এই দুৰূহ কামটো সমাপন কৰিব পাৰে। এই সন্দৰ্ভত অসমৰ ইতিহাস, ঐতিহ্য, সমাজ আৰু সংস্কৃতি অধ্যয়নৰ কাণ্ডাৰীসকল, যথা শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, আজান ফকীৰ, চান্দসাঁই, লক্ষ্মীনাথ বেজবৰুৱা, এডৱাৰ্ড গেইট, ড° সূৰ্য্য কুমাৰ ভূঞা, ড° ময়িদুল ইছলাম বৰা, ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° মহেশ্বৰ নেওগ, ড° হেৰম্বকান্ত বৰপূজাৰী, ড° মোহিনী কুমাৰ শইকীয়া, ড° লীলাধৰ গগৈ, মেদিনী চৌধুৰী, আব্দুচ ছাত্তাৰ, চৈয়দ আব্দুল মালিক আদিয়ে যি লিখিত বা অলিখিত অৱদান আৰু তথ্য-পাতি আমাক দি গৈছে, সেইবোৰৰ সম্যক ব্যৱহাৰ কৰাৰ সিদ্ধান্ত আমি লওঁ।

ইতিহাস আৰু সমাজ সম্পৰ্কীয় এই গ্ৰন্থখন লিখাৰ গুৰুদায়িত্ব নগাঁৱৰ কামপুৰ কলেজৰ ইতিহাস বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুহিউদ্দিন আহমেদ, গোলাঘাটৰ ডি আৰ কলেজৰ ইতিহাস বিভাগৰ অধ্যাপক ড° তচদ্দুক আমানুল হুছেইন, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ছাজিদুল হক বৰবৰা আৰু এই লেখকক দিয়া হয়। তেখেতসকলে যথাসম্ভৱ কষ্ট কৰি ১৯৪৭ চনলৈকে অসমৰ মধ্যযুগ আৰু ঔপনিৱেশিক যুগৰ ইতিহাস লিখি দিছে। অধ্যাপক মুহিউদ্দিন আহমদে যোৱা

কেইবছৰমান ক্ষেত্ৰ-অধ্যয়ন কৰি পোৱা স্থানীয় ইতিহাস আৰু ঐতিহ্যৰ তথ্য তেখেতৰ লেখাত সন্নিৱিষ্ট কৰিছে। অধ্যাপক ছাজিদুল হক বৰবৰাই অসমৰ মুছলমানৰ সমাজ আৰু সংস্কৃতি সম্পৰ্কেও এটি চমু কিন্তু তথ্যগধুৰ আলোচনা আগবঢ়াইছে। অধ্যাপক তচদ্দুক আমানুল হুছেইনে মুছলমান ৰাজশক্তি - কোঁচ আৰু মুছলমান ৰাজশক্তি - আহোম সংঘৰ্ষ আৰু সম্বন্ধৰ বহুতো আগতে অনুল্লেখিত তথ্য তেখেতৰ লেখাত উল্লেখ কৰিছে। এই লেখকে ঔপনিৱেশিক কালত পূৰ্ববঙ্গীয় মূলৰ লোকৰ অসমলৈ আগমন আৰু 'লাইন প্ৰথা' সম্পৰ্কে তথ্য আগবঢ়াইছে।

আমি পাঠকসকলৰ ওচৰত ইয়াতে এটা ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ। অসমৰ মুছলমানৰ 'সমাজ আৰু সংস্কৃতি', 'জীৱন চক্ৰ', 'সামাজিক ভাগ', 'পূৰ্ববঙ্গীয় মূলৰ প্ৰব্ৰজনকাৰীৰ বসতি স্থাপন' আদিৰ দৰে বিষয় বা উপ-বিষয়বোৰ এইলানিটোৰ কেতিয়াবা একেখন গ্ৰন্থতে, কেতিয়াবা বেলেগ বেলেগ গ্ৰন্থত একাধিকবাৰ আলোচিত হৈছে। এনে হোৱাৰ কাৰণ হ'ল, সমাজ আৰু সংস্কৃতিৰ বিভিন্ন উপাদান বা দিশবোৰৰ ৰূপ বা পালনবিধি স্থানভেদে পৰিৱৰ্তন হয়। এনে ভৌগোলিক পৰিৱৰ্তন বা সামাজিক ভাগ নিৰ্বিশেষে সকলো তথ্য বা দিশ সন্নিৱিষ্ট কৰাৰ প্ৰয়োজনতে আমি একাধিকবাৰ কোনো কোনো আলোচনাক ঠাই দিব লগা হৈছে। তদুপৰি আঁচনিৰ পুথিলানিৰ এই প্ৰথম প্ৰকাশক আমি পৰীক্ষামূলক (pilot) সংকলন, প্ৰণয়ন আৰু প্ৰকাশন বুলিয়েই জ্ঞান কৰিছোঁ। ইয়াত অজানিতে সোমাই পৰা ত্ৰুটিবোৰ আমাৰ শুভাকাংক্ষীসকলৰ সহায়ত আঁতৰাই ভৱিষ্যতৰ প্ৰকাশবোৰ সৰ্বাঙ্গসুন্দৰ কৰিবলৈ আমি দায়বদ্ধ।

এইখিনিতে এটা কথালৈ আমি পঢ়ুৱৈ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। পৃথিৱীৰ বহু দেশ, ৰাজ্য বা অঞ্চলৰ ইতিহাসতকৈ অসমৰ ইতিহাস অধিক পুষ্ট। কাৰণ এহাতে অসমৰ মধ্যযুগৰ ইতিহাসলৈ আহোম ৰাজন্যবৰ্গৰ বুৰঞ্জী লেখাৰ পৰম্পৰাই আৰু আনহাতে মুছলমান ৰাজশক্তিৰ সামৰিক অভিযানকাৰীসকলে লগত অনা পণ্ডিত আৰু কাকতীসকলে অসমৰ সেই কালৰ ইতিহাসৰ সমললৈ বহুতো অৱদান আগবঢ়াই গৈছে। তথাপি কিন্তু

আমাৰ অসমৰ ইতিহাস স্বয়ংসম্পূৰ্ণ বুলিব নোৱাৰি। বহুতো তথ্য, ঘটনা আদি শুদ্ধভাৱে অসমৰ ইতিহাসত সন্নিৱিষ্ট হ'বলৈ এতিয়াও বাকী। আমাৰ এই পুথিখন লিখোঁতে আমি এই অসম্পূৰ্ণ ইতিহাসৰে সহায় লৈছোঁ। তদুপৰি আমাৰ পুথিখনত উল্লেখ কৰা তথ্যবোৰ এক দীৰ্ঘদিনীয়া গভীৰ গৱেষণাৰ অন্তত লাভ কৰা নহয়। গতিকে ইয়াত আগবঢ়োৱা বিৱৰণ আৰু উৎস এশ শতাংশই চূড়ান্ত বুলি আমি দাবী নকৰোঁ। কোনো নতুন শুদ্ধ তথ্য উদ্‌ঘাটিত হ'লেই তাক আমি পুথিখনৰ পৰৱৰ্তী তাঙৰণত অন্তৰ্ভুক্ত কৰিম।

এই পুথিখন প্ৰস্তুত কৰিবলৈ আল-আমিন পুথি প্ৰণয়ন আৰু প্ৰকাশন উপদেষ্টা সমিতিৰ সচিব হাছিবুৰ ৰহমান আৰু আল-আমিনৰ সভাপতি মহম্মদ আব্দুল হাৰমাইন চাহাবদ্বয়ে আমালৈ সকলো প্ৰকাৰৰ সহায় আগবঢ়াইছে। তেখেতসকলে অসমৰ ভিন ভিন ঠাইত বসবাস কৰা পুথিৰ লেখক চাৰিজনক সময়ে সময়ে আলোচনা আৰু সিদ্ধান্ত গ্ৰহণৰ বাবে মিলিত হ'বলৈও সুবিধা কৰি দিছিল। তেখেত দুগৰাকীৰ ওচৰত আমি কৃতজ্ঞ। পুথিখনৰ প্ৰস্তুতিত লেখককেইজনৰ বাহিৰেও কেইবাজনো সদাশয় ব্যক্তিয়ে আমাক সহায় কৰিছে। এইসকলৰ ভিতৰত যুটীয়া সম্পাদক ড° ইৰশ্বাদ আলি আৰু ডি টি পি আৰু মুদ্ৰণৰ সময়ছোৱাত আৰ্হি-কাকত সংশোধনী, প্ৰচ্ছদ পৰিকল্পনা, পৰিশিষ্ট সংযোজন আদি যাৱতীয় ব্যৱস্থাপনাৰে সহায় আগবঢ়োৱা সাহিত্যানুৰাগী যুটীয়া সম্পাদক কমৰুজ্জামান আহমদ, সুলেখক ছফিউৰ ৰহমান শইকীয়া আৰু আল-আমিনৰ সচিব প্ৰধান ড° তৌফিকুৰ ৰহমান বৰবৰাৰ ওচৰত আমি ঋণী।

পুথিখনে অসমৰ মুছলমানক আত্মপৰিচয়েৰে সামান্যতমো গৰীয়ান কৰিব পাৰিলে আৰু ই অসমৰ বৃহত্তৰ সমাজৰ সমন্বয়ৰ ফালে সামান্য অৰিহণা যোগাব পাৰিলে আমি আমাৰ কষ্টৰ সাৰ্থকতা উপলব্ধি কৰিম। ০

**মহম্মদ তাহেৰ**

০৩৬১-২৫৭১১৮০

প্ৰাগজ্যোতিষ নগৰ

গুৱাহাটী ঃ ৭৮১০১৪

১২ এপ্ৰিল, ২০১৩

# প্ৰথম অধ্যায়

# ভূমিকা

- যুগে যুগে অসম

**ড° তচদ্দুক আমানুল হুছেইন**

**অধ্যাপক মুহিউদ্দিন আহমেদ**

- অসমত জনবসতিৰ ধাৰা

**মহম্মদ তাহেৰ**

## প্ৰথম অধ্যায়

# ভূমিকা

### যুগে যুগে অসম

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম প্ৰধান ৰাজ্য বৰ্তমানৰ অসম ২৪° আৰু ২৮° উত্তৰ অক্ষাংশ আৰু ৮৯.৯৬° আৰু ৯৬° পূব দ্ৰাঘিমাৰ মাজত অৱস্থিত। প্ৰায় ৭৮,৫২০ বৰ্গকিলোমিটাৰ ব্যাপী থকা অসম ভূখণ্ডক ভূটান, অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয়, ম্যানমাৰ (ব্ৰহ্মদেশ) আৰু বাংলাদেশে আগুৰি আছে। ভৌগোলিকভাৱে কেৱল পশ্চিম দিশক বাদ দি অসম পৰ্বতমালাৰে আগুৰা ভাৰত উপমহাদেশৰ পৰা প্ৰায় বিচ্ছিন্ন এক দুৰ্গম অঞ্চল। কিন্তু তথাপিতো ই আছিল প্ৰাচীনকালৰ পৰা মানৱ জাতিৰ প্ৰব্ৰজনৰ এক মূল পথ আৰু জনবসতিপূৰ্ণ ঠাই। বিশ্বৰ অন্যতম বিশাল নদী ব্ৰহ্মপুত্ৰ অসমৰ মাজেৰে প্ৰৱাহিত হৈছে আৰু ইয়াৰ দুয়োপাৰে গঢ় লৈ উঠিছিল প্ৰাচীন সভ্যতাই। প্ৰাচীন কালত অসমক চিহ্নিত কৰা হৈছিল প্ৰাগ্‌জ্যোতিষপুৰ নামেৰে। খ্ৰীষ্টীয় চতুৰ্থ শতিকামানৰপৰা এই ৰাজ্যৰ নাম কামৰূপ হোৱা লক্ষ্য কৰা যায় যদিও বহুক্ষেত্ৰত কামৰূপ নামটো প্ৰাগ্‌জ্যোতিষপুৰ নামৰ লগত সংলগ্ন কৰি ব্যৱহাৰ হোৱাও দেখা যায়। তদুপৰি প্ৰাচীন লিপি আৰু  সাহিত্যসমূহৰ বহুতত প্ৰাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰ ভৌগোলিক অঞ্চলক বুজাবলৈ লৌহিত্য শব্দৰ (লুইত, লোহিত অথবা ব্ৰহ্মপুত্ৰ) ব্যৱহাৰ কৰা হৈছিল। প্ৰণিধানযোগ্য যে অতীতৰ প্ৰাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰ লগত বৰ্তমান অসমৰ ভৌগোলিক পৰিসীমাৰ

যথেষ্ট পাৰ্থক্য আছিল। অৰ্থাৎ বৰ্তমানৰ অসম প্ৰাচীন প্ৰাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰ ভৌগোলিক প্ৰতিভূ নহয়। বৰ্তমানৰ অসম হ'ল এই প্ৰাচীন ৰাজ্যখনৰ এক অবিচ্ছেদ্য অংশ বিশেষ। প্ৰাপ্ত সমলসমূহৰ পৰা আমি নিশ্চিত হ'ব পাৰোঁ যে অন্ততঃ উত্তৰ আৰু দক্ষিণ-পশ্চিম দিশৰ প্ৰাগ্‌জ্যোতিষ-কামৰূপৰ পৰিসীমা বৰ্তমান অসমৰ সীমাৰেখাতকৈ বহু বেছি পৰিমাণে প্ৰসাৰিত আছিল।[১] বাস্তৱিকতে ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্ধত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত পদাৰ্পণ কৰি প্ৰায় সুদীৰ্ঘ ছশ বছৰকাল ৰাজত্ব কৰা আহোমসকলৰ নামানুসাৰে তেওঁলোকৰ দ্বাৰা শাসিত অঞ্চলটো বুজাবলৈ পঞ্চদশ-ষোড়শ শতিকাৰ পৰা অসম নামটো প্ৰচলিত হয়। অৰ্থাৎ ত্ৰয়োদশ শতিকাৰ আগভাগৰ পৰা আৰম্ভ হোৱা প্ৰাথমিক মুছলমান আক্ৰমণসমূহ বৰ্তমান অসমৰ আগৰ কালৰ কামৰূপ ৰাজ্যৰ বিপক্ষে সংঘটিত হৈছিল।

ৰামায়ণ, মহাভাৰত, অৰ্থশাস্ত্ৰ, বিভিন্ন পুৰাণ, ৰঘুবংশ আৰু অনেক ঐতিহাসিক কাব্যত প্ৰাগজ্যোতিষ-কামৰূপৰ উল্লেখ পোৱা যায়। ৰামায়ণৰ কিষ্কিন্ধাকাণ্ডত প্ৰাগজ্যোতিষ দেশ সমুদ্ৰৰ তীৰৱৰ্তী বৰাহ পৰ্বতৰ ওচৰত অৱস্থিত বুলি কোৱা হৈছে। মহাভাৰতত প্ৰাগ্‌জ্যোতিষৰ ৰজা ভগদত্তক শৈলালয়ৰ নৃপতি বুলি অভিহিত কৰা হৈছে। এই বৰাহ পৰ্বত আৰু শৈলালয়ৰ নৃপতিয়ে নিশ্চয় অসমৰ পাৰ্বত্য অঞ্চলক বুজাইছিল আৰু উল্লেখিত সাগৰে হয়তো গঙ্গা আৰু ব্ৰহ্মপুত্ৰৰ বিশাল মোহনাক বুজাইছিল। মহাভাৰতত এনেদৰেও উল্লেখ পোৱা যায় যে ভগদত্তৰ সৈন্যবাহিনীত উত্তৰৰ পাৰ্বত্য অঞ্চলৰ 'চীনা' (সম্ভৱতঃ তিব্বতী আৰু ভূটীয়া) আৰু দক্ষিণ সাগৰৰ তীৰৰ 'কিৰাত'(মঙ্গোলীয়)সকল অন্তৰ্ভুক্ত আছিল। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পিছৰ পৰা কামৰূপ ৰাজ্যৰ বিস্তৃতি সম্পৰ্কে কিছু সঠিক ধাৰণা লাভ কৰিব পাৰি। সম্ৰাট সমুদ্ৰগুপ্তৰ প্ৰয়াগ প্ৰশস্তিত 'কামৰূপ' নামটো প্ৰথম ব্যৱহাৰ হোৱা দেখা যায় আৰু তাত ইয়াক সীমান্তৱৰ্তী ৰাজ্য বুলি উল্লেখ কৰা হৈছে। মধ্যযুগৰ ধৰ্মীয় ইতিহাসৰ প্ৰখ্যাত গ্ৰন্থৰূপে স্বীকৃত কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰ পুথিত কামৰূপ ৰাজ্যৰ ভৌগোলিক সীমাৰেখাৰ যথেষ্ট তথ্য

পোৱা যায়। খ্ৰীষ্টীয় দশম শতিকাত ৰচিত কালিকাপুৰাণে কামৰূপ ৰাজ্য কৰতোৱা নৈৰ পূবে আছিল বুলি কোৱাৰ লগতে ৰাজ্যখনৰ দৈৰ্ঘ্য এশ যোজন (৪৫০ মাইল) আৰু প্ৰস্থ ৩০ যোজন (১৩৫ মাইল) তথা ইয়াৰ আকৃতি ত্ৰিকোণাকাৰ আছিল বুলি উল্লেখ কৰিছে। তদুপৰি এইখন পুৰাণৰ মতে কামাখ্যা দেৱীৰ মন্দিৰ এই ৰাজ্যৰ ঠিক সোঁমাজত আছিল আৰু ৰাজ্যখনৰ পূব সীমান্তত আছিল দিক্কৰবাসিনী (পুৰণি শদিয়াৰ দিকৰাই নদী)।[২] বিষ্ণুপুৰাণতো উল্লেখ আছে যে কামাখ্যা দেৱীৰ মন্দিৰৰ চাৰিওফালে ১০০ যোজনব্যাপী কামৰূপ ৰাজ্য অৱস্থিত আছিল। ষষ্ঠদশ শতিকাত ৰচনা কৰা যোগিনীতন্ত্ৰৰ মতে, কামৰূপ ৰাজ্যৰ উত্তৰে আছিল নেপালৰ কাঞ্চনজংঘা, দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু লাক্ষা নদীৰ সঙ্গমস্থলী, পশ্চিমে কৰতোৱা নদী আৰু পূবে দিক্কৰবাসিনী (বৰ্তমানৰ দিক্ৰাই নদী)।[৩] যোগিনীতন্ত্ৰ আৰু লগতে 'হৰগৌৰী সংবাদ' নামৰ পুথিত কামৰূপ ৰাজ্যক চাৰিটা ভাগ বা পীঠত বিভক্ত কৰা হৈছে। নদীক সীমাৰূপে লৈ হৰগৌৰী সংবাদত পীঠকেইখনৰ বিস্তৃতি নিৰ্ধাৰিত হৈছে এনেদৰে— (১) ৰত্নপীঠ— কৰতোৱা নৈৰ পৰা সোণকোষ নদীলৈকে, (২) কামপীঠ— সোণকোষৰ পৰা কপিলী নদীলৈ (৩) স্বৰ্ণপীঠ— পুষ্পিকাৰ পৰা ভৈৰৱী নদীলৈ আৰু (৪) সৌমাৰপীঠ— ভৈৰৱীৰ পৰা পুৰণি শদিয়াৰ দিক্ ৰাই নদীলৈ।[৪]

কুমাৰ ভাস্কৰ বৰ্মণৰ ৰাজসভালৈ অহা প্ৰসিদ্ধ চীনা পৰিব্ৰাজক হিউৱেনচাঙে কামৰূপ ৰাজ্যৰ চাৰিসীমাৰ দৈৰ্ঘ্য এতিয়াৰ হিচাপত ১৬৬৭ মাইল বুলি লিখি থৈ গৈছে। ৬৪৩ খ্ৰীঃত আমাৰ ৰাজ্যলৈ অহা এই ভ্ৰমণকাৰীজনে পুন-না-ফা-টান-না (পুণ্ডবৰ্ধন-উত্তৰবঙ্গ)ৰ পৰা ৯০০ লি (১লি ১/৬ মাইল) বা ১৫০ মাইল পূবলৈ ভ্ৰমণ কৰি এক বৃহৎ নদী পাৰ হৈ কা-ম-লু-প (কামৰূপ)ত প্ৰৱেশ কৰিছিল বুলি তেওঁৰ ভ্ৰমণ বৃত্তান্তত উল্লেখ কৰিছে।[৫] টাংচুৱে এই বৃহৎ নদীখন ক-ল-টু (কৰতোৱা) হোৱাৰ সম্ভাৱনাই দাঙি ধৰিছে।[৬] হিউৱেনচাঙে কামৰূপৰ পূবে চীনৰ সমীপলৈকে জনপদহীন

শাৰী শাৰী পাহাৰ-পৰ্বত আছিল বুলি উল্লেখ কৰি গৈছে। প্ৰণিধানযোগ্য যে কামৰূপৰ মাজেৰে চীন-তিব্বতলৈ যোৱা এই চমু পথেৰেই পৰৱৰ্তী কালত কামৰূপত প্ৰথম মুছলমান আগ্ৰাসনৰ সূচনা কৰিছিল। উত্তৰ-পূব ভাৰতৰ ভূখণ্ডত আদিমতম জনবসতি কেতিয়া বা ক'ত আৰম্ভ হৈছিল, তাক সঠিকভাৱে জনা হোৱা নাই। ক্ৰান্তীয় মৌচুমী অঞ্চলত অৱস্থিত এই ভূমিখণ্ডত বৃষ্টিপাত আৰু উত্তাপ এনেহে যে ইয়াত এহাতে বন্যা, গৰাখহনীয়া, ভূপৃষ্ঠৰ বিচূৰ্ণীভৱন আৰু অৱক্ষয় আৰু আনহাতে উদ্ভিদৰ প্ৰাচুৰ্যপূৰ্ণ অথচ দ্ৰুত বৃদ্ধিয়ে কোনো প্ৰত্নতাত্ত্বিক চিহ্ন সহজে দীৰ্ঘম্যাদী হ'বলৈ নিদিয়ে। এতিয়ালৈকে লব্ধ তথ্য অনুযায়ী নিগ্ৰিট'ৰ দৰে দুটা-এটা আদিমতম জনগোষ্ঠীৰ লোক হয়তো সুদূৰ অতীতত গাৰো পাহাৰ আৰু কাৰ্বি পাহাৰৰ দুটা-এটা সীমিত ক্ষুদ্ৰ ক্ষুদ্ৰ নদী-উপত্যকাত কিছু কালৰ পৰা বাস কৰিছিল। তেওঁলোকে ব্যৱহাৰ কৰা হস্তনিৰ্মিত দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা দুই-এপদ সা-সঁজুলি পোৱা গৈছে যদিও তেওঁলোকনো ক'ৰপৰা আহিছিল, ইয়াত কিমানদিন আছিল আৰু তাৰ পাছত তেওঁলোকৰ কি হ'ল, এইবোৰ নিৰ্দিষ্টকৈ এতিয়াও জনা হোৱা নাই।

## অসমত জনবসতিৰ ধাৰা

আজিৰ অসম তথা উত্তৰ-পূব ভাৰতত যিসকল স্থায়ী বাসিন্দা আছে, তেওঁলোকৰ আদি পুৰুষ দক্ষিণ-পূব এছিয়া, মধ্য এছিয়া আৰু দক্ষিণ পূব এছিয়াৰ পৰা প্ৰাগ্-ঐতিহাসিক যুগৰ পৰা সমকাললৈ ভিন ভিন যুগত আৰু পৰিস্থিতিত প্ৰব্ৰজন কৰি ইয়াত বসবাস কৰিবলৈ লোৱা লোকৰ বংশধৰ। এওঁলোকক নৃগোষ্ঠীয় তথা ভাষাভিত্তিক যুগ্ম মাপকাঠীৰে নিৰীক্ষণ কৰিলে দেখিবলৈ পোৱা যায় যে মুঠতে এঘাৰটা ঘাই প্ৰব্ৰজনৰ সোঁত আৰু ঢৌত তেওঁলোকৰ পূৰ্বপুৰুষ উপৰি উক্ত অঞ্চলবোৰৰ পৰা এই ভূমিখণ্ডলৈ আহিছিল।

আজিলৈকে লব্ধ প্ৰমাণৰ পৰা বুজা যায় যে এই অঞ্চলত বসবাস কৰিবলৈ অহা প্ৰথম জনগোষ্ঠীটো হৈছে 'অষ্ট্ৰ'-এছিয়াটিক' মূলৰ মন-খামৰ ভাষা-ভাষী লোকসকল। তেওঁলোকৰ বংশধৰসকলক আমি আজিকালি খাছিয়া আৰু জয়ন্তীয়া লোক বোলো। আজিকালি তেওঁলোকৰ মাজত প্ৰচলিত মাতৃভাষা আৰু কিছুমান সামাজিক ৰীতি-পৰম্পৰাই দেখুৱায় যে তেওঁলোকৰ প্ৰায় একে জনগোষ্ঠীৰ লোক এতিয়া কাম্বোডিয়া আৰু নিকোবৰ দ্বীপপুঞ্জত পোৱা যায়। সেয়েহে তেওঁলোকৰ পূৰ্বপুৰুষ দক্ষিণ-পূব এছিয়া তথা অষ্ট্ৰেলিয়া ভূখণ্ডৰপৰা অহা বুলি অনুমান কৰা হয়। এওঁলোক প্ৰব্ৰজন ঢৌৰ দৰে। দূৰ অতীতত এবাৰেই তেওঁলোকৰ প্ৰব্ৰজনৰ প্ৰৱাহ বলিছিল আৰু তাৰপাছত ই বন্ধ হৈ গৈছিল।

অষ্ট্ৰ'-এছিয়াটিক গোষ্ঠীৰ লোকৰ পাছতেই হয়তো অসমলৈ প্ৰাগ-ঐতিহাসিক কালতে আহিবলৈ লৈছিল মঙ্গোলয়দ জনগোষ্ঠীৰ তিব্বত'-বাৰ্মান ভাষা-ভাষীৰ লোকসকল। এওঁলোক মধ্য এছিয়াৰ তিব্বত, দক্ষিণ-পশ্চিম চীন, দক্ষিণ চীন আৰু দক্ষিণ-পূব এছিয়াৰ পৰা আহিবলৈ লৈছিল। উত্তৰ-পূব ভাৰতত বাস কৰিবলৈ লোৱা এই জনগোষ্ঠীত আমি এতিয়া ছটা ভাগ দেখিবলৈ পাওঁ। তেওঁলোক হ'ল অৰুণাচলৰ ভুটীয়া, মন্‌পা, যাক পূৰ্ব-হিমালয়ী জনগোষ্ঠী বুলি জনা যায়। দ্বিতীয়তে, অৰুণাচলীসকল, যাক আমি হ্ৰুচো, ন্যিচি, আপাটানি, আদি, মিচিমি হিচাপে জানো। তৃতীয়তে নগাসকল। চতুৰ্থতে, বড়ো আৰু মেচ, কছাৰী, ৰাভা, তিৱা আদি জনজাতীয় লোকসকল। পঞ্চমত, কুকি-চিন অৰ্থাৎ মিজো, কুকি আদি লোকসকল আৰু ষষ্ঠত হ'ল কাচিন বা চিংফৌ জনগোষ্ঠী। মন কৰিবলগীয়া যে এই তিব্বত'-বাৰ্মান জনগোষ্ঠীয় লোক যুগ যুগ ধৰি ব্ৰহ্মদেশ বা ম্যানমাৰ আৰু তিব্বতৰ পৰা আজিকোপতি খুব কমকৈ হ'লেও এই অঞ্চললৈ আহিয়েই আছে। গতিকে এওঁলোকৰ প্ৰব্ৰজনক স্ৰোত বুলিব পাৰি।

তিব্বত'-বাৰ্মান জনগোষ্ঠীৰ লোকৰ প্ৰব্ৰজন চলি থাকোঁতেই খুব সম্ভৱ আজিৰপৰা দুই-আঢ়ৈ হাজাৰমান বছৰৰ আগতে পশ্চিমৰ গঙ্গা

উপত্যকাৰ পৰা অসমলৈ ইণ্ডো-এৰিয়ান লোকৰ প্ৰব্ৰজন ঘটিছিল। এওঁলোক ঘাইকৈ ধৰ্মত হিন্দু আছিল আৰু এওঁলোক বৈদিক সংস্কৃতিৰ লোক আছিল। এওঁলোকে প্ৰাচীন কালতে গৰুৰে হাল বাই স্থায়ী খেতি কৰিব জানিছিল। এওঁলোকৰ প্ৰব্ৰজনৰ সোঁত এতিয়াও শ্ৰমিক, বণিক, ঠিকাদাৰ, বিষয়া, কৰ্মচাৰী, বৃত্তিধাৰী ইত্যাদিৰ ৰূপত চলি আছে।

উপৰি উক্ত জনস্ৰোত দুটা চলি থকাৰ সময়তে ১২০৬ খ্ৰীষ্টাব্দত দিল্লীত মুছলমান দাস বংশৰ ৰাজত্ব কালত ইফটিয়াৰুদ্দিন বখটিয়াৰ খিলিজিৰ নেতৃত্বত আহিল এটা অভিযাত্ৰী সৈন্যদল, যিসকল চীনদেশলৈ বুলি আহি অসমৰ পৃথু ৰজাৰ হাতত পৰাজিত হ’ল। তেওঁলোকৰ কিছু সৈন্য নিহত হ’ল। কিছু উভতি পশ্চিমলৈ গ’ল আৰু কিছু অসমতে বসবাস কৰি থাকিল। এওঁলোক মূলতে ইণ্ডো-এৰিয়ান গোষ্ঠীৰ লোক আছিল যদিও এওঁলোক ইছলামধৰ্মী আছিল আৰু আফগানিস্তান আৰু মধ্যপ্ৰাচ্য লোকৰ ৰক্ত এওঁলোকৰ গাত আছিল। এই মুছলমানসকলে ১২০৬ খ্ৰীষ্টাব্দৰপৰা ১৬৮২ খ্ৰীষ্টাব্দলৈ মুঠতে সোতৰবাৰ কমতা-কামৰূপ তথা অসম আক্ৰমণ কৰিছিল আৰু এইবোৰ ঐতিহাসিক ঘটনা-পৰিঘটনাৰ লগত জড়িত হৈ অহাৰ বাহিৰেও যোৱা আঠশ বছৰে বহুতো মুছলমান লোক ব্যৱসায়ী, বৃত্তিজীৱী, শ্ৰমিক, কৰ্মচাৰী ইত্যাদি হিচাপে উত্তৰ ভাৰত আৰু বঙ্গদেশৰ পৰা প্ৰব্ৰজন কৰি আহি অসমত থিতাপি লৈছে। এওঁলোকৰ প্ৰব্ৰজন এতিয়াও প্ৰৱহমান। মুছলমানসকল অসমলৈ আহিবলৈ লোৱাৰ ২২-২৩ বছৰৰ পাছত ১২২৮ খ্ৰীষ্টাব্দত চাওলুং চিউকাফাৰ অধীনত উত্তৰ ম্যানমাৰৰ পৰা পাটকাই পাৰ হৈ প্ৰব্ৰজন কৰিলে এটা টাই আহোম দলে। এওঁলোকৰ আদি বসতি আছিল দক্ষিণ চীন। তাৰপৰা কিছুসংখ্যক টাই আহোম চালউইন আৰু মেকং নৈয়েদি দক্ষিণ-পূব এছিয়ালৈ বিয়পি পৰিছিল। এওঁলোক চালউইন নৈৰ কাষত ম্যানমাৰৰ চান মালভূমিৰ পৰা উত্তৰ ম্যানমাৰ পাৰ্বত্যভূমি আৰু পাটকাই পাৰ হৈ এছোৱা বুঢ়ীদিহিঙেদি উজাই আহি অসমত সোমায় আৰু অসমত ছশ

বছৰীয়া ৰাজত্বৰ আৰম্ভণি কৰে। আহোমসকলৰ প্ৰব্ৰজন এক চমু ঐতিহাসিক কালতে সমাপ্ত হৈছিল।

আহোমসকল থিতাপি লৈ ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজ্য বিস্তাৰ কৰাৰ চাৰিশমান বছৰৰ পাছত উত্তৰ ম্যানমাৰৰ কাচিন পাৰ্বত্য অঞ্চলৰপৰা সেই ঠাইবোৰৰ অভাৱ-অনাটন, উৎপীড়ন আৰু গোষ্ঠীসংঘৰ্ষৰ হাত সাৰিবলৈ কেইটামান ক্ষুদ্ৰ ক্ষুদ্ৰ টাই জনগোষ্ঠীৰ লোক প্ৰব্ৰজন কৰি পাটকাই পৰ্বত শ্ৰেণী পাৰ হৈ অৰুণাচল আৰু পূব অসমত সোমায়হি। এওঁলোকৰ আগমন বিশেষকৈ সপ্তদশ আৰু অষ্টাদশ শতিকাত হৈছিল। তেওঁলোকক অসমত খামতি, খামায়াং (শ্যাম), আইতন, টাই ফাকে আৰু তুৰুং নামে জনা যায়। তেওঁলোক বৌদ্ধধৰ্মী আৰু টাই সংস্কৃতিৰ লোক। মন কৰিবলগীয়া যে আহোমকে ধৰি এই জনগোষ্ঠীকেইটা মঙ্গোলীয় জনগোষ্ঠীৰ হ'লেও তেওঁলোকৰ ভাষাৰ ভিত্তি তিব্বত'-বাৰ্মান নহয়, চিনো-ছিয়ামিজহে। এওঁলোকৰ প্ৰব্ৰজনো ঢৌহে বুলিব পাৰি।

ব্ৰিটিছসকলে অসমক তেওঁলোকৰ ভাৰত সাম্ৰাজ্যত চামিল কৰাৰ আগলৈকে এই ভূমিখণ্ডত উপৰি উক্ত ছটা জনগোষ্ঠীৰ উদ্ভূত লোকহে আছিল। ব্ৰিটিছে উত্তৰ-পূব ভাৰত নিজৰ শাসনলৈ অনাৰ লগে লগে তেওঁলোকে দেশ শাসন, আধিপত্য বিস্তাৰ, ৰাজহ সংগ্ৰহ আদি কৰিবলৈ উত্তৰ ভাৰতৰ পৰা ৰাজস্থানী আৰু বাঙালী লোককে ধৰি বহুতো মানুহ আনিলে। তদুপৰি তেওঁলোকে আৰক্ষী বাহিনী আৰু ব্যক্তিগত নিৰাপত্তাৰ বাবে কিছু নেপালী লোকো আনিলে। এইদৰে অসমলৈ বঙ্গ, উত্তৰ ভাৰত আৰু নেপালৰপৰা অবাধ প্ৰব্ৰজন আৰম্ভ হ'ল, যি আজিও চলিয়েই আছে।

অসমলৈ অষ্টমটো জনস্ৰোত ব'বলৈ আৰম্ভ কৰিলে তেতিয়া যেতিয়া ব্ৰিটিছ চাহ কোম্পানীবোৰে চাহ বাগিচাত কাম কৰাবলৈ বৰ্তমানৰ ঝাৰখণ্ড, ছত্তিশগড়, অন্ধ্ৰ, উৰিষ্যা আৰু পশ্চিম বঙ্গৰপৰা আদিবাসী মূলৰ বনুৱা আনিবলৈ ল'লে। অনুমান কৰা হয় যে প্ৰায় ১৮৫০ চনৰপৰা ১৯৪০ চনলৈকে উপৰি উক্ত অঞ্চলৰপৰা ঘাইকৈ কলিকতাইদি প্ৰথমে জাহাজেৰে

আৰু পাছত ৰে'লেৰে এই লোকসকলক উত্তৰ-পূব ভাৰতৰ চাহ বাগিচাবোৰত ঘাইকৈ বনুৱা হিচাপে কাম কৰিবলৈ অনা হৈছিল। নৃগোষ্ঠীয় আৰু ভাষাভিত্তিক বিবেচনাৰপৰা এওঁলোক অষ্ট্ৰ'-এছিয়াটিক, অৱশ্যে এওঁলোকৰ ভাষা মন-খাম্‌ৰ নহয়, মুণ্ডাৰিহে। এওঁলোকৰ প্ৰব্ৰজন এতিয়া বন্ধ হৈ গৈছে।

ব্ৰিটিছসকলে উত্তৰ-পূব ভাৰতত শৃংখলাবদ্ধ আৰু তুলনামূলকভাৱে শান্তিপূৰ্ণ শাসন প্ৰতিষ্ঠা কৰাৰ পাছত ১৮৬০ৰ দশকৰপৰা উত্তৰ-পূব ভাৰতৰ পূব সীমা পাৰ হৈ অশান্তি জৰ্জৰিত উত্তৰ ম্যানমাৰৰ ঘাইকৈ চিন আৰু কাচিন পাৰ্বত্য অঞ্চলৰপৰা বহুতো কুকি-চিন লোক বৰ্তমানৰ মিজোৰাম আৰু মণিপুৰত আন্তৰ্জাতিক সীমা পাৰ হৈ সোমাবলৈ ল'লে। সেইদৰে সিপাৰৰ বহুতো নগা লোক মণিপুৰ আৰু আজিকালিৰ নাগালেণ্ডত সোমাবলৈ ল'লে। তদুপৰি কাচিন অঞ্চলৰপৰা বহুতো নগা, কাচিন আৰু চিংফৌ লোক বৰ্তমানৰ নাগালেণ্ড, অৰুণাচল আৰু অসমত সোমাবলৈ ল'লে। উক্ত আটাইকেইটা জনগোষ্ঠীৰ কিছুসংখ্যক লোক সময়ত আহি অসমত বসবাস কৰিবলৈ লোৱা পোৱা গ'ল।

ঊনবিংশ শতিকাৰ আদিৰপৰা অসমলৈ এক অভূতপূৰ্ব সংখ্যাৰ লোকেৰে গঠিত এটা জনপ্ৰব্ৰজনৰ প্ৰৱাহ আৰম্ভ হ'ল। ১৯০১ চনমানৰপৰা পূৰ্ববঙ্গৰ মৈমনসিং, ৰংপুৰ, পাবনা আৰু বগোৰা জিলাৰ পৰা ভূমিহীন কৃষক ব্ৰহ্মপুত্ৰইদি উজাই আহি অবিভক্ত গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰিবোৰত খেতি-বাতি কৰি বসতি কৰিবলৈ ল'লে। ইয়াৰ পাছত দশকৰ পাছত দশক ধৰি পূৰ্ববঙ্গৰ এই অঞ্চলৰ ভূমিহীন কৃষকৰ প্ৰব্ৰজন চলি থাকিল আৰু তেওঁলোকৰ বসতি ব্ৰহ্মপুত্ৰৰ বন্যাভূমিয়েদি উজাই বৰপেটা, কামৰূপ, দৰং, মৰিগাঁও, নগাঁও, শোণিতপুৰো পাৰ হৈ লক্ষীমপুৰ পালেগৈ। পশ্চিমৰ ব্ৰহ্মপুত্ৰইদি এই প্ৰব্ৰজন চলি থাকোঁতেই, ১৯১০, ১৯২০, ১৯৩০ আৰু চল্লিশৰ দশকত বদৰপুৰ-লামডিং ৰে'ললাইনেদি ছিলেট জিলাৰপৰা আন কিছুসংখ্যক প্ৰব্ৰজনকাৰী আহি নগাঁও জিলাৰ ডবকা, লংকা, নীলবাগান

আৰু হোজাই অঞ্চলত বসতি কৰিবলৈ আৰম্ভ কৰিলে। পূৰ্ববঙ্গৰপৰা অহা প্ৰথম জনস্ৰোতটো আৰু সেইকালৰ অসমৰে ছিলেটৰ পৰা অহা দ্বিতীয় জনস্ৰোতটো এই দুয়োটা জনস্ৰোতৰ অধিকাংশ লোকেই আছিল ইছলাম ধৰ্মাৱলম্বী।

সৰ্বশেষত অসমলৈ প্ৰব্ৰজন কৰি অহা গোটটো হৈছে ১৯৪৭ চনৰ দেশ বিভাজনৰ সময়ত হোৱা তৎকালীন পূব পাকিস্তানৰ হিন্দু শৰণাৰ্থীসকল। জনা যায় যে মাথোন ১৯৪৯ চনৰ পৰা ১৯৬০ চনৰ ভিতৰত অসমলৈ প্ৰায় সাত লাখ হিন্দু শৰণাৰ্থী পূব পাকিস্তানৰ পৰা আহিছিল। এইটো হৈছে অসমলৈ অহা একাদশ জনস্ৰোত। এই এঘাৰটা প্ৰব্ৰজন স্ৰোতেই গঢ়ি তুলিছে বৰ্তমানৰ অসমৰ স্থায়ী বাসিন্দাসকলক।

এই চমু ভূমিকাটিত এইটো কথা স্পষ্ট হয় যে তিনিটা প্ৰব্ৰজন স্ৰোতত অসমলৈ মুছলমানসকল আহিছিল। ইয়াৰ প্ৰথমটো হৈছে ত্ৰয়োদশ শতিকাৰপৰা ঐতিহাসিক ঘটনা প্ৰৱাহৰ মাজেৰে অহা মুছলমানসকল, চাহ বাগিচাৰ শ্ৰমিকৰ জনপ্ৰৱাহত অহা জোলা মুছলমানসকল আৰু তৃতীয়তে বিংশ শতিকাৰ আদিৰে পৰা পূৰ্ববঙ্গৰপৰা অহা কৃষিজীৱী প্ৰব্ৰজনকাৰীসকল। ইয়াৰ বাহিৰেও অৱশ্যে স্থানীয়ভাৱে ধৰ্মান্তৰিত বুজনসংখ্যক মুছলমান অসমত আছে। এই সকলোবোৰ মিলি বৰ্তমান অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ৩১ শতাংশ হৈ পৰিছে মুছলমান।

উক্ত আলোচনাৰ পৰা এইটোও প্ৰতীয়মান হয় যে অসমীয়া জাতি এটা ধৰ্ম বা সম্প্ৰদায়ৰে গঠিত জনগোষ্ঠী নহয়; ই ভিন ভিন জাতি-জনজাতি, উপজাতিৰ এটা সংমিশ্ৰণহে। আকৌ এনেদৰে ভিন ভিন জাতি, উপজাতি, জনজাতিৰ কৃষ্টিৰ সংমিশ্ৰণত গঢ় লৈ উঠাৰ বাবে অসমীয়া সংস্কৃতিও বাৰেবৰণীয়া সংস্কৃতি হৈ পৰিছে। ০

## প্ৰসঙ্গ পুথি

1. Barua, K.L., *Early History of Kamarupa*, Second edition, 1966, Lawyer's Book Stall, Gauhati, p.2; *Kalika Purana* tr. By K.P. Bidyaratna, Calcutta, 1927,51/59
2. *Kalika Purana*, 51/56
3. *Yogini Tantra*, ed. By K.M. Bhattacharjya, Calcutta, 1926,11/1
4. Cited in Kakati, B.K, *Mother Goddess Kamakhya*, Gauhati, 1978 p.8.
5. Watters, T, Tr. *On Yuan Chwang's Travels in India*, Vol-II, London 1905, Reprinted, New Delhi, 1973, p.187.
6. Barua, K.L. op., cit, p.7.

# দ্বিতীয় অধ্যায়

## অতীতৰ মুছলমান ৰাজশক্তিৰ অভিযানসমূহ আৰু তৎকালীন অসমৰ ৰাজনৈতিক অৱস্থা

**ড° তচ্চদ্দুক আমানুল হুছেইন**

দ্বিতীয় অধ্যায়

# অতীতৰ মুছলমান ৰাজশক্তিৰ অভিযানসমূহ আৰু তৎকালীন অসমৰ ৰাজনৈতিক অৱস্থা

উপৰি উক্ত পৰ্যালোচনাৰ পৰা দেখা যায় যে প্ৰাচীন প্ৰাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যই বৰ্তমান অসমৰ ভৌগোলিক তথা ৰাজনৈতিক সীমাৰেখাৰ উপৰি পূব ভাৰতৰ বিশাল অঞ্চল ব্যাপী প্ৰসাৰতা লাভ কৰিছিল। বৰ্তমানৰ ব্ৰহ্মপুত্ৰ উপত্যকা, ভূটান, উত্তৰ বংগ, বাংলাদেশৰ উত্তৰ আৰু পূব অংশ আৰু উত্তৰে চীন-তিব্বতৰ সীমাপৰ্যন্ত বিস্তৃত আছিল এই কামৰূপ ৰাজ্য। অৱশ্যে সময়ে সময়ে ৰাজ্যশক্তিৰ উত্থান-পতন বা চুবুৰীয়া শক্তিৰ লগত সংঘাতৰ পৰিণতি স্বৰূপে এই ৰাজ্যৰ সীমাৰেখা প্ৰসাৰিত বা সংকুচিত হৈছিল। তথাপি ঐতিহাসিক কনকলাল বৰুৱাদেৱে যুক্তিসংগতভাৱে মত পোষণ কৰিছিল যে "যিকোনো ক্ষেত্ৰতে এই কথা স্পষ্ট যে প্ৰাগ্‌জ্যোতিষ বা প্ৰাচীন কামৰূপ মহাভাৰতত উল্লেখিত অধিকাংশ ৰাজ্য আৰু গৌতম বুদ্ধৰ কালত অৱস্থিত প্ৰায়বোৰ মহাজনপদতকৈ যথেষ্ট বিশাল আছিল"।[১]

খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ মাজভাগমানত বৰ্মণ বংশৰ প্ৰতিষ্ঠাৰ পৰাহে প্ৰকৃততে ঐতিহাসিক সমলৰ ওপৰত ভিত্তি কৰি প্ৰাচীন প্ৰাগ্‌জ্যোতিষ-কামৰূপৰ ৰাজনৈতিক ইতিহাস আৰম্ভ হয় বুলি ক'ব পৰা যায়। পুষ্যবৰ্মণৰ দ্বাৰা প্ৰতিষ্ঠিত বৰ্মণ ৰাজবংশৰ (অনুঃ ৩৫০-৬৫০খ্ৰীঃ) পিছত ক্ৰমে শালস্তম্ভ (অনুঃ ৬৫০-৯৯০ খ্ৰীঃ) আৰু পালবংশই (অনুঃ ৯৯০-১১৮২ খ্ৰীঃলৈকে) প্ৰাচীন প্ৰাগ্‌জ্যোতিষ-কামৰূপত প্ৰায় ৮০০ বছৰ কাল গৌৰৱ-গৰিমাৰে শাসন কৰিছিল। কিন্তু পাল ৰাজবংশৰ পতনৰ লগে লগে প্ৰাচীন গৌৰৱময় কামৰূপ ৰাজ্যৰো

অৱক্ষয় আৰম্ভ হ'ল। সন্ধ্যাকৰ নন্দীৰ 'ৰামচৰিত'ত উল্লেখ পোৱা যায় যে গৌড়ৰাজ ৰামপালৰ (১০৮৫-১১৩০খ্ৰীঃ) সেনাধ্যক্ষ মায়ানে কামৰূপৰ পাল ৰজা জয়পালক (অনুঃ ১১২০-১১৮২খ্ৰীঃ) পৰাভূত কৰি উত্তৰ বংগ অধিকাৰ কৰিছিল।[২] ৰামপালে তিঙ্গদেৱ নামৰ এজনক এই অঞ্চলৰ শাসনকৰ্তা ৰূপে নিয়োগ কৰিছিল। কিন্তু ১১৩০ খ্ৰীঃত ৰামপালৰ মৃত্যু হোৱাত তিঙ্গদেৱে স্বাধীনতা ঘোষণা কৰাত ৰামপালৰ উত্তৰাধিকাৰী কুমাৰ পালে (১১৩০-৩৫) তেওঁৰ বিশ্বাসী ব্ৰাহ্মণমন্ত্ৰী আৰু সেনাধ্যক্ষ বৈদ্যদেৱক তিঙ্গদেৱৰ বিপক্ষে প্ৰেৰণ কৰে। বৈদ্যদেৱে তিঙ্গদেৱক বধ কৰি উত্তৰ বঙ্গৰ শাসনকৰ্তা নিযুক্ত হয়। ইয়াৰ কিছুদিন পিছতেই প্ৰভু কুমাৰ পালৰ মৃত্যু হোৱাত বৈদ্যদেৱে নিজ স্বাধীনতা ঘোষণা কৰে আৰু কেইবছৰমানতে ৰাজধানীসহ কামৰূপ ৰাজ্যৰ এক বিস্তৃত অঞ্চল অধিকাৰ কৰে। এইদৰে প্ৰথমবাৰৰ বাবে বঙ্গদেশৰ এজন মন্ত্ৰী-সেনাধ্যক্ষই কামৰূপ ৰাজ্যৰ সীমাৰেখা অতিক্ৰম কৰি এই ৰাজ্যৰ এক বিশাল অঞ্চল নিজ নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হৈছিল। অৱশ্যে বৈদ্যদেৱে সমগ্ৰ কামৰূপ ৰাজ্য অধিকাৰ কৰিব পৰা নাছিল। কাৰণ ১১৩৮ খ্ৰীঃত বৈদ্যদেৱে কামৰূপ নগৰ অধিকাৰ কৰাৰ পিছতো ১১৪২ খ্ৰীঃমানলৈকে শেষ পালবংশীয় ৰজা জয়পালে নগাঁও আৰু কামৰূপ অঞ্চলত শাসন কৰি থকাৰ তথ্য পোৱা যায়।

পালবংশৰ পতনৰ লগে লগে কামৰূপ ৰাজ্যৰ দ্ৰুত অৱক্ষয় আৰম্ভ হ'ল। ইতিমধ্যে দ্বাদশ শতিকাৰ মাজভাগত বৈদ্যদেৱৰো মৃত্যু হ'ল আৰু তেওঁৰ দুৰ্বল উত্তৰাধিকাৰীসকলে শক্তিশালী আৰু বিশাল প্ৰাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰ অখণ্ডতা বজাই ৰখাত ব্যৰ্থ হ'ল। ফলত এই ৰাজ্য ভাঙি খণ্ড-বিখণ্ড হ'ল আৰু বিভিন্ন অংশত স্বাধীন ৰাজ্যৰ উদ্ভৱ হ'ল। ইয়াৰ ধ্বংসস্তূপৰ ওপৰতে 'ভূঞা' নামধাৰী সামন্ত নেতাসকলে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন ৰাজ্য স্থাপন কৰাৰ লগতে পিছলৈ কমতা ৰাজ্য প্ৰতিষ্ঠিত হ'ল। প্ৰায় একে সময়তে ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্যান্য উজনি অঞ্চলৰ ৰাজনৈতিক দৃশ্যপটত মৰাণ, বৰাহী, চুতীয়া, কছাৰী আদি জনজাতীয় ৰাজ্যবোৰ গা কৰি উঠিছিল। মুঠতে ত্ৰয়োদশ শতিকাৰ অনৈক্য বিৰাজমান কামৰূপ তথা ব্ৰহ্মপুত্ৰ উপত্যকা যিকোনো সাম্ৰাজ্যবাদী শক্তিৰ ভাগ্য অন্বেষণৰ ৰম্যভূমিস্বৰূপ হৈ পৰিছিল। দ্বাদশ শতিকাৰ শেষ দশকত দিল্লী অধিকাৰ

কৰি ভাৰতৰ ৰাজনৈতিক ৰঙ্গমঞ্চত প্ৰৱেশ কৰা তুৰ্কী-আফগান-মুছলমানসকল আছিল এনে এক শক্তিৱান সাম্ৰাজ্যবাদী শক্তি।

## মহম্মদ-বিন বখতিয়াৰ খিলিজিৰ নেতৃত্বত মুছলমান ৰাজশক্তিৰ প্ৰথম কামৰূপ অভিযান

১১৯২ খ্ৰীঃত ঘজ্‌নীৰ শাসনকৰ্তা মহম্মদ ঘোৰীৰ (তেওঁ চাহাবুদ্দিন মহম্মদ আৰু মুইজুদ্দিন মহম্মদ-বিন-সাম নামেৰেও পৰিচিত) নেতৃত্বত এক বিশাল বাহিনীয়ে তৰাইনৰ দ্বিতীয় যুদ্ধত দিল্লী আৰু আজমীৰৰ শক্তিশালী ৰাজপুত শাসনকৰ্তা পৃথ্বীৰাজ চৌহানক পৰাভূত কৰি উত্তৰ ভাৰতত তুৰ্কী শাসন প্ৰতিষ্ঠাৰ ভেটি ৰচনা কৰিলে। ঘোৰীৰ বিশ্বস্ত ক্ৰীতদাস কুতুবুদ্দিন আইবেকে মীৰাট, উজনি দোৱাব, বৰন আৰু কোইল (বৰ্তমান আলিগড়) পদানত কৰিলে। ১১৯৮ খ্ৰীঃত মহম্মদ ঘোৰীয়ে সেই সময়ৰ ভাৰতৰ সকলোতকৈ শক্তিশালী নৃপতি গাহড়বালৰাজ জয়চন্দ্ৰক চন্দওয়াৰৰ যুদ্ধত পৰাভূত কৰি কনৌজসহ বিহাৰৰ সীমাপৰ্যন্ত বিশাল ভূখণ্ড হস্তগত কৰিলে ।ইফালে কুতুবুদ্দিন আইবেকে গুজৰাট আৰু আনহিলওয়াৰৰ শাসক দ্বিতীয় ভীমক পৰাভূত কৰে।

পূব ভাৰত অভিযানত তুৰ্কী বাহিনীয়ে চমৎকাৰ সফলতা লাভ কৰা পৰিলক্ষিত হয়। এই অভিযানৰ নেতৃত্ব লৈছিল মহম্মদ ঘোৰীৰ এজন খিলিজি কৰ্মচাৰী ইখতিয়াৰ উদ্দিন মহম্মদ বিন-বখতিয়াৰ খিলিজিয়ে। বখতিয়াৰে পোনপ্ৰথমে বিহাৰৰ ওপৰত আধিপত্য স্থাপন কৰি ভালেকেইটা বিখ্যাত বৌদ্ধ বিহাৰ, নালন্দা আৰু বিক্ৰমশীলা আক্ৰমণ আৰু ধ্বংস কৰে। এইদৰে তেওঁ যথেষ্ট অনুচৰ আৰু প্ৰচুৰ ধন-সম্পদ লাভ কৰে। তদুপৰি এই অভিযানকালত তেওঁ বঙ্গদেশ আক্ৰমণ কৰাৰ বিভিন্ন পথৰো সন্ধান কৰিবলৈ সক্ষম হয়। বঙ্গ জয় সেই কালত এক লোভনীয় বিষয় আছিল; কাৰণ বঙ্গ আভ্যন্তৰীণ সম্পদ আৰু লাভজনক বহিঃবাণিজ্যৰ বাবে সেই যুগত যথেষ্ট প্ৰখ্যাত আছিল।

সামৰিক প্ৰস্তুতি সম্পন্ন কৰি ১২০২ খ্ৰীঃত বখতিয়াৰ খিলিজিয়ে বঙ্গদেশ অভিমুখে অগ্ৰসৰ হ'ল। সেই সময়ত বঙ্গদেশত সেন বংশীয় ৰজা লক্ষ্মণসেনে শাসন কৰি আছিল আৰু তেওঁৰ ৰাজধানী আছিল নদীয়া। বখতিয়াৰে বঙ্গৰাজক

চালনাৰ জালত পেলোৱাৰ লক্ষ্যৰে অশ্ব ব্যৱসায়ীৰ ছদ্মবেশত ওঠৰজন সঙ্গীসহ অতি গোপনে যাত্রা কৰি সেন ৰাজধানীত প্ৰৱেশ কৰিলে। তুৰ্কী অশ্ব ব্যৱসায়ীৰ যাতায়াত সেই সময়ত সাধাৰণ ঘটনা আছিল হেতু বখতিয়াৰ আৰু তেওঁৰ সহচৰকেইজন নিৰ্বিঘ্নে ৰাজধানীত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকে ৰাজধানীত প্ৰৱেশ কৰিয়েই ৰাজপ্ৰাসাদৰ ওপৰত আক্ৰমণ কৰি চৰম বিশৃংখলতা আৰু আতংকৰ সৃষ্টি কৰিলে। লক্ষণসেন এজন যশস্বী যোদ্ধা আছিল সঁচা, কিন্তু অতৰ্কিত আক্ৰমণত তেওঁ দিশহাৰা হৈ পৰিল আৰু ইতিমধ্যে বিশাল তুৰ্কী বাহিনী ৰাজধানীত প্ৰৱেশ কৰিছে বুলি তেওঁ পতিয়ন গ'ল। এনে পৰিস্থিতিত প্ৰতিৰোধ অসম্ভৱ বুলি গণ্য কৰি সেনৰাজে ৰাজপ্ৰাসাদ ত্যাগ কৰি পলায়ন কৰি সোণাৰগাঁৱত আশ্ৰয় ল'লেগৈ। মূল তুৰ্কী বাহিনীয়ে অৱশ্যেই বখতিয়াৰৰ পশ্চাদনুসৰণ কৰিলে আৰু নেতৃত্ববিহীন বঙ্গ ৰাজসেনাক পৰাভূত কৰিলে। লক্ষণসেনৰ সমস্ত ধন-সোণ আৰু আনকি স্ত্রী-পুত্ৰও বখতিয়াৰৰ হাতলৈ গ'ল। অৱশ্যে অসংখ্য বিশাল নদ-নদীৰ বাবে ৰাজধানী নদীয়া আয়ত্তত ৰখাটো কঠিন হ'ব বুলি বখতিয়াৰে বিবেচনা কৰিলে। সেয়েহে তেওঁ নদীয়া পৰিত্যাগ কৰি উত্তৰ বঙ্গৰ লক্ষণাৱতীত ৰাজধানী প্ৰতিষ্ঠা কৰিলে। লক্ষণ সেন আৰু তেওঁৰ উত্তৰাধিকাৰীসকলে সোণাৰগাঁৱক ৰাজধানীৰূপে লৈ দক্ষিণ বঙ্গত ৰাজত্ব কৰি থাকিল।

বখতিয়াৰ খিলিজিৰ বঙ্গৰ ওপৰত আধিপত্য স্থাপন আৰু উত্তৰ বঙ্গত ৰাজধানী স্থাপনে পাৰ্শ্বৱৰ্তী কামৰূপ ৰাজ্যত সাম্ৰাজ্যবাদী তুৰ্কী শক্তিৰ আগ্ৰাসনৰ পথ প্ৰশস্ত কৰিলে। ইছলাম ধৰ্ম প্ৰচাৰৰ লগতে কামৰূপৰ উৰ্বৰা ভূখণ্ড, সোণ, বনজ সম্পদ বিশেষকৈ শালকাঠ আৰু লগতে অগৰুৰ দৰে সুগন্ধি গছ-লতা, হাতী আৰু হাতীদাঁত, কস্তুৰি মৃগ ইত্যাদিৰ খ্যাতিয়ে স্বাভাৱিকতেই তুৰ্কীসকলক এই ৰাজ্য জয়ৰ বাবে আকৰ্ষিত কৰিছিল।[৩] সম্ভৱতঃ কুতুবুদ্দিন আইবেক আৰু বখতিয়াৰে এইটোও জানিছিল যে চীনৰ বিশ্ব বাণিজ্যৰ লগত যোগসূত্ৰ স্থাপনৰ এক প্ৰধান পথ থকা ৰাজ্য হ'ল কামৰূপ।[৪]

বঙ্গ অধিকাৰৰ প্ৰায় তিনি বছৰৰ পিছত বখতিয়াৰ খিলিজিয়ে সুদূৰৰ চীন আৰু তিব্বত অধিকাৰৰ আঁচনি লয়। তেওঁৰ এই দুঃসাহসী আঁচনিৰ অন্তৰালত কি

কাৰণ আছিল জনা নাযায়। সম্ভৱতঃ বিহাৰ, বঙ্গ আদিত লাভ কৰা সহজ সফলতাই বখতিয়াৰৰ সাম্ৰাজ্যবাদী লালসা বঢ়াই তুলিছিল। এই আঁচনি বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত অৱশ্যে তেওঁ সমকালীন কামৰূপ ৰাজ পৃথু বা বাৰ্তুৰ (এওঁক গছতল লিপিৰ ৰজা বিশ্বসুন্দৰ দেৱ বুলি অনুমান কৰা হয়) লগত আগতীয়াকৈ যোগাযোগ কৰিছিল। সি যি কি নহওক বখতিয়াৰৰ এই উচ্চাকাঙ্খী বিজয় অভিযান নীতিয়ে ত্ৰয়োদশ শতিকাৰ আগভাগত কামৰূপলৈ প্ৰথম মুছলমান আগমনৰ সূচনা কৰিলে।

বখতিয়াৰৰ আগমনৰ বিষয়ে উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা নামে ঠাইৰ শিলৰ ফলি, নগাঁৱৰ গছতলৰ শিলৰ ফলি আদিত উল্লেখ পোৱা যায়। তদুপৰি এই অভিযানৰ বিষয়ে ১২৬০-৬১ খ্ৰীঃত মিনহাজউদ্দিন চিৰাজে ৰচনা কৰা 'তবাকৎ-ই-নাচিৰি' নামৰ পাৰ্চী গ্ৰন্থখনত বিশদ বিৱৰণ আছে। মিনহাজে এই তুৰ্কী অভিযানটো সম্পৰ্কে তথ্য অভিযানৰ প্ৰায় ত্ৰিশ বছৰৰ পিছত বখতিয়াৰৰ এজন অনুগত তলতীয়া শাসকৰ পৰা আহৰণ কৰা বুলি জনা যায়।[৫]

'তবাকৎ-ই-নাচিৰি'ৰ পৰা জনা যায় যে তিব্বত-চীন আদিলৈ যোৱাৰ চমু পথ কামৰূপ ৰাজ্যৰ উত্তৰ-পূব কোণৰ মাজেৰে অৱস্থিত বুলি অৱগত হৈ বখতিয়াৰে তেওঁৰ আসন্ন সাম্ৰাজ্যবাদী পৰিকল্পনাৰ বিষয়ে পৃথু ৰজাক আগতীয়াকৈ জনাইছিল, পৃথুৱে এই সংবাদ পাই বখতিয়াৰক জনাইছিল যে বাৰিষা কাল সমাগত হোৱাৰ হেতু এনে দুৰ্গম অভিযান তেতিয়া চলোৱাটো সঠিক নহ'ব। লগতে কামৰূপৰাজে বখতিয়াৰক এইবুলিও জনালে যে যদি পিছৰ বছৰ খৰালিত বখতিয়াৰে অভিযান চলায়, তেন্তে পৃথুৱে তেওঁক অস্ত্ৰ-শস্ত্ৰসহ সক্ৰিয় সহযোগিতা আগবঢ়াব। তবাকৎ-ই-নাচিৰিৰ এনেবোৰ তথ্যৰ পৰা ধাৰণা হয় যে বখতিয়াৰৰ সাম্ৰাজ্যবাদী পৰিকল্পনাৰ লক্ষ্য কেতিয়াও কামৰূপ ৰাজ্য নাছিল।

সি যি কি নহওক, কামৰূপৰ ৰজাৰ পৰামৰ্শ অৱজ্ঞা কৰি বখতিয়াৰ খিলিজিয়ে ১২০৬ খ্ৰীঃৰ শীতকালৰ শেষৰ ফালে দহ-বাৰ হাজাৰমান সু-সজ্জিত অশ্বাৰোহী সেনা লৈ বৰ্তমান বাংলাদেশৰ দিনাজপুৰৰ পৰা প্ৰায় দহ মাইল দক্ষিণে থকা দেৱকোট (বৰ্তমানৰ গঙ্গাৰামপুৰ)ৰ পৰা নিজ সমৰ অভিযান আৰম্ভ কৰিলে। এই অভিযানত তেওঁ পথ প্ৰদৰ্শক ৰূপে এজন মেচ জাতিৰ চৰ্দাৰৰ সেৱা আহৰণ

কৰিবলৈ সক্ষম হৈছিল। এই মেচ চৰ্দাৰজনক বখতিয়াৰে ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত কৰি তেওঁক 'আলি মেচ' নাম দিছিল। আলি মেচে দেখুওৱা দুৰ্গম পথেৰে বখতিয়াৰ সসৈন্যে অগ্ৰসৰ হৈ কিছুদিন পাছত বাগমতী নামে এক বিশাল নদীৰ পাৰৰ বৰ্দনকোট নামে ঠাইত উপস্থিত হ'ল। বখতিয়াৰে সসৈন্যে বাগমতী পাৰ হৈ সোঁপাৰেৰে উত্তৰ মুৱাকৈ প্ৰায় দহ দিন ধৰি কোচ, মেচ আৰু থাৰু জনজাতি অধ্যুষিত অঞ্চলৰ মাজেৰে অগ্ৰসৰ হৈছিল। ইয়াৰ পাছত বখতিয়াৰ এক সৰু নদীৰ ওপৰত থকা এখন শিলৰ দলং পালেগৈ। এই ক্ষুদ্ৰ নৈখন সম্ভৱতঃ পুষ্পভদ্ৰা সমতলেদি সেই কালত প্ৰৱাহিত হোৱা এক সুঁতি আছিল, যিটো বৰনদীৰ পৰা ওলাই বৰ্তমানতকৈ কেইবামাইলো তলত থকা ব্ৰহ্মপুত্ৰত পৰিছিলগৈ। এই সুঁতিটোৰ ওপৰত থকা দলংখন ২৯ টুকুৰা শিলেৰে নিৰ্মিত আছিল বুলি উল্লেখ পোৱা যায়।[৬] ইয়াতে আলি মেচে বখতিয়াৰৰ বাহিনীৰ সঙ্গ ত্যাগ কৰিছিল।

ইয়াৰ পাছত বখতিয়াৰে সসৈন্যে এই দলংখন অতিক্ৰম কৰি প্ৰায় ১৬ দিনৰ দুৰ্গম অঞ্চলৰ মাজেৰে কষ্টকৰ যাত্ৰাৰ অন্তত এক জনবহুল শস্য-শ্যামলা সমতল ভূমিত উপস্থিত হ'ল। সেই ঠাইত এক শক্তিশালী বিশাল দুৰ্গ আছিল আৰু ইয়াৰ চৌপাশে গাঁও আছিল। বখতিয়াৰৰ সৈন্যই এই গাঁওবাসীৰ ওপৰত অত্যাচাৰ আৰু লুণ্ঠন আৰম্ভ কৰাত অঞ্চলটোৰ জনগণে দুৰ্গৰক্ষী বাহিনীৰ লগ হৈ বখতিয়াৰৰ সৈন্যক তীব্ৰ প্ৰতিৰোধ আগবঢ়ালে। এই মঙ্গোলীয় প্ৰতিৰোধ বাহিনীৰ আক্ৰমণত ভালেসংখ্যক মুছলমান সৈন্য নিহত আৰু বন্দী হ'ল। তেনেতে বখতিয়াৰে খবৰ পালে যে কৰম পট্টন বা কাৰুগম্পা (সম্ভৱঃ কুমাৰীকটা, ভূটান সীমান্তত অৱস্থিত) নামে ঠাইৰ পৰা এক শক্তিশালী বাহিনী মুছলমান আক্ৰমণকাৰীৰ বিপক্ষে দ্ৰুত অগ্ৰসৰ হৈছে। (এই কুমাৰীকটা সম্ভৱতঃ সেই কালত এক ভূটীয়া সামৰিক ঘাটি আছিল। কাৰণ পাল ৰাজবংশৰ পতনৰ পাছত ভূটানৰ সীমান্তৱৰ্তী 'দুৱাৰ' অঞ্চলবোৰ ভূটীয়াসকলৰ নিয়ন্ত্ৰণাধীন হৈছিল।) এই সংবাদ পাই আতংকিত হৈ বখতিয়াৰে তৎকালেই পিছহুঁহকিবলৈ আৰম্ভ কৰিলে। কিন্তু কামৰূপৰ পাৰ্বত্য অঞ্চলৰ মাজেৰে ৰঙিয়া আৰু তামুলপুৰ অঞ্চলৰে প্ৰত্যাৱৰ্তনৰ কালত বখতিয়াৰে অত্যন্ত দুৰ্যোগৰ সন্মুখীন হ'ল। কামৰূপ সেনাই মুছলমান সেনাৰ ওপৰত অতৰ্কিত আক্ৰমণ চলাই পথ অৱৰুদ্ধ কৰাৰ লগতে বখতিয়াৰৰ

সৈন্যৰ বাবে খাদ্যৰ যোগান সম্পূৰ্ণ বন্ধ কৰি পেলালে। ইতিমধ্যে বখতিয়াৰে পৃথুৰ পৰামৰ্শ অৱজ্ঞা কৰি কামৰূপৰ মাজেৰে তিব্বতৰ দিশত অভিযান চলোৱা তথা নিজ প্ৰজাৰ ওপৰত তুৰ্কী সৈন্যৰ উৎপীড়ন আদি কাৰণত কামৰূপৰাজ বখতিয়াৰৰ ওপৰত বিতুষ্ট হৈ পৰিছিল। সেয়েহে ৰজা পৃথুৱে বখতিয়াৰৰ বাহিনীক শ'লঠেকত পেলাবলৈ পূৰ্ব উল্লেখিত শিলৰ দলংখনৰ দুটুকুৰা শিল এৰুৱাই শত্ৰুপক্ষৰ প্ৰত্যাৱৰ্তনৰ পথ ৰুদ্ধ কৰিলে আৰু তেওঁলোকৰ ওপৰত অতৰ্কিত আক্ৰমণৰ বাবে প্ৰস্তুতি চলালে। বখতিয়াৰে নদীখনৰ পাৰত উপস্থিত হৈ শিল এৰুৱাই যোৱা দলংখনেৰে নদী পাৰ হোৱাত ব্যৰ্থ হ'ল। দিশহাৰা হৈ পৰা বখতিয়াৰৰ বাহিনীৰ ওপৰত কামৰূপ ৰজাৰ সৈন্যই প্ৰচণ্ড আক্ৰমণ চলাই বহু তুৰ্কী সৈন্যক হত্যা আৰু বন্দী কৰিলে। অৱশিষ্ট সৈন্যসকলক লৈ বখতিয়াৰে সমীপৰে এক শিৱ মন্দিৰত কোনোমতে আশ্ৰয় ল'লে। কিন্তু ৰজা পৃথুৰ নিৰ্দেশমৰ্মে কামৰূপী সেনাই মন্দিৰটোৰ চৌপাশে বাঁহৰ জোঙেৰে বেৰা দি বখতিয়াৰৰ বাহিনীক অৱৰোধ কৰি পেলালে। অচিৰেই ৰচদ-পাতি সম্পূৰ্ণ শেষ হৈ পৰাত কিংকৰ্তব্যবিমূঢ় হৈ পৰা বখতিয়াৰৰ বাহিনীয়ে এদিন ৰাতি বাঁহৰ বেৰা ভাঙি নৈত জাঁপ দিলে। নদীৰ কোবাল সোঁতত বেছিভাগ তুৰ্কী সৈন্য গভীৰ পানীত জাহ গ'ল। বখতিয়াৰে এমুঠিমান সৈন্য লৈ কোনো মতে নদী পাৰ হ'বলৈ সক্ষম হ'ল। ইয়াৰ পিছত স্থানীয় মেচ মুৰব্বী (সম্ভৱ পূৰ্বৰ আলি মেচ)ৰ সহযোগত তেওঁ দিনাজপুৰৰ দক্ষিণৰ দেৱকোটত উপস্থিত হ'ল। অচিৰেই বখতিয়াৰ খিলিজিয়ে গৌড়ত এক ভগ্ন হৃদয় লৈ মৃত্যুবৰণ কৰিলে।[৭] সুদূৰৰ তিব্বত-চীনক আক্ৰমণৰ লক্ষ্যৰূপে লৈ কামৰূপ ৰাজ্যৰ মাজেৰে অগ্ৰসৰ হোৱা তুৰ্কী মুছলমানসকলৰ এই প্ৰথমটো অভিযানৰ বিষয়ে উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা নামৰ ঠাইখনৰ এক শিলৰ ফলিত সংস্কৃত ভাষা আৰু অসমীয়া আখৰেৰে এনেদৰে দুটা শাৰী লিখা আছে—

*"শাকে তুৰগ যুগ্মগে মধুমাস ত্ৰয়োদশে।*
*কামৰূপং সমাগত্য তুৰস্কাঃ ক্ষয়মাযুঃ"*

এই শাৰী দুটাৰ অৰ্থ হ'ল, ১১২৭ শকৰ চ'ত মাহৰ ১৩ তাৰিখৰ (ইংৰাজী ১২০৬ চনৰ ২৭ মাৰ্চ) দিনা তুৰ্কীসকল কামৰূপলৈ আহি সমূলঞ্চে ধ্বংস হৈছিল।

ওপৰৰ পৰ্যালোচনাৰ পৰা আমি নিশ্চিত হ'ব পাৰোঁ যে বখতিয়াৰ খিলিজিয়ে সুদূৰৰ চীন আৰু তিব্বত জয় কৰাৰ পৰিকল্পনাক বাস্তৱত ৰূপ দিবলৈ এই দেশসমূহলৈ যোৱা চমু পথৰ সন্ধানতহে কামৰূপ ৰাজ্যত প্ৰৱেশ কৰিছিল। কামৰূপ ৰাজ্যক পদানত কৰাটো তেওঁৰ লক্ষ্য নাছিল। বৰং কামৰূপ ৰাজ্যক তেওঁ প্ৰস্তাৱিত সময়ৰ অভিযানৰ বিষয়ে আগতীয়াকৈ অৱগত কৰি সম্ভৱতঃ তেওঁ নিজ সাম্ৰাজ্যবাদী আঁচনিৰ প্ৰতি কামৰূপীসকলৰ সক্ৰিয় সহযোগিতা আশা কৰিছিল। পৃথুৱেও আনকি তেওঁক সঠিক সময়ত অভিযান চলালে সাহায্যৰ প্ৰতিশ্ৰুতি দিছিল। এইবোৰ কাৰণত আমি সঠিক অৰ্থত বখতিয়াৰৰ সৈন্যৰ কামৰূপত প্ৰৱেশ কৰা কাৰ্যক মুছলমানৰ প্ৰথম অসম বা কামৰূপ আক্ৰমণ বোলাটো সমীচীন নহ'ব। আনকি কানাই বৰশী বোৱা লিপিতো তুৰ্কী আক্ৰমণ শব্দৰ পৰিৱৰ্তে 'সমাগত্য' (সমীপলৈ অহা) শব্দটোহে ব্যৱহাৰ কৰা হৈছে। অৱশ্যে কামৰূপৰাজ পৃথুৰ পৰামৰ্শক অৱজ্ঞা কৰি বখতিয়াৰৰ কামৰূপ ৰাজ্যৰ মাজেৰে অনধিকাৰ অগ্ৰসৰ আৰু সীমান্ত অঞ্চলৰ প্ৰজাৰ ওপৰত তুৰ্কী বাহিনীৰ উৎপীড়নে বখতিয়াৰৰ লগত কামৰূপ ৰাজ্যৰ সম্পৰ্ক দ্ৰুত শত্ৰুভাৱাপন্ন কৰি তুলি পশ্চাদপসৰণ কৰা তুৰ্কী বাহিনীক বিধ্বস্ত কৰিবলৈ পৃথু ৰজাক অনুপ্ৰাণিত কৰিছিল।

যদিও মহম্মদ বিন বখতিয়াৰৰ নেতৃত্বাধীন তুৰ্কী মুছলমান বাহিনীৰ কামৰূপত প্ৰবল বিপৰ্যয় হৈছিল আৰু বেছিভাগ সেনাই অভিযান কালত শত্ৰুৰ তৰোৱালৰ আগত অথবা খৰস্ৰোতা নদীৰ বুকুত জাহ গৈছিল, তথাপি অসমৰ ইতিহাস আৰু বিশেষকৈ অসমৰ মুছলমানসকলৰ ইতিহাসত এই প্ৰথম তুৰ্কী অভিযানটোৰ বিশেষ গুৰুত্ব আছে। কাৰণ এই অভিযান কালতে প্ৰাণ ৰক্ষা পোৱা বা বন্দী হোৱা বহু মুছলমান সেনাই তেওঁলোকৰ পৰাভূত সেনানায়কৰ পিছ লোৱাতকৈ কামৰূপতে স্থায়ীভাৱে বসতি স্থাপন কৰাটোকে শ্ৰেয় বুলি বিবেচনা কৰা বুলি অনুমান কৰিব পৰা যায়। এইদৰে দেখা যায় যে আহোমসকলৰ আগমনৰ পূৰ্বেই অসমত মুছলমানৰ বসতি স্থাপন হৈছিল। তদুপৰি মুছলমানসকলৰ এই ইচ্ছাকৃত বসতি স্থাপনৰ উপৰি মেচ জাতিৰ চৰ্দাৰ 'আলি মেচ'ৰ ইছলাম ধৰ্ম গ্ৰহণৰ কথাটোৰ বিশেষ তাৎপৰ্য আছে। কাৰণ ই প্ৰমাণ কৰে যে পূৰ্বৰ পৰাই হওক বা সেই কালতে হওক মুছলমানসকলৰ লগত অসমৰ সম্পৰ্ক স্থাপন হৈছিল

আৰু বহুসংখ্যক মুছলমানে কামৰূপ ৰাজ্যক নিজ গৃহভূমি ৰূপে গ্ৰহণ কৰিছিল। মিনহাজ উদ্দিনে লিখি থৈ গৈছে যে গৌড়ৰ পূৰ্বে থকা কোঁচ আৰু মেচসকলে ইছলাম ধৰ্মৰ প্ৰতি যথেষ্ট সন্মান প্ৰদৰ্শন কৰিছিল।[৯] ইয়াৰ অন্তৰালৰ মূল কাৰণ আছিল সম্ভৱ পীৰ, ফকিৰ, উলেমা, দৰৱেশ আদি ইছলাম ধৰ্মৰ প্ৰচাৰকসকলে একাদশ আৰু দ্বাদশ শতিকাতে অসমলৈ আহি ইছলাম সম্পৰ্কে জনসাধাৰণক অৱগত কৰিছিল।[১০]

## গিয়াছউদ্দিন ইৱাজ খিলিজি আৰু নাছিৰ উদ্দিনৰ কামৰূপ ৰাজ্য অভিযান

কামৰূপৰ ওপৰত পৰৱৰ্তী আক্ৰমণ চলোৱা মুছলমান শাসকজন হ'ল গিয়াছউদ্দিন খিলিজি, ১২২৫ খ্ৰীঃত দিল্লীৰ চুলতান চামচুদ্দিন ইলতুৎমিচৰ (১২১১-১৩) সাৰ্বভৌমত্ব স্বীকাৰ কৰি লোৱা গিয়াছউদ্দিন খিলিজিয়ে ১২২৭ খ্ৰীঃত কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল। গুণাভিৰাম বৰুৱাৰ 'অসম বুৰঞ্জী'ৰ মতে গিয়াছউদ্দিনে মৈমনসি ঙৰ ফালৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে আহি শদিয়া পাইছিলহি আৰু তেওঁক যুদ্ধত ঘটুৱাই খেদি পঠিওৱা হৈছিল।[১১] কিন্তু বৰুৱাৰ এই বিৱৰণীৰ সত্যতা নাছিল। কাৰণ সেই কালত ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত জনজাতীয় ৰাজশক্তিবোৰক পৰাভূত নকৰাকৈ কম সময়তে শদিয়াত উপস্থিত হোৱাটো অসম্ভৱ আছিল।

মিনহাজ-উচ-চিৰাজে গিয়াছউদ্দিনৰ কামৰূপ আক্ৰমণৰ বিষয়ে এক সংক্ষিপ্ত বৰ্ণনা দিছে। ইয়াৰ পৰা ধাৰণা হয় যে গিয়াছউদ্দিনে বখতিয়াৰ অগ্ৰসৰ হোৱাৰ পথেৰেই কামৰূপত সসৈন্যে প্ৰৱেশ কৰিছিল। সেই সময়তো কামৰূপৰ ৰজা আছিল পৃথু ওৰফে বিশ্বসুন্দৰদেৱ। ১৮৮০ খ্ৰীঃত গুৱাহাটীত গিয়াছউদ্দিনৰ ১২২৮-২৯ খ্ৰীঃৰ এক মুদ্ৰা আৱিষ্কৃত হৈছে। তদুপৰি গছতল লিপিৰ পৰা জনা যায় যে গিয়াছউদ্দিনে সসৈন্যে নগাঁওপৰ্যন্ত অগ্ৰসৰ হৈছিল আৰু ইয়াতে তেওঁক কামৰূপৰাজ পৃথু ওৰফে বিশ্বসুন্দৰদেৱে পৰাভূত কৰিছিল। এনেদৰে দেখা যায় যে বখতিয়াৰে কামৰূপৰ সীমামূৰীয়া অঞ্চলেৰে অগ্ৰসৰ হৈছিল, কিন্তু গিয়াছউদ্দিন ইৱাজে প্ৰত্যক্ষভাৱে কামৰূপৰ ওপৰত আক্ৰমণ চলাই ৰাজ্যখনৰ বহু অভ্যন্তৰলৈ প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। গিয়াছউদ্দিনে অৱশ্যে সুদীৰ্ঘ সময় কামৰূপত

থাকিব পৰা নাছিল, কাৰণ তেওঁৰ অনুপস্থিতিৰ সুযোগ লৈ দিল্লীৰ চুলতান ইলতুৎমিচৰ জ্যেষ্ঠ পুত্ৰ নাছিৰউদ্দিনে বঙ্গ আক্ৰমণ কৰি ৰাজধানী লক্ষণাৱতী অধিকাৰ কৰাৰ পৰিপ্ৰেক্ষিতত ইৱাজে কামৰূপৰ পৰা প্ৰত্যাৱৰ্তন কৰিবলৈ বাধ্য হৈছিল। সম্ভৱতঃ ইলতুৎমিচৰ অনুমোদন নোলোৱাকৈ গিয়াছউদ্দিনে কামৰূপ আক্ৰমণ কৰাত বিতুষ্ট হৈ চুলতানে নিজ পুত্ৰক বঙ্গলৈ প্ৰেৰণ কৰি গিয়াছউদ্দিনক ক্ষমতাচ্যুত কৰিব বিচাৰিছিল। যি কি নহওক প্ৰত্যাৱৰ্তনৰ কালত কামৰূপী সেনাৰ প্ৰচণ্ড আক্ৰমণত বহু তুৰ্কী সেনা মৃত্যুমুখত পৰিছিল আৰু ভালেসংখ্যক বন্দী হৈছিল। গছতল লিপিৰ পৰা জনা যায় যে ৰজা পৃথুৱে (বিশ্বসুন্দৰদেৱে) ম্লেছ বা মুছলমানসকলৰ আক্ৰমণত বিধ্বস্ত হোৱা এক শিৱ মন্দিৰ নিৰ্মাণৰ দায়িত্ব চন্দ্ৰকান্তা নামে এজন ব্যক্তিৰ হাতত অৰ্পণ কৰিছিল।[১২] এই ম্লেছসকল গিয়াছউদ্দিনৰ নেতৃত্বাধীন তুৰ্কী মুছলমান বাহিনীটোৱেই আছিল বুলি ধাৰণা কৰিব পাৰি।

প্ৰথম দুটা মুছলমান আক্ৰমণ সফলতাৰে প্ৰতিহত কৰা পৃথু বা বাৰ্তু নিশ্চিতভাৱে এজন শক্তিশালী ৰজা আছিল। তেওঁ এক বিস্তীৰ্ণ এলেকাৰ ওপৰত সুদীৰ্ঘকাল প্ৰতাপেৰে শাসন কৰিছিল। বখতিয়াৰৰ অনুপ্ৰৱেশৰ পিছতে তেওঁ ভৱিষ্যৎ মুছলমান আক্ৰমণৰ পৰা নিজ ৰাজ্যৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ ৰংপুৰ আৰু জলপাইগুৰি নগৰীক গড় মাৰি সুৰক্ষিত কৰিবলৈ কাৰ্যব্যৱস্থা হাতত লৈছিল। বেছিভাগ ঐতিহাসিকে গছতল লিপিৰ বিশ্বসুন্দৰদেৱ আৰু পৃথু অভিন্ন ব্যক্তি আছিল বুলি মত পোষণ কৰে। তদুপৰি জলপাইগুৰিৰ জলপেছ শিৱ মন্দিৰ তেওঁ নিৰ্মাণ কৰা বাবে যোগিনীতন্ত্ৰত তেওঁক 'জলপেশ্বৰ' নামেৰেও বৰ্ণনা কৰা হৈছে। পৃথুৰ ৰাজত্ব কালত পোন প্ৰথমবাৰৰ বাবে কামৰূপত মুছলমানসকলে স্থায়ী বসতি স্থাপন কৰাটো অঞ্চলটোৰ সামাজিক আৰু ৰাজনৈতিক ইতিহাসৰ এক অসীম গুৰুত্বপূৰ্ণ ঘটনা।

কামৰূপ অভিযান কালত প্ৰবল বিপৰ্যয়ৰ সন্মুখীন হোৱা গিয়াছউদ্দিন ইৱাজে নিজ ৰাজ্য বঙ্গত উপস্থিত হ'ল যদিও লক্ষণাৱতী পুনৰুদ্ধাৰ কৰাত ব্যৰ্থ হ'ল। নাছিৰউদ্দিনে তেওঁক যুদ্ধত সম্পূৰ্ণৰূপে পৰাভূত কৰি হত্যা কৰিলে। ইয়াৰ পিছত নাছিৰউদ্দিনে প্ৰায় দুবছৰ কাল চুলতান ইলতুৎমিচৰ প্ৰতিনিধিৰূপে বঙ্গৰ শাসনভাৰ চলাইছিল। এই কালছোৱাতে তেওঁ ১২২৮ খ্ৰীঃত জলপাইগুৰিৰ মাজেৰে

কামৰূপৰ বিপক্ষে অভিযান চলাইছিল। নিৰাপত্তা বেহু ভেদ কৰি এই অঞ্চলেৰে অগ্ৰসৰ হৈ নাচিৰউদ্দিনে যুদ্ধত জয়লাভ কৰাৰ উপৰি কামৰূপৰাজ পৃথুক নিহত কৰিবলৈ সক্ষম হ'ল। অৱশ্যে নাচিৰউদ্দিনে কামৰূপ ৰাজ্যক চুলতানী সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ পৰিৱৰ্তে এজনক পৃথুৰ উত্তৰাধিকাৰী ৰূপত কৰতলীয়া ৰজা হিচাপে নিযুক্তি প্ৰদান কৰিলে।

## ইখতিয়াৰউদ্দিন উজবেক তুগ্ৰিল খাঁৰ অভিযান

পৃথুৰ উত্তৰাধিকাৰী ৰূপে তুৰ্কী মুছলমান শক্তিৰ কৰতলীয়া হোৱা কামৰূপৰ ৰজাজনৰ নাম আছিল সম্ভৱতঃ সন্ধ্যা। ৰামচৰণ ঠাকুৰৰ 'গুৰু চৰিত' গ্ৰন্থত সন্ধ্যা ৰজাৰ নাম উল্লেখ পোৱা যায়। ইফালে সন্ধ্যা ৰজাক কামৰূপৰ সিংহাসনত প্ৰতিষ্ঠা কৰা নাচিৰউদ্দিনৰ ১২২৯ খ্ৰীঃত মৃত্যুৰ পাছত বঙ্গদেশত প্ৰবল অন্তৰ্কলহ আৰু বিশৃংখলতাই দেখা দিছিল আৰু সাতজনকৈ শাসনকৰ্তাৰ উত্থান-পতন হৈছিল। সন্ধ্যা ৰজাই পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি তুৰ্কী শক্তিলৈ কৰ-কাটল প্ৰেৰণ বন্ধ কৰি নিজকে স্বাধীন ঘোষণা কৰিলে। তদুপৰি তেওঁ উত্তৰ গুৱাহাটীত কামৰূপ নগৰক ৰাজধানী ৰূপে লৈ পশ্চিমে কৰতোৱাৰ পৰা পূবে বৰনদী আৰু উত্তৰে হিমালয়ৰ পাদদেশৰ পৰা দক্ষিণে মৈমনসি ঙৰ উত্তৰলৈকে এক বিশাল সম্পদশালী ৰাজ্যৰ অধিপতি হৈছিল। অৰ্থাৎ তেওঁৰ ৰাজ্যত কামৰূপ, গোৱালপাৰা, কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ জিলা আৰু মৈমনসিঙৰ একাংশ অন্তৰ্ভুক্ত আছিল।[১৩] সন্ধ্যা ৰজাই সম্ভৱ পূব অসমৰ শক্তিশালী চুতীয়া ৰাজবংশৰ লগত এক বৈবাহিক সম্পৰ্ক স্থাপন কৰি নিজ মৰ্যাদা বৃদ্ধি কৰিছিল। তেওঁ আনকি অন্তৰ্কলহত জৰ্জৰিত গৌড় ৰাজ্যৰো একাংশ অধিকাৰ কৰি 'গৌড়েশ্বৰ' উপাধিও ধাৰণ কৰিবলৈ লৈছিল। মিনহাজ-উচ-চিৰাজে সন্ধ্যা ৰজাক 'কামৰূপৰ ৰায়' বুলি উল্লেখ কৰা দেখা যায়।

সুদীৰ্ঘ অৰাজকতা আৰু গৃহবিবাদৰ অন্ত পেলাই ১২৫১-৫২ খ্ৰীঃত মালিক ইখতিয়াৰ উদ্দিন উজবেক তুগ্ৰিল খাঁ নামে এক প্ৰতিভাৱান নেতাই বঙ্গৰ শাসন ক্ষমতা হস্তগত কৰিলে। ১২৫৫ খ্ৰীঃত তেওঁ নিজকে স্বাধীন চুলতান বুলি ঘোষণা কৰি বিহাৰ আৰু অযোধ্যা হস্তগত কৰিলে। ইয়াৰ পিছত তেওঁ পূৰ্বৰ বঙ্গৰ কৰতলীয়া

ৰজা সন্ধ্যাৰ অবাধ্যতাৰ প্ৰতিশোধ ল'বলৈ কামৰূপ ৰাজ্য আক্ৰমণৰ সিদ্ধান্ত ল'লে। ১২৫৭ খ্ৰীঃৰ বসন্ত কালৰ আগভাগত এক শক্তিশালী বাহিনী লৈ তুগ্ৰিল খাঁই লক্ষণাৱতীৰ পৰা কামৰূপ ৰাজ্য অভিমুখে অগ্ৰসৰ হ'ল। তেওঁ সম্ভৱতঃ ৰংপুৰ জিলাৰ ঘোঁৰাঘাটেৰে কৰতোৱা নদী পাৰ হৈ ধুবুৰীৰ উত্তৰ-পূবৰ ৰঙামাটি হৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি কামৰূপ নগৰত উপস্থিত হৈছিল।[১৪] কামৰূপৰাজ সন্ধ্যাই কৌশলগত কাৰণত তুগ্ৰিল খাঁৰ সৈন্য বাহিনীক প্ৰতিৰোধ কৰাৰ কোনো চেষ্টা নকৰি উত্তৰৰ পাহাৰীয়া হাবিত সসৈন্যে আশ্ৰয় ল'লে আৰু নিজ প্ৰজাক তুৰ্কী বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰি নিজ নিজ ঘৰলৈ ঘূৰি যাবলৈ অনুমতি প্ৰদান কৰিলে। সন্ধ্যা ৰজাৰ এনে কাৰ্যৰ মাজত ভৱিষ্যতৰ ৰণ-কৌশল লুকাই আছিল আৰু তেওঁ তুৰ্কী সেনাক ভুল পথেৰে নি ধ্বংস কৰাৰ পৰিকল্পনা কৰিছিল। যি নহওক, তুগ্ৰিল খাঁই প্ৰায় কোনো বাধা নোপোৱাকৈয়ে ৰাজধানী কামৰূপ নগৰত প্ৰৱেশ কৰিলে। মিনহাজৰ লেখাৰ পৰা এই কথা স্পষ্টভাৱে জনা যায় যে তুগ্ৰিল খাঁৰ আক্ৰমণৰ অন্যতম প্ৰধান লক্ষ্য আছিল কামৰূপত ইছলাম ধৰ্ম প্ৰচাৰ কৰা। সেয়েহে তেওঁ কামৰূপ নগৰত প্ৰৱেশ কৰাৰ পাছত মুছলমান প্ৰথামতে 'খুটবা' পাঠ কৰি শুকুৰবাৰৰ জুম্মা নামাজ পঢ়োৱাৰ ব্যৱস্থা কৰিলে। ইতিমধ্যে কামৰূপত বসবাস কৰা মুছলমানেও এনে নামাজত যোগদান কৰিছিল বুলি জনা যায়।[১৫] তদুপৰি ইছলামৰ প্ৰচাৰৰ উদ্দেশ্যে তথা নিজ বিজয়ৰ স্মৃতি ৰক্ষাৰ্থে তুগ্ৰিলে ৰাজধানী কামৰূপ নগৰীত এক মছজিদো নিৰ্মাণ কৰিছিল বুলি উল্লেখ পোৱা যায়।[১৬] ইয়াৰ পাছত তেওঁ কামৰূপ ৰাজ্যৰ পূব সীমান্তৰ বৰনদীপৰ্যন্ত অগ্ৰসৰ হৈ বহু মূল্যৱান সম্পত্তি লুণ্ঠন কৰিবলৈ সক্ষম হয়। অচিৰেই তুগ্ৰিল খাঁই এই উৰ্বৰা, সম্পদশালী ৰাজ্যখন স্থায়ীভাৱে অধিকাৰৰ পৰিকল্পনা কৰিলে। তেনেতে তুৰ্কী বাহিনীক কামৰূপ ৰাজ্যৰ পৰা অপসাৰণ কৰাৰ লক্ষ্যৰে ৰজা সন্ধ্যাই তুগ্ৰিল খাঁলৈ এক লোভনীয় শান্তি প্ৰস্তাৱ প্ৰেৰণ কৰিলে। এই প্ৰস্তাৱৰ জৰিয়তে সন্ধ্যাই তুগ্ৰিলৰ তলতীয়া ৰজা হোৱাৰ উপৰি সোণ আৰু হাতীৰ দ্বাৰা বাৰ্ষিক কৰ-কাটল সোধাবলৈ সন্মতি প্ৰকাশ কৰিলে। কিন্তু সন্ধ্যা ৰজাৰ এই প্ৰস্তাৱ তুগ্ৰিলে নাকচ কৰিলে। অৱশ্যে তেওঁ সন্ধ্যা ৰজাৰ পৰামৰ্শমতে ৰাজধানীৰ সমীপৰ খেতিপথাৰসমূহৰ শস্যসমূহ উচ্চ দৰত ক্ৰয় কৰি মজুত কৰিবলৈ সন্মত হ'ল।

কিন্তু বসন্ত কালত শস্য চপোৱাৰ সময়তে ৰজা সন্ধ্যাই পাহাৰৰ আশ্ৰয়স্থলীৰ পৰা সসৈন্যে ওলাই আহি ইতিমধ্যে ফেনে-ফোটোকাৰে বাঢ়ি অহা নদীবোৰৰ পাৰ কাটি চৌদিশে বানপানীৰ সৃষ্টি কৰিলে। শস্যপথাৰসমূহ পানীত বুৰ গ'ল আৰু সন্ধ্যা ৰজাৰ নিৰ্দেশমৰ্মে স্থানীয় প্ৰজাই মুছলমানৰ প্ৰভুত্ব দলিয়াই পেলাই স্থল আৰু জলপথসমূহ নিজ নিয়ন্ত্ৰণলৈ আনি ৰাজধানী কামৰূপ নগৰীলৈ ৰচদ-পাতিৰ যোগান ব্যাহত কৰি পেলালে। খাদ্য-সংকটত তুৰ্কী সেনাৰ মৃত্যু হ'বলৈ ধৰিলে। আতংকিত হৈ পৰা মুছলমান সৈনিকৰ বাবে বঙ্গদেশলৈ তৎকালে পলায়ন কৰাৰ বাহিৰে আন কোনো পথ খোলা নাথাকিল। কামৰূপ নগৰৰ পৰা তুগ্ৰিল খাঁই ভীতিগ্ৰস্ত নিজ সেনা বাহিনীক লৈ কোচবিহাৰ আৰু জলপাইগুৰিৰ পথেৰে দেৱকোট অভিমুখে দ্ৰুত প্ৰত্যাৱৰ্তন কৰিলে। পলায়মান শত্ৰু সেনাৰ ওপৰত কামৰূপী সেনাই চৌদিশে আক্ৰমণ কৰি বহুতক হত্যা আৰু বন্দী কৰি বিধ্বস্ত কৰিলে। হাতীৰ পিঠিত উঠি পলাবলৈ চেষ্টা কৰা তুগ্ৰিল খাঁৰ বুকুত যাঠি লাগি আঘাতপ্ৰাপ্ত হ'ল। সন্ধ্যা ৰজাৰ নিৰ্দেশত তেওঁক হত্যা কৰা হ'ল। তুগ্ৰিলৰ পৰিয়ালৰ লোক আৰু বহু সহযোগীক বন্দী কৰা হ'ল। তেওঁৰ বিশাল বাহিনীৰ মাত্ৰ এমুঠিমান সেনাহে কোনোমতে বঙ্গদেশত উপস্থিত হ'বলৈ সক্ষম হৈছিল।

চুলতান তুগ্ৰিল খাঁৰ অভিযানৰ এই বিৰাট বিপৰ্যয়ে বঙ্গৰ মুছলমান শক্তিক এক প্ৰবল জোকাৰণি দিছিল আৰু তেওঁলোকে পৰৱৰ্তী ছটা দশকতকৈও অধিক কাল কামৰূপ আক্ৰমণৰ আঁচনি ল'বলৈ সাহস গোটাব পৰা নাছিল। আনহাতে কামৰূপৰ ৰজা সন্ধ্যাই তুগ্ৰিল খাঁৰ আক্ৰমণৰ কিছু পাছতেই ১২৬০ খ্ৰীঃত কামৰূপ নগৰৰ পৰা নিজ ৰাজধানী বৰ্তমানৰ কোচবিহাৰৰ ওচৰৰ কমতাপুৰলৈ স্থানান্তৰ কৰিলে। এই ৰাজধানী স্থানান্তৰৰ অন্যতম প্ৰধান কাৰণ আছিল পশ্চিম দিশৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰেৰে অগ্ৰসৰ হোৱা বাৰম্বাৰ মুছলমান ৰাজশক্তিৰ আক্ৰমণৰ কবলৰ পৰা নিজ ৰাজধানীক মুক্ত কৰা। কমতাপুৰলৈ ৰাজধানী তুলি নিয়াৰ লগে লগে প্ৰাচীন কামৰূপ ৰাজ্য কমতা বা কামৰূপ-কমতা নামেৰে জনাজাত হ'ল আৰু ইয়াৰ ৰজাসকলে কমতেশ্বৰ বা কামেশ্বৰ উপাধি গ্ৰহণ কৰিবলৈ ধৰিলে। তুগ্ৰিল খাঁৰ অভিযানৰ কালত কামৰূপৰ মুছলমান জনসংখ্যা যথেষ্ট বৃদ্ধি হোৱা বুলি ধাৰণা কৰিব পাৰি। সেই কালত মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰী সেনাৰ

বহুতে বন্দী হৈ কামৰূপতে স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। তদুপৰি সেই সময়তে প্ৰসিদ্ধ পীৰ গিয়াছউদ্দিন আউলীয়াই কামৰূপত ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে প্ৰচেষ্টা চলাইছিল। প্ৰথম অৱস্থাত এইক্ষেত্ৰত পীৰগৰাকীয়ে কামৰূপত অস্থায়ী প্ৰতিপত্তি স্থাপন কৰা চুলতান তুগ্ৰিল খাঁৰ ৰাজকীয় পৃষ্ঠপোষকতাও লাভ কৰি ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে এক অনুকূল পৰিৱেশ লাভ কৰিছিল বুলি জনা যায়।[১৭] এইগৰাকী পীৰৰ মাজাৰ বা দৰগাহ বৰ্তমানৰ কৃষ্ণাই চহৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ উত্তৰ-পূবে থকা দলগোমাৰ কাষৰ মামুদপুৰ গাঁৱত অৱস্থিত। কিছুমান ঐতিহাসিকৰ মতে গিয়াছউদ্দিন আউলীয়াৰ পূৰ্বেই হজৰত জালালউদ্দিন তাব্ৰিজী নামে আন এজন পীৰে হাচিমুদ্দিন ইৱাজৰ আক্ৰমণৰ কালত (১২২৬-২৭) কামৰূপত প্ৰৱেশ কৰি ইছলাম ধৰ্ম প্ৰচাৰত ব্ৰতী হৈছিল।[১৮]

## চুলতান গিয়াছউদ্দিন বাহাদুৰ চাহৰ কামৰূপ-কমতা ৰাজ্য আক্ৰমণ

সুদীৰ্ঘ বিৰতিৰ অন্তত বঙ্গৰ শক্তিশালী চুলতান গিয়াছউদ্দিন বাহাদুৰ চাহে কামৰূপ কমতা ৰাজ্যৰ ওপৰত পুনৰ আক্ৰমণ চলাইছিল। ইতিমধ্যে ১২৭০ খ্ৰীঃত সন্ধ্যা ৰজাৰ মৃত্যুৰ পিছত কমতা ৰাজ্যত দেখা দিয়া আভ্যন্তৰীণ বিশৃংখলতাই চুলতান বাহাদুৰ চাহক পূব দিশত আক্ৰমণাত্মক নীতি ল'বলৈ অনুপ্ৰাণিত কৰিছিল। সন্ধ্যা ৰজাৰ উত্তৰাধিকাৰী ক্ৰমে সিন্ধুৰায়, ৰূপনাৰায়ণ আৰু সিংহধ্বজ পূৰ্বৰ কামৰূপ ৰাজ্যৰ ভৌগোলিক সীমাৰেখাৰে গঠিত কমতা ৰাজ্যৰ অখণ্ডতা আৰু নিৰাপত্তা ৰক্ষা কৰাত ব্যৰ্থ হৈছিল। অৱশেষত কমতা ৰাজসভাৰ আভ্যন্তৰীণ ষড়যন্ত্ৰৰ সুযোগ গ্ৰহণ কৰি ৰজা সিংহধ্বজক (১৩০০-০৫) তেওঁৰ মন্ত্ৰী প্ৰতাপধ্বজে হত্যা কৰি এক নতুন ৰাজবংশক কমতা ৰাজসিংহাসনত অধিষ্ঠিত কৰে। প্ৰতাপধ্বজৰ ৰাজত্বকালত (১৩০৫-২৫) কমতা ৰাজ্যৰ লগত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উদীয়মান শক্তি আহোমসকলৰ যুদ্ধ লাগে। এই ৰণত কমতা ৰাজ্যৰ যথেষ্ট ক্ষয়-ক্ষতি হৈছিল আৰু প্ৰতাপধ্বজে নিজৰ জীয়েক ৰজনী কুঁৱৰীক সমসাময়িক আহোম ৰজা চুখাংফালৈ (১২৯৩-১৩৩২) বিয়া দিবলৈ বাধ্য হৈছিল। ইফালে ব্ৰহ্মপুত্ৰৰ দক্ষিণ ফালে নগাঁও অঞ্চলপৰ্যন্ত কছাৰীসকলৰ শক্তি বৃদ্ধিয়েও কমতা ৰাজশক্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছিল।

এনেদৰে আভ্যন্তৰীণ আৰু বাহ্যিক সমস্যাৰে জৰ্জৰিত কমতা ৰাজ্যৰ ওপৰত বঙ্গৰ উচ্চাকাংক্ষী চুলতান গিয়াছউদ্দিন বাহাদুৰ চাহে আক্ৰমণৰ পৰিকল্পনা ল'লে। ১৩২১-২২ খ্ৰীঃত তেওঁ সোণাৰগাঁৱৰ পৰা যাত্ৰা আৰম্ভ কৰি পূৰ্বৰ ব্ৰহ্মপুত্ৰ পাৰত উপস্থিত হ'ল আৰু এনায়তপুৰ আৰু ঘিয়াজপুৰৰ সীমান্ত অঞ্চলেদি কামৰূপ কমতাত প্ৰৱেশ কৰিলে। গিয়াছউদ্দিনৰ মুদ্ৰাৰ প্ৰাপ্তিস্থানৰ পৰা প্ৰমাণিত হয় যে মুছলমান ৰাজশক্তিৰ বাহিনীয়ে তেওঁৰ নেতৃত্বত মৈমনসিং হৈ কমতা ৰাজ্যৰ অন্তৰ্গত কোচবিহাৰ আক্ৰমণ কৰিছিল।[১৯] কমতাৰাজ প্ৰতাপধ্বজে আক্ৰমণকাৰী বাহিনীক প্ৰতিহত কৰাত সম্পূৰ্ণ বিফল হ'ল। চুলতানৰ বাহিনীয়ে দ্ৰুতগতিত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে অগ্ৰসৰ হৈ কামৰূপী প্ৰজাৰ ওপৰত ব্যাপক লুণ্ঠন চলালে। কিন্তু নগাঁও অঞ্চলত এই লুণ্ঠনকাৰী বাহিনীটোক স্থানীয় কছাৰীসকলে সম্পূৰ্ণৰূপে পৰাভূত কৰি খেদি পঠাবলৈ সক্ষম হ'ল। গিয়াছউদ্দিন বাহাদুৰ চাহে বিফল মনোৰথে বঙ্গলৈ প্ৰত্যাৱৰ্তন কৰিলে। ইয়াৰ প্ৰায় ছবছৰৰ পিছত এই উচ্চাকাংক্ষী চুলতানজনক দিল্লীৰ শাসক মহম্মদ বিন টোগলকৰ এক সৈন্য বাহিনীয়ে পৰাভূত কৰি হত্যা কৰিলে। বঙ্গক এতিয়া টোগলক সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হ'ল। বাহাদুৰ চাহৰ আক্ৰমণ কছাৰীসকলে প্ৰতিহত কৰিছিল যদিও কমতা ৰাজ্যৰ দুৰ্বলতাৰ পৰিপ্ৰেক্ষিতত সেই সময়ত গোৱালপাৰা আৰু কামৰূপৰ দক্ষিণ ভাগত বঙ্গৰ চুলতানৰ কৰ্তৃত্ব স্থাপন হৈছিল। ইয়াৰ ফলস্বৰূপে এই অঞ্চলবোৰত স্বাভাৱিকতেই মুছলমান জনসংখ্যা দ্ৰুত বৃদ্ধি হৈছিল বুলি জনা যায়।[২০]

## চুলতান মহম্মদ বিন টোগলকৰ কমতা অভিযান

প্ৰতাপধ্বজৰ মৃত্যুৰ (১৩২৫) পাছত কমতাৰ ৰাজসিংহাসনক লৈ তেওঁৰ নাবালক পুত্ৰ দুৰ্লভনাৰায়ণ আৰু ভতিজাক ধৰ্মনাৰায়ণৰ মাজত প্ৰবল অন্তৰ্কলহৰ সূচনা হৈছিল। এই অন্তৰ্কলহৰ পৰিণতি স্বৰূপে আনুমানিক ১৩৩০ খ্ৰীঃত কমতা ৰাজ্য বিভাজন কৰা হৈছিল। দুৰ্লভনাৰায়ণে এই বিভাজনৰ পৰিণতি স্বৰূপে কমতানগৰীৰ সৈতে ৰাজ্যৰ উত্তৰ-পূব অংশ আৰু আনহাতে ধৰ্মনাৰায়ণে বৰ্তমানৰ মৈমনসিং আৰু ৰংপুৰ জিলাকে লৈ কমতা ৰাজ্যৰ দক্ষিণ আৰু পশ্চিম অংশ

লাভ কৰিলে। সুদীৰ্ঘ ৰক্তাক্ত গৃহযুদ্ধ আৰু ৰাজ্যৰ বিভাজনে কমতাক দুৰ্বল কৰি পেলাইছিল যদিও দুৰ্লভনাৰায়ণে নিজকে এজন বিদ্যোৎসাহী আৰু শক্তিশালী ৰজা ৰূপে প্ৰতিষ্ঠা কৰা প্ৰতীয়মান হয়।

'আলমগীৰ নামা' নামে মীৰ্জা মহম্মদ কাজীয়ে ৰচনা কৰা পুথিখনত বৰ্ণনা পোৱা যায় যে ইতিমধ্যে বঙ্গদেশক নিজ সাম্ৰাজ্যত চামিল কৰা দিল্লীৰ চুলতান মহম্মদ বিন-টোগলকে এক লাখ সু-সজ্জিত অশ্বাৰোহী সৈন্যৰ এক বাহিনী কামৰূপ আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰে। এই পুথিখনত কামৰূপ বা কমতাৰ পৰিৱৰ্তে অসম নামৰ উল্লেখ পোৱা যায়। চুলতানৰ এই বিশাল বাহিনীটো মৈমনসিং হৈ কমতাত প্ৰৱেশ কৰে যদিও অচিৰেই তেওঁলোক সন্ধানহীন হৈ পৰে আৰু বাহিনীটো সম্পৰ্কে কোনো তথ্য সংগ্ৰহ কৰিব পৰা নগ'ল।[২১] এই অভিযানৰ বিষয়ে সমকালীন কোনো পুথিত উল্লেখ নথকাৰ দিশৰ পৰা বহুতো ঐতিহাসিকে ইয়াৰ সত্যাসত্য সম্পৰ্কে সন্দেহ প্ৰকাশ কৰে। কিন্তু ১৯১০ চনত মৈমনসিঙৰ এনায়তপুৰত আৱিষ্কৃত মহম্মদ টোগলকৰ ১৩৩২-৩৩ খ্ৰীঃৰ মুদ্ৰাই এই অভিযানৰ সত্যতা ঐতিহাসিকভাৱে প্ৰমাণিত কৰিছে। অৱশ্যে টোগলকে প্ৰেৰণ কৰা অশ্বাৰোহী সৈন্যৰ সংখ্যা অতিৰঞ্জিতভাৱে উল্লেখ কৰা হৈছে যেন অনুমান কৰিব পাৰি। যি কি নহওক দিল্লীৰ চুলতানৰ দ্বাৰা প্ৰেৰিত এই আক্ৰমণকাৰী বাহিনীটোক প্ৰতিহত কৰি বিপৰ্যয়ৰ মুখলৈ ঠেলি পঠিওৱাৰ সম্পূৰ্ণ কৃতিত্ব ৰজা দুৰ্লভনাৰায়ণক দিব পৰা যায়। এই সন্ধানহীন হোৱা সৈনিকসকলৰ বহুতে কমতা ৰাজ্যতে বসবাস কৰিবলৈ লোৱাৰ সম্ভাৱনাকো নুই কৰিব নোৱাৰি। আলমগীৰ নামাত এইবুলিও উল্লেখ আছে যে মহম্মদ টোগলকে এই পৰাজয়ৰ পোটক তুলিবলৈ দ্বিতীয় এক অভিযানো প্ৰেৰণ কৰিছিল। কিন্তু বঙ্গত উপস্থিত হোৱাৰ পাছতে সৈন্যদলটো তীব্ৰভাৱে ভীতিগ্ৰস্ত হৈ পৰি অভিযানৰ পৰিকল্পনা পৰিত্যাগ কৰিছিল। এই দ্বিতীয় বাহিনীটো সম্ভৱ উত্তৰ বঙ্গৰ দিশৰ পৰা প্ৰেৰণ কৰা হৈছিল আৰু তেওঁলোকক কমতাৰাজৰ সৈন্যই নিজ ৰাজ্যত প্ৰৱেশ কৰাৰ আগতেই বিধ্বস্ত কৰি খেদি পঠাইছিল।[২২]

## চিকন্দৰ চাহৰ কমতা আক্ৰমণ

মহম্মদ বিন-টোগলকৰ অভিযানৰ পৰৱৰ্তী প্ৰায় ২৫ বছৰ কাল কামৰূপ-কমতাৰ ওপৰত কোনো মুছলমান ৰাজশক্তিৰ আক্ৰমণ হোৱা নাছিল। এই কালছোৱাত বঙ্গই দিল্লীৰ লগত সম্পৰ্ক ছিন্ন কৰিছিল আৰু ১৩৪২ খ্ৰীঃত ইলিয়াছ খাঁ নামে এক অভিজাতে সোণাৰগাঁও আৰু লক্ষণাৱতী অধিকাৰ কৰি বঙ্গৰ সিংহাসন অধিকাৰ কৰিলে। ইয়াৰ পিছত তেওঁ বেনাৰসপৰ্যন্ত ৰাজ্য বিস্তাৰ কৰাত দিল্লীৰ চুলতান ফিৰোজ টোগলকে ইলিয়াছৰ বিপক্ষে যুদ্ধযাত্ৰা কৰে। যুদ্ধত ইলিয়াছ চাহৰ পৰাজয় হয় আৰু তেওঁ ফিৰোজ টোগলকৰ লগত বন্ধুত্বমূলক মিত্ৰতা চুক্তিত স্বাক্ষৰ কৰে।

ইফালে ১৩৫০ খ্ৰীঃত দুৰ্লভনাৰায়ণৰ মৃত্যুত তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ কমতাপুৰৰ সিংহাসনত উঠিছিল। এইজন ৰজাই পঞ্চ গৌড়েশ্বৰ উপাধি গ্ৰহণ কৰাৰ পৰা ধাৰণা কৰা হয় যে তেওঁ ধৰ্মনাৰায়ণৰ দুৰ্বল উত্তৰাধিকাৰী তাম্ৰধ্বজৰ হাতৰ পৰা দক্ষিণ আৰু পশ্চিম কমতা ৰাজ্যৰ অন্ততঃ এটা অংশ অধিকাৰ কৰি নিজ ৰাজ্যৰ লগত চামিল কৰিছিল। ইন্দ্ৰনাৰায়ণৰ ৰাজত্বকালৰ সকলোতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো আছিল ইলিয়াছ চাহৰ পুত্ৰ তথা উত্তৰাধিকাৰী চিকন্দৰ চাহৰ (১৩৫৭-৯০) অসম আক্ৰমণ। দুই-এক ঐতিহাসিকৰ মতে ইলিয়াছ চাহেই তেওঁৰ ৰাজত্বৰ শেষৰ ফালে কামৰূপ ৰাজ্যৰ ওপৰত আক্ৰমণ চলাইছিল আৰু তেওঁৰ অসম্পূৰ্ণ কাম পূৰ্ণ কৰাৰ লক্ষ্যৰেই পুত্ৰ চিকন্দৰ চাহে ১৩৬২ খ্ৰীঃত পুনৰাই সসৈন্যে কমতাৰ দিশত অগ্ৰসৰ হৈছিল।[২৩] সি যি কি নহওক, চিকন্দৰ চাহে উত্তৰ মৈমনসিং হৈ দ্ৰুতগতিত ব্ৰহ্মপুত্ৰৰ পাৰত উপস্থিত হ'ল আৰু মানাহ আৰু বৰনদীৰ মাজেৰে কামৰূপ কমতাৰ অভ্যন্তৰত প্ৰৱেশ কৰিলে। ইন্দ্ৰনাৰায়ণে আগবঢ়োৱা প্ৰতিৰোধ ব্যৰ্থ কৰি আক্ৰমণকাৰী মুছলমান ৰাজশক্তিৰ বাহিনী নগাঁও জিলাৰ কপিলী উপত্যকাপৰ্যন্ত অগ্ৰসৰ হ'ল। সেই সময়ত কপিলী উপত্যকাৰ একাংশত বৰাহী ৰজা মহামাণিক্যই শাসন কৰি আছিল। অৱশ্যে চিকন্দৰ চাহৰ বাহিনীক প্ৰতিৰোধ কৰাৰ নেতৃত্ব ল'বলৈ আগবাঢ়ি আহিছিল কেইজনমান ভূএঞা নেতাই। এই ভূএঞা মুৰব্বীকেইজনে মহামাণিক্য আৰু ইন্দ্ৰনাৰায়ণৰ ৰাজ্যৰ পৰা সৈন্য সংগ্ৰহ কৰি বৰ্তমান নগাঁও জিলাৰ গছতল অঞ্চলত মুছলমান ৰাজশক্তিৰ সৈনিকক

প্ৰবল প্ৰতিৰোধ আগবঢ়ালে। তেনেতে দিল্লীৰ চুলতান ফিৰোজ টোগলকে বঙ্গ আক্ৰমণৰ সংবাদ পোৱাত চিকন্দৰ চাহে নিজ ৰাজ্য ৰক্ষাৰ বাবে ততালিকে প্ৰত্যাৱৰ্তন কৰিবলৈ বাধ্য হ'ল। চিকন্দৰ চাহে ইন্দ্ৰনাৰায়ণৰ ৰাজধানী অধিকাৰ কৰাৰ স্বাক্ষৰ হিচাপে তেওঁৰ ১৩৫৭-৫৯ খ্ৰীঃত খোদিত এক মুদ্ৰা আৱিষ্কৃত হৈছে। তদুপৰি চিকন্দৰৰ নগাঁওপৰ্যন্ত অগ্ৰসৰ হোৱাৰ প্ৰমাণ স্বৰূপে তেওঁৰ নিজৰ এক মুদ্ৰাৰ উপৰি বঙ্গৰ চুলতান নাচিৰুদ্দিন মহম্মদ চাহৰ পৰা ফকৰুদ্দিন মোবাৰক চাহৰ (১২৮১-১৩৪৯) দিনৰ মুদ্ৰা নগাঁও জিলাত আৱিষ্কৃত হৈছে।[২৪]

## গিয়াছউদ্দিন আজম চাহৰ কমতা আক্ৰমণ

চিকন্দৰ চাহৰ আক্ৰমণ প্ৰতিহত কৰাত ব্যৰ্থ হোৱা বাবে এহাতে কমতেশ্বৰ ইন্দ্ৰনাৰায়ণৰ অকৰ্মণ্যতা প্ৰকাশ পাইছিল আৰু আনহাতে মুছলমান ৰাজশক্তিৰ আক্ৰমণ প্ৰতিৰোধ কৰাত সক্ৰিয় ভূমিকা লোৱা ভূঞা নেতাসকলৰ শক্তি বৃদ্ধি হৈছিল। এনে এজন ভূঞা নেতা আৰিমত্ত বা শশাংক ইমানেই উচ্চাকাংক্ষী হৈ উঠিছিল যে তেওঁ ইন্দ্ৰনাৰায়ণক হত্যা কৰি কমতাৰ ৰাজসিংহাসন অধিকাৰ কৰিছিল। আৰিমত্ত এজন শক্তিশালী ৰজা আছিল যদিও তেওঁৰ উত্তৰাধিকাৰীসকল আছিল যথেষ্ট দুৰ্বল। আৰিমত্তৰ পাছত সিংহাসনত বহা ৰজা গজাঙ্কৰ (১৩৮৫-১৪০০) দিনত বঙ্গৰ চুলতান চিকন্দৰ চাহৰ উত্তৰাধিকাৰী গিয়াছউদ্দিন আবুল মুজাফ্‌ফাৰ আজম চাহে কমতা ৰাজ্য আক্ৰমণৰ উদ্দেশ্যে আগবাঢ়ি আহে। তেনেতে আহোম ৰজা চুদাংফাৰ লগত শত্ৰুতা কৰি পলাই অহা তাওচুলাই নামে এজন লোকক কমতাৰাজে ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰাত আহোম সৈন্য বাহিনীয়েও কমতা ৰাজ্য আক্ৰমণৰ উদ্দেশ্যে আগবাঢ়ি আহে। এনেদৰে পূব আৰু পশ্চিম দুয়োদিশৰ পৰা শত্ৰুৰ আগমনত আতংকিত হৈ গজাঙ্কই নিজ কন্যা ভাজনীক আহোম ৰজা চুদাংফালৈ বিয়া দিয়ে আৰু আজম চাহৰ আক্ৰমণ প্ৰতিহত কৰিবৰ বাবে সাহায্য প্ৰাৰ্থনা কৰে। আহোমৰাজে অনুৰোধ ৰক্ষা কৰি সৈন্য প্ৰেৰণ কৰিলে আৰু কমতা-আহোমৰ সন্মিলিত বাহিনীয়ে মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰী বাহিনীক পৰাভূত কৰি প্ৰত্যাৱৰ্তন কৰিবলৈ বাধ্য কৰিলে। আহোম সৈন্যই এই বিজয়ৰ স্মৃতি ৰক্ষাৰ্থে কৰাতোৱা নদীৰ পাৰত এক পুখুৰী খন্দাইছিল বুলি জনা যায়।[২৫]

## কমতাৰ খান বা খেন্ বংশৰ ৰজাসকল আৰু ৰুকুনুদ্দিন বাৰবাক্ চাহ আৰু আলাউদ্দিন হুছেইন চাহৰ আক্ৰমণ

আৰিমত্তৰ দুৰ্বল উত্তৰাধিকাৰীসকলৰ দিনত সমগ্ৰ কামৰূপ কমতাত বিৰাট অৰাজকতাই দেখা দিছিল। এনে পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ভূঞা নেতাসকলে ৰজা উপাধি ধাৰণ কৰি একো একোটা ক্ষুদ্ৰ ক্ষুদ্ৰ অঞ্চলত স্বতন্ত্ৰভাৱে শাসন কৰিবলৈ লৈছিল আৰু পৰস্পৰৰ লগত অন্তৰ্কলহত লিপ্ত হৈ ৰাজ্যত প্ৰবল বিশৃংখলতাৰ সৃষ্টি কৰিছিল। অৱশেষত নীলধ্বজ নামে এজনে এই প্ৰভাৱশালী নেতাসকলক নিজ নেতৃত্বত ঐক্যবদ্ধ কৰি সমগ্ৰ কমতা ৰাজ্যৰ ওপৰত নিজ প্ৰভুত্ব স্থাপন কৰিবলৈ সক্ষম হৈছিল। তেওঁ পূৰ্বৰ ৰাজধানী কমতাপুৰ পুনৰ নিৰ্মাণ কৰি নিজে কমতেশ্বৰ উপাধি ধাৰণ কৰিছিল। তেওঁ প্ৰতিষ্ঠা কৰা ৰাজবংশটো খান বা খেন বংশ বুলি জনা যায় আৰু এই বংশৰ মুঠ তিনিজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁলোক হ'ল ক্ৰমে নীলধ্বজ (১৪৪০-৬০), চক্ৰধ্বজ (১৪৬০-৮০) আৰু নীলাম্বৰ (১৪৮০-৯৮)। উল্লেখযোগ্য যে সেই কালত বঙ্গৰ সম্ভ্ৰান্ত পৰিয়ালবোৰৰ অনুকৰণত কমতাৰ সম্ভ্ৰান্ত ভূঞা পৰিয়ালসমূহে খাঁ বা খান উপাধি গ্ৰহণ কৰিছিল।

নীলধ্বজৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ চক্ৰধ্বজ সিংহাসনত উঠে আৰু কৰতোৱাৰ পশ্চিমৰ কিছু অঞ্চলৰ ওপৰত কমতাৰ আধিপত্য স্থাপন কৰে। সেই সময়তে বঙ্গৰো ৰাজনীতিত পট পৰিৱৰ্তন ঘটে আৰু নাচিৰুদ্দিন মাহমুদে ৰজা গণেশৰ হিন্দু ৰাজবংশৰ চমু শাসনকালৰ (১৪১৫-১৪৪৩) অন্ত পেলাই ইলিয়াছ চাহী ৰাজবংশক পুনৰ প্ৰতিষ্ঠা কৰে। নাচিৰুদ্দিনৰ পুত্ৰ তথা উত্তৰাধিকাৰী ৰুকুনুদ্দিন বাৰবাক্ চাহে (১৪৫৫-৭৬) কমতা ৰাজ্যৰ কৰতোৱাৰ পশ্চিম দিশত আগ্ৰাসনত স্বাভাৱিকতে শংকিত হৈ পৰি কমতা ৰাজ্য আক্ৰমণ কৰিবলৈ অগ্ৰসৰ হয়। বাৰবাক্‌ৰ কমতা আক্ৰমণৰ বিষয়ে সমকালীন কোনো পাৰ্ছী বা অসমীয়া সাহিত্যিক সমল অথবা কোনো লিপি বা মুদ্ৰাৰ পৰা তথ্য আহৰণ কৰিব পৰা নাযায়। আমাৰ হাতত থকা এই মুছলমান ৰাজশক্তিৰ আক্ৰমণৰ একমাত্ৰ সমলটো হ'ল প্ৰায় দুশ বছৰৰ পিছত পীৰ মহম্মদ ছাউৰী নামে এজনে ১৬৬৩ খ্ৰীঃত ৰচনা কৰা ৰিছালত-উচ-চুহাদা নামে কিম্বদন্তিমূলক পাৰ্ছী গ্ৰন্থখন।[২৬]

উক্ত গ্ৰন্থখনৰ পৰা জনা যায় যে বাৰবাক চাহে কমতা ৰাজ্যৰ বিপক্ষে কেইবাবাৰো সৈন্য প্ৰেৰণ কৰি প্ৰত্যেকবাৰে ব্যৰ্থ হৈ অৱশেষত সামৰিক প্ৰতিভাসম্পন্ন মক্কাৰ এজন কুৰেছী আৰব সন্ত পুৰুষ ইছমাইল গাজীক কমতেশ্বৰৰ বিপক্ষে প্ৰেৰণ কৰিলে। গাজীয়ে পূব দিনাজপুৰেৰে অগ্ৰসৰ হৈ কমতা ৰজাই সদ্য অধিকাৰ কৰি লোৱা কৰতোৱাৰ পশ্চিম পাৰৰ অঞ্চলটো পুনৰুদ্ধাৰৰ প্ৰচেষ্টা চলালে যদিও ব্যৰ্থ হ'ল। কমতাৰাজ চক্ৰধ্বজে বৰ্তমানৰ দিনাজপুৰৰ ওচৰৰ সন্তোষ (মাহী) নামে ঠাইত এই সন্ত সেনাধ্যক্ষজনক সম্পূৰ্ণৰূপে পৰাভূত কৰিলে। ইছমাইল গাজী পিছহুঁহকিবলৈ বাধ্য হ'ল। কিন্তু কমতাৰাজে অচিৰেই গাজীৰ ব্যক্তিত্ব আৰু দৈৱিক শক্তি দেখি অত্যন্ত মোহিত হৈ পৰিল। চক্ৰধ্বজে এতিয়া গাজীৰ ওচৰত আত্মসমৰ্পণ কৰি বঙ্গৰ মুছলমান শক্তিৰ সাৰ্বভৌমত্ব স্বীকাৰ কৰি লোৱাই নহয় তেওঁ নিজেও ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। ৰিছালত-উচ-চুহাদাৰ এই কাহিনীটো সম্পৰ্কে গেইটে ক'ব বিচাৰে যে বাস্তৱিকতে যুদ্ধত বঙ্গৰ মুছলমান ৰাজশক্তিৰ সেনাৰ হাতত চক্ৰধ্বজ পৰাভূত হৈ বন্দী হৈছিল আৰু তেওঁ কৰতোৱাৰ পশ্চিমপাৰ বঙ্গক এৰি দিবলৈ বাধ্য হৈছিল।[২৭] সম্ভৱতঃ চক্ৰধ্বজে নিজ মুক্তিৰ বিনিময়ত ইছলাম ধৰ্ম গ্ৰহণ কৰিব লগাত পৰিছিল।

চক্ৰধ্বজৰ উত্তৰাধিকাৰী তথা পুত্ৰ নীলাম্বৰ এজন যথেষ্ট শক্তিশালী ৰজা আছিল। তেওঁ পূবে বৰনদীৰ পৰা পশ্চিমে কৰতোৱাপৰ্যন্ত বিস্তৃত অঞ্চলৰ ওপৰত নিজ কৰ্তৃত্ব স্থাপন কৰাৰ উপৰি সেই সময়ৰ বঙ্গৰ ৰাজশক্তিৰ দুৰ্বলতাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি উত্তৰ মৈমনসিং আৰু পূৰ্বৰ পৰা বঙ্গৰ অন্তৰ্ভুক্ত হৈ থকা পূব দিনাজপুৰকে ধৰি কৰতোৱাৰ পশ্চিমৰ এক বিশাল অঞ্চল হস্তগত কৰিলে। নিজ জয়লাভ সুদৃঢ়কৰণৰ লক্ষ্যৰে তেওঁ ৰাজধানী কমতাপুৰৰ পৰা ঘোঁৰাঘাটলৈ এক সুদীৰ্ঘ আৰু বিশাল পথ নিৰ্মাণ কৰিলে আৰু ঘোঁৰাঘাটত এক প্ৰকাণ্ড দুৰ্গ নিৰ্মাণ কৰি এক শক্তিশালী কমতা বাহিনী ইয়াত অৱস্থান কৰোৱাৰ ব্যৱস্থা কৰিলে।

ইফালে বাৰবাক্ চাহৰ কমতা আক্ৰমণৰ পৰৱৰ্তী দুটা দশকত বঙ্গৰ চুলতানসকলৰ আবিছিনিয়ান দেহৰক্ষীসকলৰ দৌৰাত্ম্যই সমগ্ৰ বঙ্গদেশ ব্যাপী প্ৰবল অৰাজকতাৰ সৃষ্টি কৰিছিল। ইয়াকে 'হাবছি অৰাজকতা' নামেৰে বঙ্গৰ ইতিহাসত জনা যায়। অৱশেষত বঙ্গৰ তদানীন্তন উজীৰে এই আবিছিনিয়ান

শাসনৰ ১৪৯৩ খ্ৰীঃত অন্ত পেলালে আৰু আলাউদ্দিন হুছেইন চাহ (১৪৯৩-১৫১৯) নাম লৈ বঙ্গৰ চুলতান হ'ল। বঙ্গত হুছেইন চাহী বংশৰ প্ৰতিষ্ঠাপক এইজন শক্তিশালী চুলতানে কমতাৰাজ নীলাম্বৰৰ বঙ্গৰ দিশত আগ্ৰাসনৰ প্ৰতিশোধ ল'বলৈ সংকল্প ল'লে।

আলাউদ্দিন হুছেইন চাহৰ কামৰূপ-কমতা আক্ৰমণৰ তৎকালীন পটভূমি সম্পৰ্কে অসমৰ বুৰঞ্জী পুথিসমূহত গৰমা কুঁৱৰীৰ এক ৰোমাণ্টিক কাহিনী বৰ্ণিত হৈ আছে। কাহিনীটোৰ মতে, কমতেশ্বৰ আৰু গৌড়েশ্বৰৰ মাজত থকা বন্ধুত্বৰ পৰিপ্ৰেক্ষিতত গৌড়েশ্বৰে নিজ কন্যাক কমতেশ্বৰলৈ বিয়া দিছিল। এই গৌড়ৰ কন্যা বা গৌড়মা ওৰফে গৰমা কুঁৱৰীগৰাকীক সম্ভৱতঃ ইছলামৰ পৰা শুদ্ধিকৰণৰ জৰিয়তে হিন্দু ধৰ্মলৈ নি-সুশুদ্ধি নাম দি কমতেশ্বৰে বিবাহ কৰিছিল। এই গৰমা কুঁৱৰী অত্যন্ত সুন্দৰী আছিল আৰু তেওঁ কমতা ৰজাৰ মুখ্য ৰাণীৰ স্থান লাভ কৰিছিল। কিন্তু কিছুদিন পাছত তেওঁৰ লগত কমতা ৰাজ্যৰ ব্ৰাহ্মণ মন্ত্ৰী শচীপাত্ৰৰ ডেকা পুত্ৰ চন্দ্ৰশেখৰৰ সৈতে অবৈধ প্ৰণয় আৰম্ভ হয়। কমতাৰাজে এই বিষয়ে সম্ভেদ পাই চন্দ্ৰশেখৰক হত্যা কৰি তেওঁৰ মাংস ৰন্ধাই পিতৃ শচীপাত্ৰক ভোজন কৰোৱালে। ৰজাৰ এনে বীভৎস কাণ্ডৰ প্ৰতিশোধ ল'বলৈ ঠিৰাং কৰি শচীপাত্ৰই তীৰ্থ ভ্ৰমণৰ ভাও ধৰি ৰজাৰ পৰা অনুমতি লৈ কমতা ত্যাগ কৰিলে। শচীপাত্ৰ কিছুদিনৰ পাছত গৈ বঙ্গৰ ৰাজসভাত উপস্থিত হ'ল আৰু তেওঁক কমতা ৰাজ্য আক্ৰমণৰ বাবে প্ৰৰোচিত কৰিলে। ইফালে কমতাৰাজে গৰমা কুঁৱৰীক ককৰ্থনা কৰি ৰাজপ্ৰাসাদৰ পৰা বহিষ্কাৰ কৰিলে আৰু তেওঁক ৰাজধানীৰ বাহিৰত থকা-খোৱাৰ সাধাৰণ ব্যৱস্থা কৰিলে। ইয়াৰ পৰাই তেওঁ পূৰ্বৰ মৃত প্ৰেমিক চন্দ্ৰশেখৰৰ ভাতৃ দীননাথক পিতৃ গৌড়েশ্বৰৰ ওচৰলৈ প্ৰেৰণ কৰিলে আৰু কমতা ৰাজ্য আক্ৰমণ কৰিবলৈ অনুৰোধ জনালে। কিন্তু বঙ্গৰ সৈন্য বাহিনী কমতাত উপস্থিত হোৱাৰ পূৰ্বে গৰমা কুঁৱৰী কছাৰী ৰজাৰ সান্নিধ্যলৈ আহে আৰু তেওঁ কছাৰী ৰাজ্যৰ ৰাণী হয়। অৱশ্যে ইয়াৰ কিছুদিন পাছতে আহোম স্বৰ্গদেউ চুহুংমুঙে কছাৰী ৰাজ্য আক্ৰমণ কৰে আৰু গৰমা কুঁৱৰীক নিজ ৰাজ্যলৈ নি ৰাণী পাতে।[২৮] বৰ্তমানৰ বেছিভাগ ঐতিহাসিকে এই কাহিনীটোৰ কিছু পৰিমাণে হ'লেও সত্যতা থকা বুলি মত পোষণ কৰে।

সি যি কি নহওক, ১৪৯৮ খ্ৰীঃত চুলতান আলাউদ্দিন হুছেইন চাহে ২৪,০০০ অশ্বাৰোহী আৰু পদাতিক সৈন্য আৰু অসংখ্য যুদ্ধ নাও লৈ কমতা ৰাজ্য আক্ৰমণ কৰিলে। অসমৰ বুৰঞ্জীমতে আক্ৰমণকাৰী বাহিনীটোক নেতৃত্ব প্ৰদান কৰিছিল চুলতানৰ জোঁৱায়েক তথা সেনাধ্যক্ষ দুলাল গাজীয়ে। মুছলমান বাহিনীয়ে কমতা ৰাজ্যৰ অভ্যন্তৰত প্ৰৱেশ কৰি ৰাজধানী কমতাপুৰ অৱৰোধ কৰিলে। কিন্তু বহু চেষ্টা চলায়ো দুৰ্গৰে সুৰক্ষিত কমতাপুৰ অধিকাৰ কৰাত আক্ৰমণকাৰী বাহিনী ব্যৰ্থ হ'ল। অৱশেষত চুলতানে কপটতাৰ আশ্ৰয় লৈ কমতাপুৰ অধিকাৰ কৰিলে। জনা যায় যে চুলতানে কমতাপুৰ অৱৰোধ উঠাই লোৱাৰ এক প্ৰস্তাৱ নীলাম্বৰলৈ প্ৰেৰণ কৰিলে আৰু লগতে তেওঁৰ পত্নীয়ে কমতাৰ ৰাণীসকলক সাক্ষাৎ কৰিব বিচৰা বুলি জনালে। কমতাৰাজে অনুমতি প্ৰদান কৰাত নাৰীৰ ছদ্মবেশত ভালেসংখ্যক মুছলমান সেনা কমতা ৰাজপ্ৰাসাদত প্ৰৱেশ কৰিলে আৰু নীলাম্বৰ ৰজাক বন্দী কৰা হ'ল। তেওঁক বন্দী অৱস্থাত গৌড়লৈ লৈ যোৱা হ'ল, কিন্তু বাটতে তেওঁ পলায়ন কৰিবলৈ সক্ষম হৈছিল। দুই-এক উৎসৰ মতে নীলাম্বৰ ৰজাক বন্দী অৱস্থাতে হত্যা কৰা হৈছিল।[২৯]

নীলাম্বৰৰ পতনৰ পাছত আক্ৰমণকাৰী বাহিনীয়ে ৰাজধানী কমতাপুৰ নগৰীক ধ্বংসাৱশেষত পৰিণত কৰিলে। চুলতান আলাউদ্দিনৰ বাহিনীয়ে অচিৰেই ভালেমান ভূএগ নেতাক দমন কৰে আৰু হাজো অঞ্চল অধিকাৰ কৰি নিজ সাম্ৰাজ্যৰ লগত চামিল কৰিলে। হাজোত এক শক্তিশালী মুছলমান ৰজাৰ ৰাজশক্তিৰ উপনিৱেশ প্ৰতিষ্ঠা কৰা হ'ল। এনেদৰে বৰনদীপৰ্যন্ত কামৰূপ খণ্ডত মুছলমান শাসন বলৱৎ কৰাত আলাউদ্দিন হুছেইন চাহ সফল হৈছিল। এই সফলতা অস্থায়ী আছিল সঁচা, কিন্তু তেওঁৰ পূৰ্বৰ কোনো মুছলমান সেনাধ্যক্ষই কামৰূপ কমতা অভিযানত এনে কৃতিত্ব কেতিয়াও অৰ্জন কৰিব পৰা নাছিল। বৰনদীপৰ্যন্ত নিজ ৰাজ্য সীমা সম্প্ৰসাৰণৰ অন্তত চুলতানে এই নকৈ অধিকৃত অঞ্চলটোৰ শাসনৰ দায়িত্ব নিজ পুত্ৰ ডানিয়েলৰ ওপৰত অৰ্পণ কৰি বঙ্গৰ নিজ ৰাজধানীলৈ প্ৰত্যাৱৰ্তন কৰিলে। আলাউদ্দিন হুছেইন চাহে নিজ ৰাজধানীত উপস্থিত হোৱাৰ পাছত নিজ সামৰিক সফলতাৰ স্মৃতি ৰক্ষাৰ্থে ১৫০২ খ্ৰীঃত নিজৰ নামত 'কামৰূপ-কমতা বিজেতা' উপাধিৰে মোহৰ মৰালে আৰু লগতে মালদাহত তেওঁ

নিৰ্মাণ কৰা মছজিদত এই সম্পৰ্কত এক বিজয় ফলক বা লিপি খোদিত কৰিলে।[৩০]

ইফালে চুলতানৰ পুত্ৰ ডানিয়েলে অধিকৃত অঞ্চলবোৰত সুস্থ প্ৰশাসন আৰু নিয়ন্ত্ৰণ প্ৰতিষ্ঠাৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছিল। প্ৰশাসনৰ সুবিধাৰ বাবে তেওঁ মচন্দৰ গাজী নামে এজনক কামৰূপ অঞ্চলৰ আৰু চুলতান গিয়াছউদ্দিন আউলীয়া নামৰ এজনক হাজো অঞ্চলৰ শাসনকৰ্তা আৰু সেনাধ্যক্ষ ৰূপে নিযুক্তি দিলে। এই গিয়াছউদ্দিন আউলীয়া এজন প্ৰসিদ্ধ মুছলমান সন্ত আৰু ইছলাম ধৰ্ম প্ৰচাৰক আছিল। তেওঁ কামৰূপত মুছলমান ৰাজশক্তিৰ উপনিৱেশ প্ৰতিষ্ঠা কৰা বুলি উল্লেখ পোৱা যায়। ইছলামৰ প্ৰচাৰৰ লক্ষ্য আগত লৈ গিয়াছউদ্দিনে হাজোত এক বিশাল মছজিদ নিৰ্মাণৰ কাম হাতত লৈছিল। এই মছজিদৰ কাম মক্কাৰ পৰা অনা কিছু পৱিত্ৰ মাটিৰে আৰম্ভ কৰা হৈছিল বুলি জনশ্ৰুতি পোৱা যায়। অৱশ্যে এই মছজিদ পূৰ্ণ হোৱাৰ আগতেই তেওঁৰ মৃত্যু হয় আৰু তেওঁক মছজিদটোৰ সমীপতে কবৰ দিয়া হয়। হাজোৰ গড়ুৰাচল পাহাৰৰ শিখৰত অৱস্থিত এই মছজিদ তথা সন্তজনৰ কবৰ বৰ্তমানেও মুছলমানসকলে এক পৱিত্ৰ তীৰ্থস্থান ৰূপে গণ্য কৰে। ইয়ালৈ এবাৰ তীৰ্থ কৰিবলৈ গ'লে এজন মুছলমানে মক্কালৈ হজ কৰিবলৈ যোৱাৰ জৰিয়তে অৰ্জন কৰা পুণ্যৰ এক চতুৰ্থাংশৰ সমান পুণ্য অৰ্জন কৰিবলৈ সক্ষম হয় বুলি বিশ্বাস কৰে। বহুসংখ্যক হিন্দুধৰ্মী লোকেও এই স্থানলৈ তীৰ্থ কৰিবলৈ যোৱাৰ পৰিপ্ৰেক্ষিতত ই এক হিন্দু-মুছলমানৰ সমন্বয় ক্ষেত্ৰত পৰিণত হৈছে। উল্লেখযোগ্য যে পৰৱৰ্তী কালৰ সম্ৰাট জাহাঙ্গীৰৰ দিনৰ লেখক মীৰ্জা নাথনেও চুলতান গিয়াছউদ্দিন আউলীয়াক এজন 'দৰৱেশ' বা পুণ্যাত্মা বুলি উল্লেখ কৰা দেখা যায়।[৩১]

নীলাম্বৰৰ অপসাৰণৰ লগে লগে কমতাৰ খান বা খেন বংশৰ ৰাজত্বৰ ওৰ পৰিল আৰু বৰনদীপৰ্যন্ত কামৰূপ-কমতা খণ্ডত চুলতান আলাউদ্দিন হুছেইন চাহৰ প্ৰতিপত্তি স্থাপন হ'ল। কিন্তু কামৰূপ-কমতাত মুছলমানী দখলদাৰী সৈন্যৰ বিপক্ষে ভূঞা নেতাসকল ঐক্যবদ্ধ আৰু শক্তিশালী ৰূপত থিয় দিলে। সম্ভৱতঃ নিজ পশ্চিম সীমান্তৰ সমীপত বঙ্গৰ মুছলমান ৰাজশক্তিৰ আগ্ৰাসন দেখি চিন্তিত হৈ পৰা আহোম ৰাজশক্তিয়েও ভূঞাসকলক এইক্ষেত্ৰত সক্ৰিয় সহযোগিতা

আগবঢ়াইছিল। অৱশেষত ১৫০৩ খ্রীঃত ভূএঞাসকলে প্রবল আক্রমণ চলাই হুছেইন চাহৰ পুত্র ডেনিয়েলৰ প্রতিৰোধৰ বেহু বিধ্বস্ত কৰি তেওঁক হত্যা কৰিলে। মুছলমান ৰাজশক্তিৰ বাহিনী সম্পূর্ণৰূপে পৰাভূত হ'ল। কিন্তু এই দখলদাৰী বাহিনীক বিতাড়িত কৰাৰ পাছত পুনৰাই ভূএঞা নেতাসকলৰ মাজত অন্তর্কলহ আৰম্ভ হ'ল আৰু তেওঁলোকে কামৰূপ-কমতাৰ বিভিন্ন অংশত নিজ নিজ বহু ক্ষুদ্র ক্ষুদ্র স্বাধীন ৰাজ্য স্থাপন কৰিলে। অৱশেষত ১৫১৫ খ্রীঃত বিশ্বসিংহৰ নেতৃত্বত উত্থান হোৱা কোচ শক্তিয়ে সমগ্র কামৰূপ-কমতাখণ্ডৰ ওপৰত এক কেন্দ্রীভূত শাসন প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

উক্ত পর্যালোচনাৰ পৰা দেখা যায় যে প্রাচীন প্রাগজ্যোতিষ-কামৰূপ ৰাজ্যই একালত বঙ্গৰ এক বিশাল অঞ্চল ব্যাপী প্রসাৰিত হৈ আছিল। পাল বংশৰ দ্বাদশ শতিকাৰ মাজভাগত পতনৰ পাছত কামৰূপৰ ৰাজশক্তিৰ পতন আৰু অৱক্ষয় আৰম্ভ হয় আৰু এই সুযোগতে বঙ্গৰ সেন বংশৰ ৰজাসকলে পূর্বৰ কামৰূপ ৰাজ্যৰ একাংশ হস্তগত কৰে। সেয়েহে ত্রয়োদশ শতিকাৰ প্রাৰম্ভণিতে তুর্কী-মুছলমানসকলে বঙ্গত নিজ প্রতিপত্তি স্থাপন কৰাৰ পাছত কামৰূপৰ দিশত সাম্রাজ্যবাদী তুর্কী আগ্রাসন এক কথাত অৱধাৰিত নিয়তিত পৰিণত হৈছিল। বখতিয়াৰ খিলিজিৰ অভিযানৰ পূর্বে অসমত ইছলামৰ অস্তিত্বৰ কোনো ঐতিহাসিক তথ্য আমাৰ হাতত নাই যদিও ইয়াৰ দুই-এক শতিকাৰ পূর্বৰ পৰাই পূব বঙ্গ আৰু পশ্চিম কামৰূপৰ জনসাধাৰণৰ ওপৰত ইছলামৰ প্রভাৱ পৰিছিল বুলি ধাৰণা কৰিব পাৰি।[৩২] বিভিন্ন সময়ত হোৱা মুছলমান ৰাজশক্তিৰ আক্রমণৰ কালত কামৰূপ-কমতাত মুছলমান বসতি আৰম্ভ হৈছিল যদিও খেন বংশৰ ৰাজত্বকালৰ পৰা এই বসতি অধিক নিয়মীয়া আৰু প্রণালীবদ্ধ হোৱা দেখা যায়। দ্বিতীয় খেন ৰজা চক্রধ্বজৰ ইছলাম ধর্ম গ্রহণ, চক্রধ্বজৰ উত্তৰাধিকাৰী নীলাম্বৰক উচ্ছেদ কৰি বঙ্গৰ চুলতান আলাউদ্দিন হুছেইন চাহৰ কামৰূপ-কমতা অধিকাৰ আৰু হাজোত আফগান সৈন্যৰ উপনিৱেশ স্থাপন আদিয়ে বিশালসংখ্যক মুছলমানক গোৱালপাৰা, কামৰূপ আদি অঞ্চলত স্থায়ী বসতি স্থাপন কৰিবলৈ সুযোগ প্রদান কৰিলে। এই মুছলমানসকলে স্থানীয় জনগোষ্ঠীসমূহৰ লগত সৌহার্দ্যপূর্ণ সম্পর্ক স্থাপন কৰি তেওঁলোকৰ ভাষা, ৰীতি-নীতি আদি গ্রহণ কৰি

থলুৱা সংস্কৃতিৰ লগত সংমিশ্ৰিত হৈ পৰিল। উল্লেখযোগ্য যে আমাৰ আলোচ্য কালছোৱাত স্থায়ী বসতি স্থাপন কৰা মুছলমানসকলৰ লগত স্থানীয় জনগোষ্ঠীসমূহৰ সংঘাতৰ কোনো তথ্য বৰ্তমানপৰ্যন্ত পোৱা নাযায়। ০

## প্ৰসঙ্গ পুথি


(১) Barua, K.L. Early History of Kamarupa, 2nd edition, 1968, Lawyers Book Stall. p.7

(২) Memoirs of the Asiatic Society of Bengal, Vol- V, PP, 92 ff; For details see Barua, S.L.A Comprehensive History of Assam, Munshiram Manoharlal Pvt. Ltd. New Delhi, 1985, pp 127-133.

(৩) Barpujari H.K (ed) The Comprehensive History of Assam. Publication Board of Assam Vol- II, Guwahati, 2007 p.34

(৪) Bhattacharya S.N. Mughal North East Frontier Policy, Calcutta, 1929, p. 52.

(৫) Tabakat-I-Nasiri, by Minhaj-Us-Siraj, in Persian, tr H.H. Raverty, Vol-II, London. 1881, Reprinted, New Delhi, 1970. p. 564; Barua, S.L. *op.cit*, p-173.

(৬) Barua, S.L. *Op.cit*, pp 172-174; A drawing of this bridge by captain Dalton was published by Hannay in the Journal of Asiatic Society of Bengal 1851. The bridge was destroyed by the great earthquake of 1897.

(৭) Ravesty. H.G. *op.cit*. pp. 572-73; Bhattacharyya, S.K. *op.cit*.pp-52-54. Gait, E.A., A History of Assam, reprint Gauhati, 1981. pp- 36-37.

(৮) Das B.M. The People of Assam: Their Ethnic Composition, Guwahati, 1985 p-7

(৯) Raverty. H. G. *op.cit*. p-560.

(১০) Barua. B.K., Asomiya Bhasha aru Sanskriti, Guwahati 1963, p- 115

(১১) Barua. G.R. Asom Buranji, 1st edition Calcutta, 1876, reprint, Gauhati 1972, p-65

(১২) Indian Historical Quarterly, Vol XXII PP 12 ff Barua, S.L. *op. cit*. p- 175.

(১৩) Barpujari, H.K (ed) *op.cit.*pp 38-39.

(১৪) Ibid; Raverty. H.G. *op.cit,* pp- 764-66.

(১৫) Ibid; Raverty, H.G. *op-cit*. p- 765.

(১৬) Ibid; Saikia, M. Assam Muslim Relation and its Cultural Singnificance, 1986, p- 57.

(১৭) Ahmed, K.A. The Muslims of Assam, Guwahati, 2010, p- 12

(১৮) Saikia, M. *op.cit.* p- 211.

(১৯) Barpujari, H.K. *op.cit*. p-41.

(২০) Ahmed, K.A *op.cit*. p-6

(২১) 'Alamgirnama', by Mirza Muhammad Qazim, in Persian. Tr. H. Vansittart, Calcutta, 1883. p-731.

(২২) Barua, S.L. *op.cit*. pp. 177-178.

(২৩) Barpujari. H.K. *op. cit*. pp- 42-43.

(২৪) Barua, S.L. *op.cit*. p- 178; Rajkhowa, S.C., 'Kamrup and Kamata in 14th and 15th centuries; Journal of the Assam Research Society, Vol-XII, 1949, p- 3.

(২৫) Ibid, p. 226; Gait. E.A. *op.cit*. p- 84.

(২৬) এই পাণ্ডুলিপিখন ৰংপুৰ জিলাৰ ঘোঁৰাঘাট নামে ঠাইৰ পীৰগুঞ্জী থানাৰ অন্তৰ্গত কান্থাদুৰাৰ নামে ঠাইৰ এক দৰগাহৰ পৰা উদ্ধাৰ কৰা হৈছে। ইয়াক G.H. Demant-এ ইংৰাজীলৈ ভাঙনি কৰি Journal of the Asiatic Society of Bengal (1874, Pr. 216-39)ত প্ৰকাশ কৰিছিল।

(২৭) Gait, E.A. *op.cit*. p-45 n.

(২৮) Barua, S.L. *op.cit*. p- 180 n; Barpujari. H.K. *op.cit*. see Appendix-c, pp. 143-147.

(২৯) Gait, E.A. Ibid. p- 47 n.

(৩০) Gait E.A. Ibid. pp- 47-48.

(৩১) Ibid, p. 181; Ibid, p. 48, 48 n.

(৩২) চৌধুৰী, এম, 'লুইত, বৰাক আৰু ইছলাম', ১৯৮২, পৃ ঃ ২২

## তৃতীয় অধ্যায়

# আহোম মুছলমান সম্পৰ্কৰ পটভূমি

**অধ্যাপক ছাজিদুল হক বৰবৰা**

## তৃতীয় অধ্যায়

# আহোম মুছলমান সম্পৰ্কৰ পটভূমি

পূৰ্বৰ অধ্যায়ত ইতিমধ্যে উল্লেখ কৰা হৈছে যে ১২০৫-০৬ খ্ৰীঃত মহম্মদ-বিন বখতিয়াৰ নামৰ খিলিজি বংশৰ এজন নেতাৰ নেতৃত্বত বঙ্গৰ ফালৰ পৰা হোৱা মুছলমান ৰাজশক্তিৰ কামৰূপ আক্ৰমণৰ সময়ৰে পৰা ঐতিহাসিকভাৱে এই অসমমুলুকলৈ মুছলমানসকলৰ আগমন আৰম্ভ হয়। দিল্লীৰ চুলতানী আমোলৰ (১২০৬-১৫২৬ খ্ৰীষ্টাব্দ) সময়ত সেই বঙ্গদেশত শাসন কৰি থকা তুৰ্কী-আফগান শাসকসকলৰ নিৰ্দেশত মুছলমান ৰাজশক্তিয়ে কেইবাবাৰো অসম (প্ৰথমতে কামৰূপ আৰু পৰৱৰ্তী সময়ত কামৰূপ-কমতা) আক্ৰমণ কৰে। অসমকে আদি কৰি উত্তৰ-পূৰ্বাঞ্চললৈ নিজৰ ৰাজ্য প্ৰসাৰ আৰু প্ৰভুত্ব প্ৰতিষ্ঠাৰ মানসেৰে হোৱা এই মুছলমান ৰাজশক্তিৰ আক্ৰমণবিলাকে বিশেষ সফলতা লাভ কৰিব পৰা নাছিল। এক কথাত ক'বলৈ গ'লে অসমৰ পশ্চিম অঞ্চলত শাসন কৰি থকা স্থানীয় শাসকসকলে অসমৰ জনগণৰ সহায়ত প্ৰতিটো মুছলমান আক্ৰমণ সফলতাৰে প্ৰতিৰোধ কৰিবলৈ সক্ষম হৈছিল। মুছলমান ৰাজশক্তিসকলৰ এই আক্ৰমণসমূহ বিফল হৈছিল যদিও প্ৰত্যেকটি মুছলমান ৰাজশক্তিৰ আক্ৰমণে অসমত ইছলাম ধৰ্মাৱলম্বীৰ সংখ্যা বৃদ্ধি কৰাৰ লগে লগে অসমত ইছলাম ধৰ্ম প্ৰসাৰ আৰু দৃঢ় কৰাত সহায় কৰিছিল।

অসমলৈ মুছলমানসকলৰ আগমনৰ প্ৰায় একে সময়তে অৰ্থাৎ খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ প্ৰথমভাগত (১২২৮ খ্ৰীঃত) অসমত আহোম

ৰাজ্যৰ প্ৰতিষ্ঠাতা চুকাফাৰ নেতৃত্বত আহোমসকলে পাটকাই পৰ্বত অতিক্ৰম কৰি পূব ফালৰ পৰা অসমত প্ৰৱেশ কৰে আৰু বৰ্তমানৰ শিৱসাগৰ জিলাৰ পূব অংশৰ এটি সৰু অঞ্চলৰ ওপৰত নিজৰ প্ৰভুত্ব প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী তিনিটা শতিকাত আহোমসকলে মৰাণ, বৰাহী, নগা আৰু স্থানীয় বিভিন্ন জাতি-জনজাতিক পৰাস্ত কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূব অংশত নিজৰ নিয়ন্ত্ৰণ প্ৰতিষ্ঠা কৰি আহোম ৰাজ্য বিস্তাৰ কৰিবলৈ সক্ষম হয়।[১] ষষ্ঠদশ শতিকাত আহোমসকল এই সম্প্ৰসাৰণত এক ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰে আৰু পশ্চিম দিশৰ পৰা এই প্ৰত্যাহ্বান সৃষ্টি কৰিছিল মুছলমান ৰাজশক্তিৰ আহোম ৰাজ্য আক্ৰমণে।

## আহোম-মুছলমান ৰাজশক্তিৰ (প্ৰাক মোগল) ৰণ

আহোম স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্বকালত ১৫২৭ খ্ৰীষ্টাব্দত প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষভাৱে আহোমসকল মুছলমান ৰাজশক্তিৰ আক্ৰমণৰ সন্মুখীন হয়। বঙ্গৰ আফগান চুলতান নছৰৎ চাহৰ (১৫১৯-১৫৩২) ৰাজত্ব কালত অসম আক্ৰমণৰ বাবে প্ৰেৰণ কৰা মুছলমান ৰাজশক্তিৰ সৈন্যবাহিনীৰ সেনাপতিজন কোন আছিল তাক স্পষ্টভাৱে জানিব পৰা নাযায়। সমসাময়িক বুৰঞ্জী 'ৰিয়াজ-উচ-ছালাতিন'ত তেওঁক 'বৰ উজীৰ' (The Great Vazir) বুলি উল্লেখ কৰা হৈছে।[২] দেওধাই অসম বুৰঞ্জীত উল্লেখ থকা মতে মুছলমান ৰাজশক্তিৰ সৈন্যবাহিনীৰ লগত ভগনীয়া কছাৰী ৰজা খুনখৰাও আছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে কছাৰীসকল আহোমসকলৰ হাতত পৰাজিত হোৱাৰ প্ৰতিশোধ লোৱাৰ মানসেৰে ভগনীয়া কছাৰী ৰজা খুনখৰাই আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ মুছলমান ৰাজশক্তিৰ সৈন্যবাহিনীক আমন্ত্ৰণ কৰি আনিছিল। মুছলমান ৰাজশক্তিৰ সৈন্যবাহিনী ব্ৰহ্মপুত্ৰ নদীয়েদি উজাই আহি বুৰৈ নদীৰ মুখত আহোম সৈন্যৰ সন্মুখীন হয়। ৰণত মুছলমান ৰাজশক্তিৰ সৈন্য বেয়াকৈ পৰাস্ত হয় আৰু আহোমসকলে এই সৈন্যবাহিনীৰ পৰা চল্লিশটা ঘোঁৰা আৰু বিশটাতকৈ

অধিক বৰটোপ অধিকাৰ কৰে।[৩] ইয়াৰ কিছুদিনৰ পাছত বিতমালিক নামৰ এজন সেনাপতিৰ অধীনত প্ৰায় ৫০খন নাও লৈ মুছলমান ৰাজশক্তিৰ সৈন্যসকলে পুনৰ আহোম ৰাজ্য আক্ৰমণ কৰে। তেমনিত হোৰা প্ৰথমখন যুদ্ধত মুছলমান ৰাজশক্তিৰ সৈন্যসকল আহোম সৈন্যৰ হাতত পৰাস্ত হয় আৰু মুছলমান ৰাজশক্তিৰ সেনাপতি বিতমালিকে নাও এৰি ঘোঁৰাত উঠি পলাই যায়। কিন্তু কেইদিনমানৰ পিছতে তেওঁ পুনৰ শিঙ্গৰিত থকা আহোম কোঠ আক্ৰমণ কৰে। ভৰলী আৰু সলাৰ কোঠত থকা আহোম সৈন্যদল একেলগ হৈ মুছলমানসকলক আক্ৰমণ কৰি পৰাস্ত কৰিলে আৰু খাগৰিজানলৈকে (বৰ্তমানৰ নগাঁও) মুছলমান ৰাজশক্তিৰ সৈন্যক পিছে পিছে খেদি যায়। মুছলমান ৰাজশক্তিৰ সেনাপতি বিতমালিকক যুদ্ধত আহোম সেনাপতি কনচেং বৰপাত্ৰগোহাঁয়ে শিৰচ্ছেদ কৰে। এই জয়লাভৰ জৰিয়তে বহুত মুছলমান ৰাজশক্তিৰ সেনাৰ ঘোঁৰা আৰু যুদ্ধৰ আহিলা-পাতি আহোমৰ হাতত পৰে।[৪]

১৫৩২ খ্ৰীষ্টাব্দত তুৰ্বকখান নামৰ এজন মুছলমান ৰাজশক্তিৰ সেনাপতিয়ে ১০০০টা ঘোঁৰা, ৩০টা হাতী, বহুসংখ্যক পদাতিক সৈন্য আৰু এটি শক্তিশালী গুলন্দাজ বাহিনী লৈ আহোম ৰাজ্য আক্ৰমণ কৰে। উল্লেখযোগ্য যে এইজন তুৰ্বকৰ বিষয়ে মুছলমান বুৰঞ্জীসমূহত একো উল্লেখ নাই।[৫] সেয়ে তেওঁক অসম আক্ৰমণ কৰিবলৈ বঙ্গৰ আফগান শাসকসকলে প্ৰেৰণ কৰিছিল নে উচ্চাকাংক্ষী তুৰ্বকে নিজৰ পৰাক্ৰম দেখুৱাবলৈ অসম আক্ৰমণ কৰিছিল, সেয়া অসম বুৰঞ্জীত স্পষ্ট নহয়। গতিকে অনুমান কৰিব পাৰি— তুৰ্বকৰ এই অভিযান ব্যক্তিগত প্ৰচেষ্টাত হৈছিল আৰু যিহেতু ই বিফল হ'ল, সেয়ে মুছলমান বুৰঞ্জীবিদসকলে ইয়াত কোনো গুৰুত্ব আৰোপ নকৰিলে। সি যি কি নহওক, তুৰ্বকৰ আহোম ৰাজ্য আক্ৰমণে সফলতা লাভ কৰিব নোৱাৰিলে। যদিও প্ৰথম অৱস্থাত আহোমসকলে কপিলীৰ পাৰত হোৱা যুদ্ধত মুছলমান ৰাজশক্তিৰ সৈন্যসকলৰ হাতত পৰাভূত হ'ব লগাত

পৰিছিল আৰু ফ্ৰাচেংমুং বৰগোহাঁইকে আদি কৰি আঠজন আহোম সেনাপতি হেৰুৱাব লগাত পৰিছিল, তৎসত্ত্বেও ভৰলী পাৰত হোৱা চূড়ান্ত যুদ্ধত আহোমসকলে জয়লাভ কৰে। আহোম সেনাপতি কনচেং বৰপাত্ৰগোহাঁয়ে নিজ হাতে তুৰ্বকৰ মূৰটো কাটি পেলায়। বিজয়ী আহোম সেনাবাহিনীয়ে আক্ৰমণকাৰী মুছলমান ৰাজশক্তিৰ সৈন্যসকলক খেদি নি কৰতোৱা নদীৰ সিপাৰ কৰি থৈ আহে। তুৰ্বকৰ আক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত এগৰাকী মহান অসমীয়া বীৰাঙ্গনাৰ চূড়ান্ত দেশপ্ৰেমৰ পৰিচয় পোৱা যায়, আৰু সেইগৰাকী হ'ল ফ্ৰাচেংমুং বৰগোহাঁইৰ বিধৱা পত্নী মূলাগাভৰু। নিজৰ স্বামীৰ হত্যাকাৰীৰ বিৰুদ্ধে প্ৰতিশোধ ল'বলৈ এইগৰাকী অসাধাৰণ নাৰীয়ে এক নাৰী বাহিনী সংগঠন কৰি নিজে ঘোঁৰাৰ পিঠিত উঠি যুদ্ধক্ষেত্ৰত প্ৰবল বিক্ৰমেৰে যুদ্ধ কৰি যুদ্ধক্ষেত্ৰতে প্ৰাণ বিসৰ্জন দিয়ে। মূলাগাভৰুৰ মহান দেশপ্ৰেমে আহোম বাহিনীক উজ্জীৱিত কৰি তুলিবলৈ সক্ষম হয় আৰু অৱশেষত ভৰলীৰ পাৰত হোৱা যুদ্ধত আহোমসকলে জয়লাভ কৰে। এই জয়লাভৰ জৰিয়তে আহোম সেনাই ২৮টা হাতী, ৮৫০টা ঘোঁৰা আৰু ভালেসংখ্যক বন্দুক, খাৰ-বাৰুদ লাভ কৰে। আহোমসকলৰ এই জয়লাভ দুটা বিশেষ কাৰণত অসম বুৰঞ্জীত অতি গুৰুত্বপূৰ্ণ। প্ৰথমতে, ইয়াৰ পাছৰ পৰাই আহোম সেনাবাহিনীত খাৰ-বাৰুদৰ ব্যৱহাৰ আৰম্ভ হয়।[৬] দ্বিতীয়তে, এই সময়ৰ পৰাই আহোম ৰাজ্যত মুছলমান ধৰ্মাৱলম্বী লোকৰ বসতি আৰম্ভ হয়। তুৰ্বকৰ এই ব্যৰ্থ অভিযানত যথেষ্টসংখ্যক মুছলমান ৰাজশক্তিৰ সৈন্য আহোমসকলৰ হাতত বন্দী হয় আৰু পৰৱৰ্তী কালত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰে। এই যুদ্ধবন্দী মুছলমানসকল আৰু তেওঁলোকৰ সতি-সন্ততিবোৰেই কালক্ৰমত অসমত 'মৰীয়া' নামেৰে জনাজাত হ'ল। (মৰীয়াসকলৰ বিষয়ে বিতং জানিবৰ বাবে গ্ৰন্থখনৰ ষষ্ঠ অধ্যায় দ্ৰষ্টব্য)।

কামৰূপ-কমতা ৰাজ্যত শাসন কৰা খেন বংশৰ শেষ ৰজা নীলাম্বৰক পৰাস্ত কৰি পঞ্চদশ শতিকাৰ শেষভাগত বঙ্গৰ চুলতান

আলাউদ্দিন হুছেইন চাহে কামৰূপ-কমতা ৰাজ্যত মুছলমান ৰাজশক্তিৰ ৰাজত্বৰ সূচনা কৰিছিল যদিও ই আছিল ক্ষণস্থায়ী। যোড়শ শতিকাৰ প্ৰাৰম্ভণিতে স্থানীয় ভূঞা নেতাসকলে একগোট হৈ হুছেইন চাহৰ পুত্ৰ তথা প্ৰতিনিধি ডেনিয়েলক হত্যা কৰি তথা মুছলমান ৰাজশক্তিৰ বাহিনীক সমূলে ধ্বংস কৰি বিদেশী শাসনৰ অন্ত পেলায় (১৫০৫)। ইয়াৰ পাছত ভূঞা নেতাসকলে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য প্ৰতিষ্ঠা কৰি নিজ নিজ শক্তি বৃদ্ধিৰ বাবে পাৰস্পৰিক সংঘৰ্ষত লিপ্ত হ'বলৈ ধৰে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত আগৰ কামৰূপ-কমতা ৰাজ্যৰ চৌদিশে একপ্ৰকাৰ অৰাজকতাৰ সৃষ্টি হয়। অৱশেষত বিশ্বসিংহ নামৰ এজন শক্তিশালী নায়কে এই অৰাজক অৱস্থাৰ অন্ত পেলাই আনুমানিক ১৫১৫ খ্ৰীষ্টাব্দত পশ্চিম অসমত এক শক্তিশালী ৰাজত্বৰ ভেটি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। কামৰূপ-কমতাৰ ধ্বংসস্তূপৰ ওপৰত বিশ্বসিংহই প্ৰতিষ্ঠা কৰা এই ৰাজ্যখনেই হ'ল শক্তিশালী কোঁচ ৰাজ্য।[৭] এই কোঁচসকলৰ সৰ্বশ্ৰেষ্ঠ ৰজা আছিল ৰজা নৰনাৰায়ণ, যিজনাই ১৫৪০ খ্ৰীঃৰ পৰা ১৫৮৭ খ্ৰীঃলৈ ৰাজত্ব কৰিছিল। তেখেতৰ ৰাজত্বকালত কোঁচ সৈন্যবাহিনীৰ মুখ্য সেনাপতি তথা ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ৰ অসীম সামৰিক দক্ষতাৰ জৰিয়তে মাত্ৰ চাৰি বছৰৰ ভিতৰতে (১৫৬২-১৫৬৫) সমগ্ৰ উত্তৰ-পূব ভাৰতত কোঁচসকলৰ প্ৰভুত্ব স্থাপন হৈছিল। শক্তিশালী আহোম ৰাজ্য, কছাৰী, মণিপুৰ, জয়ন্তীয়া, ত্ৰিপুৰা, ছিলেট, খৈৰাম, ডিমৰুৱা আদি ৰাজ্যৰ ৰজাসকলক যুদ্ধত কোঁচসকলে পৰাস্ত কৰিছিল। অৱশ্যে মহাবাহু চিলাৰায়ে জয়লাভ কৰা ৰাজ্যবোৰ নিজ সাম্ৰাজ্যৰ লগত চামিল কৰা নাছিল; এই ৰাজ্যবোৰৰ শাসকসকলৰ পৰা কোঁচ সাৰ্বভৌমত্বক স্বীকাৰ কৰোৱাই বাৰ্ষিক কৰ-কাটল প্ৰদানৰ প্ৰতিশ্ৰুতি আহৰণ কৰিয়েই তেওঁ সন্তুষ্ট হৈছিল। ফলত এই ৰাজ্যসমূহত পূৰ্বৰ শাসন ব্যৱস্থাই প্ৰচলিত হৈ আছিল আৰু কোঁচ প্ৰতিপত্তিৰ কোনো স্থায়ী চিহ্ন ৰৈ যোৱা নাছিল।

উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ বিপক্ষে লাভ কৰা বিৰাট সামৰিক সফলতাত উৎসাহিত হৈ কোচসকলে এইবাৰ পশ্চিম দিশৰ গৌড় ৰাজ্যৰ ওপৰত আক্ৰমণ চলালে। সেই সময়ত গৌড়ৰ শাসক আছিল চুলেইমান কৰ্‌ৰাণি। অৱশ্যে 'আকবৰ নামা' আৰু 'ৰিয়াজ-উচ-ছালাতিন' নামৰ গ্ৰন্থ দুখনৰ মতে কৰ্‌ৰাণিয়েহে প্ৰথমে কোঁচ ৰাজ্য আক্ৰমণ কৰাত দুয়োপক্ষৰ মাজত যুদ্ধ লাগিছিল। সি যি কি নহওক, এই যুদ্ধত কোঁচ সৈন্যৰ প্ৰবল বিপৰ্যয় হৈছিল আৰু তেওঁলোকৰ সেনাধ্যক্ষ চিলাৰায় মুছলমান সৈন্যৰ হাতত বন্দী হৈছিল। চিলাৰায়ক বন্দী কৰাৰ পাছতে চুলেইমান কৰ্‌ৰাণিৰ সেনাধ্যক্ষ তথা নতুনকৈ ইছলাম ধৰ্ম গ্ৰহণ কৰা কালাপাহাৰে বিজয়ী মুছলমান বাহিনী লৈ অসম আক্ৰমণ কৰি কোঁচ ৰাজ্যৰ বিভিন্ন অঞ্চলত লুণ্ঠন কৰি তেজপুৰপৰ্যন্ত অগ্ৰসৰ হৈছিল। এই কালাপাহাৰেই নিজ আক্ৰমণকালত কামাখ্যা, হাজো আদিৰ মন্দিৰসমূহ ধ্বংস কৰিছিল বুলি এক প্ৰবাদ আছে। অৱশ্যে এই কথা বিশ্বাসযোগ্য নহয়, কাৰণ চিলাৰায়ৰ বন্দীৰ পাছত কালাপাহাৰে কোঁচ ৰাজ্য আক্ৰমণ কৰিছিল ১৫৬৮ খ্ৰীষ্টাব্দত, অথচ কামাখ্যা মন্দিৰৰ এক লিপিৰ পৰা জনা যায় যে মহাৰাজ নৰনাৰায়ণে এই মন্দিৰ ১৫৬৫ চনত ইটাৰে পুনৰ নিৰ্মাণ কৰিছিল। সেয়েহে কামাখ্যা মন্দিৰ ১৫৬৫ চনৰ পূৰ্বে আন কোনো কালাপাহাৰে ধ্বংস কৰিছিল বুলি ভবাৰ থল আছে। উল্লেখযোগ্য যে অসমত কালাপাহাৰ নামটো কোনো এক বিশেষ ব্যক্তিক বুজোৱাৰ পৰিৱৰ্তে যিকোনো মঠ-মন্দিৰ বা দেৱালয় ধ্বংসকাৰী ব্যক্তিৰ ক্ষেত্ৰত ব্যৱহৃত হোৱা পৰিলক্ষিত হয়।[৮]

১৫২৬ খ্ৰীষ্টাব্দৰ পাণিপথৰ প্ৰথম যুদ্ধত জয়লাভৰ জৰিয়তে বাবৰে দিল্লীত মোগল সাম্ৰাজ্যৰ ভেটি প্ৰতিষ্ঠা কৰিছিল যদিও মোগলসকলৰ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ লগত ৰাজনৈতিক সম্পৰ্ক আৰম্ভ হয় মোগল ৰাজবংশৰ তৃতীয়জন শাসক তথা এই ৰাজবংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা মহামতি আকবৰৰ (১৫৫৬-১৬০৫ খ্ৰীঃ) ৰাজত্বকালত, যেতিয়া বঙ্গ ৰাজ্যখন সম্পূৰ্ণভাৱে ভাৰতৰ মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ পৰে। 'দৰং ৰাজবংশাৱলী'ত উল্লেখ থকা মতে সম্ৰাট আকবৰৰ ৰাজত্বকালত ১৫৭৬

চনত মোগল সৈন্যবাহিনীয়ে পশ্চিম দিশৰ পৰা বঙ্গ (সেই সময়ৰ গৌড় ৰাজ্য) আক্ৰমণ কৰাৰ সময়ত কোঁচৰাজ নৰনাৰায়ণৰ নিৰ্দেশত চিলাৰায়ে পূব দিশৰ পৰা গৌড় ৰাজ্যৰ ওপৰত আক্ৰমণ চলাইছিল। মোগল-কোঁচ যুটীয়া আক্ৰমণত বঙ্গৰ আফগান শাসক ডাউদ কৰ্ৰাণি পৰাস্ত আৰু নিহত হৈছিল আৰু গৌড় ৰাজ্যক দুয়োপক্ষই নিজৰ মাজত ভগাই লৈছিল। ইয়াৰ পাছৰ পৰাই মহাৰাজ নৰনাৰায়ণৰ লগত মহামতি আকবৰৰ বন্ধুত্বসুলভ সম্পৰ্ক প্ৰতিষ্ঠা হৈছিল। কিন্তু সমসাময়িক কোনো মুছলমান বুৰঞ্জী লেখকৰ মোগলৰ বঙ্গ জয়ত কোচসকলৰ অংশগ্ৰহণৰ বিষয়ে উল্লেখ নাই। অৱশ্যে ‘আকবৰ নামা’ত উল্লেখ আছে যে ১৫৭৮ খ্ৰীঃত মহাৰাজ নৰনাৰায়ণে আকবৰৰ ৰাজসভালৈ বহু মূল্যৱান উপহাৰৰূপে ৫৪টা হাতী প্ৰেৰণ কৰিছিল।[৯] গৌড়ৰ বিৰুদ্ধে চলোৱা দ্বিতীয় অভিযানৰ ঠিক পাছতেই চিলাৰায়ৰ মৃত্যু হয়।

চিলাৰায়ৰ মৃত্যুৰ পাছত চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱে আনৰ প্ৰৰোচনাত পৰি কোঁচবিহাৰৰ সিংহাসন নিজৰ বাবে দাবী কৰি কোঁচৰাজ নৰনাৰায়ণৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠে। এনে অৱস্থাত নৰনাৰায়ণে নিজ ভাতৃ পুত্ৰৰ লগত যুদ্ধ কৰাৰ পৰিৱৰ্তে ৰাজ্য বিভাজন কৰিবলৈ সিদ্ধান্ত ল’লে। সেই মতে তেওঁ কোঁচ ৰাজ্যক ১৫৮১ খ্ৰীঃত বিভক্ত কৰি সোণকোষ নদীৰ পূব অংশ ভৰলী নদীলৈকে ৰঘুদেৱক দিলে আৰু পশ্চিম অংশক নিজৰ উত্তৰাধিকাৰীৰ বাবে ৰাখিলে। মুছলমান লেখকসকলে এই বিভক্ত কোঁচ ৰাজ্যৰ পূব অংশক কোঁচ-হাজো (বৰ্তমানৰ দৰং, কামৰূপ, গোৱালপাৰা জিলা আৰু বাংলাদেশৰ মৈমনসিংহ জিলাৰ উত্তৰ অংশ) আৰু পশ্চিম অংশক কোঁচ-বিহাৰ (বৰ্তমানৰ সম্পূৰ্ণ কোঁচবিহাৰ আৰু দিনাজপুৰ, জলপাইগুৰি আৰু ৰংপুৰ জিলাৰ একাংশ) বুলি উল্লেখ কৰিছে। অসম বুৰঞ্জীসমূহত পূব অংশক কামৰূপ আৰু পশ্চিম অংশক বেহাৰ বুলি উল্লেখ কৰিছে। সি যি কি নহওক, কোঁচ ৰাজ্য বিভাজনৰ পিছত ৰঘুদেৱে তেওঁৰ বৰদেউতাক মহাৰাজ নৰনাৰায়ণৰ বশ্যতা স্বীকাৰ কৰি কৰ-কাটল নিয়মিত

সোধাই থাকিবলৈ লোৱাৰ পৰিপ্ৰেক্ষিতত মহাৰাজ নৰনাৰায়ণৰ ৰাজত্ব কালত কোঁচ ৰাজ্য বিভাজনৰ কুফলসমূহ বিশেষভাৱে প্ৰকট হোৱা নাছিল।

১৫৮৭ খ্ৰীষ্টাব্দত নৰনাৰায়ণৰ মৃত্যু হয় আৰু তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণ কোচবিহাৰৰ সিংহাসনত আৰোহণৰ লগে লগে পৰিস্থিতিৰ দ্ৰুত পৰিৱৰ্তন ঘটিল। দুই কোঁচ ৰাজ্যৰ মাজত ভাতৃবিবাদ আৰু ক্ষমতাৰ প্ৰতিদ্বন্দ্বিতাৰ ৰক্তাক্ত অধ্যায়ৰ সূচনা হ'ল। ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি পূব ফালৰ আহোম আৰু পশ্চিমৰ মোগল ৰাজশক্তিয়ে এই দুই কোঁচ ৰাজ্যত হস্তক্ষেপ কৰিবলৈ আৰম্ভ কৰে। কালক্ৰমত এই দুই শক্তিৰ অগ্ৰগতিক প্ৰতিৰোধ কৰাত ব্যৰ্থ হৈ কোঁচ হাজো আৰু কোঁচবিহাৰ দুয়োখনেই নিজৰ অস্তিত্ব বিসৰ্জন দিব লগাত পৰিছিল।

মহাৰাজ নৰনাৰায়ণৰ মৃত্যুৰ পিছত কোঁচ হাজোৰ ৰজা ৰঘুদেৱে কোচবিহাৰৰ বশ্যতা অস্বীকাৰ কৰাৰ লগে লগে কোচবিহাৰৰ নতুন ৰজা লক্ষ্মীনাৰায়ণে কোঁচ হাজো আক্ৰমণ কৰিলে। যুদ্ধত ৰঘুদেৱ পৰাভূত হোৱাৰ পাছতো ৰঘুদেৱে লক্ষ্মীনাৰায়ণক ব্যতিব্যস্ত কৰি ৰখাত লক্ষ্মীনাৰায়ণে ষড়যন্ত্ৰৰ আশ্ৰয় লয়। লক্ষ্মীনাৰায়ণৰ উচটনিত ৰঘুদেৱৰ পুত্ৰ পৰীক্ষিতে নিজ পিতৃৰ বিপক্ষে বিদ্ৰোহ ঘোষণা কৰিলে। কিন্তু বিদ্ৰোহত পৰীক্ষিত ব্যৰ্থ হয় আৰু নিজ ৰাজ্য ত্যাগ কৰি লক্ষ্মীনাৰায়ণৰ ৰাজ্য কোচবিহাৰত আশ্ৰয় লয়। আনহাতে লক্ষীনাৰায়ণক এশিকনি দি দুয়োখন কোঁচ ৰাজ্যত নিজ প্ৰতিপত্তি স্থাপন কৰাৰ লক্ষ্যৰে ৰঘুদেৱে বঙ্গৰ ক্ষমতাৰ পৰা বিতাড়িত প্ৰতাপী আফগান নেতা ইছা খানৰ লগত মিত্ৰতা স্থাপন কৰে। ইয়াতে অতি আতংকিত হৈ লক্ষ্মীনাৰায়ণে সম্ভাব্য বিপদৰ বিপক্ষে নিজৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ মোগলৰ সাহায্য প্ৰাৰ্থনা কৰিবলৈ বাধ্য হৈ পৰে। ১৬০৩ খ্ৰীষ্টাব্দত ৰঘুদেৱৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ পৰীক্ষিত কোঁচ হাজোৰ সিংহাসনত অধিষ্ঠিত হয় আৰু পিতৃৰ পদাংক অনুসৰণ কৰি কোচবিহাৰৰ লক্ষ্মীনাৰায়ণৰ বিৰুদ্ধে থিয় দিয়ে। বুৰঞ্জীমতে, পৰীক্ষিতে কেৱল কোচবিহাৰৰ অধীনতাক অস্বীকাৰ কৰাই নহয়, কোচবিহাৰৰ অন্তৰ্গত

বাহিৰবন্দ অঞ্চলো আক্ৰমণ কৰি লক্ষ্মীনাৰায়ণক অতিষ্ঠ কৰি তোলে। ফলস্বৰূপে লক্ষ্মীনাৰায়ণে ১৬০৮ খ্ৰীষ্টাব্দত বঙ্গৰ মোগল নৱাবৰ সন্মুখত উপস্থিত হৈ প্ৰত্যক্ষভাৱে মোগলৰ বশ্যতা স্বীকাৰ কৰিলে আৰু পৰীক্ষিতৰ বিৰুদ্ধে মোগল সাহায্য প্ৰাৰ্থনা কৰিলে। মোগলে ইয়াত সন্মতি জনাই এক বিশাল মোগল বাহিনী পৰীক্ষিতৰ বিপক্ষে প্ৰেৰণ কৰে। অৱশেষত লক্ষ্মীনাৰায়ণ আৰু মোগল সেনাধ্যক্ষ শ্বেখ কামালৰ নেতৃত্বত কোঁচ-মোগল যুটীয়া বাহিনীৰ হাতত পৰীক্ষিত পৰাস্ত হ'ল আৰু পৰীক্ষিতে ১৬১৩ খ্ৰীঃৰ জুলাই মাহত মোগল বাহিনীৰ হাতত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল। পৰীক্ষিত নাৰায়ণৰ কোঁচ-হাজো ৰাজ্যখন মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ পৰে। এইদৰে লক্ষ্মীনাৰায়ণে সেই সময়ৰ ভাৰতবৰ্ষৰ আটাইতকৈ শক্তিশালী শক্তি মোগলসকলক অসমৰ ৰাজনৈতিক দৃশ্যপটত প্ৰৱেশ কৰিবলৈ বাট মোকলাই দিয়ে।[১০]

এইদৰে বৰনদীপৰ্যন্ত পৰীক্ষিতৰ ৰাজ্য বা কোঁচ-হাজো মোগল সাম্ৰাজ্যৰ লগত চামিল কৰাৰ পাছত ১৬১৬ খ্ৰীঃত মুকৰম খানক কোঁচ-হাজোৰ মোগল শাসনকৰ্তা নিযুক্তি দিয়া হয়। এই নতুন শাসনকৰ্তাজনে নিজ মুখ্য কাৰ্যালয় হাজোলৈ স্থানান্তৰিত কৰিলে। এনেদৰে কোঁচ-হাজো মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাত আহোম ৰাজ্য আৰু মোগল সাম্ৰাজ্যৰ মাজৰ সীমাৰেখা একেডালেই হৈ পৰিল আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত এই দুই শক্তিৰ মাজত সপ্তদশ শতিকাৰ প্ৰায়খিনি সময়ত প্ৰবল সংঘৰ্ষ চলিল। জনা যায় কোঁচ-হাজো অঞ্চলত মোগলৰ প্ৰভুত্ব স্থায়ী কৰাৰ নিমিত্তে বা সুৰক্ষিত কৰিবৰ বাবে কোঁচ-হাজোৰ নৱনিযুক্ত মোগল শাসনকৰ্তা মুকৰম খানে বঙ্গদেশৰ পৰা কেইবাজনো মুছলমান সামৰিক বিষয়াৰ অধীনত দহ হাজাৰৰ পৰা বাৰ হাজাৰমান ঢাল-তৰোৱালেৰে সু-সজ্জিত মুছলমান পদাতিক সৈন্য আনি তেওঁলোকৰ সামৰিক সেৱাৰ বিনিময়ত মাটি-বাৰী দি কোচ-হাজো অঞ্চলত প্ৰতিষ্ঠা কৰে। এনেদৰে হুছেইন চাহৰ নেতৃত্বত মুছলমান শক্তিয়ে

বিজয় সাব্যস্ত কৰাৰ এটা শতিকাৰ পাছত দ্বিতীয়বাৰৰ বাবে কোঁচ-হাজো অঞ্চল মুছলমান শক্তিৰ অধীনলৈ যায়। আকৌ এবাৰ এই অঞ্চলত যথেষ্টসংখ্যক ইছলাম ধৰ্মীয় সৈনিকৰ বসতি স্থাপন হয় আৰু অসমত ইছলাম ধৰ্মাৱলম্বীৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়।[১১]

নিজৰ ভতিজা পৰীক্ষিতক এশিকনি দিবৰ বাবে বিদেশী মোগলসকলক নিমন্ত্ৰণ কৰি অনা লক্ষ্মীনাৰায়ণেও অৱশেষত তাৰ কুফল ভুগিব লগাত পৰে। কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণক মোগলে প্ৰথমতে কোচ ৰাজ্যৰ পূব অংশৰ (মানাহ নৈৰ পূব ফালৰ অঞ্চলখিনি) অস্থায়ী শাসনকৰ্তা পাতিছিল যদিও তেওঁকো পিছত চল কৰি ঢাকালৈ মাতি নি বঙ্গৰ নতুন মোগল গৱৰ্ণৰ শ্বেখ কাচিম খানে বন্দী কৰি ১৬১৪ খ্ৰীঃৰ আগষ্ট মাহত দিল্লীৰ মোগল সম্ৰাট জাহাঙ্গীৰৰ ওচৰলৈ পঠিয়াই দিয়ে।[১২] লক্ষ্মীনাৰায়ণ ১৬১৭ খ্ৰীঃলৈ বন্দী হৈ থাকিব লগাত পৰে আৰু এই সময়ছোৱাত তেওঁৰ পুত্ৰ বীৰনাৰায়ণে মোগলৰ কৰতলীয়া ৰজা হিচাপে কোচবিহাৰ শাসন কৰে। পৰৱৰ্তী সময়ত মোগল সম্ৰাট জাহাঙ্গীৰৰ নিৰ্দেশত লক্ষ্মীনাৰায়ণক মুক্তি দিয়া হয় আৰু জীৱনৰ বাকী সময়ছোৱা অৰ্থাৎ ১৬২৭ খ্ৰীষ্টাব্দত মৃত্যুৰ সময়লৈকে লক্ষ্মীনাৰায়ণে কামৰূপ বা কোঁচ-হাজোৰ মোগলৰ কৰতলীয়া শাসকৰূপে কাৰ্যনিৰ্বাহ কৰি যায়।

কোঁচসকলৰ প্ৰতি মোগলে গ্ৰহণ কৰা আচৰণত কোঁচসকল বৰ ক্ষুণ্ণ হয় আৰু কোচবিহাৰ আৰু কামৰূপ অৰ্থাৎ কোঁচ-হাজো উভয় ৰাজ্যতে মুছলমান শাসনৰ বিৰুদ্ধে বিদ্ৰোহে দেখা দিয়ে। কোচবিহাৰৰ বিদ্ৰোহ মোগলসকলে সহজে দমন কৰে। কিন্তু কামৰূপ বা কোঁচ-হাজোৰ বিদ্ৰোহ বহুদিনলৈ চলি থাকিল। কোঁচ-হাজোৰ ৰজা পৰীক্ষিত নাৰায়ণে মোগলৰ ওচৰত আত্মসমৰ্পণ কৰাৰ লগে লগে তেওঁৰ ভায়েক বলিনাৰায়ণে কোঁচ-হাজোত থকাটো নিৰাপদ বিবেচনা নকৰি আহোম ৰাজ্যলৈ পলায়ন কৰিলে। আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই তেওঁক ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰিলে। তাকে লৈ প্ৰথমবাৰৰ বাবে আহোম আৰু মোগলৰ মাজত সংঘাত

আৰম্ভ হ'ল। আহোম স্বৰ্গদেৱ প্ৰতাপ সিংহৰ আগলৈকে পশ্চিমৰ মোগল সাম্ৰাজ্য আৰু আহোম ৰাজ্যৰ মাজত থকা কোঁচ-হাজো আৰু কোচবিহাৰ ৰাজ্যই আহোম ৰাজ্য আৰু মোগল সাম্ৰাজ্যৰ সীমান্ত দূৰত ৰখাত এই দুই শক্তিৰ মাজত সংঘৰ্ষ লগা নাছিল। কিন্তু প্ৰতাপ সিংহৰ ৰাজত্বকালতেই কোচবিহাৰ আৰু কোঁচ-হাজো মোগলে নিজ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাত আহোম ৰাজ্য আৰু মোগল সাম্ৰাজ্যৰ সীমান্ত ওচৰ চাপি আহিল আৰু ফলত এই দুই শক্তিৰ মাজত সংঘৰ্ষ আসন্ন হৈ পৰিল। তেনে সময়তে স্বৰ্গদেৱ প্ৰতাপ সিংহই মোগলৰ শত্ৰু কোঁচ নেতা বলিনাৰায়ণক ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰি দৰং অঞ্চলত তলতীয়া ৰজা পতাত আহোমসকল মোগলৰ শত্ৰুত পৰিণত হ'ল। এইখিনিতে উল্লেখযোগ্য যে সেই সময়ৰ মোগল সম্ৰাটসকলৰ উত্তৰ-পূব সীমান্ত নীতিৰ মূল লক্ষ্য অসমৰ ওপৰত অকল প্ৰভুত্ব স্থাপন কৰাই নহয়, তেওঁলোকৰ লক্ষ্য আছিল দক্ষিণ-পূব এছিয়াৰ দেশসমূহ, যেনে- ব্ৰহ্মদেশ, থাইলেণ্ড আদিত মোগলৰ আধিপত্য স্থাপন কৰা। মোগলসকলে এই উচ্চাভিলাষপূৰ্ণ আঁচনিক বাস্তৱত ৰূপায়িত কৰাৰ বাবে আহোম ৰাজ্যক নিজৰ তললৈ অনাৰ বিশেষ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল।[১৩]

এটি উগ্ৰ সম্প্ৰসাৰণবাদী মনোভাবেৰে নিজকে সম্পূৰ্ণ সাজু কৰি তোলাৰ পিছত মোগলসকলে ছিলেটৰ প্ৰৱেশ পথেৰে উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ ওপৰত নিজৰ প্ৰভুত্ব প্ৰতিষ্ঠা কৰিবলৈ হাবিয়াস কৰিবলৈ ধৰে। সপ্তদশ শতিকাৰ আৰম্ভণিত ছিলেট জিলাত আফগানসকলৰ অতি দৃঢ় স্থিতি থকাই নহয়, ঢাকাৰ মোগলসকলক হায়ৰাণ কৰা মৈমনসিং অঞ্চলৰ বিদ্ৰোহী আফগান নেতাসকলকো আশ্ৰয় প্ৰদান কৰিবলৈ আৰম্ভ কৰিছিল। বঙ্গৰ মোগল চুবেদাৰ ইছলাম খানে ১৬১২ খ্ৰীষ্টাব্দত ছিলেটৰ বিৰুদ্ধে এটি শক্তিশালী সৈন্যবাহিনী প্ৰেৰণ কৰে আৰু আফগান নেতাসকলক পৰাস্ত কৰি ছিলেট অঞ্চলটোক মোগল সাম্ৰাজ্যৰ বঙ্গ চুবাৰ লগত চামিল কৰি লয়। ছিলেট অঞ্চললৈ মোগলৰ সাম্ৰাজ্য সম্প্ৰসাৰণ হোৱাৰ লগে লগে

মোগল সাম্ৰাজ্যৰ সীমান্ত ছিলেটৰ দুই কাষৰীয়া ৰাজ্য কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যৰ সীমান্তত লাগিলগৈ। মোগলসকলে কাছাৰ আৰু জয়ন্তীয়া ৰাজ্য দুখনো গ্ৰাস কৰাৰ পৰিকল্পনাৰে মোগল সম্ৰাট জাহাঙ্গীৰৰ ৰাজত্ব কালত উত্তৰ-কাছাৰ পাহাৰৰ মাইবঙত ৰাজধানী পাতি থকা ডিমাচা ৰাজ্য আক্ৰমণ কৰে আৰু তাৰ লগে লগে ডিমাচা ৰজা শত্ৰুদমন ওৰফে প্ৰাণনাৰায়ণৰ (১৬০৫-১৬২৪ খ্ৰীঃ) নেতৃত্বত কছাৰীসকলে মোগলৰ বিৰুদ্ধে এক শক্তিশালী প্ৰতিৰোধ গঢ়ি তোলে। যথেষ্ট কষ্টৰে মোগলসকলে কছাৰীসকলক পৰাভূত কৰিবলৈ সক্ষম হৈছিল যদিও কাছাৰক মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিব পৰা নাছিল আৰু কাছাৰৰ ওপৰত প্ৰতিষ্ঠা হোৱা মোগল প্ৰভাৱকো দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাত বিফল হৈছিল।[১৪]

## আহোম-মোগল সংঘৰ্ষ

১৬১৬ খ্ৰীষ্টাব্দত আহোম আৰু মোগলৰ মাজত সংঘৰ্ষ আৰম্ভ হৈছিল। আহোম স্বৰ্গদেৱ প্ৰতাপ সিংহৰ ৰাজত্বকালত মোগলসকলে আহোম ৰাজ্যৰ ওপৰত কৰা এই প্ৰথম আক্ৰমণৰ তৎকালীন কাৰণ আছিল, কলিয়াবৰত থকা আহোম সৈন্যই দুজন মুছলমান বেপাৰীক চোৰাংচোৰা বুলি সন্দেহ কৰি হত্যা কৰিছিল আৰু বেপাৰী দুজনৰ সকলো সামগ্ৰী অধিকাৰ কৰি লৈছিল। এই খবৰ পাই বঙ্গৰ সেই সময়ৰ মোগল চুবেদাৰ শ্বেখ কাচিম খানে চৈয়দ হাকিম, চৈয়দ আবু বক্কৰ আৰু সত্ৰাজিৎ নামৰ ঢাকা অঞ্চলৰ এজন জমিদাৰ পুত্ৰৰ নেতৃত্বত এক শক্তিশালী মোগল বাহিনী আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে এই মোগল সৈন্য দলৰ লগত সুন্দৰ গোহাঁইৰ পুত্ৰ বিশ্বাসঘাতক আঁখেক গোহাঁয়ো আছিল।

১৬১৬ খ্ৰীঃৰ বাৰিষা কালত আহোম সেনাৰ লগত কাজলীমুখত প্ৰথম যুদ্ধ আৰম্ভ হয় আৰু এই সংঘৰ্ষ কম-বেছি পৰিমাণে প্ৰতাপ সিংহৰ ৰাজত্বকালত ১৬৩৯ খ্ৰীঃপৰ্যন্ত চলিছিল। এই দীঘলীয়া আহোম-মোগল সংঘৰ্ষক দুটা ভাগত ভাগ কৰিব পাৰি। ১৬১৬ খ্ৰীঃৰ পৰা ১৬২০ খ্ৰীঃ আৰু

১৬৩৫ খ্ৰীঃৰ পৰা ১৬৩৯ খ্ৰীঃ। প্ৰথম পৰ্যায়ত অৰ্থাৎ ১৬১৬-১৬২০ খ্ৰীঃৰ ভিতৰত হোৱা ভৰলীমুখৰ যুদ্ধত আহোম সৈন্যবাহিনীয়ে জয়লাভ কৰি মোগলসকলক খেদি পঠাবলৈ সক্ষম হৈছিল। আহোম সৈন্যই মোগল সৈন্যবাহিনীৰ পৰা বহু ৰচদপাতি যেনে- হাতী, ঘোঁৰা, যুঁজাৰু নাও, বন্দুক, খাৰ-বাৰুদ আৰু অন্যান্য সামগ্ৰী অধিকাৰ কৰিলে। এই জয়লাভত উৎফুল্লিত হৈ স্বৰ্গদেৱ প্ৰতাপ সিংহই ৰাজধানীত ৰিক্ খান উৎসৱ উদ্‌যাপন কৰে। কিন্তু ইয়াৰ কিছুদিনৰ পাছতে ১৬১৭ খ্ৰীঃৰ হাজো যুদ্ধত বুঢ়াগোহাঁইকে আদি কৰি কেইবাজনো আহোম সেনাপতিৰ মৃত্যু হয় আৰু আহোম সেনাবাহিনীৰ বিষম পৰাজয় হয়। হাজোৰ যুদ্ধৰ পৰাজয়ৰ পাছত আহোম স্বৰ্গদেৱ প্ৰতাপ সিংহই এক বিৰাট সৈন্যবাহিনী সংগ্ৰহ কৰি পুনৰ মোগলৰ ওপৰত আক্ৰমণ চলালে আৰু ১৬১৯ খ্ৰীষ্টাব্দৰ যুদ্ধত মোগলসকল পৰাভূত হ'ল আৰু আহোম সৈন্যই মোগলৰ পৰা ৰাণীহাট দুৰ্গ অধিকাৰ কৰে। কিন্তু আহোম পক্ষৰ এই জয়লাভ বৰ বেছিদিন স্থায়ী নহ'ল। ১৬২০ খ্ৰীঃৰ জানুৱাৰী মাহত হোৱা যুদ্ধত পুনৰ মোগলসকলে জয়লাভ কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত ভালেকেইটা দুৰ্গ নিৰ্মাণ কৰিবলৈ সক্ষম হ'ল। ইয়াৰ পাছত প্ৰায় পোন্ধৰ বছৰলৈ আহোম আৰু মোগলৰ মাজত যুদ্ধ নোহোৱাকৈ থাকে।[১৫] প্ৰতাপ সিংহৰ ৰাজত্ব কালত হোৱা আহোম-মোগল সংঘৰ্ষৰ বিষয়ে 'পাদছাহ নামা' আৰু 'বাহাৰিস্তান-ই-গাইবী' নামৰ দুখন মুছলমান লেখকৰ গ্ৰন্থত বিতংভাৱে বৰ্ণনা কৰা হৈছে।

বাৰে বাৰে মোগল আক্ৰমণৰ ফলস্বৰূপে সৃষ্টি হোৱা সমসাময়িক ৰাজনৈতিক আৰু সামৰিক পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি স্বৰ্গদেৱ প্ৰতাপ সিংহই এই সময়ছোৱাতে 'বৰবৰুৱা' আৰু 'বৰফুকন' নামৰ দুটা উচ্চ পৰ্যায়ৰ পদবিৰ সৃষ্টি কৰিছিল। কলিয়াবৰৰ পৰা পশ্চিমৰ আহোম ৰাজ্যখণ্ডৰ দায়িত্ব বৰফুকনক অৰ্পণ কৰা হৈছিল। প্ৰথম বৰফুকন আছিল লাঙি পানীসিয়া নামৰ এজন সামৰিক বিষয়া। আনহাতে কলিয়াবৰৰ পৰা পূবৰ ৰাজ্যখণ্ডৰ তথা তিনিজনা আহোম গোহাঁইৰ অধীনত নপৰা অঞ্চলসমূহৰ দায়িত্ব দিয়া হৈছিল

বৰবৰুৱাৰ হাতত। মোমাই তামুলী বৰবৰুৱা প্ৰথম বৰবৰুৱা পদবিধাৰী আছিল।

মোগল সম্ৰাট ছাহজাহানৰ ৰাজত্ব কালত আহোম-মোগল সংঘৰ্ষই পুনৰ প্ৰবল ৰূপ ধাৰণ কৰে। হৰিকেশ নামৰ এজন মোগল ৰাজহ বিষয়াক আহোম ৰজা প্ৰতাপ সিংহই আশ্ৰয় প্ৰদান কৰা কথাটোকে তৎকালীন কাৰণ হিচাপে লৈ বঙ্গৰ মোগল শাসনকৰ্তাই এক সামৰিক বাহিনীক ১৬৩৫ খ্ৰীঃত অসম আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰে। যুদ্ধৰ প্ৰথম অৱস্থাত আহোমসকলে জনজাতীয় ৰজাসকলৰ সহযোগত মোগলসকলক পাণ্ডু, শৰাইঘাট আৰু আগিয়াঠুৰিৰ পৰা খেদি নি হাজো পোৱালেগৈ। কিন্তু অলপ দিনৰ ভিতৰতে মোগলসকলে আহোমসকলক পৰাস্ত কৰি হেৰুওৱা অঞ্চল পুনৰ উদ্ধাৰ কৰাৰ উপৰি ১৬৩৭ খ্ৰীঃত কাজলী দুৰ্গও অধিকাৰ কৰিলে। অৱশ্যে ১৬৩৮ খ্ৰীঃৰ অক্টোবৰ মাহৰ পৰা আহোমসকলে যুদ্ধত পুনৰ সফলতা লাভ কৰিবলৈ ধৰিলে আৰু চামধৰা আৰু দুইমুনি শিলাত হোৱা যুদ্ধত মোগল বাহিনীক পৰাস্ত কৰিলে। এনেদৰে বহুমাহ ধৰি একেৰাহে যুদ্ধ কৰি দুয়োপক্ষই ভাগৰি পৰে আৰু অৱশেষত ১৬৩৯ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত দুয়োপক্ষই কলিয়াবৰত সন্ধি কৰে। এই কলিয়াবৰৰ সন্ধিৰ চৰ্ত মতে ব্ৰহ্মপুত্ৰৰ উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলি আহোম আৰু মোগল সাম্ৰাজ্যৰ মাজৰ সীমা নিৰ্ধাৰণ কৰা হয়।[১৬] ইয়াৰ ফলস্বৰূপে দুয়োপক্ষৰ মাজত এটা সু-সম্পৰ্কৰ বাতাৱৰণ সৃষ্টি হয় আৰু সেয়ে ১৬৩৯ খ্ৰীঃৰ পৰা ১৬৫৮ খ্ৰীঃৰ মাজৰ সময়ছোৱাত দুয়োপক্ষৰ মাজত কোনো বিশেষ সংঘাত হোৱা নাছিল। উল্লেখ্য, সেই সময়তে মোগল সম্ৰাট ছাহজাহানে তেওঁৰ দ্বিতীয় পুত্ৰ যুৱৰাজ চাহ চুজাক বঙ্গৰ গৱৰ্ণৰ বা চুবেদাৰ পদত অধিষ্ঠিত কৰিছিল। ছাৰ যদুনাথ সৰকাৰে তেওঁৰ 'বঙ্গৰ বুৰঞ্জী'ত লিখিছে যে চুজা বঙ্গৰ চুবেদাৰ হৈ অহাৰ লগে লগে বঙ্গত দীৰ্ঘ সময়ৰ বাবে শান্তি প্ৰতিষ্ঠা হৈছিল। মন কৰিবলগীয়া যে উল্লেখিত সময়ছোৱাত দিল্লীৰ মোগলসকলে প্ৰথমতে উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত সামৰিক অভিযানত জড়িত হ'ব লগাত পৰিছিল আৰু পৰৱৰ্তী সময়ত

১৬৫৬ খ্ৰীঃৰ শেষৰ ফালৰ পৰা মোগল সম্ৰাট ছাহজাহানৰ পুত্ৰসকলৰ মাজত মোগল সিংহাসন দখল কৰাৰ বাবে উত্তৰাধিকাৰী যুদ্ধত ব্যস্ত হ'ব লগাত পৰিছিল, য'ত বঙ্গৰ চুবেদাৰ যুৱৰাজ চুজায়ো মোগল সিংহাসনৰ অন্যতম দাবীদাৰৰূপে জড়িত হৈ পৰিছিল। ফলস্বৰূপে মোগল শক্তিয়ে উত্তৰ-পূব সীমান্তৰ ফালে সম্প্ৰসাৰণবাদী নীতি ল'বলৈ আহৰি পোৱা নাছিল আৰু বঙ্গৰ প্ৰাদেশিক প্ৰশাসন অৰাজকতা, বিশৃংখলতাত ভাগি পৰিছিল। তৎসত্ত্বেও, মোগলসকলে এই সময়ছোৱাত নামনি অসমৰ অধিকৃত অঞ্চলসমূহৰ ওপৰত নিজৰ আধিপত্য আৰু উত্তৰ-পূব ভাৰতৰ সীমামূৰীয়া ৰাজ্যসমূহৰ লগত ৰাজনৈতিক সম্পৰ্ক বজাই ৰাখিবলৈ সক্ষম হৈছিল। যুৱৰাজ চুজাই তেওঁৰ প্ৰশাসনিক সফলতা সম্পৰ্কে মোগল সম্ৰাট ছাহজাহানলৈ ১৬৫৫ খ্ৰীঃৰ মাৰ্চ মাহত প্ৰেৰণ কৰা এখন পত্ৰত এইদৰে লিখিছিল—

"The Zamindars of Morang, Kachar and other places, who had never paid tributes to any of my predecessors, have sent me ambassadars with letters professing loyality and obedience and some elephants by way of present." [১৭]

চিঠিৰ বিষয়বস্তু অনুসৰি আমি নিশ্চয় অনুমান কৰিব পাৰোঁ যে চুজা বঙ্গৰ চুবেদাৰ হৈ থকাৰ সময়ত উত্তৰ-পূব সীমান্তৰ ফালে নিশ্চয় মোগল অভিযান হৈছিল। নহ'লে কাছাৰ আৰু অন্যান্য জামিনদাৰসকলে বঙ্গৰ মোগল চুবেদাৰক হাতী আদি উপহাৰ দি মোগলৰ আনুগত্য স্বীকাৰ কৰিব নিবিচাৰিলেহেঁতেন।

১৬৫৭ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ছাহজাহান কঠিন নৰিয়াত পৰাৰ লগে লগে ছাহজাহানৰ চাৰি পুত্ৰ দাৰা, চুজা, ঔৰঙ্গজেৱ আৰু মুৰাদৰ মাজত মোগল ৰাজসিংহানক লৈ উত্তৰাধিকাৰী যুদ্ধ আৰম্ভ হ'ল। বঙ্গৰ চুবেদাৰ যুৱৰাজ চুজাই বঙ্গত থকা মোগল সৈন্যবাহিনী লৈ দিল্লী পালেগৈ। বঙ্গৰ চুবেদাৰ আৰু তেওঁৰ সামৰিক বাহিনীৰ অনুপস্থিতিত উত্তৰ-পূব অঞ্চলৰ

ওপৰত থকা মোগল প্ৰভুত্ব নৰম হৈ পৰে। উত্তৰাধিকাৰী যুদ্ধই আনি দিয়া ৰাজনৈতিক অস্থিৰতাৰ সুযোগ লৈ সেই সময়ৰ আহোম স্বৰ্গদেৱ জয়ধ্বজ সিংহই আহোম আৰু মোগলৰ মাজত স্বৰ্গদেৱ প্ৰতাপ সিংহৰ দিনত স্বাক্ষৰিত ১৬৩৯ খ্ৰীষ্টাব্দৰ কলিয়াবৰ সন্ধি অনুসৰি নিৰ্ধাৰিত ব্ৰহ্মপুত্ৰৰ উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলিৰ সীমা উলংঘা কৰি নামনি অসম মোগলৰ পৰা পুনৰ উদ্ধাৰৰ বাবে প্ৰচেষ্টা হাতত লয়। পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি কোচ ৰজা প্ৰাণনাৰায়ণেও মোগলৰ আধিপত্য দলিয়াই মোগলৰ আয়ত্তাধীন সোণকোষ নদীৰ পূব পাৰৰ তেওঁৰ পূৰ্বপুৰুষৰ ৰাজ্যখণ্ড পুনৰুদ্ধাৰৰ প্ৰচেষ্টাৰে ঘোঁৰাঘাট অঞ্চলত লুটপাত, আক্ৰমণ আদি আৰম্ভ কৰি নিজকে স্বাধীন ৰজা বুলি ঘোষণা কৰে আৰু মোগল শক্তিক দিবলগীয়া কৰ-কাটল দিবলৈ বন্ধ কৰি দিয়ে। কামৰূপ(কোচ-হাজো)ত থকা মোগল ফৌজাদাৰ মিৰ লুটফুল্লা চিৰাজী গুৱাহাটীলৈ পিছুৱাই যায়, য'ত এফালৰ পৰা কোচসকলে আৰু আনফালে আহোমসকলে আক্ৰমণ কৰাত তেখেত গুৱাহাটী এৰি নাৱেৰে ঢাকালৈ পলাই যায়। আহোমসকলে গুৱাহাটী, পাণ্ডু, শৰাইঘাট আদি অধিকাৰ কৰাৰ লগতে মোগলসকলৰ হাতৰ পৰা বিশটা বৰটোপ, কেইবাটাও ঘোঁৰা, বন্দুক আৰু অন্যান্য যুদ্ধৰ উপকৰণ অধিকাৰ কৰে। এইদৰে আহোমসকলে গোটেই ব্ৰহ্মপুত্ৰ উপত্যকা নিজৰ অধীনলৈ আনে। 'আলমগীৰ নামা'ৰ মতে আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত নিজৰ প্ৰভুত্ব প্ৰতিষ্ঠাতে ক্ষান্ত নাথাকি ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ অঞ্চলবিলাকতো, আনকি প্ৰায় ঢাকাপৰ্যন্ত লুটপাত চলায়।

সিফালে ১৬৫৮ খ্ৰীঃৰ ২১ জুলাইত নিজ ভাতৃৰ তেজেৰে ৰাঙলী কৰি আৰু ৰুগীয়া পিতৃ ছাহজাহানক বন্দীশালত থৈ ঔৰঙ্গজেৱ দিল্লীৰ সিংহাসনত উঠিল। ঔৰঙ্গজেৱক এই উত্তৰাধিকাৰী যুদ্ধত দাক্ষিণাত্যৰ এজন প্ৰভাৱশালী চুবাদাৰ মিৰজুমলাই যথেষ্ট সহায় কৰিছিল। বহুতে ক'ব বিচাৰে যে মিৰজুমলাৰ সাহায্য অবিহনে হয়তো ঔৰঙ্গজেৱ ভাৰতৰ অধীশ্বৰ হ'ব নোৱাৰিলেহেঁতেন। যি নহওক, ঔৰঙ্গজেৱ সিংহাসনত উঠিয়ে মিৰজুমলাক বঙ্গৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিলে আৰু লগতে তেওঁক উত্তৰাধিকাৰী যুদ্ধৰ

সময়ত বিদ্ৰোহী হৈ উঠা কোচবিহাৰ, অসম আৰু আৰাকান (য'ত ঔৰঙ্গজেৱৰ একমাত্ৰ জীৱিত ভাতৃ তথা প্ৰতিদ্বন্দ্বী চুজা পলাই আছিল) আক্ৰমণ কৰিবলৈ নিৰ্দেশ দিলে। এই আক্ৰমণৰ দায়িত্ব ঔৰঙ্গজেৱে তেওঁৰ শ্ৰেষ্ঠ সেনাপতি মিৰজুমলাক কিয় অৰ্পণ কৰিছিল, এই বিষয়ে ঐতিহাসিকসকলে বিভিন্ন মত পোষণ কৰা দেখা যায়। এদল ঐতিহাসিকৰ মতে, সন্দেহপৰায়ণ ঔৰঙ্গজেৱে দিল্লীৰ সিংহাসনত উঠাৰ পাছৰে পৰা মিৰজুমলাক ভয় আৰু সন্দেহৰ দৃষ্টিৰে চাবলৈ লয়। কিয়নো মিৰজুমলাৰ অসীম সাহায্যৰ জৰিয়তে সম্ৰাট হ'বলৈ সক্ষম হোৱা ঔৰঙ্গজেৱে বোলে ভাবিবলৈ আৰম্ভ কৰে যে যিজন ব্যক্তিয়ে তেওঁক সম্ৰাট হোৱাত বিশেষভাৱে সহায় কৰিব পাৰে, সেই একেজন ব্যক্তিয়ে তেওঁক সিংহাসনৰ পৰা আঁতৰাবলৈও সক্ষম। সেয়েহে ঔৰঙ্গজেৱে সিংহাসনত উঠিয়ে মিৰজুমলাক দিল্লীৰ ৰাজনীতিৰ পৰা দূৰত ৰাখিবৰ বাবে তেওঁক সুদূৰ বঙ্গৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দি বৈদেশিক যুদ্ধত লিপ্ত কৰিব বিচাৰিছিল। তদুপৰি মোগলসকলে সেই সময়ত বিশ্বাস কৰিছিল যে অসম এখন যাদুবিদ্যা, ভূত-প্ৰেত, মহামাৰী আৰু বানপানীৰ দেশ আৰু এই ৰাজ্যলৈ যোৱা মুছলমান সেনাপতিৰ মৃত্যু নিশ্চিত। ঔৰঙ্গজেৱে হয়তো ভাবিছিল যে মিৰজুমলাৰ অসমত মৃত্যু হ'লে তেওঁৰ সিংহাসন সম্পূৰ্ণৰূপে নিষ্কণ্টক হ'ব। দ্বিতীয় এদল ঐতিহাসিকৰ মতে আকৌ মিৰজুমলা এজন উচ্চাকাংক্ষী সমৰনায়ক আছিল আৰু তেওঁ ঔৰঙ্গজেৱৰ হৈ অসমৰ মাজেদি স্থলপথেদি অগ্ৰসৰ হৈ সমগ্ৰ দক্ষিণ-পূব এছিয়াত মোগলৰ বিজয়ধ্বজা উৰুৱাই নিজৰ বাবে এক অমৰ খ্যাতি অৰ্জন কৰিব বিচাৰিছিল। গতিকে তেওঁক অসম আক্ৰমণ কৰিবলৈ ঔৰঙ্গজেৱে প্ৰেৰণ কৰাটো মিৰজুমলাৰ বাবে নিজ প্ৰবল উচ্চাকাংক্ষা বাস্তৱত পৰিণত কৰাৰ এক চৰকাৰী অনুমোদন-পত্ৰহে আছিল। কিন্তু ছাৰ যদুনাথ সৰকাৰৰ মতে ঔৰঙ্গজেৱে মিৰজুমলাক অসমলৈ প্ৰেৰণ কৰাৰ মূল উদ্দেশ্য হ'ল— এই দক্ষ সেনাপতিজনে অসম অধিকাৰ কৰি এই ৰাজ্যৰ মাজেৰে গৈ আৰাকান পাবগৈ আৰু তাত পলাই থকা ঔৰঙ্গজেৱৰ

একমাত্ৰ জীৱিত ভাতৃ তথা প্ৰতিদ্বন্দ্বী ছাহ চুজাক বন্দী বা হত্যা কৰি সম্ৰাটৰ ৰাজসিংহাসন সম্পূৰ্ণৰূপে নিষ্কণ্টক কৰিব।[১৮]

মিৰজুমলা আছিল অতুলনীয় ব্যক্তিত্ব তথা অসাধাৰণ সামৰিক সংগঠক তথা প্ৰতিভাসম্পন্ন এজন সেনাধ্যক্ষ। নেপোলিয়নৰ দৰেই মিৰজুমলাও নিজ সৈন্যবাহিনীৰ অতি প্ৰিয়জন আছিল আৰু সাধাৰণ সৈনিকৰ লগত সমানে তেওঁ যুদ্ধ তথা প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছিল আৰু জয়লাভৰ স্বাদো উপভোগ কৰিছিল। মিৰজুমলাৰ সৈন্য পৰিচালনাৰ দক্ষতা সম্পৰ্কে ছাৰ যদুনাথ সৰকাৰে এনেদৰে মন্তব্য কৰিছে— "Mirjumla was supremely methodical. There was method in his advance, method in his struggling through rainy season and method in his retreat." সমসাময়িক ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ সমৰকৰ্তা মিৰজুমলাই মোগল সম্ৰাট ঔৰঙ্গজেৱৰ আদেশ শিৰোধাৰ্য কৰি ১৬৬১ খ্ৰীঃৰ নৱেম্বৰৰ ১ তাৰিখে এক বৃহৎ সামৰিক বাহিনী লৈ ঢাকাৰ পৰা কোচবিহাৰ আৰু অসম অভিমুখে অগ্ৰসৰ হয়। ১৬৬১ খ্ৰীঃৰ ডিচেম্বৰ মাহৰ ভিতৰত সমগ্ৰ কোচবিহাৰ পদানত কৰি ১৬৬২ চনৰ জানুৱাৰীত অসমত প্ৰৱেশ কৰে। মিৰজুমলাৰ নেতৃত্বত মোগল বাহিনীয়ে অতি সহজে যোগীঘোপা, গুৱাহাটী আদি অধিকাৰ কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰেদি উজনি অসমলৈ অগ্ৰসৰ হয়। আহোম সৈন্যবাহিনীয়ে ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত শিমলুগড় আৰু উত্তৰপাৰত চামধৰাত মোগলক বাধা দিবলৈ চেষ্টা কৰিছিল যদিও সফল নহ'ল। শিমলুগড় আৰু চামধৰা এই দুটা আহোমৰ শক্তিশালী দুৰ্গ সহজেই অধিকাৰ কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেদি ৰাজধানী গড়গাঁও অভিমুখে অগ্ৰসৰ হয়। কিন্তু তাৰ আগতে মিৰজুমলাই কলিয়াবৰত এজন মোগল শাসনকৰ্তা নিয়োগ কৰি তেওঁৰ ওপৰত অধিকৃত অঞ্চলটোৰ দায়িত্ব অৰ্পণ কৰিছিল। আহোমসকলে মোগলসকলক শেষ বাধা দিছিল লখৌগড়ত, য'ত মাৰ্চ মাহৰ ৯ তাৰিখৰ দিনা হোৱা যুদ্ধত মোগলসকলে সহজে জয়লাভ সাব্যস্ত কৰে আৰু লখৌগড় অধিকাৰ কৰে।

লখৌগড়ৰ পতনৰ বাতৰি পোৱাৰ লগে লগে ৰজা জয়ধ্বজ সিংহই ৰাজধানী ত্যাগ কৰি নামৰূপলৈ পলাই যায়। ১৬৬২ খ্ৰীষ্টাব্দৰ ১৭ মাৰ্চৰ দিনা মিৰজুমলাই সগৌৰৱে আহোম ৰাজধানী গড়গাঁও অধিকাৰ কৰে আৰু গড়গাঁৱত টকাশাল পাতি সম্ৰাট ঔৰঙ্গজেৱৰ নামত মোহৰ মাৰে।

মিৰজুমলাই গড়গাঁও অধিকাৰ কৰাৰ সময়ত আহোম ৰজাই মিৰজুমলালৈ প্ৰেৰণ কৰা মিত্ৰতাৰ প্ৰস্তাৱ মিৰজুমলাই সেই সময়ত প্ৰত্যাখ্যান কৰে যদিও গড়গাঁৱত সাত-আঠ মাহ থকাৰ পাছত বিভিন্ন কাৰণত মিৰজুমলাই পৰৱৰ্তী সময়ত আহোম ৰজাই আগবঢ়োৱা সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ স্থিৰ কৰে। উল্লেখ্য, মিৰজুমলাই গড়গাঁও অধিকাৰ কৰাৰ কিছুদিনৰ পাছতে সেই বছৰ অসমত আগতীয়াকৈ বাৰিষা আৰম্ভ হয়। বাৰিষাৰ লগে লগে মোগল বাহিনীৰ মাজত দুৰ্গতিৰ অন্ত নোহোৱা হ'ল। চৌদিশে পানীৰে উপচি পৰাত মোগলসকলৰ যাতায়াতৰ ভীষণ অসুবিধা হ'ল আৰু মাৰাত্মক খাদ্যৰ অভাৱে দেখা দিলে। অসমৰ জলবায়ুৱে মোগল সৈন্যসকলক একেবাৰে শুজা নাছিল। আনকি মিৰজুমলাও কঠিন নৰিয়াত পৰিছিল আৰু তেওঁ দোলাত উঠিহে ঘূৰিব লগা হৈছিল। শাৰীৰিক অসুস্থতাৰ লগে লগে তেওঁৰ মনোবলো হ্ৰাস পাইছিল। আনহাতে সুদীৰ্ঘকাল নিজ পৰিয়ালৰ পৰা আঁতৰত থকা মোগল সৈনিকসকলেও যিমান সোনকালে পাৰে এই মহামাৰী-বানপানীৰ দেশ অসমৰ পৰা প্ৰত্যাৱৰ্তন কৰিবলৈ উদগ্ৰীৱ হৈ পৰিছিল। এনেবোৰ প্ৰতিকূল পৰিস্থিতিত পৰি উপায়বিহীন হৈ মিৰজুমলাই ১৬৬৩ খ্ৰীঃৰ ১০ জানুৱাৰীত তিপামৰ ঘিলাধাৰী ঘাটত আহোম পক্ষৰ লগত এক সন্ধিপত্ৰত স্বাক্ষৰ কৰিলে। ইয়াৰ পাছত তেওঁ অসমৰ পৰা প্ৰত্যাৱৰ্তন কৰিলে, কিন্তু ঢাকা পোৱাৰ আগতেই ১৬৬৩ খ্ৰীঃৰ ৩১ মাৰ্চত মিৰজুমলাৰ মৃত্যু হয়। আহোম আৰু মোগলৰ মাজত স্বাক্ষৰিত ঘিলাধাৰী ঘাটৰ সন্ধি চুক্তিখনৰ মূল চৰ্তসমূহ হ'ল—

১) ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভৰলী নদী আৰু দক্ষিণ ফালে কলং নদীৰ পশ্চিম অঞ্চল মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হ'ল।

২) আহোম ৰজাই তৎকালীনভাৱে ২০,০০০ তোলা সোণ, ১,২০,০০০ তোলা ৰূপ আৰু ৪০টা হাতী মোগলক দিবলৈ সন্মত হ'ল।

৩) পাছৰ বছৰটোত আহোম ৰজাই ৩,০০,০০০ তোলা ৰূপ আৰু ৯০টা হাতী তিনিটা কিস্তিত মোগল সম্রাটলৈ যুদ্ধৰ ক্ষতিপূৰণ স্বৰূপে পঠাবলৈ প্ৰতিশ্ৰুতি দিলে।

৪) আহোম ৰজাৰ বাৰ্ষিক কৰ ২০টা হাতী নিৰ্ধাৰণ কৰা হ'ল।

৫) স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ জীয়েক ৰমণী গাভৰুক মোগল হেৰেমলৈ পঠাব লগা হ'ল। (এই ৰমণী গাভৰুৱে ৰহমত বানু নাম লৈ সম্রাট ঔৰঙ্গজেৱৰ তৃতীয় পুত্ৰ মহম্মদ আজমৰ লগত বিয়া হয়)।

৬) আহোম ৰজাই নিজ পুত্ৰ আৰু ৫জন ডাঙৰীয়াৰ পুত্ৰক এই সকলোখিনি আদায় নকৰালৈকে মোগল ৰাজদৰবাৰত প্ৰতিভূ হিচাপে থ'বলৈ সন্মত হ'ল।[১৯]

মিৰজুমলাৰ অসম আক্ৰমণ কেৱল অসমৰে নহয়, ভাৰতবৰ্ষৰ ইতিহাসৰ এটি অতি গুৰুত্বপূৰ্ণ ঘটনা। ই ভাৰতৰ মোগল ইতিহাসৰ এক যুগান্তকাৰী ঘটনা। কাৰণ মিৰজুমলাই আছিল প্ৰথম মুছলমান সেনাপতি, যি অদমনীয় আহোম বাহিনীক পৰাভূত কৰাই নহয়, আহোম ৰাজধানী গড়গাঁওপৰ্যন্ত দখল কৰিবলৈ সক্ষম হৈছিল। ই নিশ্চিতভাৱে মোগলৰ উত্তৰ-পূব ভাৰত নীতিৰ এক বিশাল সফলতা। মিৰজুমলাৰ বিজয় অসমৰ ইতিহাসৰ এক দুখজনক অধ্যায় আছিল। কাৰণ এই বিজয়ে প্ৰথমবাৰৰ বাবে এজন অসমৰ ৰজাক মোগলৰ আগত শিৰনত কৰিবলৈ বাধ্য কৰিছিল আৰু মোগলৰ কৰতলীয়া অৱস্থা স্বীকাৰ কৰিবলগীয়া হৈছিল।

মিৰজুমলাৰ অসম আক্ৰমণৰ গুৰুত্ব সম্পৰ্কে বুৰঞ্জীবিদসকলৰ মাজত মতানৈক্য থকা দেখা যায়। কিছুমান বুৰঞ্জীবিদৰ মতে মিৰজুমলাৰ বিজয় অভিযান আছিল এক সম্পূৰ্ণ ফলাফলবিহীন ঘটনা। এইসকল বুৰঞ্জীবিদে নিজ মতৰ সপক্ষে যুক্তি দি ক'ব বিচাৰে যে মিৰজুমলাই নিজ জয়লাভৰ জৰিয়তে স্বাক্ষৰ কৰিবলৈ সক্ষম হোৱা ঘিলাধাৰী ঘাটৰ সন্ধি

চুক্তিখনক আহোম ৰজাই পৰৱৰ্তীকালত মূল্যহীন পেলনীয়া কাগজৰ দৰে ব্যৱহাৰ কৰিবলৈ লৈছিল। সন্ধিৰ চৰ্ত অনুসৰি দিব লগা ক্ষতিপূৰণসমূহ আদায় দিয়াৰ পৰিৱৰ্তে আহোম ৰজাই পুনৰ যুদ্ধৰ বাবেহে প্ৰস্তুত হৈছিল। চুক্তিৰ চৰ্তসমূহ মাত্ৰ কাগজতহে সীমাবদ্ধ আছিল। নিজৰ কন্যাক মোগল হেৰেমলৈ পঠিওৱা আৰু যুদ্ধৰ ক্ষতিপূৰণ তাকো আংশিকভাৱে আদায় দিয়াৰ বাদে আন চৰ্তসমূহক মিৰজুমলা উভতি যোৱাৰ পাছত আহোম ৰজাই সন্মান জনোৱা নাছিল। কোনো পাৰ্চী বুৰঞ্জীতে আহোম ৰজাই পৰৱৰ্তী সময়ত যুদ্ধৰ ক্ষতিপূৰণ আদায় দিছিল বুলি উল্লেখ নাই। আকৌ মিৰজুমলাই অসমত কোনো প্ৰশাসনীয় ব্যৱস্থাও এৰি থৈ যাবলৈ সক্ষম হোৱা নাছিল।[২০] আনহাতে অধ্যাপক জে এন সৰকাৰে তেওঁৰ 'Life of Mirjumla' নামৰ গ্ৰন্থত ঘিলাধাৰী ঘাটৰ চুক্তিক 'এক সন্মানজনক শান্তি' (Peace with honour) বুলি অভিহিত কৰিছে।[২১]

যি কি নহওক, ইতিহাসৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মিৰজুমলাৰ অসম আক্ৰমণ এক ভিন্ন দিশৰ পৰা গুৰুত্ব আছে। কাৰণ মিৰজুমলাৰ লগত অসমলৈ অহা চিহাবুদ্দিন তালিচ নামৰ ঐতিহাসিকজনে তেওঁৰ 'ফতহ--ই-ইব্ৰীয়া' নামৰ গ্ৰন্থখনিত মিৰজুমলাৰ অসম অভিযানৰ লগতে অসম আৰু ইয়াৰ জনগণ সম্পৰ্কে এক বিশদ বিৱৰণি লিপিবদ্ধ কৰি থৈ গৈছে। এই বিৱৰণিত তেওঁ অসমৰ প্ৰাকৃতিক বৰ্ণনা, কৃষিজাত দ্ৰব্য, ধাতু, মুদ্ৰা, ৰাজধানী গড়গাঁও আদিৰ বিষয়ে বিস্তৃতভাৱে লিপিবদ্ধ কৰিছে। তালিচে নিজ চোকাত নিজে দেখা কথাসমূহ লিখাৰ উপৰি কোনো কোনো ক্ষেত্ৰত নিজ দৃষ্টিভঙ্গী তথা ব্যক্তিগত টিপ্পনীও আগবঢ়াইছিল। তদুপৰি মিৰজুমলাৰ লগত অহা ওলন্দাজ নাবিক গ্লেনিয়াচেও অসম সম্পৰ্কে এক চমু বিৱৰণ লিখি থৈ গৈছে। সেয়েহে বুৰঞ্জীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মিৰজুমলাৰ অসম আক্ৰমণৰ জৰিয়তে লাভ কৰা এই ঐতিহাসিক সমলসমূহৰ অসীম গুৰুত্ব আছে।

মিৰজুমলাৰ অসম আক্ৰমণ অসমীয়া মুছলমানসকলৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ। প্ৰথমতে চিহাবুদ্দিন তালিচৰ বৰ্ণনাত অসমীয়া মুছলমানসকলৰ

দেশাত্মবোধৰ সুন্দৰ আভাস পোৱা যায়। দ্বিতীয়তে, ঘিলাধাৰী ঘাটৰ সন্ধি সম্পন্ন কৰাত এজন অসমীয়া মুছলমানৰ সফল প্ৰচেষ্টা। অসমলৈ আহি অসমতে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা মুছলমানসকলে এই দেশকে নিজ মাতৃভূমি বুলি গণ্য কৰি স্বধৰ্মীয় হ'লেও বিদেশী শত্ৰুৰ আক্ৰমণৰ বেলিকা অসমক ৰক্ষা কৰিবলৈ দেহ-মন সমৰ্পণ কৰিছিল। মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত অসমীয়া মুছলমানসকলে অসম আক্ৰমণকাৰী স্বধৰ্মী মুছলমানৰ প্ৰতি সহানুভূতি দেখুৱাব বুলি মোগল সেনাপতিসকলে আশা কৰিছিল। তেওঁলোকে ভাবিছিল- অসমৰ মুছলমানসকলে আহোমৰ ৰণ-কৌশলৰ ইঙ্গিত দি তেওঁলোকক সহায় কৰিব, কিন্তু অসমীয়া মুছলমানে তেনে সহানুভূতি নেদেখুওৱাত মোগল বিষয়াসকল আচৰিত হৈছিল। অসমৰ মুছলমানে অসমক তথা আহোম স্বৰ্গদেউক বিশ্বাসঘাতক নকৰি অসমীয়া সৈন্যৰে মিলি স্ব-ধৰ্মীয় মীৰজুমলাৰ বিৰুদ্ধেহে ৰণত নামিছিল। মুছলমানসকলৰ অসম আৰু অসমীয়াৰ প্ৰতি এনে আগ্ৰহ দেখি চিহাবুদ্দিন তালিচে তেওঁৰ টোকাত লিখিছিল— "পূৰ্বে হোৱা যুদ্ধ-বিগ্ৰহত বন্দী হোৱা ভালেমান মুছলমানে অসমত বিয়া-বাৰু কৰি বাস কৰি আছে। তেওঁলোকৰ সতি-সন্ততিসকলৰ কাৰ্যকলাপ অবিকল অসমীয়াৰ দৰে আৰু নামৰ বাহিৰে ইছলামৰ কোনো চিনচাবেই তেওঁলোকৰ গাত নাই। মুছলমানৰ লগত সঙ্গতি লোৱাৰ প্ৰতি তেওঁলোকৰ হৃদয়ৰ টান অতি কম, অসমীয়াৰ লগত মিলিবলৈহে তেওঁলোকৰ ধাউতি বেছি।"[২২]

দ্বিতীয়তে, মিৰজুমলাই আহোম ৰাজধানী গড়গাঁও অধিকাৰ কৰাৰ পাছত নামৰূপত লুকাই থকা আহোম ৰজা জয়ধ্বজ সিংহই মোগলৰ কৰতলীয়া হৈও দেশ উদ্ধাৰৰ বাবে মোগল সেনাপতিৰ ওচৰত কেইবাবাৰো সন্ধিৰ প্ৰস্তাৱ দিছিল। কিন্তু সফল হ'ব পৰা নাছিল। "দেশবাসীক এনে দুৰ্যোগপূৰ্ণ অৱস্থাৰ পৰা উদ্ধাৰ কৰাৰ গধুৰ দায়িত্ব বহন কৰা মাত্ৰ দুজনমান অসমীয়া লোকৰ ভিতৰত আছিল ৰজা জয়ধ্বজৰ বিশ্বস্ত, দেশপ্ৰেমিক চক্ৰী কটকী আৰু গজল তুৰুক চুলতান গৰিয়া। ৰাজ কটকীৰূপে তেওঁ দেশৰক্ষাৰ

শেষ চেষ্টাত লাগি, মিৰজুমলাক অসম ৰজাৰ সন্ধিৰ প্ৰস্তাৱ অৱশেষত গ্ৰহণ কৰোৱালে। সন্ধি (ঘিলাধাৰী ঘাটৰ সন্ধি) সম্পন্ন হ'ল। অসমৰ ৰজাক মোগলৰ কৰতলীয়া কৰি মিৰজুমলা উলটি গ'ল। মিৰজুমলাৰ লগতে অনেক অসমীয়াই স্বদেশ এৰি গুচি গ'ল। আহোম বুৰঞ্জীত এনে লোকৰ যি তালিকা আছে, তাৰপৰা বুজা যায় যে এই দেশত্যাগী অসমীয়া লোকৰ প্ৰায় সকলোৱেই আছিল অ-মুছলমান লোক।" [২৩] স্বদেশ প্ৰেমত মত্ত অন্য এক অসমীয়া বীৰ মুছলমান হ'ল — স্বতন্ত্ৰ কোচ-হাজো বা কামৰূপ অঞ্চলৰ ফুলগুৰীয়া ফটে খাঁ। কোচ সেনাৰ নায়ক হিচাপে এই ফটে খাঁই বিপুল মোগল বাহিনীৰ একাধিক আক্ৰমণ প্ৰতিহত কৰি কোচ-হাজো ৰক্ষা কৰি আছিল। বুৰঞ্জীত পোৱা যায় যে তেওঁক স্বাৰ্থলোভী কিছু স্বদেশী অ-মুছলমান ব্যক্তিয়েই বিশ্বাসঘাতকতা কৰি মোগলৰ ওচৰত ধৰাই দিছিল।[২৪]

মিৰজুমলাই অসমৰ পৰা উলটি যাওঁতে গুৱাহাটী মুখ্য কাৰ্যালয় কৰি ৰছিদ খাঁক কামৰূপৰ ফৌজাদাৰ পাতি থৈ গৈছিল। মিৰজুমলাই অসম এৰি গৈছিল যদিও এদল শক্তিশালী মোগল বাহিনী মোগল অধিকৃত নামনি আৰু মধ্য অসমত মোতায়েন আছিল আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ বাঁহবাৰী আৰু দক্ষিণে কাজলী (বৰ্তমান নগাঁও জিলা) ১৬৬৭ খ্ৰীঃলৈকে মোগলৰ পূব চকী হৈ আছিল। আনফালে 'ভগনীয়া ৰজা' জয়ধ্বজ সিংহ ৰাজধানী গড়গাঁৱলৈ উভতি আহি মোগল পৰাধীনতাৰ শৃংখলৰ পৰা নিজ দেশক মুক্ত কৰিবলৈ চেষ্টা কৰিছিল যদিও নিজ জীৱন কালত তেওঁৰ এই আশা পূৰণ নহ'ল। তেওঁৰ মৃত্যুৰ পাছত আহোম সিংহাসনত আৰোহণ কৰা চক্ৰধ্বজ সিংহ এজন স্বাধীনচেতীয়া আৰু দেশপ্ৰেমী ৰজা আছিল। তেওঁৰ স্পষ্ট কথা— 'বঙালৰ অধীন হৈ থকাতকৈ মৰণেই শ্ৰেষ্ঠ। মোগলক অসমৰ পৰা বিতাড়িত কৰিবৰ বাবে মোগলৰ বিৰুদ্ধে যুদ্ধ অনিবাৰ্য আৰু তাৰ বাবে সাজু হ'বলৈ তেওঁৰ বিষয়াসকলক নিৰ্দেশ দিয়ে আৰু সামৰিক বাহিনীৰ সংগঠনৰ দায়িত্ব আতন বুঢ়াগোহাঁই আৰু মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ

লাচিতৰ হাতত অৰ্পণ কৰিলে আৰু সমগ্ৰ দেশতেই মোগলক খেদোৱাৰ বাবে এক প্ৰচণ্ড উদ্দীপনাই দেখা দিলে।

১৬৬৭ খ্ৰীঃৰ ভিতৰত যুদ্ধৰ সকলো যা-যোগাৰ সম্পূৰ্ণ হ'লত স্বৰ্গদেৱ চক্ৰধ্বজ সিংহই লাচিতক বৰফুকন আৰু প্ৰধান সেনাপতি পাতি নামনি অসমৰ পৰা মোগলক বিতাড়িত কৰিবলৈ প্ৰেৰণ কৰিলে। আহোমসকলৰ এই অভিযানত প্ৰায় ২০,০০০ জয়ন্তীয়া সৈন্যসহ ৰাণী, লুকী আদি জনজাতীয় ৰজাসকলেও নিজ সৈন্যসহ আহোম বাহিনীক সম্পূৰ্ণ সহযোগ কৰিছিল। লাচিত বৰফুকনৰ সুদক্ষ পৰিচালনাত এই সন্মিলিত বাহিনীয়ে বাঁহবাৰী, কাজলী, ইটাখুলি আদি দুৰ্গ পুনৰুদ্ধাৰ কৰিলে। দুমাহ অৱৰোধ কৰাৰ পিছত গুৱাহাটী আৰু পাণ্ডুও লাচিতে মোগলৰ হাতৰ পৰা অধিকাৰ কৰিলে। চৈয়দ চানা আৰু গুৱাহাটীৰ মোগল ফৌজাদাৰ চৈয়দ ফিৰোজৰ নেতৃত্বত অহা এক বিশাল মোগল বাহিনীকো অসমীয়া সেনাই সম্পূৰ্ণৰূপে পৰাভূত কৰিলে আৰু চৈয়দ চানা আৰু চৈয়দ ফিৰোজ প্ৰমুখ্যে ভালেসংখ্যক মুছলমান সৈনিকক বন্দী কৰি ৰাজধানী গড়গাঁৱলৈ প্ৰেৰণ কৰিলে। এনেদৰে লাচিতৰ অপৰিসীম সমৰ কৌশলৰ জৰিয়তে মানাহ নদীপৰ্যন্ত ৰাজ্যখণ্ড পুনৰ আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হ'ল। গুৱাহাটীক বৰফুকনৰ মুখ্য কাৰ্যালয় বা সদৰত পৰিণত কৰা হ'ল।

অসমত মোগল সৈন্যৰ চৰম বিপৰ্যয় তথা গুৱাহাটী পতনৰ বাতৰি ১৬৬৭ খ্ৰীঃৰ ডিচেম্বৰ মাহত মোগল সম্ৰাট ঔৰঙ্গজেৱৰ কাণত পৰিল। লগে লগে ঔৰঙ্গজেৱে অসমক এশিকনি দিয়াৰ উদ্দেশ্যে অম্বৰৰ ৰাজপুত ৰজা জয়সিংহৰ পুত্ৰ ৰাজা ৰামসিংহক অসমৰ বিপক্ষে এক সমৰ অভিযানৰ নেতৃত্ব দিবৰ বাবে আদেশ দিলে। ৰামসিংহৰ সহকাৰী সেনাপতি হিচাপে প্ৰেৰণ কৰা হ'ল গুৱাহাটীৰ প্ৰাক্তন থানাদাৰ ৰছিদ খাঁক। ১৬৬৯ খ্ৰীঃৰ মাৰ্চ মাহত ৰামসিংহই ৩০,০০০ পদাতিক, ১৮,০০০ অশ্বাৰোহী, ১৫,০০০ কাঁড়ী সৈন্য আৰু বহুকেইখন যুদ্ধ জাহাজসহ এক বিশাল বাহিনী লৈ গোৱালপাৰাত

উপস্থিত হ'ল।[২৫] ৰামসিংহৰ অসম আক্ৰমণৰ ফলত ১৬৭১ খ্ৰীঃত বিখ্যাত শৰাইঘাটৰ যুদ্ধ অনুষ্ঠিত হয়। অৱশ্যে শৰাইঘাটৰ যুদ্ধৰ আগতে লাচিত বৰফুকনৰ নেতৃত্বত আহোম বাহিনী আৰু ৰামসিংহৰ নেতৃত্বত মোগল সৈন্যবাহিনীৰ মাজত কেইবাখনো নৌ আৰু স্থলযুদ্ধ অনুষ্ঠিত হৈছিল আৰু সৰহসংখ্যক যুদ্ধতেই আহোমসকলে জয়লাভ কৰিছিল। তাৰ মাজতে দৰঙৰ ওচৰত হোৱা দুখন স্থলযুদ্ধ আৰু আলাবৈত হোৱা স্থলযুদ্ধত আহোম সৈন্যবাহিনী পৰাভূত হ'ব লগাত পৰিছিল। বিশেষকৈ ১৬৬৯ খ্ৰীঃত আলাবৈত হোৱা এদিনৰ যুদ্ধতে প্ৰায় ১০,০০০ আহোম সৈন্যৰ হানি হৈছিল। আলাবৈৰ যুদ্ধৰ পাছতে ১৬৬৯ খ্ৰীঃৰ শেষৰফালে অসমবাসীৰ মাজত স্বাধীনতাৰ স্পৃহা জগাই তোলা আহোম স্বৰ্গদেৱ চক্ৰধ্বজ সিংহৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পাছত ভায়েক উদয়াদিত্য সিংহ সিংহাসনত আৰোহণ কৰে। এওঁৰ ৰাজত্বকালৰ সকলোতকৈ গুৰুত্বপূৰ্ণ তথা গৌৰৱোজ্জ্বল ঘটনাটো হ'ল মোগলৰ বিপক্ষে হোৱা শৰাইঘাটৰ যুদ্ধ।

১৬৭১ খ্ৰীঃৰ মাৰ্চ মাহত সংঘটিত ইতিহাসপ্ৰসিদ্ধ শৰাইঘাটৰ নৌ-যুদ্ধত লাচিত বৰফুকনৰ সুদক্ষ নেতৃত্বত আহোম বাহিনীৰ হাতত মোগল বাহিনী সম্পূৰ্ণৰূপে পৰাস্ত হ'ল। এই যুদ্ধৰ পাছতে ১৬৭১ খ্ৰীঃৰ এপ্ৰিল মাহৰ ৫ তাৰিখে মোগল সেনাপতি ৰামসিংহই পৰাজয়ৰ চৰম গ্লানি লৈ নিজ দেশলৈ প্ৰত্যাৱৰ্তন কৰিলে। অসমীয়া সৈন্যই মোগল বাহিনীক পিছে পিছে খেদি নি মানাহ নদী পাৰ কৰি থৈ আহিল। অসমীয়া সৈন্যই গুৱাহাটী পুনৰ উদ্ধাৰ কৰাই নহয়, বিজয় গৌৰৱেৰে মানাহ নদীপৰ্যন্ত নিজ ৰাজ্যৰ সীমা সম্প্ৰসাৰণ কৰিবলৈ সক্ষম হয়। মীৰজুমলাৰ হাতত পৰাজয় তথা ঘিলাধাৰী ঘাটৰ সন্ধিৰ জৰিয়তে আহোম ৰজা তথা অসমবাসীয়ে হেৰুওৱা সন্মান শৰাইঘাটৰ যুদ্ধৰ বিজয়েৰে পুনৰ ঘূৰাই আনিবলৈ সক্ষম হ'ল। ই এহাতেদি অসমবাসীৰ শৌৰ্য-বীৰ্য তথা সন্মান বিশেষভাৱে বৃদ্ধি কৰিলে আৰু আনহাতে মহাপৰাক্ৰমী মোগল শক্তিক এক প্ৰবল আঘাত হানিলে। অসমবাসীৰ বাবে লাচিত বৰফুকন তথা শৰাইঘাটৰ যুদ্ধ চিৰস্মৰণীয় হৈ থাকিব।

## বাঘ হাজৰিকা

লাচিত বৰফুকনৰ নেতৃত্বত আহোম সৈন্যবাহিনীৰ শৰাইঘাটৰ যুদ্ধৰ বীৰত্বৰ কাহিনীৰ সৈতে এজন অসমীয়া মুছলমান যুৱকৰ সাহস আৰু বীৰত্বৰ কাহিনীও সংযোজিত হৈ আছে; যিজনে আহোম সৈন্যবাহিনীৰ পালি সেনাপতি ৰূপে ৰামসিংহৰ নেতৃত্বত মোগল বাহিনীৰ লগত হোৱা যুদ্ধসমূহত লাচিত বৰফুকনৰ সহযোগী ৰূপে যুদ্ধত অংশগ্ৰহণ কৰিছিল। তেওঁ হ'ল বাঘ হাজৰিকা, প্ৰকৃত নাম ইছমাইল চিদ্দিকি।

এই বাঘ হাজৰিকানো কোন? তেওঁ কেতিয়া ক'ৰপৰা অসমলৈ আহিছিল? তেওঁৰ বংশ পৰিচয় কি? এইবিলাক প্ৰশ্নৰ উত্তৰ আজিলৈকে স্পষ্টভাৱে জানিব পৰা হোৱা নাই। সমসাময়িক পাৰ্চী বুৰঞ্জী তথা অসমীয়া বুৰঞ্জীসমূহত এই বিষয়ে একো উল্লেখ নাই। বংশধৰসকলৰ পৰা পোৱা তথ্য অনুসৰি তেখেত ২৫ বছৰ বয়সত মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত মোগল সৈন্যবাহিনীৰ লগত অসমলৈ আহিছিল। এই তথ্য সম্পূৰ্ণ শুদ্ধ বুলিব নোৱাৰি, কাৰণ মীৰজুমলাৰ অসমৰ পৰা প্ৰত্যাৱৰ্তন আৰু শৰাইঘাটৰ যুদ্ধৰ মাজত সময়ৰ ব্যৱধান আছিল মাত্ৰ আঠ বছৰ। মীৰজুমলাৰ সৈন্যবাহিনীৰ লগত এই ইছমাইল চিদ্দিকি উভতি নগৈ অসমত থাকি গৈছিল আৰু স্থানীয় তিৰোতা বিয়া কৰাই অসমীয়া আদব-কায়দা শিকি অসমীয়া হৈ পৰিছিল আৰু আহোম সামৰিক বাহিনীত হিলৈদাৰী সৈন্যৰূপে মকৰল হৈছিল। কিন্তু মাত্ৰ ৪-৫ বছৰৰ ভিতৰত পালি সেনাপতিলৈ পদোন্নতি লাভ কৰি শৰাইঘাটৰ যুদ্ধত ইমান গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিব, সেই কথা বিশ্বাসযোগ্য নহয়। তাতে তেওঁ অনা-আহোম। গতিকে বাঘ হাজৰিকাৰ নাম শৰাইঘাটৰ যুদ্ধৰ লগত জড়িত হ'বলৈ হ'লে তেওঁ মীৰজুমলাৰ অসম আক্ৰমণৰ বহু আগেয়ে অসমলৈ আহিব লাগিব আৰু আহোম সামৰিক বাহিনীত বহু বছৰৰ আগতে জড়িত হ'ব লাগিব। বিশিষ্ট বুৰঞ্জীবিদ ড° সূৰ্য্য কুমাৰ ভূঞাদেৱে তেখেতৰ 'স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ' নামৰ গ্ৰন্থত অসমৰ মুছলমানসকলৰ বিষয়ে লিখোঁতে এইবুলি লিখিছে — "ৰামসিংহৰ আক্ৰমণৰ সময়ত উজনিত বাঘ

হাজৰিকা নামে এজন মুছলমান বীৰ পুৰুষ আছিল। তেওঁ শুদা হাতেৰে বাঘ এটা কিলাই বধ কৰিছিল, সেই দেখি তেওঁ 'বাঘ হাজৰিকা' নামে প্ৰখ্যাত হৈছিল। এই বাঘ হাজৰিকাই মোগলৰ যুদ্ধ প্ৰণালী আৰু কায়দা জানিছিল। তেওঁ লাচিত বৰফুকনৰ লগত থাকি মোগলৰ যুদ্ধ প্ৰণালীৰ সঙ্কেত কোৱাত লাচিত বৰফুকনে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি বিদেশীক পৰাস্ত কৰিবলৈ সুবিধা পাইছিল। কিছুমান মুছলমানৰ মাজত এটা জনশ্ৰুতি আছে। জ্ঞান-মালিনীৰ কবি মৌলবী মফিজুদ্দিন আহমদ হাজৰিকা এই বাঘ হাজৰিকাৰ সন্ততি।"[২৬] মোগল যুদ্ধকৌশল জানিবলৈ হ'লে বাঘ হাজৰিকাই নিশ্চয় এটা সময়ত মোগল সৈন্যবাহিনীত জড়িত থাকিব লাগিব। গতিকে, তেখেত মোগল সৈন্যবাহিনীৰ লগত যে অসমলৈ আহি অসমত থাকি গৈছিল, সি খাটাং। জানিব পৰা মতে বাঘ হাজৰিকাই মোগলৰ বৰটোপবোৰ অকামিলা কৰাৰ বুদ্ধি জানিছিল আৰু সেনাপতি লাচিত বৰফুকনৰ সন্মতিক্ৰমে তেখেতে কেইগৰাকীমান সঙ্গী লৈ কাকবাঁহৰ চুঙাত কাষৰ নদীৰ পৰা পানী ভৰাই ৰাতি গোপনে মোগলৰ বৰটোপসমূহত পানী ভৰাই সেইবোৰ বিকল কৰি থৈ আহিছিল। পাছদিনা ব্ৰহ্মপুত্ৰৰ বুকুত হোৱা যুদ্ধৰ সময়ত মোগলৰ বৰটোপবোৰে কাম নকৰাত লাচিত বৰফুকনৰ নেতৃত্বত আহোম সৈন্যবাহিনীয়ে মোগলক পৰাভূত কৰা সহজ হৈ উঠে।[২৭] তেখেতে শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনৰ সঙ্গী হিচাপে যে যথেষ্ট গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছিল, তাক কোৱাৰ যথেষ্ট থল আছে। শৰাইঘাটৰ যুদ্ধত পালন কৰা গুৰুত্বপূৰ্ণ দায়িত্বৰ পুৰস্কাৰ ৰূপে যুদ্ধৰ পাছত তেখেতে গড়গঞা সেনাপতিৰ বাব পাইছিল বুলি তেওঁৰ বিষয়ে লিখা লেখাৰ পৰা জানিব পাৰি। কলিয়াবৰৰ লাইধন খাঁ নামৰ এজন মুছলমান ৰণুৱায়ো বাঘ হাজৰিকাৰ এজন সংগী ৰণুৱা হিচাপে বীৰত্বৰে যুঁজ দিছিল বুলি জানিব পাৰি। এইদৰে অনেক মুছলমান ৰণুৱাই নিজ কৰ্মভূমি অসমক মাতৃভূমি জ্ঞান কৰি এইখন অসম আৰু অসমীয়া জাতিৰ বাবে নিজৰ প্ৰাণ আহুতি দিবলৈ কুণ্ঠাবোধ নকৰাৰ উদাহৰণ আহোম যুগত বহু আছে। "মীৰজুমলাৰ

অসম আক্রমণ কালত সেই মোগল বাহিনীতে ৰণুৱা হৈ থকা এক অখ্যাত অসমীয়া মুছলমানে যেতিয়া দেখিলে যে তেওঁৰ পিতৃভূমি মোগলৰ হাতত অতিশয় বিপন্ন হৈ পৰিছে, তেওঁ ছল কৰি মোগলৰ লগ এৰি অসমীয়া বাহিনীক সহায় কৰি অসংখ্য মোগল সেনাক বিধ্বস্ত কৰিছিল বুলি পাৰ্ছী বুৰঞ্জী লেখকে উল্লেখ কৰিছে।"[২৮]

ৰামসিংহৰ অসম আক্রমণ অসমৰ ইছলাম ধৰ্মৰ বুৰঞ্জীৰ বাবেও গুৰুত্বপূৰ্ণ। ৰামসিংহই অসম আক্রমণ কৰিবলৈ অহা সময়ত অসমৰ যাদু-মন্ত্ৰৰ বান্ধনিৰ হাত সাৰিবৰ বাবে নৰম শিখ গুৰু টেগ বাহাদুৰ আৰু পাঁচজন ইছলামধৰ্মী পীৰ লগত লৈ আহিছিল। পীৰকেইজন আছিল — চাহ আকবৰ, চাহ চৰণ, চাহ চফি, চাহ কামাল আৰু চাহ আলম। মৃত্যুৰ পাছত এই পাঁচজন পীৰৰ দুজনক ধুবুৰীত সমাধিস্থ কৰা হৈছিল। ইয়াকে পঞ্চ পীৰৰ দৰগাহ বুলি কোৱা হয়। কিন্তু বাস্তৱক্ষেত্ৰত ধুবুৰীত ১ কিঃমিঃমান দূৰত্বত দুভাগ দৰগাহ দেখিবলৈ পোৱা যায়। সেই দুভাগ দৰগাহৰ এভাগ এই পাঁচ পীৰৰ মুখ্য চাহ আকবৰৰ আৰু আনভাগ চাহ চৰণৰ বুলি জনা যায়, যি দুজনাই সম্ভৱ গোৱলাপাৰা, ধুবুৰী আদি অঞ্চলত বসতি কৰি ইছলাম ধৰ্ম প্ৰসাৰত প্ৰভুত বৰঙণি আগবঢ়াইছিল। বাকীকেইজনে অসমৰ বিভিন্ন প্ৰান্তলৈ গৈ সেই সেই অঞ্চলৰ ইছলাম ধৰ্মীয় লোকৰ মাজত ইছলাম ধৰ্মৰ প্ৰসাৰ কৰাত যথেষ্ট বৰঙণি আগবঢ়াইছিল।

## মধ্যযুগৰ অসমত থলুৱা মুছলমানৰ ভূমিকা

বাৰে বাৰে মুছলমান ৰাজশক্তিৰ আক্রমণত অতিষ্ঠ হৈ উঠা আহোম স্বৰ্গদেৱসকলে পৰৱৰ্তী সময়ত আহোম প্ৰতিৰক্ষা ব্যৱস্থা আৰু সুদৃঢ় কৰাৰ লক্ষ্যৰে বিভিন্ন মুছলমান ৰাজশক্তিৰ আক্রমণৰ সময়ত বন্দী হোৱা মুছলমান বন্দী সৈনিকসকল তথা বন্দীত্বৰ পৰা মুক্তিলাভ কৰাৰ পাছতো নিজ দেশলৈ উভতি নগৈ অসমতে নিগাজীকৈ বসতি কৰিবলৈ লোৱা মুছলমানসকলৰ সামৰিক প্ৰতিভাক ৰাজ্যৰ নিৰাপত্তা তথা কল্যাণৰ কামত ব্যৱহাৰ কৰাৰ কথা চিন্তা কৰিবলৈ বাধ্য কৰি তুলিছিল। ফলস্বৰূপে আহোম স্বৰ্গদেৱসকলে

সম্পূৰ্ণ ৰাজনৈতিক কাৰণত অসমত বসবাস কৰা মুছলমান জনসাধাৰণৰ প্ৰতি ৰাজ্যৰ আহোম প্ৰজা তথা অন্যান্য অসমীয়া প্ৰজাৰ দৰে একে দৃষ্টিভঙ্গী ল'বলৈ আৰম্ভ কৰে আৰু প্ৰতিভাৱান মুছলমান লোকক ৰাজ্যৰ গুৰুত্বপূৰ্ণ পদত নিযুক্তি দিবলৈ ধৰে। ক্ৰমান্বয়ে অসমত এটি সম্ভ্ৰান্ত মুছলমান শ্ৰেণীৰ উত্থান হ'বলৈ ধৰে। মুছলমানসকলৰ প্ৰতি ৰাজ্যই দেখুওৱা অকৃত্ৰিম স্নেহৰ প্ৰতিদান স্বৰূপে ৰাজ্যত বসবাস কৰা মুছলমানসকলে আৰু তেওঁলোকৰ সতি-সন্ততিসকলেও এই দেশক মাতৃভূমি জ্ঞান কৰি আহোম ৰজা আৰু ৰাজ্যৰ প্ৰতি আনুগত্য আৰু দায়িত্ব নিষ্ঠাৰে পালন কৰাত কোনো কৃপণালি নকৰিলে।

স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ আগলৈকে আহোম ৰজাই আহোম প্ৰশাসনীয় ব্যৱস্থাত ফুকন বা তাতকৈ উচ্চ পদবিত অনা-আহোম ব্যক্তিক কমেইহে নিযুক্তি দিছিল। ফুকনতকৈ তল খাপৰ বিষয়া যেনে বৰা, শইকীয়া, হাজৰিকা, বৰবৰা আনকি বৰুৱা পদবিত যিটো নেকি ফুকনৰ প্ৰায় সমপৰ্যায়ৰ, সেইবোৰত আহোম, অনা-আহোম উভয়কে নিযুক্তি দিছিল। জয়ধ্বজ সিংহই খুব সম্ভৱ প্ৰথম আহোম স্বৰ্গদেৱ যিজনাই বেজ দলৈ নামৰ অনা-আহোম ব্যক্তি এজনক সামৰিক বাহিনীত উচ্চ পদবিত মকৰল কৰিছিল। তেওঁৰ পৰৱৰ্তী আহোম স্বৰ্গদেৱসকলে আৰু এখোপ আগবাঢ়ি অনা-আহোম ব্যক্তিকো ফুকন পদবি দিবলৈ আৰম্ভ কৰে। কিন্তু পৰৱৰ্তী আহোম স্বৰ্গদেৱসকলে মুছলমান প্ৰজাক ফুকন পদবি দিয়াৰ তথ্য বুৰঞ্জীত পাবলৈ নাই। কিন্তু ফুকন পদবিৰ সমপৰ্যায়ৰ নবাব ডেকা নামৰ এটা পদবিৰ নাম বুৰঞ্জীত পোৱা যায়। পদবিটোৰ নামকৰণৰ পৰা অনুমান হয় এই পদবিটো দক্ষ মুছলমান অভিজাত লোকৰ বাবে বিশেষকৈ সংৰক্ষিত আছিল। মিলছৰ অসম টোকাত (A.J.M. Mills Report on the Province of Assam, 1854) মাত্ৰ এটি নবাব ডেকা পদবিৰ উল্লেখ আছে, যিজনে এক বিশাল কৰমুক্ত ভূমি উপভোগ কৰাৰ সুবিধা পাইছিল। বৰ্তমান অসমৰ বিভিন্ন ঠাইত বহুতো নবাব পৰিয়াল বসবাস কৰি আছে আৰু এই পৰিয়ালসমূহৰ সূত্ৰৰ

পৰা জানিব পৰা মতে আহোম ৰাজ্যত সাতজন নবাব আছিল আৰু তেওঁলোক দিল্লীৰ পৰা অহা।[২৯] নবাব ডেকাৰ উপৰি আহোম ৰাজ্যত বাৰজন মুছলমান দেৱান আছিল আৰু তেওঁলোকে ৰজাঘৰৰ পৰা মাটি-বৃত্তি লাভ কৰিছিল আৰু সমাজতো তেওঁলোক যথেষ্ট প্ৰভাৱশালী ব্যক্তি আছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দিনত এইসকল মুছলমানৰ ৰজাঘৰৰ পৰা ভৰণ-পোষণৰ ব্যৱস্থা কৰা হৈছিল - দেৱান ১২, নবাব ডেকা ১, পাৰ্চ্চীপঢ়ীয়া ২, মুদ্ৰা সাঁচত মৰা ১।[৩০] ইয়াৰ উপৰি আহোম ৰাজতন্ত্ৰত বিভিন্ন সামৰিক আৰু অসামৰিক বিভাগত বহুতো মুছলমান বিষয়া আছিল যিসকলে অকল বৰা, শইকীয়া, হাজৰিকা আদি বিষয়বাব লাভ কৰাই নহয়, অনা-আহোমসকলে লাভ কৰিব পৰা সৰ্বোচ্চ পদবি 'বৰুৱা' বিষয়বাবো লাভ কৰিছিল।

আহোম স্বৰ্গদেৱ ৰুদ্ৰসিংহই ভাটি দেশৰ পৰা বিভিন্ন কামত পাৰদৰ্শী আঠোটা মুছলমান পৰিয়ালক আমন্ত্ৰণ কৰি আনি নিজ ৰাজ্যত মাটি-বাৰী দি বহুৱাইছিল। এই পৰিয়ালকেইটাৰ ভিতৰত পাৰ্চ্চীপঢ়ীয়া বা পাৰ্চ্চীপঢ়ীয়াসকল অন্যতম। আচলতে পাৰ্চ্চীপঢ়ীয়া পৰৱৰ্তী আহোম ৰজাসকলৰ ৰাজত্ব কালৰ এটা গুৰুত্বপূৰ্ণ বিষয়বাব। এই পদ্ধীত সাধাৰণতে মুছলমান সম্ভ্ৰান্ত লোককহে নিযুক্তি দিয়া হয়। ইতিমধ্যে উল্লেখ কৰা হৈছে যে আহোম ৰাজতন্ত্ৰত পাৰ্চ্চীপঢ়ীয়া দুজন আছিল। তেওঁলোক ৰজাঘৰৰ ফালৰ পৰা কৰমুক্ত মাটি লাভ কৰিছিল। তেওঁলোকৰ মূল দায়িত্ব আছিল বিদেশী ৰাজধানী যেনে - দিল্লী, ঢাকা আদিৰ পৰা অহা পাৰ্চ্চী ভাষাত লিখিত চিঠি পত্ৰকে আদি কৰি বিভিন্ন নথি-পত্ৰৰ ভাঙনি, ব্যাখ্যা, নথিত থকা বিভিন্ন জটিলতা আদি নিজৰ বুদ্ধিমত্তাৰে আঁতৰ কৰা আদি কামবিলাক কৰা। তেওঁলোকৰ দায়িত্বৰ প্ৰকৃতি চাই সহজে অনুমান কৰিব পাৰি যে তেওঁলোকে আহোম ৰাজতন্ত্ৰৰ অতি দায়িত্বপূৰ্ণ কামত নিয়োজিত আছিল। আহোম স্বৰ্গদেৱসকলৰ লগত পাৰ্চ্চীপঢ়ীয়াজনৰ বাধাহীন যোগাযোগ আছিল। মুছলমান সম্ৰাটৰ পৰা আহোম ৰজালৈ অহা চিঠিপত্ৰ পঢ়ি তাৰ অৰ্থ ৰজাক বুজাই কোৱা, প্ৰয়োজন সাপেক্ষে মুছলমান ৰজালৈ পাৰ্চ্চী ভাষাত

আহোম ৰজাৰ চিঠি-পত্ৰ লিখি দিয়া ইত্যাদি দায়িত্বৰ উপৰি তেওঁলোকৰ আন এটা দায়িত্ব আছিল— অন্যান্য আহোম বিষয়াসকলক, যিসকলে পাৰ্ছী ভাষা জনাটো নিতান্তই প্ৰয়োজন, তেনে আহোম বিষয়াসকলক পাৰ্ছী ভাষাৰ জ্ঞান দিয়া।

অসম বুৰঞ্জীৰ পৰা জানিব পাৰি খ্ৰীষ্টীয় ষোড়শ শতিকাৰ প্ৰথম ভাগত মুছলমানসকলৰ লগত যুদ্ধৰ সময়তহে আহোমসকলে যুদ্ধত খাৰ-বাৰুদৰ ব্যৱহাৰৰ জ্ঞান আয়ত্ত কৰে। উল্লেখযোগ্য অসমৰে আন দুটা ৰাজশক্তি চুটিয়া আৰু কছাৰীসকলে ইয়াৰ বহুদিনৰ আগতেই যুদ্ধত খাৰ-বাৰুদৰ ব্যৱহাৰত অভ্যস্ত হৈ উঠিছিল। মোগলসকলৰ লগত হোৱা দীঘলীয়া যুদ্ধই ৰাজ্যৰ প্ৰতিৰক্ষাৰ বাবে সামৰিক বাহিনীত যে হিলৈ, বৰটোপ, বন্দুক-বাৰুদ অতি প্ৰয়োজন, সেয়া উপলব্ধি কৰাবলৈ বাধ্য কৰাইছিল। ফলস্বৰূপে আহোম ৰজাসকলে ৰাজকীয় অস্ত্ৰাগাৰত মুছলমান যুদ্ধ বন্দীসকলক আৰু পূৰ্বতে যুদ্ধত বন্দী হৈ মুক্তি লাভ কৰাৰ পাছতো নিজ ঠাইলৈ উভতি নগৈ অসমতে নিগাজীকৈ থাকিবলৈ লোৱা মুছলমানসকলক নিযুক্তি দি তেওঁলোকক আহোম সেনাবাহিনীৰ বাবে বিভিন্ন ধৰণৰ অস্ত্ৰ বিশেষকৈ বন্দুক, বৰটোপ, খাৰ-বাৰুদ আদি নিৰ্মাণৰ অতি গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰিলে। জনা যায় আহোম অস্ত্ৰাগাৰত নিযুক্ত এই মুছলমানসকলে অতি উচ্চ খাপৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। খাৰ-বাৰুদ তৈয়াৰ কৰাত নিযুক্ত এই মুছলমানসকলক গন্ধীয়া ফুকনৰ অধীনত 'খাৰঘৰীয়া' খেলত থৈছিল। স্বৰ্গদেৱ গদাধৰ সিংহৰ ৰাজত্বকালত ৰূপাই দা-ধৰা নামৰ এজন মুছলমানে খাৰ-বাৰুদ আৰু অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰাত যথেষ্ট ব্যুৎপত্তি দেখুৱাবলৈ সক্ষম হৈছিল। এইজন ৰূপাই দা-ধৰা অসম বুৰঞ্জীত 'ৰূপাই গৰীয়া' নামেৰে জনাজাত আৰু সপ্তদশ শতিকাৰ শেষভাগত আহোম ৰাজধানীৰ ৰাজনীতিত যথেষ্ট প্ৰভাৱশালী আছিল। আহোম স্বৰ্গদেৱ আৰু পাত্ৰমন্ত্ৰীসকলৰ 'দা-ধৰা' নামৰ গুৰুত্বপূৰ্ণ পদবি লাভ কৰা কেইবাটাও মুছলমান পৰিয়াল আহোম ৰাজধানীৰ ওচৰে-পাঁজৰে আছিল। আকৌ

হিলৈ-বৰটোপ নিৰ্মাণ কৰাত জড়িত থকা মুছলমান লোকেৰে গঠিত ‘হিলৈ গঢ়া ওস্তাদ’ খেলৰ অৱদানো যথেষ্ট প্ৰশংসনীয়। এই খেলৰ দক্ষ শিল্পীসকলে কমাৰ শালপাত প্ৰয়োজন অনুসাৰে তাপ দি ভিন ভিন ধৰণৰ হিলৈ, বৰটোপ তৈয়াৰ কৰিছিল। আহোম যুগত অসমত নিৰ্মাণ কৰা হিলৈ, বৰটোপ, খাৰ-বাৰুদ যথেষ্ট উচ্চমানৰ আছিল বুলি সূৰ্যকুমাৰ ভূঞাদেৱে তেওঁৰ অসম বুৰঞ্জীৰ গ্ৰন্থসমূহত উল্লেখ কৰিছে। আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ সামৰিক বাহিনীত বিভিন্ন জোখৰ আৰু দক্ষতাৰ কেইবাটাও ডাঙৰ বৰটোপ আছিল বুলি জানিব পাৰি।[৩১] আহোমসকলৰ দিনত অসমীয়া মুছলমানে হিলৈ-বৰটোপ নিৰ্মাণ কৰি এইবোৰৰ ব্যৱহাৰেৰে শত্ৰু সৈন্যক পৰাস্ত কৰি অসমৰ স্বাধীনতা অক্ষত ৰাখিবলৈ আন্তৰিক প্ৰচেষ্টা চলাইছিল। তেনে এক মুছলমান গেন্ধেলা গৰীয়াই নিৰ্মাণ কৰা বৰটোপ শিৱসাগৰৰ কছাৰীঘৰৰ আগত বহু বছৰ পৰি থকাৰ পাছত বৰ্তমান জয়সাগৰৰ তলাতল ঘৰ প্ৰাঙ্গণত সংৰক্ষণ কৰি থোৱা আছে। বুৰঞ্জীবিদ স্বৰ্গীয় বেণুধৰ শৰ্মাদেৱে এই বৰটোপটোৰ বিষয়ে এইদৰে লিখিছে — “শিৱসাগৰৰ কাছাৰীঘৰৰ আগচোতালত কেইটামান বৰটোপ আৰু হিলৈ শাৰী পাতি সংৰক্ষণকৈ থোৱা আছে। তাৰ মাজত যিটো বৰমূৰীয়া বৰটোপ আছে, সেইটো দেখিলে আচৰিত মানিব লাগে— আমাৰ নিচিনা নপুংসক জাতি এটাৰ উপৰিপুৰুষতে সেইহেন বিৰাট বৰটোপ কৰিছিলনে বুলি নিজকে ধিক্কাৰ দিব লাগে। গুৱাহাটীৰ বিজয় দুৱৰাৰ নাতি বহি খোৱা বৰফুকনে সেই টোপটো দি ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱক মান ধৰিছিল। মনছুৰ খাঁক গুৱাহাটীৰ পৰা খেদোৱাৰ কেইবছৰমান পাছতে ১৬৯৫ চনত গড়গঞা সন্দিকৈ বৰফুকনৰ আদেশত গেন্ধেলা গৰীয়াই বৰটোপটো সাজে।”[৩২] এই বৰটোপটোৰ দৰে বিভিন্ন জোখৰ আৰু দক্ষতাৰ বহু বৰটোপ গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰহালয়কে আদি কৰি অসমৰ বিভিন্ন ঠাইত সংৰক্ষিত হৈ আছে, যিবোৰ আজিও সেইসকল অসমীয়া মুছলমানৰ নিস্বাৰ্থ আৰু আন্তৰিক অৱদানৰ গৌৰৱোজ্জ্বল সাক্ষী হৈ আছে, যিসকলে এক শক্তিশালী অসমীয়া সামৰিক বাহিনী গঠন কৰিবলৈ তেওঁলোকৰ সেৱা আগবঢ়াইছিল আৰু যি সামৰিক

বাহিনীয়ে মীৰজুমলাৰ নেতৃত্বত মোগল আক্ৰমণৰ বাদে বাকী প্ৰায় সকলো মোগল আক্ৰমণকে বাধা দিবলৈ সক্ষম হৈছিল।

অসমীয়া জাতিৰ অতি দুৰ্যোগপূৰ্ণ দিন তথা অসমত আহোমসকলৰ ছশ বছৰীয়া ৰাজত্বৰ বেলি মাৰ যোৱাৰ প্ৰধান কাৰণ ঊনবিংশ শতিকাৰ আৰম্ভণিতে হোৱা মানৰ অসম আক্ৰমণ। এই আক্ৰমণৰ সময়ত মান সৈন্যৰ বৰ্বৰ অত্যাচাৰত অসমীয়া মানুহে কষ্ট ভুঞ্জিবলগীয়া হৈছিল। এনে এটা দুখৰ বেলা জাতিটোৰ দুখৰ ভাগ আনসকলৰ লগতে অসমৰ মুছলমানসকলেও মূৰ পাতি লৈছিল। তেনে এজন স্বদেশপ্ৰেমী মুছলমান হ'ল ৰমজান খাঁ, যিজনে অসমীয়া সেনাৰ হৈ মান সৈন্যৰ বিৰুদ্ধে বীৰ বিক্ৰমেৰে যুদ্ধ কৰি নিজৰ জীৱন আহুতি দি গ'ল। ৰমজান খাঁ আহোম সামৰিক বাহিনীত সেই সময়ত হিলৈধাৰী বৰুৱা পদবিত নিযুক্ত আছিল। মানৰ বিৰুদ্ধে যুদ্ধত ৰমজান খাঁৰ পৰাক্ৰমৰ কথা সমসাময়িক অসম বুৰঞ্জীত পাবলৈ নাই। আমি জনাত বুৰঞ্জীৰ পাতত ৰমজান খাঁৰ অৱদানক পোহৰলৈ অনাৰ অন্যতম মূল ব্যক্তি হ'ল বিশিষ্ট গৱেষক তথা শিক্ষাবিদ ড° মোহিনী কুমাৰ শইকীয়া। জানিব পৰা মতে আহোম স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই অসমীয়া সামৰিক বাহিনী শক্তিশালী কৰাৰ উদ্দেশ্যেৰে বঙ্গৰ পৰা চোবেদাৰ হুছেইন খাঁ নামৰ এজন গুলন্দাজ যুদ্ধত পাকৈত সৈনিকক আমন্ত্ৰণ কৰি আনিছিল। স্বৰ্গদেৱে হুছেইন খাঁলৈ নিজৰ ভনীয়েক অম্বাক বিয়া দি হুছেইন খাঁক হিলৈদাৰী বৰুৱা পদত নিযুক্তি দিছিল। এই হুছেইন খাঁৰে পুত্ৰ হ'ল ৰমজান খাঁ।[৩৩] হুছেইন খাঁয়ো মানৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত আহোম স্বৰ্গদেৱে তেখেতৰ পুত্ৰ ৰমজান খাঁক হিলৈধাৰী বৰুৱা পদত অধিষ্ঠিত কৰে। আহোম ৰাজপৰিয়ালৰ সন্তান হোৱা হেতুকে ৰমজান খাঁ হৈ পৰিছিল স্বৰ্গদেৱৰ বিশ্বস্তসকলৰ অন্যতম। মানৰ তৃতীয় অসম আক্ৰমণ(১৮২১ খ্ৰীঃ)ত মান সৈন্যই যোৰহাটৰ ওচৰৰ ম'হগড়(বৰ্তমান ককিলামুখ)ত ছাউনী পাতি আছিল। এই ম'হগড়তেই অসমীয়া সেনাই মানসকলৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হয়। এয়ে বিখ্যাত ১৮২২ খ্ৰীঃৰ এপ্ৰিল মাহৰ ম'হগড়ৰ যুদ্ধ।

ৰাধানাথ বৰবৰুৱা আৰু ৰমজান খাঁৰ নেতৃত্বত আহোম সামৰিক বাহিনীয়ে প্ৰবল প্ৰতাপেৰে যুদ্ধত মান সৈন্যক আক্ৰমণ কৰি মান সৈন্যৰ থৰকাছুটি নোহোৱা কৰিছিল। যুদ্ধৰ ফলাফল অসমীয়া সৈন্যৰ অনুকূলে অহাৰ সময়তে অসমীয়া সেনাবাহিনীৰ খাৰ-বাৰুদৰ অন্ত হয়। ৰমজান খাঁই যুদ্ধৰ পৰা আঁতৰি নাহি হাতত তৰোৱাল লৈ সাহসেৰে মান সৈন্যৰ লগত যুদ্ধত জড়িত হয় যদিও মান সৈন্যৰ গুলীৰ আঘাতত এইজন বীৰ যোদ্ধাৰ যুদ্ধক্ষেত্ৰতে নিহত হয়। স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ নিৰ্দেশত অসমীয়া সেনাই ৰমজান খাঁৰ মৃতদেহ যুদ্ধক্ষেত্ৰৰ পৰা সংগ্ৰহ কৰি নাৱেৰে নুমলীগড়লৈ আনি নুমলীগড়তে সমাধিস্থ কৰে।[৩৪] মানৰ লগত বীৰত্বৰে যুঁজি প্ৰাণ আহুতি দিয়া ৰমজান খাঁৰ সমাধি (ব্ৰিটিছে পকী কৰি দিয়া) নুমলীগড়ৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে অৱহেলিত হৈ পৰি আছে।

বদন চন্দ্ৰ বৰফুকনে অসমলৈ মান আনি চন্দ্ৰকান্ত সিংহক নামত ৰজা পাতি নিজে ৰাজ্যৰ সৰ্বেসৰ্বা হৈ পৰিছিল। বদনৰ কাৰ্যত অতিষ্ঠ হৈ নুমলী ৰাজমাও, ধনী বৰবৰুৱা আৰু বৰগোহাঁই এই তিনিজনে বদনৰ বিৰুদ্ধে এক ষড়যন্ত্ৰ কৰে আৰু ইয়াৰ বাবে ৰূপসিং চুবেদাৰ আৰু ৰহমান খাঁ— এই দুজনক দায়িত্ব দিয়ে। ষড়যন্ত্ৰ অনুসৰি এদিন পুৱা বৰফুকনে প্ৰাতঃকৃত্য কৰি গা ধোৱাৰ পাছত ৰূপসিং চুবেদাৰে ৰহমান খাঁৰ সৈতে মিলি বৰফুকনক হত্যা কৰে। বদনক হত্যা কৰা এই ঘটনাৰ লগত মাত্ৰ ৰূপসিং চুবেদাৰ জড়িত থকাৰ কথা বেছিখিনি অসম বুৰঞ্জীত উল্লেখ থাকিলেও এই ঘটনাত ৰহমান খাঁও লিপ্ত আছিল বুলি মণিৰাম দেৱানে তেওঁৰ স্বৰচিত অসম বুৰঞ্জীত লিখি থৈ গৈছে।[৩৫] ৰহমান খাঁই হিলৈধাৰী বৰুৱা হিচাপে অসমীয়া সৈন্যৰ হৈ মানৰ বিৰুদ্ধে যুদ্ধ কৰিছিল আৰু যুদ্ধতে মৃত্যু হৈছিল। আকৌ ১৮২২ খ্ৰীঃৰ জুন মাহত মানৰ বিৰুদ্ধে হোৱা হাদিৰাচকীৰ ৰণত মীৰদৌল্লা নামৰ এজন সেনাপতিৰ অধীনত এজাক মুছলমানেও যুদ্ধ কৰাৰ কথা জানিব পাৰি। এইজন মুছলমান বীৰপুৰুষ মীৰদৌল্লায়ো মানৰ বিৰুদ্ধে হাদিৰাচকীৰ ৰণতে নিজৰ প্ৰাণ আহুতি দিছিল।

মুঠতে মুছলমান বা গৰীয়াসকলেই যে আহোম ৰাজ্যৰ প্ৰথম হিলৈধাৰী বাহিনীটো গঠন কৰিছিল আৰু তাৰেই ৰণুৱাও হৈছিল, সেই কথা অসমৰ লোক প্ৰবচনৰ পৰাও জানিব পাৰি। তেনে দুটামান প্ৰবচন হ'ল— 'গণকৰ বল ফলিতা, গৰীয়াৰ বল পলিতা', 'গৰীয়া হিলৈধাৰী' ইত্যাদি।[৩৬]

অসমৰ বিপৰ্যয়ৰ সময়ত অসমীয়াৰ কলঙ্ক আঁতৰাই দেশৰ গৌৰৱ আৰু সন্মান অটুট ৰক্ষাৰ্থে মহত্ত্বপূৰ্ণ ভূমিকা পালন কৰা বহুতো দেশপ্ৰেমিক তথা ৰাজভক্ত মুছলমানৰ নাম অসম বুৰঞ্জীত অলেখ পোৱা যায়। মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ৰ পৰা শৰাইঘাটৰ যুদ্ধৰ পাছত দেশত দেখা দিয়া আভ্যন্তৰীণ কন্দল তথা অৰাজকতাৰ সময়লৈকে অতি সুখ্যাতিৰে দেশ ৰক্ষাৰ মহান দায়িত্ব পালন কৰোঁতা আতন বুঢ়াগোহাঁই ডাঙৰীয়াক, স্বৰ্গদেউ চুজিনফা ৰজাৰ সভাত হত্যা কৰাৰ ষড়যন্ত্ৰৰ উমান পাই তৎক্ষণাৎ বুঢ়াগোহাঁই ডাঙৰীয়াক আগজাননীৰে সতৰ্ক কৰি দিছিল বাদল গৰীয়াই। ৰাজপ্ৰাসাদৰ ভিতৰতে বুঢ়াগোহাঁইক ৰজাই নিজ হাতে অস্ত্ৰাঘাত কৰোঁতে, সেই আঘাত নিজৰ পিঠিত বহন কৰি বুঢ়াগোহাঁই ডাঙৰীয়াৰ প্ৰাণ ৰক্ষা কৰিছিল হুছেইনৰ বঙহ জাহান লিগিৰাই।[৩৭]

গদাপাণি কোঁৱৰে চুলিকফা ল'ৰা ৰজাৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবৰ মানসেৰে দীৰ্ঘদিন পাহাৰে-ভৈয়ামে ছদ্মবেশ ধাৰণ কৰি পলাই ফুৰা কালছোৱাত এবাৰ এজনী মুছলমান পোহাৰীয়ে তেওঁক কিছুদিনৰ কাৰণে আশ্ৰয় দিছিল বুলি গুণাভিৰাম বৰুৱাদেৱে তেওঁৰ 'আসাম বুৰঞ্জী'ত উল্লেখ কৰিছে।[৩৮] এই মুছলমান পোহাৰীগৰাকী ক'ৰ জনা নাযায় যদিও এই কাৰ্যই দেশত অৰাজকতা পৰিস্থিতিৰ বাবে অসমৰ মুছলমান প্ৰজাসকলেও যে চিন্তা আৰু চেষ্টা কৰিছিল, তাৰ প্ৰমাণ দিয়ে।

আহোম ৰজা ৰাজেশ্বৰ সিংহৰ প্ৰতাপী বিষয়া কীৰ্তিচন্দ্ৰ বৰবৰুৱাই অবাঞ্ছনীয় কাৰ্যৰে প্ৰজাক ক্ষুণ্ণ কৰি তুলিছিল। কীৰ্তিচন্দ্ৰৰ অত্যাচাৰৰ পৰা দেশক ৰক্ষা কৰিবলৈ ৰাজেশ্বৰ সিংহৰ পুত্ৰ টিপমীয়া গোহাঁই আৰু তেওঁৰ বৰ গাভৰুৱে কীৰ্তিচন্দ্ৰক হত্যা কৰিবলৈ এক গোপন ষড়যন্ত্ৰ কৰিছিল।

তেওঁলোকৰ এই কাৰ্যত গোহাঁইদেৱৰ বিশ্বস্ত লিগিৰা ছেগ তুৰুকী (সম্ভৱ শ্বেখ তুৰ্কী) নামৰ মুছলমান ব্যক্তিজন অন্যতম কাৰ্যকাৰক আছিল। অৱশ্যে তেওঁলোকৰ অভিসন্ধি সফল নহ'ল। বৰঞ্চ ৰাজেশ্বৰ সিংহৰ মৃত্যুৰ পাছত কীৰ্তিচন্দ্ৰৰ আজ্ঞাৰে এই অপৰাধৰ বিচাৰ হোৱাত ছেগ তুৰুকীক "কাণ এডোখৰ কাটি কোব কিল চৰ ৩০কৈ মাৰি নিবোকত পাতিব দিলে।"[৩৯] দেশত যেতিয়া শাসনযন্ত্ৰ দুৰ্বল হয়, দুৰ্নীতিৰ কবলত পৰি প্ৰজাই নানা লাঞ্ছনা ভোগ কৰিবলগীয়া হয়, তেতিয়া জনসাধাৰণে তেনে শাসনযন্ত্ৰৰ অৱসান ঘটাই নতুন শাসন প্ৰৱৰ্তন কৰিব বিচাৰে। আহোম স্বৰ্গদেৱ লক্ষ্মীসিংহ(১৭৬৯-১৭৮০ খ্ৰীঃ)ৰ দিনত সংঘটিত প্ৰথম মোৱামৰীয়া বিদ্ৰোহ দমন কৰাৰ পাছত দুৰ্বল লক্ষ্মীসিংহক সিংহাসনৰ পৰা আঁতৰাই এজন যোগ্য ব্যক্তিক সিংহাসনত বহুৱাবৰ বাবে কেইবাটাও ষড়যন্ত্ৰ বা প্ৰচেষ্টা চলিছিল। তেনে এটা ষড়যন্ত্ৰত কিছু মুছলমান ব্যক্তিয়ে আগভাগ লৈছিল। এই ষড়যন্ত্ৰত মানুহ চপাই ফুৰিছিল বৰপাত্ৰ গোহাঁই ডাঙৰীয়াৰ অধীন কলিয়া আৰু চোলাধৰা ফুকনৰ ভাগৰ বুকুজুৰ নামে দুজন মুছলমানে। সোতোৰা মৌলানা, ভায়েক কল্যাণী, ভতিজাক দিলগিৰী, থোলোক, চবুৰ, তৰ্বিজ, হাজাৰী দেৱান, সোণাপুৰ আদি কেইবাজনো মুছলমান এই ষড়যন্ত্ৰত জড়িত আছিল। পিছে এই ষড়যন্ত্ৰ ধৰা পৰাত উক্ত মুছলমান লোককেইজনকে ধৰি ৩২জন ষড়যন্ত্ৰকাৰীক কঠোৰ শাস্তি বিহা হৈছিল।[৪০] তেওঁলোক সফল হোৱা নাছিল যদিও এই ঘটনাই প্ৰমাণ কৰে যে সেই সময়ৰ অসমীয়া মুছলমান প্ৰজাসকল সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ ক্ষেত্ৰত সম্পূৰ্ণ সচেতন আছিল আৰু ৰাজ্যৰ কল্যাণৰ বাবে কৰা তেওঁলোকৰ প্ৰচেষ্টাত অন্যান্য অসমীয়া প্ৰজাৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। বুৰঞ্জীৰ এনেবোৰ কাহিনীয়ে প্ৰমাণ কৰে যে অসমৰ মুছলমানসকলে দেশৰ আৰু প্ৰজাৰ হিতৰ বাবে কেনেদৰে সমাজত প্ৰভাৱ পেলাইছিল। দুৰ্বল ৰজাক আঁতৰাই উপযুক্ত ৰজাক সিংহাসনত বহুৱাই দেশৰ শাসন ব্যৱস্থা সুস্থিৰ আৰু শক্তিশালী কৰোঁতে তেওঁলোকে আনসকল প্ৰজাৰ লগতে আগভাগ লৈছিল। ধৰ্মগত পাৰ্থক্যৰ বাহিৰে অসমীয়া হিন্দু প্ৰজা আৰু মুছলমান প্ৰজাৰ মাজত জাতিগত কোনো পাৰ্থক্য নাছিল। ০

## প্ৰসঙ্গ পুথি


১। S.C. Dutta, 1984, The North-East and the Mughals, D.K. Publications, Delhi, p. 10.

২। E. Gait, 1994, A History of Assam, 6th edn., LBS Publication, Guwahati, p. 85.

৩। Ibid, p. 86

৪। লক্ষ্মী দেৱী, ১৯৮৭, অসম দেশৰ বুৰঞ্জী, পঞ্চম প্ৰকাশ, এল.বি.এছ. পাব্লিকেশ্বন, গুৱাহাটী, পৃষ্ঠা ঃ ২০২।

৫। E. Gait, op.cit., p. 87.

৬। Ibid, p. 89

৭। S.L. Baruah, 1985, A Comprehensive History of Assam, M.M. Publishers Pvt. Ltd., New Delhi, p. 201.

৮। তচদ্দুক আমানুল হুছেইন, ২০০৫, অসম বুৰঞ্জী, তৃতীয় প্ৰকাশ, বনলতা, ডিব্ৰুগড়, পৃষ্ঠা ঃ ৯৭-৯৮।

৯। S.L. Baruah, op. cit., p. 213.

১০। Mohini Kumar Saikia, 1986, Assam Muslim Relation and its Cultural Significance, Golaghat, p. 109.

১১। Gait, op. cit., p. 62.

১২। লক্ষ্মী দেৱী, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৮৪।

১৩। তচদ্দুক আমানুল হুছেইন, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১০৯।

১৪। S.C. Dutta, op. cit., pp. 20-21.

১৫। Gait, op. cit., pp. 106-110.

১৬। S.L. Baruah, op. cit., p. 250.

১৭। J.N. Sankar, History of Bengal, quoted by S.C. Dutta, op. cit., p. 26.

১৮। S.C. Dutta, op. cit., p. 57.

১৯। N.K. Basu, 1970, Assam in the Ahom Age, Sanskrit Pustak Bhandar, Calcutta, p. 45.

২০। S.L. Baruah, op. cit., p. 265.

২১। S.C. Dutta, op. cit., p. 77.

২২। সূৰ্য্য কুমাৰ ভূঞা, ২০০৫, স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, দ্বিতীয় প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃষ্ঠা ঃ ২১৪।

২৩। মোহিনী কুমাৰ শইকীয়া, ১৯৯৮, অসমীয়া সংস্কৃতিত ইছলামীয় প্ৰভাৱ, অসম সাহিত্য সভা, যোৰহাট, পৃষ্ঠা ঃ ৫১।

২৪। পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৫২।

২৫। Gait, op. cit., p. 146.

২৬। সূৰ্য্য কুমাৰ ভূঞা, পূৰ্বোক্ত গ্ৰন্থ। Also see S.K. Bhuyan, Annals of Delhi Badshahate, DHAS, Guwahati, pp. 29, 231 (foot note).

২৭। দেবিৰা চুলতানা আহমদ, ২০০৯, বাঘ হাজৰিকা, স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান, প্ৰথম খণ্ড, আল-আমিন জনকল্যাণ সমাজ, গুৱাহাটী, পৃষ্ঠা ঃ ২৫-৩০।

২৮। মোহিনী কুমাৰ শইকীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৫২।

২৯। M. K. Saikia, op. cit., p. 148.

৩০। সূৰ্য্য কুমাৰ ভূঞা, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২২৩।

৩১। Gait, op. cit., p. 129

৩২। মুহিউদ্দিন আহমেদ, ২০০০, অসমলৈ মুছলমানৰ আগমন আৰু সাংস্কৃতিক সংমিশ্ৰণ, নগাঁও, পৃষ্ঠা ঃ ২৭।

৩৩। বাহাৰুদ্দিন শইকীয়া, গৰীয়া, মৰীয়া, দেশী জনগণৰ স্বদেশপ্ৰেমৰ ইতিহাস।

৩৪। অপূৰ্ব বল্লভ গোস্বামী, ৩০ নৱেম্বৰ, ২০০৩, মৃত্যুঞ্জয়ী বীৰ ৰমজান খাঁৰ বীৰত্বৰ কাহিনী, বসুন্ধৰা, যোৰহাট।

৩৫। সূৰ্য্য কুমাৰ ভূঞা, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২২৬।

৩৬। মোহিনী কুমাৰ শইকীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৩৯।

৩৭। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫২।

৩৮। মুহিউদ্দিন আহমেদ, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২৮।

৩৯। সূৰ্য্য কুমাৰ ভূঞা, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২২৬।

৪০। M.K. Saikia, op. cit., pp. 157-158 লগতে চাওক সূৰ্য্য কুমাৰ ভূঞা, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২২৫।

চতুৰ্থ অধ্যায়

# অসমত মুছলমান বসতিৰ ৰূপৰেখা

**অধ্যাপক মুহিউদ্দিন আহমেদ**

চতুৰ্থ অধ্যায়

# অসমত মুছলমান বসতিৰ ৰূপৰেখা

অসমত কেতিয়া, কিদৰে মুছলমানসকলৰ বসতিৰ সূত্ৰপাত ঘটিছিল, সেই বিষয়ে জানিবলৈ হ'লে ১২০৫-০৬ খ্ৰীঃত মুছলমান ৰাজশক্তিৰ প্ৰথম আক্ৰমণ বিশ্লেষণ কৰিব লাগিব। চীন আৰু তিব্বত আক্ৰমণলৈ বুলি কামৰূপৰ মাজেৰে সসৈন্যে অগ্ৰসৰ হোৱা বখতিয়াৰ খিলিজিয়ে জনজাতীয় লোক আৰু সমসাময়িক কামৰূপৰ ৰজা পৃথুৰ (মোহিনী কুমাৰ শইকীয়াৰ গৱেষণা অনুসৰি ৰজা বল্লভদেৱৰ সেনাপতি পৃথু) যুটীয়া আক্ৰমণত পৰাজয়বৰণ কৰি শ-চেৰেক অশ্বাৰোহী সৈন্যসহ কোনোমতেহে প্ৰাণৰক্ষা কৰি উভতি গৈছিল। তেওঁৰ বৃহৎ সৈন্যবাহিনীৰ বহু ৰণত কটা গ'ল, কিছু বুৰঞ্জীৰ মতে বৰনদীৰ কোবাল সোঁতে উটুৱাই নিলে আৰু ভালেখিনি সৈন্য কামৰূপী সৈন্যৰ হাতত বন্দী হৈ এই দেশত ৰৈ গ'ল। কেৱল অতি কমসংখ্যক সৈন্যহে গৌড় দেশলৈ ঘূৰি যাব পাৰিছিল। এই প্ৰসঙ্গত উল্লেখ পোৱা যায়, 'বখতিয়াৰে সেই আক্ৰমণ সহিব নোৱাৰি পলাই ফাট মাৰিলে আৰু তেওঁৰ সৈন্য-সামন্ত এভাগ অসমত ৰৈ গ'ল।'[১] একেটা প্ৰসংগতে উল্লেখ আছে, "যেতিয়া বখতিয়াৰ খিলিজিয়ে বংগদেশ জয় কৰি এই দেশলৈ আহি ইয়াক আক্ৰমণ কৰে, তেতিয়া যিবিলাক মানুহ এই দেশত থাকিল, সেইসকল গৌৰ সেনাপতিৰ অধীনৰ লোক হোৱাৰ বাবেই হওক বা গৌড় দেশৰপৰা অহাৰ নিমিত্তেই হওক গৰীয়া বুলি প্ৰসিদ্ধ হ'ল।"[২]

বন্দী মুছলমান সৈন্যসকলক আনি ৰজা বা বিষয়াৰ অধীনত সৰু-সুৱা কামত নিয়োগ কৰা হৈছিল। সম্ভৱতঃ কিছুদিনৰ ভিতৰতে তেওঁলোকৰ থলুৱা লোকসকলৰ সৈতে সান্নিধ্য ঘটিছিল আৰু তাৰ ফলতে বন্দী মুছলমানসকলে

অসম (তেতিয়াৰ কামৰূপ)ত মুকলিমূৰীয়াকৈ বসবাস কৰিব পৰা হৈছিল আৰু সেয়েহে তেওঁলোকে থলুৱা ছোৱালী বিয়া-বাৰু কৰাই এই দেশত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।

মুছলমান ৰাজশক্তিৰ এই প্ৰথম আক্ৰমণৰ বৰ্ণনাত কোৱা হৈছে যে বখতিয়াৰ খিলিজিয়ে কামৰূপলৈ আগুৱাই আহি থকাৰ কালছোৱাত থলুৱা মেচ জনগোষ্ঠীৰ নেতা এজনে বখতিয়াৰৰ সান্নিধ্যত ইছলাম ধৰ্ম গ্ৰহণ কৰি আলী মেচ নাম লৈ বখতিয়াৰক কামৰূপলৈ বাট দেখুৱাই দিছিল। গোষ্ঠীটোৰ প্ৰধানজনে ইছলাম ধৰ্ম গ্ৰহণ কৰাত তেওঁৰ অধীনৰ আন কিছু মেচ আৰু কোঁচ লোকেও ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। বখতিয়াৰ খিলিজিয়ে বৰনদী সাঁতুৰি প্ৰাণ লৈ পলাই যাওঁতে কিছুমান কোঁচ আৰু মেচ মানুহে তেওঁক নদীৰ পৰা উদ্ধাৰ কৰিছিল।[৩] সেইসকলে ইছলাম ধৰ্ম গ্ৰহণ নকৰাহেঁতেন, দেশৰ শত্ৰু বখতিয়াৰক নদীৰ প্ৰবল সোঁতৰ মাজৰ পৰা উদ্ধাৰ নকৰিলেহেঁতেন। একে সুৰতে গেইট চাহাবেও বৰনদী পাৰ হওঁতে বখতিয়াৰক কিছু মেচ সম্প্ৰদায়ৰ লোকে সহায় কৰা বুলি কয়। ইয়াৰ পৰা আমি ঠাৱৰ কৰিব পাৰোঁ যে বখতিয়াৰৰ অসম আগমনৰ কালছোৱাত আলী মেচ প্ৰমুখ্যে কিছুসংখ্যক মেচ আৰু কোঁচ লোক ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল।

গতিকে এইটো সিদ্ধান্তলৈ আহিব পৰা যায় যে বখতিয়াৰ খিলিজিৰ আক্ৰমণৰ কালছোৱাত ইছলাম ধৰ্ম গ্ৰহণ কৰা মেচ আৰু কোঁচ লোকসকল আৰু কামৰূপ-চীন-তীব্বত অভিযানত কামৰূপত বন্দী কৰি ৰখা মুছলমান সৈন্যসকলক লৈ অসমত প্ৰথম মুছলমান বসতিৰ সূত্ৰপাত ঘটিছিল। এইসকলৰ সংখ্যাগৰিষ্ঠ যুদ্ধবন্দী গৌড়দেশৰ হোৱাৰ বাবে কামৰূপৰ মানুহে তেওঁলোকক গৌড়ীয়া বা গড়ীয়া বা গৰীয়া আখ্যা দিছিল। এই প্ৰসংগতে এটা কথা উনুকিয়াই থ'ব পাৰি যে অসমত বন্দী হওকেই বা নহওকেই যিসকল লোক গৌড়দেশৰ মাজেৰে আহি অসমত প্ৰৱেশ কৰিছিল, সম্ভৱতঃ সেইসকলক ইয়াৰ নিৰক্ষৰ থলুৱা বাসিন্দাসকলে গৌড়ীয়া বা গড়ীয়া বা গৰীয়া বুলিছিল।

বখতিয়াৰ খিলিজিৰ আগমনৰ ফলত অসমত মুছলমান বসতিৰ প্ৰাৰম্ভণহে ঘটিছিল। কাৰণ তেতিয়া কামৰূপত অতি কমসংখ্যক মুছলমানেহে বসবাস কৰিবলৈ লৈছিল। পৰৱৰ্তী বছৰবোৰত ভাগে ভাগে পৃথক পৃথক সূত্ৰে অসমলৈ মুছলমানৰ আগমন ঘটিছিল আৰু বহু থলুৱা লোকেও ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। ফলত অসমত হাজাৰ হাজাৰ মুছলমানে নিগাজীকৈ বসবাস কৰি থকাৰ অধিকাৰ লাভ কৰিছিল। সেয়েহে তলৰ বৰ্ণনাত কেতিয়া, কিদৰে অসমত মুছলমানৰ সংখ্যা বৃদ্ধি হৈছিল, সেই বিষয়ে এটি সম্যক আলোচনা আগবঢ়োৱা হ'ল—

## যুদ্ধবন্দী মুছলমানৰ বসবাস

আগৰ অধ্যায়সমূহত অসম-মুছলমান ৰাজশক্তিৰ মাজত সংঘটিত ৰণসমূহৰ এক বহল বৰ্ণনা দাঙি ধৰা হৈছে। দেখা যায় যে এই যুদ্ধসমূহত দুয়োপক্ষৰে জয়-পৰাজয় ঘটিছিল। ফলত পৰস্পৰে পৰস্পৰৰ সৈন্যক বন্দী কৰি ৰাখিছিল। যিহেতু আমাৰ আলোচনাই অসমত বসবাস কৰা মুছলমানসকলকহে সামৰি লয়, সেয়েহে পৰাজয়বৰণ কৰাৰ বেলিকা অসমৰ কিমান অসমীয়া সৈন্যক মুছলমানে বন্দী কৰি নিছিল, সেই সন্দৰ্ভত অনুসন্ধান কৰাৰ কোনো চেষ্টা কৰা হোৱা নাই। এই আলোচনাত কেৱল অসমত বন্দী হোৱাসকলৰ বিষয়েহে ব্যাখ্যা কৰা হ'ব।

ইতিমধ্যে অসমৰ ৰণত পৰাজয়বৰণ কৰাৰ ফলত কিদৰে বখতিয়াৰ খিলিজিৰ সৈন্যবাহিনীৰ এভাগ এই দেশত ৰৈ গৈছিল, সেই বিষয়ে পূৰ্বৱৰ্তী অধ্যায়ত আলোচনা কৰা হৈছে। অসম-মুছলমানৰ যুদ্ধৰত কালছোৱাত হুছেইন চাহে কামৰূপ দখল কৰি মুছলমান ৰাজশাসন প্ৰৱৰ্তন কৰিছিল। তেওঁৰ পুত্ৰ ডানিয়েলক কামৰূপ শাসনৰ ভাৰ অৰ্পণ কৰা হৈছিল। পিছে কিছুদিনৰ পিছত সুযোগ সন্ধানী কামৰূপী সৈন্যই ডানিয়েলক হত্যা কৰি তেওঁৰ এভাগ সৈন্য এই দেশত বন্দী কৰি ৰাখিছিল। [৪]

মালিক উজেবেক তুগ্ৰিল খাঁৰ আক্ৰমণৰ কালত অসমৰ ৰণত অৱশেষত, তেওঁৰ পৰাজয় হোৱাত বৰ কমসংখ্যক মুছলমান সৈন্যকহে স্বদেশলৈ ঘূৰি যাবলৈ দিয়া হৈছিল। "জনচেৰেক সৈন্যক মাথোন দেশলৈ

উলটি যাবলৈ এৰি দি বাকীবিলাক সৈন্যৰ সৈতে মালিক যুজবেক (উজবেক)ক বন্দী কৰি ৰখা হ'ল।"[৫] ওপৰৰ উক্তিৰ পৰা স্পষ্টকৈ বুজা যায় যে মালিক উজবেক তুগ্রিল খাঁৰ আক্রমণৰ বেলিকা বহু মুছলমান সৈন্যক অসমত বন্দী কৰি ৰখা হৈছিল।

১৩৩৭-৩৮ খ্রীঃত মহম্মদ চাহৰ আক্রমণৰ বেলিকা তেওঁৰ এক লাখ সৈন্যৰ দলটো অসমত ধ্বংস হোৱা বুলি কিছুমান বুৰঞ্জীবিদে উল্লেখ কৰে। আনহাতে কিছু বুৰঞ্জীবিদে মহম্মদ চাহৰ বৃহৎ সৈন্যবাহিনী অসমত ধ্বংস হোৱা বুলি বিশ্বাস নকৰে। আমি ভাৰত বুৰঞ্জীৰপৰা জনা মতে ত্রয়োদশ শতিকাৰ শেষ ভাগত গিয়াছুদ্দিন টোগলকৰ পুত্র মহম্মদ চাহৰ ভাৰতৰ উত্তৰ-পশ্চিম সীমাঞ্চলত মংগোলসকলক প্রতিহত কৰিবলৈ যাওঁতেহে পতন ঘটিছিল। হয়তো উক্ত ঘটনাকে কোনোৱে অসমৰ ঘটনা বুলি ভাবিব পাৰে। গতিকে মহম্মদ চাহৰ আক্রমণৰ ফলত কোনো মুছলমান সৈন্য অসমত বন্দী হৈ থাকি যোৱা নাই বুলি আমি ভাবোঁ।

আহোম আৰু মুছলমানৰ মুখামুখি ৰণ সংঘটিত হয় চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্বকালত (১৪৯৭-১৫৩৯ খ্রীঃ)। এইজনা ৰজাৰ ৰাজত্বকালতে বৰ উজীৰ, মিট মালিক আৰু তুৰ্বকৰ সৈতে ইখনৰ পিছত সিখনকৈ তিনিখন যুদ্ধ সংঘটিত হয়। এই কেউখন যুদ্ধতে অৱশেষত মুছলমান সেনাৰ পৰাজয় হয়। ফলত কিছুসংখ্যক মুছলমান সেনা আহোম সেনাৰ হাতত বন্দী হৈ ৰৈ যায়। বিশেষকৈ তুৰ্বকক নিধন কৰাৰ পিছত তেওঁৰ ১০০০ মান পাঠান সৈন্য আহোম সেনাৰ হাতত বন্দী কৰি ৰখা হয়। এইখিনি মুছলমান সৈন্যকে পাছলৈ 'মৰীয়া' মুছলমান বুলি কোৱা হয়। (মৰীয়াসকলৰ বিতং বিৱৰণৰ কাৰণে ষষ্ঠ অধ্যায় পৃষ্ঠা ২২৩ দ্রষ্টব্য)।

স্বৰ্গদেৱ প্ৰতাপ সিংহৰ প্ৰায় দুকুৰি বছৰীয়া দীঘলীয়া শাসন কালছোৱাত ইখনৰ পাছত সিখনকৈ সংঘটিত যুদ্ধসমূহৰ ফলস্বৰূপে আহোম আৰু মোগল দুয়োপক্ষৰে জয়-পৰাজয় হৈছিল। ফলত পৰস্পৰে পৰস্পৰৰ বহু সৈন্য বন্দী কৰিছিল। ৰজা প্ৰতাপসিংহৰ দিনত আহোমৰ হাতত বন্দী হোৱা "এইসকলক (মুছলমান বন্দী) নি ঠায়ে ঠায়ে পাতিলে, ক'তো ডাঙৰীয়াবোৰক বাটি দিলে।"[৬]

আকৌ প্ৰতাপসিংহৰ ৰাজত্বকালত ১৬৩৬ খ্ৰীঃত সংঘটিত হাজোৰ যুদ্ধত মুছলমান সেনাক ধৰি আহোম ৰাজ্যলৈ অনা হৈছিল— "সেই সময়ত হাজো উছাদ কৰি বঙ্গালক আহোমে ধৰি আনিলে।" [৭] অৱশ্যে এইখিনি বঙ্গালকো অসমতে ৰখা হৈছিল।

কোঁচ ৰজা চন্দ্ৰনাৰায়ণৰ দিনত এবাৰ মোগলে কোঁচ ৰাজ্য আক্ৰমণ কৰাৰ বেলিকা কোঁচ সৈন্যই মোগল সৈন্যক পৰাভূত কৰি কৰৈবাৰীলৈকে খেদি পঠায়। ভালেসংখ্যক মোগল সৈন্য কোঁচ সেনাৰ হাতত বন্দী হয়। [৮] এই বন্দী মোগল সৈন্যবোৰৰ কিছুমানক বৰ্তমানৰ দৰং জিলাৰ কলাইগাঁও মৌজাৰ এডোখৰ ঠাইত দাস হিচাপে বিক্ৰী কৰা হৈছিল আৰু আন কিছুমানক মোহনপুৰ নামৰ ঠাইত মাটি-বাৰী দি থাপিছিল। তেতিয়াৰে পৰা যিডোখৰ ঠাইত মোগল সৈন্য কিছুমানক বিক্ৰী কৰা হৈছিল, সেই ঠাইক 'মোগল বেচা' বোলা হৈছিল বুলি এটা প্ৰবাদ আছে।

স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ ৰাজত্বকালত (১৬৪৮-১৬৬৩ খ্ৰীঃ) দিল্লীৰ বাদচাহ ৰোগাক্ৰান্ত ছাহজাহানৰ শাসনৰ শেষৰফালে দিল্লীৰ সিংহাসনৰ প্ৰশ্ন লৈ সৃষ্টি চাৰি পুত্ৰ দাৰা, চুজা, ঔৰংগজেৱ আৰু মুৰাদৰ মাজৰ গৃহকন্দলৰ সুযোগ গ্ৰহণ কৰি আহোম স্বৰ্গদেৱে পূৰ্বৰ প্ৰতাপ সিংহৰ দিনৰ চুক্তি ভংগ কৰি গুৱাহাটীস্থ মোগল সেনাক অতৰ্কিতে আক্ৰমণ কৰি পৰাস্ত কৰে আৰু তেওঁলোকক খেদি নি কৰতোৱা নদী পাৰ কৰি থৈ আহে। জয়ধ্বজ সিংহই স্বৰাজলৈ ঘূৰি আহোঁতে কামৰূপত পূৰ্বৰেপৰা বসবাস কৰি থকা বহু গৌড়ীয় মুছলমানক ধৰি উজনিলৈ লৈ আহে। [৯] সেই মুছলমানসকলক ৰজা তথা ডা-ডাঙৰীয়াবৰ্গৰ সৰু-সুৰা ঘৰুৱা কামত নিয়োগ কৰা হৈছিল।

আহোম-মোগলৰ মাজৰ শৰাইঘাটৰ ৰণৰ বেলিকা সংঘটিত পৃথক পৃথক যুদ্ধবোৰতো বহু মোগল সেনা অসমত ৰৈ যায়। উদাহৰণস্বৰূপে সমসাময়িক দৰঙী ৰজাই শৰাইঘাটৰ ৰণলৈ অহা কিছুমান মোগল বন্দীক দৰঙৰ নগৰবাহী অঞ্চলত সংস্থাপিত কৰিছিল। [১০]

আকৌ শৰাইঘাটৰ যুদ্ধৰ বেলিকা ৰৈ যোৱা কিছুমান মোগল সৈন্যই দৰঙৰ শিঙিমাৰী অঞ্চলত বাহৰ পাতি থাকিবলৈ লৈছিল। [১১] দৰঙৰ বাজনা

পথাৰৰ (শৰাইঘাট ৰণৰ ৰণশিঙা বজোৱাৰ বাবে পথাৰখনক বাজনা পথাৰ বোলা হৈছিল) সমীপত আহোম সেনাই দ খাৰৈ খান্দি তাত বাঁহৰ জোং পুতি মোগলক ভেটিবলৈ এটা বাঁহৰ গড় সজাইছিল। এই বাঁহগড় সজা অঞ্চলতেই শৰাইঘাটৰ যুদ্ধৰ প্ৰথমখন ৰণ হয়। সেই যুদ্ধত মোগলৰ পৰাজয় হয় আৰু বহু সৈন্য বন্দী হয়। পাছত আহোম ৰজাই বন্দী মুছলমানসকলক বাঁহৰ গড় সজা অঞ্চলতেই থাপিত কৰে। বাঁহগড় সজাৰ বাবে পাছলৈ ঠাইখণ্ডক 'বাঁহগড়া' নামেৰে নামকৰণ কৰা হয়। সাতসৰী অসম বুৰঞ্জীয়েও শৰাইঘাটৰ ৰণৰ প্ৰথম যুদ্ধখন বাঁহগড়াত (বাঁহবৰীয়া) সংঘটিত হোৱা আৰু সেই ৰণত মোগলৰ পৰাজয় হোৱাৰ লগতে কিছু সৈন্য বন্দী হোৱাৰ ইংগিত দিয়ে— "ভাদৰ ১৭ দিন যাওঁতে বৃহস্পতিবাৰে প্ৰথমে বাঁহবৰীয়া মাৰি লালবেগ, ৰৌচন বেগ দুইক ধৰি দি পঠালে।"

শৰাইঘাটৰ ৰণৰ ৮ বছৰমান পূৰ্বে ঘটা মীৰজুমলাৰ আক্ৰমণৰ বেলিকা কিছুমান মোগল সৈন্য অসমত ৰৈ যোৱাৰ সম্ভেদ পোৱা যায়। মীৰজুমলাই অসমৰ পৰা প্ৰত্যাৱৰ্তন কৰোঁতে তেওঁৰ সৈন্যবাহিনী দুৰ্ঘোৰ বিপদৰ সন্মুখীন হয় [১২] আৰু সেয়ে প্ৰাণৰক্ষাৰ্থে বহুতো সৈন্যই গাঁৱে-ভূঞে সোমাই আশ্ৰয় লৈছিল। পিছত সেইবোৰ সৈন্য স্বদেশলৈ ঘূৰি নগৈ অসমতে ৰৈ যায়। তাৰে দুজনমান সৈন্য ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে উঠি দৰঙৰ দক্ষিণ শালমৰাত বসতি কৰিবলৈ লয়। সেইকেইজন সৈন্য বোলে আগ্ৰাৰ সমীপৰ সানোৱা নামৰ ঠাইৰ লোক আছিল আৰু সেয়ে দৰঙত তেওঁলোকে বসবাস কৰা ঠাইখনক 'সানোৱা' বোলা হৈছিল। এই প্ৰসঙ্গত আমাৰ অনুমান হয় যে যিহেতু গড়গাঁৱৰ পৰা প্ৰত্যাৱৰ্তন কৰিবলৈ লোৱাৰে পৰা মীৰজুমলা অসুস্থ হৈ পৰিছিল আৰু যিহেতু দিনক দিনে তেওঁৰ অসুখ বাঢ়ি গৈছিল, সেই হেতু সৈন্যসকলৰ সুবিধা-অসুবিধাৰ প্ৰতি মন-কাণ দিয়াটো তেওঁৰ বাবে অসম্ভৱ হৈ পৰিছিল। এনে এক অৱস্থাত তেওঁৰ সৈন্যসকলে দুৰ্ভোগ ভোগাটো স্বাভাৱিক। গতিকে কষ্ট সহিব নোৱাৰি কিছুমান মোগল সৈন্য পূৰ্বৰেপৰা অসমত বাস কৰি অহা মুছলমানসকলৰ ছাঁ লৈ এই দেশত থাকি যোৱাটো স্বাভাৱিক।

তদুপৰি ১৬৮২খ্ৰীঃৰ ইটাখুলি ৰণতো স্বৰ্গদেৱ গদাধৰ সিংহৰ হাতত মোগল সেনাপতি মঞ্জুৰ খাঁৰ পৰাজয় হৈছিল। মোগল সেনাক পিছ হুঁহকাই নি মানাহ নদীৰ সিপাৰ কৰি থৈ অহা হৈছিল। এনে এক অৱস্থাত কিছু মুছলমান সৈন্য আহোমৰ হাতত বন্দী হোৱাটো বা দুই-চাৰি পলৰীয়া সৈন্য এই দেশত ৰৈ যোৱাটো অস্বাভাৱিক নহয়।

আনহাতে, চিলাৰায়ৰ পুতেক কোচবিহাৰৰপৰা পলাই আহোঁতে লগত কিছুমান ৰণুৱা, বিষয়া, অনুচৰ লৈ আহিছিল। সেইসকলৰ ভিতৰতো কিছুসংখ্যক ৰণুৱা, বিষয়া, ওজাপালি গোৱা লোক আছিল। এইসকলৰ মাজত কিছুসংখ্যক মুছলমান লোকো আছিল। [১৩]

গতিকে দেখা যায় যে অসম-মুছলমানৰ মাজত সংঘটিত দীঘলীয়া যুদ্ধৰ ফলত বহু মুছলমান সৈন্য এই দেশত বন্দী হৈ থাকি যায়। অসমৰ ৰজাই প্ৰথমাৱস্থাত তেওঁলোকক হালোৱা-চহা হিচাপে নিয়োগ কৰিছিল যদিও পাছলৈ বন্দীত্বৰপৰা মুকলি হোৱাত এই মুছলমানসকলে থলুৱা তিৰোতা বিয়া-বাৰু কৰাই অসমৰ স্থায়ী বাসিন্দা হৈ পৰিছিল।

## নামনি অসমত মুছলমান

প্ৰকৃততে উজনি অসমত মুছলমানৰ বসতি আৰম্ভ হোৱাৰ বহু পূৰ্বেই নামনি অসমত মুছলমানৰ বসতি আৰম্ভ হৈছিল। ইতিপূৰ্বে যুদ্ধবন্দী হিচাপে থাকি যোৱাসকলৰ বিষয়ে কোৱা হৈছে। সেয়ে এই শিতানত নামনিত মুছলমান শাসনকৰ্তাৰদ্বাৰা সংস্থাপিত বা নামনি অসমলৈ স্বেচ্ছাই অহাসকলৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল।

ত্ৰয়োদশ শতিকাৰ ধলপুৱাৰে পৰা ১৬৮২ খ্ৰীঃলৈকে অসম-মুছলমান ৰাজশক্তিৰ মাজৰ প্ৰায় পাঁচশ বছৰীয়া যুদ্ধ-বিগ্ৰহসমূহ লক্ষ্য কৰিলে দেখা যায় যে নামনি অসমৰ কামৰূপ, গোৱালপাৰা আদি ঠাইত দিল্লীৰ চুলতান, মোগল বাদচাহ অথবা গৌড়ৰ নবাবৰ দ্বাৰা গৌড়ৰপৰা গৌড়ীয় মুছলমান লোক আনি সংস্থাপিত কৰা হৈছিল আৰু বহু সময়ত মুছলমান ৰাজশাসনাধীন নামনি অসমলৈ কিছুমান মুছলমান স্ব-ইচ্ছাৰেও আহিছিল। কাৰণ আগৰ আলোচনাত কোৱা হৈছে যে ১৩২০-২১ খ্ৰীঃত কামৰূপৰ ৰজা

চক্ৰাংকৰে [১৪] যুদ্ধত পৰাজয়বৰণ কৰি স্বৰাজ্যৰ একাংশ অৰ্থাৎ গোৱালপাৰা আৰু কামৰূপৰ দক্ষিণাঞ্চল গিয়াছুদ্দিন বাহাদুৰ চাহক এৰি দিছিল[১৫]। বুৰঞ্জীৰ উল্লেখ অনুসৰি গিয়াছুদ্দিনৰ উত্তৰাধিকাৰীসকলৰ দিনতো সোণাপুৰ, ৰাণী, লুকী, নেলী, বৰদুৱৰ আদি সৰু সৰু দাঁতিয়লীয়া ৰাজ্যসমূহক লৈ নামনি অসমৰ এক বৃহদাংশ মুছলমান শাসনকৰ্তাৰ অধীন হৈ আছিল। ১৪০৭ খ্ৰীঃত কমতাপুৰৰ ৰজা মৃগাংকই আহোম ৰজা বামুণী কোঁৱৰৰ সহায়ত এই ৰাজ্যাংশ পুনৰুদ্ধাৰ কৰালৈকে প্ৰায় ৮৬ বছৰকাল মুছলমান শাসনকৰ্তাৰ শাসকবৰ্গই গৌড় বা আন কোনো ঠাইৰ মুছলমান লোক আনি সেই অঞ্চলসমূহত থাপিত কৰি স্বকীয় শাসন সুচল কৰি তোলাটো নিশ্চিত। তদুপৰি একেজন গৌড়ীয় শাসকৰ শাসনাধীন অঞ্চল হোৱাত গৌড়ৰ মুছলমান লোক আহি নামনি অসমত বসতি কৰাটোও স্বাভাৱিক।

পাৰ্ছী বুৰঞ্জী 'ৰিচালাত উচ্-চুহাদা'ৰ বৰ্ণনাৰ আলম লৈ মোহিনী কুমাৰ শইকীয়াদেৱে ধাৰণা কৰে যে কমতাপুৰ(কামৰূপ-কমতা)ৰ ৰজা নীলধ্বজৰ উত্তৰাধিকাৰী চক্ৰধ্বজৰ শাসন কালৰপৰা নামনি অসমলৈ গৌড়ীয় লোকৰ প্ৰবল সোঁত বৈছিল।[১৬] ১৪৫৯-৭৪ খ্ৰীঃৰ মাজৰ কালছোৱাত চুলতান ৰুকুনুদ্দিন বাৰবাক চাহ আৰু কমতেশ্বৰ চক্ৰধ্বজৰ মাজত সংঘটিত যুদ্ধত প্ৰথম অৱস্থাত চক্ৰধ্বজে বীৰত্বৰে যুঁজিছিল যদিও অৱশেষত বাৰবাক চাহৰ পীৰ (সাধক) সেনাপতি ইছমাইল গাজীৰ হাতত চক্ৰধ্বজে পৰাজয়বৰণ কৰাৰ লগতে ময়মনসিঙৰ পৰা ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰকে লৈ কামৰূপৰ পশ্চিমাঞ্চলসহ ৰাজ্যৰ এক বৃহৎ অংশ চুলতানক এৰি দি বাকী অংশত চুলতানৰ কৰতলীয়া হিচাপে শাসন কৰি থাকিব লগা হয়। তদুপৰি চক্ৰধ্বজে ইছমাইল গাজীৰ প্ৰভাৱত ইছলাম ধৰ্মও গ্ৰহণ কৰে। এই ঘটনাৰপৰা বুজা যায় যে ১৪৮০ খ্ৰীঃত পুতেক নীলাম্বৰে সিংহাসনত আৰোহণ কৰাৰ সময়লৈকে প্ৰায় ২০বছৰ কাল কামৰূপৰ পশ্চিমাঞ্চল মুছলমান সাম্ৰাজ্যৰ অংগ হৈ থাকে। আনহাতে ৰজাজনে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পাছত বোধহয় পৰিয়ালসহ তেওঁৰ প্ৰজাবৰ্গৰ কিছুৱেও ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। আকৌ যিহেতু ৰজাজন মুছলমান হৈছিল, তেওঁৰ ৰাজ্যৰ উক্ত বৃহৎ অংশটো ২০ বছৰ

কাল ধৰি মুছলমান সাম্ৰাজ্যৰ ভিতৰুৱা হৈ আছিল; অৰ্থাৎ বঙ্গৰ নবাব আৰু কমতাৰ ৰজা একেধৰ্মী হৈ পৰিছিল। প্ৰথমে সন্মিলিত অৱস্থাত সেইছোৱা কালত এঘৰ-দুঘৰকৈ গৌড়ৰ মুছলমান আহি কামৰূপত বাহৰ পতাটো নিশ্চয় এক স্বাভাৱিক প্ৰক্ৰিয়া হৈ পৰিছিল। সেই কাৰণে শইকীয়াই লিখিছে— "A more regular and systematic process of Muslim infiltration into the country, however, seems to have commenced from the region of Niladhawaja's successor Chakradhawaja..."

আকৌ চক্ৰধ্বজৰ পুত্ৰ নীলাম্বৰেও সমসাময়িক গৌড়ৰ চুলতান হুছেইন চাহৰ হাতত যুদ্ধত পৰাজিত হৈ কামৰূপ-কমতাৰ এক বৃহদাংশ বংগৰ চুলতানক এৰি দিবলগীয়া হৈছিল (১৪৯৮ খ্ৰীঃ)। হুছেইন চাহে এই নৱলব্ধ ৰাজ্যাংশত মুছলমান শাসন প্ৰৱৰ্তন কৰি পুতেক ডানিয়েলক উক্ত ৰাজ্যাংশৰ শাসনকৰ্তা পাতে। আনকি কামৰূপত নিজৰ ভেটি সুদৃঢ় কৰি তোলাৰ মানসেৰে হুছেইন চাহে গৌড়ৰপৰা কিছুমান গৌড়ীয় মুছলমান প্ৰজাক আনি কামৰূপৰ হাজোত উপনিৱেশ স্থাপন কৰিছিল।[১৭] অৱশ্যে পাছত কামৰূপৰ সৈন্যই ডানিয়েলক হত্যা কৰে যদিও মুছলমান শাসন ব্যৱস্থা এই দেশত ৰৈ যায় আৰু হুছেইন চাহৰ দ্বাৰা অনা গৌড়ীয় মুছলমানসকলে কামৰূপতে বসবাস কৰি থাকি যায়। যিহেতু নীলাম্বৰৰ পুত্ৰ দুৰ্লভেন্দ্ৰয়ো তুৰ্বকৰ সৈতে সন্ধিৰ প্ৰস্তাৱ দিছিল। ডানিয়েলক নিশ্চয় তৎকালীনভাৱে হত্যা কৰা হোৱা নাছিল। পৰৱৰ্তী কালত উক্ত অঞ্চল আহোম ৰজাৰ দখলাধীন হৈছিল যদিও কামৰূপত বসবাস কৰি অহা মুছলমান লোকসকলে থলুৱা লোকসকলৰ স'তে মিলিজুলি বসবাস কৰি আছিল— " Even after the Ahom had recovered the entire territory of western Kamrup upto the river Korotoya, a section of these Muslim settlers... appears to have stayed there in harmony with the indigenous people..."

১৬১৩ খ্ৰীঃত কোঁচ ৰজা পৰীক্ষিত নাৰায়ণক গৌড়ত বন্দী কৰি থৈ মোগল সেনাপতি মকৰম খাঁই সমগ্ৰ কোঁচ-হাজো মোগল সাম্ৰাজ্যৰ সৈতে চামিল কৰি নিজৰ ভায়েকক সেই ৰাজ্যৰ শাসনকৰ্তা পাতিছিল। কিন্তু হঠাতে ভায়েকৰ মৃত্যু হোৱাত ১৬১৬খ্ৰীঃত মকৰম খাঁই নিজে ইয়াৰ শাসনভাৰ লয়। কোচবিহাৰ আৰু কোঁচ-হাজোৰ সীমা আছিল সোণকোষ নদী।

সোণকোষ নদী ধুবুৰী জিলাৰ পশ্চিম সীমাৰে বৈ গৈছে। যিহেতু গুৱাহাটীৰ পৰা ধুবুৰীৰ পশ্চিম সীমালৈকে কোঁচ-হাজো বিস্তৃত আছিল, গতিকে মকৰম খাঁই কোচ-হাজো দখল কৰা মানে গুৱাহাটীসহ সমগ্ৰ নামনি অসম মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল। মকৰম খাঁই এই দখলকৃত ৰাজ্যসমূহত মোগলৰ প্ৰভুত্ব সুদৃঢ় কৰি তোলাৰ উদ্দেশ্যে পূবৰ সীমামূৰীয়া অঞ্চল হাজোত[১৮] দহ-বাৰ হাজাৰমান সুসজ্জিত পদাতিক সৈন্য আনি থাপিছিল। গতিকে দীঘলীয়া দিন ধৰি নামনি অসম মোগল সাম্ৰাজ্যৰ অবিচ্ছেদ্য অংগ হৈ পৰাত শাসক গোষ্ঠীৰ দ্বাৰা অনাসকলৰ উপৰি পাছৰ সময়খিনিত সেইসকলৰ বংশ-পৰিয়াললৈকে আৰু কিমান মুছলমানৰ নামনি অসমলৈ আগমন ঘটিল, তাৰ লেখ পোৱাৰ উপায় নাই[১৮]।

আমি অসম মুছলমান ৰাজশক্তিৰ মাজৰ ৰণসমূহৰ বৰ্ণনা কৰোঁতে দেখা পাইছিলোঁ যে প্ৰথম অৱস্থাত আহোম ৰাজ্য আৰু কোঁচ ৰাজ্য দুখন পৃথক স্বাধীন ৰাজ্য আছিল আৰু মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰীসকল আহোম আৰু কোঁচৰ উমৈহতীয়া শত্ৰু আছিল। ইফালে প্ৰতাপসিংহৰ ৰাজত্বৰ মাজভাগলৈকে আহোম আৰু কোঁচৰ মাজতো শত্ৰুতা আছিল। গতিকে মকৰম খাঁই কোঁচ-হাজো দখল কৰাত আহোমৰ বিশেষ ক্ষতি হোৱা নাছিল। কিন্তু এইজনা আহোম ৰজাৰ দিনতে কোঁচ ৰজা বলিনাৰায়ণে আহোমৰ সাহায্য বিচাৰি আহি প্ৰতাপসিংহৰ শৰণাপন্ন হয়। ফলত আহোম-কোঁচৰ মাজত বন্ধুত্ব স্থাপন হয় আৰু তেওঁলোকৰ উমৈহতীয়া প্ৰচেষ্টাৰে মোগলৰ হাতৰপৰা কোঁচ-হাজোৰ পূব ফালৰ বৃহৎ অংশ পুনৰুদ্ধাৰ কৰি সেই অংশটোক 'দৰং' ৰাজ্য নাম দি বলিনাৰায়ণক ধৰ্মনাৰায়ণ নামে ৰজা পতা হয়। আকৌ কোঁচ-হাজোৰ বাকী থকা অংশ কাঢ়ি আহোম ৰাজ্যৰ সীমা বিস্তাৰ কৰাটোও প্ৰতাপসিংহৰ লক্ষ্য আছিল। এনে কাৰণতে ওৰেটো দীঘলীয়া শাসনকাল ধৰি মোগলৰ বিৰুদ্ধে ইখনৰ পিছত সিখনকৈ যুদ্ধ কৰাৰ অন্তত ১৬৩৯ খ্ৰীঃত আহোমৰ মোমাই তামুলী বৰবৰুৱা আৰু মোগল সেনাপতি আল্লায়াৰ খাঁৰ মাজত এক সন্ধি কৰা হয়। উক্ত সন্ধি অনুসৰি উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰ আলিক আহোম ৰাজ্য আৰু মোগল

সাম্ৰাজ্যৰ সীমা নিৰ্ধাৰণ কৰা হ'ল। গতিকে বৰনদী আৰু অসুৰ আলিৰ পশ্চিমভাগত অৱস্থিত গুৱাহাটীসহ নামনি অসম মোগলৰ হাততেই ৰৈছিল। মাজতে এক-ডেৰ বছৰমানৰ বাবে জয়ধ্বজ সিংহই গুৱাহাটী দখল কৰি ৰাখিছিল যদিও মীৰজুমলাৰ হাতত হাৰি ইয়াক আকৌ এৰি দিব লগা হ'ল। ১৬৬৭খ্ৰীঃতহে আহোম ৰজা চক্ৰধ্বজ সিংহৰ দিনত গুৱাহাটী পুনৰুদ্ধাৰ কৰা হয়। গতিকে দেখা যায় যে মকৰম খাঁই কোঁচ-হাজো দখল কৰাৰ দিনাৰেপৰা অৰ্থাৎ ১৬১৩ খ্ৰীঃলৈ অৰ্ধশতিকাৰো অধিককাল গুৱাহাটীসহ নামনি অসম মোগলাধীন হৈ ৰয়।

ওপৰত কমতাপুৰৰ বিষয়ে আলোচনা কৰা হৈছে। কোঁচ ৰাজ্য (কোঁচ-হাজো আৰু কোঁচ-বিহাৰ) পূৰ্বতে কমতাপুৰ ৰাজ্যৰ ভিতৰুৱা আছিল। ইতিমধ্যে কোৱা হৈছে যে ৰুকুনুদ্দিন বাৰবাক চাহ, হুছেইন চাহ আদি মুছলমান শাসকসকলে কমতাপুৰ আক্ৰমণ কৰি এই ৰাজ্যৰ বৃহৎ অঞ্চল দখল কৰি ৰখাৰ লগতে মুছলমান শাসন প্ৰৱৰ্তন কৰাৰ উপৰি গৌড়ৰপৰা মুছলমান লোক আনি দখলকৃত অঞ্চলত সংস্থাপিত কৰিছিল। অৰ্থাৎ ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰপৰা নামনি অসমৰ কমতাপুৰ বা কোঁচ-হাজোত মুছলমান লোকৰ বসতি আছিল। পৰৱৰ্তী কালত যেতিয়া সেই ৰাজ্য মকৰম খাঁই মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে, তেতিয়া মকৰম খাঁয়ো দহ-বাৰ হাজাৰ সৈন্যক হাজোত সংস্থাপন কৰাৰ লগতে একে মোগল সাম্ৰাজ্যৰ অঙ্গ নামনি অসমলৈ নিশ্চয় আৰু বহু মুছলমানৰ স্বেচ্ছামূলক আগমন ঘটিছিল।

১৬৮২খ্ৰীঃত সংঘটিত ইটাখুলি ৰণেই আহোম-মোগলৰ শেষ ৰণ আছিল। এই ৰণত মোগল সেনাক চিৰদিনৰ বাবে মানাহ নদীৰ সিপাৰ কৰা হৈছিল। মানাহ নদী অবিভক্ত গোৱালপাৰা জিলাৰ পূব কাষেৰে বৈ গৈছে। অৰ্থাৎ মানাহৰ পশ্চিমত অৱস্থিত প্ৰায় সমগ্ৰ অবিভক্ত গোৱালপাৰা জিলা দূৰ ভৱিষ্যতলৈ মোগল সাম্ৰাজ্যৰ অঙ্গ হৈয়ে ৰৈ গৈছিল। ১৮৭৪চনতহে ব্ৰিটিছ চৰকাৰৰ দ্বাৰা এই অবিভক্ত গোৱালপাৰা জিলাক অসমৰ (মুখ্য আয়ুক্তৰ প্ৰদেশৰ) ভিতৰুৱা কৰা হয়। তেন্তে দেখা যায় যে ১৬১৩ খ্ৰীঃৰপৰা ১৮৭৪ খ্ৰীঃলৈকে সুদীৰ্ঘ আঢ়ৈশ বছৰৰো অধিক কাল অবিভক্ত গোৱালপাৰা

জিলা মোগল সাম্ৰাজ্যৰ অবিচ্ছেদ্য অঙ্গ হৈ আছিল। অৱশ্যে মোগল সাম্ৰাজ্য হ'লেও উক্ত অঞ্চলত শেহতীয়াকৈ ব্ৰিটিছ শাসন চলোৱা হৈছিল। তেনেস্থলত অবিভক্ত গোৱালপাৰা জিলাত ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰপৰা বসবাস কৰি অহা 'দেশী' আখ্যা পোৱা মুছলমানসকল কেতিয়া আহিছিল বুলি প্ৰশ্ন কৰাৰ থল নাথাকে।

ওপৰৰ আলোচনাৰপৰা বুজা যায় যে চতুৰ্দশ শতিকাৰপৰা সপ্তদশ শতিকাৰ শেষভাগলৈকে গুৱাহাটীকে লৈ কামৰূপ-কমতাৰ বৃহৎ অঞ্চল এৰা-ধৰাকৈ প্ৰায় দুই শতিকা ধৰি আৰু অবিভক্ত গোৱালপাৰা জিলা আঢ়ৈশ বছৰৰো অধিক কাল ধৰি মুছলমান শাসকে শাসন কৰি আহে। তেওঁলোকে গৌড় প্ৰমুখ্যে আন আন অঞ্চলৰো মুছলমান লোক আনি নামনিত সংস্থাপিত কৰে। তদুপৰি একে মুছলমান শাসকৰ শাসনাধীন হোৱাত আৰু বহু মুছলমান লোক স্বাভাৱিক গতিৰে আহি এই দেশত বসবাস কৰিবলৈ লয়। ফলত নামনি অসম বহুসংখ্যক মুছলমান লোকৰো বসতিস্থল হৈ পৰিছিল।

## ইছলামীয় সাধকৰ বসবাস

অসম-মুছলমান ৰাজশক্তিৰ দীঘলীয়া ৰণৰত কালছোৱাতে হওক বা পৰৱৰ্তী ঔপনিৱেশিক কালছোৱাতে হওক, বহুসংখ্যক ইছলামধৰ্মীয় পীৰ, ফকীৰ, আউলীয়া, দৰৱেছ, লেখক, বুৰঞ্জীবিদৰ অসমলৈ আগমন ঘটিছিল। এই ইছলামীয় সাধকবৰ্গই ইতিহাসৰ পৃথক পৃথক ক্ষণত পৃথক পৃথক কাৰণত অসমত প্ৰৱেশ কৰিছিল। আমাৰ বৰ্তমানলৈকে কৰা অনুসন্ধান অনুসৰি এইসকলৰ সৰহসংখ্যক সাধক স্বদেশলৈ ঘূৰি যোৱা নাছিল। এই প্ৰসংগত অলৌকিক ঘটনাৰ কাহিনী মন কৰিবলগীয়া হয়। বৰ্তমানৰ বাংলাদেশৰ চিলেটত আজীৱন ধৰ্মপ্ৰচাৰ কৰি যোৱা বিখ্যাত ইছলামীয় সাধক চাহজালালৰ বংশধৰসকল[১৯] আৰব সাম্ৰাজ্যৰ য়েমেনৰ লোক হ'লেও তেওঁৰ পিতৃ-মাতৃয়ে আহি তুৰস্কৰ কুনিয়া নগৰত বসবাস কৰাত ১৩২২ খ্ৰীঃত কুনিয়াত চাহজালালৰ জন্ম হয়। জন্মৰ তিনি মাহৰ পাছতে তেওঁৰ মাতৃ বিয়োগ হয় আৰু পাঁচ বছৰ বয়সত তেওঁ পিতৃ ছেখ মাহমুদক হেৰুৱায়।

অনাথ হোৱা চাহজালালক তেওঁৰ সাধক মোমায়েক আহমদ কবিৰে তুলি-তালি ডাঙৰ-দীঘল কৰে আৰু শিক্ষা-দীক্ষা দিয়ে। এদিন চাহজালাল ডেকা হ'ল আৰু ইতিমধ্যে তেওঁৰ শিক্ষা আহৰণৰো সমাপ্তি ঘটিল। বহু পীৰ আউলীয়াৰ জীৱন চৰিত লক্ষ্য কৰিলে জনা যায় যে এনে শিক্ষিত যুৱকসকলৰ বহুতে কিছু বছৰ নিৰলে সাধনা কৰে আৰু তাৰ ফলত এদিন তেওঁলোক আধ্যাত্মিক শক্তিপ্ৰাপ্ত হয়। পীৰ-ফকীৰসকলৰ ভিন ভিন অস্বাভাৱিক ঘটনাৰ বিষয়ে নজনা বা নুশুনা লোক অসমত নিশ্চয় পোৱা নাযায়। আজান ফকীৰ, লংগৰ চাহ, মাদাৰী ফকীৰ, খণ্ডকাৰ পীৰ, চালেহ পীৰ, গিয়াছুদ্দিন আউলীয়া আদি বহুতে বহু অলৌকিক ঘটনা প্ৰদৰ্শন কৰি থৈ গৈছে। এদিন চাহজালালো এনে অলৌকিক শক্তিৰ গৰাকী হ'ল। এইদৰে ধৰ্ম সম্পৰ্কীয় সকলো গুণ আহৰণ কৰাৰ পাছত এনিশা তেওঁ এক সপোন দেখিলে আৰু সেই সপোনত তেওঁক হিন্দুস্তানলৈ গৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ কোৱা হয়। তেতিয়া চাহজালালে মোমায়েক তথা শিক্ষাগুৰু আহমদ কবিৰক সপোনৰ কথা ব্যক্ত কৰে আৰু তেওঁ হিন্দুস্তান ক'ত নাজানে বুলি কয়। গতিকে মোমায়েকে তাৰ উপায় দিব লাগে। তেতিয়া আহমদ কবিৰে তেওঁক এমুঠি মাটি দি সদায় সেই মাটি লগত ৰাখিবলৈ পৰামৰ্শ দিলে। আহমদ কবিৰে চাহজালালক ক'লে যে তেওঁৰ যাত্ৰাপথৰ য'ত সেই মাটিৰ গোন্ধ আৰু ৰঙৰ মাটি পাব, তেওঁ জানিব লাগিব যে সেই ঠায়েই হিন্দুস্তান আৰু তেওঁৰ কৰ্মক্ষেত্ৰ। গতিকে চাহজালালে চিৰদিনৰ বাবে জন্মভূমি এৰি ধৰ্ম প্ৰচাৰৰ বাবে ওলাই আহিল। তেওঁ নানা দেশ, নানা ঠাই ঘূৰাৰ অন্তত এদিন বংগদেশৰ মাটিৰ গোন্ধ আৰু ৰঙৰ তেওঁ লগত অনা মাটিৰ গোন্ধ আৰু ৰঙৰ লগত সাদৃশ্য দেখি তেওঁ জানিলে যে সেই ঠায়েই হিন্দুস্তান আৰু তেওঁৰ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰ। যিহেতু তেওঁ দেশে দেশে ধৰ্ম প্ৰচাৰ কৰি আহিছিল, তেওঁৰ গুণত মুগ্ধ হৈ ৩৬০ জন শিষ্য (আউলীয়া) তেওঁৰ লগত আহিছিল। চাহজালালে ছিলেটকে কেন্দ্ৰস্থল হিচাপে গ্ৰহণ কৰি লগত অহা ৩৬০ জন আউলীয়াক চৌদিশৰ অঞ্চলবোৰত ধৰ্মপ্ৰচাৰ কৰিবলৈ পঠাইছিল। উল্লেখ্য

যে আউলীয়াসকলৰ প্ৰায় আটায়ে (সম্ভৱ চাহজালালৰ শিক্ষাত) সাধনাৰ বলত আধ্যাত্মিক শক্তিৰ গৰাকী হ'ব পাৰিছিল। ১৩৮৪ খ্ৰীঃত ছিলেটতে চাহজালালৰ মৃত্যু হয়।

এতিয়া এই কাহিনীৰপৰা আমি বুজি পাওঁ যে ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰপৰা ইছলামীয় সাধকসকলে ধৰ্ম প্ৰচাৰৰ অৰ্থে চিৰদিনৰ বাবে ঘৰ-দুৱাৰ, জন্মভূমি এৰি দেশে দেশে ঘূৰি ফুৰিছিল আৰু বিদেশৰ কোনো এডোখৰ ঠাইত এদিন কবৰস্থ হৈছিল। চাহজালালৰ লগৰ ৩৬০ জন আউলীয়াও চিৰদিনৰ বাবে ঘৰ-দুৱাৰ এৰি গুচি আহিছিল। সেইদৰে আজান ফকীৰ, নবী পীৰ, চালেহ পীৰ, খণ্ডকাৰ পীৰ আদিয়েও চিৰদিনৰ বাবে বিদেশলৈ গুচি আহে। অৰ্থাৎ ধৰ্ম প্ৰচাৰৰ নামত ঘৰ-দুৱাৰ এৰি গুচি অহাসকলে আৰু স্বদেশলৈ ঘূৰি যাবলৈ নিবিচাৰিছিল। গতিকে অসমলৈ অহা পীৰ-ফকীৰ, আউলীয়াসকলৰ বহুতেই নিজৰ কৰ্মস্থান এৰি পুনৰ স্বদেশলৈ ঘূৰি যোৱাৰ কথা নাভাবিছিল। কাৰণ তেওঁলোকৰ বহুতেই ঘৰ-দুৱাৰ, বংশ-পৰিয়াল, জন্মভূমি সকলো ধৰ্মৰ নামত ত্যাগ কৰি এদিন ওলাই আহিছিল। কিন্তু ৰাজাজ্ঞা পালি অহা লেখক, ঐতিহাসিকসকলৰ কিছু বন্দী হৈ ৰৈ গৈছিল যদিও কিছু স্বদেশলৈ উভটি গৈছিল। চিহাবুদ্দিন টালিচ, মহম্মদ ওৱালি আদি সকলেই তাৰ উদাহৰণ।

অসম-মুছলমান ৰাজশক্তিৰ মাজৰ যুদ্ধ, সন্ধি, বৈৰিতা আদিৰ কালছোৱাত মুছলমানৰ ক্ৰমে মিত মালিক, চৈয়দ আবু বক্কৰ তেওঁৰ পুত্ৰ গিয়াছুদ্দিন, তুৰ্বক, ৰছিদ খাঁ, সত্ৰাজিৎ আদি বীৰ সেনাপতিসকলৰ মৃত্যু হৈছিল। আনকি মীৰজুমলাৰ দৰে পৰাক্ৰমী সেনাপতিয়েও অসমৰ ৰণৰ পৰা ঘূৰি গৈ মৃত্যুমুখত পৰিছিল। এনেবোৰ কাৰণতে ভাটিৰ মুছলমানে অসমক যাদু-মন্ত্ৰৰ দেশ বুলি ভাবিছিল আৰু তেওঁলোকে সন্দেহ কৰিছিল যে অসমৰ মানুহে যাদু-মন্ত্ৰ কৰাৰ বাবেহে উপৰি উক্ত সেনাপতিসকলৰ মৃত্যু হৈছিল। এই বিষয়ে 'খুলাছাত-ই-তাৰিখি' শীৰ্ষক পাৰ্চী বুৰঞ্জীত উল্লেখ আছে।[২০] "অসমৰ মানুহে মায়াৰ বলেৰে ঘৰ নিৰ্মাণ কৰে। ঘৰৰ খুঁটাবোৰ একোটা একোটা জীয়া মানুহ। ইহঁতে উশাহ-নিশাহ বন্ধ কৰি লৰচৰ নকৰাকৈ একে ঠাইতে থাকিব

পাৰে। যাদুৰ সহায়েৰে অসমৰ মানুহে নৰমনুষ্যক চাৰিঠেঙীয়া জন্তু আৰু দুঠেঙীয়া চৰাইত পৰিণত কৰিব পাৰে।"[২১] অৰ্থাৎ অসমৰ যাদুৰ প্ৰতি ভাটিৰ লোকৰ অন্তৰত ভয়ৰ সঞ্চাৰ হৈছিল। সেয়ে অসমৰ ৰণলৈ অহাৰ সময়ত যাতে ইছলাম ধৰ্মীয় দোৱা-দৰুদ, চুৰা আদিৰ প্ৰভাৱেৰে অসমৰ মানুহৰ যাদু-মন্ত্ৰক আঁতৰ কৰি ৰাখিব পাৰে, সেই উদ্দেশ্যে মুছলমান সেনাপতিসকলে কিছুসংখ্যক ইছলামধৰ্মীয় পীৰ, ফকীৰ, আউলীয়া, দৰবেছক লগত লৈ আহিছিল। লগত অহা সাধকবৰ্গও ধৰ্মীয় সাধনাৰ সহায়ত আৰু ইছলামীয় শাস্ত্ৰ পঢ়ি সেনাপতিসকলৰ মনৰ শংকা নস্যাৎ কৰি তেওঁলোকৰ মনত ধৰ্মভাব জাগ্ৰত কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। তদুপৰি মুছলমান সেনাপতিসকলে অসম অভিযানৰ বেলিকা সংঘটিত ঘটনাৱলী লিপিবদ্ধ কৰি ৰাখিবৰ বাবে পাৰ্চী, আৰবী আদি ভাষাত ব্যুৎপত্তিসম্পন্ন কিছুমান লেখক, ঐতিহাসিককো লগত আনিছিল। উদাহৰণস্বৰূপে, মীৰজুমলাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে বুৰঞ্জীবিদ চিহাবুদ্দিন টালিছ আৰু ইবনে মহম্মদ ওৱালি নামৰ এগৰাকী কাকতীক লগত লৈ আহিছিল। তেওঁলোকৰ সৈতে মোল্লা দৰবেছ আখ্যা পোৱা এজন কবিও আহিছিল। বাদচাহ ঔৰংগজেৱ প্ৰেৰিত আনজন মোগল সেনাপতি ৰামসিংহই অসমৰ ৰণলৈ আহোঁতে শিখ ধৰ্মৰ নৱম গুৰু টেগ বাহাদুৰ আৰু চাহ আকবৰ, চাহ বাগমৰ, চাহ সাৰেং (কোনো কোনোৰ মতে চৰণ) চাহ ছফি আৰু চাহ কামালক অসমৰ যাদু-মন্ত্ৰৰ পৰা হাত সাৰিবৰ বাবে লগত লৈ আহিছিল। গুৰু টেগ বাহাদুৰেই এই অসম অভিযানত আহোঁতে ধুবুৰীত বৰ্তমানেও থকা শিখ ধৰ্মানুষ্ঠান দমদম গুৰুদ্বাৰ নিৰ্মাণ কৰি থৈ যায়। উল্লেখ্য যে ৰামসিংহ আগুৱাই আহি ৰঙামাটি পোৱাৰ কালতে গুৰু টেগ বাহাদুৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে। আনহাতে, মুছলমান পীৰকেইগৰাকী পৰৱৰ্তী কালত সিঁচৰতি হৈ পৰে। তেওঁলোকৰ দুজনৰ সমাধি ধুবুৰী চহৰ এলেকাত আছে। তেওঁলোকৰ প্ৰতিগৰাকীৰ সমাধিক 'পাঁচ পীৰৰ দৰগাহ' আখ্যা দিয়া হয়। ধুবুৰীৰ নেতাই ধুবুনী ঘাটৰ কাষত থকা 'পাঁচ পীৰৰ দৰগাহ' ভাগ চাহ আকবৰৰ আৰু জেইলৰ ওচৰত থকা 'পাঁচ পীৰৰ দৰগাহ' ভাগ চাহ সাৰেঙৰ সমাধি বুলি দৰগাহৰ খাদিমে (সেৱকে) ১৫-০৬-২০১১ তাৰিখে এই

প্ৰবন্ধ লেখকক জানিবলৈ দিয়ে। চাহ আকবৰৰ সমাধিৰ খাদিমগৰাকীয়ে এই লেখকক জনোৱা মতে তেওঁলোকৰ মাজৰ চাহ কামালৰ দৰগাহ মেঘালয়ৰ মহেন্দ্ৰগঞ্জত আছে। চাহ ফকি আৰু চাহ বাগমৰ উজনিৰ ফালে গৈছিল বুলি কোৱা হয়। আমাৰ অনুসন্ধানৰ কালছোৱাত বৰপেটা জিলাৰ পশ্চিম মাজদিয়া অঞ্চলৰ ছাটা গাঁৱত এভাগ সমাধিক 'পাঁচ পীৰৰ দৰগাহ' নামে নামকৰণ কৰা পাইছিলো। এই দৰগাহ স্থানীয় ৰাইজে এখন পৰিচালনা সমিতি গঠনৰ যোগেৰে সংৰক্ষণ কৰি ৰাখিছিল। দৰগাহৰ নামত ১১ বিঘা, ৩ কঠা, ১৫ লেচা মাটি আছে বুলি পৰিচালনা সমিতিৰ সদস্য ছহিদুল ইছলামে ১৭/৬/২০১১ তাৰিখে এই লেখকক জানিবলৈ দিয়ে। অৱশ্যে লেখকে একে ঠাইতে তিনিটামান কবৰ দেখে। দৰগাহৰ সৈতে কিছুমান অলৌকিক কাহিনী জড়িত আছে। এই দৰগাহ দেখি আমাৰ ভাব হয় যে ধুবুৰীৰ চাহ আকবৰৰ সমাধিৰ খাদিমে কোৱা উজনিৰ ফালে যোৱা চাহ ছফি আৰু চাহ বাগমৰৰ মাজৰ কোনোবা এজনৰ সমাধি ছাটাগাঁওস্থিত 'পাঁচ পীৰৰ দৰগাহ' হ'ব পাৰে। আনহাতে, বৰাক উপত্যকাৰ লক্ষীপুৰ থানাৰ অধীনৰ এটা টিলাৰ ওপৰত পাঁচ পীৰৰ মোকাম আছে। বৰাকৰ লেখক আব্দুল শুকুৰ বৰভূঞাই তাত পাঁচজন পীৰৰ সমাধি থকা বুলি ভাবে। এইক্ষেত্ৰত আমাৰ ভাব হয়— ৰামসিংহৰ লগত অহা পাঁচজন পীৰৰ এজন মোগলৰ পৰাজয়ৰ পিছত ধৰ্ম প্ৰচাৰৰ মানসেৰে হয়তো কাছাৰৰ ফালে গুচি গৈছিল, যাৰ বাবে কাছাৰতো পাঁচ পীৰৰ মোকাম পোৱা যায়। উল্লেখ কৰা প্ৰয়োজন যে এই পাঁচজন পীৰৰ প্ৰতিজনৰ সমাধিক 'পাঁচ পীৰৰ দৰগাহ' বুলি কৈ অহা হৈছে যদিও প্ৰকৃততে 'পাঁচ পীৰৰ দৰগাহ' মানে পাঁচজন পীৰৰ মাজৰ এজনৰহে দৰগাহ। তেনে হ'লেও মহেন্দ্ৰগঞ্জস্থিত চাহ কামালৰ দৰগাহক 'পাঁচ পীৰৰ দৰগাহ' আখ্যা দিয়া বুলি শুনা নাপাওঁ। আমি বেয়া বতৰ আৰু দুৰ্গম পথৰ বাবে মহেন্দ্ৰগঞ্জলৈ যাব নোৱাৰি মানকাছৰ কাট্টিপাৰাৰ পৰাই ঘূৰি আহিব লগা হয়।

ইয়াৰ পাছত ১৬৭৯ খ্ৰীঃত মোগলৰ মঞ্চুৰ খাঁ নবাবে গুৱাহাটী দখল কৰিবলৈ আহোতে মহম্মদ আলী নামৰ এজন মৌলানাক লগত আনিছিল।

এইগৰাকী মৌলানাৰ ঘৰ আছিল দাক্ষিণাত্যৰ চেকেন্দ্ৰাবাদত। অসমৰ ৰণত মঞ্জুৰ খাঁৰ পৰাজয় হোৱাত বাকী মোগল সৈন্য স্বদেশলৈ উভতি গৈছিল যদিও মহম্মদ আলী এই দেশতে ৰৈ গৈছিল। তেওঁ আহোম সেনাৰ হাতত পৰিছিল। মহম্মদ আলী এগৰাকী পণ্ডিত পুৰুষ আছিল আৰু তেওঁৰ হাতত বহু পুথি-পাঁজি আছিল। সেইবোৰৰ ভিতৰত দিল্লীৰ বাদচাহসকলৰ বুৰঞ্জী আৰু যুধিষ্ঠিৰৰ দিনৰে পৰা দিল্লীৰ সকলো ৰজাৰ নাম লিপিবদ্ধ কৰি ৰখা তালিকাখন উল্লেখযোগ্য। সমসাময়িক আহোম ৰজা স্বৰ্গদেও গদাধৰ সিংহৰ আজ্ঞানুসৰি গড়গঞা সন্দিকৈ বৰফুকনে মহম্মদ আলীক অসমত থাকিবলৈ দিছিল আৰু অসমীয়া কাকতীৰ হতুৱাই মহম্মদ আলীয়ে জনা সকলো কথা লিপিবদ্ধ কৰাই ৰাখিছিল। এইজনা পণ্ডিতৰ বিষয়ে পাদশ্বাহ বুৰঞ্জীত উল্লেখ পোৱা বৰ্ণনা সূৰ্য কুমাৰ ভূঞাদেৱে দাঙি ধৰিছে।[২১] "চেকেণ্ডাবাদ ৰাজ্যৰ পৰা দিল্লীক লাগি তিনিমাহৰ বাট। তাৰ মহম্মদ আলী নাও এটা মগল আখুন বৰ পণ্ডিত, পাৰ্ছী, আৰবী লোগাত সকলো জানে। মঞ্জুৰ খাঁৰ পোৱাকক (পুতেক) পঢ়াইছিল। মাহত একশও ৰূপ থকা মহিলা (পাৰিশ্ৰমিক) দিছিল। তাৰে (মহম্মদ আলীৰ) মুখৰ কথা।"[২১]

স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰাজত্ব কালত নেৱাজ[২২] নামৰ মুছলমান পীৰে সহযোগী পীৰসকলৰ সৈতে আহোম ৰাজদৰবাৰৰ আশ-পাশত থকাৰ সুবিধা পাইছিল।[২২] তেওঁলোকে ৰাজসভালৈ গৈ ৰজা আৰু প্ৰজাৰ মংগলাৰ্থে ইছলামীয় প্ৰথাৰে ঈশ্বৰক মোনাজাত (প্ৰাৰ্থনা) কৰিব লাগিছিল। তদুপৰি ৰজা আৰু ৰাজ্যৰ মংগলৰ বাবে ইছলামীয় প্ৰথাৰে দোৱা-দৰুদ কৰিবলৈ নেৱাজ পীৰক হাজোস্থিত গিয়াছুদ্দিন আউলীয়াৰ দৰগাহলৈকো পঠোৱা হৈছিল। এই প্ৰসংগত জে পি ৱেডে উল্লেখ কৰে,[২৩] 'A Muslim of the name of Newas was gooroo-general of his persuasion in Assam from about the time of Roodra Singha. He had numerous attendants. He dressed in high Musalman fashion. He resided at or near the capital and frequently visited the Darbar and the Swargadeos used to despatch him to pray at Hajoo after the Musalman fashion for their prosperity.'[২৩]

অসমলৈ অহা পীৰ-ফকীৰ, আউলীয়াসকলৰ আটাইকে মুছলমান সেনাপতিসকলে অনা নহয়। ভিন ভিন পণ্ডিতৰ লেখাৰ পৰা বুজা যায় যে দশম-একাদশ শতিকামানৰ পৰা নৈষ্ঠিক ইছলামীয় সাধকসকলৰ বহুতৰ দ্বাৰা ধৰ্মৰ বাবে সৰ্বস্ব ত্যাগ কৰি দেশে দেশে ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ যোৱাৰ অঘোষিত প্ৰথা এটা মুছলমান ৰাজ্যসমূহত, বিশেষকৈ মধ্যপ্ৰাচ্যৰ দেশসমূহত প্ৰচলিত হৈ আহিছিল। যেতিয়া এজন ব্যক্তিয়ে ইছলাম ধৰ্মৰ জ্ঞান অৰ্জন কৰাত ব্যুৎপত্তি লাভ কৰিছিল, তেতিয়া তেওঁ অনুভৱ কৰিছিল যে তেওঁ অৰ্জন কৰা ধৰ্মীয় জ্ঞান সৰ্বসাধাৰণৰ মাজত বিলাই দিয়াটো তেওঁৰ কৰ্তব্য। গতিকে বহু ইছলামধৰ্মীয় সাধকে ইছলাম ধৰ্ম প্ৰচাৰাৰ্থে ঘৰ-দুৱাৰ, বংশ-পৰিয়াল তথা জন্মভূমি চিৰকাললৈ ত্যাগ কৰি যিয়ে যেতিয়া পাৰিছিল, ধৰ্ম প্ৰচাৰ কৰিবলৈ ওলাই গৈছিল। নিশ্চয় এনে প্ৰথাৰ বশৱৰ্তী হৈয়েই মধ্যপ্ৰাচ্যৰ মুছলমান ৰাজ্যসমূহৰ পৰা শতাধিক ইছলামীয় পীৰ, ফকীৰ, শাস্ত্ৰজ্ঞ পণ্ডিতে চিৰদিনলৈ ঘৰ-দুৱাৰ, বংশ-পৰিয়াল, জন্মভূমি ত্যাগ কৰি ধৰ্ম প্ৰচাৰ কৰিবলৈ ওলাই গৈছিল। নিশ্চয় সমাজৰ এনে ধৰ্মীয় ধাৰাৰ বশৱৰ্তী হৈয়ে বহু পীৰ, ফকীৰ, আউলীয়া অসমলৈ আহিছিল। তেওঁলোকৰ বহুতেই আধ্যাত্মিক গুণসম্পন্ন আছিল। তেওঁলোকৰ দ্বাৰা প্ৰদৰ্শিত অলৌকিক ঘটনাৰাজিয়ে তেওঁলোকৰ মাহাত্ম্যৰ ইংগিত দিয়ে। সি যি কি নহওক তেওঁলোক আছিল ফকীৰ। ধৰ্মৰ নামত ঘৰ-দুৱাৰ, সা-সম্পত্তি, জন্মভূমি সকলো ত্যাগ কৰি চিৰদিনৰ বাবে ওলাই অহা লোক। মানুহৰ মাজত খুজি-মাগি খাই তেওঁলোকে দিন অতিবাহিত কৰে। সমাজৰ লোকসকলেহে তেওঁলোকৰ কৰ্মৰ মাহাত্ম্য দেখিবলৈ বা বুজিবলৈ পায় আৰু তেওঁলোকে তেওঁলোকৰ মাজত থকা সাধকগৰাকীক শ্ৰদ্ধা-ভক্তি কৰে। অৱশেষত সাধকৰ মৃত্যু হ'লে তেওঁৰ সমাধিক পৱিত্ৰ 'দৰগাহ' হিচাপে গণ্য কৰা হয়। এনে কিছুমান ফকীৰ কেতিয়া, কেনেকৈ আহে, ক'ত থাকে, কি কৰে, কিদৰে মৃত্যুবৰণ কৰে, তাৰ কোনো দিন-কাল ৰজাঘৰৰতো কথাই নাই, প্ৰজায়ো লিপিবদ্ধ কৰি নাৰাখিছিল। কিন্তু তেওঁলোকৰ গুণ তথা কৰ্মৰাজি মানুহৰ মাজত মৌখিকভাৱে আলোচিত হৈ থাকে। ফলত এইসকল সাধক একোটা

কিম্বদন্তিত পৰিণত হয়। আমি অসমলৈ ধৰ্মপ্ৰচাৰৰ নামত বহু পীৰ-ফকীৰ অহাৰ সম্ভেদ পাওঁ। অসমৰ ভিন-ভিন ঠাইত বহু সাধকৰ কবৰ পোৱা গৈছে। ইয়াৰ সৰহখিনি সপোনত বা কোনো অস্বাভাৱিক ঘটনাৰ ফলত উদ্ধাৰ কৰা হৈছে। সেই কাৰণে অসমৰ বহু দৰগাহৰ সৈতে কিছুমান কিম্বদন্তি, অলৌকিক কাহিনী জড়িত হৈ আছে। এনে কিম্বদন্তি বা অলৌকিক কাহিনীক কোনোৱে বিশ্বাস কৰে, কোনোৱে নকৰে। গতিকে এইদৰে বিশ্বাস-অবিশ্বাসৰ মাজতে এই দৰগাহ, মাজাৰসমূহ বৰ্তি আছে।

সি যি কি নহওক, অসমত ইতিমধ্যে উদ্ধাৰ হোৱা দৰগাহসমূহ লক্ষ্য কৰিলে আমি নিশ্চিত হ'ব পাৰোঁ যে অসমলৈ বিগত আঠোটা শতিকাৰ ভিন ভিন সময়ত ভিন ভিন দেশৰ পৰা ধৰ্মপ্ৰচাৰ কৰিবলৈ বহুসংখ্যক ইছলামীয় সাধক আহিছিল। লগতে আমাৰ অসমৰো কেইবাগৰাকী ব্যক্তি গুণসম্পন্ন হৈ পৰিছিল আৰু তেওঁলোকৰ সমাধিকো অনুগামীসকলে দৰগাহ, মাজাৰ স্বৰূপে মানি আহিছে। হাজোৰ কলিতাকুছিৰ আদম গুৰুৰ দৰগাহ, কাছাৰ জিলাৰ মখা চাহৰ দৰগাহ, বাখৰ চাহৰ দৰগাহ আদি স্থানীয় সাধকৰ দৰগাহ।

নামনি অসমত সত্য পীৰৰ প্ৰভাৱ অধিক। তেওঁৰ মাহাত্ম্যত মুগ্ধ হৈ হিন্দু-মুছলমান উভয়ে শ্ৰদ্ধা-ভক্তি কৰিছিল। আজিও একাংশ হিন্দু লোকে সত্যনাৰায়ণ (পীৰ)ৰ পূজা আৰু মুছলমানে চিন্নি পাতে। তলৰ কাব্যাংশ দুটি পীৰে নিজে ৰচনা কৰা যেনেই লাগে।[২৪] যদিও আচল ৰচকৰ নাম জনা নাযায়।

"যেই সত্য নাৰায়ণ সেই সত্য পীৰ
দুই কুলে লৈছে সেৱা কৰিয়া জাহিৰ।"
"সত্য পীৰ নামে পূজা কৰিবে যৱনে (মুছলমানে) এৰূপ
কৰিবে সেৱা যাৰ যেই মনে।"

অসমলৈ অহা মাদাৰী পীৰক (ফকীৰ) চাহ মাদাৰ পীৰ নামেৰেও জনা যায়। মদিনাৰ বাসিন্দা আৰু ইছলামী গুৰু মহম্মদ বুস্তামীৰ শিষ্য বুলি কোৱা মাদাৰী পীৰ সোতৰশ শতিকাৰ আগভাগত অসমলৈ অহা বুলি ধাৰণা হয়। কাৰণ আহোম ৰজা প্ৰতাপসিংহৰ দিনত ঘটা নিমিষাৰ যুদ্ধত মোগলৰ

পৰাজয় হোৱাত ‘মাদাৰী বঙ্গাল’ আহোমৰ হাতত বন্দী হয়।[২৫] ভৰলুমুখৰ যুদ্ধত মোগলৰ পৰাজয় হয়। তাতে ‘মাদাৰী বঙ্গালক পালে।’[২৫]

নামনি অসমৰ মানুহৰ মুখত ‘পাগল পীৰ’ৰ কথা শুনা যায়। জনশ্ৰুতি অনুসৰি পাগল পীৰক দেখিলে বলীয়া কুকুৰ, বলীয়া শিয়ালো বশ হৈ পৰিছিল। এইজনা পীৰ কেতিয়া, কেনেকৈ অসমলৈ আহিছিল, তাৰ সম্ভেদ পোৱা নাযায়। গোৱালপাৰা জিলাৰ পাটপাৰা গাঁৱত পাগল পীৰৰ দৰগাহ থকা বুলি জনা যায়।

পাগল পীৰৰ সমসাময়িক আৰু দুজনা ফকীৰ গোৱালপাৰালৈ আহে। জনশ্ৰুতি অনুসৰি এই ফকীৰ দুগৰাকী কোনো মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰীৰ লগত অসমলৈ আহিছিল। গোৱালপাৰা জিলাৰ ডাকাইদল নামৰ ঠাইত তেওঁলোকৰ এজনৰ দৰগাহ আছে। এই দৰগাহক পাঞ্জাতন দৰগাহো বোলা হয়। এই পুৰণি দৰগাহ ইতিমধ্যে ব্ৰহ্মপুত্ৰত জাহ গৈছে। আনগৰাকী পীৰৰ দৰগাহ গোৱালপাৰাৰ ডেকা ধোৱা নামৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ এটা টিলাৰ ওপৰত আছে। এই দৰগাহৰ সাধকগৰাকীৰ নাম ‘পীৰ চৈয়দ ওৱাহেদ আলী চিস্তিয়া’ বুলি ফলক আঁৰি থোৱা এই লেখকে প্ৰত্যক্ষ কৰে।

ত্ৰয়োদশ শতিকাতে অসমলৈ অহা আন এগৰাকী ফকীৰ আছিল জালালুদ্দিন তাব্ৰিজী। বহু মাহাত্ম্যপূৰ্ণ এইগৰাকী ফকীৰৰ দৰগাহ গুৱাহাটীৰ গাড়ীগাঁৱত আছে।

ব্ৰিটিছ যুগত লঙ্গৰ চাহ নামৰ এগৰাকী ফকীৰ গোলাঘাটলৈ আহে। এইগৰাকী ফকীৰৰ মাহাত্ম্যত আকৰ্ষিত হৈ তেওঁৰ সমসাময়িক ব্ৰিটিছ বিষয়াই ফকীৰক ১৪ বিঘা মাটি দান দি স্ব-ধৰ্ম চৰ্চা কৰি থকাৰ সুবিধা দিয়ে। ফকীৰৰ মৃত্যুত সেই মাটিতে ফকীৰক কবৰ দিয়া হয়। তেওঁৰ দৰগাহৰ নামত ‘ফকীৰ বাৰী’ আখ্যাৰে উক্ত ১৪ বিঘা মাটি বৰ্তমানেও অক্ষুণ্ণ আছে। আনহাতে, কাছাৰ জিলাৰ লক্ষীপুৰ আৰু মাছিমপুৰত লঙ্গৰ চাহৰ মোকাম আছে। উক্ত মোকামত লংগৰ চাহৰ সমাধি থকাৰ সম্ভেদ পোৱা নাযায়। প্ৰকৃততে তেওঁ লক্ষীপুৰ আৰু মাছিমপুৰ এলেকাত কিছু বছৰ থাকি ধৰ্মপ্ৰচাৰ কৰিছিল। সেই কাৰণে মানুহে তেওঁ ধৰ্মাশ্ৰম পতা ঠাইক মোকাম হিচাপে মানি আহিছে।

বৰাকৰ জনশ্ৰুতি অনুসৰি কাছাৰৰ পৰা লঙ্গৰ চাহ মণিপুৰ হৈ ব্ৰহ্মদেশলৈ যায়।

উল্লেখ্য যে যদিও মণিপুৰৰ পৰা লংগৰ চাহ ব্ৰহ্মদেশলৈ যোৱা বুলি কাছাৰবাসীয়ে বিশ্বাস কৰে, আমাৰ বোধেৰে ঠায়ে ঠায়ে আশ্ৰম বা খানকাহ পাতি ধৰ্মপ্ৰচাৰ কৰি ফুৰা লঙ্গৰ চাহ নিশ্চয় মণিপুৰৰ পৰা ব্ৰহ্মদেশলৈ নহয়, গোলাঘাটলৈহে গুচি আহে আৰু তাতেই তেওঁৰ মৃত্যু হয়। কাৰণ গোলাঘাটৰ দৰগাহ কোনো সপোনত বা অস্বাভাৱিক ঘটনাৰ ফলত উদ্ধাৰ হোৱা নাই বুলি আমি জানো।

হজৰত আবুল কাছিম খোৰাছানী পীৰে বহুদেশ ঘূৰি ঘূৰি আহি ভাৰতবৰ্ষ পায়হি আৰু ভাৰতৰ ভিন ভিন ঠাইত ধৰ্মপ্ৰচাৰ কৰাৰ অন্তত অসমৰ গোৱালপাৰাত উপস্থিত হৈ ধৰ্ম প্ৰচাৰ কৰি থাকে। ১৮৯৬ খ্ৰীঃত মৃত্যুবৰণ কৰা এইজন ফকীৰৰ দৰগাহ গোৱালপাৰা নগৰৰ মাজমজিয়াতে আছে।

গোৱালপাৰা নগৰতে 'আউলীয়া মাজাৰ' নামে খ্যাত আন এটি মাজাৰ আছে। কিন্তু এইগৰাকী আউলীয়া কোন আছিল, জানিব পৰা নগ'ল।

ইতিমধ্যে সপোনৰ আলমত কামৰূপৰ আমিনগাঁৱৰ সমীপৱৰ্তী আগিয়াঠুৰি পাহাৰৰ ওপৰত হজৰত চাহ কুতুবুদ্দিন আউলীয়াৰ দৰগাহ উদ্ধাৰ হৈছে।

গোৱালপাৰা জিলাৰ জলেশ্বৰৰ কটাৰীহাৰাত আছে হজৰত চাহ চৈয়দ নাচিৰুদ্দিন আহমদ কাদেৰী বোগদাদী চাহাবৰ মাজাৰ। ব্ৰিটিছাধীন কালত অসমলৈ আগমন ঘটা এইগৰাকী সাধকৰ উত্তৰপুৰুষে বৰ্তমানেও উক্ত দৰগাহ পৰিচালনা কৰি আহিছে। দৰগাহৰ গইনা লৈ দৰগাহ চৌহদত মাদ্ৰাছা আৰু মছজিদ গঢ় লৈ উঠিছে।

বাইহাটা চাৰিআলিৰ ওচৰৰ টেঙাবাৰীত আছে হজৰত চাহজালাল কুতুব চাহাবৰ দৰগাহ। এইভাগ মাজাৰৰ সন্ধান সপোনত প্ৰাপ্ত।

উত্তৰ গুৱাহাটীৰ বৰ ৰংমহলত হজৰত চাহ কুতুব জামালুদ্দিন চাহাবৰ দৰগাহ আছে। এই দৰগাহৰ বিষয়ে বিশেষ একো জানিব পৰা নগ'লেও দৰগাহভাগ বহু পুৰণি যেন বোধ হ'ল।

বাইহাটা চাৰিআলিৰপৰা কেইকিলোমিটাৰমান দূৰৰ সেপকুছিত চৈয়দ চুলতান কাৰী চাহাবৰ মাজাৰ আছে। কাৰী হিচাপে তেওঁ অঞ্চলত প্ৰসিদ্ধ।

গুৱাহাটীৰ সিজুবাৰীত মখদুম চাহৰ দৰগাহ আছে। কথিত আছে যে মখদুম চাহ এগৰাকী মাহাত্ম্যপূৰ্ণ সাধক আছিল। আমি চতুৰ্দশ শতিকাত ছিলেটলৈ আগমন কৰা হজৰত চাহজালালৰ ৩৬০ জন আউলীয়াৰ নামৰ তালিকাত হজৰত মাখদুম ৰহিম, হজৰত মাখদুম ৰহিমুদ্দিন, হজৰত মাখদুম নিজামুদ্দিন ওচমানী আৰু হজৰত মাখদুম জাফৰ গজনবী নামৰ চাৰিজন আউলীয়াৰ নাম পাওঁ। হজৰত চাহজালালে নিজে ছিলেটত থাকি লগত অহা ৩৬০ গৰাকী আউলীয়াক চৌপাশৰ ঠাইবোৰত ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠাইছিল। সেয়েহে আমাৰ ভাব হয় যে ওপৰত নামোল্লেখ কৰা আউলীয়াকেইগৰাকীৰ কোনো এগৰাকীয়ে হয়তো ব্ৰহ্মপুত্ৰ উপত্যকাৰ ফালে ধৰ্ম প্ৰচাৰ কৰিবলৈ আগুৱাই আহি মানুহৰ হুলস্থূলৰ পৰা কিছু আঁতৰত সিজুবাৰীস্থ সৰু পাহাৰৰ টিলাৰ ওপৰত আশ্ৰম পাতি ধৰ্ম প্ৰচাৰ কৰি আছিল। যদি মখদুম চাহ চাহজালালৰ শিষ্য হয়, তেন্তে তেওঁ চতুৰ্দশ শতিকাত অসমলৈ অহা সাধক হ'ব পাৰে।

গুৱাহাটীৰ উলুবাৰীত আছে জাহিৰ আলী চাহাবৰ দৰগাহ। শুনা মতে, এইগৰাকী সাধকো অতি মাহাত্ম্যপূৰ্ণ আছিল। আমি চাহজালালৰ ৩৬০ জন আউলীয়াৰ নামৰ তালিকাত 'হজৰত চৈয়দ জওৱাহিৰ নামৰ এজন আউলীয়াৰ নাম পাওঁ। সেয়েহে প্ৰশ্ন হয় যে চাহজালালৰ সংগী আউলীয়া 'হজৰত চৈয়দ জওৱাহিৰ' আহি অসমৰ মানুহৰ মাজত 'জাহিৰ' হ'ল নেকি?

বৰপেটা জিলাৰ খানকাৰপাৰা গাঁৱত চৈয়দ চাহনুৰ দেৱানৰ দৰগাহ আছে। আহোমৰাজৰ পৰা পীৰপাল মাটি লাভ কৰা এই দৰগাহ সুন্দৰভাৱে সু-সজ্জিত আৰু সংৰক্ষিত।

মক্কাৰপৰা দেশে দেশে ধৰ্ম প্ৰচাৰ কৰি আহি নগাঁৱৰ ৰাইদঙীয়াৰ কাষৰ ভকতগাঁৱত বাহৰ পাতিছিল চৈয়দ তোৱাহেৰ মদিনী কেবলা চাহাবে। এওঁ বৰ বেছি বছৰৰ আগৰ লোক নহয়। মদিনী চাহাবৰ মাজাৰ ভকতগাঁৱত আছে।

বগা চাহ নামৰ এজন ফকীৰৰ দৰগাহ ডিব্ৰুগড় পাঁচআলিত আছে।

এইগৰাকী সাধক ডেৰ-দুই শতিকাৰ পূৰ্বৰ লোক আছিল।

ডেকা বয়সত লখিমপুৰ জিলাৰ বিলতীয়া গাঁৱত এজন ডেকাই ধৰ্ম প্ৰচাৰ কৰিছিল। ডেকা বয়সত ফকীৰ হৈ ওলাই অহা বাবে সম্ভৱ ৰাইজে তেওঁক 'ডেকা ফকীৰ' বুলিবলৈ লৈছিল। বিলতীয়া গাঁৱতে ডেকা ফকীৰৰ মাজাৰ আছে।

আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে চৈয়দ চাহ মিৰান বা আজান ফকীৰৰ অসম আগমন। চৈয়দ চাহ মিৰানে লগত ভায়েক নবীপীৰ আৰু কেইগৰাকীমান সহযোগী ফকীৰক লৈ সোতৰ শতিকাৰ প্ৰথমাৰ্ধতে অসমত প্ৰৱেশ কৰে।[২৬] সুদূৰ বাগদাদত জন্মগ্ৰহণ কৰা চাহ মিৰান আৰু নবীয়ে দেশে দেশে পদব্ৰজে ধৰ্মপ্ৰচাৰ কৰি আহি ভাৰতবৰ্ষৰ আজমীৰস্থিত খাজা মইনুদ্দিন চিস্তীৰ দৰগাহত (হয়তো ধৰ্মাশ্ৰমত) কিছুদিন থাকি চিস্তীয়া চুফী দৰ্শন গ্ৰহণ কৰি দিল্লীলৈ গৈ নিজামুদ্দিন আউলীয়াৰ ধৰ্মাশ্ৰমতো কিছুদিন থাকে। তাৰপৰা তেওঁলোক ভাৰতৰ ভিন ভিন ঠাই ঘূৰি-পকি আহি অসম পায়হি। অসমলৈ আহি চাহ মিৰানে জানিব পাৰিছিল যে পূৰ্বৰপৰা অসমত বসবাস কৰি অহা বহু মুছলমান ইছলামৰ পৰা বিচলিত হোৱাৰ পথত। গতিকে অসমৰ এই ধৰ্মচ্যুত হ'ব খোজা মানুহখিনিক আকৌ ইছলামলৈ ঘূৰাই অনাটো তেওঁৰ মূল কৰ্তব্য। সেয়ে তেওঁ অসমকে তেওঁৰ কৰ্মক্ষেত্ৰ বুলি গণ্য কৰি জীৱনৰ বাকী সময়খিনি অসমতে কটাবলৈ মনস্থ কৰিলে আৰু অসমত বিয়া-বাৰু কৰাই ঘৰ-সংসাৰ কৰি থাকিবলৈ ল'লে। এওঁক ঘাইকৈ আজান ফকীৰ বুলি জনা যায়।

আজান ফকীৰে অসমৰ সমাজ জীৱনৰ চাৰি চুক লক্ষ্য কৰি এনে অনুমান কৰিছিল যে অসমৰ সৰহখিনি মুছলমান কেৱল নামৰ মুছলমান। তেওঁলোকৰ মাজত ইছলামৰ নীতি-নিয়ম একোৱেই প্ৰচলিত নাছিল। ভিন ভিন দেৱ-দেৱীৰ পূজা-পাৰ্বণ অনুষ্ঠিত কৰি, কুকুৰা যুঁজাই, টকা ধাৰলৈ দি সুত খাই বা থলুৱা ৰাগীয়াল পানীয় গ্ৰহণ কৰি তেওঁলোকে সম্পূৰ্ণ ইছলামৰ পৰিপন্থী ধাৰা এটাৰে জীৱন অতিবাহিত কৰিছিল। আকৌ নাম-কীৰ্তন, পূজা-পাৰ্বণ আদিৰ প্ৰতি তেওঁলোক এনেদৰে আকৃষ্ট হৈছিল যে পোনছাটে

এইসকলক ইছলামলৈ ঘূৰাই অনাটোও জটিল। তদুপৰি অসমৰ হিন্দু-মুছলমানৰ মাজত যি গভীৰ সমন্বয়, তাক নষ্ট কৰিবও নোৱাৰি। এনে এক অৱস্থাত আজান ফকীৰে এনে উপায়েৰে ধৰ্মপ্ৰচাৰ কৰিবলৈ লৈছিল যাতে তাৰ ফলত ধৰ্মচ্যুত হ'ব বিচৰা মানুহখিনি ইছলামলৈ ঘূৰি আহে আৰু হিন্দু-মুছলমানৰ মাজৰ সম্পৰ্কও অক্ষুণ্ণ থাকে। উক্ত উপায় অনুসৰি ফকীৰে থলুৱা নাম, কীৰ্তনৰ সুৰ, তাল, লয়ৰ সৈতে সামঞ্জস্য ৰাখি অসমীয়া ভাষাত মৌখিকভাৱে শতাধিক জিকিৰ গীত ৰচনা কৰি লগত ভকতবৃন্দক লৈ পৰিৱেশন কৰিবলৈ ল'লে। মন কৰিবলগীয়া এই যে ফকীৰে কোৰান-হাদীছৰ সাৰভাগক বিষয়বস্তু কৰি জিকিৰ গীতসমূহ ৰচনা কৰিছিল। ভকতবৃন্দই এই গীতসমূহ পৰিৱেশন কৰোঁতে কৰোঁতে ক্ৰমান্বয়ে গীতৰ সাৰমৰ্ম বুজি পাইছিল আৰু তেতিয়াহে তেওঁলোকে বুজিব পাৰিছিল যে তেওঁলোক ইছলামৰ পৰা বহু আঁতৰি গৈছে। গতিকে আজান ফকীৰৰ জিকিৰৰ যোগেৰে অসমৰ হাজাৰ হাজাৰ মুছলমান ধীৰ গতিৰে হ'লেও ইছলামলৈ পুনৰ ঘূৰি আহিছিল। আজান ফকীৰে জিকিৰৰ যোগেৰে যে কেৱল ইছলাম ধৰ্মহে প্ৰচাৰ কৰিছিল এনে নহয়, তেওঁ জিকিৰৰ যোগেৰে অসমৰ ৰজা-প্ৰজাৰ মংগল কামনা কৰাৰ উপৰি হিন্দু-মুছলমানৰ মাজত সমন্বয়ৰ ভেটিও ৰচনা কৰিছিল। ইছলাম ধৰ্মৰ কলিমা, নামাজ, ৰোজা, জাকাত, হজ আদি পাহৰি যোৱা অসমৰ মুছলমানক, বিশেষকৈ শিৱসাগৰীয়া মুছলমানক নামাজলৈ আহ্বান জনাই চাহ মিৰানে নিতৌ পাঁচবাৰ আজান দিছিল। সেই কাৰণে শিৱসাগৰৰ মুছলমানে সদায় পুৱা-গধূলি আজান দি থকা ফকীৰজনাক 'আজান ফকীৰ' নাম দিয়ে। আজান ফকীৰৰ সংগী ফকীৰকেইজন নবী, আব্দুল গনী বা খণ্ডকাৰ পীৰ, চাৱাল পীৰ আৰু চালেহে পীৰ আছিল বুলি জনা যায়।

চাহ ফকীৰ নামৰ এজন সাধক আহি কামৰূপৰ বৰনগৰ অঞ্চলত বসবাস কৰি আছিল।[২৭]

স্বৰ্গদেউ লক্ষ্মীসিংহৰ দিনত আনোৱাৰ হাজী ফকীৰক কামৰূপত তামৰ ফলি কৰি 'খাতোৱাল মানুহ সমন্বিতে মাটি-বৃত্তি দি চাৰিটি মোকাম আৰু বৰদৰগাহ ভোগ দখলৰ স্বত্ব' দিয়া হয় বুলি বুৰঞ্জীয়ে উল্লেখ কৰে। [২৮]

প্ৰমত্ত সিংহ স্বৰ্গদেৱে ১৭৫০ খ্ৰীঃত মাণিক নামে এজন ফকীৰক ফলি কৰি 'নানকাৰ' মাটি দান কৰিছিল।[২৯]

গোলাঘাটৰ বৰগৰীয়াত আছে জংগী চাহৰ দৰগাহ। অতি মাহাত্মপূৰ্ণ আছিল বাবে মানুহে তেওঁক 'জংগী' আখ্যা দিছিল।

এইসকলৰ লগতে আমি জিকিৰ গীতসমূহৰ পৰা জানিব পাৰোঁ যে মজনুদিল ফকীৰ, চেখ ফৰিদ, চৈয়দ মৰতোজা, গোলাম হুছেইন আদি অসমলৈ অহা উল্লেখযোগ্য ইছলামীয় সাধক আছিল। এইকেইগৰাকীয়ে আজান পীৰৰ আৰ্হিৰে জিকিৰ গীতো ৰচনা কৰি থৈ গৈছে।

আনহাতে, বৰাক উপত্যকালৈ আগমন ঘটা পীৰ-ফকীৰৰ সঠিক সংখ্যা বিচাৰি পোৱা টান। আমি ওপৰত হজৰত চাহজালাল আৰু তেওঁৰ ৩৬০ জন সহযোগী আউলীয়া অহাৰ কথা উল্লেখ কৰিছোঁ। চাহজালালে এই ৩৬০জন আউলীয়াক ছিলেটৰ চৌপাশৰ চুবুৰীয়া অঞ্চলসমূহত ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠাইছিল। উক্ত ৩৬০গৰাকী আউলীয়াৰ বহুতেই বৰাক উপত্যকাত ধৰ্ম প্ৰচাৰ কৰি আছিল। তাৰ ভিতৰত বৰ্তমানলৈকে উদ্ধাৰ হোৱা কেইগৰাকীমান আউলীয়া হৈছে— চাহ ইউচুফ, আদম, খাকি, বদৰুদ্দিন চাহ, মহম্মদ খিদুৰ, জিন্দাপীৰ, চাহনুৰ, চাহ চিকাণ্ডৰ গাজী, চাহ চান্দ আলী, পাতা চাহ, চাহ মোন্নাফ, চাহ আম্বৰ, চাহ জিয়াউদ্দিন, মীৰ সাৰ্পিন, চাহ আব্দুল্লা, নাতান চাহ আদি। তদুপৰি চাহজালালৰ সংগী আউলীয়াসকলৰ বাদে স্ব-ইচ্ছাৰেও আৰু বহু পীৰ-ফকীৰৰ বৰাক উপত্যকালৈ আগমন ঘটে। সেইসকলৰ কেইজনমান হ'ল— মস্তৰ চাহ, ফেৰুটুপি ফকীৰ, বাখৰ চাহ, আদিল চাহ, হজৰত খাজা হাচান, নখৰালা পীৰ, মৰ্জাৎ খাঁ, চাহ সাগৰ, কাজী ওমৰ য়েমেনী উদলা চাহ, আঞ্জা বাবা ইত্যাদি।

ওপৰত আমি ইতিহাসৰ বিভিন্ন ক্ষণত বিভিন্ন সূত্ৰে অহা বহু পীৰ-ফকীৰৰ নাম পাওঁ। এইসকলৰ বহুতে তেওঁলোকৰ নিজ দেশলৈ প্ৰত্যাৱৰ্তন কৰা নাছিল; অসমতে ৰৈ গৈছিল। সেই পীৰ ফকীৰ আউলীয়াসকলৰ বহুতে আকৌ অসমতে বিয়া-বাৰু কৰাই ঘৰ-সংসাৰ কৰি বসবাস কৰি আহিছিল। আজান ফকীৰ, নবী, চালেহ, খণ্ডকাৰ পীৰ, চাহ ইউচুফ, চৈয়দ নাচিৰুদ্দিন,

আদম গুৰু, চাহনুৰ দেৱান আদি বহু পীৰৰ বংশধৰ অসমৰ বিভিন্ন ঠাইত বসবাস কৰি আছে। এই পীৰ, ফকীৰ, আউলীয়াসকলৰ বংশ-পৰিয়ালেও অসমৰ মুছলমানৰ সংখ্যা বৃদ্ধিত যথেষ্ট অৰিহণা যোগায়।

## ৰজাঘৰীয়া পৃষ্ঠপোষকতাত বসবাস

অসমৰ স্বাৰ্থত কেইগৰাকীমান আহোম ৰজাৰ দ্বাৰা কিছুসংখ্যক মুছলমানক দিল্লীৰ বাদচাহৰ অনুমতিক্ৰমে অসমলৈ অনাই মাটি-ভেটি দি থাপিত কৰা হৈছিল। ইয়াৰ কাৰণ—প্ৰাচীন কালৰে পৰা ভাৰতৰপৰা বিচ্ছিন্ন হৈ স্বাধীনভাৱে থকা আৰু ভাৰতবৰ্ষৰ একোণত অৱস্থিত হোৱাৰ হেতু ভাৰতৰ অন্যান্য ৰাজ্যসমূহৰ সৈতে অসমৰ বিশেষ যোগসূত্ৰ আৰু সান্নিধ্য ঘটিব পৰা নাছিল। ফলত ভাৰতৰ অন্যান্য ঠাইৰ কৃষ্টি-সংস্কৃতি আৰু অসমৰ কৃষ্টি-সংস্কৃতিৰ মাজত ক্ষেত্ৰ বিশেষে পাৰ্থক্য দেখা দিছিল আৰু অসমৰ শিল্পকলাত কিছু পৰিপূৰকৰ আৱশ্যক হৈছিল।

অসমীয়া জাতিৰ এক বৃহৎ অংশ গ্ৰহণ কৰিছে তিব্বত, দক্ষিণ চীন আৰু দক্ষিণ-পূব এছিয়াৰ পৰা ভিন ভিন অৱস্থাত আৰু পৃথক পৃথক দল হৈ অহা তিব্বতীয় ভাষা-ভাষীসকলে। ইয়াৰ পাছত ত্ৰয়োদশ শতিকাৰ ধলপুৱাতে আহি এই দেশত নিগাজী হোৱা টাইসকলে পৰৱৰ্তী ছশ বছৰ ধৰি দেশ শাসন কৰি আহিছিল। অসমৰ উত্তৰ তথা উত্তৰ-পূব দিশেৰে এই দেশত প্ৰৱেশ কৰা এই তিব্বতবৰ্মী আৰু টাইসকলে জনসংখ্যাৰ ক্ষেত্ৰত বৃহৎ অসমীয়া জাতিৰ সিংহভাগ দখল কৰিছিল। ফলত তিব্বতবৰ্মী আৰু টাই কৃষ্টি-সংস্কৃতিয়ে মধ্যযুগত অসমীয়া সংস্কৃতিৰ ৰহণ চৰাইছিল। আনহাতে আৰ্য হিন্দু আৰু মুছলমানসকল পশ্চিম ফালৰপৰা অহা বাসিন্দা। এইসকলৰ যোগেৰেহে মধ্যযুগৰ প্ৰথমভাগত গঢ় লৈ উঠা ভাৰতীয় আৰু মধ্য এছিয়াৰ শিল্প-সংস্কৃতিৰ কিছু প্ৰভাৱ লুইতপৰীয়া সংস্কৃতিৰ ওপৰত পৰিছিল।

এখন পুৰণি আৰু বিশাল সুসভ্য দেশ হিচাপে ভাৰতীয় সভ্যতা-সংস্কৃতি যথেষ্ট চহকী আছিল। তাতে দিল্লীৰ চুলতান আৰু মোগল বাদচাহসকলৰ প্ৰচেষ্টাৰ ফলত ভাৰতীয় সংস্কৃতিত মধ্য আৰু পশ্চিম এছিয়াৰ সংস্কৃতিৰ নতুন নতুন সংযোজন ঘটোৱা হৈছিল। তেওঁলোকৰ দ্বাৰা সুদূৰ

ইৰানৰ পৰা দক্ষ স্থপতিবিদ আনি নানা মনোমোহা ৰাজপ্ৰাসাদ, মিনাৰ, দুৰ্গ, সমাধি আদি নিৰ্মাণ কৰা হৈছিল। বিশেষকৈ মোগল বাদচাহসকলৰ ৰাজত্ব কালত স্থাপত্য, ভাস্কৰ্য, চিত্ৰকলা আদি সকলোতে উত্তৰণ ঘটা ভাৰতীয় সংস্কৃতি যোড়শী গাভৰুজনীৰ দৰে জাকত জিলিকা হৈ পৰিছিল।

কিন্তু আহোম শাসনৰ দ্বিতীয়াৰ্ধলৈকে অসম উন্নত স্থাপত্য নিৰ্মাণত বহুখিনি পিছ পৰি আছিল। ডিমাপুৰ বা তাৰ আশ-পাশৰ অঞ্চলত কিছু পুৰণি ইটাৰে নিৰ্মিত ঘৰ-দুৱাৰৰ ভগ্নাৱশেষ ইতিমধ্যে উদ্ধাৰ কৰা হৈছে যদিও আহোম ৰাজ্যত ৰাজত্ব কালৰ প্ৰথমাৰ্ধত কোনো পকী ঘৰ-দুৱাৰ নিৰ্মাণ কৰিব পৰা নহৈছিল। ৰজাৰ ৰাজপ্ৰাসাদো সজা হৈছিল ডাঙৰ ডাঙৰ কাঠৰ খুঁটাৰেহে। কেৱল পকী ঘৰ-দুৱাৰ নিৰ্মাণতে নহয়, খাৰ-বাৰুদৰ ব্যৱহাৰ, মাৰণাস্ত্ৰ নিৰ্মাণ, শিলৰ দৌল-দেৱালয়, সাঁকো আদি নিৰ্মাণ, চিত্ৰকলা, বয়ন শিল্প, দৰ্জী বিদ্যা আদি বহু দিশত অসম পিছ পৰি ৰৈছিল। অৱশ্যে অসমত প্ৰাচীন কালৰে পৰা বয়ন শিল্প প্ৰমুখ্যে ভিন ভিন থলুৱা শিল্পৰ প্ৰচলন আছিল; কিন্তু তুলনামূলকভাৱে সেইবোৰ অতি উন্নত মানৰ আৰু মনোগ্ৰাহী নাছিল নিশ্চয়।

দীঘলীয়া প্ৰায় পাঁচশ বছৰ ধৰি অসম-মুছলমান ৰাজশক্তিৰ মাজত ধাৰাবাহিকভাৱে যুদ্ধ-বিগ্ৰহ সংঘটিত হৈ আহিছিল। এই যুদ্ধসমূহত দুয়োপক্ষৰে হাৰ-জিত হৈছিল আৰু পৰস্পৰে পৰস্পৰৰ সৈন্য বন্দী কৰি ৰাখিছিল। বিজিত দলৰ সম্পত্তি হস্তগতকৰণৰ লগতে তেওঁলোকৰ মাজত সন্ধি স্বাক্ষৰিতকৰণ, ৰাজদূত প্ৰেৰণ আদি কৰ্মৰ বেলিকা কিছুমান বঁটা-বাহন দিয়া হৈছিল। এই বঁটা-বাহনসমূহ আৰু বন্দী সৈন্যসমূহৰ পৰা পৰস্পৰৰ শাসক গোষ্ঠীয়ে পৰস্পৰৰ কিছুমান কৃষ্টি, আচাৰ-আচৰণ, সাজপাৰ, যুদ্ধাস্ত্ৰ আদিৰ বিষয়ে জানিব পাৰিছিল। উদাহৰণস্বৰূপে তুৰ্বকৰ সৈতে সংঘটিত যুদ্ধৰ ফলতে অসমে বন্দুক-বাৰুদ ব্যৱহাৰ কৰিবলৈ পায়। সেইবোৰৰ চিত্তাকৰ্ষক কৃষ্টিসমূহ অসমে গ্ৰহণ কৰিছিল।

গতিকে অসম-মুছলমান ৰাজশক্তিৰ দীঘলীয়া যুদ্ধ-বিগ্ৰহৰ ফলত যি ৰাজনৈতিক যোগসূত্ৰ স্থাপন হৈছিল, তাৰ পৰা কিছুসংখ্যক আহোম ৰজাই

কৃষ্টি-সংস্কৃতিৰ দিশত অসম যে ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত বহু পিছ পৰি আছিল সেইটো অনুভৱ কৰিছিল। সেয়ে কিছুমান আহোম ৰজাই স্বৰাজ্যৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক উত্তৰণ ঘটোৱাৰ উদ্দেশ্যে কিছুমান বিদেশী কৃষ্টি গ্ৰহণৰ ব্যৱস্থা কৰিছিল। আহোম ৰাজ্যত 'বিদেশ' বোলোঁতে ঘাইকৈ স্বাধীন কোচ ৰাজ্য আৰু মোগল সাম্ৰাজ্যৰ কথাকে ক'বলৈ বিচৰা হৈছে। একোগৰাকী আহোম ৰজাই ওচৰ-চুবুৰীয়া দেশৰ সৈতে মানুহ অহা-যোৱাৰ ঘনিষ্ঠ সম্পৰ্ক নথকাত আমাৰ দেশ আন দেশতকৈ পিছপৰা হ'ব বুলি শংকা কৰিছিল।[৩০] তেনে ভাবৰ বশৱৰ্তী হৈ আহোম ৰজা প্ৰতাপ সিংহই বিদেশলৈ মানুহ পঠিয়াই সংশ্লিষ্ট দেশৰ শিল্প-উদ্যোগ, সামাজিক চাল-চলন আদিৰ বিষয়ে বুজ লৈ সংশ্লিষ্ট ৰাজ্যৰ মানুহ অনাই নিজ ৰাজ্যত মাটি-বাৰী দি সংস্থাপিত কৰিছিল।[৩১] এই প্ৰসংগত উল্লেখ পোৱা যায়, দেশ-বিদেশৰ চলন-ফুৰণ আৰু আচাৰ-ব্যৱহাৰ জানিবৰ বাবে তেওঁ (প্ৰতাপ সিংহ) নঙঠা বৰাগীৰ খেল গঢ়ি তুলিছিল। এই বৰাগীসকলে ছদ্মবেশ ধৰি ব'ৰাগী বা সন্ন্যাসীৰ বেশেৰে দেশ-বিদেশ ঘূৰি-ফুৰি সেইবোৰ দেশৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, স্ত্ৰী-পুৰুষে পৰিধান কৰা বস্ত্ৰ-অলংকাৰ ইত্যাদিৰ বিষয়ে আহোম স্বৰ্গদেৱক আহি জনাব লাগিছিল।"[৩২] আকৌ আহোম বিষয়া আকচু গোহাঁইৰ মুখৰ পৰা কোচ ৰাজ্যত মাটিৰ মূৰ্তি তৈয়াৰ কৰি দুৰ্গোৎসৱ পতাৰ বিষয়ে জানিব পাৰি ৰজাই মৰঙ্গীয়াল মানুহক মাটিৰ মূৰ্তি কেনেকৈ সাজে, সেয়া শিকিবলৈ কোচ ৰাজ্যলৈ পঠাইছিল। পাছত সেই মৰঙ্গীয়াল খনিকৰৰ হতুৱাই মাটিৰ মূৰ্তি সজাই ৰাজ্যত দুৰ্গোৎসৱ অনুষ্ঠিত কৰিছিল। 'সেইবেলা আমাৰ মৰঙ্গীয়াল খনিকৰ মৃণ্ময় মূৰ্তি সাজিবলৈ শিকিবলৈ যোৱা আহি পালেহি। তাৰেপৰা দেৱী ঘৰত মৃণ্ময় মূৰ্তিৰ পূজা চলিল।'[৩৩] কেৱল মৰঙ্গীয়াল খনিকৰেই নহয়, প্ৰতাপসিংহৰদ্বাৰা আৰু কিছুমান লোকক ভাটিলৈ পঠিয়াই সংশ্লিষ্ট দেশৰ দৰ-দস্তুৰ, নীতি-ধাৰা, সাজপাৰ, গীত-বাদ্য, যুদ্ধ-কৌশল আদি শিকি অহাৰ ব্যৱস্থা কৰা হৈছিল—"অসমৰ ৰজাই কটকী খাউণ্ড আদি পঠিয়াই বিদেশৰ দৰ-দস্তুৰ, নীতি-ধাৰণ, সাজপাৰ, গান-বাজনা

আৰু যুদ্ধ-কৌশল আদি শিকি অহাৰ ব্যৱস্থা কৰিছিল আৰু সেইবোৰ জনা মানুহ পালে পাৰিলে অসমলৈকে লৈ আহিবলৈ স্বৰ্গদেৱসকলে আজ্ঞা কৰিছিল।"[৩৪] ভাৰতীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতি অসমৰ ৰজা ইমানেই আকৰ্ষিত হৈছিল যে আমাৰ অসমৰ এজন লোকক দিল্লীলৈ গৈ পাখোৱাজ প্ৰভৃতি বজাবলৈ আৰু গীত গাবলৈ শিকি আহিবলৈ দিয়ে।[৩৫] আনকি মাটি-বাৰী পিয়ল কৰা মুছলমান ৰাজহ পদ্ধতিও উদাৰচিতীয়া আহোম স্বৰ্গদেৱে কোচ ৰাজ্যৰ গইনা লৈ গ্ৰহণ কৰে আৰু মাটি-বাৰীৰ কৰ-কাটলৰ হিচাপ ৰাখিবৰ বাবে বিদেশৰপৰা কিছু লোক আমদানি কৰি কাকতী খেলত অন্তৰ্ভুক্ত কৰে। এই আলোচনাৰ পৰা আমি বুজিব পাৰোঁ যে ৰাজ্যৰ ভিন ভিন কাম-কাজ সমাধানৰ বাবে আহোম ৰজাই জাতি-ধৰ্ম নিৰ্বিশেষে বিদেশৰ পৰা বিদ্বান লোক অনাই এই দেশত মাটি-বাৰী দি ৰখাৰ ব্যৱস্থা কৰিছিল।

প্ৰকৃততে অসমৰ প্ৰয়োজন সাপেক্ষে বিদেশৰপৰা যে মানুহ আনিব লাগে, এই মানসিকতা ঠন ধৰি উঠিছিল ৰজা প্ৰতাপসিংহৰ দিনতে। সেই কাৰণে পূৰ্বতে অসমত বন্দী হৈ থাকি যোৱা মুছলমান বন্দীসকলৰ মাজত যিসকলৰ ভিন ভিন কৰ্মত, বিশেষকৈ কাৰিকৰী কৰ্মত ব্যুৎপত্তি আছিল, ৰজাই সেইসকলক বাছি-বিচাৰি তেওঁলোকৰ বৃত্তি অনুসৰি পৃথক পৃথক খেলত অন্তৰ্ভুক্ত কৰাইছিল। এবাৰ কোনো এটা বৃত্তিত এজনে ৰজাঘৰৰ পৰা সংস্থাপন পোৱাৰ পাছত তেওঁলোকে পুৰুষে পুৰুষে উক্ত বৃত্তি চলাই যোৱাৰ অধিকাৰ লাভ কৰিছিল।

স্বৰ্গদেৱ গদাধৰ সিংহৰ ৰাজত্বকালৰ ১৬৮২ চনৰ ইটাখুলি ৰণেই আহোম আৰু মোগলৰ মাজৰ শেষ ৰণ আছিল। এই ৰণৰ পাছৰ পৰা আহোম আৰু মোগল সাম্ৰাজ্যৰ মাজত সম্পূৰ্ণৰূপে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল। কিন্তু গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহই মুছলমান সাম্ৰাজ্যৰ সৈতে যোগসূত্ৰ একেবাৰে নুই কৰিব বিচৰা নাছিল। কাৰণ তেওঁ ভালদৰে বুজিব পাৰিছিল যে অসমক আৰ্থ-সামাজিক দিশত ভাৰতৰ অন্যান্য ঠাইসমূহৰ সমকক্ষ কৰি তুলিবলৈ হ'লে ভিন ভিন দিশত, বিশেষকৈ কাৰিকৰী দিশৰ উত্তৰণ ঘটাব লাগিব আৰু সেয়া বহু পৰিমাণে মোগল সাম্ৰাজ্যৰ সৈতে সম্পৰ্ক ৰক্ষা

কৰিলেহে সম্ভৱ হৈ উঠিব। গতিকে ৰুদ্ৰসিংহই সীমিতভাৱে হ'লেও মোগল সাম্ৰাজ্যৰ সৈতে কিছুমান দিশত সম্পৰ্ক ৰক্ষা কৰিব বিচাৰিছিল।

স্বৰ্গদেৱ ৰুদ্ৰসিংহ আছিল এগৰাকী মহান সংস্কাৰক। তেওঁ ৰাজ্যত বহু সংস্কাৰ বিশেষকৈ সংস্কৃতিৰ দিশত বিকাশ সাধন কৰিছিল। তেওঁ অসমৰ সাজ-পোছাক, গীত-বাদ্য, ঘৰ-দুৱাৰ নিৰ্মাণ আদি সকলো দিশতে ভালেখিনি পৰিৱৰ্তন ঘটাইছিল। এক কথাত ক'বলৈ গ'লে ৰুদ্ৰসিংহৰ ৰাজত্ব কালতেই অসমীয়া সংস্কৃতিয়ে পূৰ্ণতা লাভ কৰিছিল। গতিকে এজন সমাজ সংস্কাৰক হিচাপে ৰুদ্ৰসিংহই কাৰিকৰী দিশত অসমৰ উন্নতি সাধন কৰাৰ মানসেৰে দিল্লীৰ মোগল বাদশ্বাহৰ অনুমতি সাপেক্ষে কেইটামান কাৰিকৰী মুছলমান পৰিয়ালক অসমলৈ অনাই মাটি-বাৰী দি তেওঁলোকৰ নিজ নিজ বৃত্তি অনুযায়ী কাম কৰি যোৱাৰ ব্যৱস্থা কৰি দিছিল আৰু তেওঁলোকৰ কামৰ তত্ত্বাৱধান ল'বৰ বাবে খনিকৰ ফুকন, গন্ধিয়া ফুকন আদি বিষয়া নিয়োগ কৰিছিল। অসমলৈ অনা মুছলমান পৰিয়ালসমূহ আছিল—আখৰকটীয়া, শিলাকটীয়া, খাৰঘৰীয়া, মুদ্ৰা সাঁচত মৰা, হিলৈ গঢ়া, কাৰ্চিপৰ, বনকৰা, মিস্ত্ৰী, ৰাজমিস্ত্ৰী, পাৰ্চী পঢ়ীয়া, জোলা আদি। ইয়াৰ ভিতৰত পাৰ্চী পঢ়ীয়া খেলৰ লোকসকল কাৰিকৰ নাছিল। তেওঁলোকৰ কাম আছিল মোগলৰ পৰা অহা পাৰ্চী ভাষাৰ চিঠিবোৰ পঢ়ি আহোম ৰজাক তাৰ অৰ্থ বুজাই দিয়া আৰু প্ৰয়োজন হ'লে মোগললৈ পঠাবলগীয়া চিঠি-পত্ৰ পাৰ্চী ভাষাত লিখি দিয়া তথা থলুৱা দুই-চাৰি ব্যক্তিক পাৰ্চী ভাষাৰ শিক্ষা দিয়া।

কালক্ৰমত এই মুছলমান পৰিয়ালবোৰৰ বংশ বৃদ্ধি হৈ অসমৰ মুছলমানৰ সংখ্যা বহুখিনি বৃদ্ধি কৰিলে। বৰ্তমানেও অসমৰ শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাঁও আদি ঠাইত এই কাৰিকৰী মুছলমানসকলৰ বংশ-পৰিয়ালে বসবাস কৰি আছে। মুক্তিযোদ্ধা বাহাদুৰ গাঁওবুঢ়া, যোৰহাট পৌৰসভাৰ প্ৰাক্তন উপ-পৌৰপতি মহম্মদ চালেহ, বান নিয়ন্ত্ৰণ বিভাগৰ প্ৰাক্তন মুখ্য অভিযন্তা সদ্যপ্ৰয়াত চফিউল্লা খনিকৰ আদি এই আমদানিকৃত কাৰিকৰী মুছলমান পৰিয়ালকেইটাৰে উত্তৰপুৰুষ।

ওপৰত উল্লেখ কৰা মুছলমান পৰিয়ালকেইটাৰ উপৰি স্বৰ্গদেৱ ৰুদ্ৰসিংহই গোৱালপাৰাৰ পৰা এটা নবাবৰ পৰিয়ালক আহোম ৰাজ্যলৈ আনি অভয়পুৰত (সোণাৰি অঞ্চলত) মাটি-ভেটি দি থাপিছিল বুলি বুৰঞ্জীয়ে দোহাৰে।[৩৬] এই পৰিয়ালটো স্বৰ্গদেৱে উত্তৰ ভাৰতৰ অভিজাত লোকক অসমত সোমোৱাবলৈকে আনিছিল বুলি বহুতে বিশ্বাস কৰে। আনহাতে, মোহিনী কুমাৰ শইকীয়াদেৱেও নবাব পৰিয়ালৰ পৰৱৰ্তী বংশধৰসকলৰ মাজত প্ৰচলিত এটি মালিতাৰ ছাঁ লৈ অসমলৈ সাতোটা নবাবৰ পৰিয়াল অনা হৈছিল বুলি ক'ব খোজে। কিন্তু বুৰঞ্জীত একাধিক নবাবৰ পৰিয়ালক অসমলৈ অনাৰ সম্ভেদ পোৱা নাযায়। আনকি ১৮৫৮ চনত মফৎ মিল চাহাবে দাখিল কৰা প্ৰতিবেদন(Report)ত আহোম শাসনতন্ত্ৰত এটা 'নবাব ডেকা'ৰ পদ থকা বুলিহে উল্লেখ কৰে... "there was only one post of Nawab Deka in the Ahom kingdom." একে সুৰতে সূৰ্য্য কুমাৰ ভূঞাওয়ো এটা নবাব ডেকাৰ পৰিয়াল অনা বুলিহে উল্লেখ কৰে। পদ্মনাথ গোহাঞি বৰুৱায়ো তেওঁৰ অসম বুৰঞ্জীত "স্বৰ্গদেৱ ৰুদ্ৰসিংহই গোৱালপাৰাৰ পৰা নবাবৰ পৰিয়াল এটা গড়গাঁও নগৰলৈ অনাই অভয়পুৰত থিতাপি হ'বলৈ দিয়ে" বুলি লিখিছে। অন্য আহোম ৰজাই অসমলৈ নবাব পৰিয়াল অনাৰ সম্ভেদ ইতিহাসে নিদিয়ে। সেয়ে আমাৰ ভাব হয়— ৰুদ্ৰসিংহই অনোৱা নবাবৰ পৰিয়ালটোত হয়তো সাতজন ককাই-ভাই আছিল আৰু ৰজাঘৰত তেওঁলোকৰ পিতৃ বা জ্যেষ্ঠজনক অৰ্থাৎ এজনকহে 'নবাব ডেকা' পদত নিয়োগ কৰা হৈছিল। সম্ভৱ কিছু বছৰৰ পাছতে তেওঁলোকৰ সতি-সন্ততি বাঢ়ি যোৱাত তেওঁলোকে পৃথক পৃথক পৰিয়াল হৈ বাস কৰি সাতঘৰ হৈ পৰিছিল আৰু সেই কালছোৱাতে ওপৰত উল্লেখ কৰা মালিতাটো ৰচনা কৰা হৈছিল, যাৰ বাবে মালিতাই সাতোটা নবাবৰ পৰিয়ালৰ ব্যাখ্যা দাঙি ধৰে। সি যি কি নহওক, নবাবৰ পৰিয়ালৰ বৰ্ধিত সন্তান-সন্ততিয়েও অসমত মুছলমানৰ সংখ্যা বৃদ্ধি কৰিছিল। বৰ্তমান উজনি অসমৰ নাজিৰা, তিতাবৰ, যোৰহাট, শিৱসাগৰ, মৰিয়নি আদি ঠাইত নবাবৰ পৰিয়ালৰ উত্তৰ পুৰুষসকলে বসবাস কৰি আহিছে। মুক্তিযোদ্ধা তথা

শ্বহীদ নবাব চেহিদুৰ ৰহমান, সাহিত্যিক তথা অসম সাহিত্য সভাৰ সভাপতি ইমৰান শ্বাহ, লেখক মছউদুল হক আদি নবাব পৰিয়ালৰে বংশধৰ।

তদুপৰি আন ৰজাই পৃষ্ঠপোষকতাৰে আৰু কেইভাগমান মুছলমান লোকক অসমলৈ অনা হৈছিল। উদাহৰণস্বৰূপে কোঁচ ৰজাসকলৰ কিছুৰে ভাটিৰপৰা কিছুমান 'বাঢ়ৈ' আনি দৰঙৰ পৃথক পৃথক ঠাইত থাপিত কৰিছিল।[৩৭] দৰঙৰ মুছলিম ঘোপাৰ মাজুচুবাত বৰ্তমানেও বসবাস কৰি থকা 'বাঢ়ৈ বংশ' কোঁচৰাজৰ দ্বাৰা অনা বাঢ়ৈসকলৰে বংশধৰ।

নামনি অসমত পলাই থকা অৱস্থাতে গদাধৰ সিংহই মুছলমানৰ মাটি পিয়ল পদ্ধতিৰ বিষয়ে জানিব পাৰিছিল।[৩৮] সেই কাৰণে তেওঁ ৰজা হোৱাৰ পাছত বংগদেশ আৰু কোঁচবিহাৰৰ পৰা মানুহ অনাই স্বৰাজ্যত মাটি পিয়ল কৰাইছিল। যিহেতু তেওঁ মুছলমানৰ মাটি পিয়ল প্ৰথা অনুকৰণ কৰিছিল, সেয়েহে বংগদেশ আৰু কোঁচবিহাৰৰ পৰা অনোৱা লোকসকলৰ আটায়ে বা একাংশ ইছলামধৰ্মীয় হ'ব পাৰে।

আহোম ৰজা গৌৰীনাথ সিংহই ১৮৭০ খ্ৰীঃমানত ভাটিৰ ফালৰপৰা এক বিশেষ শ্ৰেণীৰ মানুহ গৰু খাহী কৰাবলৈ আনি নিজ ৰাজ্যত বহুৱাইছিল। এই উক্তি আব্দুৰ ৰহমানৰ।[৩৯] কিন্তু ১৮৭০ চনত নহয় নিশ্চয়। কাৰণ গৌৰীনাথ সিংহই ১৭৭০ চনৰ পৰা ১৭৯৯ খ্ৰীঃলৈকেহে শাসন কৰিছিল। গতিকে গৌৰীনাথ সিংহৰ ১৭৭০ খ্ৰীঃতহে গৰু খাহী কৰা লোকক অসমলৈ আনিব পাৰে। অসমত গৰু খাহী কৰিবলৈ অনা এই লোকসকলক 'বদীয়া' বুলিও কোৱা হয়। দৰঙৰ খুঞ্জেৰী গাঁৱত বসবাস কৰি অহা 'বদীয়া' বংশৰ সতি-সন্ততি বিভিন্ন জিলাত পৃথক পৃথক অঞ্চলত বিয়পি পৰিছে। ৰহমানৰ মতানুসৰি মুছলমান সমাজত চলি অহা 'খৎনা' বা 'চুন্নত'কৰণো এই বদীয়াসকলেই সম্পন্ন কৰিছিল।

## ধৰ্মান্তৰ গ্ৰহণৰ যোগেৰে হোৱা মুছলমান

ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমান সমাজখন ভালদৰে লক্ষ্য কৰিলে এনে বোধ হয় যে মুঠ পুৰণা মুছলমানসকলৰ আধাৰো অধিক ইছলাম ধৰ্ম গ্ৰহণ

কৰা এই দেশৰ থলুৱা অমুছলমান লোক। কাৰণ প্ৰায়বোৰ গাঁৱতে দুঘৰ-চাৰিঘৰ ধৰ্মান্তৰিত মুছলমান পোৱা যায় আৰু তেওঁলোকৰ ঠাল-ঠেঙুলি বাঢ়ি বৰ্তমান একোটি চুবুৰি বা একোখন সৰু গাঁও হৈ পৰিছে। আনকি অসমত এনে ঠায়ো পোৱা যায় য'ৰ প্ৰায় আটাইবোৰ লোকেই ইছলাম ধৰ্ম গ্ৰহণ কৰা ধৰ্মান্তৰিত লোক।

প্ৰকৃততে থলুৱা লোক ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা প্ৰক্ৰিয়াৰ সূত্ৰপাত ঘটিছিল সেই অতীত কালতে, যেতিয়া মুছলমানে প্ৰথম অসমৰ মাটিত ভৰি দিছিল। ইতিমধ্যে আলোচনা কৰা হৈছে যে বখতিয়াৰ খিলিজিৰ অসম আক্ৰমণৰ (১২০৫-০৬ চন) বেলিকা নামনি অসমত বসবাস কৰি থকা 'মেচ' জনগোষ্ঠীৰ গোষ্ঠীপ্ৰধান 'আলী মেচে' বখতিয়াৰৰ সান্নিধ্যত ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। এই প্ৰসংগত আমাৰ অনুমান হয় যে যি সময়ত এটা জনগোষ্ঠীৰ মুৰব্বীজনে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল, পাছৰ সময়ছোৱাত তেওঁৰ নিৰ্দেশত বা প্ৰভাৱত নিশ্চয় তেওঁৰ অধীন লোকসকলৰ কিছুৱে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল আৰু সম্ভৱ উক্ত ধৰ্মান্তৰিত লোকসকলৰ প্ৰভাৱত আন কিছু কোচ লোকেও ইছলামলৈ ধৰ্মান্তৰিত হৈছিল। ইয়াৰ প্ৰমাণ স্বৰূপে ক'ব পাৰি যে যি সময়ত কামৰূপৰ ৰণত পৰাজয়বৰণ কৰা বখতিয়াৰ খিলিজিয়ে প্ৰাণৰ মমতাত কেইজনমান সৈন্যসহ বৰনদীত জঁপিয়াই নদী পাৰ হ'বলৈ চেষ্টা কৰিছিল, তেতিয়া কিছুসংখ্যক [৪৪] কোঁচ আৰু মেচ লোকে বখতিয়াৰ খিলিজি আৰু তেওঁৰ সহযোগী সৈন্যসকলক নদীৰ কোবাল সোঁতৰ পৰা উদ্ধাৰ কৰিছিল। যদি সেই কোঁচ আৰু মেচ লোকসকলে ইতিমধ্যে ইছলাম ধৰ্ম গ্ৰহণ নকৰিলেহেঁতেন, নিশ্চয় স্বদেশৰ শত্ৰু আক্ৰমণকাৰী বখতিয়াৰক নদীৰপৰা উদ্ধাৰ নকৰিলেহেঁতেন। এই প্ৰসংগত শইকীয়াই উল্লেখ কৰে, "Only Muhammad-Ibn-Bakhtiyar and a few well mounted men escaped the disaster and reached the western bank of the river where the Koch and the Mech people came to their help; and it was with their assistance that Muhammad-Ibn-Bakhtiyar reached Gauda as a sick and completely discomfitted man." একেটা সুৰতে গেইট চাহাবেও বখতিয়াৰক নদীৰপৰা উদ্ধাৰ কৰাত

কিছুমান মেচ লোকে সহায় কৰিছিল বুলি উল্লেখ কৰে। গতিকে আমি অনুমান কৰিব পাৰোঁ যে মুছলমানে অসমত প্ৰৱেশ কৰাৰ সময়ৰপৰা এই দেশত ধৰ্মান্তৰকৰণ প্ৰক্ৰিয়াও আৰম্ভ হৈছিল।

অসমত বখতিয়াৰ খিলিজিৰ পৰাজয়ৰ ফলত যিখিনি মুছলমান সৈন্য বন্দী হৈ ৰৈ গৈছিল, বা পৰৱৰ্তী কালতে বন্দী হোৱা মুছলমান সৈন্যবোৰক কামৰূপতে হওক নাইবা আহোম ৰাজ্যতে হওক অথবা কোঁচ ৰাজ্যতে হওক, কিছুদিনৰ পিছত মুক্ত কৰি দিয়া হৈছিল। সেইসকলে স্থানীয় অমুছলমান ছোৱালী বিয়া-বাৰু কৰাই এই দেশৰ অমুছলমানসকলৰ কাষতে নিগাজীকৈ বসবাস কৰিছিল। ফলত সময় বাগৰাৰ লগে লগে মুছলমান, অমুছলমানৰ মাজত যি সান্নিধ্য ঘটিছিল, তাৰ ফলত কিছু থলুৱা লোকে সময়ে সময়ে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল বুলিও অনুমান কৰিব পাৰি।

বখতিয়াৰৰ আক্ৰমণৰ প্ৰায় আঢ়ৈ শতিকাৰ পাছত ১৪৫৯-৬০ চনত ৰুকুনুদ্দিন বাৰবাক চাহৰ আক্ৰমণৰ বেলিকা কামৰূপ-কমতাৰ খেনবংশীয় ৰজা চক্ৰধ্বজে যুদ্ধত পৰাজিত হৈ কিদৰে বাৰবাক চাহৰ পীৰ সেনাপতি ইছমাইল গাজীৰ ওচৰত ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল, সেই বিষয়ে আগৰ আলোচনাত উল্লেখিত হৈছে। চক্ৰধ্বজে মৃত্যুপৰ্যন্ত নিজে ইছলামধৰ্মী হৈয়ে মুছলমান শাসনকৰ্তাৰ পৰাধীনতা স্বীকাৰ কৰি নিজ ৰাজ্যাংশ শাসন কৰিছিল। গতিকে ভাব হয় যে যিখন ৰাজ্যৰ ৰজাজনে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান শাসকৰ পৰাধীন হৈ ৰাজকাৰ্য চলাই গৈছিল, সেইখন ৰাজ্যত তেওঁৰ পৰিয়ালকে প্ৰমুখ্য কৰি আন কিছু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰে।

ওপৰত কোৱা হৈছে যে মুছলমান আৰু অমুছলমানৰ মাজত গঢ় লৈ উঠা পাৰস্পৰিক সান্নিধ্যৰ ফলত সময়ে সময়ে কিছুমান অমুছলমান লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। এতিয়া প্ৰশ্ন হয় যে অসমৰ অমুছলমানসকলে কি পৰিস্থিতিত ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল? ৰাজ কাৰ্যৰ আধাৰত ৰচনা কৰা ইতিহাসত সাধাৰণ প্ৰজাৰ ধৰ্মান্তৰ হোৱাৰ বিষয়ে ঠাই নাপায়। এটা কথা দৃঢ়তাৰে ক'ব পাৰি যে অসমলৈ আগমন ঘটা মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰীসকলৰ দুজনমানে দুই-চাৰি হিন্দু ধৰ্মৰ মঠ-মন্দিৰ ধ্বংস কৰিছিল

বা চক্ৰধ্বজৰ দৰে দুই-এজন বিশেষ ব্যক্তিক ইছলাম ধৰ্ম গ্ৰহণ কৰাবলৈ বাধ্য কৰাব পাৰে, তাৰ ব্যতিৰেকে মুছলমান ৰাজশক্তিৰ সেনাপতিসকলে থলুৱা প্ৰজাক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ জোৰ-জুলুম কৰাৰ সম্ভেদ ইতিহাসত পোৱা নাযায়। কিছুমান সামাজিক কাৰণৰ ফলতহে অসমত থলুৱা লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। লীলা গগৈৰ মতে "আহোম সমাজ ব্যৱস্থাত যৌন অপৰাধ কঠোৰ আছিল। এনে অপৰাধীক সম্পৰ্ণৰূপে সমাজচ্যুত কৰা হৈছিল। এই সমাজচ্যুত লোক থকা গাঁওবোৰক গৰীয়া গাঁও বুলিছিল। আজান ফকীৰে এনে কিছুমান সমাজচ্যুত মানুহক পোনতে ইছলাম ধৰ্মলৈ দীক্ষিত কৰিছিল। সেইবাবেই অসমীয়া মানুহে মুছলমান মাত্ৰকে গৰীয়া বুলি ভুল কৰিছিল।" [৪০] গগৈয়ে একেখন পুথিৰে ১৫০ নং পৃষ্ঠাত পুনৰ উল্লেখ কৰে, "আহোম ৰাজত্বত সততে জাতি-ভেদ অস্বীকাৰ কৰিছিল। সকলো জাতিৰ মাজতে ঘাইকৈ মংগোলীয়সকলৰ মাজত আন্তঃসম্প্ৰদায় বিবাহ মুক্ত আছিল; কিন্তু অবৈধ যৌন সম্পৰ্ক বা নিষিদ্ধ সম্পৰ্কৰ ভিত্তিত হোৱা বিবাহক সামাজিকভাৱে স্বীকৃতি নিদি সমাজচ্যুত বা এঘৰীয়া কৰা হৈছিল। যেনেকৈ সুতকুলীয়া মানুহৰ সুকীয়া গাঁও হৈছিল, সেইদৰে সমাজচ্যুত মানুহৰো সুকীয়া গাঁও বহিছিল আৰু এনে গাঁৱক গৰীয়া গাঁও বুলিছিল। পাছলৈ আজান পীৰে ইছলামলৈ দীক্ষিত কৰাত তেওঁবিলাকে পুনৰ সামাজিক মৰ্যাদা পাই প্ৰতিষ্ঠিত হৈছিল। সকলো মুছলমানকে গৰীয়া বুলি ভবাৰ ধাৰণাটো ইয়াৰ পৰাই জন্ম হৈছে।"

উক্ত উক্তি দুটিৰ সহায়ত গগৈয়ে ক'ব খোজে যে যৌন অপৰাধৰ ফলত পৃথক পৃথক সম্প্ৰদায়ৰ লোকক সমাজবৰ্জিত কৰা হৈছিল আৰু পাছত আজান ফকীৰে তেওঁলোকক ইছলামলৈ ধৰ্মান্তৰিত কৰাত তেওঁলোকে মুছলমান হিচাপেহে সামাজিক মৰ্যাদা লাভ কৰে। অৰ্থাৎ ড° গগৈদেৱে কয় যে অসমৰ গৰীয়া মুছলমানসকল যৌন অপৰাধৰ ফলতহে হোৱা সন্তান। অসমৰ গৰীয়া মুছলমানৰ বিষয়ে বহল অধ্যয়ন নকৰি গগৈদেৱে দাঙি ধৰা এই উক্তি গ্ৰহণীয় নহয়, কাৰণ—

ক) আহোম স্বৰ্গদেউসকলে ৬০০ বছৰ শাসন কৰিছিল আৰু আজান ফকীৰ অসমত সোতৰ শতিকাত মৃত্যুলৈকে কেৱল ৫০ বছৰমান আছিল। গতিকে আহোমৰ ৬০০ বছৰীয়া শাসন কালত যৌন অপৰাধ কৰি সমাজচ্যুত হোৱা গৰীয়াসকলক আজান ফকীৰে ইছলাম ধৰ্মত দীক্ষিত কৰিব নোৱাৰে।

খ) দিল্লীৰ চুলতান বা মোগল বাদশ্বাহৰ অধীনৰ শ শ সৈন্য অসমত বন্দী হৈছিল আৰু তেওঁলোক অসমত প্ৰৱেশ কৰোঁতে মুছলমান হিচাপে অসমত আছিল। সেইসকল জানো অসমৰ গৰীয়াৰপৰা যৌন অপৰাধীৰ সন্তান? তেওঁলোক আহোঁতেই মুছলমান হৈয়ে আহিছিল। এইসকল মুছলমান সৈন্যই আজান ফকীৰৰ ওচৰত পুনৰ মুছলমান হোৱাৰ থল নাথাকে। ৰূপাই দাধৰাই আজান ফকীৰৰ ওচৰত দীক্ষা লোৱা নাছিল, অথচ তেওঁ পূৰ্বৰে পৰা মুছলমান আছিল। তেওঁ নিশ্চয় যৌন অপৰাধৰ ফলত গৰীয়া পৰি থকা পৰিয়ালৰ সন্তান নহয়।

গ) আহোমে অসমত ভৰি দিয়াৰ পূৰ্বে আৰু আজান ফকীৰৰ জন্মৰ চাৰি শতিকামান আগতে আলী-মেচ প্ৰমুখ্যে কিছুসংখ্যক কোচ আৰু মেচ লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল বুলি ওপৰত কোৱা হৈছে। সেইসকলো আহোমৰ কঠোৰ শাসনে সমাজচ্যুত কৰা লোকনে? তেওঁলোকক তাৰ চাৰিশ বছৰৰ পিছত জন্ম হোৱা আজান ফকীৰে ধৰ্মান্তৰিত কৰাৰ প্ৰশ্ন থাকিব নোৱাৰে।

ঘ) উজনি অসমত মুছলমান বসতি আৰম্ভ হোৱাৰ পূৰ্বৰে পৰা নামনি অসমত মুছলমানে বসবাস কৰি আহিছিল। আহোমৰ আগমনৰ আগতেই ১২০৫-০৬ খ্ৰীঃত নামনিত মুছলমান বসতিৰ সূত্ৰপাত ঘটিছিল। যেতিয়া আহোম ৰাজ্যৰ পশ্চিম সীমা খাগৰিজানলৈকে (নগাঁও) সম্প্ৰসাৰণ ঘটিছিল, তাৰ কেইবছৰমান আগতেই হুছেইন চাহে ১৫০২-০৩ চনতে গৌড়ৰ গৌড়ীয়া মুছলমান প্ৰজা আনি হাজোত থাপিছিল।[৪১] আকৌ ত্ৰয়োদশ শতিকাৰপৰা সপ্তদশ শতিকাৰ শেষলৈকে এৰা-ধৰাকৈ প্ৰায় দুই শতাব্দীকাল মুছলমানে নামনি অসমৰ বৃহৎ অংশ আৰু কেতিয়াবা সমগ্ৰ নামনি অসম শাসন কৰিছিল। এই কালছোৱাত সংখ্যাধিক গৌড়ীয় মুছলমানৰ নামনি

অসমলৈ প্ৰৱেশ ঘটিছিল।[৪২] "It therefore, seems positive that large number of Muslims of different vocations should freely move to this region (নামনিৰ মুছলমান অধিকৃত অঞ্চল) and settle there"[৪৩] প্ৰকৃততে গৌড় দেশৰ পৰা অহাৰ বাবে এইসকল মুছলমানকহে গড়ীয়া বা গৰীয়া বোলা হৈছিল। কোঁচ ৰজা বলিনাৰায়ণেও গৈ আহোম ৰজা প্ৰতাপসিংহৰ ওচৰত আঁঠু লওঁতে মুছলমানক গৰীয়া বুলিহে পৰিচয় দিছিল। সম্ভৱতঃ মুছলমানক যে নামনিত 'গৰীয়া' বোলা হৈছিল, সেই বিষয়ে আহোম ৰাজ্যত পূৰ্বতে জনা নগৈছিল আৰু সেয়েহে মুছলমানক বুজাবলৈ বুৰঞ্জীত 'বঙ্গাল', 'তুৰ্ক' আদি আৰু চৰিতপুথিত 'যৱন' শব্দ ব্যৱহাৰ কৰা হৈছিল। গতিকে যিখন নামনি অসম আহোমৰ শাসনাধীন নাছিল, (সোতৰ শতিকাৰ দ্বিতীয়াৰ্ধলৈকে) সেই নামনি অসমত যি বহুসংখ্যক গৰীয়া মুছলমানে বাস কৰিছিল, সেইসকল গৰীয়া লোক যৌন অপৰাধ কৰি আহোমৰ কঠোৰ শাসনৰ বলি হৈ সমাজচ্যুত হৈ গৰীয়া পৰি থকাসকলৰ বংশধৰ নহয় আৰু তেওঁলোকক আজান ফকীৰে আকৌ এবাৰ মুছলমান কৰিব লগা হোৱা নাই। ড° গগৈদেৱৰ এনে মন্তব্য অসমৰ গৰীয়া মুছলমানৰ বাবে দুখজনক। উজনি অসমত ড° গগৈয়ে কোৱাৰ দৰে দুই-চাৰি ঘৰ গৰীয়া পৰি থকা লোকে আজান ফকীৰৰ ওচৰত ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰে। কিন্তু তাৰ বাবে অসমৰ সকলো মুছলমানৰ মূল তেনে বোলাটো দুৰ্ভাগ্যজনক।

লীলা গগৈদেৱে কয়, "থলুৱা ধৰ্মান্তৰিত মুছলমানৰ ভিতৰত কোঁচ-মেচৰ সংখ্যাই সৰহ যদিও দুই-চাৰি ঘৰকৈ সকলো জাতিৰ মানুহ আছে।" গগৈদেৱৰ এই মতৰ সৈতে আমি সহমত পোষণ কৰোঁ যদিও এটা কথা ক'ব লাগিব যে ইছলামলৈ ধৰ্মান্তৰিত হোৱা কোঁচ-মেচৰ সংখ্যা নামনি অসমতহে সৰহ হ'ব পাৰে, উজনিত নিশ্চয় কোঁচ-মেচৰ পৰিৱৰ্তে আন আন বৰ্ণৰ অমুছলমান লোকহে সৰহসংখ্যক ধৰ্মান্তৰিত হয়। ইয়াৰ কাৰণ— উজনিত বা আহোম ৰাজ্যত কোঁচ আৰু মেচ মানুহ অধিকসংখ্যক নাছিল। উজনি অসমলৈ সৰহীয়াকৈ কোঁচ মানুহ পঠোৱা হৈছিল সপ্তদশ শতিকাৰ

প্ৰথমাৰ্ধত স্বৰ্গদেৱ প্ৰতাপ সিংহৰ ৰাজত্বকালত।[৪৪] এইজনা ৰজাৰ ৰাজত্ব কালতে কোঁচ ৰাজ্যৰ সৈতে আহোমৰ প্ৰথম বন্ধুত্ব স্থাপন কৰা হৈছিল আৰু সেই সূত্ৰে কিছু কোঁচ লোকক আহোম ৰাজ্যলৈ প্ৰেৰণ কৰা হৈছিল। ভাটিৰপৰা অহা এই কোঁচ লোকসকলক শিৱসাগৰৰ নামদাং শিলৰ সাঁকোৰ উত্তৰ-পূব ভাগত থাপিত কৰা হৈছিল। আজান ফকীৰে প্ৰতাপসিংহৰ শাসনৰ (১৬০৩-৪১ খ্ৰীঃ) শেষভাগৰ পৰা গদাধৰ সিংহৰ ৰাজত্ব কাললৈকে (১৫৮১-৯৬ খ্ৰীঃ) প্ৰায় ৫০ বছৰ কাল থাকে বুলি বৰ্তমানলৈকে উদ্ধাৰ হোৱা জিকিৰ আৰু বুৰঞ্জীৰ পৰা ধাৰণা কৰা হয়। আনহাতে, প্ৰতাপসিংহৰ মৃত্যুৰপৰা গদাধৰ সিংহই সিংহাসনত আৰোহণ কৰালৈকে মাজৰ ৪০ বছৰকাল অসমৰ ইতিহাসৰ এক জটিল সময় আছিল। প্ৰতাপসিংহৰ মৃত্যুৰ কুৰি বছৰৰ পাছতে মীৰজুমলাই গড়গাঁও দখল কৰে। তাৰে পাঁচ বছৰৰ পাছতেই আহোম সেনা শৰাইঘাটৰ যুদ্ধত অৱতীৰ্ণ হ'ব লগা হয়। ১৬৭০ খ্ৰীঃৰপৰা ১৬৮১ খ্ৰীঃলৈ এই এঘাৰ বছৰত সাতজন ৰজাক ইজনৰ পিছত সিজনকৈ সিংহাসনত বহুওৱা আৰু হত্যা কৰাৰ লগতে ল'ৰাৰজা আৰু বুঢ়া লালুকসোলা বৰফুকনৰ অত্যাচাৰে অসমৰ আকাশ ক'লা কৰি ৰাখিছিল। এই চল্লিশ বছৰত কোঁচ ৰাজ্যৰ সৈতে কোনো যুদ্ধ বা সন্ধি হোৱা নাছিল আৰু ৰজাৰ অনুমতিত কোঁচ ৰাজ্যৰ পৰা সৰহসংখ্যক কোঁচ মানুহ আহোম ৰাজ্যলৈ অনাৰ ঐতিহাসিক সম্ভেদ পোৱা নাযায়। হয়তো ব্যক্তিগতভাৱে দুই-চাৰিঘৰ কোঁচ মানুহে আহোম ৰাজ্যত প্ৰৱেশ কৰিব পাৰে। আহোম ৰাজ্যৰ মেচ জনগোষ্ঠীৰ সৈতে পোনপটীয়া যোগাযোগ কৰিবৰ প্ৰয়োজনেই নহৈছিল। সম্ভৱ কোঁচ ৰাজ্যৰ প্ৰজাস্বৰূপে কোঁচসকলৰ সৈতে মেচসকলৰ আহোম ৰাজ্যলৈ আগমন ঘটিছিল।

গতিকে দেখা যায় যে আজান ফকীৰৰ জীৱনকালত উজনিত গৰীয়া পৰি থাকিবলৈ কোঁচ-মেচ মানুহ অতি কমসংখ্যকহে আছিল। গতিকে উজনিত ধৰ্মান্তৰ হোৱাসকল নিশ্চয় মৰাণ, বৰাহী, দেউৰী, চুতীয়া, আহোম, কছাৰী, ব্ৰাহ্মণ, কলিতা, কৈৱৰ্ত আদিৰ লোকেই হ'ব পাৰে।

অৱশ্যে লীলা গগৈয়ে কোৱাৰ দৰে দুই-চাৰিঘৰ সমাজত গৰীয়া পৰি থকা অমুছলমান ইছলাম ধৰ্মত দীক্ষিত হ'ব পাৰে; কিন্তু সেইটো ধৰ্মান্তৰকৰণৰ

একমাত্ৰ কাৰণ হ'ব নোৱাৰে। দুজনমান মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰীয়ে মঠ-মন্দিৰ ধ্বংস কৰিছিল যদিও আমি অসমত মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰীৰ দ্বাৰা অসমীয়া প্ৰজাসাধাৰণক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ হেঁচা প্ৰয়োগ বা জোৰ-জুলুম কৰাৰ সম্ভেদ ইতিহাসত নাপাওঁ আৰু কোনো জনশ্ৰুতিও এই সন্দৰ্ভত পোৱা নাযায়। একোটা বিশেষ সামাজিক পৰিস্থিতিয়েহে অসমত ধৰ্মান্তৰকৰণ ঘটাইছিল। ওপৰত কোৱা হৈছে যে মুছলমানসকলৰ সৈতে ঘটা সান্নিধ্যৰ ফলত সময়ে সময়ে যিসকল মুছলমান যুদ্ধবন্দীয়ে অসমত ছোৱালী বিয়া-বাৰু কৰাই ঘৰ-সংসাৰ কৰি আছিছিল, সেই পত্নীসমূহে নিশ্চয় ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। আকৌ মুছলমানৰ সৈতে খোৱা-লোৱা কৰাৰ ফলত নিজ সমাজৰপৰা এঘৰীয়া হৈ থকাসকলেও সময়ত কেতিয়াবা সামাজিক মৰ্যাদা প্ৰাপ্তিৰ বাবে ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰে।

দ্বিতীয়তে, ত্ৰয়োদশ শতিকাৰপৰা ধৰ্ম প্ৰচাৰ কৰিবলৈকে হওক নাইবা মুছলমান ৰাজশক্তিৰ সেনাপতিসকলক অসমৰ সন্দেহযুক্ত যাদু-মন্ত্ৰৰ পৰা ৰক্ষা কৰিবলৈকে হওক, যিসকল পীৰ, ফকীৰ, আউলীয়া, দৰবেছৰ অসমলৈ আগমন ঘটিছিল, তেওঁলোকৰ অসমত বৈ যোৱাসকলৰ কেইবাজনো বহু আধ্যাত্মিক গুণৰ অধিকাৰী আছিল। তেওঁলোকৰ মুখৰ মধুৰ সনাতন বাণী, নম্ৰ আচৰণ তথা আধ্যাত্মিক গুণে বহু সময়ত বহুজনক মুগ্ধ কৰিছিল আৰু অৱশেষত তেওঁলোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। আজান ফকীৰ, খণ্ডকাৰ পীৰ, চালেহ পীৰ, চাৱাল পীৰ, গিয়াছুদ্দিন আউলীয়া, চাহ মখদুম, জালালুদ্দিন তাব্ৰিজী, জয়পাল পীৰ, চাহজালাল, বদৰুদ্দিন, চৈয়দ নাচিৰুদ্দিন, আদম খাকী, আদম গুৰু আদিৰ সান্নিধ্যত শ শ অমুছলমান লোক ধৰ্মান্তৰ হোৱা বুলি জনা যায়। যোৱা ১৭-০৬-২০১১ তাৰিখে আদম গুৰুৰ উত্তৰ পুৰুষ চৈয়দ চমছেৰ আলী দেৱানে এই লেখকৰ আগত ব্যক্ত কৰে যে হাজোৰ কলিতাকুচিৰ দুঘৰমান ব্ৰাহ্মণসহ আটাইবোৰ কলিতা মানুহে আদম গুৰুৰ ওচৰত দীক্ষা লৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। দৰঙত জয়পাল ফকীৰৰ সান্নিধ্যত ভালেখিনি স্থানীয় অমুছলমান লোকে ইছলাম

ধৰ্ম গ্ৰহণ কৰিছিল।[৪৫] ইতিপূৰ্বে আলোচনা কৰা হৈছে যে চতুৰ্দশ শতিকাৰ দ্বিতীয়াৰ্ধত হজৰত চাহজালাল ফকীৰে ৩৬০ জন আউলীয়াসহ বৰ্তমানৰ বাংলাদেশ, অসমৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকা আদিত ধৰ্মাশ্ৰম পাতি ধৰ্ম প্ৰচাৰ কৰিছিল। ফলত সেইসকলৰ সান্নিধ্যতো নিশ্চয় বহু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। কাছাৰত ফেৰুটুপি আৰু পৰৱৰ্তী কালৰ এজন পীৰৰ ধৰ্মপ্ৰচাৰৰ বেলিকা বহু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল।[৪৬] ফেৰুটুপি ফকীৰৰ বিষয়ে বৰ্ণনা কৰোঁতে উপেন্দ্ৰ গুহদেৱে উল্লেখ কৰে, "এ সময়ে অনেক মুসলমান এদেশে এসে আর সিলেতের বহু লোক ইসলাম ধর্ম গ্রহণ করিতে বাধ্য হয়।" আকৌ চাহজালালৰ প্ৰভাৱত শ্ৰীহট্টৰ সৰহখিনি লোক ইছলামলৈ ধৰ্মান্তৰ হয় বুলি মৌলানা মোহাম্মদ গোলাম মোস্তাফা সম্পাদিত 'হজরত চাহজালাল (রহঃ) ও হজরত শাহ পরান (রহঃ)এ জীৱনী' শীৰ্ষক পুথিৰপৰা জনা যায়। একালৰ হিন্দুপ্ৰধান শ্ৰীহট্ট চাহজালালৰ প্ৰভাৱত মুছলমান অধ্যুষিত ৰাজ্যত পৰিণত হৈছিল।[৪৭] ১৮৭৮ খ্ৰীঃত যেতিয়া ছিলেট জিলাক অসমৰ অন্তৰ্ভুক্ত কৰা হৈছিল, তেতিয়া বহু ছিলেটীয়া লোক আহি অসমত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। এই ঘটনাৰ পৰা আমি ঠাৱৰ কৰিব পাৰোঁ যে নিশ্চয় চাহজালালৰ ওচৰত ধৰ্মান্তৰ হোৱা লোকসকলৰো কিছু উত্তৰপুৰুষ অসমলৈ আহি ইয়াত নিগাজীকৈ বাস কৰাসকলৰ মাজত বাহৰ পাতিছিল। সেইদৰে আজান ফকীৰ, মজনুদিল ফকীৰ, ছেখ ফৰিদ, গোলাম হুছেইন, মাদাৰী পীৰ আদিয়ে ইছলামীয় গীত-পদ অসমীয়া ভাষাত ৰচনা কৰি দৰদী সুৰেৰে মানুহৰ মাজত সেই গীত-পদবোৰ পৰিৱেশন কৰিছিল। ফলত সেই পীৰ-ফকীৰসকলৰ সান্নিধ্যতো নিশ্চয় কিছুমান লোকে ইছলাম গ্ৰহণ কৰিছিল।

গতিকে নিশ্চিত হ'ব পৰা যায় যে দূৰ অতীতৰ পৰা সময়ে সময়ে অসমলৈ আগমন ঘটা পীৰ ফকীৰ-আউলীয়া-দৰৱেছ আদিৰ সান্নিধ্যত অসমৰ কিছু থলুৱা লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল।

ভাৰতবৰ্ষ তথা অসমত সংঘটিত ধৰ্মান্তৰকৰণৰ এটা মূল কাৰণ হৈছে— হিন্দু সমাজত বৰ্তি থকা 'স্পৃশ্য-অস্পৃশ্য' আদি বৈষম্য। উচ্চ বৰ্ণৰ হিন্দুসকলৰ

একাংশৰ ৰক্ষণশীল নীতি তথা তেওঁলোকৰ নিম্নবৰ্ণৰ লোকসকলৰ প্ৰতি থকা অস্পৃশ্য মানসিকতা, হেয় আচৰণ আদিৰ ফলত ভাৰতত বহু নিম্নবৰ্ণৰ হিন্দু লোকে সময়ে সময়ে ইছলাম ধৰ্ম গ্ৰহণ কৰি অহা বুলি পণ্ডিতসকলে মত পোষণ কৰে।[৪৮] এই প্ৰসংগত শশী শৰ্মাদেৱে উল্লেখ কৰে, "উচ্চ আৰু অভিজাত একাংশ হিন্দুৰ ৰূঢ় আৰু অমানৱীয় আচৰণত তিক্ত হৈ দুই-এক অসমীয়া হিন্দু ধৰ্মান্তৰিত হোৱা কথাও সত্য হ'ব লাগে।"[৪৯] উক্তিটোত একাংশ হিন্দু লোকে আন একাংশ হিন্দুৰ প্ৰতি যে দুৰ্ব্যৱহাৰ কৰিছিল, সেইটো প্ৰকাশ পাইছে। মধ্য যুগৰ অসমত উচ্চ বৰ্ণৰ হিন্দু লোকে নিম্নবৰ্ণৰ লোকসকলৰ প্ৰতি প্ৰদৰ্শন কৰা ৰূঢ় আচৰণৰ ফলতো হয়তো বহু নিম্নবৰ্গৰ হিন্দু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰে। হিন্দু সমাজত প্ৰচলন হৈ অহা বৰ্ণ-বৈষম্যৰ বিপৰীতে একে সময়তে একেশ্বৰবাদী ইছলামীয় সমাজ আছিল উদাৰ আৰু বৈষম্যহীন। ইছলাম ধৰ্মই জাতি-ভেদ, বৰ্ণভেদক প্ৰশ্ৰয় নিদিয়ে। সেয়েহে নামাজৰ সময়ত এজন বাদশ্বাহেও ইমামৰ পিছত থিয় হৈ সাধাৰণৰ কান্ধত কান্ধ লগাই উপাসনা কৰাটো উচিত। তেনে কৰিলে বাদশ্বাহৰ মৰ্যাদা লাঘৱ নহয় আৰু নিঃকিনৰ মৰ্যাদাও উচ্চ নহয়। আল্লাহৰ দৃষ্টিত সকলো সমান। ইছলামৰ এনে উদাৰতা, অস্পৃশ্যহীনতা আদিয়ে বহু অমুছলমানক ইছলামৰ প্ৰতি আকৃষ্ট কৰিছিল। তাৰাচান্দৰ মতে সপ্তম শতিকাতে দক্ষিণ ভাৰতত মুছলিম বণিকসকলে মছজিদ নিৰ্মাণ কৰি স্বধৰ্ম চৰ্চা কৰি আহিছিল।[৫০] তাৰাচান্দৰ এনে মতত হয়ভৰ দি শশী শৰ্মাদেৱে উল্লেখ কৰে যে, সেইছোৱা সময়ত "দক্ষিণ ভাৰতত ধৰ্মৰ নামত শৈৱ, জৈন, বৌদ্ধধৰ্মীসকলৰ মাজত চলিছিল তুমুল আত্মঘাতী সংঘাত। অথচ সেই একে সময়ত দাক্ষিণাত্যৰ উপকূল অঞ্চলত বসবাস কৰিবলৈ লোৱা ইছলামধৰ্মীসকলে নিৰ্বাহ কৰিছিল ঐক্য-সংহতিময় শান্তিপূৰ্ণ জীৱন। সিয়ে বহু হিন্দুক ইছলামৰ প্ৰতি আকৃষ্ট কৰে। আনকি মলোৱাৰৰ হিন্দু ৰজা চেৰুমান প্ৰজাবৰ্গৰ সৈতে সেই সময়তে ইছলাম ধৰ্মত দীক্ষিত হয়।... তেনেদৰে সাংস্কৃতিক সম্পৰ্কৰ জৰিয়তে একাংশ হিন্দু লোকে ইছলাম গ্ৰহণ কৰে।" অসমত বৰ্তি অহা একে হিন্দুধৰ্মীয় লোকৰ বৰ্ণভেদে কিছুমান থলুৱা

অসমীয়াক, বিশেষকৈ নিম্নবৰ্ণৰ লোকক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ বাধ্য কৰাব পাৰে। হিন্দুধৰ্মীয় লোকৰ মাজত থকা ৰক্ষণশীল নীতিৰ ফলত ইছলাম গ্ৰহণ কৰা এটি উদাহৰণ হৈছে দৰঙৰ জলজলিস্থিত দামোদৰ 'বৈৰাগী সত্ৰ'ৰ সত্ৰাধিকাৰৰ ইছলাম ধৰ্ম গ্ৰহণ। উক্ত সত্ৰৰ সত্ৰাধিকাৰ আছিল সঞ্জয় গোস্বামী ওৰফে কানাই গোসাঁই।[৫১] কানাই গোসাঁয়ে সোতৰ শতিকাত বিধৱা বিবাহৰ সপক্ষে মাত মতাত সমসাময়িক ৰক্ষণশীল হিন্দু সমাজখনে তেওঁক খেলৰপৰা বাজ কৰি দিয়ে। স্থানীয় হিন্দু সমাজখনৰ ৰোষত পৰি সঞ্জয় গোসাঁয়ে সত্ৰও হেৰুৱাবলগীয়া হয়। তেওঁ জলজলিৰ পৰা পৰিয়ালসহ স্থানান্তৰিত হৈ বৰ্তমানৰ নগৰবাহী অঞ্চলত বসবাস কৰিবলৈ লয়। কিছু লোকৰ মতে ৰজাৰ নগৰৰ বাহিৰত তেওঁ থাকিব লগা হোৱাত কালক্ৰমত সেই বৃহৎ অঞ্চলটোৱে 'নগৰবাহী' নাম পায়। এইদৰে হিন্দু সমাজৰপৰা পোৱা ৰূঢ় আচৰণে সঞ্জয় গোস্বামীৰ মন তিক্ত কৰি তুলিছিল। সমাজবৰ্জিতভাৱে কিছুদিন অতিবাহিত কৰাৰ পিছত সঞ্জয় গোস্বামী আৰু কালীয়া কেওট নামৰ এজন লোক জয়পাল ফকীৰৰ সান্নিধ্যলৈ আহে আৰু অৱশেষত তেওঁলোক দুয়ো জয়পাল ফকীৰৰ ওচৰত ইছলাম ধৰ্ম গ্ৰহণ কৰে। অঞ্চলটিত জনপ্ৰিয় সঞ্জয় গোস্বামী আৰু কালীয়া কেওটে ইছলাম ধৰ্ম গ্ৰহণ কৰা দেখি সেই ঠাইৰ মানুহে দলে দলে ইছলাম গ্ৰহণ কৰে।[৫২] গোসাঁইৰ উত্তৰপুৰুষে বৰ্তমানেও নগৰবাহীত বসবাস কৰি আছে। এই লেখকৰ পৰিচিত কনিষ্ঠ অভিযন্তা চহিৰুদ্দিন আহমেদ সঞ্জয় গোসাঁইৰে বংশধৰ। উক্ত কাৰণসমূহৰ লগতে প্ৰণয়জনিত কাৰণতো বহুজনে ইছলাম ধৰ্ম গ্ৰহণ কৰা পৰিলক্ষিত হয়।

অসমত ক'ত, কিমান ধৰ্মান্তৰিত লোক আছে, কোনে, কি পৰিস্থিতিত বা কি কাৰণে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল, তাৰ উত্তৰ এতিয়া বিচাৰি পোৱা কঠিন। তথাপি আমি থাউকতে পোৱা কেইটামান ধৰ্মান্তৰিত পৰিয়ালৰ সংক্ষিপ্ত পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰিলোঁ।

দৰঙৰ মাৰৈ গাঁৱৰ আবং শইকীয়াৰ জী-নাতি সুন্দৰক মুছলিমঘোপাৰ বিহফুল বৰাই কোচ ৰজাৰ অনুমতি সাপেক্ষে অঞ্চলটোৰ ন-পুখুৰী পাৰত

এক মোন ক'লা নিমখৰ বিনিময়ত কিনি লয়।[৫৩] সেই কাৰণে উক্ত পুখুৰীটোৰ নাম কিনাপুখুৰী হয়। সুন্দৰৰ চাৰিজন পুত্ৰ ক্ৰমে পৰশু, ভুবল, নাথো আৰু বীৰু। এওঁলোক আটায়ে ইছলাম ধৰ্ম গ্ৰহণ কৰি ক্ৰমে পৰশু ছেখ, ভুবল ছেখ, নাথো ছেখ আৰু বীৰু ছেখ নাম লয়। এই চাৰি পুত্ৰৰ নাথো ছেখৰ পৰিনাতি বৰ্তমান দলগাঁও নিৱাসী ৰচিদ আহমেদ। আকৌ ৰচিদ আহমেদৰ মাতৃ মোছাম্মত ৰহমানী বেগমে এই লেখকক ২০০৬ চনৰ ডিচেম্বৰ মাহৰ কোনো এটা দিনত তেখেতৰ ঘৰত জনায় যে তেখেতসকল ধৰ্মান্তৰ হোৱা দুই পুৰুষমানহে হৈছে। ৰহমানী বেগমৰ আজোককাক বলোৰাম শইকীয়া। বলোৰামৰ ভায়েক কৃষ্ণ শইকীয়া। কোনো কাৰণত দুই ভাতৃ বলোৰাম শইকীয়া আৰু কৃষ্ণ শইকীয়াই ইছলাম ধৰ্ম গ্ৰহণ কৰে। তেওঁলোকৰ পুতেক আছিল ফৰিছা ছেখ। ফৰিছা ছেখৰ পুত্ৰ বগা ছেখ আৰু বগা ছেখৰ কন্যা ওপৰত নামোল্লেখ কৰা ৰহমানী বেগম আৰু পুত্ৰ ফাইজুদ্দিন আহমেদ। কৃষ্ণৰ বংশলতা সংগ্ৰহ কৰিব পৰা নগ'ল।

গোলাঘাট জিলাৰ ঘিলাধাৰী অঞ্চলৰ খ্যাতনামা মুক্তিযোদ্ধা ভদ্ৰকান্ত ফুকনৰ মুখৰ পৰা আৰু ২১-১২-১৯৭৭ তাৰিখে যোৰহাট পুলিবৰৰ গংগাধৰ বৰুৱাৰ পৰা পোৱা বংশাৱলী (আংশিক) আৰু ভুবন চন্দ্ৰ সন্দিকৈ প্ৰণীত 'স্বৰ্গীয় খোচনুৰ আলী বৰুৱা ওৰফে নুনু বৰুৱা' শীৰ্ষক নিবন্ধৰ আলমত ৰফিউল হুছেইন বৰুৱাই জনায় যে তেখেতৰ (ৰফিউল হুছেইন বৰুৱাৰ) পূৰ্বপুৰুষ লুকী শেনচোৱা বৰুৱাই গোলাঘাট কছাৰীঘাটত থাকি মুছলমান ছোৱালী বিয়া কৰায় আৰু নিজে ইছলাম ধৰ্ম গ্ৰহণ কৰে। এই লুকী শেনচোৱা বৰুৱাৰে পৰৱৰ্তী বংশধৰ হ'ল মুক্তিযোদ্ধা খোচনুৰ আলী বৰুৱা আৰু বৰ্তমানৰ বুৰঞ্জীবিদ, লেখক ৰফিকুল হুছেইন বৰুৱা আদি।

আমি নগাঁৱৰ টাউন নটম পানীগাঁৱতো ধৰ্মান্তৰিত মুছলমান পৰিয়াল পাইছোঁ। কিন্তু ধৰ্মান্তৰিত পৰিয়ালৰ উত্তৰ পুৰুষে অতীত পৰিচয় দাঙি ধৰিলেও লিখনিত নাম প্ৰকাশ কৰিবলৈ ইচ্ছা নকৰাত তেওঁলোকৰ পোনপটীয়া পৰিচয় দিয়াৰপৰা বিৰত থাকিব লগা হ'ল।

শোণিতপুৰ জিলাৰ চতিয়াৰ সমীপৰ ঘাঁহী মুছলমান গাঁৱৰ চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত স্বাধীনতা সংগ্ৰামী হাজী আবনুৰ আলীৰ ককাক 'মণি আহোমে'

কোনো কাৰণত ইছলাম ধৰ্ম গ্ৰহণ কৰি 'মণি ছেখ' নাম লৈছিল।[৫৪] এই পৰিয়ালৰ বংশাৱলী এই লেখকৰ হাতত সংৰক্ষিত হৈ আছে। দৰঙৰ মুছলিমঘোপাৰ ধোৱাচুবাৰ জিলিমুদ্দিন আহমেদৰ উপৰিপুৰুষ মাৰৈ গাঁৱৰ লোক আছিল। এই বংশত বৰ্তমানেও 'মাৰৈ গঞা' বুলি কোৱা হয়।[৫৫] পূৰ্বে মাৰৈ পূজা কৰা এই বংশ পূৰ্বপুৰুষ ধৰ্মান্তৰিত আছিল। সেইদৰে ওপৰত উল্লেখ কৰা আবং শইকীয়াৰ পৰিয়ালেও পূৰ্বে মাৰৈ পূজা কৰিছিল বুলি দলগাঁৱৰ ৰচিদ আহমেদে এই লেখকক জানিবলৈ দিয়ে। আহমেদে জনায় যে মাৰৈ পূজা কৰা কিছু সঁজুলি বৰ্তমানেও তেওঁলোকৰ পুৰণি বাসস্থান মাৰৈত সংৰক্ষিত হৈ আছে। মীৰজুমলাই অসমৰ মুছলমানৰ মাজত ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে চাৰিজন মোল্লা (ধাৰ্মিক লোক) থৈ গৈছিল।[৫৬] তাৰে এজন দৰং ৰাজ্যলৈ আহে। তেওঁ দৰঙৰ বিভিন্ন ঠাইত ঘূৰি-পকি হৰিণ খোজা গাঁৱত কিছু সময়ৰ বাবে জিৰণি লৈছিল।তেতিয়া সেই গাঁৱত হিন্দু লোকে বাস কৰিছিল। গাঁওবাসীয়ে মোল্লাক দেখি গাখীৰ, ফল-মূল আদিৰে আপ্যায়িত কৰিছিল। কথোপকথনৰ বেলিকা মোল্লাই উপস্থিত লোকসকলৰ আগত ইছলামৰ বৰ্ণ-বৈষম্যহীনতা, অস্পৃশ্যহীনতা আদিৰ বিষয়ে বিশ্লেষণ কৰাত মানুহসকল ইমান বেছি আকৰ্ষিত হৈছিল যে গাঁওখনৰ হিন্দু লোকসকলে দলে দলে আহি মোল্লাৰ ওচৰত ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। এনে বহু লোকৰ ধৰ্মান্তৰণৰ প্ৰতি লক্ষ্য কৰি আব্দুৰ ৰহমানে উল্লেখ কৰে— "এইটো সত্য যে বংশানুক্ৰমিকভাৱে বিস্তাৰিত মুছলমান বা প্ৰব্ৰজিত মুছলমানতকৈ দৰঙত ধৰ্মান্তৰিত মুছলমানৰ সংখ্যা বেছি।"[৫৭] দৰঙৰ বাঁহগড়াৰ 'হীৰা মানুহ বহুতেই ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল।" দৰঙৰ কালিয়াপাৰা গাঁৱত পীৰ ফকীৰ চুফী সাধক আদিৰ প্ৰভাৱত বহু লোক ধৰ্মান্তৰিত হৈছিল। তদুপৰি মুছলিমঘোপা, বৰকলীয়াঝাৰ, সানোৱা আদি ওচৰ-চুবুৰীয়া গাঁৱত মুছলমান বসতি গঢ়ি উঠাত মাৰৈ গাঁৱৰ বহু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। সেইদৰে দৰঙৰ বৰদৌলগুৰি, আঠিয়াবাৰী, তুৰাই, বৰ কুমাৰপাৰা আদি গাঁৱত ভালেমান ধৰ্মান্তৰিত মুছলমান পোৱা যায়। আব্দুৰ ৰহমানে আৰু উল্লেখ কৰে যে বৰকুমাৰপাৰা গাঁৱৰ বাসিন্দাবৰ্গ হিন্দুধৰ্মীয় লোক আছিল। এসময়ত

সেই গাঁৱলৈ পৃথকে পৃথকে 'বৰফকীৰ' আৰু 'কামপাল ফকীৰ' নামৰ দুজন সাধক আহি ইছলামৰ একেশ্বৰবাদ আৰু বৰ্ণ-বৈষম্যহীন সমাজ ব্যৱস্থাৰ অমৃত বাণী প্ৰচাৰ কৰাত ইয়াৰ কিছুমান মানুহ ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰে।[৫৮] তেওঁলোকৰ পাছত সোতৰ শতিকাত জয়পাল নামৰ মানকাছৰৰ কামাখ্যা মন্দিৰৰ এজন হিন্দু পুৰোহিতে 'বৰহম' নামৰ এজন মুছলমান ফকীৰৰ ওচৰত ইছলাম গ্ৰহণ কৰি পাছলৈ তেওঁ নিজে এজন নৈষ্ঠিক মুছলমান সাধক হৈ পৰে।[৫৯] তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰি দৰঙৰ বৰকলিয়াঝাৰ অঞ্চলত থকা এটা পুখুৰীৰ পাৰত এখন খানকাহ পাতি ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। পাৰত জয়পালৰ খানকাহ থকাৰ বাবে স্থানীয় লোকে পুখুৰীটোক 'জয়পাল পুখুৰী' বুলিবলৈ লয়। জয়পালৰ নৈষ্ঠিক ধৰ্ম প্ৰচাৰত আকৃষ্ট হৈ দলে দলে হিন্দুধৰ্মীয় লোক আহি তেওঁৰ ওচৰত ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ ধৰে। আকৌ দৰঙৰ নজৰ আলীৰ আত্মজীৱনী 'মোৰ জীৱনৰ কিছু কথা' নামৰ পুথি অনুসৰি (মেদিনী চৌধুৰীৰ 'লুইত, বৰাক আৰু ইছলাম' নামৰ পুথিৰ সহায়ত) তেওঁৰ পূৰ্বপুৰুষ 'মানসিং' মীৰজুমলাৰ সংগী ৰণুৱা আছিল। তেওঁ কোনো কাৰণত মোগল সাম্ৰাজ্যলৈ ঘূৰি নগৈ দৰঙৰ তুৰাই অঞ্চলত ৰৈ যায় আৰু বিয়া-বাৰু কৰাই ঘৰ-সংসাৰ কৰি থাকে। পৰৱৰ্তী কালত মানসিঙৰ পুতেক জয়সিঙে ইছলাম ধৰ্ম গ্ৰহণ কৰি 'জয় ছেখ' নাম লয়।[৬০] বৰ কুমাৰপাৰাৰ কানাই শইকীয়াৰ পৰিয়াল একালত হিন্দু আছিল। দৰঙী ৰজাই 'শইকীয়া' পদবী লাভ কৰা কানাই শইকীয়াই উল্লেখ কৰে যে উক্ত গাঁৱৰ আন কিছু লোকেও বৰফকীৰ, জয়পাল ফকীৰ আদিৰ সান্নিধ্যত ইছলাম ধৰ্ম গ্ৰহণ কৰে। তেওঁৰ উত্তৰ পুৰুষে 'শইকীয়া' উপাধি গ্ৰহণ কৰি বৰ্তমানেও উক্ত গাঁৱত বসবাস কৰি আছে। পথৰু হীৰা আছিল এজন নাৱৰীয়া।[৬১] তেওঁ ঘাটত নাৱত মানুহ, বয়-বস্তু উঠাই ইপাৰ-সিপাৰ কৰিছিল। পাছলৈ তেওঁৰ ঘাটটোক স্থানীয় লোকে 'পথৰুঘাট' বুলিবলৈ লৈছিল। পাছলৈ সেই ঘাটটোৱে নহয়, সমগ্ৰ অঞ্চলটিৰ নাম 'পথৰুঘাট' হৈ পৰে। এয়া হ'ল ইতিহাসপ্ৰসিদ্ধ পথৰুঘাট, য'ত ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ দিনা হোৱা এক কৃষক বিদ্ৰোহত সাতকুৰি হিন্দু-মুছলমান কৃষকে ব্ৰিটিছৰ বন্দুকৰ

গুলীত প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। হীৰা সম্প্ৰদায়ৰ পথৰুৱে গুৱাহাটীৰপৰা যোৱা জোলকাদ আলী ফকিৰৰ সান্নিধ্যত ইছলাম ধৰ্ম গ্ৰহণ কৰি 'পথৰু ছেখ' নাম লৈছিল। তেওঁৰ বংশধৰসকলে বৰ্তমানেও পথৰুঘাটত বসবাস কৰি আছে।[৬২] অঞ্চলটোৰ বহু হীৰা সম্প্ৰদায়ৰ লোক ইছলাম ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰে। সেইদৰে দৰঙৰ শিঙিমাৰী গাঁৱৰো বহু হিন্দু লোকে সেই গাঁৱত বসবাস কৰি মুছলমানসকলৰ সান্নিধ্যত ইছলাম ধৰ্ম গ্ৰহণ কৰে। জিলাখনৰ কালিয়াপাৰা গাঁৱতো ইছলাম ধৰ্মৰ প্ৰভাৱত আৰু পীৰ, ফকীৰ, আদিৰ প্ৰভাৱত একেশ্বৰবাদৰ প্ৰতি আকৃষ্ট হৈ বহু লোক ধৰ্মান্তৰিত হয়।[৬৩] কেৱল দৰঙতে নহয়, অসমৰ পুৰণি গাঁওবোৰলৈ গৈ অনুসন্ধান কৰিলে বহুতো ধৰ্মান্তৰিত মুছলমান লোক ওলাব। যোৰহাটৰ কাকজানৰ শিক্ষাবিদ, লেখক প্ৰয়াত এম ইমৰান হুছেইনে এই লেখকক জনোৱামতে (পাছত ২০১০ চনৰ ৩১ মাৰ্চতহে হুছেইনৰ মৃত্যু হয়) তেখেতৰ মাতৃৰ পূৰ্বসূৰী কায়স্থ কুলীয়া তিনিজন ভাই-ককাইক স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত কাকজানত থাপিত কৰা হৈছিল। তাৰে ডাঙৰ দুজন আছিল সোণাৰী আৰু সৰুজনৰ বৃত্তি আছিল ৰং কৰা (Painting)। ডাঙৰ দুজনৰ নাম জনা নাযায়। সৰুজনৰ নাম আছিল থুলেশ্বৰ। কিন্তু স্থানীয় লোকসকলে তেওঁক 'থৈলা' বুলিহে মাতিছিল। পাছত থৈলাই কিবা কাৰণত ইছলাম ধৰ্ম গ্ৰহণ কৰে। প্ৰয়াত হুছেইনে এই লেখকক কোৱা মতে, উক্ত তিনিওজন ককাই-ভাইৰে হিন্দু-মুছলমানৰ সতি-সন্ততিসমূহে বৰ্তমানেও কাকজানত বসবাস কৰি আছে। বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আলহাজ ফিজনুৰ আলী, কাকজান কলেজৰ কাৰ্যালয় সহায়ক ছফিকুৰ ৰহমান আদি ধৰ্মান্তৰিত থুলেশ্বৰৰে বংশধৰ। এইদৰে শতাধিক থলুৱা হিন্দু লোকে কাষৰ মুছলমানসকলৰ প্ৰভাৱত, প্ৰণয়জনিত কাৰণত অথবা হিন্দু ধৰ্মৰ বৰ্ণ-বিভেদ আৰু ৰক্ষণশীল ৰীতি-নীতিৰ হেঁচাত ইতিহাসৰ ভিন্ ভিন্ সময়ত ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। সম্ভৱ সেই কাৰণেই লীলা গগৈয়ে কয়, 'ঘাইকৈ ধৰ্মান্তৰিত থলুৱা মুছলমানৰ লগত হিন্দুৰ তেজ-মঙহৰ সম্পৰ্ক বৰ্তমান।' আকৌ বৰাক

উপত্যকাও অসমৰ অবিচ্ছেদ্য অংগ। বৰাক উপত্যকাতো বহু ধৰ্মান্তৰিত মুছলমান আছে। বিশেষকৈ বৰ্তমানৰ হাইলাকান্দি জিলাৰ দক্ষিণ-পশ্চিম ভাগ আৰু সমগ্ৰ কৰিমগঞ্জ জিলা চতুৰ্দশ শতিকালৈকে হিন্দু ৰাজ্য শ্ৰীহট্টৰ অংগ আছিল। চতুৰ্দশ শতিকাৰ দ্বিতীয়াৰ্ধত ইতিমধ্যে নামোল্লেখ কৰা সুখ্যাত সাধক হজৰত চাহজালাল আৰু তেওঁৰ লগত অহা ৩৬০ জন সংগী আউলীয়াৰ সংস্পৰ্শত শ্ৰীহট্টৰ বহুসংখ্যক হিন্দু লোকে এনেদৰে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল যে শতাব্দীটোৰ ভিতৰতে হিন্দু অধ্যুষিত শ্ৰীহট্ট মুছলমানপ্ৰধান ৰাজ্যলৈ ৰূপান্তৰিত হৈছিল। এই শ্ৰীহট্টৰে এখন জিলা আছিল ধৰ্মান্তৰিত মুছলমানপ্ৰধান ছিলেট। ১৯৪৭ চনত ছিলেট জিলাক অসমৰ পৰা বাহিৰ কৰি পূব পাকিস্তানৰ অন্তৰ্ভুক্ত কৰা হ'ল যদিও ওপৰত উল্লেখ কৰা হাইলাকান্দি জিলাৰ দক্ষিণ-পশ্চিম ভাগ আৰু সমগ্ৰ কৰিমগঞ্জ জিলা, এই দুয়োখণ্ড মিলাই এটা বিস্তৃত অঞ্চল ছিলেটৰ পৰা ফালি অসমৰ অন্তৰ্ভুক্ত কৰি ৰখা হ'ল। ফলত চতুৰ্দশ শতিকাতে ধৰ্মান্তৰ হোৱা শ্ৰীহট্টৰ অৰ্থাৎ ছিলেটৰ কিছুমান মুছলমান অসমৰ বাসিন্দা হ'ল। শ্ৰীহট্টৰ ৰজা গৌৰগোবিন্দৰ ৰাজত্ব কালতেই এই ধৰ্মান্তৰকৰণ প্ৰক্ৰিয়া সংঘটিত হৈছিল।

কছাৰী ৰজা কৃষ্ণচন্দ্ৰৰ ৰাজত্ব কালত ফেৰুটুপি নামৰ এজন মুছলমান ফকীৰৰ আগ্ৰাসনৰ ফলত কাছাৰৰ বহু হিন্দু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল।[৬৫] সেইদৰে আন এজন মুছলমান ফকীৰে (নাম অবিদিত) লগত কিছুমান মুছলমান লোকক লৈ ভুবন পাহাৰ হৈ কাছাৰত প্ৰৱেশ কৰি স্থানীয় হিন্দু লোকৰ ওপৰত অত্যাচাৰ-উৎপীড়ন চলাইছিল। ফলত এইজনা ফকীৰৰো ৰোষৰ বলি হৈ কাছাৰৰ কিছু হিন্দু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰে।

তদুপৰি ইতিমধ্যে কৈ অহা হজৰত চাহজালালৰ লগত অহা ৩৬০ জন আউলীয়াৰ মাজৰ বদৰুদ্দিন, চাহ ইউছুফ, আদম খাকী, পতা চাহ প্ৰমুখ্যে বহুজন আৰু স্ব-ইচ্ছাৰে পৃথক পৃথককৈ বৰাক উপত্যকাত ধৰ্মপ্ৰচাৰ কৰি থকা পীৰ, ফকীৰ, আউলীয়াসকলৰ প্ৰভাৱত বহু অমুছলমান লোকে ইছলাম ধৰ্ম

গ্ৰহণ কৰিছিল বুলি জনা যায়। গতিকে বৰাক উপত্যকাতো বহু ধৰ্মান্তৰিত মুছলমানে যুগ যুগ ধৰি বসবাস কৰি আহিছে বুলি নিশ্চিত হ'ব পাৰি।

ওপৰৰ আলোচনাৰ পৰা বুজা যায় যে অসমৰ পুৰণি মুছলমানসকলৰ মাজত শ শ ধৰ্মান্তৰিত মুছলমান আছে। সেইসকলৰ একোজনহঁতৰ সতি-সন্ততি বাঢ়ি গৈ বৰ্তমান একোটা চুবুৰি বা একোখন সৰু গাঁও হৈছে। সেয়েহে শেষত ক'ব পাৰি যে এই ধৰ্মান্তৰিত মুছলমানসকলেও অসমৰ মুছলমান জনসংখ্যা বৃদ্ধিত সক্ৰিয় অৰিহণা যোগাইছে।

## ঔপনিৱেশিক কালত প্ৰব্ৰজন কৰা মুছলমানসকল

১৮২৬ চনৰ পৰা ১৯৪৭ চনলৈকে ব্ৰিটিছ চৰকাৰে শাসন কৰা ছকুৰি বছৰীয়া কালছোৱাত বাহিৰৰ কেইবাভাগো মুছলমান আহি অসমৰ স্থায়ী বাসিন্দা হৈছিলহি। তলত সেইসকলৰ আগমনৰ সংক্ষিপ্ত আভাস দিয়া হ'ল।

## পূৰ্ববঙ্গীয় মূলৰ মুছলমানৰ বসতি

১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হৈছিল যদিও ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৮২৫ চনতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগ্ৰাসন আৰম্ভ কৰিছিল। তেওঁলোক এই খণ্ডটো দখল কৰাৰ উদ্দেশ্যে অসমলৈ অহা নাছিল বুলি কৈছিল যদিও ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰে আহোমৰ যোগ্য কোঁৱৰ নাই বুলি অজুহাত দেখুৱাই ব্ৰহ্মপুত্ৰ উপত্যকা নিজৰ দখলাধীন কৰি ব্ৰিটিছ শাসন প্ৰৱৰ্তনৰহে ব্যৱস্থা গ্ৰহণ কৰিছিল। "the East India Company had assumed in their hands the government of the country under the term a British province"[৬৬] মানৰ বিৰুদ্ধে সংঘটিত যুদ্ধসমূহত কোম্পানী চৰকাৰৰ প্ৰথমে আঢ়ৈ লাখ পাউণ্ড মূলধন ব্যয় হোৱাৰ লগতে দহ মিলিয়ন ষ্টাৰলিং পাউণ্ড ধাৰ লাগিছিল।[৬৭] গতিকে এটা ব্যৱসায়িক গোষ্ঠী হিচাপে উক্ত ক্ষতি পূৰণ কৰাটো চৰকাৰৰ নিতান্ত প্ৰয়োজন আছিল। সেয়ে তেওঁলোকে য'ত-যেনেকৈ পাৰে ৰাজহ সংগ্ৰহৰ প্ৰচেষ্টা চলাইছিল। বঙ্গত জমিদাৰসকলক অধিক ৰাজহ দিবলৈ বাধ্য কৰোৱা হৈছিল। কোম্পানী চৰকাৰ অসমৰ অভ্যন্তৰলৈ প্ৰৱেশ কৰাৰ প্ৰচেষ্টা পূৰ্বৰ পৰাই চলি আছিল।

তাৰ প্ৰথম পদক্ষেপ হিচাপে দন্দুৱাদ্ৰোহ আৰু মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ অহা কেপ্টেইন থমাছ ৱেলছে ১৭৯৩ খ্ৰীঃত দুৰ্বল আহোম ৰজা গৌৰীনাথ সিংহৰ সৈতে এক ব্যৱসায়ীক চুক্তি সম্পন্ন কৰে।[৬৮] উক্ত চুক্তিৰ এটা মূল চৰ্ত আছিল যে আহোম ৰজাই বিনাচৰ্তে ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰক বা চৰকাৰৰ অনুজ্ঞাপ্ৰাপ্ত যিকোনো ভাৰতীয় ব্যৱসায়ীক অসমত ব্যৱসায় কৰিবলৈ দিব আৰু আহোম ৰজাই ব্যৱসায়ীসকলৰ অসমত সম্পূৰ্ণ নিৰাপত্তা ব্যৱস্থা কৰিব। আমদানিকৃত আৰু ৰপ্তানিকৃত দ্ৰব্যৰ বাবে ৰজাক দহ শতাংশ ৰাজহ দিয়া হ'ব। অৱশ্যে কোম্পানী চৰকাৰে খৰধৰকৈ অসমত ব্যৱসায়ৰ পাতনি মেলা নাছিল। প্ৰথমাৱস্থাত ব্যক্তিগত খণ্ডৰ ব্যৱসায় গোষ্ঠীবোৰক অসমলৈ ব্যৱসায় সম্প্ৰসাৰণৰ অনুমতি প্ৰদান কৰি হয়তো লাভ-লোকচান কি হয় তাৰ বুজ ল'ব বিচাৰিছিল। লগতে এফালে অসমৰ ব্যৱসায়ৰ ক্ষেত্ৰখন অধ্যয়ন কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ চৰকাৰৰ বিষয়া বুকানন হেমিলটনক নিয়োগ কৰা হৈছিল আৰু আনহাতে কোম্পানী চৰকাৰৰ দ্বাৰা ব্যক্তিগত খণ্ডৰ মাৰোৱাৰী আৰু ঢাকায়া ব্যৱসায়ীসকলক ৰাজহ লাভৰ আশাত অসমত ব্যৱসায় কৰাৰ অনুজ্ঞাপত্ৰও প্ৰদান কৰা হৈছিল। ফলত ঊনবিংশ শতিকাৰ প্ৰথমভাগৰ পৰা মাৰোৱাৰী আৰু ঢাকায়া ব্যৱসায়ীসকলে আহি অসমত ব্যৱসায়ৰ পাতনি মেলিছিল।[৬৯] মাৰোৱাৰীসকলে খাদ্যসামগ্ৰী, যেনে- নিমখ, আলু, দাইল, চেনি, ইউৰোপত তৈয়াৰী বানত কাপোৰ, বংগদেশত তৈয়াৰী কপাহী কাপোৰ, ঘৰ সজা সামগ্ৰী আদিও নাও ভৰাই আনি জিলা, মহকুমা আদিৰ সদৰ ঠাই বা প্ৰশাসনীয় কেন্দ্ৰসমূহৰ কাযত 'গোলা' বা দোকান খুলি সেইবোৰ বিক্ৰী কৰিছিল আৰু অসমৰ পৰা সোণগুৰি, লা, কপাহ, পাটসূতা, মুগাসূতা আদি সংগ্ৰহ কৰি অসমৰ বাহিৰলৈ ৰপ্তানি কৰিছিল। মাৰোৱাৰীসকলৰ সমসাময়িকভাৱে ঢাকাৰ মুছলমান সদাগৰসকলেও প্ৰসাধন সামগ্ৰী, ঘৰ সজা সামগ্ৰী, কাৰ্পেট, লাইম, ঊন কাপোৰ, জোতা, ইউৰোপত তৈয়াৰী বানত কাপোৰ, বংগদেশত তৈয়াৰী কপাহী কাপোৰ আদি নাও ভৰাই আনি সদৰ ঠাইসমূহত মাৰোৱাৰী গোলাৰ কাযতে বিপণী খুলি বিক্ৰী কৰিছিল।

বিদেশত, সম্ভৱ, নিৰাপত্তা লাভৰ আশাতে নগৰৰ একেটা অঞ্চলতে মাৰোৱাৰীসকলে বসবাস কৰিছিল। সাধাৰণতে পূৰ্বৰ অসমীয়া মানুহে মাৰোৱাৰীসকলক 'কেঞা' আখ্যা দিছিল। সেই কাৰণে কেঞাসকলে একেলগে বসবাস কৰা ঠাইখণ্ডক 'কেঞাপট্টি' বোলা হৈছিল। সেই একেদৰে ঢাকায়া সদাগৰসকলেও বিদেশত একে ঠাইতে থাকি ব্যৱসায় কৰিছিল। মাৰোৱাৰীসকলক 'কেঞা' কোৱাৰ দৰে অসমীয়া মানুহে ঢাকাৰ মুছলমান সদাগৰসকলক 'ঢাকায়া' বুলিছিল। সেই কাৰণে তেওঁলোকে ঢাকাৰ ব্যৱসায়ীসকলে বাস কৰা ঠাইখণ্ডক 'ঢাকায়াপট্টি' বা 'ঢাকাপট্টি' আখ্যা দিছিল। এইদৰে জিলা বা মহকুমাৰ সদৰ বা মূল ঠাইসমূহত মাৰোৱাৰী আৰু ঢাকায়া বেপাৰীয়ে গোলা বা দোকান খুলি একোখন বাণিজ্য কেন্দ্ৰৰ সৃষ্টি কৰিছিল। প্ৰথমাৱস্থাত অসমীয়া মানুহে নগদ ধনৰ বিনিময়ত বস্তু ক্ৰয় কৰিব জনা নাছিল। তেওঁলোকে লগত অনা থলুৱা সামগ্ৰী দি তাৰ বিনিময়তহে মাৰোৱাৰী আৰু ঢাকায়া বেপাৰীৰ পৰা নতুন নতুন সামগ্ৰী সংগ্ৰহ কৰিছিল।[৭০] দূৰ-দূৰণিৰ লোক আহি এই দোকানবোৰত বস্তু ক্ৰয় কৰিছিল বিনিময় প্ৰথাৰে। অৱশ্যে পৰৱৰ্তী কালত নগদ ধনৰ বিনিময়তহে অসমীয়া মানুহে বস্তু ক্ৰয় কৰিব লগা হৈছিল। সি যি কি নহওক, অসমৰ প্ৰায় আটাইবোৰ নগৰত আমি কেঞাপট্টি আৰু ঢাকাপট্টি পাওঁ। এই লোকসকলৰ বহুতে নিজৰ ব্যৱসায়থলিতে মাটি-বাৰী কিনি লৈ নিগাজীকৈ থাকি ব্যৱসায় কৰিবলৈ লৈছিল। এইদৰে ঊনবিংশ শতিকাৰ প্ৰথমভাগৰ পৰা অসমত ব্যৱসায় কৰিবলৈ ভাগে ভাগে অহা বহু বংগীয় মুছলমান অসমত ৰৈ যায়। যিহেতু ৰজা গৌৰীনাথ সিংহই ব্ৰিটিছাধীন ব্যৱসায়ত সন্মতি প্ৰদান কৰি থৈছিল, সেয়ে মাৰোৱাৰী আৰু ঢাকায়া ব্যৱসায়ীসকলে ব্যৱসায় কৰাত কোনেও হকা-বাধা কৰিব পৰা নাছিল। অৱশ্যে স্বাধীনতা লাভৰ আগে-পিছে ভাৰতৰ ভিন ভিন ঠাইত সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষৰ ক'লা ডাৱৰ এভাগ অসমৰ আকাশতো বোৱাই নিয়াৰ প্ৰচেষ্টা চলোৱা হৈছিল; ফলত সাম্প্ৰদায়িক সংঘৰ্ষৰ আশংকা কৰি কিছুসংখ্যক ঢাকায়া ব্যৱসায়ীয়ে অসমৰ সা-সম্পত্তি বিক্ৰী কৰি পূব পাকিস্তানলৈ প্ৰত্যাৱৰ্তন কৰিছিল। তথাপি বহু

ব্যৱসায়ী অসমৰ পৰা গুচি যোৱা নাছিল আৰু তেওঁলোকৰ সতি-সন্ততিয়ে বৰ্তমানেও বিভিন্ন নগৰ এলেকাত বসবাস কৰি আছে।

এইসকল ঢাকায়া ব্যৱসায়ীৰ উপৰি আৰু কিছুমান ঢাকাৰ ব্যৱসায়ীয়ে অসমত ব্যৱসায় কৰিছিলহি, যিসকলৰ কোনো নিৰ্দিষ্ট গোলা বা দোকান নাছিল।[৭১] তেওঁলোকে নাৱেৰে ভিন ভিন সামগ্ৰী লৈ আহি অসমৰ পৃথক পৃথক বজাৰত বিক্ৰী কৰি আৰু লগতে অসমৰ উৎপাদিত সৰিয়হ, লা, সোণগুৰি আদি ক্ৰয় কৰি আকৌ স্বদেশলৈ ঘূৰি গৈছিল। কিন্তু বিভিন্ন কাৰণত তেওঁলোকৰ মাজৰে দুই-চাৰিজন অসমৰ ঠায়ে ঠায়ে ৰৈ গৈছিল। উদাহৰণস্বৰূপে লখিমপুৰৰ বদতিঘাট হৈ ব্যৱসায় কৰিবলৈ আহি ওচৰৰ বিহপুৰীয়াত ৰৈ গৈছিল ৰহিম বক্স নামৰ এজন ব্যৱসায়ী। পৰৱৰ্তী কালত বিহপুৰীয়াৰ সমাজত সু-পৰিচিত হৈ পৰা আৰু সামাজিক অনুষ্ঠানলৈ প্ৰশংসনীয় দান-বৰঙণি আগবঢ়োৱা ৰহিম বক্সৰ উত্তৰসূৰীসকল বৰ্তমানেও বিহপুৰীয়াত আছে। উবেদুৰ ৰহমান এই ৰহিম বক্সৰে উত্তৰসূৰী বুলি তেৰেঁই লেখকক জনায়।

পূৰ্ব বংগৰ পৰা আন এভাগ মুছলমান লোক অসমলৈ আহিছিল কোম্পানী চৰকাৰৰ আমোলা হিচাপে।[৭২] ইতিহাসৰ সম্ভেদ অনুসৰি এই আমোলাসকলৰো কিছু অসমত ৰৈ যায়। এই বিষয়ে হেৰম্বকান্ত বৰপূজাৰীয়ে কয় যে অসমত প্ৰতিষ্ঠিত ব্ৰিটিছ কাৰ্যালয়সমূহত চাকৰি কৰিবৰ বাবে কিছুমান ইংৰাজী আৰু ফাৰ্ছী ভাষা জনা বংগীয় লোকক অসমলৈ অনা হৈছিল। এই আমোলাসকলৰ মাজত কিছুসংখ্যক মুছলমান আমোলাও আছিল। কাৰণ সেই সময়ত চৰকাৰী কাৰ্যালয়ৰ ভাষা আছিল ইংৰাজী আৰু পাৰ্ছী। গতিকে ফাৰ্ছী ভাষা জনা মুছলমান লোকক আমোলা মকৰল কৰাটো চৰকাৰৰ বাবে জৰুৰী আছিল। বৰপূজাৰীয়ে তেখেতৰ ‘Assam in the days of Company'' নামৰ পুথিৰ ২৯৫-৯৬ পৃষ্ঠাত উল্লেখ কৰে, ‘The number of Muslims augmented after British occupation when they came not as invaders, but as Amolas, shopkeepers, speculators and skilled labourers’ গতিকে এই আমোলাসকলৰ কিছুসংখ্যকো অসমত ৰৈ যাব পাৰে।

১৮২৩ খ্ৰীঃত অসমৰ হাবিত ৰবাৰ্ট ব্ৰুছৰ দ্বাৰা চাহপাত আৱিষ্কাৰ কৰা হয়। তাৰ তিনি বছৰৰ পাছত ১৮২৬ খ্ৰীঃত অসমত উইলকক্সে কয়লা আৰু খাৰুৱা তেল আৱিষ্কাৰ কৰে। এইবোৰৰ নিয়মীয়া পৰীক্ষা-নিৰীক্ষাৰ অন্তত অসমত ইখনৰ পিছত সিখনকৈ চাহ বাগিচা আৰু ইটোৰ পিছত সিটোকৈ চাহৰ উদ্যোগ গঢ়ি তোলা হৈছিল। ১৮৮২ চনত লিডুত কয়লা খনন আৰম্ভ হয় আৰু কয়লা উদ্যোগে গঢ় লৈ উঠে। ১৮৮৯ চনত ডিগবৈত তেলৰ বাবে খনন প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ১৯০১ চনত ডিগবৈ শোধনাগাৰ আৰম্ভ হয়। এই উদ্যোগবোৰ নিৰ্মাণৰ বাবে অসমত সেই যুগত কাৰিকৰৰ অভাৱ আছিল। ফলত বঙ্গদেশ, বিহাৰ, পাঞ্জাব আদি ৰাজ্যৰ পৰা বহু কাৰিকৰ, শ্ৰমিক আমদানি কৰা হৈছিল। বিশেষকৈ ডিগবৈৰ তেল উদ্যোগত কাম কৰিবলৈ চট্টগ্ৰাম অঞ্চলৰ বহু লোক অনা হৈছিল। ১৯৪৭ চনৰ ভাৰত বিভাজনৰ পাছত তাৰ বেছিভাগ মানুহ স্বদেশলৈ ঘূৰাই পঠোৱা হয়। ইয়াৰ সৰহভাগেই মুছলমান আছিল। এওঁলোকৰ কিছুমান অসমত ৰৈ যায়। বৰপূজাৰীদেৱৰ উক্তিয়ে বঙ্গদেশৰ পৰা দক্ষ শ্ৰমিক আমদানি কৰাৰ সম্ভেদ দিয়ে। যিহেতু ইটোৰ পাছত সিটোকৈ ব্যক্তিগত খণ্ডৰ উদ্যোগ গঢ়ি তোলা হৈছিল, অধিক ধন উপাৰ্জনৰ থলী অসমৰ পৰা আমদানিকৃত বংগীয় শ্ৰমিকসকলে সম্ভৱ ঘূৰি যোৱাৰ সুযোগেই পোৱা নাছিল। অৱশেষত তেওঁলোকৰ কিছু অসমত ৰৈ গৈছিল। বৃহৎ অসমীয়া জাতিৰ সান্নিধ্যত থকা এইসকল বংগীয় মুছলমান লোক কম সময়ৰ ভিতৰতে অসমীয়া কৃষ্টি-সংস্কৃতিত বিলীন হৈ গৈছে।

১৮৪১ খ্ৰীঃত 'দ্য আসাম' নামৰ প্ৰথম পানীজাহাজখন চলোৱাৰ পাছত ১৮৪৭ খ্ৰীঃ পৰা ক্ৰমে থেমচ, মেঘনা, যমুনা আদি নামৰ পানীজাহাজ বংগদেশৰ পৰা অসমলৈ চলে। সেই নাৱেৰে পূৰ্ববংগীয় লোকৰ জাহাজ অসমলৈ যাতায়াত কৰাটো সুগম হৈ পৰে।

এই জাহাজবোৰতো অনেক পূৰ্ববঙ্গীয় লোকে নানা পদত চাকৰি কৰিছিল আৰু নদীপথেদি অসমলৈ যাতায়াত কৰি আছিল। এওঁলোকৰো কিছু লোক অসমত ৰৈ যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

ইয়াৰ পাছত ওপৰত উল্লেখ হৈছে যে ১৮৭৪ চনত ব্ৰিটিছ চৰকাৰে শাসনৰ সুবিধাৰ্থে অবিভক্ত কাছাৰ জিলা, বৰ্তমান বাংলাদেশৰ অধীনস্থ এই

জাহাজবোৰতে অনেক পূৰ্ববঙ্গীয় লোকে নানা পদত চাকৰি কৰি আৰু নদীপথেদি যাতায়াত কৰি আছিল। এওঁলোকৰো কিছু লোকে অসমত ৰৈ যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। ছিলেট জিলা, অবিভক্ত গোৱালপাৰা জিলা আৰু গাৰো পাহাৰক অসমৰ (মুখ্য আয়ুক্তৰ প্ৰদেশৰ) অন্তৰ্ভুক্ত কৰে। ইয়াৰে কাছাৰ, ছিলেট আৰু গোৱালপাৰা ঘাইকৈ মুছলমান অধ্যুষিত জিলা আছিল। যেতিয়া এই তিনিখন জিলা অসমৰে একোখন জিলা হৈ পৰিল, এখন জিলাৰ মানুহে আন এখন জিলালৈ যাতায়াত কৰাটো বাধাহীন হৈ পৰিল। ফলত সেইছোৱা সময়তে ছিলেট আৰু কাছাৰ জিলাৰ বহু লোকে ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰে। বৰ্তমানেও আমি নগাঁও জিলাৰ দক্ষিণাঞ্চলত বহু ছিলেটীয়া লোক পাওঁ। তেওঁলোকৰ কিছুমান পোনপটীয়াকৈ ছিলেটৰ পৰা অহা লোক আৰু কিছু পূৰ্বে ছিলেট, ঢাকা আদি ঠাইৰ পৰা গৈ কাছাৰত বসবাস কৰি থকা লোক। আনহাতে, অভিভক্ত গোৱালপাৰা জিলাক অসমৰ অন্তৰ্ভুক্ত কৰাত সেই জিলাত কেইবাটাও শতাব্দী ধৰি বসবাস কৰি অহা বহু হাজাৰ 'দেশী' মুছলমান অসমৰ লোক হৈ পৰিল। গতিকে দেখা যায় যে, ব্ৰিটিছ চৰকাৰে প্ৰশাসনীয় সুবিধাৰ বাবে কৰা প্ৰশাসনিক পৰিৱৰ্তনে হাজাৰ হাজাৰ মুছলমানক অসমৰ ভিতৰুৱা কৰিলে।[৭৩]

আকৌ ঊনৈশ শতিকাৰ শেষভাগৰ পৰা অসমত ৰে'লপথৰ পাতনি মেলা হয়। এই ৰে'লপথ নিৰ্মাণৰ বাবে বহুসংখ্যক অভিজ্ঞ কাৰিকৰ আৰু শ্ৰমিকৰ দৰকাৰ হৈছিল। আনহাতে, পূৰ্বৰে পৰা অসমত দক্ষ কাৰিকৰ আৰু শ্ৰমিকৰ অভাৱ আছিল। সেই কাৰণে ব্ৰিটিছ চৰকাৰে কাষৰীয়া ৰাজ্য পূৰ্ববংগৰ পৰা কিছুসংখ্যক দক্ষ কাৰিকৰ আৰু শ্ৰমিক অসমলৈ আনিছিল। অসমত জীৱিকা উপাৰ্জনৰ পথ সুগম দেখা এইসকল কাৰিকৰ, শ্ৰমিকৰ কিমানসংখ্যক ঘূৰি গ'ল, কিমানসংখ্যক এই দেশত স্থায়ীভাৱে ৰৈ গ'ল, তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ নাছিল। আমি এটা কথাত নিশ্চিত হ'ব পাৰোঁ যে ৰে'লপথ নিৰ্মাণৰ বাবে যিসকল কাৰিকৰক বঙ্গদেশৰ পৰা অসমলৈ আমদানি কৰা হৈছিল তেওঁলোকৰ কিছুসংখ্যকে পূৰ্ববঙ্গলৈ ঘূৰি নগৈ

অসমতে ঘৰ-সংসাৰ কৰি ৰৈ গৈছিল।[৭৪] আমি ভালদৰে জানো যে ব্ৰিটিছৰ দ্বাৰা ৰে'লপথ নিৰ্মাণৰ মিস্ত্ৰী হিচাপে এটা পৰিয়াল ছিলেটৰ পৰা অসমলৈ অনা হৈছিল। মিস্ত্ৰীজনৰ মুঠ ককাই-ভাই তিনিজন। দেশ এৰি দূৰলৈ আহিবলগীয়া হোৱাত তেওঁলোকৰ তিনিওজন ভ্ৰাতৃয়ে নিজ নিজ পৰিয়াল লৈ অসমলৈ আহিছিল আৰু তেওঁলোকে নগাঁৱৰ কামপুৰ ৰে'ল ষ্টেচনৰ ওচৰতে বসবাস কৰি আছিল। তেওঁলোকৰ এজন ৰে'লপথ নিৰ্মাণত ব্যস্ত হৈ পৰিছিল আৰু দুজনে গৰু গাড়ীৰে 'লা' সংগ্ৰহ কৰি ৰে'লেৰে নি কলকাতাত বিক্ৰী কৰিছিল আৰু ঘূৰি আহোঁতে কলকাতাৰ পৰা কাপোৰ আনি অসমত বিক্ৰী কৰিছিল। কামপুৰৰ চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত মুক্তিযোদ্ধা মৰহুম সমীৰুদ্দিন আহমদ আৰু কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহঃ শিক্ষক মমতাজ আহমদ ৰে'লপথ নিৰ্মাণ কৰিবলৈ অনা উক্ত কাৰিকৰ পৰিয়ালৰে উত্তৰপুৰুষ।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈ পৰে যে ঊনবিংশ শতিকাৰ প্ৰথমভাগৰ পৰা ভিন ভিন সূত্ৰে পৃথক পৃথক বৃত্তিৰ বা শ্ৰেণীৰ পূৰ্ববংগীয় মুছলমানৰ অসমলৈ আগমন ঘটি আহিছিল। অৱশ্যে সেইসকলৰ সংখ্যা অধিক নাছিল আৰু তেওঁলোকৰ বহুতে ব্ৰিটিছ্ তথা অসমৰ স্বাৰ্থত কাম কৰি আছিল। গতিকে, এইসকল লোকৰ আগমনৰ ফলত অসমীয়া মানুহৰ মাজত বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত নহয়।

বিভিন্ন কৰ-কাটল ধাৰ্য কৰা, চাহ বাগিচা পতা, চাহ আৰু খাৰুৱা তেলৰ উদ্যোগ গঢ়ি তোলা আদিৰ যোগেৰে কোম্পানী চৰকাৰে যুদ্ধৰ ক্ষয়-ক্ষতি পূৰাবলৈ বিচাৰিছিল যদিও তেওঁলোকে এটা কথা ভালদৰে বুজি উঠিছিল যে অসমৰ হাজাৰ হাজাৰ একৰ বালিচৰ, ছন পৰি থকা মাটি কৃষি উপযোগী কৰিব পাৰিলে, যথেষ্ট অৰ্থ উপাৰ্জন কৰিব পৰা যাব। গতিকে, এইবাৰ ব্ৰিটিছ চৰকাৰে গুৰুত্ব আৰোপ কৰিলে অসমৰ অৰণ্য, ছন পৰি থকা মাটি তথা চৰ-চাপৰিবোৰৰ ওপৰত।

ব্ৰহ্মপুত্ৰৰ বিশাল চৰাঞ্চলৰ খাল, ডোং, বিল আদি পুতি, গছ-বন আঁতৰাই মাটিবোৰ খেতিৰ উপযোগী কৰিবৰ বাবে বহুসংখ্যক কঠোৰ শ্ৰম কৰিব পৰা শ্ৰমিকৰ দৰকাৰ হৈছিল। অসমত তেনেকৈ কঠোৰ পৰিশ্ৰম কৰিব

পৰা শ্ৰমিক নাছিল। অসমীয়া মানুহবোৰ কৰ্মপটু নাছিল আৰু ভৱিষ্যতৰ বাবেও কমকৈ চিন্তা কৰিছিল। এই ভাষ্য জন বাট্‌লাৰৰ। এই প্ৰসংগত বাটলাৰে তেওঁৰ 'এ স্কেট্‌ছ অব আছাম' নামৰ লেখাত উল্লেখ কৰে,... "the local people were not laborious and industrious, they lacked enterprising spirit... the cultivator seldom looks beyond his immediate wants and makes no attempt to improve his condition." অসমীয়া মানুহ কঠোৰ শ্ৰমিক নোহোৱাৰ হেতুকে ব্ৰিটিছ চৰকাৰে প্ৰথমে চীনদেশীয় শ্ৰমিক আনি চাহ বাগিচাত নিয়োগ কৰিব লগা হৈছিল। তেওঁলোকো যথেষ্ট কৰ্মপটু নাছিল। তাতে তেওঁলোকৰ বাবে অধিক ধন ব্যয় হৈছিল। থলুৱাভাৱে নিয়োগ কৰা অসমীয়া, নগা আৰু চিংফৌ শ্ৰমিকসকলেও নিজকে অনুপযুক্ত বুলিহে তেওঁলোকৰ কৰ্মেৰে প্ৰমাণ কৰি দেখুৱাইছিল। এনে এক অৱস্থাত বাগিচাৰ স্বত্বাধিকাৰীসকলে ভাৰতৰ বংগ, বিহাৰ, উৰিষ্যা, মধ্য প্ৰদেশ আদিৰ পৰা হাজাৰ হাজাৰ বনুৱা আমদানি কৰিছিল আৰু যাতে তেওঁলোক পুনৰ স্বৰাজ্যলৈ উভতি যাব নোৱাৰে, তাৰ বাবে 'গিৰমিটীয়া' প্ৰথা প্ৰৱৰ্তন কৰি উক্ত শ্ৰমিকসকলক অসমত আবদ্ধ কৰি ৰাখিছিল। গতিকে যিছোৱা কালত চাহ বাগিচাত কাম কৰিবলৈ শ্ৰমিক পোৱা নগৈছিল, সেই সময়ত মহ-ডাঁহৰ কামোৰ খাই, সৰ্পৰ দংশন, হাতী-বাঘৰ আক্ৰমণ আদিৰ সন্মুখীন হ'ব পৰাকৈ শ্ৰম কৰা শ্ৰমিক অসমততো নাছিলেই, বংগ, বিহাৰ, উৰিষ্যা আদিতো যে পোৱা নাযাব সেয়া ব্ৰিটিছ চৰকাৰে ভালদৰে অনুভৱ কৰিব পাৰিছিল। কিন্তু ব্ৰিটিছ চৰকাৰে দেখিবলৈ পাইছিল যে ভাৰতৰে অঙ্গৰাজ্য পূৰ্ববঙ্গত জমিদাৰৰ অত্যাচাৰত জৰ্জৰিত লাখ লাখ কঠোৰ শ্ৰমজীৱী কৃষকে গভীৰ অভাৱ-অনাটনৰ মাজেৰে জীৱন অতিবাহিত কৰিব লগা হৈছে। গতিকে এই কঠোৰ পৰিশ্ৰমী অথচ অভাৱী কৃষকসকলক ব্ৰহ্মপুত্ৰ উপত্যকালৈ আনিব পাৰিলে উপত্যকাটোৰ অৰণ্যাঞ্চল তথা খাল-বিল-জলাহেৰে পৰিপূৰ্ণ অঞ্চলৰ হাজাৰ হাজাৰ বিঘা মাটি কৃষিভূমিলৈ ৰূপান্তৰ কৰিব পৰা যাব।

গতিকে ঔপনিৱেশিক চৰকাৰে পূৰ্ববঙ্গীয় কৃষকক অসমলৈ আনিবৰ বাবে এক আঁচনি গ্ৰহণ কৰি সমাজৰ মাতব্বৰস্বৰূপ কিছুমান থলুৱা অসমীয়া

মানুহৰ মতামত লৈছিল।[৭৫] লক্ষণীয় যে সেই কালৰ ভালেকেইগৰাকী অসমীয়া মানুহে পূৰ্ববঙ্গীয় কৃষকক অসমলৈ অনাত সহমত প্ৰকাশ কৰিছিল।[৭৬] গুণাভিৰাম বৰুৱাদেৱে অসমত সস্তীয়া সাৰুৱা মাটিৰ সুলভতা, দক্ষ শ্ৰমিকৰ অভাৱ, বৈবাহিক সম্বন্ধ স্থাপনৰ সহজ ব্যৱস্থা আদিৰ ভিত্তিত এক নিযুত বাহিৰা মানুহ আনি অসমত থিতাপি কৰিবলৈ ঠাই আছিল বুলি মন্তব্য প্ৰকাশ কৰিছিল। অসমীয়া মানুহৰ পৰা কোনো পোনপটীয়া অভিযোগ নাপাই তদানীন্তন মুখ্য আয়ুক্ত চাৰ্লছ ইলিয়টে (১৮৮১-১৮৮৫) অসমৰ অনাবাদী মাটিবোৰ আবাদী কৰিবৰ মনেৰে পূৰ্ববঙ্গীয় কৃষকৰ বাবে অসমলৈ পথ মুক্ত কৰাৰ সিদ্ধান্ত প্ৰকাশ কৰিছিল। ফলত মুখ্য আয়ুক্তৰপৰা সেউজ সংকেত পাই এটি দুটিকৈ পূৰ্ববঙ্গীয় কৃষক অসমলৈ অগ্ৰসৰ হৈছিল।

ঊনবিংশ শতিকাত পূৰ্ববঙ্গৰ জনসংখ্যা বৰ বেছি আছিল। তাতে তেওঁলোক আটায়ে আছিল দুখীয়া। ইফালে ব্ৰিটিছ চৰকাৰৰ সমসাময়িক গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্ণৱালিছে চিৰস্থায়ী বন্দৱস্তী প্ৰৱৰ্তনৰ যোগেৰে বঙ্গ, বিহাৰ আৰু উৰিষ্যাৰ জমিদাৰসকলে পৰিশোধ কৰিবলগীয়া ৰাজহৰ পৰিমাণ নিৰ্ধাৰণ কৰি দিছিল। নিয়মীয়াভাৱে ৰাজহ পৰিশোধ কৰিব নোৱাৰাজনে জমিদাৰী হেৰুৱাবলগীয়া হৈছিল। এনে এটা অৱস্থাত জমিদাৰসকলে জোৰ-জুলুম কৰি হ'লেও কৃষকৰ পৰা অধিক পৰিমাণৰ ৰাজহ আদায় কৰিছিল। জমিদাৰৰ শোষণৰ প্ৰাবল্য ইমানেই বেছি আছিল যে "জমিদাৰৰ ঘৰত বিয়া, অন্নপ্ৰাসন হ'লেও আনকি জোঁৱাই আহিলেও আদৰ-আপ্যায়নৰ যাৱতীয় খৰচ কৃষকৰ ওপৰত কৰ বহুৱাই যোগাৰ কৰা হৈছিল।"

জমিদাৰৰ অত্যাচাৰৰ লগত ঊনৈশ শতিকাত বঙ্গদেশত হোৱা ইটোৰ পিছত সিটো আকাল, ১৮৯৭ চনৰ বৰভুঁইকঁপ প্ৰমুখ্যে সঘন প্ৰাকৃতিক দুৰ্যোগে পূৰ্ববঙ্গীয় কৃষকৰ অশেষ ক্ষতি কৰিছিল। এনে এটা অৱস্থাত পূৰ্ববঙ্গৰ কৃষকসকলৰ জীৱিকাৰ সন্ধানত, অকণ শান্তি লাভৰ আশাত পূৰ্ববঙ্গৰ পৰা স্থানান্তৰ হোৱাৰ মানসিকতা ঠন ধৰি উঠিছিল।

গতিকে যেতিয়া মুখ্য আয়ুক্ত ইলিয়টে অসমত প্ৰৱেশ কৰিবৰ বাবে সেউজ সঙ্কেত দিছিল, তেতিয়া তেওঁলোক ক্ৰমান্বয়ে অসমৰ ফালে ধাৱিত হৈছিল।

প্ৰকৃততে অসমলৈ পূৰ্ববঙ্গীয় কৃষকৰ সোঁত প্ৰবল হৈ উঠিছিল ১৯০৫ চনৰ বঙ্গ বিভাজনৰ ফলত। বঙ্গ বিভাজনৰ ব্যৱস্থা অনুসৰি অসম আৰু পূৰ্ববঙ্গ যুক্ত কৰি 'সংযুক্ত পূৰ্ববঙ্গ আৰু অসম' নামৰ এখন নতুন প্ৰদেশ গঠন কৰা হৈছিল আৰু 'ঢাকা' আছিল ইয়াৰ ৰাজধানী। যেতিয়া পূৰ্ববঙ্গ আৰু অসম একেলগে প্ৰদেশ হৈ পৰিল, প্ৰদেশখনৰ এঠাইৰ মানুহ আন ঠাইলৈ যাতায়াত কৰাত কোনো বাধা নাথাকিল। গতিকে, জমিদাৰৰ শোষণৰ বলি পূৰ্ববঙ্গীয় কৃষকে হেলাৰঙে অসমলৈ আগবাঢ়িবলৈ ধৰিলে। অৱশ্যে বঙ্গদেশ আৰু অসমৰ জননেতাৰ প্ৰতিবাদত ব্ৰিটিছ চৰকাৰে ১৯১১ চনত আকৌ উক্ত নৱগঠিত প্ৰদেশখন দ্বিখণ্ডিত কৰাত অসম পুনৰ এখন সুকীয়া প্ৰদেশ হয়। সেয়া হ'লেও পূৰ্ববঙ্গ আৰু অসম একত্ৰ হৈ থকা ছটা বছৰত (১৯০৫-১৯১১) শ শ পূৰ্ববঙ্গীয় লোকে আহি ব্ৰহ্মপুত্ৰ উপত্যকাত বসতি পাতিলেহি।

কেৱল নিজৰ স্বাৰ্থত অসমৰ অনাবাদী মাটিবোৰ আবাদী কৰিবলৈ বিচৰা ব্ৰিটিছ চৰকাৰে যাতে কৃষকসকল আকৌ পূৰ্ববঙ্গলৈ ঘূৰি নাযায়, তাৰ বাবে আগৰে পৰা তেওঁলোকক সাময়িক মাটি পট্টা প্ৰদান কৰিছিল।

১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইন অনুসৰি দেশৰ এটা অঞ্চলৰ মানুহে বিনা বাধাই আন এটা অঞ্চললৈ গমন-আগমন কৰাৰ সুবিধা প্ৰদান কৰা হৈছিল। ফলত একেখন ভাৰতৰে অঙ্গৰাজ্য বঙ্গৰ মানুহ অসমলৈ অহাটো সহজ হৈ পৰে। অৰ্থাৎ ১৯৩৫ চনত চৰকাৰৰ আইনেও দীৰ্ঘদিন ধৰি পূৰ্ববঙ্গৰ পৰা অসমলৈ বৈ অহা জনস্ৰোতটো কিছু প্ৰবল কৰি তোলে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈ পৰে যে ঊনৈশ শতিকাৰ আদিভাগৰ পৰা ভিন ভিন কাৰণত ভাগে ভাগে পূৰ্ববঙ্গীয় মুছলমানৰ অসমলৈ আগমন ঘটে আৰু কুৰি শতিকাৰ মাজভাগলৈকে চৰ-চাপৰিকে লৈ অসমৰ ভিন ভিন স্থানত কমেও ২০ লাখমান পূৰ্ববঙ্গীয় লোকৰ সমাগম ঘটে।

প্ৰণিধানযোগ্য যে পূৰ্ববঙ্গৰ পৰা অসমলৈ কেৱল মুছলমানেই নহয়, বহুতো হিন্দু লোকো আহিছিল। প্ৰথমাৱস্থাত যদিও পূৰ্ববঙ্গীয় লোকৰ আগমনত অসমীয়া মানুহৰ কোনো প্ৰতিক্ৰিয়া হোৱা নাছিল, পাছলৈ

তেওঁলোকে বুজিব পাৰিছিল যে পূৰ্ববঙ্গীয় লোকৰ প্ৰৱেশ বন্ধ নকৰিলে খিলঞ্জীয়া লোকৰ পৰৱৰ্তী বংশধৰসকল জটিল সমস্যাৰ সন্মুখীন হ'ব। সেয়ে কুৰি শতিকাৰ দ্বিতীয় দশকৰ পৰাই কেইগৰাকীমান সচেতন অসমীয়াই পূৰ্ববঙ্গীয় লোকৰ আগমন ৰোধ কৰিবলৈ প্ৰতিবাদ কৰিবলৈ লয়। উদাহৰণস্বৰূপে ১৯২৮ চনত ৰোহিণীকান্ত হাতীবৰুৱাই পূৰ্ববঙ্গীয় কৃষকৰ আগমনত বাধা আৰোপ কৰিব লাগে বুলি ব্যৱস্থাপক সভা (Legislative council)ত প্ৰস্তাৱ উত্থাপন কৰে যদিও সদনত উক্ত প্ৰস্তাৱ গৃহীত হোৱা নাছিল। তাৰ পূৰ্বে ১৯২৭ চনৰ জুলাই মাহত মহাদেৱ শৰ্মা নামৰ এগৰাকী সদস্যই তাৎক্ষণিকভাৱে পূৰ্ববঙ্গীয় লোকৰ প্ৰব্ৰজন বন্ধ কৰিব লাগে বুলি ব্যৱস্থাপক সভাত (Legislative Council) প্ৰস্তাৱ দাঙি ধৰে। পিছে উক্ত প্ৰস্তাৱো অগ্ৰাহ্য কৰা হয়। ১৯২৯ চনত কামেশ্বৰ দাসে পূৰ্ববঙ্গীয় লোকৰ আগমনত বাধা দিয়াত 'লাইন প্ৰথা' সফল হ'ব পৰা নাছিল বুলি অভিযোগ উত্থাপন কৰিছিল। দাসৰ অভিযোগেও সদনত ফলপ্ৰদ সমৰ্থন লাভ কৰিব পৰা নাছিল। আকৌ ১৯৩৭ চনত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে শৰৎ সিংহকে (ভূতপূৰ্ব মুখ্যমন্ত্ৰী) আদি কৰি কেইজনমান কলেজীয়া ছাত্ৰ লগত লৈ তদানীন্তন ৰাজহ মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীক পূৰ্ববঙ্গীয় লোকৰ আগমন ৰোধ কৰিবলৈ দাবী জনাইছিল। অৱশ্যে এটা কথা স্বীকাৰ কৰিব লাগিব যে উক্ত সদস্যবৰ্গৰ প্ৰস্তাৱ সদনত গৃহীত হোৱা নাছিল যদিও এই প্ৰতিবাদসমূহে বহু অসমীয়া মানুহৰ অন্তৰত প্ৰতিবাদী ভাব এটাৰ সঞ্চাৰ ঘটাইছিল। তত্ৰাচ দুই-চাৰি অগ্ৰণী অসমীয়া ব্যক্তিয়ে উক্ত প্ৰতিবাদৰ বিৰুদ্ধে ভিন ভিন মন্তব্য ব্যক্ত কৰিছিল। উদাহৰণস্বৰূপে ১৯৩৫ চনত নীলমণি ফুকনে "অসমত বিদেশী বুলি কথা এটা স্বীকাৰ কৰা নহ'ব" বুলিহে কৈ প্ৰতিবাদী কণ্ঠক ৰোধ কৰিবলৈ বিচাৰিছিল আৰু লগতে তেখেতে পূৰ্ববঙ্গীয় লোকৰ ৰক্ষণাবেক্ষণৰ হকে "অসম মুছলিম ইমিগ্ৰেণ্ট ছেট্‌লাৰ্ছ উন্নতি সাধিনী কমিটী" এখন গঠন কৰাৰ পৰামৰ্শ আগবঢ়াইছিল।[৭৮] একেদৰে ছিলেট আৰু (তেতিয়া ছিলেট অসমৰে এখন মুছলিম লীগৰ জিলা) বৰাক উপত্যকাৰ বহুখিনি সদস্যই

ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুজনমান সদস্যৰে মিলি পূৰ্ববঙ্গীয় লোকৰ আগমন অব্যাহত ৰখাৰ পোষকতা কৰিছিল।[৭৯] আনকি সৰ্বভাৰতীয় নেতা জৱাহৰলাল নেহৰুৱেও ১৯৩৭ চনৰ ১ নৱেম্বৰ তাৰিখে সমসাময়িক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিষ্ণুৰাম মেধিলৈ প্ৰেৰিত এখন চিঠিত কৈছিল "it must be recognized that a sparsely populated area with vacant lands like Assam is at present connot continue as it is with overcrowded provinces surrounding it."[৮০] নেহৰুৰ সুৰতে সুৰ মিলাই চৰ্দাৰ পেটেলেও গোপীনাথ বৰদলৈলৈ দিয়া চিঠিত অসমৰ উদং মাটিত পূৰ্ববঙ্গীয় কৃষকক সংস্থাপন দিয়াৰ পোষকতা কৰিছিল, আনকি স্বাধীনতা লাভৰ পিছতো। গতিকে দেখা যায় যে অসমলৈ পূৰ্ববঙ্গীয় লোকৰ আগমন অব্যাহত ৰাখিবলৈ কিছুসংখ্যক অসমৰ নেতা, ব্ৰিটিছ চৰকাৰ আৰু লগতে সৰ্বভাৰতীয় নেতায়ো প্ৰচেষ্টা চলাইছিল।

আকৌ যি সময়ত এভাগ অসমীয়া সচেতন ব্যক্তিয়ে পূৰ্ববঙ্গীয় লোকৰ সোঁত বন্ধ কৰিবলৈ দাবী উত্থাপন কৰিছিল, সেইছোৱা সময়তে কিছুমান সুতজীৱী মহাজনে টকা ধাৰে দি পূৰ্ববঙ্গীয় লোকক সহায় কৰাৰ লগতে তেওঁলোকক আনি খেতিৰ অনুপযোগী দ-দুৰ্গম ঠাইবোৰত সংস্থাপন দিছিল।[৮১] কিছুমানে আনকি নিজৰ মাটি বুলি কৈ নিজৰ একচনীয়া মাটি বা চৰকাৰী মাটিতে পূৰ্ববঙ্গীয় কৃষকক বহুৱাইছিল।

তদুপৰি নামনি অসমৰ জমিদাৰ শ্ৰেণীৰো কিছুৱে পূৰ্ববঙ্গীয় শ শ কৃষক আনি নিজৰ জমিদাৰীত সংস্থাপন দিছিল। উদাহৰণস্বৰূপে অধিক হাৰত খাজনা দিব লাগে বাবে নামনি অসমত কৃষকে জমিদাৰৰ মাটিত খেতি কৰিবলৈ এৰি দিছিল। [৮২] এনে এটা অৱস্থাত চাপৰৰ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে তেওঁ পূৰ্ববঙ্গীয় আৰিকাটি 'ৰশ্বিক' (সম্ভৱ 'ৰশ্বিদ')ৰ হতুৱাই মৈমনসিঙৰপৰা এক বৃহৎ কৃষকৰ দল অনাই নিজৰ জমিদাৰত সংস্থাপন দিছিল। নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীক দেখি বাকী জমিদাৰসকলেও যে পূৰ্ববঙ্গীয় কৃষকক অনাই নিজৰ মাটিত সংস্থাপন দিয়া নাছিল, সেইটো ন-দি কোৱা টান।

পূৰ্ববঙ্গীয় কৃষকক অসমলৈ অনাৰ ক্ষেত্ৰত ১৯৩৫ চনৰ পাছৰ পৰা অসমৰ কিছুসংখ্যক ৰাজনৈতিক নেতায়ো হাত উজান দিয়া যেন বোধ হয়। অৱশ্যে কিছু সংখ্যক নেতাই পূৰ্ববঙ্গীয় কৃষকসকলক উদ্দেশ্যপ্ৰণোদিতভাৱে চৈয়দ ছাদুল্লাই আনি অসমৰ মাটিত বহুৱাইছিল বুলি কৈ গোটেই দোষখিনি তেওঁৰ গাত জাপি দিব বিচাৰে। এই প্ৰসঙ্গত উনুকিয়াই থ'ব পাৰি যে ছাদুল্লাই ১৯৩৭ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৪৬ চনৰ ৩ ডিচেম্বৰলৈকে ৭ বছৰমান এৰাধৰাকৈ শাসন কৰিছিল। আনহাতে ১৯৩১ চনলৈকে ১২,৭৯,৩৮৮ জন, ১৯৪১ চনলৈকে ১৬,৯৬,৯৭৮ জন, ১৯৫১ চনলৈকে ১৯,৯৫,৯৩৬ জন আৰু ১৯৭১ চনলৈ পূৰ্ববঙ্গীয় বহিৰাগতৰ সংখ্যা ৩৫,৯৪,০০৬ বৃদ্ধি হৈছিল।[৮৩] গতিকে দেখা যায় যে ছাদুল্লাৰ শাসনৰ আগে-পাছে অহাসকলৰ বাবে তেওঁ জগৰীয়া হ'ব নোৱাৰে। ১৯৩১ চনৰপৰা ১৯৫১ চনৰ ভিতৰত ৭,১৬,৫৪৮ জন কৃষক আহে আৰু এই ২০ বছৰত যিহেতু ব্ৰিটিছ চৰকাৰ, ছাদুল্লা চৰকাৰ, বৰদলৈ চৰকাৰ আৰু লগতে বিষ্ণুৰাম মেধিৰ চৰকাৰে (আংশিকভাৱে) শাসন কৰিছিল, আৰু যিহেতু পূৰ্ববঙ্গীয় জনস্ৰোত অবিৰত আছিল, উক্ত ৭,১৬,৫৪৮ জন লোক এই আটাইকেইজনৰ শাসনকালতহে আহিছিল, মাথোন ছাদুল্লাৰ শাসন কালতে নহয়।

যদিও ১৯৪৭ চনৰ পিছত পূৰ্ববঙ্গীয় লোকক অসমলৈ অহাটো ৰহিত কৰা হৈছিল, ব্ৰিটিছৰ স্থলাভিষিক্ত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ পোষকতাৰে পূৰ্ববঙ্গীয় লোকক অসমলৈ আহিবলৈ দিয়া প্ৰক্ৰিয়া অব্যাহত ৰখা হৈছিল। ওপৰত উল্লেখ কৰা চৰ্দাৰ পেটেলৰ মন্তব্যই তাৰ সাক্ষ্য বহন কৰে।

## জোলা মুছলমান

ঔপনিৱেশিক কালছোৱাত অসমলৈ অনা এভাগ মুছলমান লোকক জোলা বা জোল্হা মুছলমান বুলি কোৱা হয়। এই জোলা মুছলমানসকলক এতিয়াৰ ঝাৰখণ্ডৰ হাজাৰিবাগ অঞ্চলৰপৰা অসমৰ কিছুমান চাহ বাগিচাৰ শ্ৰমিক স্বৰূপে অনা হৈছিল। ইয়াৰ পূৰ্বে তেওঁলোক বৃত্তিত 'জোল্হা' অৰ্থাৎ

তাঁতী আছিল। স্বকীয় তাঁতশালত কাপোৰ তৈয়াৰ কৰি সেইবোৰ বিক্ৰী কৰি তেওঁলোকে জীৱিকা অৰ্জন কৰিছিল। ইতিমধ্যে ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰৰ অনুজ্ঞাপত্ৰ লাভ কৰি কেইজনমান ভাৰতীয় আৰু ইউৰোপীয় পুঁজিপতিয়ে একত্ৰ হৈ 'বেংগল টী এছ'চিয়েশ্বন' নামৰ এটা কোম্পানী গঠন কৰি ঊনবিংশ শতিকাৰ চতুৰ্থ দশকৰ পৰা অসমৰ হাবিতলীয়া মাটিত চাহ বাগিচা পাতিছিল। পৰৱৰ্তী সময়ত আৰু কিছুমান ন-ন কোম্পানী গঢ় লৈ উঠিছিল। ফলত অসমত ইখনৰ পিছত সিখনকৈ চাহ বাগিচা পতা হৈছিল। চাহ বাগিচাবোৰ সেউজ কৰি তুলিবৰ বাবে অধিক শ্ৰমিকৰ প্ৰয়োজন হৈছিল। কিন্তু অসমত অভিজ্ঞ আৰু কৰ্মঠ শ্ৰমিকৰ অভাৱ আছিল। কোম্পানী চৰকাৰে প্ৰথমে চীনদেশৰপৰা আৰু পিছত ক্ৰমে নগা, চিংফৌ আৰু প্ৰশিক্ষণপ্ৰদত্ত অসমীয়া শ্ৰমিক নিয়োগ কৰিছিল যদিও কাৰো পৰা সুফল লাভ কৰিব পৰা নাছিল। অৱশেষত দৈন্যৰ সুযোগ গ্ৰহণ কৰি বঙ্গ, বিহাৰ (এতিয়াৰ ঝাৰখণ্ডসহ) উৰিষ্যা, মধ্যপ্ৰদেশ আদিৰ পৰা বহুতো আদিবাসী, দুখীয়া লোকক আনি অসমৰ চাহ বাগিচাসমূহত শ্ৰমিক হিচাপে নিয়োগ কৰিছিল। এই শ্ৰমিকসকলৰ মাজত কিছুসংখ্যক ঝাৰখণ্ডৰ 'জোল্‌হা' বৃত্তিধাৰী ইছলামধৰ্মীয় লোককো অসমলৈ আনি চাহ শ্ৰমিক হিচাপে নিয়োগ কৰা হৈছিল। যাতে চাহ বাগিচাত পুনৰ শ্ৰমিকৰ অভাৱ নহয়, তাৰ বাবে এই শ্ৰমিকসকলক কোম্পানী চৰকাৰে 'গিৰমিটীয়া' প্ৰথা প্ৰৱৰ্তন কৰি বাগিচাৰ চৌহদত আবদ্ধ কৰি ৰাখিছিল। যোৱা ২৫-১২-২০০৮ তাৰিখে গোলাঘাট দৰিয়া বাগিচাৰ শ্ৰমিক স্বৰূপে অনাসকলৰ উত্তৰ পুৰুষ মঃ নিয়ামৎ আলী, মঃ আয়ুব আলী আৰু মঃ মেহবুবুৰ ৰহমানে এই লেখকক কয় যে তেওঁলোকৰ আজোককাকহঁতক এনেদৰে প্ৰলোভিত কৰা হৈছিল যে তেওঁলোকে (ককাকহঁতে) লৰা-ঢপৰাকৈ ঘৰৰ দুৱাৰ বন্ধ কৰি নিশাতে আহি যি ৰে'লত উঠিছিল, তাৰ পাছত আৰু ঘৰলৈ ঘূৰি যাবলৈ দিয়া নহ'ল। ইছলামীয় চাহ শ্ৰমিকৰে উত্তৰ পুৰুষ, দেৰগাঁও নেঘেৰিটিং হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মঃ তমিজ আলীয়ে আন কেইগৰাকীমান গোষ্ঠীয় প্ৰতিৱেশীৰ উপস্থিতিতে ১৭-০৬-২০০০

তাৰিখে এই লেখকক কয় যে অসমৰ চাহ বাগিচাত কাম কৰিবলৈ অনা তেওঁলোকৰ পূৰ্বপুৰুষসকল অতীতত বিহাৰৰ (বৰ্তমান ঝাৰখণ্ডৰ) হাজাৰিবাগ অঞ্চলৰ লোক আছিল আৰু তেওঁলোক বৃত্তিত 'জোল্‌হা' আছিল।

এইদৰে অসমৰ চাহ-বাগিচাসমূহেও ভালেসংখ্যক মুছলমানক অসমত নিগাজী হোৱাৰ সুযোগ দিলে। এই লোকসকলে নিজকে 'জোল্‌হা' বুলি পৰিচিয় দিছিল যদিও অসমীয়া মানুহৰ মুখত 'জোল্‌হা' শব্দই 'জোলা' ৰূপ ধাৰণ কৰিলে। এই জোলাসকলো সময়ত অসমৰ মুছলমানৰ লগত মিলি গ'ল।

## পাঠান মুছলমান

ঔপনিৱেশিক কালছোৱাত অসমলৈ আহি এই দেশত নিগাজীকৈ বসবাস কৰিবলৈ লোৱা একাংশ মুছলমান আছিল সুদূৰ আফগানিস্তানৰ। সম্পূৰ্ণ অসমীয়া কৃষ্টি-সংস্কৃতি আঁকোৱালি লৈ এই পাঠান লোকসকল অসমীয়া জাতিত এনেদৰে বিলীন হৈ গৈছে যে গুৰি কথা ভাঙি নক'লে তেওঁলোক যে আফগানিস্তানৰ বংশোদ্ভৱ, সেইটো বুজিব পৰা নাযায়। অসমত ১৮২৬ খ্ৰীঃত কয়লা আৱিষ্কাৰ হৈছিল।[৮৪] এই লেখকক জনোৱামতে প্ৰথমাৱস্থাত খনিৰপৰা ডাঙৰ ডাঙৰ বাল্টিৰে কয়লা উলিওৱা হৈছিল। কয়লাপূৰ্ণ বাল্টিবোৰ অতিপাত গধুৰ হোৱাৰ হেতু সেইবোৰ দাঙি বাহিৰলৈ উলিয়াই আনিবলৈ যথেষ্ট শক্তিশালী শ্ৰমিকৰ প্ৰয়োজন হৈছিল। যিছোৱা কালত অসমত সাধাৰণ শ্ৰমিক পোৱাটোৱেই দুৰূহ আছিল, সেই সময়ত গধুৰ গধুৰ বাল্টিবোৰ দাঙিবলৈ শক্তিশালী শ্ৰমিক পোৱাটো প্ৰায় অসম্ভৱ আছিল। সেই কাৰণে কোম্পানী চৰকাৰে সুদূৰ আফগানিস্তানৰ পৰা কিছুসংখ্যক হৃষ্ট-পুষ্ট শ্ৰমিক অসমলৈ আনি কয়লাখনিত কাম কৰিবলৈ লগাইছিল। ব্ৰিটিছ চাহ কোম্পানীবোৰে 'গিৰমিটীয়া' প্ৰথা প্ৰৱৰ্তনৰ যোগেৰে চাহ শ্ৰমিকসমূহক তেওঁলোকৰ স্বৰাজলৈ ঘূৰি যাব নোৱৰা কৰাৰ কথা ওপৰত উল্লেখ কৰা হৈছে। সম্ভৱ এই পাঠান শ্ৰমিকসকলকো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ যোগেৰে স্বদেশলৈ উলটি যাব নোৱৰা কৰি ৰাখিছিল। ফলত এই

পাঠান শ্ৰমিকসকলে অসমতে বিয়া-বাৰু কৰি স্থায়ীভাৱে থাকি গ'ল। আকৌ কিছুমান হয়তো স্বেচ্ছাই অসমতে বিয়া-বাৰু কৰি ৰৈ গৈছিল। কালাতীত হোৱাৰ লগে লগে এই পাঠান শ্ৰমিকসকলে কয়লা খনিৰ কাম এৰি অসমত অন্য ব্যৱসায়-বাণিজ্যৰ যোগেৰে জীৱিকা অৰ্জন কৰিবলৈ লৈছিল। তেওঁলোকৰ নতুন প্ৰজন্মই বৰ্তমান শিক্ষা-দীক্ষা আহৰণ কৰি চৰকাৰী-বেচৰকাৰী চাকৰি, ঠিকা-ঠুকলি, খেতি-বাতি, ব্যৱসায় আদি কৰিবলৈ লৈছে। সম্প্ৰতি অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, ডুমডুমা, গোলাঘাট, তেজপুৰ, গুৱাহাটী, মাৰ্ঘেৰিটা, শদিয়া আদি ঠাইত পাঠান শ্ৰমিকসকলৰ পৰৱৰ্তী বংশধৰসকলে বসবাস কৰি আহিছে। সু-কবি চোলেমান খাঁ প্ৰথম শিৱসাগৰৰ শিক্ষক আছিল। পাছত তেওঁ ডিব্ৰুগড়ত স্থায়ীভাৱে বাস কৰিবলৈ লয়। তেখেত উক্ত পাঠান শ্ৰমিকসকলৰে উত্তৰপুৰুষ। তদুপৰি শিৱসাগৰৰ চন্তক গাঁৱৰ মৰহুম গোলাম খাঁ, আলমগীৰ খাঁ, আকবৰ খাঁ, ডুমডুমাৰ গুলিস্তান খাঁ আদি পূৰ্বতে কয়লা খনিত শ্ৰমিক হিচাপে কাম কৰা পাঠানসকলৰে পৰৱৰ্তী বংশধৰ। গুলিস্তান খাঁ ডুমডুমাৰ মৰাণ-মটক সন্থাৰো সভাপতি আছিল বুলি এই লেখকক জনোৱা হয়। এইসকল লোক বৰ্তমান মাতে-কথাই, সাজে-পাৰে গৰীয়া মুছলমান জনগোষ্ঠীৰ সৈতে একাকাৰ হৈ পৰিছে। সংখ্যাধিক নহ'লেও এই পাঠান মুছলমানসকলেও অসমৰ মুছলমান জনসংখ্যা কিছু বৃদ্ধি কৰিলে।

## ভাৰতৰ অন্য প্ৰান্তৰ মুছলমান চিপাহী

অসমৰ মুছলমানসকলৰ মাজত, বিশেষকৈ গৰীয়া আৰু মৰীয়া মুছলমানসকলৰ মাজত কমসংখ্যক হ'লেও ভাৰতৰ অন্য প্ৰান্তৰ মুছলমান চিপাহীৰ পৰৱৰ্তী বংশধৰো নিহিত হৈ আছে। নিজকে চিপাহীৰ বংশধৰ বুলি পৰিচয় দিলেও তেওঁলোকৰ পূৰ্বপুৰুষ কোন ভাগ কেতিয়া কাৰ লগত অসমলৈ আহিছিল, সঠিককৈ জনা সম্ভৱ নহয়। কিন্তু এটা কথা ঠিক যে এই চিপাহীসকল ব্ৰিটিছাধীন কালছোৱাতে বা আৰু দুই-চাৰিজন ইয়াণ্ডাবু সন্ধিৰ (১৮২৬ খ্ৰীঃ) কিছু আগতে অসমত ৰৈ যাব পাৰে।

আহোম ৰজা গৌৰীনাথ সিংহৰ ৰাজত্ব কালৰ (১৭৮০-১৭৯০খ্ৰীঃ) পৰা অসমলৈ ভাৰতীয় চিপাহীৰ আগমন ঘটে। উদাহৰণস্বৰূপে এইজনা ৰজাৰ দিনতে বিদ্ৰোহী কৃষ্ণনাৰায়ণে ১৭৯১ খ্ৰীঃত বঙ্গদেশৰ ৰংপুৰৰ পৰা এদল হিন্দুস্তানী আৰু বাঙালী বৰকান্দাজ চিপাহী আনি আহোম ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। সেয়ে গৌৰীনাথ সিংহই ব্ৰিটিছৰ সহায় ভিক্ষা কৰাত ১৭৯২ খ্ৰীঃত কেপ্টেইন ৱেলছক এদল ব্ৰিটিছাধীন ভাৰতীয় চিপাহীৰ নেতৃত্বত আহোম ৰজাৰ সাহায্যাৰ্থে অসমলৈ পঠোৱা হয়। ৱেলছে কৃষ্ণনাৰায়ণক যুদ্ধত পৰাস্ত কৰে। কিছুসংখ্যক বৰকান্দাজ চিপাহী ভূটান পাহাৰৰ ফালে পলাই যায়। অৱশ্যে কৃষ্ণনাৰায়ণে আহোম ৰজাৰ বশ্যতা স্বীকাৰ কৰাৰ পাছত ৰণত বাচি থকা বৰকান্দাজ চিপাহীবোৰক ৰংপুৰলৈ ঘূৰাই পঠোৱা হ'ল। হয়তো তেতিয়াই কিছুসংখ্যক পলৰীয়া বৰকান্দাজ চিপাহী এই দেশত ৰৈ যাব পাৰে।

মানৰ আক্ৰমণৰ বেলিকা হাদিৰাচকী ৰণত সেনাপতি মীৰদৌল্লাৰ নেতৃত্বত এদল মুছলমান সৈন্যও আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ হৈ যুদ্ধত লিপ্ত হৈছিল। এই সৈন্যসকলৰ মীৰদৌল্লাসহ প্ৰায় আটাইখিনিয়েই যুদ্ধত লিপ্ত হৈছিল বুলি ৰজনীকান্ত বৰদলৈদেৱে তেখেতৰ 'মনোমতী' উপন্যাসত উল্লেখ কৰিছে। তেখেতৰ মতে মুছলমান সৈন্যদলৰ ৩০-৪০ জনমান সৈন্যহে বাচি থাকিল। যিসময়ত একেখন ৰণতে সেনাপতি চৈতন্য সিংহৰ মৃত্যুৰ পাছত বাচি থকা তেওঁৰ পৰিবাৰ আৰু তাকৰীয়া শিখ সৈন্যসকলক অসমত থাকিবলৈ অনুৰোধ জনোৱা হৈছিল, উক্ত যুদ্ধত অসমৰ হৈ যুদ্ধ কৰি বাচি থকা গুৰিয়ালবিহীন উক্ত ৩০-৪০ জন মুছলমান সৈন্যকো এই দেশতে থাকিবলৈ কোৱা হৈছিল, অথবা পূৰ্বৰে পৰা অসমত বসবাস কৰি অহা মুছলমানসকলৰ ছাঁত স্বইচ্ছাৰে ৰৈ যোৱাত নিশ্চয় কোনেও আপত্তি কৰা নাছিল।

মানৰ আক্ৰমণৰ বেলিকাও অসমলৈ অহা ব্ৰিটিছাধীন ভাৰতীয় সৈন্যৰ কিছুসংখ্যক ঠায়ে ঠায়ে থাকি যাব পাৰে। গতিকে ঠায়ে ঠায়ে মুছলমান সমাজত চিপাহীৰ পৰিয়াল কিছু পোৱাৰ পাছত ঠাৱৰ কৰিব পৰা যায় যে

ব্ৰিটিছাধীন কালছোৱাত সময়ে সময়ে অসমলৈ অহা ভাৰতীয় চিপাহীসকলৰ কিছুসংখ্যক অসমৰ ঠায়ে ঠায়ে ৰৈ গৈছিল আৰু অসমীয়া সমাজত প্ৰথমে তেওঁলোকৰ 'চিপাহী' অভিধাৰেই পৰিচিত হৈছিল। নিশ্চয় এইদৰে অসমত ৰৈ যোৱা মুছলমান চিপাহীসকলে অসমৰ পুৰণা মুছলমানৰ গইনা লৈ ইয়াতে বিয়া-বাৰু কৰি নিগাজীকৈ থাকিবলৈ ল'লে। আজিও সমাজত উক্ত চিপাহীসকলৰ পৰিয়ালক 'চিপাহী বংশ' বুলিয়েই কোৱা হয়। গোলাঘাটৰ মৰঙ্গিত যিজন চিপাহীয়ে ঘৰ-সংসাৰ কৰি থিতাপি লৈছিল, তেওঁৰ উত্তৰ পুৰুষসকলক বৰ্তমানেও 'চিপাহী বংশ' বুলি কোৱা হয়। মৰঙ্গিত বিয়া-বাৰু কৰি থিতাপি লোৱা চিপাহীজনক স্থানীয় লোকে বগা গৰীয়া বুলিছিল।[৮৫] তেওঁৰ তিনিজন পুত্ৰ আছিল ক্ৰমে লাকি, ছফি আৰু নিয়ামৎ। বৰ্তমান মৰঙ্গিত লাকিৰ নাতিয়েক মুকুট আহমেদ আৰু নিয়ামতৰ নাতিয়েক কেৰামতদ্দিনে বসবাস কৰি আছে।

গোলাঘাটৰ মৌখোৱা গাঁৱতো এটা চিপাহীৰ পৰিয়ালে প্ৰায় ডেৰশ-দুশমান বছৰ ধৰি উক্ত গাঁৱত বসবাস কৰি আছে।[৮৬] ভালদৰে অনুসন্ধান কৰিলে অসমৰ বহু ঠাইত আৰু বহু চিপাহী পৰিয়ালৰ সন্ধান পোৱা যাব বুলি আমাৰ বিশ্বাস হয়।

গতিকে কমসংখ্যক হ'লেও এই চিপাহীসকলৰ পৰৱৰ্তী বংশধৰসকলেও অসমৰ মুছলমানৰ জনসংখ্যা বৃদ্ধিত কিঞ্চিত অৰিহণা যোগালে।

এইদৰে ঔপনিৱেশিক কালতেই অসমলৈ ভাগে ভাগে পূৰ্ববঙ্গীয় মুছলমান, জোলা মুছলমান, পাঠান চিপাহী আৰু বিভিন্ন উদ্যোগত কাৰিকৰী কাম কৰিবৰ বাবে অহা কিছুসংখ্যক ভাৰতৰ আন আন ৰাজ্যৰ মুছলমান অসমলৈ আহিছিল। এওঁলোকৰ বসবাসৰ ফলত অসমত মুঠ মুছলমান জনসংখ্যা বহুখিনি বৃদ্ধি পাইছিল।

## বৰাক উপত্যকাত মুছলমান বসতি

অসমৰ দুটা উল্লেখযোগ্য নদী উপত্যকা হৈছে ক্ৰমে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা। একেখন ৰাজ্যৰ অধীন হ'লেও উত্তৰ কাছাৰ পাৰ্বত্য

জিলাৰ পাহাৰৰাজি আৰু জয়ন্তীয়া পাহাৰে এই দুয়োটা উপত্যকাৰ বাসিন্দাবৰ্গৰ মাজত পাৰস্পৰিক সান্নিধ্য ঘটোৱাত হেঙাৰ তৰে। বিশেষকৈ বৰাক উপত্যকাৰ এক বৃহৎ অঞ্চল দীৰ্ঘদিন ধৰি বঙ্গদেশৰ অধীন হৈ থকাত উপত্যকা দুটাৰ জনসাধাৰণৰ মাজত ভাষা-সংস্কৃতিৰ কিছু পাৰ্থক্য পৰিলক্ষিত হয়। তত্ৰাচ বৰাক উপত্যকা অসমৰ অবিচ্ছেদ্য অঙ্গ। একালত সাময়িকভাৱে প্ৰাচীন কামৰূপৰ অন্তৰ্ভুক্ত হোৱা বৰাক উপত্যকা দ্বাদশ-ত্ৰয়োদশ শতিকাত ত্ৰিপুৰী আৰু কছাৰী ৰাজন্যবৰ্গৰ দ্বাৰা শাসিত হৈছিল।[৮৭] সেইছোৱা কালৰপৰা উক্ত অঞ্চললৈ বঙ্গীয় লোকৰ প্ৰব্ৰজন ঘটে আৰু পাছলৈ এনে হ'ল যে উপত্যকাটোৰ মুঠ জনসংখ্যাৰ সিংহভাগ বঙ্গীয় লোকৰ দখলাধীন হয়। এই বঙ্গীয় লোকসকলৰ মাজত মুছলমান আৰু হিন্দু দুয়োশ্ৰেণীৰ লোক আছিল। এই লেখাত মুছলমানসকলে বৰাক উপত্যকাত কেতিয়া-কিদৰে বসবাস কৰিবলৈ লৈছিল, সেই বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল।

বৰাক উপত্যকাত যিসকল মুছলমান আছে তেওঁলোক মূলতে পূৰ্ববঙ্গীয় আৰু মণিপুৰী মুছলমানৰ উত্তৰ পুৰুষ। এইসকলৰ লগতে কিছুসংখ্যক ইৰাণ, আফগানিস্তান, তুৰ্কীস্তান আদিৰ লোকৰ উত্তৰসূৰী, কমসংখ্যক ভাৰতৰ বিভিন্ন ঠাইৰ পৰা বিভিন্ন উদ্দেশ্যে প্ৰব্ৰজন কৰা লোক আৰু কিছুসংখ্যক মুছলমান চাহ শ্ৰমিক আছে।

১২০২-০৩ খ্ৰীঃত মহম্মদ ঘোৰীৰ পৰাধীন সেনাপতি মহম্মদ বিন-বখটিয়াৰ খিলিজিয়ে বঙ্গদেশ জয় কৰি বঙ্গদেশত মুছলমান শাসন প্ৰৱৰ্তন কৰে। ফলত তেতিয়াৰপৰাই বঙ্গদেশত মুছলমানৰ বসবাস আৰম্ভ হয় আৰু পৰৱৰ্তী সময়ত বঙ্গদেশৰ কাষৰীয়া ৰাজ্যবোৰলৈকো মুছলমান বসতিৰ সম্প্ৰসাৰণ ঘটে।[৮৮]

আদিতে শ্ৰীহট্ট এখন হিন্দু ৰাজ্য আছিল। ১২১২ খ্ৰীঃত বঙ্গৰ শাসনকৰ্তা গিয়াছুদ্দিনে শ্ৰীহট্ট আক্ৰমণ কৰি ৰাজধানী কৈলাশগড় দখল কৰে। অৱশ্যে পাছত, সম্ভৱ, কোনো সন্ধিসাপেক্ষে গিয়াছুদ্দিন বঙ্গদেশলৈ ঘূৰি আহে।[৮৯] আকৌ ১২৫৩ খ্ৰীঃত মালিক উজবেক তুগ্ৰিল খাঁই (অচ্যুত চৰণ চৌধুৰীৰ মতে 'ইয়াজবেগ') শ্ৰীহট্টৰ খণ্ডৰাজ্য কসবা (জাঁজীনগৰ)

আক্ৰমণ কৰি তাৰ ৰজাক পৰাভূত কৰাৰ লগতে 'আজমৰদন' নামৰ অঞ্চলটো দখল কৰি তাত কিছুদিন থাকে।[৯০] পাছত, সম্ভৱ, কোনো সন্ধিমৰ্মে উজবেকো বঙ্গদেশলৈ ঘূৰি যায়। অচ্যুত চৰণ চৌধুৰী তত্ত্বনিধিদেৱে এই দুটা মুছলমান আক্ৰমণৰ বাহিৰে শ্ৰীহট্ট ৰাজ্য মুছলমানৰ স্পৰ্শশূন্য হৈ ৰোৱা বুলি কোৱা মন্তব্য সৰ্বজনস্বীকৃত হ'ব যেন নালাগে। কাৰণ আক্ৰমণকাৰী জয়ী হোৱাৰ পাছত থলুৱা শাসকৰ সৈতে কোনো সন্ধি নকৰাকৈ দখলকৃত অঞ্চল এৰি থৈ নাযায়। এটা কথা স্পষ্ট যে শ্ৰীহট্ট আৰু কসৱা ৰজাৰ সৈতে কৰা সন্ধিৰ (যদিহে কৰা হৈছিল) ফলতেই হওক অথবা এই দুই আক্ৰমণে উক্ত ৰাজ্যসমূহলৈ পথৰ পৰিচয় ঘটোৱাৰ ফলতেই হওক, পৰৱৰ্তী অৰ্ধশতাব্দী বা ততোধিক কালৰ ভিতৰত বঙ্গদেশৰ দাঁতি-কাষৰীয়া শ্ৰীহট্ট আৰু তাৰ খণ্ডৰাজ্য কসবা, তৰফ আদি হিন্দুপ্ৰধান ৰাজ্যত মুছলমানৰ বসবাস আৰম্ভ হৈছিল। কাৰণ চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্ধত উক্ত ৰাজ্যসমূহত মুছলমানে বসবাস কৰি থকাৰ প্ৰমাণ নিম্নল্লিখিত ঘটনাসমূহৰপৰা পোৱা যায়।

চতুৰ্দশ শতিকাৰ মাজভাগত শ্ৰীহট্টত ৰজা গৌড় গোবিন্দই শাসন কৰি আছিল। তেওঁৰ ৰাজত্বক শ্ৰীহট্টৰ টিলচিকৰ নামৰ ঠাইত বসবাস কৰি থকা অগ্ৰণী মুছলমান বুড়হানুদ্দিনে বহু পলমকৈ হ'লেও তেওঁৰ একমাত্ৰ পুত্ৰ সন্তানৰ জন্ম হোৱাত উক্ত পুত্ৰৰ নামকৰণৰ বেলিকা এটা গৰু আকিকা দিছিল।[৯১] ৰজা গৌড় গোবিন্দই এই গৰু আকিকা দিয়াৰ বিষয়ে জানিব পাৰি সপত্নীক বুড়হানুদ্দিনক বন্দী কৰাই নি তেওঁৰ হস্তশ্চেদ কৰায় আৰু নৱজাত সন্তানক হত্যা কৰায়। এই ঘটনাই চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্ধত শ্ৰীহট্টত মুছলমানে বসবাস কৰি থকাৰ সাক্ষ্য বহন কৰে। লগতে বিলাই দিবলগীয়া উক্ত গো-মাংস গ্ৰহণৰ বাবে তাত নিশ্চয় আৰু কিছুসংখ্যক মুছলমান আছিল।

সমসাময়িকভাৱে তেনে আন এটা ঘটনা ঘটে শ্ৰীহট্টাধীন 'তৰফ' নামৰ ৰাজ্যত। তৰফত বাস কৰি থকা এজন নামজ্বলা মুছলমান কাজী নুৰুদ্দিনে তেওঁৰ পুত্ৰৰ বিয়া পাতোঁতে গৰু জবহ কৰিছিল।[৯২] সেই সময়ৰ তৰফৰ ৰজা আশ্বক নাৰায়ণে (আমাৰ বোধেৰে অশোক নাৰায়ণ) এই গৰু জবহ কৰাৰ অপৰাধত নুৰুদ্দিনক হত্যা কৰায়। মুছলমানৰ প্ৰতি হিন্দু ৰজাৰ এনে ব্যৱহাৰ

অসহনীয় হোৱাত নুৰুদ্দিনৰ ভায়েকে দিল্লীলৈ গৈ সমসাময়িক চুলতান ফিৰোজ টোগলকক এই ঘটনাৰ বিষয়ে অৱগত কৰিছিলগৈ। এই ঘটনায়ো চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্ধত তৰফ ৰাজ্যতো মুছলমানে বসবাস কৰি অহাৰ সম্ভেদ দিয়ে।

উক্ত ঘটনা দুটাৰপৰা বুজিব পৰা যায় যে চতুৰ্দশ শতিকাৰ আগভাগত শ্ৰীহট্ট বা তাৰ খণ্ডৰাজ্যসমূহত কিছুমান মুছলমানে বসবাস কৰি আছিল। তদুপৰি বুড়াহানুদ্দিন, কাজী নুৰুদ্দিন আদিসকল সেই ঠাইত মাতব্বৰস্বৰূপ হৈ পৰিছিল। এটা অঞ্চলত সামাজিক পৰিৱেশৰ লগত খাপ খাই সমাজত জনাজাত হৈ উঠিবলৈ মানুহক কিছু বছৰৰ প্ৰয়োজন হয়। গতিকে শ্ৰীহট্ট বা তৰফত বুড়হানুদ্দিন, নুৰুদ্দিন আদিসকলকো সমাজত মাতব্বৰ হৈ উঠিবলৈ কিছু বছৰৰ প্ৰয়োজন হৈছিল। নিশ্চয় ইয়াৰপৰা অনুমান কৰিব পাৰি যে শ্ৰীহট্ট, তৰফ আদি ৰাজ্যত ত্ৰয়োদশ শতিকামানৰ পৰাই কিছুমান মুছলমানে বাস কৰি থাকিব পাৰে। অৰ্থাৎ গিয়াছুদ্দিন আৰু উজবেকৰ আক্ৰমণৰ পাছৰ পৰাই এই ৰাজ্যসমূহলৈ এজন দুজনকৈ মুছলমান আহি থাকিব পাৰে। অৱশ্যে চতুৰ্দশ শতিকাৰ আগভাগলৈকে উক্ত ৰাজ্যসমূহত বসবাস কৰি থকা মুছলমানৰ সংখ্যা নিশ্চয় সীমিত আছিল।

প্ৰকৃততে চতুৰ্দশ শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰাহে শ্ৰীহট্ট বা তাৰ খণ্ডৰাজ্যবোৰত মুছলমান বসতি অতি বেছি ঘন হয়। ওপৰত উল্লেখ কৰা বুড়হানুদ্দিনে তেওঁৰ নৱজাত পুত্ৰৰ বধ আৰু স্বহস্ত ছেদৰ পোটক তোলাৰ মানসেৰে তদানীন্তন বঙ্গৰ শাসনকৰ্তা ইলিয়াছ চাহৰ কাষ চাপি শ্ৰীহট্টত মুছলমানৰ ওপৰত কৰা অত্যাচাৰৰ বিৱৰি ব্যাখ্যা কৰে। তেতিয়া ইলিয়াছ চাহে ১৩৪৭ খ্ৰীঃত পুতেক ছিকেন্দাৰ চাহক শ্ৰীহট্ট আক্ৰমণ কৰিবলৈ পঠায়। ছিকেন্দাৰ চাহে (তত্ত্বনিধিৰ মতে ইলিয়াছ চাহে নিজেই) প্ৰথমে জাঁজীনগৰ (কসবা) আক্ৰমণ কৰি তাৰ ৰজা প্ৰতাপমাণিক্যক সম্পূৰ্ণ পৰাভূত কৰে আৰু তাৰ পাছত শ্ৰীহট্টলৈ অগ্ৰসৰ হয়। পিছে শ্ৰীহট্টৰ ৰজা গৌড় গোবিন্দৰ হাতত তেওঁ পৰাজয়বৰণ কৰে।[৯৩]

ইফালে বঙ্গৰ শাসনকৰ্তা ইলিয়াছ চাহে দিল্লীৰ প্ৰভুত্বক অস্বীকাৰ কৰি

স্বাধীনভাৱে দেশ শাসন কৰি অহা সমসাময়িক দিল্লীৰ চুলতান ফিৰোজ টোগলকে ১৩৫৩ খ্ৰীঃত বঙ্গদেশ আক্ৰমণ কৰে।[৯৪] অভিযানত ব্যৰ্থ হৈ ফিৰোজ টোগলকে ১৩৫৯ খ্ৰীঃত দ্বিতীয়বাৰ বঙ্গদেশ আক্ৰমণ কৰিবলৈ অগ্ৰসৰ হয়। কিন্তু ফিৰোজ টোগলকৰ দ্বিতীয় আক্ৰমণৰ পূৰ্বেই অৰ্থাৎ ১৩৫৯ খ্ৰীঃৰ আগতে বঙ্গাধিপতি ইলিয়াছ চাহৰ মৃত্যু হয়। পিতৃৰ মৃত্যুত পুত্ৰ ছিকেন্দাৰ চাহ বঙ্গৰ অধিপতি হয়। এতিয়া ছিকেন্দাৰ চাহ এফালে গৌড়ৰ বিৰোধী আৰু আনফালে দিল্লীৰ চুলতানৰ বিৰোধী হৈ পৰে। এনে এটা অৱস্থাত চতুৰ ছিকেন্দাৰ চাহে গৌড়গোবিন্দৰ সৈতে এক মৈত্ৰী গঢ়ি তোলে। উক্ত সন্ধি অনুসৰি শ্ৰীহট্টত বাস কৰা মুছলমানক ধৰ্মচৰ্চাৰ অধিকাৰ প্ৰদান কৰা, মুছলমানৰ ওপৰত অত্যাচাৰ আৰু নিপীড়ন বন্ধ কৰা, শ্ৰীহট্টবাসী মুছলমানৰ বাবে গৌড় গোবিন্দৰ দ্বাৰা মছজিদ নিৰ্মাণ কৰি দিয়া আদি চৰ্ত গ্ৰহণ কৰা হয়। এই মছজিদ নিৰ্মাণ ঘটনায়ো ত্ৰয়োদশ-চতুৰ্দশ শতিকাত মুছলমান লোক থকাৰ প্ৰমাণ দিয়ে। ইফালে দ্বিতীয় আক্ৰমণতো ফিৰোজ টোগলকে জয়লাভ কৰিব পৰা নাছিল।[৯৫]

দেখা গ'ল গৌড় গোবিন্দ, ইলিয়াছ চাহ আৰু দিল্লীৰ চুলতান ফিৰোজ টোগলক সমসাময়িক। গৌড় গোবিন্দই মুছলমানৰ ওপৰত কৰা অত্যাচাৰৰ বিষয়ে জানিব পাৰি ১৩৪৭ খ্ৰীঃত ইলিয়াছ চাহে গৌড় আক্ৰমণ কৰে। গতিকে আমি নিশ্চিত হ'ব পাৰোঁ যে ত্ৰয়োদশ-চতুৰ্দশ শতিকাত শ্ৰীহট্ট আৰু তাৰ খণ্ডৰাজ্যবোৰত মুছলমানৰ বসতি আছিল।

ছিকেন্দাৰ চাহে গৌড় গোবিন্দৰ সৈতে সন্ধি কৰাটো বুড়হানুদ্দিনে সহ্য কৰিব পৰা নাছিল। তেওঁৰ পণ আছিল শ্ৰীহট্টক মুছলমান ৰাজ্যত পৰিণত কৰা। সেই কাৰণে এইবাৰ তেওঁ ছদ্মবেশে গৈ দিল্লীৰ চুলতান ফিৰোজ টোগলকক শ্ৰীহট্টত কেনেকৈ মুছলমানসকলৰ ওপৰত অত্যাচাৰ কৰা হৈছিল, সেই বিষয়ে অৱগত কৰে। ফিৰোজ টোগলকে তাৰ পূৰ্বেই কাজী নুৰুদ্দিনৰ ভাতৃৰ পৰা গো-বধ কৰাৰ বাবে নুৰুদ্দিনক হত্যা কৰা ঘটনাৰ বিষয়ে জানিব পাৰিছিল। সেয়ে তেওঁ সুখ্যাত সেনাপতি ভাগিনিয়েক ছিকেন্দাৰ গাজীৰ নেতৃত্বত এক বৃহৎ সৈন্যদল শ্ৰীহট্ট আক্ৰমণ কৰিবলৈ পঠায়। এই অভিযানত

প্ৰাকৃতিক দুৰ্যোগৰ বাবে ছিকেন্দৰ গাজী কৃতকাৰ্য হ'ব নোৱৰাৰ বাবে চুলতানে পুনৰ চৈয়দ নাছিৰুদ্দিনৰ নেতৃত্বৰ দ্বিতীয়টো সৈন্যদল প্ৰেৰণ কৰে।[৯৬] নবীগঞ্জ নামৰ ঠাইত সংঘটিত প্ৰথমখন যুদ্ধত পৰাজয়বৰণ কৰি গৌড় গোবিন্দ পলাই যায়। সমগ্ৰ শ্ৰীহট্ট আৰু তাৰ খণ্ডৰাজ্যসমূহ মুছলমান ৰাজশক্তিৰ শাসনাধীন হয়। ছিকেন্দাৰ গাজীক সমগ্ৰ বঙ্গৰ শাসক নিয়োগ কৰা হয়। তাৰ লগে লগে চাহজালালে ছিলেটত নিজে থাকি তেওঁৰ লগত সন্মিলিত হোৱা ৩৬০ জন আউলীয়াক চৌপাশৰ অঞ্চলবোৰত ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠাইছিল। এই সাধকবৰ্গৰ মুখৰপৰা ইছলাম ধৰ্মৰ উদাৰ ৰীতি-নীতি শুনি, এই ধৰ্মৰ প্ৰতি আগ্ৰহী হৈ শ্ৰীহট্টৰ বাসিন্দাবৰ্গই এনেদৰে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল যে কেইবছৰমানৰ ভিতৰতে একালৰ হিন্দুপ্ৰধান শ্ৰীহট্ট মুছলমান বসতিপ্ৰধান ৰাজ্যত পৰিণত হৈছিল। ১৩৮৪ খ্ৰীঃত চাহজালালৰ মৃত্যু হয় যদিও তেওঁৰ সহচৰবৃন্দই নিজ নিজ এলেকাত ধৰ্মপ্ৰচাৰ চলাই থাকে।

ওপৰৰ ঘটনাৰাজিৰ পৰা ঠাৰৰ কৰিব পৰা যায় যে ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰপৰা শ্ৰীহট্ট, কসবা, তৰফ আদি ৰাজ্যত মুছলমানে বসতি কৰি আহিছিল। চতুৰ্দশ শতিকাৰ দ্বিতীয়াৰ্ধত এই ৰাজ্যসমূহ মুছলমান শাসনাধীন বঙ্গদেশৰ সৈতে চামিল হয় আৰু তেতিয়াৰ পৰা এই ৰাজ্যসমূহ মুছলমান বসতিপ্ৰধান। কাছাৰৰ ছিলেট জিলাক ১৮৭৪ চনত ব্ৰিটিছ চৰকাৰে অসমৰ অন্তৰ্ভুক্ত কৰে। আকৌ ১৯৪৭ চনত ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা বসবাস কৰি অহা মুছলমানসকলৰ যি য'ত পূৰ্বৰে পৰা বাস কৰি আহিছিল তাতেই থাকিবলৈ দি, পূব ফালৰ পৰা অসমৰ ভিতৰত ৰাখি, বাকী বৃহৎ অংশক সামৰি লোৱা ছিলেট জিলাক পূব পাকিস্তানক (১৯৪৭ চনৰ বিভাজনৰ ফলত পূৰ্ববঙ্গই পূব পাকিস্তান নাম পায়) দিয়া হ'ল। ছিলেট জিলাৰ পৰা ফালি ৰখা অংশটোৱেই হ'ল বৰ্তমান অসমৰ কৰিমগঞ্জ জিলা। গতিকে এই দিশৰপৰা এইটো স্পষ্ট হৈ পৰে যে বৰাক উপত্যকাত ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা মুছলমানে বসবাস কৰি আহিছে।

ওপৰত সাধক চাহজালালৰ সৈতে সময়ত ৩৬০ জনমান আউলীয়াৰ মিলন ঘটা আৰু চাহজালালে নিজে ছিলেটত থকা আৰু সহযোগী আউলীয়াবৰ্গক আশ-পাশৰ অঞ্চলসমূহত ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠোৱাৰ বিষয়ে উল্লেখ কৰা হৈছে। এই সাধকবৰ্গৰ বহুজনে বৰ্তমানৰ কাছাৰ জিলা আৰু হাইলাকান্দি জিলাত মোকাম পাতি ধৰ্ম প্ৰচাৰ কৰি আহিছিল।[৯৭] তদুপৰি আন কিছুসংখ্যক পীৰ, ফকীৰ আউলীয়াও বৰাকৰ এই উত্তৰ-পূব অংশৰ জনসাধাৰণৰ মাজলৈ পৃথক পৃথকভাৱে আহি ইছলাম ধৰ্ম প্ৰচাৰ কৰি আহিছিল। মুঠতে বৰ্তমান কাছাৰ জিলা আৰু হাইলাকান্দি জিলা সামৰি লোৱা বৰাক উপত্যকাৰ উত্তৰ-পূব অংশত ধৰ্ম প্ৰচাৰৰ বাবে অহা সাধকবৰ্গৰ ভিতৰত চাহ ইউছুফ, চাহ বদৰুদ্দিন, হজৰত আদম খাকী, জিন্দা বাবা, লঙ্গৰ চাহ, চাহ নুৰ, ছিকেন্দাৰ গাজী, চাহ চান্দ আলী, পতা চাহ, অম্বৰ চাহ, চাহ জিয়াউদ্দিন, নাগন চাহ আদি প্ৰধান। স্থানীয় জনসাধাৰণে এইসকল লোকক বৰ বেছি আদৰ-ভক্তি কৰিছিল। তাৰ প্ৰমাণ এয়ে যে চাহ বদৰুদ্দিনে যিটো অঞ্চলত থাকি ধৰ্ম প্ৰচাৰি আহিছিল, সেই অঞ্চলটোৰ নামেই বদৰপুৰ ৰখা হৈছিল।[৯৮] অৰ্থাৎ জনসাধাৰণে এই পীৰ, ফকীৰ, আউলীয়াসৰক যথেষ্ট শ্ৰদ্ধা-ভক্তি কৰিছিল আৰু তেওঁলোকে তেওঁলোকৰ নিজ নিজ অঞ্চলত ধৰ্ম প্ৰচাৰ কৰা সাধকজনৰ মৃত্যুত তেওঁৰ কবৰক মাজাৰ দৰগাহস্বৰূপে যুগে যুগে মানি আহিছে। ফকীৰ, আউলীয়াবৰ্গক শ্ৰদ্ধা-ভক্তি কৰিবলৈ একালৰ কছাৰী ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ থকা সেই অঞ্চললৈ নিশ্চয় বিদেশৰ (বঙ্গদেশ)পৰা মুছলমান অহা নাছিল। সঙ্গী হৈ যোৱা দুই-এজনৰ বাহিৰে পীৰ, ফকীৰক শ্ৰদ্ধা-ভক্তি কৰা সেইসকল লোক ফকীৰৰ সান্নিধ্যত ইছলাম গ্ৰহণ কৰা থলুৱা মুছলমান লোক আছিল নিশ্চয়। সেয়ে ঠাৱৰ কৰিব পৰা যায় যে উত্তৰ-পূব বৰাক উপত্যকাত পীৰ, আউলীয়া, ফকীৰসকলৰ সান্নিধ্য লভি কিছুমান থলুৱা লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰি নিজ নিজ এলেকাতে বসবাস কৰি আহিছিল। এইসকলৰ লগতে বঙ্গদেশৰপৰা বেপাৰ-বাণিজ্য কৰিবলৈ অহা কিছু মুছলমান উক্ত অঞ্চলত ৰৈ যাব পাৰে। অৰ্থাৎ চতুৰ্দশ শতিকাৰ পৰা বৰাক উপত্যকাৰ

উত্তৰ-পূব অঞ্চলটোত সংখ্যাধিক নহ'লেও কিছু মুছলমানে বসবাস কৰি আহিছে।

অষ্টাদশ শতিকাৰ পৰা উত্তৰ-পূব বৰাক উপত্যকাত মুছলমানৰ সংখ্যা ক্ৰমাৎ বাঢ়িবলৈ ধৰে। কাৰণ উক্ত শতিকাৰ পৰা কছাৰীসকল ক্ৰমে দুৰ্বল হৈ আহে। ১৭০৬ খ্ৰীঃত আহোম ৰজা ৰুদ্ৰসিংহৰ ৰাজত্ব কালত কছাৰী ৰজা তাম্ৰধ্বজে আহোমৰ অধীনতা অস্বীকাৰ কৰি নিজকে স্বাধীন ৰজা বুলি ঘোষণা কৰাত স্বৰ্গদেৱে বিশ্বনাথৰপৰা ক্ৰমে বৰবৰুৱাৰ নেতৃত্বত এদল আৰু পানী ফুকনৰ নেতৃত্বত এদল মুঠ দুদল সৈন্য পৃথক পৃথক পথেৰে কছাৰী ৰাজ্য আক্ৰমণ কৰিবলৈ পঠায়।[৯৯] বাটত কছাৰীসকলৰ পৰা পোৱা সৰু-সুৰা বাধাবোৰ অতিক্ৰম কৰি বৰবৰুৱাৰ নেতৃত্বত যোৱা সৈন্যদল গৈ কছাৰী ৰাজধানী মাইবং দখল কৰে।

কছাৰী ৰজা তাম্ৰধ্বজ মাইবঙৰ পৰা খাচপুৰলৈ গুচি যায়। কিছুদিনৰ পাছতে পানী ফুকনৰ নেতৃত্বত যোৱা সৈন্যদলো গৈ মাইবঙত উপস্থিত হয় (১৭০৭ খ্ৰীঃত)। এই বাৰ্তা পাই স্বৰ্গদেৱে পানী ফুকনক মাইবঙত থৈ বৰবৰুৱাক খাচপুৰলৈ অগ্ৰসৰ হ'বলৈ নিৰ্দেশ দিছিল যদিও অসুস্থ স্বাস্থ্যৰ বাবে বৰবৰুৱাই পানী ফুকনক খাচপুৰলৈ পঠায় আৰু দূত প্ৰেৰণৰ যোগেৰে তাম্ৰধ্বজক আহোম স্বৰ্গদেৱৰ শৰণাপন্ন হ'বৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ পৰামৰ্শ দি নিজে স্বৰাজলৈ প্ৰত্যাৱৰ্তন কৰে। পিছে অসুখত পৰি বাটতে বৰবৰুৱাৰ মৃত্যু হয়।

সিফালে খাচপুৰতো নিৰাপদ নহ'ব ভাবি তাম্ৰধ্বজে খাচপুৰৰ পৰা পলাই গৈ ঢাকাৰ সমীপৰ 'গৰে ভিতৰ' নামে ঠাইত আত্মগোপন কৰে। আনহাতে সৈন্যহঁতৰ মাজত প্ৰবল বেমাৰ-আজাৰে দেখা দিয়াত পানী ফুকনে খাচপুৰলৈ নগৈ মাইবঙৰ পৰা উভতি আহে। এনে অৱস্থাত কছাৰী ৰাজ্য শাসকবিহীন হৈ পৰে। এই সুযোগতে ঢাকাৰ সমীপৰ বিক্ৰমপুৰ অঞ্চলৰ সোণাৰঙ্গ গাঁৱৰ জনৈক ৰাজকৰ্মচাৰীৰ পৰামৰ্শ মতে দলে-বলে কাছাৰৰ সমতলভাগলৈ তাৰ মানুহ আগমন কৰি কিছুমান মাটি বেদখল কৰি নিজ জন্মস্থানৰ নামানুসাৰে কাছাৰত সোণাপুৰ মৌজা (সম্ভৱ পৰগনা) স্থাপন

কৰি বসবাস কৰিবলৈ লয়।[১০০] কাছাৰৰ সেই ঠাইত বহু বঙ্গীয় নিৱাসীৰে এখন উপনিৱেশেই হৈ পৰিছিল।

উক্ত বেদখলৰ ঘটনাৰ কিছুদিনৰ পাছত আৰু কিছুসংখ্যক ৰাজকৰ্মচাৰী মাইবং হৈ আহি কাছাৰত কালাইন পৰগনা স্থাপন কৰে।[১০১] এইদৰে অষ্টাদশ শতিকাৰ আদিভাগতে বহুতো বঙ্গীয় লোক আহি কাছাৰত উপনিৱেশ স্থাপন কৰিছিল। এইসকল বঙ্গীয় লোকৰ মাজত সম্ভৱ মুছলমান লোকৰ সংখ্যা অতি কম আছিল।

প্ৰকৃততে কছাৰী ৰজাসকলে খাচপুৰত ৰাজধানী স্থাপন কৰাৰ পিছৰ পৰাই পূৰ্বে অহাসকলক দেখি দলে দলে বঙ্গদেশীয় হিন্দু-মুছলমান লোকে কাছাৰলৈ প্ৰৱেশ কৰি ভিন ভিন অঞ্চলত থিতাপি লয়। ফলত কমদিনৰ ভিতৰতে বেৰেঙ্গা, দুধপাতিল, বাঁশকান্দি, উদাৰবন্দ আদি বঙ্গীয় হিন্দু-মুছলমান লোকৰ গাঁওসমূহ গঢ় লৈ উঠে।

ৰজা কৃষ্ণচন্দ্ৰৰ ৰাজত্ব কালত (১৭৮৫-১৮১৩) তেওঁ সিংহাসনত আৰোহণ কৰাৰ কেইবছৰমান পাছতে দুবাৰ দুজন মুছলমান ফকীৰে কাছাৰত মুছলমান শাসন প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰে।[১০২] ফেৰুটুপি নামৰ প্ৰথমজন ফকীৰে লগত বঙ্গৰ সৈন্য-সামন্ত লৈ কছাৰী ৰাজ্যৰ পশ্চিম সীমাত উপস্থিত হোৱাত ৰজা কৃষ্ণচন্দ্ৰ উত্তৰ কাছাৰলৈ পলাই যায়। সেইছোৱা সময়তে ধৰ্ম লোপ পোৱাৰ ভয়ত বহু হিন্দু লোকে গভীৰ অৰণ্য আৰু কাষৰীয়া শ্ৰীহট্টত আশ্ৰয় গ্ৰহণ কৰে। এই সুযোগত বহু বঙ্গীয় মুছলমানে কাছাৰত প্ৰৱেশ কৰি স্থায়ীভাৱে থাকিবলৈ লয়। তদুপৰি পলাব নোৱৰা বহু হিন্দু লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰে। অৱশেষত ব্ৰিটিছ চৰকাৰৰ সহায় লৈহে ফেৰুটুপি ফকীৰক খেদি পঠোৱা হয়। তেওঁৰ লগত অহা আনজন ফকীৰৰ নামোদ্ধাৰ হোৱা নাই। এওঁ লগত কিছুমান মুছলমান লোকক লৈ ভুবন পাহাৰেৰে আহি কাছাৰত প্ৰৱেশ কৰে।[১০৩] তেওঁৰ ৰণধ্বনি শুনি বহু অমুছলমান লোকে অৰণ্যত আশ্ৰয় গ্ৰহণ কৰিছিল বুলি এটা প্ৰবাদ আছে। অৱশ্যে এইজনা ফকীৰে কিছুদিনৰ পাছত স্বইচ্ছাৰেই প্ৰত্যাৱৰ্তন কৰাত ৰাজ্যখনলৈ পুনৰ শান্তি ঘূৰি আহে। এই দুয়োজন ফকীৰৰ আগমনৰ বেলিকা তেওঁলোকৰ লগত অহা

কিছু মুছলমান কাছাৰত থাকি যায়। এই সময়তে কিছু স্থানীয় লোক ধৰ্মান্তৰিত হৈছিল। তদুপৰি ফকীৰ দুজনৰ আগমনৰ ফলত পৰিচিত হৈ পৰা নতুন পথেৰে পৰৱৰ্তী কালত আৰু বহু মুছলমান কাছাৰলৈ ধাৱিত হয়। গতিকে দেখা যায় যে বৰাক উপত্যকাত বঙ্গীয়মূলৰ মুছলমানসকল ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰাই বসবাস কৰি অহা খিলঞ্জীয়া লোক।

বৰাক উপত্যকাৰ বঙ্গীয়মূলৰ মুছলমানসকলৰ লগতে বৰাক উপত্যকালৈ যিসকল পীৰ, ফকীৰ, আউলীয়া আহিছিল, তাৰো বহুজনে স্বদেশলৈ ঘূৰি নগৈ এই অঞ্চলত ঘৰ-সংসাৰ কৰি ৰৈ গৈছিল। সেইসকলৰ সতি-সন্ততি বৃদ্ধি হৈ বৰ্তমান একোটা চুবুৰি বা একোখন সৰু গাঁও হৈছে। উপত্যকাটোত ধৰ্ম প্ৰচাৰ কৰা আউলীয়া তথা হজৰত চাহজালালৰ খাদিম চাহ ইউছুফে ধৰ্ম প্ৰচাৰ কৰি থকা ঠাইখণ্ড তেওঁৰ সতি-সন্ততি মিলি এতিয়া এখন সৰু গাঁও হৈছে আৰু এই গাঁৱেই হৈছে বদৰপুৰৰ খাদিমবাৰী।[১০৪] বাঁশকান্দিৰ দাৰুল উলুম মাদ্ৰাছাৰ প্ৰাক্তন অধ্যক্ষ আহমদ আলী চাহেব (যাক বাঁশকান্দি হজুৰ বুলি জনা যায়), খাদিম চাহ ইউছুফৰে উত্তৰ পুৰুষ। গতিকে অতীতৰ পীৰ, ফকীৰ, আউলীয়াসকলৰ পৰৱৰ্তী বংশধৰসকলেও বৰাক উপত্যকাত মুছলমানৰ সমাজ গঢ়ি তোলে। এয়া এটা উদাহৰণহে দাঙি ধৰা হৈছে।

অসমৰ বৰাক উপত্যকাৰ কাছাৰ জিলাত মণিপুৰী মুছলমানে বসবাস কৰি আছে। এইসকল মণিপুৰী মুছলমানৰ অসমলৈ আগমন ঘটাৰ উৎস অনুসন্ধান কৰিলে নিম্নোক্ত ইতিহাস জনা যায়।

সোতৰ শতিকাৰ প্ৰথমভাগত কছাৰী ৰজা যশনাৰায়ণৰ ৰাজত্ব কালত সমসাময়িক বঙ্গৰ নবাব ইছলাম খাঁই কছাৰী ৰাজ্য আক্ৰমণ কৰাত তেওঁক প্ৰতিহত কৰিবলৈ কছাৰী ৰজাই গঠন কৰা অশ্বাৰোহী বাহিনীটোত কিছুসংখ্যক মণিপুৰী মুছলমান লোকক আনি অন্তৰ্ভুক্ত কৰিছিল। এই মণিপুৰী সৈন্যখিনি কেৱল যোদ্ধাই নাছিল, তেওঁলোকে অসুখৰ বেলিকা ঘোঁৰা চিকিৎসা কৰিবও জানিছিল। সেই কাৰণে স্থানীয় লোকে বোলে তেওঁলোকক 'খণ্ডল' বুলিছিল। কছাৰী ৰজাই এই মণিপুৰী মুছলমান

সৈন্যসকলক মাটি-ভেটি দি স্থায়ীভাৱে থকাৰ ব্যৱস্থা কৰিছিল।

দ্বিতীয়তে, মানৰ আক্ৰমণৰ বেলিকা মানৰ অত্যাচাৰ সহিব নোৱাৰি বহু মণিপুৰী লোকে দেশ এৰি আহি কাছাৰ, শ্ৰীহট্ট, ত্ৰিপুৰা, ঢাকা আদি ঠাইত আশ্ৰয় লৈছিলহি।[১০৫] আনকি মণিপুৰী ৰজা মৰজিৎ সিংহও কছাৰী ৰাজ্যলৈ পলাই আহিব লগা হৈছিল। পাছত মানৰ অত্যাচাৰ আঁতৰ হৈছিল যদিও দেশ এৰি অহা আটাইবোৰ মানুহ মণিপুৰলৈ উভতি নগৈ আশ্ৰয়স্থলীত, বিশেষকৈ কছাৰী ৰাজ্যতে ৰৈ যায়। এই মণিপুৰীসকলৰ মাজত কিছুসংখ্যক মুছলমান লোকো আছিল। ফলত অসমত, অৰ্থাৎ বৰাক উপত্যকাত মণিপুৰী মুছলমানৰ এটা বিশিষ্ট জনগোষ্ঠী গঢ়ি উঠিছিল।

আকৌ কছাৰী ৰজা কৃষ্ণচন্দ্ৰই (১৭৮৫-১৮১৩ খ্ৰীঃ) মণিপুৰী ৰজা মধুচন্দ্ৰৰ কন্যা ইন্দুপ্ৰভাক বিয়া কৰাইছিল।[১০৬] পূৰ্বতে যিকোনো ৰাজ্যতে ৰাজকন্যাক বিবাহ দিয়া সময়ত যৌতুক হিচাপে কিছু লোকো দিয়াৰ প্ৰথা প্ৰচলিত আছিল। মণিপুৰী ৰাজকুমাৰী কুৰঙ্গনয়নীক স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহলৈ বিয়া দিওঁতে যৌতুক হিচাপে দিয়া মণিপুৰী লোকসকলক উজনিৰ মনাই মাজি হাবিত সংস্থাপন দিয়া হৈছিল। সেইদৰে ইন্দুপ্ৰভাৰ যৌতুক স্বৰূপেও নিশ্চয় কিছু মণিপুৰী মানুহ কাছাৰলৈ পঠোৱা হৈছিল। যিসকলৰ মাজত কিছুসংখ্যক মুছলমান লোক থাকিব পাৰে।

বিশেষকৈ ১৮১৮ খ্ৰীঃৰ পৰা ১৮২৪ লৈকে মণিপুৰী সেনাপতি তিনিজন ক্ৰমে গম্ভীৰ সিং, মৰজিৎ সিংহ আৰু সুজিৎ সিংহই তেওঁলোকৰ দ্বাৰা দখলকৃত কছাৰী ৰাজ্য ত্ৰিখণ্ডিত কৰি শাসন কৰিছিল। এইছোৱা কালত বহু মণিপুৰী লোকৰ কাছাৰলৈ আগমন ঘটে।[১০৭] পাছত ব্ৰিটিছৰ সহায়ত ১৮২৪ চনৰ আগতে মণিপুৰী শাসকত্ৰয়ক খেদি পঠোৱা হ'ল, কিন্তু কিছুসংখ্যক মণিপুৰী লোক কাছাৰ, ছিলেট আৰু ত্ৰিপুৰাৰ বিভিন্ন ঠাইত নিগাজীকৈ ৰৈ গ'ল।[১০৮] এইসকলৰ মাজতো কিছু মুছলমান লোক থাকিব পাৰে। তদুপৰি ১৮২৪ চনৰ ৬ মাৰ্চত ব্ৰিটিছে নিৰ্বাসিত কছাৰী ৰজা গোবিন্দ চন্দ্ৰক তলতীয়া ৰজা পাতি কাছাৰ সমতল শাসন কৰিবলৈ লোৱাত অঞ্চলটোত প্ৰশাসনিক শান্তি বিৰাজ কৰিবলৈ লয় আৰু তাকে দেখি

মুছলমানকে ধৰি ভালেখিনি মণিপুৰী লোক কাছাৰত স্থায়ীভাৱে বসবাস কৰিবলৈ আহিছিল।

গতিকে ওপৰৰ আলোচনাপৰা এইটো ঠাৱৰ কৰিব পৰা যায় যে সপ্তদশ শতিকাৰ পৰা পৃথক পৃথক পৰিৱেশৰ বশৱৰ্তী হৈ বহু মণিপুৰৰ মেইটেইভাষী আৰু সংস্কৃতিপুষ্ট মুছলমান লোক আহি অসমৰ বৰাক উপত্যকাত, বিশেষকৈ কাছাৰ জিলাত বসবাস কৰিবলৈ লয়। অসমৰ মণিপুৰী মুছলমানৰ মাজৰ শিক্ষাবিদ, সুকবি খৈয়ৰুদ্দিন আহমেদে এই লেখকক জনায় যে বৰ্তমান প্ৰায় একলাখ মণিপুৰী মুছলমান কাছাৰত বসবাস কৰি আছে। এই মণিপুৰী মুছলমানসকলো অসমৰ মুছলমানৰ এক বিশিষ্ট অঙ্গ।

তদুপৰি দিল্লীৰ চুলতান বা মোগল বাদশ্বাহসকলৰ দ্বাৰা প্ৰেৰিত ভিন ভিন অভিযানসমূহৰ সৈন্যবাহিনীৰ কিছুসংখ্যক স্বদেশলৈ ঘূৰি নগৈ বৰাকত ৰৈ যাব পাৰে আৰু তেওঁলোক উৰ্দু, পাৰ্ছীভাষী হ'ব পাৰে। তদুপৰি অষ্টম-নৱম শতিকাত আৰবৰ বণিকসকলে আহি বৰাকৰ চট্টগ্ৰাম এলেকাত ব্যৱসায় কৰা বুলি লোককথা শুনা যায়। তাৰো দুই-এজন এই দেশত ৰৈ যাব পাৰে। আকৌ ঊনৈশ শতিকাত চাহ বাগিচাৰ শ্ৰমিক হিচাপে বঙ্গ, বিহাৰ, উৰিষ্যা আদিৰ পৰা অহা চাহ শ্ৰমিকসকলৰ মাজত কিছুসংখ্যক মুছলমান চাহ শ্ৰমিকো আছিল। সেইসকলেও বৰাকতেই বসবাস কৰি আহিছে। এইদৰে ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা ভাগে ভাগে মুছলমান বৰাক উপত্যকালৈ আহি থিতাপি লৈছিল। তেওঁলোকৰ লগত সংযোগ হৈছিল ধৰ্মান্তৰিতসকল। ফলত বৰ্তমান বৰাক উপত্যকাৰ মুঠ জনসংখ্যাৰ ৪৫% বা ততোধিক মুছলমান লোক। ০

## প্ৰসঙ্গ পুথি


১। পদ্মনাথ গোহাঞিবৰুৱা 'অসম বুৰঞ্জী', পৃ ঃ ২২।

২। গুণাভিৰাম বৰুৱা 'আসাম বুৰঞ্জী' পৃ ঃ ১৪, ১৫।

৩। মোহিনী কুমাৰ শইকীয়া 'Assam Muslim Relation and its Cultural Significance' page- 39, "Only Muhammad-Ibn-Bakhtiyar and a few well mounted men escaped the disaster and reached the western bank of the river where the Koch and the Mech people came to their help; and it was with their assistance that Muhammad-Ibn-Bakhtiyar reached Gauda as a sick and completely discomfitted man.''

৪। লক্ষ্মী দেৱী— অসম দেশৰ বুৰঞ্জী, পৃ ঃ ২৫০।

৫। পদ্মনাথ গোহাঞিবৰুৱা— পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ২৩।

৬। সূৰ্য্য কুমাৰ ভূঞা— সাতসৰী অসম বুৰঞ্জী, পৃ ঃ ২৩।

৭। সূৰ্য্য কুমাৰ ভূঞা— কামৰূপৰ বুৰঞ্জী, পৃ ঃ ৩৭।

৮। দীনেশ্বৰ শৰ্মা— মঙ্গলদৈৰ বুৰঞ্জী, পৃ ঃ ৫৮।

৯। সূৰ্য্য কুমাৰ ভূঞা— সাতসৰী অসম বুৰঞ্জী পৃ ঃ ২৫।

১০। অসমৰ মুছলমানসকল, পৃ ঃ ২২৯।

১১। অসমৰ মুছলমানকল পৃ ঃ ২১৯।

১২। আব্দুৰ ৰহমান— অসমৰ মুছলমানসকল, পৃ ঃ ২০৭।

১৩। আব্দুৰ ৰহমান— পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ২০১।

১৪। মোহিনী শইকীয়া— Assam Muslim Relation and its cultural significance, পৃ ঃ ৬৬।

১৫। মোহিনী কুমাৰ শইকীয়া— ''Assam Muslim Relation and Its Cultural Significance...." the southern portions of Goalpara and Kamrup districts remained under the authority of the Gauda Sultans from the time of Giasuddin Bahadur Shah's invasion of the south western part of the Brahmaputra Valley

in 1320-21 A.D. till the Kamata king Mriganka conquered the entire region to the east of the river Korotoya sometime during 1397-1407 A.D. with the help of Ahom monarch Sudangpha.''

১৬। মোহিনী কুমাৰ শইকীয়া— "Assam Muslim Relation and its Cultural Significance- 85" Chakradhawaj, being thus subjugated and converted to Islam, seems to have surrendered the part of this kingdom from My monsing to the western region of the present Kamrup district along with North bank of the Brahmaputra and ruled in Kamata as feudatory of Gauda till his death."

১৭। এম শইকীয়া— পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ১৩২।

১৮। মোহিনী কুমাৰ শইকীয়া— পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ১০৯-১১৩।

১৯। ক) মাওলানা মহম্মদ গোলাম মোস্তাফা (সম্পাদক হযরত শ্বাহজালাল (রহঃ) ও হযরত শ্বাহ পরান (রহঃ) এর জীৱনী, পৃ ঃ ২০-২৪।

খ) মোহম্মদ আব্দুল শুকুৰ বৰভূএঞা— 'বরাকের পীর ফকির' পৃঃ ১৮।

২০। সূৰ্য্য কুমাৰ ভূএঞা— 'স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ', পৃ ঃ ১৭৭।

২১। সূৰ্য্য কুমাৰ ভূএঞা— 'স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃ ঃ ১৭১।

২২। সূৰ্য্য কুমাৰ ভূএঞা— 'স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃ ঃ ১৬৫, ১৬৬।

২৩। মোহিনী কুমাৰ শইকীয়া— Assam Muslim Rlation and its Cultural Significance', P : 205, 206

২৪। মোহিনী কুমাৰ শইকীয়া— ঐ, পৃ ঃ ১৮৭।

২৫। সূৰ্য্য কুমাৰ ভূএঞা 'দেওধাই অসম বুৰঞ্জী', পৃ ঃ ৭২।

২৬। ক) মুহিবুল হুছেইন— 'হজৰত আজানপীৰ', পৃ ঃ ১-২৮

খ) চৈয়দ আব্দুল মালিক— 'অসমীয়া জিকিৰ আৰু জাৰী', পৃঃ ২০-৪৬।

গ) ঐ— 'আজান ফকীৰ আৰু সুৰীয়া জিকিৰ', পৃঃ ২০-৪৬

ঘ) ঐ— অসমীয়া জিকিৰ-জাৰী সাৰ', পৃঃ ১০-২০

২৭। মোহিনী কুমাৰ শইকীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ১৯৮।

২৮। ঐ, পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ১৯৮।

২৯। ক) সূৰ্য্য কুমাৰ ভূঞা— স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃ ঃ ১৬৯

খ) মহেশ্বৰ নেওগ— প্ৰাচ্য শাসনাৱলী, পৃঃ ১১৭

৩০। সূৰ্য্য কুমাৰ ভূঞা— স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃ ঃ ১৬৯।

৩১। প্ৰতাপচন্দ্ৰ চৌধুৰী— 'অসম বুৰঞ্জী আৰু পৃ ঃ ২৬ (আৰু অহম কটকী হোজা কাৰণ দেশান্তৰলৈ ওলাবলৈ অলজেনদেখি ব্ৰাহ্মণ কটকী পাতিলে, ও নামটো বৰাপীৰ... পাতিলে)।

৩২। লক্ষ্মী দেৱী— অসম দেশৰ বুৰঞ্জী, পৃ ঃ ২২৮।

৩৩। ক) সূৰ্য্য কুমাৰ ভূঞা (সম্পাদনা) অসম বুৰঞ্জী, পৃঃ ৩৮, ৩৯

খ) প্ৰতাপ চন্দ্ৰ চৌধুৰী— অসম বুৰঞ্জী সাৰ, পৃঃ ২৪

৩৪। সূৰ্য্য কুমাৰ ভূঞা— স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃ ঃ ১৬৯।

৩৫। গুণাভিৰাম বৰুৱা— 'আসাম বুৰঞ্জী', পৃ ঃ ৯৩।

৩৬। ক) পদ্মনাথ গোহাঞিবৰুৱা— অসমৰ বুৰঞ্জী, পৃ ঃ ৭৩

খ) সূৰ্য্য কুমাৰ ভূঞা— স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃঃ ১৮২, "দেৱানৰ বাহিৰেও ৰজাঘৰৰ পৰা মাটি-বৃত্তি পোৱা এজন নবাব ডেকা আছিল।"

৩৭। আব্দুৰ ৰহমান— 'অসমৰ মুছলমানসকল, পৃ ঃ ১৯১।

৩৮। লক্ষ্মী দেৱী 'অসম দেশৰ বুৰঞ্জী, পৃ ঃ ২৭৯।

৩৯। আব্দুৰ ৰহমান— 'অসমৰ মুছলমানসকল, পৃ ঃ ২০৩।

৪০। লীলা গগৈ— অসমৰ সংস্কৃতি, পৃ ঃ ৭৭-১৫০।

৪১। মোহিনী কুমাৰ শইকীয়া— পূৰ্বোক্ত গ্ৰন্থ, পৃ ঃ ১৩২-১৩৫।

৪২। ঐ— পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১০৯-১১০।

৪৩। শইকীয়া, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৩৩।

৪৪। প্ৰতাপ চৌধুৰী— অসম বুৰঞ্জী সাৰ, পৃষ্ঠা ঃ ২৪।

৪৫। আব্দুৰ ৰহমান— পুৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৯৭-২০৫।

৪৬। উপেন্দ্ৰ চন্দ্ৰ গুহ— ‘কাছাৰৰ ইতিবৃত্ত, পৃষ্ঠা ঃ ১৩৮।

৪৭। H.K. Barpujari 'The comprehensive History of Assam'vol-IV, p-265-277

৪৮। শশী শৰ্মা— ‘অসমৰ হিন্দু মুছলমান সাংস্কৃতিক সম্পৰ্ক, পৃ ঃ ৪৪।

৪৯। V.D. Mahaja -Ancient India.

৫০। Tarachond 'Influence of Islam on Indian Culture p-66

৫১। আব্দুৰ ৰহমান— পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২০৪-২০৫।

৫২। ঐ—ঐ—, পৃষ্ঠা ঃ ২০৫।

৫৩। ৰচিদ আহমদ আৰু মাতৃ ৰহমানী বেগম, দলগাঁও

৫৪। পিয়াৰ আলী (সম্পাদনা) অতীত-মাধুৰী (হাজী আবনুৰ আলী স্মৃতি গ্ৰন্থ, পৃষ্ঠা ঃ ২১, ৫২।

৫৫। আব্দুৰ ৰহমান— পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৯৪।

৫৬। ঐ—ঐ, পৃ ঃ ১৮৯।

৫৭। ঐ—ঐ, পৃ ঃ ২১৭।

৫৮। ঐ—ঐ, পৃ ঃ ১৯৭।

৫৯। ঐ—ঐ, পৃ ঃ ১৯৬।

৬০। ঐ—ঐ, পৃ ঃ ১৯৭, ১৯৯।

৬১। ঐ—ঐ, পৃ ঃ ২০০।

৬২। আব্দুৰ ৰহমান— পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২১৯।

৬৩। ঐ—ঐ, পৃ ঃ ২২০।

৬৪। ক) অচ্যুত চৰণ চৌধুৰী তত্বনিধি— শ্ৰীহট্টৰ ইতিবৃত্ত (পূৰ্বাংশ), পৃষ্ঠা ঃ ১৮৪।

খ) মাওলানা মুহাম্মদ গোলাম মোস্তাফা-হযরত শাহ জালাল (রহঃ) ও হযরত শাহ পরান (রহঃ) এর জীৱনী পৃষ্ঠা ঃ ১২৩

গ) মোহাম্মদ আব্দুল শুকুৰ ভূঁইয়া— বরাকের পীর ফকির, পৃঃ ২৫

৬৫। উপেন্দ্র চন্দ্র গুহ— কাছারের ইতিবৃত্ত, পৃষ্ঠা ঃ ১৩৮।

৬৬। হেৰম্বকান্ত বৰপূজাৰী 'The Comprehensive History of Assam' vol iv, p-7

৬৭। H.K. Borpujari- 'Assam in the days of Company, p-18 (The surplus in revenue of the 743, 139 in 18223 had turned into a deficit of 4,953,918 and the company's debt-mounted up during the period of war to nearly ten million pounds sterting)

৬৮। H.K. Borpujari-do-, p-7

৬৯। H.K. Borpujari- Assam in the days of the company, p-264, 265, 297 (The commercial treaty concluded by Raja Gowrinath in February 1793 gave an impetus, though temporarily, to the of Bengal to proceed with their fare into the interior of the province, p- 297

৭০। H.K. Borpujari 'Assam in the days of the company', p-264

৭১। উবেদুৰ ৰহমান, লক্ষীমপুৰ

৭২। H.K. Borpujari 'Assam in the days of the company', 295, 296 (The number of Muslim augmented after British occupation when they came not as invaders but as traders)

৭৩। Abdur Rahman- Migration of Muslims from Eastern Bangal and Agrarian change in Assam, p-32

৭৪। মঃ ৰফিক আহমেদ, কামপুৰ, মুক্তিযোদ্ধা প্ৰয়াত সমীৰুদ্দিন আহমেদৰ পুত্ৰ।

৭৫। মেদিনী কুমাৰ চৌধুৰী- লুইত বৰাক আৰু ইছলাম (প্ৰথম প্ৰকাশ) পৃষ্ঠা ঃ ৬৫, ৬৬

৭৬। মেদিনী কুমাৰ চৌধুৰী- লুইত বৰাক আৰু ইছলাম (প্ৰথম প্ৰকাশ), পৃষ্ঠা ঃ ৭৫, ৭৫

৭৭। মেদিনী কুমাৰ চৌধুৰী - লুইত বৰাক আৰু ইছলাম (প্ৰথম প্ৰকাশ), পৃষ্ঠা ঃ ৬১।

৭৮। ৰফিউল হুছেইন বৰুৱা - মহান অসমীয়া চাৰ চৈয়দ ছাদুল্লা আৰু সমসাময়িক অসম (প্ৰথম প্ৰকাশ), পৃষ্ঠা ঃ ২৯।

৭৯। Abdur Rahman - Migration of Muslims from Eastern Bangal and Agrarian change in Assam, p- 99-100

৮০। Abdur Rahman - Migration of Muslims from Eastern Bangal and Agrarian charge in Assam (1st edn.) p- 105

৮১। অদীপ কুমাৰ ফুকন— 'জননেতা শৰৎ চন্দ্ৰ সিংহ .... (প্ৰথম প্ৰকাশ), পৃষ্ঠা ঃ ১৩।

৮২। মেদিনী চৌধুৰী— লুইত বৰাক আৰু ইছলাম (প্ৰথম প্ৰকাশ), পৃষ্ঠা ঃ ৭৬।

৮৩। Abdur Rahman- Migration of Muslims from Eastern Bangal as Agrarian charge in Assam p - 26 (আব্দুৰ ৰহমানে- দেৱ আৰু লাহিৰী, 'Migration, Muslims, Politics and Cohesion' নামৰ গ্ৰন্থৰ গইনা লৈ প্ৰতি দহ বছৰৰ মূৰে মূৰে কিমান সংখ্যক পূৰ্ববঙ্গীয় কৃষক আহিছিল তাৰ এটি সমীক্ষা তেখেতৰ পুথিত দিয়ে।

৮৪। কয়লাখনিৰ পাঠান শ্ৰমিকসকলৰ উত্তৰসূৰী শিৱসাগৰৰ চন্তক গাঁও নিবাস, ঠিকা ব্যৱসায়ী আকবৰ খাঁই ১১/০৭/০৯ তাৰিখে তেওঁৰ নিজা বাসগৃহতে এই লেখকক অসমত পাঠান মুছলমানৰ বসতিৰ অতীত বিৱৰণ দাঙি ধৰে।

৮৫। বগা গৰীয়াৰ সম্পৰ্কে মৰঙিৰ সমাজকৰ্মী ইমৰাণ হুছেইনে লেখকক জনায়।

৮৬। চাহাবউদ্দিন আহমেদ— 'মৌখোৰা গাঁৱৰ ইতিবৃত্ত' (প্ৰবন্ধ)। চাহাব উদ্দিন আহমেদ গোলাঘাট কমাৰ্চ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু মৌখোৰা গাঁৱৰ বাসিন্দা।

৮৭। Dr. P.C. Chaudhury - The History of Civilization of the people of Assam the Twelfth. Century A.D. (3rd edn.) p-154

88¼ Dr. M. Saikia - Assam Muslim Relation and its Cultural Significance (1st Edn.) p- 37-38

৮৯। অচ্যুত চৰণ চৌধুৰী তত্ত্বনিধি— "শ্ৰী হট্টেৰ ইতিবৃত্ত"— (প্ৰথম প্ৰকাশ), পৃ ঃ ১৫৮, ১৬১।

৯০। অচ্যুত চৰণ চৌধুৰী তত্ত্বনিধি— "শ্ৰী হট্টেৰ ইতিবৃত্ত"— (প্ৰথম প্ৰকাশ, পৃষ্ঠা ঃ ১৫৯।

৯১। ক) অচ্যুত চৰণ চৌধুৰী তত্ত্বনিধি— "শ্ৰী হট্টেৰ ইতিবৃত্ত" — (প্ৰথম প্ৰকাশ), পৃষ্ঠা ঃ ১৭১।

খ) মৌলনা মঃ গোলাম মোস্তাফা— হযৰত শ্বাহ জালাল (ৰহঃ) ও হযৰত শ্বাহ পৰান (ৰহঃ) এৰ জীৱনী। প্ৰথম প্ৰকাশ পৃঃ ৫৯

গ) আব্দুল শুক্কুৰ বৰভূঁইয়া — "বৰাকেৰ পীৰ ফকিৰ" (প্ৰথম প্ৰকাশ), পৃষ্ঠা ঃ ২০

৯২। অচ্যুত চৰণ চৌধুৰী তত্ত্বনিধি — পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭৩।

ক) আব্দুল শুক্কুৰ বৰভূঁইয়া - পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ২১

খ) মৌলানা মঃ গোলাম মোস্তাফা - পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ৭৬

৯৩। অচ্যুত চৰণ চৌধুৰী— পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭০।

৯৪। প্ৰভাতঞ্চু মৈতী আৰু প্ৰভাত কুমাৰ চাহা— 'Medieval India (1st pub)', পৃষ্ঠা ঃ ১৯৬।

৯৫। প্ৰভাতঞ্চু মৈতী আৰু প্ৰভাত কুমাৰ চাহা— 'Medieval India (1st pub)', পৃষ্ঠা ঃ ১৯৬।

৯৬। ক) অচ্যুত চৰণ চৌধুৰী তত্ত্বনিধি — পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ঃ ১৭৮, ১৭৯, ১৮০।

খ) গোলাম মোস্তাফা— পূৰ্বোক্ত গ্ৰন্থ পৃষ্ঠা ঃ ৮০-৮৫

৯৭। মোঃ আব্দুল শুক্কুৰ বৰভূঁইয়া— বৰাকের পীর ফকীর, (প্রথম প্রকাশ), পৃষ্ঠা ঃ ৩৪,৪৪,৫৪,৮৪,৮৭,৮৮।

৯৮। মোঃ আব্দুল শুক্কুৰ বৰভূঁইয়া— বৰাকের পীর ফকীর, (প্রথম প্রকাশ), পৃষ্ঠা ঃ ৮৭।

৯৯। ক) সূৰ্য্য কুমাৰ ভূঞা— সাতসৰী অসম বুৰঞ্জী (তৃতীয় প্ৰকাশ), পৃষ্ঠা ঃ ৯৩।

খ) লক্ষ্মী দেৱী— অসম দেশৰ বুৰঞ্জী পৃষ্ঠা ঃ ২৮০, ২৮২

১০০। উপেন্দ্ৰ চন্দ্ৰ গুহ— ‘কাছাৰৰ ইতিবৃত্ত, পৃষ্ঠা ঃ ১১৯।

১০১। উপেন্দ্ৰ চন্দ্ৰ গুহ— ‘কাছাৰৰ ইতিবৃত্ত, পৃষ্ঠা ঃ ১২০।

১০২। উপেন্দ্ৰ চন্দ্ৰ গুহ— ‘কাছাৰৰ ইতিবৃত্ত, পৃষ্ঠা ঃ ১৩৮।

১০৩। উপেন্দ্ৰ চন্দ্ৰ গুহ— ‘কাছাৰৰ ইতিবৃত্ত।

১০৪। আলহাজ বদৰুদ্দিন চাহেব— এখেত বাঁশকান্দি দাৰুল উলুম মাদ্ৰাছাৰ অধ্যক্ষ আহমদ আলী চাহেবৰ সম্পৰ্কীয়। বদৰুদ্দিন চাহেবে ২০-০২-২০১১ তাৰিখে খাদিমবাৰী গাঁৱত তেওঁলোকৰ অতীত কাহিনী ব্যাখ্যা কৰে।

১০৫। Faruk Ahmed Makakmayum, "Manipuri Muslim :Socially Speaking" an article published in 'The Sanjai Express' and supplied by Abdul Jalil Laskar, Shilchar, an engineer.

১০৬। Ali Haidar Laskar- 'Muslim History of Barak Valley' p- 28, 29 Unpublished work

১০৭। উপেন্দ্ৰ চন্দ্ৰ গুহ— ‘কাছাৰেৰ ইতিবৃত্ত’, পৃষ্ঠা ঃ ১৬৮।

১০৮। চমছেৰ আলি— ‘মেইটি-পাংগল ঃ কাছাৰৰ মণিপুৰী মুছলমান’ প্ৰবন্ধ চেলিম আহমেদ সংকলিত ‘অসমৰ মুছলমান সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা’, ২০০৯, পৃষ্ঠা ঃ ৫৭।

## পঞ্চম অধ্যায়

# ঔপনিৱেশিক কাল, অসমৰ ৰাজনীতি আৰু মুছলমান

- ঔপনিৱেশিক কালৰ অসমৰ ৰাজনীতিত মুছলমান

**অধ্যাপক মুহিউদ্দিন আহমেদ**

- পূৰ্ব্ববঙ্গ - আগত মুছলমানসকলৰ বসতি আৰু লাইন প্ৰথা

**মহম্মদ তাহেৰ**

পঞ্চম অধ্যায়

# ঔপনিৱেশিক কাল, অসমৰ ৰাজনীতি আৰু মুছলমান

## ঔপনিৱেশিক কালৰ অসমৰ ৰাজনীতিত মুছলমান

এছোৱা দীঘলীয়া কাল ধৰি অসমত নিগাজি হোৱা মুছলমানসকলে অসমকেই মাতৃভূমি বুলি গণ্য কৰি আহোম ৰাজন্যবৰ্গৰ শাসন কালৰেপৰা নিষ্ঠা আৰু সততাৰে অসমৰ ৰজা-প্ৰজাৰ সেৱা কৰি আহিছিল। তেওঁলোকৰ নিষ্ঠা, সততা, কৰ্মপটুতা আদিয়ে অসমৰ স্বৰ্গদেউসকলৰ চিত্ত আকৰ্ষণ কৰিছিল। সেয়ে উদাৰ আহোম ৰাজন্যবৰ্গই অসমৰ মুছলমানসকলৰো যোগ্যজনক ৰজাঘৰীয়া বিষয়বাবৰ অধিকাৰী পাতিছিল। মুছলমানৰ মাজৰ বহুজনক বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, হিলৈদাৰী, দা-ধৰা আদি পদত নিয়োগ কৰা হৈছিল। ফলত এনে বিষয়বাব গ্ৰহণৰ যোগেৰে অসমৰ মুছলমানৰ সমসাময়িক ৰাজনীতিত প্ৰৱেশ ঘটিছিল। এইদৰে মধ্যযুগৰ পৰাই অসমৰ মুছলমানে সময়ে সময়ে যুদ্ধ, সন্ধি, ৰাজ্যৰ বৃহত্তৰ স্বাৰ্থত কৰা গোপন আন্দোলন, বিদ্ৰোহ দমন আদিত জড়িত হৈ আহিছিল। মীৰজুমলাৰ আক্ৰমণৰ বেলিকা সংঘটিত যুদ্ধ, চক্ৰধ্বজ সিংহৰ দিনত মোগল কটকীৰে কৰা যোগাযোগ, বাঘ হাজৰিকাৰ দ্বাৰা শৰাইঘাটৰ ৰণত পালি সেনাপতিৰ দায়িত্ব গ্ৰহণ, ৰমণী পোহাৰীৰ দ্বাৰা আত্মগোপনকাৰী গদাপাণি কোঁৱৰক আশ্ৰয় দান, অত্যাচাৰী কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক দমনৰ ষড়যন্ত্ৰ, দন্দুৱাদ্ৰোহ-দমন ইত্যাদি ঘটনাৰ সৈতে আন আন

অসমীয়াৰ লগতে অসমৰ মুছলমানো জড়িত হৈ পৰিছিল আৰু তাৰ ফলত অসমৰ হিন্দু-মুছলমানৰ মাজত সম্পৰ্ক গাঢ় হৈ উঠিছিল।

যিদৰে আহোম শাসন কালত অসমৰ মুছলমান ভিন ভিন সমকালীন ৰাজনৈতিক ঘটনাৰ সৈতে জড়িত হৈ পৰিছিল, সেইদৰে ঔপনিৱেশিক কালছোৱাতো প্ৰায় আটাইবোৰ উল্লেখযোগ্য ৰাজনৈতিক ঘটনাৰ সৈতে অসমৰ মুছলমান জড়িত হৈ পৰে। উদাহৰণস্বৰূপে ইংৰাজে অসম দখল কৰাৰ প্ৰাক-ক্ষণত (১৮১৮ খ্ৰীঃত) বুৰঞ্জীত দেশদ্ৰোহী আখ্যা দিয়া বদন বৰফুকনক হত্যা কৰা ঘটনাত ৰূপসিং চুবাদাৰৰ লগত ৰহমান খাঁ জামাদাৰেও অংশগ্ৰহণ কৰিছিল। এদিন পুৱা প্ৰাতঃক্ৰিয়া সমাপন কৰি মাটি-পানী লৈ গা ধোৱাৰ পাছত ৰূপসিঙে প্ৰথমে বৰফুকনক তৰোৱালেৰে আঘাত কৰে, তাৰ পাছত ৰহমান খাঁ জামাদাৰে বৰফুকনক দুডোখৰ কৰি কাটে।"[১] অৱশ্যে কিছু লেখকে ৰহমান খাঁ জামাদাৰৰ বিষয়ে উল্লেখ কৰা নাই। তথাপি তলৰ পদ্যফাকিয়ে বদন বৰফুকনৰ হত্যাকাণ্ডত কোনো এজন মুছলমান জড়িত থকাৰ সম্ভেদ দিয়ে-

"নৃপতি শুনিল কাটিলেক বৰফুকন।
ৰূপচিং চিপাদাৰ অনাই তেতিক্ষণ।।
গৰুখোৱা বঙ্গাল ইমান সাহ হয়।
বৰফুকন কাট তাক নজানোহো মই।।"[২]

ইয়াণ্ডাবু সন্ধি অনুসৰি অসম দখল কৰা ব্ৰিটিছক খেদি পঠোৱাৰ মানসেৰে ১৮২৮ খ্ৰীঃত গোমধৰ কোঁৱৰে যি বিদ্ৰোহৰ সূচনা কৰিছিল, উক্ত বিদ্ৰোহত নকছাৰী অঞ্চলস্থিত তৰাতলী গাঁৱৰ আব্দুল হাজৰিকা নামৰ এজন মুছলমানেও সহযোগ কৰিছিল।[৩]

কোঁৱৰে বোলে লাকুৱাৰ পৰা আহি নকছাৰীত আব্দুল হাজৰিকাৰ সৈতে মিলিত হৈছিল। বুৰঞ্জীমূলক সাহিত্যত কল্পনাৰ ৰহণ থাকে। কিন্তু মূল বিষয়টো কল্পনাৰ আধাৰ হ'ব নোৱাৰে। সেয়ে বহু সময়ত বুৰঞ্জীমূলক সাহিত্যয়ো বুৰঞ্জীৰ সমল যোগায়। অসমীয়া উপন্যাস 'মনোমতী'ত

ৰজনীকান্ত বৰদলৈদেৱে উল্লেখ কৰে যে মানৰ বিৰুদ্ধে সংঘটিত হাদিৰাচকী ৰণত আহোম, শিখ, কোঁচ-কছাৰীৰ লগতে মুছলমানৰ মীৰদৌলা নামৰ এজন সেনাপতিয়ে এদল মুছলমান সৈন্যৰ নেতৃত্বত আহোম ৰজাৰ হকে যুদ্ধত প্ৰবৃত্ত হৈছিল। অসমৰ হকে যুঁজি মীৰদৌলাসহ বহু মুছলমান সৈন্যই এই ৰণত প্ৰাণাহুতি দিয়ে। ঔপন্যাসিকগৰাকীয়ে উল্লেখ কৰা মতে ৩০-৪০ জনমান মুছলমান সৈন্যহে বাচি আহিব পাৰিছিল।

নগাঁৱৰ মৰহুম আব্দুল কাদিৰ উকীলৰ পূৰ্বপুৰুষ ৰমজান খাঁ মানৰ বিৰুদ্ধে যুঁজি প্ৰাণাহুতি দিয়া মুছলমানসকলৰে মাজৰ এজন। মানৰ বিৰুদ্ধে কৰা যুদ্ধৰ বেলিকা ৰমজান খাঁক 'হিলৈদাৰী বৰুৱা' নিয়োগ কৰা হৈছিল।[৪] এইগৰাকী যোদ্ধা ১৮২২ খ্ৰীঃৰ ১৯ এপ্ৰিল তাৰিখে সংঘটিত যোৰহাটৰ সমীপৰ ম'হগড়ৰ ৰণত নিহত হয়। তেখেতৰ কবৰ নুমলীগড় গোৰোস্থানত আছে বুলি পৰিয়ালবৰ্গৰ পৰা জনা যায়।

১৮৫৭ চন। এই বছৰতে ভাৰতবৰ্ষৰ, বিশেষকৈ উত্তৰ ভাৰতৰ বিভিন্ন ঠাইত সংঘটিত হৈছিল চিপাহী বিদ্ৰোহৰ। উজনি অসমত চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহক ৰজা পাতিব লাগে বুলি গৱৰ্ণৰক আৰ্জি দিবলৈ এতিয়াৰ কলকাতালৈ যোৱা মণিৰাম দেৱানে ব্ৰিটিছ চৰকাৰে চিপাহী বিদ্ৰোহ দমন কৰাত ব্যস্ত থকাৰ সুযোগ গ্ৰহণ কৰি অসমতো ব্ৰিটিছ খেদা এটা আন্দোলন গঢ়ি তুলিব লাগে বুলি কৰ্ন্দপেশ্বৰ সিংহ প্ৰমুখ্যে অসমৰ নেতৃস্থানীয় তথা বিশ্বাসী কিছু ব্যক্তিলৈ ইখনৰ পাছত সিখনকৈ পত্ৰ প্ৰেৰণ কৰিছিল। গতিকে অসমত উক্ত চিঠিৰ আলমত ৰজা কৰ্ন্দপেশ্বৰ সিংহ, দুতিৰাম বৰুৱা, পিয়লি বৰুৱা ওৰফে মহেশ চন্দ্ৰ বৰুৱা, নীলকণ্ঠ চোলাধৰা ফুকন, কলকাতাৰ পৰা মণিৰাম দেৱান প্ৰেৰিত মধু মল্লিক আদিৰ নেতৃত্বৰে অসমৰ গোলাঘাট আৰু যোৰহাটত এটা গোপন অথচ জোৰদাৰ ষড়যন্ত্ৰ গঢ়ি তোলা হৈছিল। এইসকলৰ লগতে উক্ত গোপন আন্দোলনত সক্ৰিয় নেতৃত্ব বহন কৰিছিল দুগৰাকী অসমীয়া মুছলমানে। সেই দেশপ্ৰেমিক দুগৰাকী আছিল ক্ৰমে বাহাদুৰ গাঁওবুঢ়া আৰু ছেখ ফৰ্মুদ আলী। অসমৰ পদ্য বুৰঞ্জীয়েও সোঁৰৰায়-

"দুতিৰাম বৰুৱা নাম চিৰস্তাযে দাৰ।
অকাৰণে দ্ৰুহি বুলি দিলে দুৰাচাৰ।
তাৰাসব সঙ্গে আৰো লোক বহুজন
বাহাদুৰ ফৰ্মুদ দুই মুছলমান।"

এই দুগৰাকী মুছলমান নেতাৰ ত্যাগৰ বিষয়ে অন্য দুই-এখন বুৰঞ্জীয়েও উল্লেখ কৰে-- "Many leading men of the time including two Muslims, Bahadur Gaonburha and Sheikh Formad Ali, actively joined in the plot..."[৫] তেওঁলোকে এনে আন্তৰিকতাৰে তথা সুসজ্জিতভাৱে এই গোপন আন্দোলন গঢ়ি তুলিছিল যে সেই সময়ৰ গোলাঘাটৰ নোগোৰা গাঁৱত ৰখা ব্ৰিটিছাধীন ভাৰতীয় সৈন্যবাহিনীয়েও এই আন্দোলনত অংশগ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। উক্ত সৈন্যবাহিনীৰ গুৰিয়াল ক্ৰমে নুৰ মহম্মদ, ভিকুম ছেখ, চন্দন সিং জামাদাৰ, হাবিলদাৰ ৰামতুহোল সিং আদিয়ে একমুখে তেওঁলোকৰ সৈন্যবাহিনী লৈ আন্দোলন চলাই যোৱাৰ প্ৰতিশ্ৰুতি দিছিল। আনকি সৈন্য বিভাগত কৰ্মৰত অসমীয়া ডাক্তৰ হিদায়ৎ উল্লায়ো নিজকে গোপন আন্দোলনৰ অংশীদাৰ কৰিছিল। কিন্তু ইতিমধ্যে মণিৰাম প্ৰেৰিত এখন চিঠি সমসাময়িক যোৰহাটস্থ ব্ৰিটিছ দাৰোগা হৰনাথ পৰ্বতীয়া বৰুৱাৰ হাতত পৰাত তেওঁ সেই চিঠি নি তদানীন্তন শিৱসাগৰৰ জিলা আয়ুক্ত হলৰয়দ চাহেবক দিয়াত এই গোপন আন্দোলনৰ গোপনীয়তা নাশ হ'ল। কলিকতাতে মণিৰামক গ্ৰেপ্তাৰ কৰা হ'ল। অসমত গ্ৰেপ্তাৰ কৰা হ'ল, ক্ৰমে পিয়লি বৰুৱা, মৰঙিখোৱা গোহাঁই, বাহাদুৰ গাঁওবুঢ়া, ছেখ ফৰ্মুদ আলী, দুতিৰাম বৰুৱা প্ৰমুখ্যে বহুজন। অপৰাধীবৰ্গৰ বিচাৰৰ ফলস্বৰূপে মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক যোৰহাটত ফাঁচি দিয়া হ'ল (১৮৫৮ চন)। দুতিৰাম বৰুৱা, বাহাদুৰ গাঁওবুঢ়া, ছেখ ফৰ্মুদ আলী, মধুমল্লিককে লৈ কেইজনমানক দেশান্তৰ কৰি আন্দামান নিকোবৰ দ্বীপপুঞ্জত নিৰ্বাসন দণ্ড দিয়া হ'ল। কন্দৰ্পেশ্বৰ সিংহ কমবয়সীয়া

যুৱক হোৱাৰ হেতু গুৱাহাটীত পেন্সন দি ৰখা হ'ল। অৱশ্যে বাহাদুৰ গাঁওবুঢ়া আৰু দুতিৰাম বৰুৱাৰ পুতেকহঁতে যুটীয়া আবেদন জনোৱাত ১৮৬৩ চনৰ ১৬ ছেপ্টেম্বৰ তাৰিখে বাহাদুৰ গাঁওবুঢ়া, দুতিৰাম বৰুৱা আৰু ফৰ্মুদ আলীক বন্দীত্বৰ পৰা মুক্তি দিয়া হয়।

১৮৫৮ চনত ব্ৰিটিছ চৰকাৰে কোম্পানী চৰকাৰৰ হাতৰ পৰা ভাৰতৰ শাসন ব্যৱস্থা নিজৰ হাতলৈ লয়। এই নতুন শাসন ব্যৱস্থা অনুসৰি লেফটেনেণ্ট স্কন্স চাহাবক নগাঁৱৰ জিলাধিপতি নিয়োগ কৰা হয়। স্কন্স অতি অত্যাচাৰী আৰু দুৰ্নীতিপৰায়ণ বিষয়া আছিল। "তেওঁ অন্যান্য চাহাব আৰু চৰকাৰী কৰ্মচাৰীসকলকো প্ৰজাৰ ওপৰত অত্যাচাৰ কৰিবলৈ উচটনি দিছিল। চিপাহীবোৰৰ হতুৱাই মিছাতেই ৰাইজৰ ওপৰত জধে-মধে অত্যাচাৰ কৰাইছিল।"[৬] ফলত কৰ্মচাৰীসকলেও প্ৰজাৰ ওপৰত কঠোৰ অত্যাচাৰ কৰিছিল। এনে এটা অৱস্থাত[৭] নগাঁৱৰ আমোলাপট্টিৰ কৃষ্ণকান্ত গোস্বামী নামৰ এজন লোক আৰু নগাঁৱৰ লোকেল ব'ৰ্ডৰ চেয়াৰমেন তথা প্ৰাক্তন বিধায়ক মঃ ৰফিক চাহেবৰ বুঢ়ীমাক ছফিউন নিছাই (ৰেউতী বুঢ়ী) নগাঁৱস্থ ভাৰতীয় চিপাহীৰ লগ লাগি ১৮৬২ চনত এগৰাকী অত্যাচাৰী ইংৰাজ কলেক্টৰক হত্যা কৰিবলৈ এক গোপন ষড়যন্ত্ৰ ৰচনা কৰিছিল। কিন্তু কম সময়ৰ ভিতৰতে উক্ত ষড়যন্ত্ৰ ধৰা পৰাত কৃষ্ণকান্ত গোস্বামী আৰু ছফিউন নিছাক কালাপানীত নিৰ্বাসন দিয়া হয়, অৰ্থাৎ আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ 'চেলুলাৰ জেইলত' বন্দী কৰি ৰখা হয়। পৰিয়ালৰ পৰা আমাক জনোৱামতে ছফিউন নিছাৰ কালাপানীতে মৃত্যু হয়। উল্লেখ্য যে কৃষ্ণ গোস্বামী আৰু এগৰাকী মুছলমান ভদ্ৰমহিলাৰ ত্যাগ বুৰঞ্জীত উপেক্ষিত হৈ ৰ'ল। হেৰাই গ'ল কৃষ্ণ গোস্বামী আৰু ছফিউন নিছা বিস্মৃতিৰ ঘোৰ অমানিশাত।[৭]

১৮৬১ চনত অসমৰ ভিতৰত নগাঁৱৰ ফুলগুৰিত প্ৰথম কৃষক বিদ্ৰোহ হয়। এই বিদ্ৰোহৰ বেলিকা নগাঁও জিলাৰ সহকাৰী আয়ুক্ত মিঃ চিঙাৰক হত্যা কৰা হয়। এই বিদ্ৰোহক 'ফুলগুৰিৰ ধেৱা' বোলা হৈছিল। বিদ্ৰোহত হিন্দু-মুছলমান মিলি ইংৰাজক খেদিবলৈ আগবাঢ়ি আহিছিল। হাফিজ আলী নামৰ এজনৰ নেতৃত্বত অবিভক্ত নগাঁও জিলাৰ জালুগুটি

অঞ্চলৰ পৰা কেইবাশও মুছলমান লোক আহি ফুলগুৰি ধেৰাত যোগ দিছিল।[৮]

দৰঙৰ পথৰুঘাট এক ইতিহাসপ্ৰসিদ্ধ অঞ্চল।[৯] ১৮৬১ চনৰ পৰা ব্ৰিটিছ চৰকাৰে ৰায়তৰ ওপৰত আয়কৰ, ষ্টেম্পকৰ, আবকাৰী শুল্ক, বনৰীয়া গছ, বেত, বাঁহ আদিৰ ওপৰত কৰ আৰোপৰ যোগেৰে কৃষক প্ৰজাক পঙ্গু কৰি তোলাৰ প্ৰতিবাদতেই কৃষক বিদ্ৰোহবোৰৰ সৃষ্টি হৈছিল। ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ দিনা পথৰুঘাটৰ হিন্দু-মুছলমান প্ৰজাই একগোট হৈ চৰকাৰৰ দ্বাৰা বৃদ্ধি কৰা কৰৰ বিপক্ষে প্ৰতিবাদ কৰাত ব্ৰিটিছ বিষয়া এণ্ডাৰছনৰ নিৰ্দেশত কৃষক প্ৰজাৰ ওপৰত গুলীবৰ্ষণ কৰা হয়। ফলত সাতকুৰি কৃষকৰ আন্দোলনস্থলীতে মৃত্যু হ'ল। মৃত কৃষকসকলৰ ভিতৰত হিন্দু-মুছলমান উভয়ে আছিল। একেটা পুখুৰীতে এই সাতকুৰি কৃষকৰ ৰক্তাক্ত নশ্বৰদেহ ধৰ্মীয় ৰীতিবহিৰ্ভূতভাৱে সমাধিস্থ কৰা হ'ল। বৰ লিকিৰা ছেখ, কাটা ছেখ, বলি ছেখ, ফজিল ছেখ, আলিম ছেখ, ভেবা ছেখ আদি এই মুছলমান শ্বহীদসকলৰ মাজৰে কেইজনমান লোক।

পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ কেৱল সাত দিন পূৰ্বে তৎকালীন অবিভক্ত কামৰূপৰ সৰুক্ষেত্ৰী মৌজাৰ লাছিমা গাঁৱত সংঘটিত অন্য এটা কৃষক বিদ্ৰোহতো অঞ্চলটোৰ হিন্দু-মুছলমান উভয়ে অংশগ্ৰহণ কৰি কঠোৰ শাস্তি ভোগ কৰে।[১০] সৰ্থেবাৰীৰ মুছলমান বাবৰি ফকীৰে এই বিদ্ৰোহত সক্ৰিয় নেতৃত্ব বহন কৰাৰ হেতু ইংৰাজে "তেওঁৰ কান্ধত যুৱলি দি হাল বোৱাইছিল আৰু তাৰ পিছত কাৰাৰুদ্ধ কৰিছিল।"[১১] এইটো নিশ্চিত হ'ব পাৰি যে সেই সময়ত হিন্দু-মুছলমান উভয়ে বাস কৰা অঞ্চলসমূহত সংঘটিত কৃষক বিদ্ৰোহসমূহত নিশ্চয় হিন্দু-মুছলমান উভয়ে কম-বেছি পৰিমাণে অংশগ্ৰহণ কৰিছিল।

১৮৫৮ চনতে দুজন ভাৰতীয়ক (অসমীয়া) গুৱাহাটী পৌৰসভালৈ নিৰ্বাচিত কৰা হৈছিল।[১২] তেওঁলোকক কমিছনাৰ বোলা হৈছিল। সেই দুগৰাকী ব্যক্তি আছিল ক্ৰমে মাছখোৱাৰ মুন্সি কেফায়ত উল্লা আৰু গৰ্গৰাম

বৰুৱা। এওঁলোক দুয়ো গুৱাহাটীবাসী ৰাইজৰে সেৱা কৰিছিল। এইদৰে ব্ৰিটিছ চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থাসমূহত অংশগ্ৰহণৰ যোগেৰেও কিছুমান মুছলমানে অসমৰ সেৱা কৰি আহে। ১৯০৩ চনত গঠিত 'আছাম এছ'চিয়েশ্বনৰ' সদস্যভুক্ত হৈ ফৈজনুৰ আলী আৰু দেৱাজউদ্দিন আহমদে অসমবাসীৰ সেৱা কৰে।

১৯০৫ চনত গঠন কৰা 'পূৰ্ববঙ্গ আৰু অসম' প্ৰদেশৰ মুছলমানসকলক চৰকাৰী চাকৰিত মকৰল কৰিবৰ বাবে মুছলিম লীগৰ সভাপতি আগা খাঁৰ নেতৃত্বত যোৱা লীগ নেতৃবৃন্দৰ এটা সঁজাতী দলে ১৯০৬ চনত তদানীন্তন ইংৰাজ ভাইচৰয়ক আৱেদন জনাইছিল।

১৯০৮ চনত সংযুক্ত 'পূৰ্ববঙ্গ আৰু অসম' প্ৰদেশৰ 'লেজিছলেটিভ কাউঞ্চিল'লৈ মাণিক চন্দ্ৰ বৰুৱাকে ধৰি তিনিগৰাকী অসমীয়া আৰু এজন চাহখেতিৰ স্বত্বাধিকাৰীক মনোনীত কৰা হৈছিল। ১৯১২ চনত পুনৰ পূৰ্ববঙ্গ অসম ভঙ্গ কৰি অসমক মুখ্য আয়ুক্তৰ প্ৰদেশ হিচাপে গঢ়ি তোলা হ'ল। এইবাৰ মুখ্য আয়ুক্তৰ প্ৰদেশ শাসন কৰিবৰ বাবে ২৫ জনীয়া সদস্যৰ এখন সংবৰ্ধিত বিধান মণ্ডল (Legislative Council) গঠন কৰা হ'ল। উক্ত ২৫ জন সদস্যৰ ভিতৰত ১১ জন নিৰ্বাচিত সদস্য আৰু ১৪ জন মনোনীত সদস্য ৰখাৰ ব্যৱস্থা আছিল। উক্ত কাউঞ্চিললৈ চৈয়দ মঃ ছাদুল্লা আৰু আব্দুল মজিদক মুছলমান প্ৰতিনিধি হিচাপে মনোনীত কৰা হৈছিল।

সাধাৰণতে বৰাক উপত্যকাৰ মুছলমান নেতাসকলৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰতি টান কম আছিল যেন বোধ হয়। ১৯১২ চনৰ ১৫ এপ্ৰিল তাৰিখে চিলেটত অনুষ্ঠিত 'অঞ্জুমানে-ই-ইছলামীয়া' নামৰ সংগঠনটোৰ অধিৱেশনত চৈয়দ আব্দুল মজিদৰ নেতৃত্বত বৰাক উপত্যকাক অসমৰ পৰা ফালি দিব লাগে বুলি চৰকাৰক দাবী জনোৱা হৈছিল।

১৯২৬ চনত লেজিছলেটিভ কাউঞ্চিলৰ সদস্য চৈয়দ ছাদুল্লা চাহেবে চৰকাৰৰ দ্বাৰা ঘাঁহনি পথাৰ আৰু গৰুৰ ওপৰত কৰ আৰোপ কৰাৰ বাবে প্ৰতিবাদ জনায়।

১৯১৮ চনত “আছাম ভেলী মুছলিম এছ’চিয়েশ্বন” গঠন কৰা হয়। এই গোটৰ নেতৃবৃন্দৰ দ্বাৰা মুছলমান প্ৰাৰ্থীক চৰকাৰী চাকৰিত মকৰল কৰা আৰু কাউঞ্চিলত অধিক মুছলমান প্ৰতিনিধি ৰখাৰ ব্যৱস্থা কৰিব লাগে বুলি চৰকাৰক আৱেদন জনোৱা হৈছিল।

১৯১৮ চনত ভাৰতৰ সচিব এডউইন মণ্টেগু আৰু ভাইচৰয় চেমছফোৰ্ড লগ লাগি ভাৰতত এলানি সাংবিধানিক সংস্কাৰৰ আঁচনি প্ৰস্তুত কৰে। সেই অনুসৰি ১৯১৯ চনত ভাৰত চৰকাৰ অধিনিয়ম (Govt. of India Act.1919) গ্ৰহণ কৰি কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰৰ কাৰ্যক্ষেত্ৰৰ এক বিভাজন কৰা হয়। সেই অনুসৰি কিছুমান মূল মূল শাসন ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত ৰাখি কিছুমান প্ৰাদেশিক চৰকাৰক অৰ্পণ কৰা হয়। লগতে শাসনৰ সুচলাৰ্থে বিধানসভা (Legislative Assembly) আৰু ‘কাউঞ্চিল-অৱ-ষ্টেট’ নামৰ দুখন আইন সভা গঠনৰ ব্যৱস্থা কৰা হয়। প্ৰদেশবোৰত একোজনকৈ গৱৰ্ণৰ আৰু একোখন বিধান পৰিষদ Legislative Council ৰখাৰ ব্যৱস্থা কৰা হ’ল। আকৌ প্ৰদেশবোৰত, শিক্ষা-স্বাস্থ্য আদিৰ দৰে কিছু জনহিতকৰ কাম কৰাৰ অধিকাৰ বিধান পৰিষদৰ মন্ত্ৰীসকলৰ হাতত অৰ্পণ কৰে আৰু বিত্ত, সামৰিক, সাধাৰণ প্ৰশাসন আদিৰ দৰে গুৰুত্বপূৰ্ণ কামসমূহ গৱৰ্ণৰৰ কাৰ্যপালিকাৰ (Executive Council) অধীনত ৰখাৰ ব্যৱস্থা কৰা হ’ল। এনে ব্যৱস্থাক দ্বৈত শাসন ব্যৱস্থা বা Dyarchy বোলা হৈছিল।

১৯২০ চনত সমগ্ৰ ভাৰতবৰ্ষজুৰি গঢ় লৈ উঠা আৰু মহাত্মা গান্ধীকে লৈ ভাৰতীয় জাতীয় কংগ্ৰেছে পূৰ্ণ সমৰ্থন আগবঢ়োৱা খিলাফত আন্দোলনলৈ অসমৰ মুছলমানেও সমৰ্থন আগবঢ়াইছিল। সমসাময়িক চৈয়দ ছাদুল্লা নেতৃত্বাধীন ‘অঞ্জুমান-ই-ইছলাম’ৰ ১৯২০ চনৰ ১৯ মাৰ্চ তাৰিখে এখন সভা অনুষ্ঠিত কৰা হয়। ৰাজেদ আলী, মৌলানা মঃ তৈয়বুল্লা, মঃ খায়ৰত আদি অগ্ৰণী নেতৃবৃন্দৰ উপস্থিতিত অনুষ্ঠিত উক্ত সভাত অসম উপত্যকাৰ মুছলমানে খিলাফত আন্দোলনলৈ পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

খিলাফতৰ সমৰ্থনত যোৰহাট, শিৱসাগৰ আৰু উত্তৰ লক্ষীমপুৰত ‘হৰতাল’ পালন কৰা হৈছিল। ১৯২০ চনৰ ২৬ অক্টোবৰ তাৰিখে দেৱীচৰণ

বৰুৱা, কেৰামত আলী, দেৰাজুদ্দিন আহমেদ আদিৰ অংশগ্ৰহণেৰে যোৰহাটত অনুষ্ঠিত ৰাজহুৱা সভায়ো খিলাফত আন্দোলনলৈ সমৰ্থন আগবঢ়ায়। অৱশ্যে বৰাক উপত্যকাৰ মুছলমান নেতৃবৃন্দই সেই বছৰৰ ছেপ্টেম্বৰ মাহত ৰাজহুৱা সভা অনুষ্ঠিত কৰি খিলাফত আন্দোলনক সমৰ্থন নকৰাৰ সিদ্ধান্ত লয়।

১৯২১ চনত মণ্টফোৰ্ড মণ্টেগু-চেমছফৰ্ড সংস্কাৰ অনুসৰি অসমক এখন গৱৰ্ণৰৰ দ্বাৰা শাসিত প্ৰদেশ ঘোষণা কৰি ৫৩ জনীয়া সদস্যৰে এখন সংশোধিত 'লেজিছলেটিভ কাউঞ্চিল' গঠনৰ ব্যৱস্থা কৰা হ'ল। উক্ত সদনত বাৰখন আসন মুছলমান প্ৰতিনিধিৰ বাবে সংৰক্ষণ কৰা হৈছিল। ব্ৰিটিছ চৰকাৰে কাউঞ্চিলৰ নিৰ্বাচন ঘোষণা কৰিছিল যদিও ভাৰতীয় জাতীয় কংগ্ৰেছে এই নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত লোৱাত অসমৰ নবীন চন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন আদিৰ লগতে ফৈজনুৰ আলীয়েও নিৰ্বাচনৰপৰা আঁতৰত থাকে।

১৯২৩ চনৰ ২৫ জুলাই তাৰিখে অসমত তৰুণৰাম ফুকন, ৰোহিণী কুমাৰ চৌধুৰী, গোপীনাথ বৰদলৈ, ফৈজনুৰ আলী আদিৰ নেতৃত্বৰে স্বৰাজ দল গঠন কৰা হয়।

ইয়াৰ পাচত ক্ৰমে ১৯২৪, ১৯২৭ আৰু ১৯২৯ চনত একোখনকৈ সংশোধিত লেজিছলেটিভ কাউঞ্চিল গঠন কৰা হৈছিল। এই লেজিছলেটিভ কাউঞ্চিলবোৰত ক্ৰমে ফৈজনুৰ আলী, চৈয়দ ছাদুল্লা, কুতুবুদ্দিন আহমেদ, ছৈয়দুৰ ৰহমান, নুৰুদ্দিন আহমেদ আদি মুছলমান সদস্যসকল নিৰ্বাচিত হয়। এই কাউঞ্চিলবোৰৰ প্ৰথম দুখনত চৈয়দ ছাদুল্লাক ক্ৰমে কৃষি আৰু শিক্ষা মন্ত্ৰী হিচাপে মনোনীত কৰা হৈছিল আৰু ১৯২৯ চনৰ কাউঞ্চিলত তেওঁক 'এগ্‌জিকিউটিভ কাউঞ্চিলৰ' পতা হৈছিল।

এইদৰে অসমৰ মুছলমান প্ৰাক্-স্বাধীনতা কালতো অসমৰ ৰাজনীতিৰ সৈতে জড়িত হৈ পৰিছিল। আকৌ ১৯২৬ চনত গুৱাহাটীত

অনুষ্ঠিত কংগ্ৰেছ সভাত ফৈজনুৰ আলীক কাৰ্যালয় সম্পাদক আৰু মৌলানা মহম্মদ তৈয়বুল্লাক অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক নিৰ্বাচন কৰা হৈছিল।

পাছৰ বছৰত অৰ্থাৎ ১৯২৭ চনৰ ১৫ এপ্ৰিল তাৰিখে দিনক দিনে সচেতন হৈ পৰা অসমৰ মুছলমান নেতৃবৃন্দৰ একাংশই গুৱাহাটীত তবলিগ আন্দোলনৰ সূচনা কৰে।

তদুপৰি ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯২৭ চনত অহা ছাইমন কমিছনৰ বিৰোধিতা কৰাত মৌলানা মঃ তৈয়বুল্লাই অসমৰ মুছলমানসকলক কমিছনৰ বিৰুদ্ধে সু-সংগঠিত কৰি তোলে। উক্ত কমিছনক সাক্ষাৎ কৰিবলৈ অসমৰপৰা যোৱা সঁজাতী দলৰ দুগৰাকী মুছলমান প্ৰতিনিধি আছিল ক্ৰমে কেৰামত আলী আৰু মনোৱাৰ আলী।

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি প্ৰতিখন গৱৰ্ণৰ শাসিত প্ৰদেশত প্ৰাদেশিক স্বায়ত্ত শাসন প্ৰৱৰ্তন কৰি নিৰ্বাচনৰ ভিত্তিত বিধানসভা গঠনৰ ব্যৱস্থা কৰা হয়। ১৯৩৭ চনৰপৰা এই আইন কাৰ্যকৰীকৰণৰ দিহা কৰা হয়।

১৯৩৭ চনত বিধানসভা গঠনৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ফলত চৈয়দ ছাদুল্লাই প্ৰথমবাৰৰ বাবে উক্ত বৰ্ষৰ ১ এপ্ৰিল তাৰিখে অসমত চৰকাৰ গঠন কৰে। তেৰেঁই হ'ল অসমৰ প্ৰথম প্ৰধান মন্ত্ৰী। চৈয়দ ছাদুল্লাই প্ৰতিদ্বন্দ্বিতা কৰিছিল অসম উপত্যকা মুছলিম পাৰ্টীৰ সদস্য হিচাপে। তেওঁ নিজৰ অসম উপত্যকা মুছলিম পাৰ্টীৰ লগতে, সুৰমা উপত্যকা মুছলিম পাৰ্টী, মুছলিম প্ৰজা পাৰ্টী, মুছলিম লীগ, তৰুণৰাম ফুকনৰ মিলিত নিৰ্দলীয় গোট, ইংৰাজ আৰু অনুসূচিত জাতি-জনজাতিৰ সদস্যক লৈ সন্মিলিত চৰকাৰ গঠন কৰে। তেতিয়ালৈকে ছাদুল্লা মুছলিম লীগৰ সদস্যভুক্ত হোৱা নাছিল।

কিন্তু ছাদুল্লাৰ নেতৃত্বৰ কোৱালিশ্বন চৰকাৰ বেছিদিন নিটিকিল। সম্পৰ্কত গুৰু-শিষ্য হ'লেও ৰাজনৈতিক ক্ষেত্ৰখনত গোপীনাথ বৰদলৈ তেওঁৰ শিক্ষাগুৰু ছাদুল্লাৰ প্ৰতিদ্বন্দ্বী আছিল। বৰদলৈয়ে ছাদুল্লা চৰকাৰখন পৰাস্ত কৰিবলৈ অনাস্থা প্ৰস্তাৱৰ ব্যৱস্থা কৰিছিল। অৱশেষত প্ৰধান মন্ত্ৰীৰ

বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আহিব বুলি জানিব পাৰি ১৯৩৮ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখে অনাস্থা প্ৰস্তাৱ উত্থাপনৰ পূৰ্বেই ছাদুল্লাই পদত্যাগ কৰে।

ছাদুল্লাৰ পদত্যাগৰ পাছত উক্ত বৰ্ষৰ (১৯৩৮)১৯ ছেপ্টেম্বৰ তাৰিখে গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমত কংগ্ৰেছী মন্ত্ৰীসভা গঠন হ'ল। এই বছৰৰ পাছতে ব্ৰিটিছ চৰকাৰে ভাৰতীয় জনসাধাৰণক দ্বিতীয় বিশ্বযুদ্ধত জড়িত কৰিবলৈ বিচৰাৰ প্ৰতিবাদত ভাৰতীয় জাতীয় কংগ্ৰেছে প্ৰাদেশিক কংগ্ৰেছ চৰকাৰবোৰ ভাঙি পেলোৱাৰ নিৰ্দেশ দিয়াত ১৯৩৯ চনৰ ১৭ নৱেম্বৰ তাৰিখে বৰদলৈয়ে পদত্যাগ কৰে।

যিহেতু ছাদুল্লা কংগ্ৰেছৰ সদস্য নাছিল, তেওঁ ব্ৰিটিছক সহায় কৰাৰ প্ৰতিশ্ৰুতি দি ১৯৩৯ চনৰ ৩০ নৱেম্বৰ তাৰিখে দ্বিতীয়খন চৰকাৰ গঠন কৰে। এইখন চৰকাৰৰ দিনত ছাদুল্লাই 'ভূমি উন্নয়ন আঁচনি' নামৰ এক আঁচনি গ্ৰহণ কৰিছিল। গতিকে কংগ্ৰেছ নেতৃবৃন্দই ছাদুল্লাই ভূমি উন্নয়ন আঁচনিৰ যোগেৰে অধিক পমুৱা লোকক অনাৰহে ব্যৱস্থা কৰা হৈছে বুলি উক্ত আঁচনিক অনাস্থাৰ ভিত্তি হিচাপে বিবেচনা কৰিলে। ছাদুল্লা মন্ত্ৰীসভাৰ মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীক কোৱা হ'ল যে তেওঁ ছাদুল্লা চৰকাৰৰ পৰা ওলাই আহিলে তেওঁৰ (চৌধুৰীৰ) নেতৃত্বত চৰকাৰ গঠন কৰাত কংগ্ৰেছে সমৰ্থন আগবঢ়াব। এই আশা পাই ছাদুল্লা শ্বিলঙত অনুপস্থিত থকা অৱস্থাতে ১৯৪১ চনৰ ৯ ডিচেম্বৰ তাৰিখে চৌধুৰীয়ে মন্ত্ৰী পদত্যাগ কৰে আৰু গোপীনাথ বৰদলৈয়ে ভূমি উন্নয়ন আঁচনিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ সাজু কৰে। এনে এটা অৱস্থাত ১২ ডিচেম্বৰ তাৰিখে ছাদুল্লাই পদত্যাগ কৰিবলৈ বাধ্য হয়। ইফালে মন্ত্ৰীপদ ত্যাগ কৰাৰ দিনাই চৌধুৰীয়ে নিজৰ নেতৃত্বত চৰকাৰ গঠনৰ প্ৰস্তুতি চলাইছিল যদিও কংগ্ৰেছৰ পৰা প্ৰয়োজনীয়সংখ্যক ভোট নোপোৱাত তেওঁৰ আৰু প্ৰধানমন্ত্ৰী হোৱাৰ সপোন নফলিয়ালে। ফলত প্ৰথমবাৰৰ বাবে অসমত গৱৰ্ণৰৰ শাসন প্ৰৱৰ্তন হ'ল।

আঠ মাহে কৰা গৱৰ্ণৰৰ শাসনৰ অন্তত গৱৰ্ণৰৰ অনুমতি লাভ কৰি ১৯৪২ খ্ৰীঃৰ ২৫ আগষ্ট তাৰিখে ছাদুল্লাই তৃতীয় মন্ত্ৰীসভা গঠন কৰে।

এইখন মন্ত্ৰীসভাৰ দিনত ১৯৪৩ চনৰ জুলাই মাহত বঙ্গদেশৰ বিধান পৰিষদে অসমত সকলো বাধা নেওচি বঙ্গীয় কৃষকক মাটি দিব লাগে বুলি চৰকাৰক অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। তাৰ তিনি মাহৰ পাছতে ১৬ জন কংগ্ৰেছ সদস্যই অসমৰ ভূমি নীতি সংশোধন কৰিব লাগে বুলি বিধানসভাত প্ৰস্তাৱ উত্থাপন কৰাত ছাদুল্লা চৰকাৰে উক্ত প্ৰস্তাৱ গ্ৰহণ কৰে। এনে এটা অৱস্থাত ছাদুল্লাই ভূমি নীতি সংশোধন কৰি 'অধিক খাদ্য উৎপাদন' (Grow more food) আঁচনি গ্ৰহণ কৰি কৃষিৰ সম্প্ৰসাৰণ ঘটোৱাৰ মানসেৰে পূৰ্ববঙ্গীয় কৃষকক অসমৰ পতিত মাটি, চৰাঞ্চল তথা চৰণীয়া পথাৰত সংস্থাপন দিছিল। ছাদুল্লাৰ এই ব্যৱস্থাই যে পূৰ্ববঙ্গীয় লোকক অসমলৈ অহাত অৰিহণা যোগাইছিল সেইটো সত্য। অৱশ্যে ছাদুল্লাই সীমিত পৰিমাণৰ মাটিহে পূৰ্ববঙ্গীয় কৃষকক দিছিল, যাৰ বাবে অসন্তুষ্ট হৈ পমুৱাসকলৰ ত্ৰাণকৰ্তা স্বৰূপে আত্মপ্ৰকাশ কৰা মুছলিম লীগৰ নেতা আব্দুল হামিদ খান ভাচানিয়ে ১৯৪৪ চনত বৰপেটাত অনুষ্ঠিত মুছলিম লীগৰ সভাত "মন্ত্ৰীসকলে হয় মাটি দিয়ক, নহয় পদত্যাগ কৰক" বুলি ছাদুল্লাক হুংকাৰ দিছিল। যি কি নহওক, ছাদুল্লাৰ 'অধিক খাদ্য উৎপাদন' নীতিৰ কটু সমালোচনা হোৱাত ছাদুল্লাই ১৯৪৫ চনৰ ১৬ জানুৱাৰী তাৰিখে এখন সৰ্বদলীয় সভা অনুষ্ঠিত কৰি পূৰ্ববঙ্গীয় লোকৰ আগমন ৰোধ কৰাৰ এক প্ৰস্তাৱ গ্ৰহণ কৰে। কিন্তু কংগ্ৰেছে অৱশেষত সেই আঁচনি প্ৰত্যাখ্যান কৰাত ছাদুল্লা বিপাঙত পৰে। তেতিয়া তেওঁ তৎকালীনভাৱে গোপীনাথ বৰদলৈ আৰু ৰোহিণী চৌধুৰীৰ পৰামৰ্শ বিচাৰে। ফলত ১৯৪৫ চনৰ ২০ মাৰ্চ তাৰিখে ছাদুল্লা, বৰদলৈ আৰু চৌধুৰী এক ত্ৰিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনা অনুসৰি সিদ্ধান্ত কৰা হ'ল যে ছাদুল্লাই পদত্যাগ কৰি চৰকাৰ ভঙ্গ কৰিব আৰু তেতিয়া চৰকাৰ গঠন কৰাত কংগ্ৰেছে তেওঁক সমৰ্থন কৰিব। গতিকে ছাদুল্লাই পদত্যাগ কৰি ২৩ মাৰ্চ তাৰিখে কংগ্ৰেছৰ সমৰ্থনত তেওঁৰ চতুৰ্থখন চৰকাৰ গঠন কৰে। ছাদুল্লাৰ এই চতুৰ্থ মন্ত্ৰীসভাত কংগ্ৰেছৰ ক্ৰমে বৈদ্যনাথ মুখাৰ্জী, ৰোহিণী কুমাৰ চৌধুৰী, আহোম সভাৰ

সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁই, জনজাতিৰ ৰূপনাথ ব্ৰহ্ম আৰু কংগ্ৰেছৰ অক্ষয় কুমাৰ দাসে যোগদান কৰে।

শেষত ১৯৪৬ চনৰ নিৰ্বাচনত কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰাত বৰদলৈৰ নেতৃত্বত পুনৰ কংগ্ৰেছী চৰকাৰ গঠন কৰা হ'ল। ছাদুল্লা উক্ত বিধানসভাত বিৰোধী দলপতি হৈ থাকে।

মুছলিম লীগৰ নেতা হ'লেও ছাদুল্লাৰ যে অসম আৰু অসমীয়াৰ প্ৰতি সদ্ভাৱ আছিল, সেইটো পৰিস্ফূট হৈ পৰে ১৯৪৬ চনৰ ১৬ জুলাই তাৰিখৰ বিধানসভাত। ১৯৪৬ চনত আগমন ঘটা কেবিনেট মিছনৰ সিদ্ধান্ত অনুসৰি অসম আৰু মুছলিম অধ্যুষিত পূৰ্ববঙ্গ--- এই দুয়োটা অঞ্চল একত্ৰ কৰি এখন প্ৰদেশত (Grouping) পৰিণত কৰাৰ ব্যৱস্থা কৰা হয়। তাৰ লক্ষ্য আছিল সেই প্ৰদেশক পূব ভাৰতৰ এটা মুছলমান অধ্যুষিত মণ্ডল হিচাপে গঢ়ি তোলা। অৰ্থাৎ গ্ৰুপিঙৰ ফলত অসম পূব পাকিস্তানৰ অধীন হ'ব আৰু তাত মুছলিম লীগৰ শাসন চলিব। এই সমষ্টি গঠন ব্যৱস্থা অসমৰ মৃত্যুস্বৰূপ আছিল। অসমত ইয়াৰ ঘোৰ প্ৰতিবাদ হৈছিল। ছাদ্দুলাই ইয়াৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল।

উচ্চতম কৰ্তৃপক্ষৰ নিৰ্দেশ আছিল যে প্ৰতিখন প্ৰদেশৰ পৰা সাংবিধানিক সভালৈ কেইজনমান সদস্য নিৰ্বাচন কৰি পঠাব লাগে। তেওঁলোকে জাতীয় সংবিধানত নিজ নিজ প্ৰদেশৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখিব। গতিকে সাংবিধানিক সভালৈ অসমৰ পৰা সদস্য নিৰ্বাচনৰ বাবে সেই বছৰৰ ১৬ জুলাইৰ দিনা বহা অসম বিধানসভাত প্ৰধান মন্ত্ৰী বৰদলৈয়ে এটা সমালোচনামূলক ভাষণ প্ৰদান কৰাৰ অন্তত প্ৰস্তাৱ উত্থাপন কৰিছিল যে সেইদিনা যিকেইগৰাকী সদস্য নিৰ্বাচন কৰা হ'ব, তেওঁলোকে গৈ সাংবিধানিক সভাত অসমৰ স্বাৰ্থ ৰক্ষাৰ্থেহে সংবিধান ৰচনা কৰিব, গ্ৰুপিং অনুসৰি কৰা সংযুক্ত প্ৰদেশৰ সংবিধান ৰচনা কৰিব নোৱাৰিব আৰু তেওঁলোকে অসমৰ প্ৰতিকূলে সংবিধান ৰচনা কৰিবলৈ বিচাৰিলে তাৰ প্ৰতিবাদ কৰিব লাগিব।

বৰদলৈৰ প্ৰস্তাৱ সভাত গৃহীত হ'লে অসম মৃত্যুমুখৰ পৰা ৰক্ষা পৰে। আনহাতে বিৰোধী দলপতি ছাদুল্লাৰ অধীনত ৩৩ জন মুছলিম লীগৰ সদস্য। এইসকলে বৰদলৈৰ প্ৰস্তাৱৰ বিৰোধ কৰিলেই অসম পূৰ্ব্ববঙ্গৰ সৈতে বিলীন হৈ যায়। এনে এটা অৱস্থাত বিৰোধী নেতা ছাদুল্লাৰ ওপৰতে অসম নিজ অস্তিত্বৰে অসম হৈ থাকিবনে নাই সেইটো নিৰ্ভৰ কৰে। ছাদুল্লা মুছলিম লীগৰ নেতা হ'লেও তেওঁ বুজিব পাৰিছিল যে অসমীয়া জাতি, সংস্কৃতি আৰু অসমৰ অস্তিত্ব ৰক্ষা কৰাটো তেওঁৰ নিতান্ত কৰ্তব্য। কিন্তু ছাদুল্লাই অকলে সমৰ্থন কৰিলে নহ'ব। তেওঁৰ লগৰ ৩৩ জন বিধায়কে সমৰ্থন জনাব লাগিব।

বৰদলৈয়ে ভাষণ সামৰাৰ পাছতে ছাদুল্লাৰ ভাষণ আৰম্ভ হ'ল। ছাদুল্লাই প্ৰথমে লীগৰ সুৰেৰে অকাট্য যুক্তিৰে বৰদলৈয়ে তেওঁৰ ভাষণ দাঙি ধৰা যুক্তিৰ এনে কটু সমালোচনা কৰিছিল যেন লীগৰ বাকী সদস্যবৰ্গয়ো তেওঁকে সমৰ্থন কৰে। শেষত ছাদুল্লাই কৈছিল, "ইমান পৰে আমি যিবোৰ আলোচনা কৰিলোঁ, সকলো অবান্তৰ। মূল কথা হ'ল আমি গণ পৰিষদলৈ দুগৰাকীমান প্ৰতিনিধি নিৰ্বাচন কৰি পঠিয়াম, যিসকলে তালৈ গৈ অসমৰ সংবিধান ৰচনা কৰিব।"[১২] এইদৰে মুছলিম লীগৰ নেতা হোৱাৰ বাবে ছাদুল্লাই এনে কৌশলগতভাৱে বৰদলৈৰ প্ৰস্তাৱ সমৰ্থন কৰিলে যে বাকী ৩৩ জন মুছলিম লীগ বিধায়কে আৰু তাৰ প্ৰতিবাদ নকৰিছিল। অৱশেষত সদনত বৰদলৈৰ প্ৰস্তাৱ গৃহীত হ'ল আৰু অসম এক সংকটাপন্ন অৱস্থাৰ পৰা ৰক্ষা পৰিল।

উল্লেখ্য যে ছাদুল্লা আছিল সমসাময়িক ভাৰতৰ এগৰাকী অতি অভিজ্ঞ তথা বিচক্ষণ ৰাজনীতিক। সেই কাৰণে ছাদুল্লাক সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত কেৱল ৭ গৰাকী সদস্যৰে গঠিত সংবিধান খচৰা সমিতি (Constitution Drafting Committee)লৈ নিৰ্বাচন কৰা হৈছিল। সামৰণিত উল্লেখ্য যে নিজে বিৰোধী মুছলিম লীগ দলৰ নেতা হ'লেও ছাদুল্লাই কেতিয়াও দলীয় স্বাৰ্থপূৰণৰ বাবে অসমৰ বৃহৎ স্বাৰ্থক জলাঞ্জলি দিয়া নাছিল।

এইদৰে এফালে একাংশ অসমৰ মুছলমান নেতাই অসমৰ প্ৰশাসনমূলক ৰাজনীতিৰ সৈতে জড়িত হৈ অসম আৰু অসমীয়াৰ সেৱা কৰি আহিছিল, আনহাতে সৰহসংখ্যকে ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত চলাই অহা স্বাধীনতা যুঁজত সক্ৰিয়ভাৱে অৱতীৰ্ণ হৈ দেশখনক ব্ৰিটিছৰ বান্ধোনৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰি আহিছিল।

স্বাধীনতা আন্দোলনৰ আৰম্ভণিৰে পৰা প্ৰতিটো কাৰ্যসূচীত অসমৰ মুছলমানে অসমৰ আন লোকেৰে সৈতে মিলি দলে দলে ৰাজপথলৈ ওলাই আহিছিল। হাতত ত্ৰিৰঙ্গী পতাকা লৈ যেতিয়া হিন্দু-মুছলমানে জাতীয় স্বাৰ্থ ৰক্ষাৰ্থে অগ্ৰসৰ হৈছিল, তেতিয়া তেওঁলোকে নামঘৰ আৰু মছজিদৰ ব্যৱধান পাহৰি গৈছিল। ১৯২১ চনৰেপৰা শেষলৈকে সংঘটিত আন্দোলনৰ কাৰ্যসূচীসমূহত হিন্দু-মুছলমান উভয়ে জঁপিয়াই পৰিছিল। ফলত হিন্দুসকলৰ লগতে বহু মুছলমান নেতাই নানা শাস্তি ভোগ কৰিব লগা হৈছিল। আন্দোলনৰ পৃথক পৃথক কাৰ্যসূচীত অংশগ্ৰহণ কৰি কাৰাবাস খটা মুছলমান সদস্যসকলৰ কেইজনমান হৈছে ক্ৰমে দেৱান আমীৰ আলী, চোহৰাব আলী, ইছমাইল খণ্ডকাৰ, মফিজুদ্দিন ছেখ, তোফাজুদ্দিন, ইছলাম খাঁ, মোবাৰক আলী, আফনুৰ, এফালি, খবিবৎদ্দিন, ফকৰুদ্দিন আলী আহমেদ, মৌলানা মহম্মদ তৈয়বুল্লা, ৰফিক উদ্দিন আহমদ, নাজিমুদ্দিন, কমৰুদ্দিন, গফুৰ ডেকা, মহম্মদ জান, ইদ্ৰিছ মিস্ত্ৰী, নাছিৰদ্দিন হুছেইন, হাফিজুদ্দিন, বাহাৰুদ্দিন, খোৱাজ আলী, পচনুৰ আলী, মহবত চাহ, মঃ কাদিৰ ছেখ, মঃ দেৰাজুদ্দিন, ৰহমত আলী ঠাকুৰীয়া, মহম্মদ আবু, এৰফান আলী, মফিদুৰ ৰহমান, দালপুৰ ছেখ, জালালুদ্দিন আহমদ চৌধুৰী, লাল মাহমুদ, মঃ ইছমাইল, মহম্মদ হানিফ, হুছেইন আলী, চৈয়দ আনিছুৰ ৰহমান, তাহেৰুদ্দিন আহমদ, ছেখ কাছিম, বাণী মহম্মদ সৰদাৰ, বদৰুদ্দিন আহমদ, ভেন্দা ছেখ, ৰঞ্জিত ছেখ, মেহেৰ আলী, হাজী আবনুৰ আলী, ফিজনুৰ আলী, চেমিৰৎদ্দিন, আদি বহুজন। তদুপৰি ফাটেক খাটিবলগীয়া নহ'লেও অগ্ৰণী মুক্তিযোদ্ধা হিচাপে শতাধিক মুছলমানে দেশৰ হকে ত্যাগ স্বীকাৰ কৰিছিল।

আনকি অসমৰ কিছুসংখ্যক মুছলমান মহিলায়ো স্বাধীনতা আন্দোলনত যোগদান কৰি বহু কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। সেইসকলৰ ভিতৰত ছফিউন নিছাৰ নাম ইতিমধ্যে উল্লেখ কৰা হৈছে। আনসকলৰ ভিতৰত "মুক্তিযোদ্ধা ছবদেৰ মুন্সিৰ কন্যা মতিউন নিছাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি পুলিচৰ হাতত বন্দী হৈছিল আৰু কাৰাবাসতে পুত্ৰ সন্তানক জন্ম দিছিল"[১৩] নগাঁৱৰ মহম্মদ আবুৰ পৰিবাৰ হবিবুন নিছাই জাতীয় পতাকা উত্তোলন কৰিবলৈ ধৰোঁতে গ্ৰেপ্তাৰ হ'ব লগা হৈছিল। বৰপেটা, গোৱালপাৰা, ধুবুৰীত বেগম মফিজা, জুবেইদা, মঞ্জুলা বেগমে ৰাষ্ট্ৰীয় নেতাৰ বক্তৃতা দেশীয় ভাষাত ভাঙনি কৰি শুনাইছিল।'[১৪] গোৱালপাৰাৰ মুহিবুন নেছা, মজিদা বেগম, ৰাণী নাথে ৰাষ্ট্ৰীয় নেতাৰ বক্তৃতা অসমীয়ালৈ অনুবাদ কৰিছিল। যোৰহাটৰ বেগম মফিদা আহমদ, নাদিয়া বৰা, জোনালী ৰাজখোৱা প্ৰমুখ্যে বহু মুছলমান মহিলা আন্দোলনৰ প্ৰচাৰ কাৰ্যত নিয়োজিত হৈছিল।[১৫]

আনকি সুভাস চন্দ্ৰ বসু নেতৃত্বাধীন আজাদ হিন্দ ফৌজৰ সৈনিক স্বৰূপেও সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল অসমৰ মুছলমানে। স্বৰ্গদেৱ ৰুদ্ৰসিংহই অসমলৈ অনা নবাব পৰিয়ালৰ এটা ঠালে কেইবাটাও শতাব্দী ধৰি বসবাস কৰি আহিছিল তিতাবৰত। এই পৰিয়ালৰ পৰৱৰ্তী বংশধৰ আজিজুৰ ৰহমানৰ দ্বিতীয় পুত্ৰ নবাব ছেহিদুৰ ৰহমানে বিদেশত আজাদ হিন্দ ফৌজৰ সৈনিক স্বৰূপে দেশমাতৃৰ মুক্তিৰ হকে ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামত ৰত থকা অৱস্থাত ১৯৪৫ চনৰ ৩১ মাৰ্চ তাৰিখে ব্ৰহ্মদেশত ব্ৰিটিছ আৰু আমেৰিকাৰ যুটীয়া সৈন্যবাহিনীৰ বোমা আক্ৰমণত নিহত হৈছিল। মন কৰিবলগীয়া কথা যে একেখন জন্মভূমিৰ সহসেনা ছহিদুৰ ৰহমানৰ নশ্বৰদেহ ৰেঙ্গুন বিশ্ববিদ্যালয়ৰ চৌহদত বোমসৃষ্ট এটা গাঁতত নিজ হাতে কবৰ দিছিল ব্ৰাহ্মণ সন্তান সশস্ত্ৰ অসমীয়া সেনানী পাটাছাৰকুছিৰ উমেশ চন্দ্ৰ দেৱচৌধুৰীয়ে। বৰ্তমানলৈকে জীৱিত ৯৭ বছৰীয়া উমেশ চন্দ্ৰ দেৱচৌধুৰীদেৱে তেখেতৰ 'সেই ৰণাঙ্গন' নামৰ পুথিৰ ৬৭ নং পৃঃত এই বিষয়ে উল্লেখ কৰাৰ লগতে ২০০৮ চনৰ ১৪ জুলাই আৰু ২০১১ চনৰ ১৬

জুন তাৰিখে তেখেতৰ পাটাছাৰকুছিস্থিত গৃহত নিজ মুখে এই লেখকক ছহিদুৰৰ বিষয়ে অৱগত কৰে। দুখৰ বিষয় যে দেশমাতৃৰ হকে প্ৰাণাহুতি দিয়া সশস্ত্ৰ সংগ্ৰামৰ একমাত্ৰ অসমীয়া শ্বহীদ নবাব ছহিদুৰ ৰহমান পাহৰণিৰ বুকুত হেৰাই গ'ল।

সশস্ত্ৰ সংগ্ৰামৰ আন এজন অসমীয়া মুছলমান সেনানী আছিল হাজোৰ ফকীৰতোলা গাঁৱৰ চৈয়দ জালালুদ্দিন। চিঙ্গাপুৰত সশস্ত্ৰ সংগ্ৰামত যোগ দিয়া চৈয়দ জালালুদ্দিন আজাদ হিন্দ ফৌজৰ ৰাষ্ট্ৰীয় সংগীত নিৰ্বাচনৰ হকে ১৯৪৩ চনৰ ২১ অক্টোবৰ তাৰিখে অনুষ্ঠিত সভাত 'অ মোৰ আপোনাৰ দেশ' শীৰ্ষক জাতীয় সংগীতৰ একাংশ গাইছিল। অৱশেষত আনসকলৰ লগতে চৈয়দ জালালুদ্দিনেও মুক্তিলাভ কৰিছিল। জালালুদ্দিন চাহেবৰ ইতিমধ্যে মৃত্যু হৈছে। ২০০৮ চনৰ জুলাই মাহত তেখেতৰ সহধৰ্মিণীক এই লেখকে সাক্ষাৎ কৰে। এইদৰে অসমৰ মুছলমানে প্ৰাক-স্বাধীনতা কালছোৱাত অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত বিভিন্ন দিশেৰে সহযোগ কৰি আহিছে।[১৫]

## পূৰ্ববঙ্গ-আগত মুছলমানসকলৰ বসতি আৰু লাইন প্ৰথা

১৮২৬ খ্ৰীষ্টাব্দৰ পৰা ১৯৪৭ খ্ৰীষ্টাব্দলৈকে অসম ব্ৰিটিছ ঔপনিৱেশিক শাসনত থকা কালছোৱাত, যিটো 'ইছ্যু'(issue)ৰে ৰাজ্যখনৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাত সৰ্বাধিক প্ৰভাৱ পেলাইছিল, সেই ইছ্যুটো হৈছে পূৰ্ববঙ্গৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ অবাধ গতিত চলি থকা হাজাৰ হাজাৰ ভূমিহীন কৃষকৰ আগমন আৰু এই উপত্যকাটোত স্থায়ীভাৱে বসবাসৰ প্ৰক্ৰিয়া। ঔপনিৱেশিক কালৰ প্ৰথম অৱস্থাত ব্ৰিটিছে অসম তথা উত্তৰ-পূব ভাৰত ভূমিখণ্ড নিজৰ কবললৈ আনি ইয়াত তেওঁলোকৰ প্ৰশাসন গজগজীয়া কৰিবলৈ ক'ৰ্ট-কাছাৰী, অফিচ-দফ্তৰ, স্কুল-কলেজ, নগৰ-চহৰ, হাট-বাট আদি প্ৰতিষ্ঠা কৰিবলৈ লৈছিল আৰু নিৰাপত্তা আৰু আইন-শৃঙ্খলা মোতায়েনৰ বাবে বঙ্গদেশ, উত্তৰ ভাৰত আৰু নেপালৰ পৰা বহুতো বনুৱা, কাৰিকৰ, কেৰাণী-মহৰি, চিপাহী-চন্তৰী, চাফাইকৰ্মী, ধোবা, নাপিত, তেলী,

মিস্ত্ৰী, কৰতিয়াল আদি লোক আনিব লগা হৈছিল। তদুপৰি অসমত মুদ্ৰাভিত্তিক অৰ্থনীতি (money economy) প্ৰচলন কৰিবৰ বাবে আৰু বহুল বাণিজ্য-ব্যৱসায়ৰ বাবে ৰাজস্থানৰ পৰা বহুতো ব্যৱসায়ী লোকক আহিবলৈ দিয়া হৈছিল। ইয়াৰ বাহিৰেও অসমত ঊনবিংশ শতিকাৰ ত্ৰিশ, চল্লিশ আৰু পঞ্চাশৰ দশকত যেতিয়া ব্ৰিটিছ চাহ খেতিয়কে চাহ বাগিচাবোৰ খুলিবলৈ ল'লে তেতিয়া বৰ্তমানৰ ঝাৰখণ্ড, পশ্চিমবঙ্গ, উৰিষ্যা আৰু ছত্তিশগড় অঞ্চলৰপৰা শ শ বনুৱা এই বাগিচাবোৰত কাম কৰিবলৈ অনা হৈছিল। এইদৰে ঊনবিংশ শতিকাৰ ব্ৰিটিছ শাসনৰ কালছোৱাত অসমলৈ লেথাৰি নিছিগাকৈ বিভিন্ন জনগোষ্ঠীৰ লোকৰ প্ৰব্ৰজন হৈ আছিল। কিন্তু ঊনবিংশ শতিকাই বাগৰ সলোৱাৰ লগে লগে, বিংশ শতিকাৰ আদিৰে পৰা অসমলৈ পূৰ্ববঙ্গৰ ভূমিহীন মুছলমান কৃষকৰ যি প্ৰব্ৰজন-প্ৰৱাহ আৰম্ভ হ'ল, সেই প্ৰৱাহত শতিকাটোৰ আগভাগতে যিমান ভূমিহীন লোক আহিল, সি আগৰ দশকবোৰৰ তুলনাত বহুত অধিক।

এওঁলোকৰ প্ৰব্ৰজন ১৮৯১ চনমানৰ পৰা প্ৰথমে এটা-দুটা পৰিয়ালকৈ আৰম্ভ হৈছিল বুলি জনা যায়। কোৱা হয় যে আজিকালিৰ গাৰোপাহাৰৰ পশ্চিমাংশত তেতিয়া থকা কৰৈবাৰীৰ জমিদাৰ, দক্ষিণ শালমাৰা-মানকাচৰ মহকুমাৰ মেচপাৰা জমিদাৰ আৰু গৌৰীপুৰৰ জমিদাৰ, এই তিনিওজনে তেওঁলোকৰ ৰাজহ বঢ়াবলৈ প্ৰথমে আজিকালিৰ বাংলাদেশৰ ৰংপুৰ, মৈমনসিং আৰু বগোৰা জিলাৰপৰা ভূমিহীন কৃষকক তেওঁলোকৰ জমিদাৰীৰ ভিতৰৰ চৰ-চাপৰি অঞ্চললৈ আহি খেতি-বাতি কৰি থাকিবলৈ পৃষ্ঠপোষকতা আগবঢ়াইছিল। চৰ-চাপৰি অঞ্চলৰ একোডোখৰ জলাহ মাটি এনে পূৰ্ববঙ্গৰ আগন্তুক কৃষকক প্ৰথমতে তিনি বছৰলৈ প্ৰায় বিনা ৰাজহে দিয়া হৈছিল। এনে তিনি বছৰলৈ প্ৰায় বিনা ৰাজহৰ বন্দৰস্তিক "পাইল" বোলা হৈছিল আৰু এনে বন্দৰস্তিত দিয়া পট্টাখনক "পাইল পট্টা" বোলা হৈছিল।

দেখা যায় যে ১৯০১ চনৰপৰা পূৰ্ববঙ্গৰ, ঘাইকৈ উক্ত জিলাকেইখনৰপৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ জনপ্ৰব্ৰজনৰ স্ৰোত বিশেষভাৱে

বাঢ়িবলৈ ধৰে আৰু এইসকল বহিৰাগত সোমাইছিল ব্ৰহ্মপুত্ৰইদি উজাই বা ৰে'লেৰে পশ্চিমৰ ধুবুৰী সীমান্ত পাৰ হৈ। কিন্তু সেই সময়তে আৰু এটা প্ৰব্ৰজনৰ সোঁত সেইকালৰ অসমৰে অঙ্গ জিলা ছিলেটৰ পৰা আহিছিল নগাঁও জিলাৰ দক্ষিণ-পূবৰ ডবকা-হোজাই-নীলবাগান-লঙ্কা অঞ্চললৈ। এওঁলোক তৎকালীন আসাম-বেঙ্গল ৰে'ললাইনৰ পাৰ্বত্য শাখাৰে আহিছিল। এওঁলোকৰ প্ৰব্ৰজন আছিল একেখন প্ৰদেশৰে এখন জিলাৰ পৰা আন এখনলৈ। এওঁলোকে বসবাস কৰিবলৈ লোৱা অঞ্চলটো আছিল তুলনামূলকভাৱে সীমিত। আনহাতে তৎকালীন পূৰ্ববঙ্গৰপৰা অহা বহিৰাগতসকল আছিল সংখ্যাত অত্যধিক আৰু তেওঁলোকে বসবাস কৰিবলৈ লোৱা অঞ্চলটো হ'ল পশ্চিমে বাংলাদেশ সীমান্তৰপৰা ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমিৰ চৰ-চাপৰি সামৰি পূবলৈ লক্ষীমপুৰ জিলাৰ দক্ষিণ-পশ্চিমাংশপৰ্যন্ত।

জীৱিকা তথা জীয়াই থকাৰ সংস্থান বিচাৰি এঠাইৰপৰা আন এঠাইলৈ মানুহৰ স্থায়ী প্ৰব্ৰজন মানৱ জগতত আদিম কালৰে পৰা চলি অহা এটা স্বাভাৱিক পৰিঘটনা। এনে প্ৰব্ৰজনৰ পিছত থাকে অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি কাৰকসমূহ। তাহানিৰ পূৰ্ববঙ্গৰ পৰা অসমলৈ, ঘাইকৈ ব্ৰহ্মপুত্ৰ উপত্যকালৈ যি প্ৰব্ৰজন হৈছিল, তাৰ পিছতো এই কাৰকবোৰৰ দুটামানে ক্ৰিয়া কৰিছিল। পূৰ্ববঙ্গৰ উক্ত জিলাকেইখনত জনসংখ্যাৰ চাপ আছিল অধিক, কিন্তু সেই অনুপাতে খেতিৰ মাটি আছিল সীমিত। তদুপৰি তাত পুৰণি কালৰেপৰা জমিদাৰী প্ৰথা চলি আছিল আৰু তাৰ ভূমিহীন কৃষক বা কৃষিশ্ৰমিকসকলক বিভিন্ন প্ৰকাৰে অত্যাচাৰ আৰু শোষণ কৰা হৈছিল। এই অৱস্থাবোৰে পূৰ্ববঙ্গৰ উল্লেখিত অঞ্চলৰ ভূমিহীন লোকক বিকৰ্ষণ (push) কৰিছিল আৰু তাৰ বিপৰীতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিম্নলিখিত কাৰকবোৰে উক্ত নিকটৱৰ্তী অঞ্চলৰ লোকসকলক আকৰ্ষণ (pull) কৰিছিল।

ব্ৰহ্মপুত্ৰ উপত্যকালৈ তেওঁলোকক আকৰ্ষণ কৰাৰ প্ৰথম কাৰকটো হ'ল এই উপত্যকাৰ বসতি আছিল সদায়েই সেৰেঙা আৰু উৰ্বৰা কৃষিযোগ্য

মাটিৰ প্ৰাচুৰ্য আগৰেপৰাই অধিক। তাতে ১৮৯৭ চনত পশ্চিম অসমত যি প্ৰলয়ঙ্কৰী ভূমিকম্প হৈছিল, সেই ভূমিকম্পত ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, কামৰূপ, মৰিগাঁও, নগাঁও আৰু দৰং জিলাৰ দক্ষিণাংশৰ বহুতো ঠাই ক্ষতিগ্ৰস্ত হৈছিল। বৰপেটা জিলাৰ বাঘবৰ, সৰভোগ, হাউলি, সৰ্থেবাৰী, নলবাৰী জিলাৰ বৰক্ষেত্ৰী আদি ঠাই বহুলাংশে বহি গৈছিল। সেইবোৰ অঞ্চলৰ স্থানীয় জনজাতীয় আৰু অজনজাতীয় বহু লোক তেওঁলোকৰ ঘৰ-দুৱাৰ এৰি উত্তৰৰ বাগ্‌সা, ওদালগুৰি আদি অঞ্চললৈ উঠি গ'ল। আনকি তাহানিৰ আহোম ৰাজ্য আৰু মোগল-ব্ৰিটিছ ৰাজ্যৰ সীমান্তৰ ব্যৱসায় কেন্দ্ৰ হাদিৰাচকী, ডাক পুৰুষৰ জন্মস্থান বুলি প্ৰবাদ থকা লেহিডঙৰা আৰু বিখ্যাত কণৰা সত্ৰও ধ্বংসপ্ৰাপ্ত হৈ গৈছিল। দৰাচলতে বেঁকী, চাউলখোৱা আৰু মানাহৰ মাজৰ তিতাপানী, জনীয়া, মন্দিয়া আৰু ৰূপহী মৌজাও বহুখিনি ধ্বংসপ্ৰাপ্ত হৈছিল। সেইদৰে মৰিগাঁৱৰ উত্তৰাংশ, দৰঙৰ দক্ষিণাংশ আৰু নগাঁৱৰ কলং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ অংশ বহুত ঠাইত বহি গৈছিল। তদুপৰি পশ্চিমে গোৱালপাৰা আৰু ধুবুৰী জিলাৰ দক্ষিণ শালমৰা, জলেশ্বৰ, জামাদাৰহাট, কৃষ্ণাই আদি ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ অঞ্চলবোৰ, বিলাসীপাৰা, চাপৰ, শালকোচা, অভয়াপুৰী ইত্যাদি উত্তৰপাৰৰ ঠাইবোৰো মাজে মাজে বহি গৈছিল। ফলত এইবোৰ ঠাই ভৰি থকা থলুৱা বাসিন্দা অন্য ঠাইলৈ, ঘাইকৈ উত্তৰলৈ উঠি গ'লগৈ। এইদৰে পৰিত্যক্ত হৈ পৰা ঘৰ-ভেটি, মাটি-বাৰী, পথাৰ-সমাৰ দ্ৰুতভাৱে হাবি-বননি, জলাহ্-জাৰণিত পৰিণত হ'ল আৰু ঠাইবোৰ কেইবছৰমানৰ ভিতৰতে খৰালিৰ খেতি কৰা, পাম ধৰা আৰু গৰু-ম'হ চৰোৱা ঠাই হৈ পৰিল। এনে পৰিত্যক্ত হৈ পৰা মাটি নিশ্চয় প্ৰব্ৰজন কৰি অহা মানুহৰ বাবে যথেষ্ট আকৰ্ষণৰ উৎস আছিল।

দ্বিতীয় যিটো কাৰকে পূৰ্ববঙ্গীয় ভূমিহীন কৃষকক ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিবলৈ সুযোগ-সুবিধা আগবঢ়ালে, সেইটো হৈছে কুৰি শতিকাৰ প্ৰথম তিনিটা বছৰতে পূৰ্ববঙ্গ আৰু সুৰমা উপত্যকাৰপৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ ৰে'লপথৰ সম্প্ৰসাৰণ। দেখা যায় যে ১৮৯০ ৰ দশকৰ শেষৰ ফালে ৰংপুৰ, বগোৰা আৰু ঘাইকৈ মৈমনসিং জিলাৰ পৰা নাৱেৰে

ব্ৰহ্মপুত্ৰইদি উজাই ধুবুৰী, গোৱালপাৰা আৰু তৎকালীন অবিভক্ত কামৰূপ জিলালৈ প্ৰব্ৰজনকাৰীসকল আহিছিল। কিন্তু ১৯০২ চনত তেতিয়াৰ ইষ্টাৰ্ণ বেঙ্গল ৰে'লৱে পাৰ্বতীপুৰৰ পৰা লালমণিৰহাট, গীতালদহ আৰু গোলোকগঞ্জ হৈ ধুবুৰীলৈ সম্প্ৰসাৰিত হয় আৰু ইয়াৰ ফলত পূৰ্ববঙ্গৰ প্ৰব্ৰজনকাৰীসকল সহজে ৰে'লেৰেও ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিব পৰা হ'ল। ইয়াৰ এবছৰৰ পাছত, ১৯০৩ চনত সুৰমা উপত্যকাৰ বদৰপুৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ লামডিঙলৈ পাৰ্বত্য লাইনেৰে ৰে'ল চলিবলৈ লয়। ইয়াৰ ফলত ছিলেট জিলাৰপৰা শ শ প্ৰব্ৰজনকাৰী লোক সহজে লামডিঙলৈ আহি ওচৰৰ লঙ্কা-হোজাই-ডবকা অঞ্চলটোৰ অনাবাদী ঠাইবোৰত বহিবলৈ লয়।

ব্ৰহ্মপুত্ৰ উপত্যকালৈ পূৰ্ববঙ্গীয় ভূমিসন্ধানী কৃষকৰ প্ৰব্ৰজনত তৃতীয়তে সহায় কৰিলে ১৯০৫ চনৰ ১৬ অক্টোবৰত ব্ৰিটিছৰ দ্বাৰা নতুনকৈ 'পূৰ্ববঙ্গ আৰু আসাম' প্ৰদেশ গঠনে। মৈমনসিং, বগোৰা আৰু ৰংপুৰকে সামৰি পূৰ্ববঙ্গৰ ১৪ খন জিলা আৰু বাৰখন জিলা থকা অসমক মিলাই পূৰ্ববঙ্গ আৰু আসাম নামৰ এখন লেফটেনেণ্ট গৱৰ্ণৰৰ তলৰ প্ৰদেশ কৰা হ'ল। এই প্ৰদেশৰ সৃষ্টি কৰাত পূৰ্ববঙ্গৰ পৰা মাটি বিচাৰি অহা প্ৰব্ৰজকক ইয়াৰ মাটি ল'বলৈ বাধা দিয়াৰ কোনো প্ৰশাসনিক নিষেধাজ্ঞা নোহোৱা হ'ল। এই সংযুক্ত প্ৰদেশ গাঁথনি এনেভাৱে ১৯১২ চনৰ ১ এপ্ৰিললৈকে চলিছিল আৰু সেই সাত বছৰত বহুসংখ্যক পূৰ্ববঙ্গৰ 'বহিৰাগত'ই নিৰ্বিঘ্নে ব্ৰহ্মপুত্ৰ উপত্যকাত থিতাপি ল'ব পাৰিছিল।

উক্ত কাৰককেইটাতকৈ অসমলৈ পূৰ্ববঙ্গৰ প্ৰব্ৰজনকাৰী অহাত সহায় কৰা অধিক গুৰুত্বপূৰ্ণ কাৰকটো হৈছে ব্ৰিটিছ চৰকাৰে আদিৰেপৰা তেওঁলোকৰ ৰাজহ বঢ়াবলৈ অসমৰ মাটি আবাদ কৰোৱাটো বিচাৰিছিল আৰু ইয়াৰ অনাবাদী মাটি দখল কৰিবলৈ তেওঁলোকক পৰোক্ষভাৱে এৰি দিছিল। ব্ৰিটিছ প্ৰশাসনিক বিষয়াসকলে এনে এটা ধাৰণা অসমত বিয়পাবলৈ বিচাৰিছিল যে পূৰ্ববঙ্গৰ কৃষক ইয়ালৈ আহিলে তেওঁলোকে থলুৱা কৃষকক অধিক দক্ষ কৃষক হৈ উঠাত সহায় কৰিব।

ওপৰৰ আলোচনাটোৰ পৰা বুজা গ'ল যে দেশৰ যাতায়াতৰ ব্যৱস্থা উন্নত হোৱাৰ লগে লগে বিভিন্ন ঠাইৰ মানুহৰ মাজত যোগাযোগ বাঢ়ি গ'ল আৰু কুৰি শতিকাৰ প্ৰথম দশকতে বঙ্গদেশৰ পৰা অসমলৈ স্থায়ীভাৱে বসবাস কৰিবলৈ অহা লোক (বহিৰাগত)ৰ সংখ্যা তলত দেখুওৱাৰ দৰে বাঢ়ি গ'ল—

**মৈমনসিঙকে ধৰি বঙ্গ দেশৰপৰা ১৯১১ চনলৈকে অসমত বসবাস কৰিবলৈ অহা লোক...**

| নং | বসতি লোৱা জিলা | বঙ্গদেশৰপৰা অহা | মৈমনসিঙৰপৰা অহা |
|---|---|---|---|
| ১ | গোৱালপাৰা | ৭৭,০০০ | ৩৪,০০০ |
| ২ | কামৰূপ | ৪,০০০ | ১,০০০ |
| ৩ | দৰং | ৭,০০০ | ১,০০০ |
| ৪ | নগাঁও | ৪,০০০ | ১,০০০ |

উৎস ঃ Census of India, Assam,1911

ওপৰৰ তালিকাৰপৰা বুজা যায় যে ১৯১১ চনলৈকে বঙ্গদেশৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিবলৈ অহা প্ৰব্ৰজনকাৰী অধিকসংখ্যকেই আছিল অবিভক্ত গোৱালপাৰা জিলাত আৰু কমসংখ্যক আছিল তৎকালীন অবিভক্ত কামৰূপ, দৰং আৰু নগাঁও জিলাত। কিন্তু শতিকাৰ প্ৰথম দশকত গঢ়ি উঠা ৰে'ল সংযোগ আৰু ১৯০৫ চনত বঙ্গ-ভঙ্গ কৰি 'পূৰ্ববঙ্গ আৰু আসাম' প্ৰদেশখন সৃষ্টি কৰাৰ ফলত এই প্ৰব্ৰজন-প্ৰৱাহ বাঢ়িবলৈ ধৰে, সেই সময়তে নিশ্চয় তৎকালীন ব্ৰিটিছ চৰকাৰে যে বহিৰাগত কৃষকে অসমৰ অনাবাদী মাটি দখল কৰাটো বেয়া নাপাইছিল, সেই বাতৰিটো বঙ্গদেশ পাইছিলগৈ আৰু অসম চৰকাৰৰ এই মনোভাবে তাৰপৰা ভূমিহীন কৃষক অহাত উদ্‌গনি যোগাইছিল।

এইখিনিতে মন কৰিবলগীয়া যে উপত্যকাটোলৈ ক্ৰমবৰ্ধমান গতিত মৈমনসিঙৰ পৰা বহিৰাগত আহি থকা দেখি ১৯১১ চনত অসমৰ চেঞ্চাছ কমিনছনাৰে '.......a peaceful invasion of Assam....' বুলি চেঞ্চাছ প্ৰতিবেদনত অভিমত দিছিল।

তলৰ তালিকাত ১৯১১, ১৯২১ আৰু ১৯৩১ চনত বঙ্গদেশত আৰু বন্ধনিৰ ভিতৰত মৈমনসিং জিলাত জন্ম হোৱা, কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰিবলৈ লোৱা জনসংখ্যা দেখুওৱা হৈছে ঃ

| জিলা | ১৯১১ | ১৯২১ | ১৯৩১ |
|---|---|---|---|
| গোৱালপাৰা | ৭৭,০০০ (৩৪,০০০) | ১,৫১,০০০ (৭৮,০০০) | ১,৭০,০০০ (৮০,০০০) |
| কামৰূপ | ৪,০০০ (১,০০০) | ৪৪,০০০ (৩০,০০০) | ১,৩৪,০০০ (৯১,০০০) |
| দৰং | ৭,০০০ (১,০০০) | ২০,০০০ (১২,০০০) | ৪১,০০০ (৩০,০০০) |
| **নগাঁও** | ৪,০০০ (১,০০০) | ৫৮,০০০ (৫২,০০০) | ১,২০,০০০ (১,০৮,০০০) |
| **শিৱসাগৰ** | ১৪,০০০ (নাই) | ১৪,০০০ (নাই) | ১২,০০০ (নাই) |
| লক্ষীমপুৰ | ১৪,০০০ (নাই) | ১৪,০০০ (নাই) | ১৯,০০০ (২,০০০) |
| সৰ্বমুঠ | ১,২০,০০০(৩৭,০০০) | ৩,০১,০০০ (১,৭২,০০০) | ৪,৯৬,০০০(৩,১১,০০০) |

উৎস ঃ Census of India Assam 1931, Vol-II, Part-I

দেখা যায় যে বিংশ শতিকাৰ প্ৰথম দশকতে গোৱালপাৰা জিলাৰ ঘাইকৈ কৰৈবাৰী (পশ্চিম গাৰো পাহাৰ), মেচপাৰা, গৌৰীপুৰ আৰু বিজনী জমিদাৰীৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ কৃষ্ণাই-হাব্ৰাঘাট অঞ্চলৰ চৰ-চাপৰি আৰু জলাতক অনাবাদী বা পৰিত্যক্ত ঠাইবোৰৰ বহুলাংশত উক্ত মৈমনসিঙৰ পৰা অহা কৃষকসকলে বসতি কৰিবলৈ লয়। তেওঁলোক লাহে লাহে জিলাখনৰ উত্তৰপাৰত সৃজনগ্ৰাম, খুণ্টাঘাট, বৈতামাৰী আদি পৰ্বতজোৱাৰ (বগৰিবাৰী) জমিদাৰী এলেকালৈ আৰু দক্ষিণপাৰত জামাদাৰহাট, চুনাৰী, দলগোমা

আদি অঞ্চললৈ বিয়পি পৰিল। ইয়াৰ পাছত এনে বহুতো লোক ব্ৰহ্মপুত্ৰইদি উজাই ১৮৯৭ চনৰ ভূমিকম্পত পৰিত্যক্ত হৈ পৰা বৰপেটা আৰু নগাঁও জিলাৰ চৰ-চাপৰি আৰু নিম্নভূমিবোৰত বহিবলৈ ধৰে। মন কৰিবলগীয়া যে উক্ত ঠাইবোৰত এওঁলোকৰ অধিকাংশ লোকেই তৎকালীন ব্ৰিটিছ চৰকাৰৰ জ্ঞাত অৱস্থাতেই ভূমি বেদখল কৰি বহিবলৈ লৈছিল। তেনে বেদখল কৰা ক্ষেত্ৰত সংশ্লিষ্ট জিলাৰ উপায়ুক্তৰ নিৰ্দেশক্ৰমে ৰাজহ বিভাগৰ চক্ৰ বিষয়া বা উপ-প্ৰতি সমাহৰ্তাই প্ৰতিটো অভিবাসী পৰিয়ালকে ৫ বিঘাৰ পৰা ২০ বিঘালৈ জমি পট্টন দিছিল। এই প্ৰক্ৰিয়াটোৱে পূৰ্ববঙ্গৰপৰা অধিক ভূমিহীনক ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিবলৈ উৎসাহিত কৰিলে আৰু দেখা যায় যে বিংশ শতিকাৰ দ্বিতীয় দশকতে তৎকালীন বৰপেটা মহকুমাৰ পশ্চিমাংশ ঘাইকৈ তাৰাবাৰী, বৰপেটা আৰু ৰহা লগ লগাই যদি এডাল ৰেখা টনা হয়, সেই ৰেখাৰ পশ্চিমৰ প্ৰায় সমগ্ৰ ভূমিখণ্ডই পূৰ্ববঙ্গীয় মূলৰ অভিবাসী লোকৰ বসতিৰে ভৰি পৰে। ইয়াৰ বাহিৰেও তেওঁলোকৰ বসতি পাকা, হাউলী, ভৱানীপুৰ, বিজনী মৌজা, গোৱৰ্ধন, সৰুক্ষেত্ৰী, মুকালমুৱা আদি পূৰ্ববঙ্গৰ ঠাইলৈ তত ধৰিব পৰাকৈ প্ৰসাৰিত হ'ল। ঠিক সেইদৰে পূৰ্ববঙ্গৰ মৈমনসিং জিলাৰ পৰা অহা প্ৰব্ৰজনকাৰীৰ বসতি অবিভক্ত নগাঁও জিলাৰ উত্তৰ-পশ্চিম অঞ্চলৰ লাওখোৱা, খাটোৱাল, জুৰিয়া, ধিং, মিকিৰভেটা, চৰাইবাহী, মৰিগাঁও, গেৰুৱাবোকনি, নিজ ঘগুৱা আৰু মায়ং মৌজাত বিয়পি পৰিল। আনহাতে আকৌ এই নগাঁও জিলাৰে দক্ষিণ-পূবৰ লঙ্কা, হোজাই, যোগীজান, নমাটি, কপাহবাৰী, ডবকা আৰু কন্দলি মৌজাজুৰি সমগ্ৰ অঞ্চলটোত সেই সময়ত অসমৰে ভিতৰত থকা ছিলেট জিলাৰপৰা বহুতো পমুৱা আহি স্থায়ী বসবাস আৰম্ভ কৰিলে। ১৯২১, ১৯৩১ আৰু ১৯৪১ চনৰ চৰকাৰী জনপিয়লৰ লিখিত বৃত্তান্তৰ পৰা বুজা যায় যে ১৯২০ চনৰ পাছৰপৰা মৈমনসিঙৰ অভিবাসী লোকে মঙ্গলদৈ মহকুমাৰ দক্ষিণৰ ব্ৰহ্মপুত্ৰৰ গাতে লাগি থকা মঙ্গলদৈ, খাৰুপেটীয়া, দলগাঁও আৰু ওৰাং মৌজাৰ প্ৰায় সকলোবোৰ চৰ-চাপৰিয়েই তেওঁলোকৰ দখললৈ

আনিছিল। ১৯২৫ চনৰ ভিতৰত এনে শ শ অভিবাসী পমুৱা গৈ তৎকালীন তেজপুৰ মহকুমাৰ বিশ্বনাথ আৰু বিহালী থানা আৰু লক্ষীমপুৰ মহকুমাৰ বিহপুৰীয়া, লালুক আৰু নাওবৈছা মৌজাৰ দক্ষিণাংশত বসতি আৰম্ভ কৰিলে।

দৰাচলতে কুৰি শতিকাৰ আদিতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ পূৰ্ববঙ্গৰ ভূমিহীন কৃষকৰ যি প্ৰব্ৰজন-প্ৰৱাহ আৰম্ভ হ'ল, দেশ স্বাধীন হোৱাৰ সময়লৈকে তাৰ কোনো যতি পৰা দেখা নগ'ল, বৰঞ্চ পমুৱাৰ সংখ্যা বছৰে বছৰে বাঢ়িহে আহিবলৈ ধৰিলে। এই বৰ্ধমান প্ৰব্ৰজন নিশ্চয় চৰকাৰৰ দ্বাৰা পৰোক্ষ উৎসাহ প্ৰদানৰ ফলতহে সম্ভৱ হৈছিল। এই উক্তিটোৰ সমৰ্থনত ৰাজহ বিভাগৰ তৎকালীন উচ্চপদস্থ বিষয়াকেইজনমানৰ নথিভুক্ত পত্ৰালাপ দ্ৰষ্টব্য ঃ

১৯১৩ চনৰ ১ এপ্ৰিল তাৰিখে নগাঁও জিলাৰ ব্ৰিটিছ উপায়ুক্তজন গেৰুৱাবোকনি মৌজাৰ হাতীমূৰীয়া গাঁৱলৈ লগত সেই লাটৰ কাননগো আৰু মণ্ডলক লৈ আহিছিল। তেওঁৰ উদ্দেশ্য আছিল মৈমনসিঙৰ অভিবাসীসকলৰ বসবাস পৰিদৰ্শন কৰা। এই সুযোগতে হাতীমূৰীয়া গাঁৱৰ খিলঞ্জীয়া গঞাই বহিৰাগত পমুৱাসকলক তাত পট্টন দিয়াটো আপত্তি কৰি এখন দৰ্খাস্ত দিছিল। তেওঁলোকে তেওঁলোকৰ দৰ্খাস্তত দুটা আপত্তি দৰ্শায়। প্ৰথমতে তেওঁলোকে লিখিছিল যে পমুৱাসকলক বসবাস কৰিবলৈ দিলে তেওঁলোকে খিলঞ্জীয়া মানুহৰ উৰ্বৰা হ'বলৈ ছল পেলাই থোৱা মাটি বেদখল কৰি লয় আৰু দ্বিতীয়তে গাঁৱৰ আগৰেপৰা বাৰিষা গৰু-ম'হ চৰাবলৈ আছুতীয়াকৈ ৰখা চৰণীয়া ভূমি (Village Grazing Reserve)ত পমুৱাসকলক পট্টন নিদিবলৈও আৱেদন কৰিছিল। উপায়ুক্তই সময়ত এই দৰ্খাস্তখন অসমৰ তেতিয়াৰ ৰাজহ বিভাগৰ দ্বিতীয় ছেক্ৰেটৰী মিষ্টাৰ ডব্লিউ এম কেনেডিলৈ পঠালে। দৰ্খাস্তখনত উপায়ুক্তৰ মত আছিল "Personally, I am not in favour of discouraging immigration from Mymensingh." (অৰ্থাৎ, 'ব্যক্তিগতভাৱে মৈমনসিঙৰ পৰা হোৱা প্ৰব্ৰজন নিৰুৎসাহ কৰাৰ

পক্ষত মই নাই'।) নথিভুক্ত এই টোকাটো যেতিয়া দ্বিতীয় সচিবৰ হাত পালেগৈ, তেওঁ তাৰ ওপৰত মন্তব্য লিখিলে, 'Certainly not, we want to encourage settlers.' (অৰ্থাৎ 'নিশ্চয় ঠিক কথা, আমি বহিৰাগত পমুৱাসকলক অহাত উৎসাহহে দিবলৈ বিচাৰোঁ।') ইয়াৰ পাছত ফাইলটো গৈ যেতিয়া মুখ্য সচিব Mr. B. C. Allen-ৰ ওচৰ পালেগৈ, তেওঁ নথিত এইবুলি টোকা দিলে, 'Chief Commisioner, Assam considers that.... it is the policy of this administration to encourage immigration.' (অৰ্থাৎ অসমলৈ 'আন্তঃপ্ৰাদেশিক প্ৰব্ৰজনক উৎসাহ দিয়াটো এই প্ৰশাসনৰ নীতি বুলি চীফ কমিছনাৰে বিবেচনা কৰে।)[১৬]

ওপৰৰ টোকাবোৰৰপৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ বোৱা বহিৰাগতৰ সোঁতৰ প্ৰতি ব্ৰিটিছ চৰকাৰৰ মনোভাব কেনে আছিল বুজা গ'ল আৰু ঔপনিৱেশিক চৰকাৰৰে যেতিয়া মনোভাব এনে, তেন্তে এই প্ৰব্ৰজন-প্ৰৱাহক বাধা দিয়াটো যে সহজে সম্ভৱ নহ'ব, সেইটো তেতিয়াই স্পষ্ট হৈ পৰিছিল। বহিৰাগত অহাটো ভাল পাইছিল বাবেই ১৯১৫ চনত চৰকাৰে মাটি দখল আৰু পট্টন সম্পৰ্কীয় সামগ্ৰিক কিছু নীতি-নিয়ম কৰি জিলাৰ উপায়ুক্তক, চীফ কমিছনাৰৰ অনুমতি সাপেক্ষে একচনীয়া পট্টাত মাটিৰ স্বত্ব দিবলৈ ক্ষমতা দিছিল।[১৭]

কুৰি শতিকাৰ দ্বিতীয় দশকৰপৰা অভিবাসী অধ্যুষিত অঞ্চলবোৰত আগৰে পৰা থকা খিলঞ্জীয়া হজুৱাসকলে, ঘাইকৈ জনজাতীয় কৃষকসকলে পূৰ্ববঙ্গৰ অধিক পৰিশ্ৰমী আৰু সময়ত আগ্ৰাসী অভিবাসীসকলৰ উপস্থিতিত বিভিন্ন ক্ষেত্ৰত সংঘাত, অবৈধ ভূমি হস্তান্তৰ আৰু অসুবিধাৰ সৃষ্টি হৈছে বুলি ব্যক্ত কৰিবলৈ ধৰিলে। অতি কম সময়ৰ ভিতৰতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নগাঁৱৰ পৰা পশ্চিমৰ আটাইকেইখন জিলাতে থলুৱা মানুহৰ মাজত এটা অসন্তুষ্টি আৰু ক্ষোভৰ ভাব উমি উমি জ্বলি উঠিবলৈ ধৰিলে। বৰপেটা মহকুমা আৰু নগাঁও জিলাত ই আনকি ব্যাপক ৰূপ ধাৰণ কৰিলে। এইখিনিতে মন কৰিবলগীয়া যে বিংশ শতিকাৰ দ্বিতীয়

দশকৰ শেষলৈকে অভিবাসীসকলৰ ভূমি দখল আৰু বসতি স্থাপনত প্ৰশাসনে বিশেষ কোনো নিয়ন্ত্ৰণ কৰা নাছিল। তেওঁলোকে প্ৰথমে অনাবাদী হৈ পৰি থকা যিকোনো চৰ-চাপৰি বা নিম্নভূমিতে মাটি বেদখল কৰি বহি গৈছিল।

পাছত চৰকাৰে বিঘাইপতি ৫ টকাৰপৰা ২৫ টকাৰ 'প্ৰিমিয়াম'ত তেওঁলোকক মাটিৰ দখলীস্বত্ব দিছিল। ইফালে প্ৰিমিয়ামৰ টকাকেইটা ৩ পৰা ৫ বছৰৰ ভিতৰত কিস্তিত দিলেও হৈছিল। এইদৰে 'প্ৰিমিয়াম' দি মাটি লোৱা প্ৰত্যেকটো পৰিয়ালকে মাটিৰ বন্দৱস্তিৰ বাবে প্ৰথমে একচনীয়া পট্টা (Annual Patta) আৰু পাছত ম্যাদী পট্টা দিয়া হৈছিল।

সময় পাৰ হোৱাৰ লগে লগে থলুৱা মানুহৰ মাজত উত্তেজনা আৰু নিৰাপত্তাহীনতাৰ শঙ্কা বাঢ়িবলৈ ধৰিলে আৰু তেওঁলোকে চৰকাৰৰ ঘৰত এটাৰ পাছত এটাকৈ আপত্তি জনাবলৈ ধৰিলে। এই পৰিস্থিতিত প্ৰদেশখনৰ ডিৰেক্টৰ অৱ লেণ্ড ৰেকৰ্ডছ (Director of Land Records) জনে বহিৰাগত পমুৱাসকলৰ বসবাস আৰু জমি পট্টনত সুবিধাৰ বাবে ১৯১৬ চনত তেওঁলোকৰ বসবাস আৰম্ভ হোৱা প্ৰত্যেকখন জিলাতে 'পাম-বসতি আঁচনি' (Colonization Scheme) আৰু তাৰ চোৱা-চিতাৰ বাবে একোজন "পাম-বসতি বিষয়া"ৰ (Colonization Officer) প্ৰস্তাৱ চৰকাৰলৈ আগবঢ়ালে। কিন্তু প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ পৰা এই আঁচনিৰ প্ৰতি কোনো সঁহাৰি পোৱা নগ'ল। এই সময়তে ১৯২০ চনত তৎকালীন অসম ডিভিজনৰ আয়ুক্ত মিষ্টাৰ ৰীডে অভিবাসীসকলৰ বসবাস সৰল আৰু সুশৃঙ্খল কৰিবৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়ায়।

বহিৰাগতৰ ক্ৰমবৰ্ধমান সংখ্যা আৰু ইয়াত তেওঁলোকৰ দ্বাৰা জমি বেদখলত শঙ্কিত হৈ গুৱাহাটীৰ ৰাইজে ১৯২০ চনৰ ১৭ মাৰ্চ তাৰিখে কাৰ্জন হলত তৰুণৰাম ফুকনৰ সভাপতিত্বত এখন ৰাজহুৱা সভা পাতে। ইয়াত গোপীনাথ বৰদলৈ আৰু মহম্মদ তৈয়বুল্লাই চৰকাৰক বহিৰাগতৰ আগমন আৰু জমি বেদখল বন্ধ কৰিবলৈ আৱেদন জনাই প্ৰস্তাৱ গ্ৰহণ

কৰোৱায় আৰু এই প্ৰস্তাৱ চৰকাৰলৈ পঠায়। কিন্তু ইয়াৰ কোনো সঁহাৰি পোৱা নগ'ল।

১৯২০ চনৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে তৎকালীন অবিভক্ত কামৰূপৰ উপায়ুক্তই মিষ্টাৰ ৰীডক এক পত্ৰযোগে জনায় যে তেওঁৰ অধীনত বৰপেটা মহকুমাত বহিৰাগত অধ্যুষিত অঞ্চলবোৰৰ পতিত মাটিত একোটাহঁত লাইন ধাৰ্য কৰা হৈছে আৰু বহিৰাগতসকলক এনে লাইন পাৰ হৈ খিলঞ্জীয়া অধ্যুষিত অঞ্চলৰ ফালে যোৱাত বাধা দিয়া হৈছে। ঠিক সেইদৰে ১৯২০ চনৰে ৫ মাৰ্চ তাৰিখে নগাঁও জিলাৰ উপায়ুক্ত মিষ্টাৰ থমাছে আয়ুক্তজনক জনালে যে তেওঁ তেওঁৰ অধীনৰ জিলাখনত বহিৰাগত বসবাস ৮ টা মৌজাতে আবদ্ধ ৰাখিছে। সেই মৌজাকেইটা হৈছে মায়ং, বোকনি, ধিং, মিকিৰভেটা, চৰাইবাহী, জুৰিয়া, খাটোৱাল আৰু লাওখোৱা। তদুপৰি জিলাখনৰ দক্ষিণ-পূবৰ হোজাই, নমাটি আৰু লঙ্কা মৌজাত সেই সময়ত ছিলেট জিলাৰ পৰা অহা বহুতো অভিবাসী লোকক ভূমি পট্টন দিয়া হৈছিল।

দৰাচলতে মিষ্টাৰ থমাছ নগাঁও জিলাৰ উপায়ুক্ত হৈ থাকোঁতে ১৯২৪ চনৰ অক্টোবৰ মাহত 'ছিলেটী ব্লক' (Sylheti Block) নাম দি জিলাখনৰ এই দক্ষিণ-পূব অঞ্চলৰ এক বিস্তীৰ্ণ ভূমিখণ্ড ছিলেটী অভিবাসীৰ বাবে আছুতীয়াকৈ ৰাখি এক স্থিতাদেশ (standing order) জাৰি কৰিছিল। বৰপেটাৰ দৰে নগাঁও জিলাতো অভিবাসীৰ মাটি দখলৰ এনেকৈয়ে একো একোটা সীমাৰেখা ধৰা হ'ল। গাঁও বা মৌজা পৰ্যায়ত ব্ৰহ্মপুত্ৰ উপত্যকাত বহিৰাগত লোকে ন্যায্যভাৱে দখল কৰিবপৰা মাটিৰ সীমাৰেখা ধাৰ্য কৰা প্ৰথাকে 'লাইন প্ৰথা' (Line System) বোলা হৈছিল।

ওপৰৰ আলোচনাৰ পৰা বুজা যায় যে পূৰ্ববঙ্গৰ অভিবাসীসকলৰ দ্বাৰা সেই সময়ত হোৱা আগ্ৰাসন আৰু বিশৃঙ্খল বেদখল কিছুদূৰ বাধা দিবলৈ জিলা প্ৰশাসনেহে অলপ-অচৰপ উদ্যোগ দেখুৱাইছিল। ইয়াৰে আঁত ধৰি বিংশ শতিকাৰ তৃতীয় দশকৰ আগভাগত ব্ৰিটিছ চৰকাৰে বৰপেটা মহকুমা, গুৱাহাটী মহকুমা, নগাঁও জিলা, দৰং জিলা আৰু উত্তৰ লক্ষীমপুৰ

মহকুমাত জ্যেষ্ঠ উপ-প্ৰতি সমাহৰ্তা পৰ্যায়ৰ 'পাম-বসতি বিষয়া' (Colonization Officer) একোজনকৈ নিযুক্তি দিলে। এওঁলোকৰ ঘাই দায়িত্ব আছিল সংশ্লিষ্ট অঞ্চলৰ বা চক্ৰৰ মাটি-হাকিম বা উপ-প্ৰতি সমাহৰ্তা আৰু চক্ৰবিষয়াৰে আলাপ-আলোচনা আৰু বিচাৰ-খোঁচাৰ কৰি প্ৰব্ৰজনকাৰীসকলৰ বাবে পাব পৰা পতিত মাটি বাছনি কৰা।

এই 'পাম-বসতি আঁচনি' (Colonization Scheme) অভিবাসীসকলৰ দ্বাৰা হোৱা নিৰ্বিচাৰ বেদখল প্ৰশমিত কৰিবলৈ কিছুদূৰ সমৰ্থ হ'ল। আঁচনিখনত কিছুমান নীতি-নিয়ম, বাধা-নিষেধ সন্নিৱিষ্ট কৰা হৈছিল। সেইবোৰ এনে ধৰণৰ ঃ

১। পাম-আঁচনি বিষয়ালৈ ভূমিৰ বাবে আৱেদন কৰি দৰ্খাস্ত নিদিলে কাকো ভূমি দিয়া নহ'ব।

২। মাটি দিলে চৰকাৰক প্ৰত্যেক বিঘাত ২৫ টকাকৈ 'প্ৰিমিয়াম' (মূল্য) দিব লাগিব। অৱশ্যে এই মূল্য কেইবাটাও কিস্তিত শোধ কৰিব পাৰিব।

৩। প্ৰথম তিনি বছৰলৈ মাটি পোৱা পৰিয়ালটোৰ ওপৰত কোনো ভূমি ৰাজহ লগোৱা নহ'ব।

৪। ভূমি পোৱা পৰিয়ালটোৱে যিটো 'ব্লক'ত ভূমি পাইছে, তাত বসবাস কৰিবই লাগিব।

৫। মাটি বন্দৰস্তিৰ ম্যাদী পট্টা ষষ্ঠ বছৰতহে পৰিয়ালক দিয়া হ'ব।

৬। পাম-বসতি বিষয়াৰ এজন সহকাৰী 'ছেটলমেণ্ট অফিচাৰৰ' সমান ক্ষমতা থাকিব।

এইখিনিতে এটা মন কৰিবলগীয়া কথা এই যে বহিৰাগতসকলৰ অভিবাসৰ লগে লগে কিছুমান আৰ্থ-সামাজিক সমস্যাই দেখা দিবলৈ ধৰিলে। তেওঁলোকৰ বহুতৰ বিৰুদ্ধে থলুৱা লোকৰ চৰণীয়া ভূমি (Grazing

Land), ছন পৰা মাটি আৰু বিল-জলাহ্ আৰু পতিত মাটি কেতিয়াবা কেতিয়াবা বেদখল কৰাৰ আপত্তি কাছাৰীত পঞ্জীভুক্ত হ'বলৈ ধৰিলে। দ্বিতীয়তে, তেওঁলোকৰ স্থানীয় মানুহৰ লগত আৰ্থ-সামাজিক কাৰণত দুটা-এটা সংঘাত হ'বলৈ ধৰিলে। তৃতীয়তে, তেওঁলোকৰ কিছুৱে জালিয়াতি কৰি একাধিক ঠাইত মাটিৰ পট্টন লোৱা দেখা গ'ল। চতুৰ্থতে, কোনো কোনো বহিৰাগত লোকে চৰকাৰে নজনাকৈ থলুৱা মানুহৰপৰা অবৈধভাৱে মাটি ক্ৰয় কৰাৰ আপত্তি পোৱা গ'ল। আনহাতে আকৌ কিছুমান ঠগ প্ৰকৃতিৰ থলুৱা লোকে একেডোখৰ মাটিকে কেইবাজনো বহিৰাগতক 'বিক্ৰী' কৰা দেখা গ'ল। তদুপৰি কিছুমান থলুৱা দালালে সহজ-সৰল থলুৱা হজুৱা লোকৰ মাটি নিজৰ ব্যক্তিগত লাভৰ বাবে অতি কম দামত লৈ বহিৰাগতক চৰা দামত বিক্ৰী কৰিবলৈ ল'লে। এনে ধৰণৰ ক্ৰিয়াকলাপে সমাজত সংঘাতৰ সৃষ্টি কৰিবলৈ ধৰিলে।

মুঠতে ক'বলৈ গ'লে পৃথিৱীৰ সকলো ঠাইতে ঘটা গণ-প্ৰব্ৰজনৰ লগত জড়িত অপায় আৰু জঞ্জালবোৰ অসমতো ঘটিবলৈ ধৰিলে আৰু সেয়েহে 'লাইন প্ৰথা' অধিক আনুষ্ঠানিকভাৱে প্ৰৱৰ্তন কৰিব লগা হ'ল। যিহেতু 'লাইন প্ৰথা' আনুষ্ঠানিকভাৱে অধিক নিয়মানুৱৰ্তিতাৰে প্ৰৱৰ্তন কৰাৰ বহুত আগৰেপৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বহুলভাৱে বহিৰাগতসকলৰ বসতি স্থাপন হৈছিলেই, সেয়েহে পৰৱৰ্তী কালত ইয়াৰ নীতি-নিয়মবোৰ কাৰ্যত ৰূপায়িত কৰা যথেষ্ট জটিল হৈ পৰিছিল। লাইন প্ৰথা মতে মাটি নিম্নোক্ত ভাগকেইটাত শ্ৰেণীবিভক্ত কৰা হৈছিল ঃ

১। তেনে জমি, য'ত বহিৰাগতসকলে মুক্তভাৱে দখল আৰু বাস কৰিব পাৰে।

২। তেনে জমি, য'ত বহিৰাগতসকলক দখল কৰিবলৈ দিয়া নহয়।

৩। তেনে জমি, য'ত এডাল সীমাৰেখা ধাৰ্য কৰা হয় আৰু বহিৰাগতসকলক তাৰ এফালেহে দখল কৰিবলৈ দিয়া হয়।

কিন্তু লাইন প্ৰথা পাছত প্ৰৱৰ্তন কৰাৰ বাবে ওপৰৰ নিয়মকেইটা

কাৰ্যকৰী কৰাত বৰ অসুবিধাই দেখা দিলে। ১৯২৩ চনৰ ১৬ মে’ তাৰিখে নগাঁও জিলাত, তাৰ তৎকালীন উপায়ুক্ত মিষ্টাৰ জে চি হিগ্গিনছে লাইন প্ৰথা আনুষ্ঠানিকভাৱে উন্মোচন কৰোঁতে কৈছিল যে তেওঁ জিলাখনত মাটি দখলৰ ধৰণ-কৰণ অধ্যয়ন কৰি দেখিবলৈ পাইছে যে ইয়াত সাত প্ৰকাৰৰ দখলী ব্যৱস্থা আছে। সেই সাত প্ৰকাৰ হৈছে ঃ (১) কিছুমান গাঁৱত মাথোন বহিৰাগতহে আছে। (২) কিছুমান গাঁও আছে, য’ত মাথোন খিলঞ্জীয়া মানুহহে আছে, কিন্তু য’ত বহিৰাগতৰ বাবে ওপৰঞ্চি জমি আছে। (৩) কিছুমান গাঁৱত মাথোন খিলঞ্জীয়া লোকহে আছে য’ত বহিৰাগতক মাটি দখল কৰিবলৈ দিয়াটো অনুচিত হ’ব। এনেবোৰ গাঁৱক ‘Closed village’ (নিষিদ্ধ গাঁও) বোলা হৈছিল। (৪) কিছুমান গাঁও আছে য’ত খিলঞ্জীয়া আৰু বহিৰাগত দুয়োটা জনগোষ্ঠীয়েই বাস কৰিছে আৰু য’ত গোষ্ঠী দুটাই দখল কৰা মাটিৰ সীমা ধাৰ্য কৰি ৰেখা নিৰ্ৰূপণ কৰা হৈছে। অৱশ্যে এনেবোৰ গাঁৱৰ বহুততে সীমাৰেখা দৰকাৰ নহ’বও পাৰে, কাৰণ খিলঞ্জীয়াসকলে এনেকুৱা বহুত ঠাইত অস্থায়ী পামহে ধৰে আৰু এনে পামৰ মাটি কেতিয়াবা ম্যাদী কৰি লয় আৰু কেতিয়াবা হস্তান্তৰ কৰে। (৫) এনেবোৰ গাঁও যাৰ কিছুমানত সীমাৰেখা নিৰ্ৰূপণ কৰা সম্ভৱ নহয়, কাৰণ দুয়োটা জনগোষ্ঠীৰ লোকৰ মাটিৰ ডৰাবোৰ ইতিমধ্যে সানমিহলি হৈ গৈছে। (৬) সেইবোৰ ৰাজহ গাঁও, য’ত খেতি-বাতি কৰা হোৱা নাই, কিন্তু যিবোৰ মাটি খিলঞ্জীয়াসকলৰ বাবে সংৰক্ষিত কৰি থোৱাটো উচিত হ’ব। অৱশ্যে এনে ধৰণৰ ৰাজহ গাঁও যাৰ সংখ্যা বেছি নহয়। শেষত (৭) তেনে ৰাজহ গাঁও, য’ত বসতি নাই, কিন্তু যিবোৰ ঠাই বহিৰাগতসকলক বহিবলৈ দিব পাৰি।

‘লাইন প্ৰথা’ৰ প্ৰসঙ্গটো প্ৰথমবাৰৰ বাবে গৱৰ্ণৰৰ বিধান পৰিষদলৈ স্বৰাজ্য পাৰ্টীৰ ৰোহিণীকান্ত হাতীবৰুৱাই ১৯২৪ চনত আনে। তেওঁ বহিৰাগত প্ৰব্ৰজন বন্ধ কৰিবলৈ আৰু লাইন প্ৰথা নিষ্ঠাৰে কাৰ্যকৰী কৰিবলৈ

প্ৰস্তাৱ আনিছিল। কিন্তু তেওঁৰ প্ৰস্তাৱটো ব্ৰিটিছ সদস্য আৰু ছিলেটৰ সদস্যসকলে সজোৰে বিৰোধিতা কৰাত পৰিষদত গৃহীত নহৈছিল।

লাইন প্ৰথাই পূৰ্ববঙ্গৰ পৰা প্ৰব্ৰজনৰ সোঁত কমাব বা বন্ধ কৰিব পৰা নাছিল। কিন্তু ই তেওঁলোক ইয়াত নিৰ্বিচাৰে য'তে-ত'তে মাটি বেদখল কৰি বহাত কিছুদূৰ বাধা দিবলৈ সক্ষম হৈছিল। অৱশ্যে সেই কামটোত প্ৰথাটো যোল অনাই কৃতকাৰ্য হৈছিল বুলি ক'ব নোৱাৰি। ওপৰৰ চাৰি আৰু পাঁচ নম্বৰত উল্লেখ কৰা দুয়োটা জনগোষ্ঠীৰ মিশ্ৰিত গাঁওবোৰ অতি সোনকালেই বহিৰাগতসকলৰ সম্পূৰ্ণ হস্তগত হোৱাত কোনো বাধা প্ৰদান কৰিব পৰা নহ'ল। সেই সময়ত খিলঞ্জীয়া ৰাইজৰ মাজত এনে এটা ধাৰণা হৈছিল যে ঔপনিৱেশিক চৰকাৰৰ উচ্চ পৰ্যায়ৰ ব্ৰিটিছ বিষয়াসকলৰ আওকণীয়া মনোভাবৰ বাহিৰেও জিলা প্ৰশাসনৰ ৰাজহ বিষয়াসকলেও নিষ্ঠাৰে লাইন প্ৰথাৰ নিয়মবোৰ কাৰ্যত ৰূপায়িত কৰা নাছিল।

এইবোৰৰ বাহিৰেও আৰু এটা মন কৰিবলগীয়া কথা এই যে যিসকল বহিৰাগত ইতিপূৰ্বে অসমত থকা দহ বছৰ হৈছিল, অলপ অসমীয়া ক'ব পাৰিছিল আৰু এডৰা হ'লেও মাটিৰ গৰাকী হ'ব পাৰিছিল, তেনে লোকে অসমত স্থায়ীভাৱে বসবাস কৰিব পৰাকৈ আৰু আন আন সুবিধা পাব পৰাকৈ চৰকাৰৰপৰা 'নিৱেশী প্ৰমাণ পত্ৰ' (Domicile Certificate) পাইছিল।

পূৰ্ববঙ্গৰ ভূমিহীন কৃষকৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন আৰু ইয়াত বসতি আৰম্ভ হ'বৰে পৰা উপত্যকাটোৰ থলুৱা মানুহে ইয়াৰ বিৰোধিতা কৰি অহা দেখা যায়। তেওঁলোকৰ বিৰুদ্ধাচৰণৰ মূল চাৰিটা কাৰণ আছিল এনে ধৰণৰ— প্ৰথমতে, বহিৰাগতৰ বহুসংখ্যকৰ দীৰ্ঘদিনীয়া প্ৰব্ৰজনে ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনজাতীয়-অজনজাতীয় সকলো থলুৱা লোকৰে সমাজ আৰু সংস্কৃতি লোপ পেলাব। দ্বিতীয়তে, বহিৰাগতৰ অবাধ আগমনে স্থানীয় লোকৰ বাবে থকা সীমিত কৃষিভূমি আৰু পশু চৰণীয়া ভূমিৰ পৰা তেওঁলোকক বঞ্চিত কৰিব। তৃতীয়তে, যদি বহিৰাগতসকল অধিক সংখ্যাত

বহু দিন ধৰি আহি থাকে, তেন্তে খিলঞ্জীয়া মানুহৰ উত্তৰপুৰুষৰ জীৱিকাৰ বাবে মাটি-বাৰী একো নাথাকিব। চতুৰ্থতে, ইয়াৰ পাছতো যদি প্ৰব্ৰজন চলিয়েই থাকে, তেন্তে সামাজিক উত্তেজনা আৰু সংঘাত অপৰিহাৰ্যভাৱে হ'বই।

বিংশ শতিকাৰ তৃতীয় দশকত অসমৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নবীন চন্দ্ৰ বৰদলৈ, নীলমণি ফুকন (ককা), মহাদেৱ শৰ্মা, ফৈজনুৰ আলীৰ দৰে নেতা ৰায়ত সভা, আছাম এছ'চিয়েশ্বন, অসমীয়া সংৰক্ষণী সভাৰ দৰে সংগঠন আৰু 'অসমীয়া', 'বাতৰি' আদিৰ দৰে বাতৰিকাকত আদি সকলোৱে সমস্বৰে এই প্ৰব্ৰজনৰ বিৰোধিতা কৰিবলৈ ধৰিলে। এইবোৰৰ বাহিৰেও ১৯৩৬ চনলৈকে অসম গৱৰ্ণৰ ব্যৱস্থাপক পৰিষদতো বহিৰাগতৰ প্ৰব্ৰজন, কৃষিভূমি দখল-বেদখল আৰু লাইন প্ৰথাক লৈ তৰ্ক-বিতৰ্ক, বিৰোধিতা-পৃষ্ঠপোষকতা আদি চলিবলৈ আৰম্ভ কৰিলে।

এইখিনিতে মন কৰিবলগীয়া যে বিংশ শতিকাৰ তৃতীয় দশকৰ মাজভাগত সমগ্ৰ ভাৰতজুৰি সামাজিক আৰু সাংস্কৃতিক আন্দোলনৰ কোলাত সাম্প্ৰদায়িক ৰাজনীতিৰো জন্ম হৈছিল। ১৯১৯-১৯২১ৰ অসহযোগ আন্দোলন আৰু খিলাফৎ আন্দোলনৰ ভিত্তিত দেশৰ স্বাধীনতাৰ বাবে যি এক ঐক্যবদ্ধ আন্দোলন গঢ়ি উঠিছিল, ১৯২৩ চনৰপৰা সি স্তিমিত হ'বলৈ ধৰিলে। তাৰ পাছত এক শ্ৰেণীৰ ধৰ্মনিৰপেক্ষ উদাৰ জাতীয়তাবাদী নেতাৰ নেতৃত্বত যেনেকৈ স্বৰাজ্য পাৰ্টী গঢ়ি উঠিল, সেইদৰে এক শ্ৰেণীৰ সংখ্যাগুৰুৰ মাজত শুদ্ধি আন্দোলন আৰু হিন্দু মহাসভা আৰু এক শ্ৰেণীৰ সংখ্যালঘুৰ মাজত তবলীগ আন্দোলন আৰু মুছলিম লীগ গঢ়ি উঠিল। এনে এটা বাতাৱৰণে তৎকালীন অসমৰ ৰাজনীতি কিছুদূৰ পৰোক্ষভাৱে হ'লেও প্ৰভাৱিত কৰিছিল।

ইফালে আকৌ ব্ৰিটিছ ভাৰতত মণ্টেগো চেমছফৰ্ড (Montago-Chemsford Reform) সংস্কাৰ কাৰ্যকৰী হোৱাৰ লগে লগে ১৯২১ চনৰ পৰা অসমখন গৱৰ্ণৰৰ দ্বৰা শাসিত প্ৰদেশ হ'ল আৰু তেওঁক সহায় কৰিবলৈ

থকা ব্যৱস্থাপক পৰিষদখন সংবৰ্ধিত আৰু আইন প্ৰণয়নত অধিকতৰ ক্ষমতাশালী কৰা হ'ল। ১৯২১ চনৰ পৰা এই ব্যৱস্থাপক পৰিষদখনত ওপৰত উল্লেখ কৰাৰ দৰে লাইন প্ৰথা সম্পৰ্কে সঘন সৰৱ তৰ্ক-বিতৰ্ক হ'বলৈ ধৰিলে। এই সন্দৰ্ভত মন কৰা উচিত যে 'উপযোগী পতিত মাটি আছে', আৰু তালৈ যদি পূৰ্ববঙ্গৰ ভূমিহীন কৃষক আহি বহে, তেন্তে তাৰ পৰা ৰাজহ বৃদ্ধি হ'ব আৰু চৰকাৰ লাভৱান হ'ব। অসমৰ ব্যৱস্থাপক পৰিষদখন ১৯২১ৰপৰা ১৯২৯ চনলৈ মুঠতে চাৰিবাৰ গঠিত-পুনৰ্গঠিত হৈছিল আৰু সেই দশকটোৰ ভিতৰতে অতি দুখজনকভাৱে ঔপনিৱেশিক চৰকাৰৰ আশিসপুষ্ট হৈ লাইন প্ৰথা ইছ্যু (issue)টোৱে কিছুমান ৰাজনীতিকৰ মাজত সাম্প্ৰদায়িক ৰূপ পাবলৈ ধৰিলে। ছিলেটৰ মুছলিম লীগৰ সদস্য আব্দুল মতিন চৌধুৰী আৰু মনোৱাৰ আলী আৰু বৰপেটাৰ অভিবাসীসকলৰ সদস্য ছৈয়দ আব্দুল ৰৌফ ডাঙৰীয়াই সমস্বৰে লাইন প্ৰথাৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল।

এইদৰে পৰিস্থিতি যেতিয়া অধিকতৰ উত্তেজনাপূৰ্ণ হৈ আহিল, তেতিয়া ১৯২৭ চনৰ জুলাই মাহত ব্যৱস্থাপক পৰিষদত এক প্ৰস্তাৱযোগে নজনীয়া সদস্যৰে এখন কমিটি গঠন কৰা হ'ল। ইয়াত বেচৰকাৰী সদস্যৰ সংখ্যাগৰিষ্ঠ কৰা হ'ল। কমিটিক বহিৰাগত অধ্যুষিত জিলাকেইখন পৰিদৰ্শন কৰি প্ৰত্যেকতে কিমান পৰিমাণৰ পতিত জমি আছে আৰু তাৰ কিমান অংশ খিলঞ্জীয়া লোকৰ কৃষিক ভৱিষ্যৎ প্ৰসাৰণৰ বাবে সংৰক্ষিত কৰাটো বাঞ্ছনীয় হ'ব, এই সকলোবোৰ দিশ সামৰি এখন প্ৰতিবেদন দিবলৈ কোৱা হ'ল। কমিটিখন গঠন কৰা হ'ল নিম্নোক্ত সদস্যসকলেৰে ঃ (১) মিঃ এ ডব্লিউ বথাম, অৰ্থ আৰু ৰাজহ বিভাগদ্বয়ৰ সদস্য, অসম চৰকাৰ, (২) মহম্মদ ছাদুলা (তেতিয়াও 'ছাৰ' সন্মান পোৱা নাছিল), শিক্ষামন্ত্ৰী, (৩) মিঃ ডব্লিউ এল স্কট ডিৰেক্টৰ, লেণ্ড ৰেকৰ্ডছ, (৪) মিঃ এইচ এম প্ৰিচাৰ্ড, অৰ্থ আৰু ৰাজহ বিভাগৰ সচিব (৫) মি জি জিমচম, নগাঁও জিলাৰ ছেট্‌লমেণ্ট অফিচাৰ (৬) নবীন চন্দ্ৰ বৰদলৈ, সদস্য, ব্যৱস্থাপক পৰিষদ (৭) কামেশ্বৰ দাস (ব্যৱস্থাপক পৰিষদৰ সদস্য) (৮) বিষ্ণুচৰণ বৰা (ব্যৱস্থাপক পৰিষদৰ

সদস্য) আৰু (৯) কেৰামত আল (ব্যৱস্থাপকৰ সদস্য)। এওঁলোকে জিলাকেইখনলৈ গৈছিলেনে নাই জনা নগ'ল। কিন্তু ইছ্যুটো পৰিষদত ইয়াৰ পাছত আলোচনা হওঁতে খিলঞ্জীয়াৰ ভৱিষ্যৎ কৃষি সম্প্ৰসাৰণৰ বাবে মাটি সংৰক্ষণ কৰিব লাগে বুলি কোৱা প্ৰস্তাৱটো অগ্ৰাহ্য হ'ল।

পূৰ্ববঙ্গৰ পৰা বহিৰাগতৰ প্ৰৱাহ অৱশ্যে অবাধে চলিয়েই থাকিল। ১৯৩১ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা, কিন্তু মাথোন মৈমনসিং জিলাতে জন্মগ্ৰহণ কৰা লোক আছিল ১৩,১,০০ জন। সেই ত্ৰিছৰ সমগ্ৰ দশকটোত প্ৰব্ৰজন সমান গতিৰে চলি আছিল। দশকটোৰ মাজভাগত ১৯৩৫ চনত প্ৰৱৰ্তিত গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট মতে দেশলৈ কিছু ৰাজনৈতিক-প্ৰশাসনিক পৰিৱৰ্তন আহিল। ইয়াৰ ফলত ব্ৰিটিছ ভাৰতৰ অন্যান্য প্ৰদেশৰ লগতে অসমতো ঘাইকৈ ৰাইজে নিৰ্বাচন কৰি দিয়া সদস্যৰে গঠিত এখন ১০৮জনীয়া বিধানসভা ১৯৩৭ চনৰ এপ্ৰিল মাহত প্ৰৱৰ্তিত হ'ল। তেতিয়াৰে পৰা 'লাইন প্ৰথা' বিষয়টো এই বিধানসভাতো আলোচিত হ'বলৈ ধৰিলে। বিধানসভাৰ মজিয়াতো এই 'ইছ্যু'টোক লৈ তৰ্ক-বিতৰ্ক আৰু আৱেগ-উত্তেজনাৰ সৃষ্টি হৈছিল। মুছলিম লীগৰ সদস্যসকলে ঘাইকৈ ছিলেটৰ সদস্যকেইজনে লাইন প্ৰথাৰ বিৰোধিতা কৰিছিল। আনহাতে জনজাতীয়-অজনজাতীয় প্ৰায় সকলোখিনি খিলঞ্জীয়া অসমীয়া লোকেই 'লাইন প্ৰথা' কঠোৰভাৱে কাৰ্যকৰী কৰিবলৈ হেঁচা দিছিল। ডিব্ৰুগড়ৰ ফৈজনুৰ আলী, নগাঁৱৰ আব্দুল কাদিৰ, গুৱাহাটীৰ মহম্মদ তৈয়বুল্লা আদি বিধানসভাৰ বাহিৰত থকা অসমীয়া মুছলমান জাতীয়তাবাদী নেতাসকলেও 'লাইন প্ৰথা' কঠোৰভাৱে প্ৰৱৰ্তন কৰাটো বিচাৰিছিল আৰু আনহাতে কেইজনমান অসমীয়া মুছলমান বিধানসভাৰ সদস্যই 'লাইন প্ৰথা' উঠাই দিয়াটো কিন্তু 'কল'নাইজেশ্বন স্কিম' (পাম-বসতি আঁচনি) কাৰ্যকৰী কৰাটো বিচাৰিছিল।

১৯৩৬ চনত নগাঁৱৰ খান বাহাদুৰ নুৰুদ্দিন আহমেদে গৱৰ্ণৰৰ ব্যৱস্থাপক পৰিষদৰ মজিয়াত 'লাইন প্ৰথা' তথা বহিৰাগতৰ বসতি বিষয়টো

আইনৰ আওতাত আনিবলৈ এটা প্ৰস্তাৱ আগবঢ়ায়। তেওঁ কয় যে বহিৰাগতৰ বসতি খিলঞ্জীয়াৰ পৰা আঁতৰত ৰাখিবলৈ যি ‘লাইন প্ৰথা’ কাৰ্যকৰী কৰা হৈছে, তাক অনতিবিলম্বে উঠাই দিব লাগে। তেওঁ ইয়াৰ পৰা হোৱা আৰ্থিক আৰু সামাজিক অপকাৰৰ কথা কয়। অৱশ্যে তেওঁ আৰু কয় যে গৱৰ্ণমেণ্টৰ অনুমতি নোহোৱাকৈ আৰু খিলঞ্জীয়া বাসিন্দাৰ বাবে কিছু জমি সংৰক্ষণ নকৰাকৈ বহিৰাগতক মাটি দিব নালাগে।[১৮] ১৯৩৭ চনত ছিলেটৰ মনোৱাৰ আলীয়েও লাইন প্ৰথা উঠাবলৈ পৰিষদত প্ৰস্তাৱ আনিছিল।[১৯]

ব্যৱস্থাপক সভাৰ অধিৱেশন হ’লেই ‘লাইন প্ৰথা’ক লৈ ব্যৱস্থাপক সভাৰ মজিয়াত ইমানেই বাক-বিতণ্ডা হ’বলৈ ধৰিলে যে ব্যৱস্থাপক সভাৰ অন্যান্য কাম আগ নবঢ়া হ’ল।[২০] এনে অৱস্থাত চৰকাৰে ১৯৩৭ চনৰ শেষৰ ফালে এখন ‘লাইন ছিষ্টেম এনকুৱাৰী কমিটি’ পাতি দিলে।[২১] এই কমিটিয়ে বহিৰাগত অধ্যুষিত জিলাবোৰৰ প্ৰত্যেকলৈ যাব, তাৰ অভিবাসী আৰু খিলঞ্জীয়া দুয়োটা জনগোষ্ঠীৰে নেতৃস্থানীয় লোক আৰু প্ৰতিনিধিমূলক সংগঠনবোৰ আৰু চৰকাৰী বিষয়াৰ ‘লাইন-প্ৰথা’ সম্পৰ্কে মতামত গ্ৰহণ কৰিব আৰু প্ৰথাটো ৰখা উচিত হ’বনে উঠাই দিয়া উচিত হ’ব, তাৰে পৰামৰ্শ আগবঢ়াব। কমিটিখন নজন সদস্যৰ আছিল। ইয়াৰ অধ্যক্ষ পতা হৈছিল ৰাজহ সচিব, (১) ই ডব্লিউ হকেনহালক (E.W. Hockenhull)। সদস্যসকলৰ দুজন (২) সৰ্বেশ্বৰ বৰুৱা আৰু (৩) কামেশ্বৰ দাস আছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ কংগ্ৰেছৰ সদস্য। এই উপত্যকাৰ এজন মুছলমান সদস্য (৪) ছৈয়দুৰ ৰহমান, এজন জনজাতীয় সদস্য (৫) ৰবি চন্দ্ৰ কছাৰী, এজন অনগ্ৰসৰ জাতিৰ সদস্য (৬) মহেন্দ্ৰ নাথ শইকীয়া, এজন সুৰমা উপত্যকাৰ মুছলমান সদস্য, (৭) আব্দুল মতিন চৌধুৰী, অভিবাসী জনগোষ্ঠীৰ এজন সদস্য (৮) আব্দুল ৰৌফ (বৰপেটা) আৰু কমিটিখনৰ সচিব (৯) এ জি পেট্টন।[২২]

কমিটিখনে পূৰ্ববঙ্গৰ বহিৰাগতৰ বসবাস, ভূমি দখল, খিলঞ্জীয়াসকলৰ বিৰোধিতা আদি সম্পৰ্কীয় সোতৰটা প্ৰশ্নৰ এখন অভিমত-

জৰীপৰ (questionnaire) কাগজ লৈ নগাঁও, গুৱাহাটী, বৰপেটা, মঙ্গলদৈ, তেজপুৰ আৰু উত্তৰ লক্ষীমপুৰলৈ গৈ তাৰ প্ৰত্যেকতে কেইদিনমানকৈ থাকি সংশ্লিষ্ট জিলাখনৰ উপায়ুক্ত, কেইগৰাকীমান নেতৃস্থানীয় লোক, 'পাম-বসতি বিষয়া' (Colonization Officer), চক্ৰ বিষয়া, উপ-প্ৰতি সমাহৰ্তা আদিসকলৰ লগত সাক্ষাৎ কৰি লাইন প্ৰথা সম্পৰ্কে তেওঁলোকৰ সাক্ষ্য গ্ৰহণ কৰিলে আৰু মতামত ল'লে। এই সাক্ষাৎকাৰবোৰত দেখা গ'ল যে স্থানীয় জনজাতীয়, অজনজাতীয়, হিন্দু, মুছলমান সকলো লোকেই 'লাইন প্ৰথা' থকাটো বিচাৰে। কিন্তু এই প্ৰক্ৰিয়াটোৰ শেষত কমিটিখনে যি প্ৰতিবেদন সদনত জমা দিলে, সেই প্ৰতিবেদনখন কমিটিখনৰ আটাইকেইজন সদস্যৰ ঐকমত্যত প্ৰতিষ্ঠিত নাছিল।[২৩]

প্ৰথমতে, কেইজনমান সদস্যই 'লাইন প্ৰথা' থলুৱা জনগোষ্ঠীবোৰৰ আৰ্থিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক অস্তিত্ব আৰু ভৱিষ্যৎ প্ৰজন্মৰ নিৰাপত্তা ৰক্ষাৰ স্বাৰ্থত ৰাখিব আৰু অধিক নিষ্ঠাৰে কাৰ্যকৰী কৰিব লাগে বুলি ক'লে।

দ্বিতীয়তে, কেইজনমান সদস্যই এই প্ৰথা অনতিবিলম্বে উঠাই দিব লাগে বুলি ক'লে। তেওঁলোকে তেওঁলোকৰ দাবীৰ সমৰ্থনত নিম্নোক্ত পাঁচটা যুক্তি দাঙি ধৰিলে ঃ (১) লাইন প্ৰথা উঠাই দিলে খিলঞ্জীয়া আৰু অভিবাসী, এই জনগোষ্ঠী দুটা ইটো-সিটোৰ ওচৰ চাপি অহাত সুবিধা হ'ব আৰু ই তেওঁলোকৰ মাজৰ সম্পৰ্ক উন্নীত কৰিব। (২) যদি প্ৰথাটো উঠাই দিয়া হয়, তেন্তে 'লাইন'ৰ খিলঞ্জীয়া বাসিন্দাৰ ফালৰ মাটিৰ মূল্য বাঢ়ি যাব। (৩) তৃতীয়তে 'গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট ১৯৩৫ৰ ২৯৮ ধাৰা মতে লাইন প্ৰথা অবৈধ। এই ধাৰাটোৰ সাৰমৰ্ম হৈছে 'মহামান্য ব্ৰিটিছ সম্ৰাটৰ অধীনৰ ভাৰতত স্থানীয়ভাৱে বসবাস কৰা (domiciled in India) **যিকোনো ব্যক্তিকেই ধৰ্ম, জন্মস্থান, বংশ, বৰ্ণ বা এইবোৰৰ কোনো এটাৰ ভিত্তিত ব্ৰিটিছ চৰকাৰৰ সেৱা বা এই দেশত সা-সম্পত্তি পোৱা বা অৰ্জন কৰাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। কিন্তু এক্টখন ভালকৈ চালে দেখা যায় যে**

**ইয়াৰে ২৯৮ (২) ধাৰা মতে উপৰিউক্ত বঞ্চিত কৰিব নোৱৰা ধাৰাটো নাখাটিব পাৰে, কাৰণ এই ধাৰাটোৱে দেশৰ কোনো ঠাইত থকা কৃষিৰ মাটি আৰু কৃষক শ্ৰেণীত অন্তৰ্ভুক্ত বা কৃষিৰ লগত জড়িত কোনো লোকৰ মাটি বিক্ৰী বা বন্ধক সম্পূৰ্ণকৈ নিষিদ্ধ কৰে। এই নিষেধকৰণ 'অত্যন্ত বিশেষ অৱস্থা' অবিহনে আন কোনো ধাৰাই প্ৰভাৱিত কৰিব নোৱাৰিব।** (৪) চতুৰ্থতে, লাইন প্ৰথাটো এটা অমানুষিক প্ৰথা আৰু ইয়াক তৎকালীন দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্যৰ লগতহে ৰিজাব পাৰি। প্ৰথাটো বিৰোধিতা কৰা (৫) পঞ্চমটো কাৰণ আছিল এই যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ য'তে-ত'তে বিস্তৰ পতিত জমি অনাবাদী হৈ পৰি আছে আৰু এই মাটি প্ৰদেশখনৰ কৃষিৰ উন্নতিৰ খাটিৰত পেলাই থোৱা অনুচিত।[২৪]

অৱশ্যে প্ৰতিবেদনখনত ঐকমত্যৰ ভিত্তিত প্ৰতিষ্ঠিত কেইটামান বক্তব্যও আছিল। ইয়াৰ (১) প্ৰথমটো হৈছে, বহিৰাগতসকল ক'ত বহিব পাৰিব আৰু ক'ত নোৱাৰিব, সেইটো যথাযোগ্য কৰ্তৃপক্ষইহে দেখুৱাই দিব। (২) দ্বিতীয়তে, বহিৰাগতসকলৰ পট্টন নিষিদ্ধ কৰা এলেকাৰ সীমা গাঁৱৰ সীমাৰ ভিত্তিত নহৈ, একোটা বা একাধিক লগা-লগিকৈ থকা মৌজাৰ সীমাৰ ভিত্তিত হ'ব লাগে। (৩) তৃতীয়তে, বহিৰাগতৰ ওপৰত থকা কৃত্ৰিম বাধা-নিষেধ (যেনে, তেওঁলোকে আগতে কাৰোবাৰ পট্টাত থকা মাটি পাব নোৱাৰিব, আদি) উঠাই দিব লাগে। (৪) ভূমিহীন বহিৰাগতই তেনেবোৰ মাটিহে পাব যিবোৰৰ প্ৰতি থলুৱা লোক আকৰ্ষিত নহয়। আৰু (৫) পঞ্চমতে, এইটো কথাত আটাইকেইজন সদস্য একমত হ'ল যে 'পাম-বসতি আঁচনি' (colonization scheme) অধিক নিষ্ঠাৰে কাৰ্যকৰী কৰিব লাগে আৰু যিকেইখন জিলাত এই আঁচনি নাই, সেইকেইখনত সোনকালে ইয়াৰ প্ৰৱৰ্তন হ'ব লাগে।

কিন্তু মূল বিষয়টো অৰ্থাৎ 'লাইন প্ৰথা' উঠাই দিব লাগে নে ৰাখিব লাগে, ইয়াক লৈ সদস্যসকলৰ মাজত আগতে উল্লেখ কৰাৰ দৰে কোনো ঐকমত্য নহ'ল। ৰবি চন্দ্ৰ কছাৰী, সৰ্বেশ্বৰ বৰুৱা আৰু কামেশ্বৰ দাসে

প্ৰথাটো চলাই ৰাখিবৰ বাবে সজোৰে যুক্তি দৰ্শালে। ছিলেটৰ মতিন চৌধুৰী, অভিবাসীসকলৰ নেতা বৰপেটাৰ আব্দুৰ ৰৌফ আৰু ডিব্ৰুগড়ৰ ছৈয়দুৰ ৰহমানে ইয়াক অনতি বিলম্বে উঠাই দিবলৈ জোৰ দিলে আৰু পিছপৰা শ্ৰেণীৰ নেতা মহেন্দ্ৰ হাজৰিকাই প্ৰথাটো অতি সক্ৰিয়ভাৱে চলাই ৰাখিবলৈ ক'লে আৰু লগতে অভিবাসীসকলক গঠনাত্মকভাৱে অসমীয়া সমাজ-সংস্কৃতিৰ অঙ্গীভূত কৰি ল'বলৈ প্ৰচেষ্টা হাতত ল'বলৈ দিহা দিলে। কমিটিখনত যিকেইজন চৰকাৰী সদস্য আছিল, তেওঁলোক নিৰপেক্ষ হৈ থাকিল।

গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট ১৯৩৫ ৰ মতে ভাৰতৰ আন আন প্ৰদেশৰ লগতে অসমতো এখন ১০৮ জনীয়া বিধানসভা আৰু এখন ২২ জনীয়া বিধান পৰিষদেৰে নতুন প্ৰশাসন আৰম্ভ হ'ল। ইয়াৰ বিধানসভাত ৩৩ জন সদস্যৰে ভাৰতীয় জাতীয় কংগ্ৰেছ সৰ্ববৃহৎ দল হিচাপে নিৰ্বাচিত হ'লেও এই দলৰ নেতা গোপীনাথ বৰদলৈয়ে মন্ত্ৰীসভা গঠন কৰাৰ আগ্ৰহ নেদেখুৱালে। ফলত ছাদুল্লাই তেওঁৰ 'আসাম ভেলী মুছলিম সমিতি'ৰ বাহিৰেও তিনিটামান সৰু সৰু দল, ইউৰোপিয়ান সদস্যসকল আৰু কংগ্ৰেছৰো পৰোক্ষ সমৰ্থনত ১৯৩৭ চনৰ ১ এপ্ৰিলত মন্ত্ৰীসভা গঠন কৰিলে। কিন্তু তেওঁৰ এই চৰকাৰ ডেৰ বছৰ নৌহওঁতেই ১৯৩৮ চনৰ ১৮ ছেপ্টেম্বৰত ভাগি গ'ল। তাৰ ঠাইত ১৯ ছেপ্টেম্বৰত গোপীনাথ বৰদলৈয়ে কংগ্ৰেছক মুখ্য দল হিচাপে লৈ পুনৰ এখন সংযুক্ত মৰ্চা চৰকাৰ গঠন কৰে। বৰদলৈ অসমৰ প্ৰধান মন্ত্ৰী হৈ 'লাইন প্ৰথা' সম্পৰ্কে এই অভিমত দিলে যে এইটো এটা অৰ্থনৈতিক সমস্যা আৰু প্ৰদেশখনৰ খিলঞ্জীয়া আৰু ইতিপূৰ্বে বসবাস কৰিবলৈ লোৱা অভিবাসীসকলৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে এই সমস্যাটোৰ গভীৰ আৰু সুবিবেচিত সমাধানৰ ওপৰত। সেয়েহে এই সম্পৰ্কে এটা সুস্পষ্ট নীতি নিৰ্ধাৰণ নকৰালৈকে ই স্থিতাৱস্থাত (status quo) থাকক। বৰদলৈ মন্ত্ৰীসভা মাথোন এবছৰ দুমাহহে থাকিল। ১৯৩৯ চনৰ ১৬ নৱেম্বৰত ইয়াক ভঙ্গ কৰি দিয়া হ'ল। প্ৰকৃততে দ্বিতীয় মহাসমৰ

তেতিয়া আৰম্ভ হৈছিল। ভাৰতীয় কংগ্ৰেছে ব্ৰিটিছৰ এই যুদ্ধত কোনো প্ৰকাৰৰ সহযোগ নকৰিবলৈ থিৰাং কৰি কেন্দ্ৰ বা প্ৰদেশবোৰৰ শাসনৰ পৰা আঁতৰি আহিছিল।

এনে পৰিস্থিতিত ছাদুল্লা দ্বিতীয়বাৰৰ বাবে ১৯৩৯ চনৰ ১৭ নৱেম্বৰত অসমৰ প্ৰধান মন্ত্ৰী হ'ল। এইখিনিতে 'ছাদুল্লা ব্যক্তিজন' সম্পৰ্কে চমুকৈ দুআষাৰ উল্লেখ কৰা সমীচীন হ'ব। ১৮৮৫ চনৰ ২১ মে'ত গুৱাহাটীত জন্মগ্ৰহণ কৰা এই ব্যক্তিজন ১৯০৯ চনৰ ভিতৰত এম এ, বি এল পাছ কৰি প্ৰথমে গুৱাহাটীৰ সোণাৰাম হাইস্কুলত আৰু পাছত কটন কলেজত শিক্ষকতা কৰিছিল। ১৯১৩ চনত তেওঁ সক্ৰিয় ৰাজনীতিত যোগ দি ১৯১৯ চনত প্ৰথমে গুৱাহাটী মিউনিচিপেল ব'ৰ্ডৰ চেয়াৰমেন হয় আৰু পাছত কলিকতা হাইক'ৰ্টত ওকালতি কৰি থাকোঁতে ১৯২৩ চনৰ পৰা অসমৰ গৱৰ্ণৰৰ ব্যৱস্থাপক সভাৰ (Governor's Legislative Council) সদস্য হয় আৰু ১৯২৪ চনত অসমৰ মন্ত্ৰী হ'ল। পাছত ১৯৩৭ চনৰ পহিলা এপ্ৰিলৰ পৰা ১৯৪৬ চনৰ ৩১ মাৰ্চলৈ তেওঁ অসমৰ চাৰিবাৰ প্ৰধানমন্ত্ৰী হয়। ঔপনিৱেশিক কালৰ অসমৰ ৰাজনীতিত তেওঁ এজন পুৰোধা ব্যক্তি আছিল বুলি সকলোৱে স্বীকাৰ কৰে। ৰাজনীতিত নিজৰ স্থান অক্ষুণ্ণ ৰাখিবলৈ সাময়িকভাৱে মুছলিম লীগৰ নেতা হিচাপে ৰাজনীতি কৰিলেও ব্যক্তিগতভাৱে তেওঁ সাম্প্ৰদায়িক নাছিল। কিন্তু তেওঁৰ ৰাজনৈতিক উচ্চাকাংক্ষা আছিল আৰু সেয়ে নিজৰ নেতৃত্ব ৰক্ষা কৰিবলৈ তেওঁ সদায় ছিলেটৰ ক্ষমতাশালী মুছলিম লীগ 'লবী'(lobby)টোৰ প্ৰচণ্ড হেঁচাত থাকিব লগা হৈছিল।

ছাদুল্লা দ্বিতীয়বাৰ প্ৰধান মন্ত্ৰী হৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ কৃষিৰ উন্নয়নৰ বাবে (আৰু বহুতৰ মতে সেই সময়ত আহি থকা পূৰ্ববঙ্গৰ ঘাইকৈ মুছলমান বহিৰাগতক মাটিৰ পট্টন দিবৰ বাবে) 'ভূমি উন্নয়ন আঁচনি' (Land Development Scheme) হাতত লৈছিল। এই আঁচনিটোৰ মতে উপত্যকাটোৰ কোনো কোনো ঠাইৰ বিস্তৃত পতিত জমি ভূমিহীন খিলঞ্জীয়া লোক, ১৯৩৮ চনৰ আগতে অহা বহিৰাগত আদি বিভিন্ন জনগোষ্ঠীক

সুকীয়া সুকীয়াকৈ খণ্ড খণ্ডকৈ সামান্য মূল্যৰ বিনিময়ত ঘাইকৈ কৃষি আৰু বসবাসৰ বাবে দিয়া হ'ব।[২৬] ছাদুল্লাৰ এই পদক্ষেপটো কংগ্ৰেছ সদস্যসকলে সজোৰে বিৰোধিতা কৰিছিল আৰু আনকি তেওঁলোকে ছাদুল্লাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱো আনিছিল আৰু ইয়াক সাম্প্ৰদায়িক, উদ্দেশ্যপ্ৰণোদিত বুলিছিল।

'লাইন প্ৰথা' প্ৰসঙ্গত ছাদুল্লাই দ্বিতীয়বাৰ প্ৰধান মন্ত্ৰী হৈ অভিমত দিলে যে ১৯৩৭ চনৰ শেষৰফালে যি 'লাইন ছিষ্টেম এনকুৱাৰী কমিটি' পতা হৈছিল, সেই কমিটিয়ে বহিৰাগত বা খিলঞ্জীয়া কাকোৱেই সন্তুষ্ট কৰিব পৰাকৈ পৰামৰ্শ আগবঢ়াব নোৱাৰিলে। সেয়েহে তেওঁৰ মন্ত্ৰীসভাই তেতিয়াৰ বিধানসভাত থকা আটাইকেইটা জনগোষ্ঠীৰ সদস্যৰ উপস্থিতিৰে ১৯৪০ চনৰ মে' মাহত শ্বিলঙত এই প্ৰথা সম্পৰ্কে আলোচনা কৰিবলৈ এখন সৰ্বদলীয় আলোচনা সভা (Conference) পাতে। সুখৰ কথা, এই সভাত ইমান দিনে মতান্তৰ হৈ থকা কেইবাটাও বিষয়ৰ ক্ষেত্ৰত বহুখিনি বুজাবুজিত আহিব পৰা গ'ল। সভাৰ সিদ্ধান্তসমূহ চৰকাৰে ১৯৪০ চনৰ ২১ জুন তাৰিখে ৰাজহ বিভাগৰ প্ৰস্তাৱ নং ৩২৫২ হিচাপে প্ৰকাশ কৰিছিল।[২৭]

## সিদ্ধান্তকেইটা এনে আছিল ঃ

(১) বহিৰাগতৰ নতুন সংজ্ঞা ঃ বহিৰাগত (immigrant) মানে বঙ্গদেশৰ পৰা অসমত বসবাস কৰিবলৈ অহা হিন্দু বা মুছলমান বা উত্তৰ ভাৰত বা নেপালৰ পৰা অহা লোক। সুৰমা উপত্যকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিবলৈ অহা লোকক বহিৰাগত বুলি ধৰা নহ'ব।

(২) ভূমি উন্নয়ন আঁচনি ঃ (Land Development Scheme) ঃ প্ৰত্যেক জিলা বা মহকুমাৰ কৃষি উপযোগী পতিত ভূমিৰ ৩০ শতাংশ আছুতীয়াকৈ থৈ বাকী বিস্তৃত পতিত ভূমি উন্নয়ন আঁচনিৰ মাটি হিচাপে সামান্য মূল্যত উক্ত অভিবাসী আৰু ভূমিহীন থলুৱা কৃষকক দিয়া হ'ব। কোনো প্ৰকাৰৰ বেদখল সহ্য কৰা নহ'ব। বিকাশ আঁচনিৰ কাম এই উদ্দেশ্যে ৰখা মাটিবোৰৰ 50 শতাংশ দখল নোহোৱালৈকে চলি থাকিব।

(৩) ভূমিহীনৰ নতুন সংজ্ঞা ঃ পাঁচ বিঘাতকৈ কম মাটি থকা লোক। খিলঞ্জীয়াৰ ক্ষেত্রত অৱশ্যে মাটি পৰিয়ালেপতি ৫ বিঘা থাকিলেও যদি যথেষ্ট নহয়, তেন্তে তেওঁলোককো বিবেচনা কৰা হ'ব।

(৪) ম্যাদী পট্টা ঃ সেই সময়ত চলি থকা 'পাম-বসতি আঁচনি'ৰ (Colonization Scheme) মাটিৰ গৰাকীৰ যদি ৭০ শতাংশই ম্যাদী পট্টা বিচাৰে, তেন্তে তাক দিয়া যাব।

(৫) চৰকাৰে ১৯৩৭ চনৰ 'লাইন ছিষ্টেম এনকুৱাৰী কমিটি'ৰ পৰামৰ্শাৱলী পাছত বিশেষভাৱে বিবেচনা কৰিব।

এই সিদ্ধান্তকেইটা তেতিয়াৰ অসমৰ গৱৰ্ণৰে ৬-৩-৪২ তাৰিখে যথোচিত বুলি কৈছিল। এই সিদ্ধান্ত মতে ১৯৩৭ চনৰ পহিলা এপ্রিলৰ পাচত অহা বহিৰাগতসকলক বেদখলকাৰী বোলা হৈছে। 'লাইন' পাৰ হৈ অহাসকলকো বেদখলকাৰী বোলা হ'ব আৰু গৱৰ্ণৰৰ মতে এওঁলোকক উচ্ছেদ কৰা হ'ব। ছাদুল্লাৰ মন্ত্রীসভাই ৩ আগষ্ট ১৯৪০ তাৰিখে প্রচাৰ কৰা এটা প্রেছটোকাত উক্ত সিদ্ধান্তসমূহ 'ন্যায় নীতি' (Principle of Justice), 'তুমি নিজেও বাচি থাকা আৰু আনকো বাচিবলৈ দিয়া'ৰ (Live and let Live) নীতি আৰু 'সৰ্বসন্মতিক্রমে উপলব্ধ বুজাবুজি মনোভাবৰ ফল বুলি অভিহিত কৰিছে। মন্ত্রীসভাখনে এই সিদ্ধান্তসমূহ নিম্নোক্ত কাৰণত আগতে বলৱৎ থকা আইনতকৈ উত্তম বুলি কৈছে ঃ

(১) ১-১-৩৮ ৰপৰা বহিৰাগত অসমলৈ অহাত নিৰুৎসাহ কৰা হৈছে।

(২) পৰিয়ালেপতি মাথোন সৰ্বাধিক ৩০ বিঘাকৈ মাটি দিয়াৰ ব্যৱস্থা হৈছে।

(৩) ব্ৰহ্মপুত্র উপত্যকাৰ লব্ধ কৃষি উপযোগী ভূমিৰ ৩০ শতাংশ ভৱিষ্যৎ পুৰুষৰ বাবে সংৰক্ষণ কৰা হৈছে।

(৪) দখলীকৃত জমিৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্রহণ কৰা হৈছে।

(৫) 'লাইন প্রথা' সম্পৰ্কীয় আগৰ দ্ব্যৰ্থক বা অস্পষ্ট যিবোৰ উক্তি আছিল, যিবোৰে খিলঞ্জীয়াৰ অপকাৰ সাধিলেহেঁতেন, সেইবোৰ উক্তি আঁতৰোৱা হৈছে।

ছাদুল্লা কেবিনেটে ১৯৪০ চনৰ ৩ আগষ্টৰ প্ৰেছটোকাত এইটো আঙুলিয়াই দিছিল যে অভিবাসীসকল লাইন প্ৰথাত যদি কিবা প্ৰকাৰে ক্ষুণ্ণ হৈছে, তেওঁলোকে তেনে ভাব এৰি, যি খিলঞ্জীয়া লোকৰ গৃহভূমিক তেওঁলোকে নিজৰ কৰি লৈছে, সেইসকলৰ প্ৰতি থকা স্পষ্ট আৰু নিৰ্বিবাদ কৰ্তব্য হিচাপে তেওঁলোকৰ (খিলঞ্জীয়াসকলৰ) ঐতিহ্য-পৰম্পৰা আৰু আৱেগ-অনুভূতিলৈ নিজৰ (অভিবাসীসকলৰ) আচৰণৰ মাজেৰে সন্মান দেখুৱাই তেওঁলোকৰ সহানুভূতি আকৰ্ষণ কৰিব পৰা উচিত।[২৭]

উক্ত প্ৰস্তাৱত সন্নিৱিষ্ট কাৰ্যনীতি (Policy) অনুযায়ী চৰকাৰে উন্নয়ন ক্ষেত্ৰবোৰৰ (Development Areas) ভূমিৰ দখল তিনি প্ৰকাৰৰ লোকৰ মাজত দিবলৈ স্থিৰ কৰে ঃ

(ক) যিসকল বহিৰাগত ১৯৩৮ চনৰ পহিলা জানুৱাৰীৰ আগতে আহিছিল।

(খ) যিসকল লোকৰ মাটি ব্ৰহ্মপুত্ৰৰ খহনীয়াত জাহ গৈছে।

(গ) যিবোৰ পৰিয়াল 'লাইন'ৰ ভিতৰত থকা গাঁৱৰ পৰা উচ্ছেদিত হৈছে।

১৯৪০-৪১ চনৰ বাজেট অধিৱেশনত তদানীন্তন বিত্তমন্ত্ৰী চৈয়দুৰ ৰহমানে কৈছিল যে ১৯৪০ চনৰ মে' মাহৰ 'লাইন প্ৰথা' সম্পৰ্কীয় সিদ্ধান্তসমূহে ইমান দিনে তিক্ততা দি অহা বিষয়টোৰ এটা স্থায়ী আৰু সন্তোষজনক সমাধান দিলে। কিন্তু বৰপেটাৰ অভিবাসী বিধায়ক আব্দুল ৰৌফে ছাদুল্লাৰ চৰকাৰক কটু ভাষাৰে গৰিহণা দি কৈছিল যে 'চৰকাৰে আধা লাখ ম'হৰ বাবে ২০ লাখ বিঘা মাটি সংৰক্ষণ কৰিছে।' আনহাতে গোৱালপাৰাৰ বিধায়ক মতিঅ'ৰ ৰহমান মিঞাই কৈছিল যে 'ছাদুল্লাৰ শাসনত কোনো সন্তুষ্ট নহয়। তেওঁ মুছলিম লীগৰ ঘাগমাৰী অধিৱেশনত মৈমনচিঙীয়া বহিৰাগতক চাৰি মাহৰ ভিতৰত 'মাটি দিম' বুলি কৈছিল, কিন্তু 'নিদিলে'। এওঁলোকৰ লগতে ধুবুৰীৰ বিধায়ক আব্দুল হামিদ খান ভাচানিয়েও লাইন প্ৰথা থকাৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰিছিল।

ইয়াৰ পাছত উন্নয়ন খণ্ড (Development Block) কিছুমান চিহ্নিত কৰা হৈছিল যদিও ১৯৪২ চনৰ মাৰ্চলৈকে কোনো উন্নয়ন আঁচনি কাৰ্যকৰী কৰা হোৱা নাছিল, বৰঞ্চ আগৰ 'পাম-বসতি আঁচনি'খনেই (Colonization Scheme) চলি আছিল আৰু ১৯৪১ চনত মুঠ ৯৫২৭ বিঘা মাটিৰ দখলী স্বত্ব প্ৰদান কৰা হৈছিল।

১৯৪১ চনৰ ৯ ডিচেম্বৰত ছাদুল্লা মন্ত্ৰীসভাৰপৰা ৰোহিণী কুমাৰ চৌধুৰীয়ে মন্ত্ৰীপদ ইস্তফা দিয়াত ছাদুল্লা মন্ত্ৰীসভাৰ পতন হয় আৰু ২৫ ডিচেম্বৰত গৱৰ্ণৰ শাসন আৰম্ভ হয়। গৱৰ্ণৰ ছাৰ ৰবাৰ্ট নীল ৰীডে ছাদুল্লাৰ দিনৰ 'জমি উন্নয়ন আঁচনি'খন (Land Development Scheme) ৰহিত কৰে। এনে সময়তে সমগ্ৰ দেশ ভাৰত-ত্যাগ আন্দোলনে ছানি ধৰে। এই অৱস্থাত ১৯৪২ চনৰ ২৫ আগষ্ট তাৰিখে তৃতীয়বাৰৰ বাবে ছাদুল্লা অসমৰ প্ৰধান মন্ত্ৰী হয়। তেতিয়ালৈকে সমাধান নোহোৱা 'লাইন প্ৰথাৰ' সমস্যাটো তেওঁ পুনৰ হাতত তুলি লয় আৰু ১৯৪৪ চনৰ ১৬ ডিচেম্বৰ তাৰিখে এই সন্দৰ্ভত এখন সৰ্বদলীয় আলোচনা সভা পাতে, এইখনেই লাইন প্ৰথা সম্পৰ্কীয় শেষ সভা। ইয়াত আনবোৰ ৰাজনৈতিক দলৰ লগতে কংগ্ৰেছ দলেও গোপীনাথ বৰদলৈ প্ৰমুখ্যে অংশগ্ৰহণ কৰিছিল। এই সভাত নিম্নোক্ত প্ৰস্তাৱ ৭ টা সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হ'ল ঃ

১। গ্ৰেজিং ৰিজাৰ্ভত আৰু ভৱিষ্যতে কোনো পট্টন দিয়া নহ'ব।

২। গৰাখহনীয়াত বিধ্বস্ত বেদখলকাৰীৰ বাহিৰে আন সকলো বেদখলকাৰীয়ে বৰ্তমানৰ ঠাই ত্যাগ কৰি চৰকাৰে নতুনকৈ দিয়া মাটিলৈ যাব লাগিব।

৩। ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইকেইখন জিলাৰ বাবে একে ধৰণৰ জমি নীতি আৰু পট্টন (settlement) নীতি প্ৰৱৰ্তন হ'ব।

৪। প্ৰত্যেকখন জিলাতে ভৱিষ্যতৰ কৃষি আদিৰ প্ৰসাৰণৰ বাবে ৩০ শতাংশ মাটি সংৰক্ষিত হৈ থাকিব।

৫। নতুন পৰিকল্পনা মতে মাটিৰ পট্টন দিয়াৰ কাম শেষ হ'লে একচনীয়া পট্টাৰ সলনি পট্টাদাৰক ম্যাদী পট্টা দিয়া হ'ব।

৬। জনজাতীয় লোকৰ সুৰক্ষাৰ বাবে 'ট্ৰাইবেল বেল্ট' (Tribal Belt) সৃষ্টি কৰা হ'ব।

৭। জমি নীতি আৰু পট্টন নীতি সম্পৰ্কে চৰকাৰক উপদেশ-পৰামৰ্শ দিবলৈ প্ৰাদেশিক আৰু জিলাভিত্তিক স্থায়ী কমিটি (Standing Commmittee) গঠন কৰা হ'ব। (এইটোও ঠিক হ'ল যে প্ৰত্যেকখন জিলা কমিটিতে এজন কংগ্ৰেছৰ হিন্দু আৰু এজন মুছলিম লীগৰ মুছলমান সদস্য থাকিব।)

১৯৪৫ চনৰ ২৫ মাৰ্চত ছাদুল্লাই গোপীনাথ বৰদলৈ আৰু ৰোহিণী কুমাৰ চৌধুৰীৰ লগত বুজাবুজিৰে যি নতুন মন্ত্ৰীসভা গঠন কৰিলে, সেই মন্ত্ৰীসভাৰ চৰকাৰেই ওপৰৰ প্ৰস্তাৱসমূহ গ্ৰহণ কৰিলে আৰু ঠিক কৰিলে যে ওপৰত উল্লখ কৰা পৰিস্থিতিৰ বাহিৰে আন কোনো ক্ষেত্ৰতে কেতিয়াও বেদখল সহ্য কৰা নহ'ব। এই সিদ্ধান্তবোৰৰ গণ্ডীৰ ভিতৰত নপৰা সকলো বেদখলকাৰীকে অবিলম্বে উচ্ছেদ কৰা হ'ব। দৰাচলতে এই সন্দৰ্ভত চৰকাৰে ১৯৪৫ চনৰ ১৩ জুলাই তাৰিখে যাৱতীয় নিৰ্দেশ জাৰি কৰিছিলেই।

ইয়াৰ পাছত দেশে স্বাধীনতা পোৱাৰ আগৰ মাহকেইটাত দেশত যি ৰাজনৈতিক আলোড়ন হৈছিল, সেই আলোড়নত ছাদুল্লাৰ সৰ্বদলীয় মন্ত্ৰীসভা ভঙা গ'ল আৰু ১৯৪৬ চনৰ ৯ এপ্ৰিল তাৰিখে বৰদলৈৰ নেতৃত্বত অসমত কংগ্ৰেছ চৰকাৰ গঠিত হৈছিল। তাৰ পাছত বাৰিষা আহি পৰাত কংগ্ৰেছ চৰকাৰে বেদখলকাৰীসকলক উচ্ছেদ কাৰ্যপন্থা হাতত ল'ব নোৱাৰিলে। বাৰিষাৰ পাছত বেদখলকাৰীসকলৰ স্থিতি আৰু আন আন যাৱতীয় তথ্য-পাতি সংগ্ৰহ কৰা হয় মানে ১৯৪৭ চনৰ নিৰ্বাচন আহি পালেহি, গতিকে নিৰ্বাচন হৈ নোযোৱা পৰ্যন্ত উচ্ছেদ স্থগিত ৰখা হ'ল।

এইদৰে ছাদুল্লাই লাইন প্ৰথা আৰু পূৰ্ববঙ্গীয় বহিৰাগতৰ সমস্যাৰ 'সমাধান'ৰ যি প্ৰচেষ্টা হাতত লৈছিল, সি ইমানতে অন্ত পৰিল। মন কৰিবলগীয়া যে তেতিয়াৰ কংগ্ৰেছ চৰকাৰে ছাদুল্লাৰ চৰকাৰক বেদখলকাৰী বহিৰাগতক উচ্ছেদ নকৰাৰ বাবে একো দোষাৰোপ কৰা দেখা নগ'ল। সম্ভৱ

কেইবাটাও কাৰণে গাইগুটীয়াকৈ বা সমূহীয়াকৈ অসমৰ ৰাজনৈতিক দলবোৰৰ বহিৰাগতৰ আগমন আৰু ভূমি পট্টনৰ ওপৰত থকা মনোভাবৰ পৰিৱৰ্তনত প্ৰভাৱ পেলাইছিল ঃ প্ৰথমতে দেখা যায় যে ছাদুল্লাৰ শেষৰখন চৰকাৰ, য'ত উক্ত সিদ্ধান্তবোৰ লোৱা হৈছিল, সেইখন ছাদুল্লা-বৰদলৈ-ৰোহিণী চৌধুৰীৰ জোঁটবন্ধনৰ চৰকাৰ আছিল। দ্বিতীয়তে, তৎকালীন কংগ্ৰেছ চৰকাৰে সম্ভৱ নিৰ্বাচন ৰাজনীতিত বহিৰাগতৰ ক্ৰমবৰ্ধমান গুৰুত্ব উপলব্ধি কৰিছিল। তদুপৰি জাতীয় কংগ্ৰেছলৈ আদিৰেপৰা সহায়-সহযোগ আগবঢ়াই অহা মুছলমান সংগঠন 'জমিয়ত-উল-উলেমা-ই-হিন্দ'ৰ প্ৰভাৱো এইক্ষেত্ৰত নগণ্য নাছিল।

এইদৰেই কুৰি শতিকাৰ প্ৰথম অৰ্ধত অসমৰ ৰাজনীতি উত্তাল কৰা এটা 'ইছ্যু' প্ৰকৃততে কোনো চূড়ান্ত সমাধান নোহোৱাকৈ লাহে লাহে ইতিহাস হৈ পৰিল। কিন্তু লাইন প্ৰথা নানান বাধা-বিঘিনিৰ মাজেৰে আৰু ব্ৰিটিছ চৰকাৰৰ অনীহাৰ মাজত কিছুদূৰহে কাৰ্যকৰী হৈছিল যদিও ই বহুতো ক্ষেত্ৰত ভূমি বেদখল ৰুধিবলৈ সক্ষম হৈছিল।[২৮] ইয়াৰ অবিহনে আজিৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনবসতিৰ প্ৰতিৰূপ হয়তো পৃথক হ'লহেঁতেন। ০

## প্ৰাসঙ্গিক গ্ৰন্থপঞ্জী

১। সূৰ্য্য কুমাৰ ভূএগ -- স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ (প্ৰথম প্ৰকাশ, ১৯৭৫ চন), পৃষ্ঠা - ১৮৩

২। সূৰ্য্য কুমাৰ ভূএগ -- 'অসমৰ পদ্য বুৰঞ্জী' (দ্বিতীয় প্ৰকাশ, ১৯৬৪ চন), পৃষ্ঠা ১৪২

৩। আব্দুল হাজৰিকাৰ উপৰি পুৰুষৰ পৰা জনা গৈছে।

৪। ক) ড° মোহিনী কুমাৰ শইকীয়া --- "Assam Muslim Relation and its cultural Significance' (1st Pub-1978)- P.306

খ) আব্দুল ফাৰুক, নগাঁও-- ৰমজান খাঁৰ- পৰিনাতি।

৫। K.N. Dutta- The Land marks of the freedom Strugle in Assam'- p.20

৬। ক) বেণুধৰ কলিতা-- "ফুলগুৰিৰ ধেৱা" (প্ৰথম প্ৰকাশ, ১৯৬১) পৃ.-৫৫

খ) আবু চামা--"স্বাধীনতা সংগ্ৰামত নগাঁৱৰ মুছলমানসকলৰ অৱদান (প্ৰবন্ধ)

৭। ক) বেণুধৰ কলিতা -- পূৰ্বোক্ত পুথি, পৃ.-৫৪

খ) আবু চামা-- পূৰ্বোক্ত প্ৰবন্ধ।

৮। বেণুধৰ কলিতা- 'ফুলগুৰি ধেৱা' (প্ৰথম প্ৰকাশ, ১৯৬১), পৃ- ৬৯-৭৭

৯। আব্দুৰ ৰহমান-- 'অসমৰ মুছলমানসকল' পৃ-২৬১

১০। 'ৰাইজমেল'-- স্মৰণিকা, সৰ্থেবাৰী ৰাইজমেল শতবাৰ্ষিকী উৎসৱ।

১১। মেদিনী চৌধুৰী-- "লুইত বৰাক আৰু ইছলাম' পৃ-৬২

১২। ৰফিউল হুছেইন বৰুৱা --- 'মহান অসমীয়া' ছাৰ চৈয়দ ছাদুল্লা আৰু সমসাময়িক অসম (১ ম প্ৰকাশ, ১৯৯৫) পৃঃ- ৩

১৩। এদিনৰ সংবাদ --- ২১/০৫/২০১২, "ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান প্ৰসংগত এখন সম্পূৰ্ণ ইতিহাস লাগে।" ----(প্ৰবন্ধ)

১৪। Assam Govt.- file containing official correspondence from D.C. Nowgong. Dtd. 1.4.1913 to the Chief Secy. Mr. B.C. Allen through Mr. M.W. Kennedy (20.5.1913). File Revenue B. Progs. for June, 1913, Nos. 135-137.P.6 Subject : Immigration of Mymensingh Muhammadans into Nowgong Dist., State Archives, Dispur, Guwahati.

১৫। ASF No. Rev. A. Sept. 1928, No. 1-22, Government Note p.7

১৬। Assam Gezette, port VI A, 1925 pp 1388-1451. Debate on motion.

১৭। Bhuyan A.C. & De. S. (ed), 1978, Political History of Assam. Vol-II 1920-1939, Govt. of Assam, Guwahati.

১৮। Dutta, Anuradha, 1991, Assam in the Freedom Movement, Darbari Prokashan, Kolkata, N.P. Sales Private Ltd. Kolkata-700006

১৯। Goswami, Priyam, 2012, History of Assam from Yandabo to Partition, Orient Block Swam Pvt. Ltd. New Delhi-110002.

২০। Govt. of Assam, 1937, Report of the Line System Committee, Vol-II, Evidences, Govt. Press Shillong.

২১। Govt. of Assam, 1937, Questionnaire for the Line System Committee, Govt. Press, Shillong PP. 8-9.

২২। Govt. of Assam, 1938, Report of the Line System Committee, Vol-III, Govt. Press Shillong.

২৩। Govt. of India, 1911, 1931 & 1941, Census of India, Assam, New Delhi.

২৪। Guha, A. 1977, Planter's Raj to Swaraj, Freedom Struggle and Electoral Politics in Assam, Delhi.

২৫। Kar, Makhanlal, 1990, Muslims in Assam Politics, Om sons Publications, T-7 Rajouri Goardens, New Delhi.

২৬। Taher, Mohammed, 2012, Line system of Assam, in Aspects of Land Policy in Assam, (ed.) Vivekananda Kendra Instt. of Culture, Guwahati.

## ষষ্ঠ অধ্যায়

# অসমৰ মুছলমানৰ সামাজিক ভাগ

**মুহিউদ্দিন আহমেদ**

## ষষ্ঠ অধ্যায়

# অসমৰ মুছলমানৰ সামাজিক ভাগ

ইতিহাসৰ এছোৱা দীঘলীয়া কালত পৃথক পৃথক সূত্ৰে অসমলৈ আহি ইয়াত স্থায়ীভাৱে বাস কৰা মুছলমানসকলক অসমৰ সমাজ ব্যৱস্থাত তেওঁলোকৰ বৃত্তি, ভাষা-সংস্কৃতি আদিৰ পটভূমিত কেইটামান উপভাগত ভগোৱা হয়। সেইকেইটা হ'ল--- গৰীয়া, মৰীয়া, দেশী, জোলা, মণিপুৰী আৰু পূৰ্ববঙ্গীয় মূলৰ মুছলমান। তলত এই উপ-ভাগসমূহৰ এক সংক্ষিপ্ত পৰিচয় দাঙি ধৰা হ'ল।

### গৰীয়া

আগৰ আলোচনাত কোৱা হৈছে যে ত্ৰয়োদশ শতিকাৰ পৰা অসমত বন্দী হৈ ৰৈ যোৱা মুছলমান সৈন্য, পীৰ, ফকীৰ, আউলীয়া আদিৰ বংশধৰ, নামনি অসমত হুছেইন চাহ আৰু মকৰম খাঁৰ দ্বাৰা সংস্থাপিত মুছলমান, মুছলমান শাসনাধীন নামনি অসমলৈ কাষৰীয়া গৌড় ৰাজ্যৰ পৰা স্বেচ্ছাই অহাসকল, আহোম ৰজাৰ পৃষ্ঠপোষকতাৰে অহা কাৰিকৰী মুছলমান, স্থানীয় ধৰ্মান্তৰিত মুছলমান, এইসকলৰ বৃত্তি পৃথক হ'লেও ধৰ্মত সকলো এক। বৃত্তিগত ব্যৱধান কিছু থাকিলেও তেওঁলোকৰ ধৰ্মীয় উপাসনা পদ্ধতি আৰু সাজসজ্জা প্ৰায় একে। এইসকলৰ সৰহখিনিয়েই গৌড় দেশৰ পৰা বা গৌড় দেশৰ মাজেৰে অসমত প্ৰৱেশ কৰা লোক। সেই কাৰণে অসমৰ থলুৱা লোকে তেওঁলোকক গৌড়ীয়া বুলিছিল আৰু কালক্ৰমত এই গৌড়ীয়া অভিধাই গড়ীয়া বা গৰীয়া ৰূপ পালে।

আহোম ৰজাৰ পৃষ্ঠপোষকতাৰে অহা মুছলমানসকলৰ উপৰি বন্দী মুছলমান সৈন্যসকলৰ মাজতো কিছুমান কাৰিকৰী জ্ঞানপুষ্ট লোক আছিল। আহোম ৰজাৰ নিৰ্দেশেৰে সেইসকলক বাছি-বিচাৰি ভিন ভিন খেলত অন্তৰ্ভুক্ত কৰা হৈছিল। সেইদৰে ৰজাৰ পৃষ্ঠপোষকতাৰে অনাসকলকো তেওঁলোকৰ বৃত্তিৰ ভিত্তিত ভিন ভিন খেলত অন্তৰ্ভুক্ত কৰা হৈছিল। এইদৰে ভিন ভিন দায়িত্ব গ্ৰহণ কৰি পৃথক পৃথক খেলত অন্তৰ্ভুক্ত হোৱা আখৰকটীয়া, শিলাকটীয়া, পাৰ্চীপঢ়ীয়া, মুদ্ৰা সাঁচত মৰা, হিলৈ গঢ়া মন্ত্ৰী, খাৰঘৰীয়া, ৰহণ কৰা, গুণাকটীয়া, খনিকৰ, দৰ্জী, জোলা, কাৰ্চিপৰ, বনকৰা আদিৰ লগতে নবাব পীৰ-ফকীৰ আৰু সাধাৰণ মুছলমান কৃষক প্ৰজা এই আটাইকে ‘গৰীয়া’ বোলা হৈছিল। আনকি দৰং ৰাজ্যতো ৰাজপদ লাভ কৰা ঠাকুৰীয়া, চহৰীয়া, কটকী, পাটগিৰি, বাঢ়ৈ, ওজা আদিৰ উপৰি মুছলমান শাসনাধীন নামনি অসমৰ সিক্দাৰ, চৌধুৰী, তালুকদাৰ আৰু মুছলমান কৃষক প্ৰজা যিসকল মাতে-কথাই, সাজে-পাৰে, আহাৰে-আচাৰে সম্পূৰ্ণ থলুৱা কৃষ্টিত বিলীন হৈ গৈছে, সেই আটাইকে গৰীয়া বুলি কোৱা হয়। ধৰ্মান্তৰিতসকল গৌড়ৰ পৰা অহা লোক নহয় যদিও ইছলাম গ্ৰহণ কৰাৰ পাছত তেওঁলোক ইছলামীয় জামাত(সমাজ)ৰ অংশীদাৰ হৈ পৰে। তেওঁলোকৰ বিয়া-বাৰু, খোৱা-লোৱা সকলো গৰীয়া লোকৰ সৈতে হৈছিল। সম্ভৱ তেনে কাৰণতে থলুৱা অমুছলমান লোকে ধৰ্মান্তৰিতসকলকো গৰীয়া বুলিবলৈ ল’লে।

## চৈয়দ/দাৰন

অসমৰ মুছলমানসকলৰ এটা উল্লেখযোগ্য অঙ্গ হৈছে চৈয়দ বা দাৰনসকল। ওপৰত কোৱা হৈছে যে ভিন ভিন বৃত্তিয়াল লোকসকলৰ লগত সমসাময়িক অসমৰ পীৰ, ফকীৰ আউলীয়াসকলকো গৰীয়া অভিধাৰেই নামাঙ্কন কৰা হৈছিল। জিকিৰেই তাৰ সাক্ষী দিয়ে। ৰূপাই দা-ধৰাৰ চক্ৰান্তৰে চকু হেৰুৱাব লগা হোৱাৰ পাছত আজান ফকীৰৰ দুগালেৰে লোটক বৈ

থকা দেখি অস্বাভাৱিক বানপানীৰ উৎস অনুসন্ধান কৰিবলৈ যোৱা হাতী বৰুৱাই আজানৰ দুই ভাইক সুধিছিল-- "মাগি খাইছিলি গৰীয়া ফকীৰ ৰূপাইকনো কৰিলি কি?" তেতিয়া আন এজনে (সম্ভৱ ভাতৃ নবীয়ে) সমিধান দিছিল, "মাগি খাইছিলে গৰীয়া ফকীৰে ৰূপায়ে কড়ালে চকু।"[১]

অসমৰ অমুছলমানসকলৰ মাজত গৰীয়া বুলি পৰিচিত হ'লেও দাৰনসকলৰ অতীজৰে পৰা এটা সুকীয়া পৰিচিতি পৰিলক্ষিত হয়। আজান ফকীৰ আৰু তেওঁৰ সহযোগী ফকীৰকেইগৰাকীৰ পৰা উদ্ভূত বংশধৰসকলক অসমত 'দাৰন' বোলা হয়। আহোমৰাজপ্ৰদত্ত সন্মানীয় 'দেৱাং' শব্দৰ পৰাই 'দাৰন' হোৱা বুলি লেখক মুহিবুল হুছেইনে কয়। এই দাৰনসকল অসমৰ মুছলমানৰ ধৰ্মীয় গুৰু স্বৰূপ আছিল। মধ্যযুগৰ পৰা অসমৰ চহা মুছলমান সমাজ ব্যৱস্থাত দাৰনসকলে পুৰোহিতৰ সকলো ধৰ্মীয় কাজ-কৰ্ম সম্পন্ন কৰি আহিছিল। অসমৰ মুছলমানসকলক প্ৰকৃত ধৰ্মীয় পথেৰে আগবঢ়াই নিয়া, দাৰনসকলক 'চৈয়দ' গোষ্ঠীৰ লোক বুলিও কোৱা হয়। তেওঁলোকে নিজকে হজৰত মহম্মদৰ বংশধৰ বুলি পৰিচয় দিয়ে।[২] এই চৈয়দসকলৰ কোনোবা আহিছিল যুদ্ধবন্দীস্বৰূপে, কোনোবা মুছলমান শাসকৰ নিৰ্দেশ মানি নামনি অসমলৈ আৰু কোনোজন আহিছিল পীৰ, ফকীৰ, আউলীয়া, দৰবেছ স্বৰূপে ধৰ্মপ্ৰচাৰ কৰিবলৈ। পীৰ, ফকীৰ, আউলীয়াসকলৰ মাজৰ চাহ মীৰাণ বা আজান ফকীৰে লগত নবী, আব্দুলগণি খণ্ডকাৰ, চাৱাল আৰু চালেহ নামৰ আৰু চাৰিজন ফকীৰক সঙ্গী হিচাপে লৈ অসমত ইছলাম ধৰ্ম প্ৰচাৰ কৰি আছিল। আজান ফকীৰৰ মাহাত্ম্যত মুগ্ধ হৈ স্বৰ্গদেৱ গদাধৰ সিংহই তেওঁক 'দেৱাং' (দেৱতাৰ অঙ্গ দেৱাঙ্গ) বুলি কৈ মাটি-ভেটি দি স্বধৰ্ম চৰ্চা কৰি থাকিবলৈ মঠ সজাই দিছিল।[৩] এই 'দেৱাং' শব্দই পাছলৈ মানুহৰ মুখত 'দাৰন' হয়। সেয়া যিয়ে নহওক, আজান ফকীৰে নিজকে জিকিৰত 'দাৰন' বুলিহে পৰিচয় দিয়ে। সেই কাৰণে আজান চাহেবৰ পৰা বাঢ়ি অহা আঠ ঘৰ আৰু বাকী চাৰিজনৰ (এজন অবিবাহিত) পৰা বাঢ়ি অহা চাৰিঘৰ, মুঠ এই বাৰঘৰক অসমত "দাৰন" বোলা হৈছিল। ফলত পৰৱৰ্তী কাললৈ

আকৌ এই বাৰঘৰৰপৰা বাঢ়ি অহা উত্তৰসূৰীসকল সংখ্যাত বাঢ়ি যায়। সেই দিশৰ পৰা আজান ফকীৰ আৰু সহযোগী ফকীৰকেইগৰাকীৰ বংশধৰৰ বাহিৰে অসমত বসবাস কৰা চৈয়দ মাত্রেই 'দাৰন' হ'ব বুলি আমাৰ মনে নধৰে।

আজান চাহেবৰ দিনৰে পৰা এই দাৰনসকলক অসমৰ মুছলমানে যথেষ্ট মান-সম্ভ্ৰম কৰি আহিছিল। বিশেষকৈ আন মুছলমানে তেওঁলোকক ধৰ্মৰ গুৰু গণ্য কৰি আহিছিল। কাৰণ আনুষ্ঠানিক ধৰ্মচৰ্চাৰ সুবিধা নোপোৱা আৰু ইছলামীয় বিধি-বিধান পাহৰি যোৱা অসমৰ মুছলমানসকলক আৰু বিশেষকৈ ধৰ্মান্তৰ হোৱাসকলক এই দাৰনসকলে ধৰ্মীয় শিক্ষাদানৰ যোগেৰে ইছলামীয় বিধি-বিধান শিকাই তেওঁলোকক ইছলামৰ পথেৰে আগবঢ়াই নিছিল। গাঁওখনৰ মছজিদৰ ইমামতি কৰা, ধৰ্মীয় সকাম-নিকামত কোৰআন প্ৰমুখ্যে দোৱান-দৰূদ পঢ়া, বিবাহৰ বেলিকা নিকাহ সম্পন্ন কৰা, চুবাহী মাদ্ৰাছাত ল'ৰা-ছোৱালীক ধৰ্মীয় শিক্ষা দান কৰা, মৃতকৰ জানাজা কৰা, জীৱ-জন্তু হালাল কৰা, আনকি ধৰ্মীয় প্ৰশ্নক লৈ সৃষ্ট বিচাৰৰ বেলিকা ধৰ্মীয় বিধান ব্যক্ত কৰা, কোনোবা ঢুকালে জানাজা পঢ়োৱা আদি সকলো ধৰ্ম সম্বন্ধীয় কাজ-কৰ্মৰ গুৰি ধৰোঁতা আছিল এই দাৰনসকল। গাঁৱৰ মুছলমান ৰাইজৰ বাবে তেওঁলোকৰ মাজত (বা কাষৰ গাঁৱত) থকা দাৰনজন তেওঁলোকৰ সন্মানীয় গুৰু আছিল। সেয়ে গাঁৱলীয়া ৰাইজে তেওঁলোকক বৰ শ্ৰদ্ধা-ভক্তি কৰিছিল। শুনামতে গাঁৱলীয়া ৰাইজে তেওঁলোকৰ এই ধৰ্মীয় গুৰুজনাৰ মাটিত স্বেচ্ছাই হাল-কোৰ মাৰি খেতি কৰি দিছিল। সময়ত ধান চপাই দিয়াতো ৰাইজে তেওঁলোকক সহায় কৰিছিল। সম্ভৱ তেনে কাৰণতে দাৰনসকলে হাল-কোৰ বাব লগা নহৈছিল আৰু সমাজত এটা উচ্চস্থান লাভ কৰি আহিছিল।

গতিকে দেখা যায় যে অসমৰ দাৰনসকলে দূৰ অতীতৰ পৰা সৰ্বসাধাৰণ ৰাইজৰ শ্ৰদ্ধা-ভক্তি লাভ কৰাৰ উপৰি কেতিয়াবা ৰজাঘৰৰ পৰা

মাটি-ভেটি লাভ কৰি এক উচ্চস্থানত উপবিষ্ট হৈছিল আৰু সম্ভৱ সেই কাৰণে তেওঁলোকে নিজকে অন্য মুছলমানৰ পৰা কিছু পৃথক বুলি ভাবে। সা-সকাম, মিলাদ-মেহফিল, ভোজ-বিয়া, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান আদিত গৰীয়া মুছলমানসকলৰ সৈতে দাৰনসকলে মিলা-মিচা কৰে। কিন্তু আজি কিছুদিন আগলৈকে বৈবাহিক সম্বন্ধ স্থাপনৰ বেলিকা তেওঁলোক দাৰনৰ মাজতে বা চৈয়দৰ মাজতে আবদ্ধ থাকিবলৈ বিচৰা পৰিলক্ষিত হৈছিল। আজিকালি অৱশ্যে এই পাৰ্থক্য কমি অহা দেখা গৈছে। সি যি কি নহওক, এটা কথা সত্য যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ খিলঞ্জীয়া মুছলমানক ধৰ্মীয় পথেৰে আগবঢ়াই অনাৰ ক্ষেত্ৰত আগৰে পৰা দাৰনসকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছিল। পৰম্পৰাগতভাৱে এওঁলোকৰ বহু মহিলা পাকৈত শিপিনী।

## মৰীয়া

মৰীয়া নাম লৈ অসমলৈ কোনো মুছলমান অহা নাছিল। এটা বিশেষ বৃত্তিৰ ওপৰত ভিত্তি কৰি অসমত থাকি যোৱা যুদ্ধবন্দী মুছলমানসকলৰ একাংশক 'মৰীয়া' অভিধাৰে পৰিচয় দিয়া হয়। আগৰ আলোচনাত অৱগত কৰা হৈছে যে চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্বত তুৰ্বকক নিধন কৰাৰ পাছত তেওঁৰ এহাজাৰমান সৈন্যক বন্দী কৰি অনা হৈছিল। কিছু বুৰঞ্জীবিদে সেই বন্দী সৈন্যসকল পাঠান মুছলমান আছিল বুলি ক'ব খোজে। আহোম ৰাজ্যত এই মুছলমান বন্দীসকলক হাতীৰ ঘাঁহ যোগোৱা, হালবাই ধান খেতি কৰা আদি কামত নিয়োগ কৰা হৈছিল। কিন্তু এইবোৰ কামত বন্দীসব একেবাৰে অকামিলা আছিল। কোনো কামতে যোগ্যতাৰ পৰিচয় নাপাই অৱশেষত আহোম ৰজাই এই মুছলমান বন্দীহঁতক বন্দীত্বৰ পৰা মুক্ত কৰি দিছিল।

প্ৰকৃততে বন্দী মুছলমানসকল কৰ্মপটু খনিকৰ আছিল। তেওঁলোক পিতলৰ বাচন-বৰ্তন গঢ়াত বৰ নিপুণ আছিল। স্বদেশত তেওঁলোকে পিতলৰ

বাচন-বৰ্তন গঢ়ি, বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছিল। মানুহখিনিৰ প্ৰকৃত বৃত্তিৰ পৰিচয় নোপোৱা আহোম ৰজাই তেওঁলোকক ঘাঁহ কটা, হাল বোৱা, কোৰ মৰা আদি কামত নিয়োগ কৰাত তেওঁলোকে উক্ত কামবোৰ সমাধা কৰাত অপাৰগ হৈ পৰে; (অৱশ্যে উক্ত অপাৰগতা ইচ্ছাকৃত প্ৰদৰ্শনো হ'ব পাৰে।)

বন্দীত্বৰ পৰা মুক্তি লাভ কৰাৰ পাছত এই বন্দী মুছলমানসকলে তেওঁলোকৰ বৃত্তিমূলক জ্ঞানক সাৰোগত কৰি অসমত পিতল মৰিয়াই মৰিয়াই তাৰ পৰা সুন্দৰ সুন্দৰ কলহ, লোটা, চৰিয়া, ভোগজৰা, জগ, বঁটা, চাকি, আদি মানুহৰ দৈনন্দিন ব্যৱহাৰ্য অনেক পাত্ৰ গঢ়িবলৈ ধৰিলে। মানুহখিনিৰ এনে নিপুণতাই সমসাময়িক ৰজা-প্ৰজাৰ চিত্ত আকৰ্ষণ কৰিছিল। এওঁলোকৰ আগৰ বা পাছৰ বন্দী মুছলমানৰ কিছুসংখ্যকহে কাৰিকৰ আছিল। কিন্তু তুৰ্বকৰ সৈতে সংঘটিত যুদ্ধক্ষেত্ৰৰ পৰা বন্দী কৰি অনাসকলৰ প্ৰায় আটাইখিনিয়ে একেটা বৃত্তি গ্ৰহণ কৰি এনে দেখুৱালে যেন সেই সময়লৈকে নামনিত বন্দী হৈ থাকি যোৱা মুছলমানসকলৰ পৰা তেওঁলোক কিছু পৃথক। আহোম ৰাজ্যত তাৰ আগতে মুছলমানৰ বসবাস কমেইহে হৈছিল। গতিকে থলুৱা লোকে প্ৰথম যিখিনি বন্দী মুছলমান দেখিলে, তেওঁলোকৰ আটায়ে পুৰা-গধূলি পিতল মৰিয়াই মৰিয়াই বাচন-বৰ্তনকে গঢ়ি থাকে। ফলত থলুৱা লোকে সেই মানুহখিনিকে মৰিউৱা মানুহ বা মৰীয়া মানুহ বুলিবলৈ ল'লে।

এই মৰীয়াসকল মাতে-কথাই, সাজে-পাৰে, আহাৰ-পানীয়ে সম্পূৰ্ণ অসমীয়া কৃষ্টিত জাহ গৈছে। তেওঁলোক আন মুছলমানৰ পৰা পৃথক নহয়। কেৱল বৃত্তিৰ ওপৰত ভিত্তি কৰি তেওঁলোকে এটা সুকীয়া নাম পোৱাৰ বাবেহে তেওঁলোক গৰীয়াসকলৰ পৰা কিছু পৃথক যেন দেখা যায়। যুগ যুগ ধৰি এটা বৃত্তিত নিমজ্জিত হৈ থকা বাবে তেওঁলোক আৰ্থ-সামাজিকভাৱে পিছপৰা। সম্প্ৰতি তেওঁলোকৰ এটা চৰকাৰী উন্নয়ন পৰিষদ হৈছে আৰু তাৰ যোগেৰে তেওঁলোকৰ উত্তৰণৰ পথ প্ৰশস্ত হৈছে।

## দেশী

'দেশী' মুছলমানসকল অসমৰ খিলঞ্জীয়া লোক। অবিভক্ত গোৱালপাৰা জিলাত অৰ্থাৎ বৰ্তমানৰ গোৱালপাৰা, ধুবুৰী, বঙাইগাঁও, কোক্‌ৰাঝাৰ আৰু চিৰাং (আংশিক) জিলাত ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা বসবাস কৰি অহা মুছলমানসকলকে 'দেশী' মুছলমান বোলা হয়। পূৰ্বৰ শিতানত উল্লেখ কৰা হৈছে যে ত্ৰয়োদশ শতিকাৰ পৰা অবিভক্ত গোৱালপাৰা জিলাত (কমতাপুৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ অংশ) বসবাস কৰি আহিছে। বখটিয়াৰ খিলিজিৰ আগমনৰ বেলিকা (১২০৫-০৬) ইছলাম ধৰ্ম গ্ৰহণ কৰাসকলক লৈ পিছৰ দুটামান শতিকাত মুছলমান শাসনাধীন অঞ্চলত শাসক গোষ্ঠীৰ দ্বাৰা সংস্থাপিত আৰু স্বইচ্ছাৰে অহা মুছলমানসকলে বাস কৰিছিল। পঞ্চদশ শতিকাত ৰজা চক্ৰধ্বজে ৰুকুনুদ্দিন বাৰবাক চাহক ৰাজ্যৰ একাংশ এৰি দিয়াৰ লগতে নিজেও ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ বিষয়েও ওপৰত কৈ অহা হৈছে। যি সময়ত ৰাজ্যৰ ৰজাজনে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল, সেই সময়ত তেওঁৰ পৰিয়ালসহ প্ৰজাবৰ্গৰ কিছুৰেও ইছলাম ধৰ্ম গ্ৰহণ কৰাটো অস্বাভাৱিক নহয়। যোড়শ শতিকাৰ আদিভাগতে কামৰূপ-কমতাৰ বৃহৎ অংশ দখল কৰা হুছেইন চাহে গৌড়ৰ মুছলমান প্ৰজা আনি হাজোত উপনিৱেশ স্থাপন কৰাৰ বিষয়ে পুনৰ বহলাই কোৱাটো নিষ্প্ৰয়োজন। এইজনা হুছেইন চাহে অবিভক্ত গোৱালপাৰাৰ ৰঙামাটিত (বৰ্তমান পাণবাৰী) পকী মছজিদ, আহল-বহল ঈদগাহ, পকী কুঁৱা নিৰ্মাণ কৰাই দিয়া কাৰ্যই অঞ্চলটোত যে মুছলমান লোকৰ বসতি আছিল, তাৰে সম্ভেদ দিয়ে। অৰ্থাৎ গুৱাহাটী প্ৰমুখ্যে সমগ্ৰ নামনি অসম দীৰ্ঘদিনৰ বাবে মুছলমান শাসকৰ শাসনাধীন হৈ থকাৰ হেতু অবিভক্ত কামৰূপ আৰু অবিভক্ত গোৱালপাৰা জিলাত স্বাভাৱিকভাৱেই মুছলমান বসবাস ঘন হৈ পৰিছিল – "It was actually during this period of Mahammadan occupation of the Kamrupa and Goalpara region and particularly after the creation of the colony of the Afgan warrior in Hojo by

Husain Shah that a considerably large number of Muslims could find an opportunity for the first time to settle in the Kampura and Goalpara districts permanantly."[৪]

আকৌ মোগল আৰু কোচ ৰজাৰ মাজত ঘটা সংঘৰ্ষৰ ফলত মোগল সেনাপতি মকৰম খাঁই বন্দী কোচৰজা পৰীক্ষিতক বশ্যতা স্বীকাৰ কৰিবৰ বাবে দিল্লীৰ বাদশ্বাহৰ ওচৰলৈ পঠায় যদিও প্ৰত্যাৱৰ্তনৰ বেলিকা প্ৰয়াগত (এলাহাবাদত) পৰীক্ষিতৰ মৃত্যু হোৱাত তেওঁ ১৬১৩ খ্ৰীঃত সমগ্ৰ কোচ-হাজো দখল কৰি মোগল সাম্ৰাজ্যৰ সৈতে চামিল কৰে। আকৌ গৃহকন্দলৰ হেতু পৰীক্ষিতৰ বিৰুদ্ধে নিজে কৰতলীয়া হৈ মোগলৰ সহায় ভিক্ষা কৰা লক্ষীনাৰায়ণে শাসন কৰি থকা কোচবিহাৰো কেইবছৰমান পিছত মোগলে হস্তগত কৰে। এইদৰে সোতৰ শতিকাৰ প্ৰথমভাগতে সমগ্ৰ কোচৰাজ্য মোগলৰ হাতলৈ যায়। এনে অৱস্থাত দিশহাৰা হোৱা পৰীক্ষিতৰ ভায়েক বলিনাৰায়ণক আহোম ৰজা প্ৰতাপসিংহই সহায় কৰাত কোচ ৰাজ্যৰ পূবফালৰ অংশটো মোগলৰ হাতৰ পৰা পুনৰুদ্ধাৰ কৰি উক্ত অংশক দৰং ৰাজ্য নাম দি বলিনাৰায়ণক দৰঙৰ প্ৰথম ৰজা পতা হয়। সেয়া হ'লেও দৰং ৰাজ্যৰ বাহিৰে সমগ্ৰ কোচ ৰাজ্য ১৬৮২ খ্ৰীঃৰ ইটাখুলি ৰণলৈকে প্ৰায় ৭০ বছৰ কাল মোগল সাম্ৰাজ্যৰ অঙ্গ হৈ থাকে। মকৰম খাঁক এই নৱলব্ধ ৰাজ্যাংশৰ নবাব নিয়োগ কৰাত তেওঁ সীমান্ত সুৰক্ষাৰ বাবে দহ-বাৰ হাজাৰমান শক্তিশালী সৈন্য আনি সীমাঞ্চল হাজোত সংস্থাপিত কৰে। আনহাতে ইটাখুলি ৰণৰ পিছত যিহেতু মানাহ নদী আহোম ৰাজ্য আৰু মোগল সাম্ৰাজ্যৰ সীমা হৈ পৰিছিল, মানাহৰ পশ্চিমত অৱস্থিত অবিভক্ত গোৱালপাৰা জিলা ব্ৰিটিছৰ আগমনলৈকে ২০০ বছৰৰো অধিক কাল মোগলৰ সাম্ৰাজ্যৰ অঙ্গ হৈ থাকে। ফলত এই দুশ বছৰীয়া মুছলমান শাসকৰ দ্বাৰা শাসিত অবিভক্ত গোৱালপাৰালৈ মুছলমানৰ আগমন তথা বসবাস ইমানেই বেছি হৈছিল যে গোৱালপাৰা জিলাৰ মুঠ জনসংখ্যাৰ ভালেখিনি মুছলমান লোক হৈ পৰে।

এইদৰে দেখা যায় যে ১২০৫-০৬ খ্ৰীঃৰ পৰা ধৰ্মান্তৰিত, মুছলমান শাসকৰ দ্বাৰা থাপিত, অঞ্চলটোলৈ স্বইচ্ছাৰে অহা মুছলমান আদি কেইবাশতিকা ধৰি অবিভক্ত গোৱালপাৰা জিলাত আছে। তদুপৰি যুদ্ধক্ষেত্ৰৰ পৰা পলায়ন কৰা, বন্দী হোৱা, গৰমা কুঁৱৰীৰ সৈতে যৌতুকত পঠোৱা সকলো চাগৈ বাকীসকলৰ সৈতে বিলীন হৈ গ'ল। একালৰ কামৰূপ কমতাত, পিছত কোচ ৰাজ্যত, অৰ্থাৎ মোগলৰ দ্বাৰা দখলকৃত মোগল সাম্ৰাজ্যৰ ন-সংযোজিত অঞ্চলত কেইবাশতাব্দী ধৰি বসবাস কৰি অহা এই মুছলমানসকলৰ যিসকল অবিভক্ত কামৰূপ জিলাৰ অধীন হ'ল, তেওঁলোকে কামৰূপীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰিলে আৰু অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা মুছলমানসকলে তাৰ থলুৱা কোচ-ৰাজবংশী ভাষা-সংস্কৃতি গ্ৰহণ কৰিলে। অবিভক্ত গোৱালপাৰা জিলাত বাস কৰা মুছলমানসকলে নিজকে 'দেশী' অৰ্থাৎ দেশজ (থলুৱা) লোক বুলি পৰিচয় দিয়ে। এই মুছলমানসকল মোগলাধীন বঙ্গদেশৰ বাসিন্দা হৈ আহিছিল যদিও এই পুৰণা মুছলমানসকলে বঙ্গীয় ভাষা-সংস্কৃতিৰ পৰিৱৰ্তে অঞ্চলটোৰ থলুৱা কোঁচ-ৰাজবংশী ভাষা, গীত-মাত, আচাৰ-ব্যৱহাৰ, জনবিশ্বাস, বিবাহ প্ৰথা, কৃষি পদ্ধতি ইত্যাদিক একেবাৰে নিজৰ কৰি লৈছিল। এই মুছলমানসকল থলুৱা কৃষ্টি-সংস্কৃতিত ইমানেই সংপৃক্ত হৈ গৈছিল যে তেওঁলোকৰ একাংশ মহিলাই সৌসিদিনালৈকে বিয়া বা অন্য মাংগলিক কৰ্মৰ বেলিকা সেন্দূৰ ব্যৱহাৰ কৰিছিল। ৰহিমা বেৱা নামৰ এগৰাকী প্ৰায় ৭০ বছৰীয়া মহিলাই বিয়াত বা তাৰ পৰৱৰ্তী সময়ত সেন্দূৰ ব্যৱহাৰ কৰাৰ কথা ১৬-০৬-২০১১ তাৰিখে এই লেখকৰ আগত প্ৰকাশ কৰে। তেওঁলোকে গোৱালপৰীয়া কোঁচ-ৰাজবংশী কৃষ্টিক 'দেশী কৃষ্টি' আখ্যা দিয়ে। গোৱালপৰীয়া 'বিয়েৰ গীত'বোৰ (বিয়া নাম) নাচি নাচি অন্তৰ ঢালি গায়। এই লেখকৰ সন্মুখতে সু-লেখিকা কাছেমা খাতুনসহ তিনিগৰাকী মহিলাই নাচি নাচি 'বিয়েৰ গীত' পৰিৱেশন কৰিছিল (এগৰাকীয়ে নাচিছিল আৰু দুগৰাকীয়ে গাইছিল)। অৱশ্যে বৰ্তমান গোৱালপৰীয়া মুছলমান

মহিলাৰ মাজত সেন্দূৰৰ ব্যৱহাৰ নোহোৱা হৈছে। কিন্তু বাকী আটাইবোৰ 'দেশী কৃষ্টি' এই 'দেশী' মুছলমানসকলে আখৰে আখৰে গ্ৰহণ কৰি আহিছে। কেৱল সেয়ে নহয়, দেশী ভাষা-সংস্কৃতিৰ উত্তৰণৰ বাবেও চেষ্টা কৰি আহিছে।

উল্লেখ্য যে কেইবাটাও শতাব্দী ধৰি বঙ্গদেশৰ অঙ্গ আৰু মোগল শাসনাধীন হৈ থকা অবিভক্ত গোৱালপাৰা জিলাক শাসনৰ সুবিধার্থে ব্ৰিটিছ চৰকাৰে ১৮৭৪ খ্ৰীঃত মুখ্য আয়ুক্তৰ প্ৰদেশৰ অর্থাৎ অসমৰ অন্তৰ্ভুক্ত কৰাত অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰি অহা ৰাভা, বড়ো, মেচ, কোঁচ আৰু দেশী মুছলমানসকল অসমৰো খিলঞ্জীয়া অসমীয়া হৈ পৰে। বঙ্গদেশৰ অধীন হৈ থকাৰ বাবে বঙ্গীয় কৃষ্টিৰ সৈতে সাজসজ্জাৰ কিছু সাদৃশ্য থাকিলেও পৰৱৰ্তী কালত অহা পূৰ্ববঙ্গীয় কৃষকসকলৰ ভাষা-সংস্কৃতিৰ সৈতে 'দেশী'সকলৰ কোনো লোক-কৃষ্টিৰ পাৰ্থক্য মন কৰিবলগীয়া।

## জোলা

ইতিমধ্যে জোলা মুছলমানৰ আগমনৰ বিষয়ে আলোচনা কৰা হৈছে। চাহ শ্ৰমিকস্বৰূপে অসমলৈ অনা জোলা মুছলমানসকল বৰ্তমান দুটা শ্ৰেণীত বিভক্ত হোৱা পৰিলক্ষিত হয় - চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক। কিছুমান শ্ৰমিকে বৰ্তমানেও ভিন ভিন বাগিচাত কাম কৰি আছে। সেইসকলক চাহ-শ্ৰমিক জোলা মুছলমান আখ্যা দিব পৰা যায়। আনহাতে অসমৰ বহু শ্ৰমিকক বাগিচাৰ কামৰ পৰা ৰেহাই দিয়া হ'ল আৰু কিছুমানে স্বইচ্ছাৰেই বাগিচাৰ কাম এৰি অন্য খেতি-বাতি বা বেপাৰ-বাণিজ্য কৰি জীৱিকা অৰ্জন কৰিবলৈ লয়। এইসকলৰ কিছুমানে বাগিচাৰ সমীপতে অকণমান মাটি ক্ৰয় কৰি জীৱন নিৰ্বাহ কৰে আৰু কিছুমানে বাগিচাৰ পৰা আঁতৰি গৈ অন্য ঠাইত ঘৰ-দুৱাৰ সাজি লৈ জীৱন নিৰ্বাহ কৰি আহিছে। পূৰ্বতে চাহ শ্ৰমিক হিচাপে অনা আৰু পৰৱৰ্তী কালত বাগিচাৰ কামৰ পৰা আঁতৰি অহা শ্ৰমিকসকলক প্ৰাক্তন চাহ শ্ৰমিক বুলি কোৱা হয়। সেইদৰে

প্ৰাক্তন চাহ শ্ৰমিকৰ মাজৰ মুছলমানসকলক মুছলমান প্ৰাক্তন চাহ শ্ৰমিক বুলি কোৱা হয়। গোলাঘাটৰ দৰিয়া চাহ বাগিচাৰ প্ৰাক্তন চাহ শ্ৰমিক মঃ মিয়ামত আলীয়ে এই লেখকক ২৫-১২-২০০৮ তাৰিখে জনোৱা মতে ১৯৬০ চনত দৰিয়া বাগিচাৰ পৰা বহু শ্ৰমিকক কেৱল ৬০.০০ টকাকৈ এককালীন পেন্সন দি কামৰ পৰা অব্যাহতি দিয়া হয়।

জোলা মুছলমানসকলে প্ৰায় ডেৰ শতিকা ধৰি অসমত বসবাস কৰি আহিছে যদিও তেওঁলোকক বৃহৎ অসমীয়া সমাজখনৰ পৰা আঁতৰত চাহ বাগিচাৰ চৌহদত আবদ্ধ কৰি ৰখা হৈছিল। ফলত তেওঁলোক বহু অসমীয়া মানুহৰ অপৰিচিত হৈ ৰৈছে। বৰ্তমানলৈকে চাহ বাগিচাত কাম কৰি থকাসকল তেওঁলোকৰ পূৰ্ববৰ্তী ভাষা-সংস্কৃতিৰ মাধ্যমেৰেই জীৱন নিৰ্বাহ কৰি আহিছে। অৱশ্যে তেওঁলোকে অসমীয়া ভাষাৰ মাধ্যমতো আন অসমীয়াৰ সৈতে কথা-বতৰা পাতিব পাৰে। সাজ-পোছাকৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোকৰ পুৰুষসকলে লংপেণ্ট, হাফপেণ্ট, লুঙি, পায়জামা, কূৰ্তা আদি পৰিধান কৰে। মহিলাই শাৰী ব্যৱহাৰ কৰা দেখা যায়। সময়ৰ লগে লগে তেওঁলোকৰ সাজ-পোছাকৰো উত্তৰণ ঘটি আহিছে। অৱশ্যে প্ৰাক্তন চাহ-শ্ৰমিকসকলৰ কথা বেলেগ। তেওঁলোকে যিহেতু বহল অসমীয়া সমাজখনত মুকলিভাৱে বিচৰণ কৰিব পাৰে, তেওঁলোক মাতে-কথাই সাজে-পাৰে সম্পূৰ্ণ অসমীয়া হৈ আহিছে।

সম্প্ৰতি জোলা মুছলমানসকল শিক্ষা-দীক্ষাত বহু আগবাঢ়িছে। এওঁলোকে অসমীয়া মাধ্যমেৰে পঢ়া-শুনা কৰে আৰু অসমীয়া মুছলমানৰ লগত বিয়া-বাৰু কৰে। ইতিমধ্যে সামাজিক উত্তৰণ ঘটোৱাৰ মানসেৰে জোলা মুছলমানসকলৰ এটা ৰাজ্যিক গোট গঠন কৰা হৈছে। এই গোটৰ দ্বাৰা অসমত তেওঁলোকৰ মুঠ জনসংখ্যা জৰীপৰ ব্যৱস্থা কৰা হৈছে। এইসকলৰ মাজৰে বহুজনে শিক্ষা-দীক্ষা গ্ৰহণ কৰি বৰ্তমান চৰকাৰী, বেচৰকাৰী চাকৰিত মকৰল হ'ব পাৰিছে। ভাৰতৰে ঝাৰখণ্ডৰ পৰা অহা এই জোলা মুছলমানসকল অদূৰ ভৱিষ্যতে বৃহৎ অসমীয়া জাতিত বিলীন হৈ যোবাৰ প্ৰৱণতা লক্ষ্য কৰা যায়।

## মণিপুৰী মুছলমান

অসমৰ, অৰ্থাৎ বৰাক উপত্যকাত বসবাস কৰি অহা মণিপুৰী মুছলমানসকলৰ আগমনৰ বিষয়ে ওপৰত আলোচনা কৰা হৈছে। কেইবাটাও শতাব্দীজুৰি বৰাক উপত্যকাৰ কাছাৰ জিলাত বসবাস কৰি অহা মণিপুৰী মুছলমানসকলে নিজৰ মৌলিক ভাষা-সংস্কৃতি পালন কৰি আহিছে যদিও তেওঁলোকে বৰাক উপত্যকাৰ থলুৱা ভাষা-সংস্কৃতিকো আদৰি লৈছে।

তেওঁলোকৰ বহুতৰ শাৰীৰিক গঠন মঙ্গোলীয় ঠাচৰ। পুৰুষসকলে আন পুৰুষৰ দৰে লংপেণ্ট-চাৰ্ট আদি পৰিধান কৰে যদিও মহিলাসকলে মণিপুৰী সাজ-পোছাক ব্যৱহাৰ কৰে আৰু বহুতে বোৰ্খাও পৰিধান কৰে বুলি এই লেখকক জনোৱা হৈছে। অৱশ্যে স্বকীয় ভাষা-সংস্কৃতি সম্পূৰ্ণ এৰি নিদিলেও বৰাক উপত্যকাৰ মণিপুৰী মুছলমানসকলে দেহ-মন অসমৰ প্ৰতিয়েই সমৰ্পণ কৰে। এওঁলোকে নিজৰ মাজতে বিয়া-বাৰু কৰে আৰু মণিপুৰী আৰু বাংলাভাষাত পঢ়া-শুনা কৰে।

## পূৰ্ববঙ্গীয় মূলৰ মুছলমান

প্ৰকৃততে অসমৰ মুছলমানৰ মুঠ জনসংখ্যাৰ সিংহভাগ হৈছে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বাস কৰা পূৰ্ববঙ্গীয় মূলৰ মুছলমানসকল। পূৰ্ববঙ্গীয় মূলৰ হ'লেও বৰাক উপত্যকাৰ মুছলমান আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰাসকলৰ মাজত বসতিকালৰ তাৰতম্য প্ৰবল। আগৰ আলোচনাত উল্লেখ কৰা হৈছে যে বঙ্গীয় ভাষা-সংস্কৃতিৰ গৰাকী হ'লেও বৰাক উপত্যকাৰ মুছলমানসকল উপত্যকাটোত ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা বসবাস কৰি অহা লোক। উক্ত উপত্যকাত অসমৰ থলুৱা ভাষা-সংস্কৃতিৰ ব্যৱহাৰ একেবাৰে সেৰেঙা হোৱাৰ বাবে আৰু লগতে এটা বৃহৎ অঞ্চল পূৰ্বৰ পৰা বঙ্গদেশৰ অঙ্গ হৈ থকাৰ বাবে মানুহখিনিৰ মাজত বঙ্গীয় ভাষা-সংস্কৃতিৰ প্ৰচলন অধিক। আনহাতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূৰ্ববঙ্গীয় লোকসকলৰ অতি কমসংখ্যক ঢাকাৰ ফালৰ পৰা ঊনবিংশ শতিকাত, অধিকাংশই কুৰি

শতিকাত আগমন কৰা লোক। তেওঁলোকৰ বসতিকাল বৰ দীঘলীয়া নহয়। তথাপি এই পূৰ্ববঙ্গীয় মূলৰ লোকসকলে অসমীয়া ভাষা-সংস্কৃতিকে গ্ৰহণ কৰি আহিছে। অৱশ্যে তেওঁলোকৰ সংখ্যা অতি অধিক হোৱাৰ বাবে আৰু একো একোটা অঞ্চলজুৰি তেওঁলোকে আছুতীয়াকৈ বাস কৰিবলৈ লোৱাৰ বাবে, স্বাভাৱিকতে তেওঁলোকৰ মাজত বহুখিনি পূৰ্ববঙ্গীয় ভাষা-সংস্কৃতি প্ৰচলিত হৈ আছে।

অসমত বসবাস কৰি অহা পূৰ্ববঙ্গীয় মূলৰ মুছলমানসকলক যোৱাটো শতিকাৰ সত্তৰৰ দশকমানত 'ন-অসমীয়া' নামেৰে নামাংকন কৰা হৈছিল যদিও বহু বিতৰ্কৰ সন্মুখীন হোৱাত সেই নামে স্থায়িত্ব লাভ কৰিব নোৱাৰিলে। বহুতে এইসকল মুছলমানক 'অভিবাসী' অসমীয়া বুলি কোৱা দেখা যায়। তদুপৰি তেওঁলোকক 'পূৰ্ববঙ্গীয়', 'পমুৱা', 'চৰ-চাপৰিবাসী' ইত্যাদি অভিধাৰেও পৰিচয় দিয়া দেখা যায়। আকৌ বহুতো লোকে 'মিঞা মুছলমান' বুলি তেওঁলোকক চিহ্নিত কৰে।

আমি জনাত 'মিঞা' এটা সন্মানীয় সম্বোধনবাচক শব্দ। এই শব্দৰ অসমীয়া অৰ্থ হ'ল- 'ডাঙৰীয়া'। সম্ভৱ এওঁলোকে এজনে আনজনক সন্মান জনাই 'মিঞা' বুলি সঘনে সম্বোধন জনোৱা দেখি প্ৰয়োজনৰ বেলিকা থলুৱা লোকসকলেও তেওঁলোকক 'মিঞা' বুলিবলৈ লৈছিল। এনেদৰে মাতোতে মাতোতে অৱশেষত এনে হ'ল যেন 'মিঞা' গোটেই পূৰ্ববঙ্গীয় মুছলমানসকলৰ এটা সম্প্ৰদায়ভিত্তিক বা জনগোষ্ঠীভিত্তিক নামহে। অৱশ্যে অসমত 'মিঞা' শব্দটোৰ সন্মানসূচকভাৱে ব্যৱহাৰ কৰা হয় যেন বোধ হয়। আশা কৰা যায় অদূৰ ভৱিষ্যতে অসমৰ পূৰ্ববঙ্গীয় মূলৰ লোকসকলৰ বাবে এটা সৰ্বজনস্বীকৃত সন্মানসূচক নাম প্ৰচলনলৈ আহিব।

পূৰ্ববঙ্গীয় লোকসকলৰ আগমনৰ ফলত এফালে অসমৰ প্ৰাকৃতিক সৌন্দৰ্য কিছু বিনষ্ট হ'ল, আনফালে অসমৰ শ শ একৰ অনাবাদী মাটিক আবাদী কৰি শস্য-শ্যামলা কৰি তোলাত অসমৰ অৰ্থনীতিৰ বহু উত্তৰণ ঘটিল। তেওঁলোকৰ দ্বাৰা সম্পন্ন হোৱা কৃষিকাৰ্যই অসমত এটা সেউজ

বিপ্লৱৰ সৃষ্টি কৰিলে। কিন্তু একে সময়তে জনবৃদ্ধিৰ ফলত ভূমিভাগৰ ওপৰত জনচাপ বাঢ়ি গৈছে আৰু প্ৰাকৃতিক পৰিৱেশ দ্ৰুতগতিত বিনষ্ট হৈছে।

কৃষ্টিগত দিশত দেখা যায় যে যিদৰে অসমৰ গৰীয়া মুছলমানসকলে এই দেশত নিগাজীকৈ বসবাস কৰিবলৈ লোৱাৰে পৰা স্বকীয় কৃষ্টি বহু ত্যাগ কৰি আৰু বহু থলুৱাৰ সৈতে মিলাই দি অসমৰ থলুৱা কৃষ্টিকে নিজৰ বুলি আঁকোৱালি লৈ অসমীয়া জাতিসত্তাত বিলীন হৈ গৈছিল, সেইদৰে অসমৰ, বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূৰ্ববঙ্গীয় মূলৰ মুছলমানসকলেও বঙ্গদেশীয় ভাষা-সংস্কৃতি এৰি অসমৰ থলুৱা ভাষা-সংস্কৃতিক আঁকোৱালি লোৱাৰ চেষ্টা কৰা দেখা যায়। অৱশ্যে তেওঁলোক ঘাইকৈ আওহতীয়া দুৰ্গম অঞ্চলত বাস কৰিবলগীয়া হোৱাত তেওঁলোকৰ বহু লোক থলুৱা অসমীয়াৰ সান্নিধ্যৰপৰা বঞ্চিত হ'ব লগা হোৱাৰ বাবে অসমীয়া ভাষা-সংস্কৃতিৰ অনুকূলনত কিছু পলম হৈছে। তত্ৰাচ, ভিতৰুৱা গাঁৱত বসবাস কৰাসকলে ঘৰত বাঙালী ভাষাৰ মাধ্যমত কথা-বাৰ্তা হ'লেও বা বহুতে পূৰ্বৰ সাজপাৰ গ্ৰহণ কৰিলেও, অসমীয়া ভাষাকেই মাতৃভাষা হিচাপে মানি নিজৰ ল'ৰা-ছোৱালীক অসমীয়া ভাষাৰ মাধ্যমত শিক্ষা আহৰণ কৰায়। উল্লেখ্য যে হাজাৰ হাজাৰ পূৰ্ববঙ্গীয় মুছলমানে একেটা অঞ্চলত একেলগে বাস কৰি থাকিলেও তেওঁলোকে অসমত কোনোকালে বাংলা ভাষাৰ মাধ্যমৰ স্কুল স্থাপন কৰা নাই, আৰু কৰিবলৈ নিবিচাৰে। বৰং তেওঁলোকে অসমৰ চুকে-কোণে শতাধিক অসমীয়া মাধ্যমৰ স্কুল স্থাপন কৰি অসমীয়া ভাষাৰ মাধ্যমত শিক্ষা দান আৰু শিক্ষা আহৰণৰ ব্যৱস্থা কৰি আহিছে। ১৮৮৫ চনত অসমলৈ আহি নগাঁও জিলাৰ আলিটাঙনিত বসতি কৰা ওচমান আলি সদাগৰে ১৯০২ চনতে অসমীয়া মাধ্যমৰ মক্তৱ (বিদ্যালয়) স্থাপন কৰে আৰু ১৯১০ চনত এই শিক্ষানুষ্ঠানটোৱে আলিটাঙনি মক্তৱ হিচাপে স্বীকৃতি লাভ কৰে। তাতেই তেওঁ ১৯২৪ চনত মজলীয়া বিদ্যালয় আৰু ১৯৩৭ চনত ওচমানীয়া উচ্চ বিদ্যালয় স্থাপন

কৰে। বহুতে অসমীয়া মাধ্যমৰ স্কুল, কলেজ দান দিছে। হোজাইৰ আব্দুল হাচিব হাইস্কুল, ডবকাৰ হাজী আনফৰ আলী কলেজ, আগতে উল্লেখ কৰা উত্তৰ নগাঁৱৰ ওচমানীয়া হাইস্কুল আদি তাৰ জ্বলন্ত সাক্ষী। তদুপৰি তেওঁলোকৰ মাজৰে কোনোজনে ৰাইজৰ সাহায্যাৰ্থে হাস্পতাল, ক্লাবঘৰ আদিও নিৰ্মাণ কৰাই দিছে। কোনোৱে শিক্ষানুষ্ঠানলৈ মাটিকে দান দিছে। এইবোৰ দেখি এনে ভাব হয় যেন এই মানুহখিনিৰ অন্তৰত হাড়ে-হিমজুৱে অসমীয়া হোৱা ভাব এটা সজীৱ হৈ আছে। আশা কৰা যায় শিক্ষা-দীক্ষাৰ সম্প্ৰসাৰণৰ লগে লগে তেওঁলোকৰ সমাজ সকলো প্ৰকাৰে উন্নত হ'ব।

মন কৰিবলগীয়া যে পূৰ্ববঙ্গীয় মুছলমানসকলৰ শতাধিকে অসমীয়া সাহিত্য-চৰ্চা কৰি শতাধিক কিতাপ, আলোচনী প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বৰঙণি যোগাই আহিছে। বহুজনে ক্ৰীড়া জগতত সুনাম অৰ্জন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। আনকি নিৰক্ষৰতাৰ অমানিশাই ঢাকি ৰখা কালতো এইসকল পূৰ্ববঙ্গীয় মূলৰ মুছলমানৰ মাজৰ পৰা বহুজনে ভাৰতৰ স্বাধীনতা ৰণতো জঁপিয়াই পৰিছিল। অসম চৰকাৰৰ স্বীকৃত মুক্তিযোদ্ধা নগাঁও কামপুৰৰ মৰহুম সমীৰুদ্দিন আহমদ, চৰকাৰৰ স্বীকৃত মুক্তিযোদ্ধা নগাঁও জুৰীয়া অঞ্চলৰ ইচাহক কাচিমি, স্বীকৃত মুক্তিযোদ্ধা নগাঁও ৰূপহীৰ ইছমাইল হুছেইন আদি পূৰ্ববঙ্গীয় মূলৰে মুছলমান।

সম্প্ৰতি পূৰ্ববঙ্গীয় মূলৰ মুছলমানসকলৰ মাজত ক্ষিপ্ৰতাৰে শিক্ষাৰ বিস্তাৰ ঘটা পৰিলক্ষিত হয়। তেওঁলোকৰ মাজৰ পৰা শ শ পুৰুষ-মহিলা চৰকাৰী চাকৰিত মকৰল হৈছে। আমি ভাবোঁ পূৰ্ববঙ্গীয় মূলৰ মুছলমানসকলৰ বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকসকলৰ দৈন্য হ্ৰাস পালেই শিক্ষাৰ সম্প্ৰসাৰণ আৰু বেছি খৰতকীয়া হ'ব আৰু তেতিয়া এই লোকসকল অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিৰ সৈতে একাত্ম হৈ পৰিব। মন কৰিবলগীয়া যে পূৰ্ববঙ্গীয় অভিবাসী মুছলমানসকল ধৰ্মপ্ৰাণ লোক। ধৰ্মৰ নীতি অনুযায়ী তেওঁলোকে সাজসজ্জা পৰিধান কৰিবলৈ যত্ন কৰে আৰু সৰুৰে পৰা ধৰ্মীয় শিক্ষা ল'বলৈ চেষ্টা কৰে। গতিকে চৰাঞ্চলত মক্তব-মাদ্ৰাছা অধিক সংখ্যাত

স্থাপন কৰা হয়। তেওঁলোকৰ তিৰোতাৰ মাজত বোৰ্খাৰ প্ৰচলনো অধিক। তেওঁলোকৰ মাজত যুৱক-যুৱতীৰ কম বয়সতে বিয়া-বাৰু হোৱা দেখা যায়। এইটো শিক্ষাৰ অভাৱৰ কুফল। কাৰণ তেওঁলোকৰ শিক্ষিত যুৱক-যুৱতীসকলে আজিকালি উপযুক্ত বয়সত বিয়া পতা দেখা গৈছে। গ্ৰামাঞ্চলত তেওঁলোকে তেওঁলোকৰ পৰম্পৰাগত প্ৰথাৰে বিয়া পাতে। আনহাতে নগৰ-চহৰত তেওঁলোকৰ বিয়া-বাৰু অন্যান্য লোকৰ বিয়া-বাৰুৰ দৰেই পতা দেখা যায়। ধুবুৰী, গোৱালপাৰা, মৰিগাঁও আৰু নগাঁও জিলাত শিক্ষিত বা ব্যৱসায়ী পূৰ্ববঙ্গীয় মূলৰ ল'ৰা-ছোৱালীৰ অসমৰ থলুৱা মুছলমান ল'ৰা-ছোৱালীৰ লগত বিয়া-বাৰু হোৱা আজিকালি দেখা গৈছে।

সামৰণিত উল্লেখ্য যে পূৰ্ববঙ্গীয়সকলৰ মাজৰে এভাগ লোকক লোকপিয়লত 'মাইমল' বা নদীয়াল বুলি চিনাক্ত কৰা হৈছে। কিন্তু আমাৰ অনুসন্ধানৰ বেলিকা নিজকে মাইমল বুলি পৰিচয় দিয়া লোক পোৱা নগ'ল। তথাপি আনৰ মুখৰ পৰা আমি জানিব পাৰোঁ যে নদীত মাছ মৰাটোৱেই মাইমলসকলৰ মূল জীৱিকাৰ উৎস। মাইমলসকলৰ বিষয়ে অধিক জনা হোৱা নাই। ০

প্ৰসঙ্গ পুথি

১। চৈয়দ আব্দুল মালিক-- অসমীয়া জিকিৰ আৰু জাৰী, (প্ৰথম প্ৰকাশ, ১৯৫৮ চন) পৃষ্ঠা-১৩৬

২। Irshad Ali 1994 : Social Groups among the Assamese Muslims Bulletin of the Dept. of Anthropology Gauhati University, VIII, pp 6-13

৩। মুহিবুল হুছেইন --- হজৰত আজানপীৰ, (তৃতীয় প্ৰকাশ, ১৯৭৯ চন) পৃষ্ঠা -১৫

৪। M. Saikia--- Assam Muslim Relation and its Cultural Significance (1st Pub. 1998) P-182

## সপ্তম অধ্যায়

# অসমৰ মুছলমান ঃ সমাজ আৰু সংস্কৃতি

**অধ্যাপক ছাজিদুল হক বৰবৰা**

## সপ্তম অধ্যায়

# অসমৰ মুছলমান ঃ সমাজ আৰু সংস্কৃতি

ইতিমধ্যে আলোচনা কৰা হৈছে যে খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে অসমবাসী আৰু মুছলমান শক্তিৰ মাজত ঘটা বিভিন্ন সম্পৰ্কৰ ফলত ইছলাম আদৰ্শই অসমত গা কৰি উঠিছিল। গিয়াছুউদ্দিন আউলীয়া, আজান ফকীৰ আদিৰ দৰে বৰেণ্য ইছলাম আদৰ্শৰ অগ্ৰদূতসকলৰ পৃষ্ঠপোষকতাতে আৰু কালক্ৰমত অসমৰ সামাজিক আৰু সাংস্কৃতিক ভেটি নিৰ্মাণৰ বেলিকা এইসকলৰ অৱদান হৈ পৰিল অসমৰ অন্যতম উমৈহতীয়া আৰু এৰাব নোৱৰা অস্তিত্বৰ সম্পদ। এই অধ্যায়ত আমাৰ আলোচনাৰ প্ৰধান বিষয় যিহেতু অসমৰ মুছলমানসকলৰ “সমাজ-সংস্কৃতি”, অৱস্থা, সেয়ে এই নিবন্ধৰ পৰৱৰ্তী দফাসমূহত এই বিষয়ে বিশেষ গুৰুত্ব প্ৰদান কৰাৰ চেষ্টা কৰা হ’ব।

### পশ্চাদপট

মানৱ প্ৰজাতিৰ বুৰঞ্জী গগনচুম্বী। আদিম কালৰে পৰা মানুহে এফালৰ পৰা সিফাললৈ ঘূৰি ঘূৰি পৃথিৱীৰ চৌদিশ চলাথ কৰি ফুৰিছিল ভিন্ন সময়ত একোটা উদ্দেশ্য আগত ৰাখি। পুৰণি কামৰূপ মুলুকলৈও বিভিন্ন সময়ত বিভিন্ন পথেৰে বিভিন্ন কাৰণত বিভিন্ন মানৱ গোষ্ঠীৰ প্ৰব্ৰজন ঘটিছিল। প্ৰাক-ঐতিহাসিক কালৰ পৰা অসমলৈ হোৱা জনপ্ৰৱাহক যি এঘাৰটা ভাগত ভাগ কৰা হৈছে, তাত অষ্ট্ৰ’-এছিয়াটিক, তিবেত’-বাৰ্মান আৰু ইণ্ডো-এৰিয়ানসকলৰ হিন্দুসকলৰ পিছতেই ইছলাম ধৰ্মাৱলম্বীৰ

প্ৰৱাহে স্থান পাইছে। ইয়াৰ নিৰ্ভৰযোগ্য প্ৰমাণ হিচাপে আমি উত্তৰ গুৱাহাটীৰ 'কানাই বৰশীবোৱা' শিলালিপিলৈ আঙুলিয়াব পাৰোঁ। এই শিলালিপিৰ মতে ১১২৭ শক (১২০৬ খ্ৰীঃ)ৰ চ'ত মাহৰ ১৩ তাৰিখে কামৰূপৰ সৈন্যৰ হাতত 'তুৰস্কা'সকল অৰ্থাৎ তুৰ্কীসকল ধ্বংসপ্ৰাপ্ত হয়। এই বিপৰ্যয়ৰ পাছত ভালেসংখ্যক পৰাজিত সৈনিক কামৰূপত যুদ্ধবন্দী হিচাপে থাকি গৈছিল আৰু তেতিয়াৰ পৰাই সংমিশ্ৰিত ৰূপত প্ৰাচীন কামৰূপত মুছলমান বসতি আৰম্ভ হোৱাৰ কথা অনুমান কৰিব পাৰি যদিও অসমত ইছলাম ধৰ্মৰ বহলভাৱে সূচনা হয় ১২৫৭ খ্ৰীঃ গৌড় (বঙ্গ) দেশৰ ৰজা মালিক উজবেকে অসম আক্ৰমণ কৰা সময়ৰ পৰা। সমসাময়িক বুৰঞ্জী লেখক মিন্হাজউদ্দিনৰ বিৱৰণৰ পৰা জনা যায় যে মালিক উজবেক তুগ্ৰিল খানে কামৰূপ-কমতাৰ বিৰুদ্ধে যুদ্ধত জয়ী হৈ তেওঁলোকৰ সাফল্য উদ্‌যাপনৰ হেতু ৰাজধানী কামৰূপ নগৰত (উত্তৰ গুৱাহাটী) এটি মছজিদ সজায় আৰু অসমত পোনপ্ৰথমবাৰৰ বাবে শুকুৰবাৰৰ সমূহীয়া নামাজৰ (জুম্মা নামাজৰ) সূচনা কৰিছিল। মিন্হাজউদ্দিনৰ মতে দেশখনত সেই সময়লৈকে অৰ্থাৎ ১২৫৬-৫৭ খ্ৰীষ্টাব্দপৰ্যন্ত ইছলাম ধৰ্মৰ প্ৰভাৱ বা প্ৰচলনৰ কোনো চিন দেখিবলৈ পোৱা নগৈছিল। মিনহাজউদ্দিনে তেওঁৰ 'তবাকৎ-ই-নাচিৰি'ত লিখিছে, "The reading of the Khutba and Friday religious services were instituted and the sign of the people of Islam appeared there"[১] ত্ৰয়োদশ শতিকাৰ পৰা আৰম্ভ কৰি সপ্তদশ শতিকাৰ শেষভাগলৈকে বহুবাৰ মুছলমানসকলে অসম আক্ৰমণ কৰে। আক্ৰমণকাৰী মুছলমান শাসক আৰু সেনাধ্যক্ষসকলে অসমত প্ৰৱেশ কৰি বিভিন্ন উপযুক্ত ঠাইত তেওঁলোকৰ সৈন্যবাহিনীৰ ছাউনী পাতিছিল আৰু এই ছাউনীসমূহৰ ওচৰ-পাঁজৰে একোটিকৈ মছজিদ সজাই লৈছিল। এইদৰে মুছলমান আক্ৰমণে অসমত ইছলাম ধৰ্মাৱলম্বীৰ সংখ্যা বৃদ্ধি কৰাৰ লগে লগে অসমত ইছলাম ধৰ্ম প্ৰসাৰ আৰু দৃঢ় কৰাত সহায় কৰিছিল।

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগতে আহোম সাম্ৰাজ্য প্ৰতিষ্ঠা হৈছিল যদিও খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষলৈকে কোনো মুছলমান

আক্ৰমণকাৰীয়ে আহোমসকলৰ লগত সংঘাতলৈ অহা নাছিল। ১৫২৭ খ্ৰীষ্টাব্দত প্ৰথমবাৰৰ বাবে আহোমসকল মুছলমান আক্ৰমণৰ সন্মুখীন হৈছিল। এই আক্ৰমণত নেতৃত্ব দিয়া মুছলমান সেনাপতিজন কোন আছিল তাক স্পষ্টভাৱে জানিব পৰা নাযায়। ১৫৩২ খ্ৰীষ্টাব্দত বঙ্গদেশৰ তুৰ্বক নামৰ এজন সেনাপতিৰ নেতৃত্বত মুছলমানসকলে আহোম ৰাজ্য আক্ৰমণ কৰে। আহোম-মুছলমানৰ এই সংঘাতত তুৰ্বক নিহত হয় আৰু আহোমসকলে মুছলমান বাহিনীক খেদি কৰতোৱা নদী পাৰ কৰি থৈ আহেগৈ। তুৰ্বকৰ এই ব্যৰ্থ অভিযানত যথেষ্টসংখ্যক মুছলমান সৈন্য আহোমসকলৰ হাতত বন্দী হয় আৰু পৰৱৰ্তীকালত এইসকল যুদ্ধবন্দী মুছলমান লোক অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰে। ইয়াৰ পৰৱৰ্তী সময়তো আহোমসকলে আৰু কেইবাটাও মুছলমান আক্ৰমণৰ সন্মুখীন হ'ব লগাত পৰিছিল। ১৬৮২ খ্ৰীষ্টাব্দৰ ইটাখুলি ৰণেই আছিল অসম-মুছলমানৰ (আহোম-মোগলৰ) শেষ ৰণ।

আহোম স্বৰ্গদেৱ গদাধৰ সিংহই (১৬৮১-১৬৯৬ খ্ৰীঃ) বঙ্গদেশৰ নবাবৰ নিয়মেৰে মাটিৰ জৰীপকাৰ্য কৰিবলৈ বঙ্গ আৰু কোচ বিহাৰৰ পৰা যিকেইজন দক্ষ লোক আনি নিয়োগ কৰিছিল, তাৰ মাজতো ইছলামধৰ্মী লোক থকাটো অনুমান কৰিব পাৰি। আহোম স্বৰ্গদেৱসকলৰ ৰাজত্বকালতেই পশ্চিমৰ পৰা কেইবাজনো পীৰ-ফকীৰ, সন্ত-আউলীয়া, দৰবেছেও অসমত প্ৰৱেশ কৰি থলুৱা আৰু বহুক্ষেত্ৰত সমাজচ্যুত লোক কেতবোৰক লৈ অসমত ইছলাম ধৰ্ম প্ৰচাৰ আৰম্ভ কৰে। এওঁবিলাকৰ ভিতৰত শঙ্কৰদেৱৰ বৈষ্ণৱ ৰীতিৰ লগত সংগতি ৰাখি জিকিৰ ৰচনা কৰা আজান ফকীৰৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সপ্তদশ শতিকাৰ মাজভাগত ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ অহা আজান ফকীৰৰ আচল নাম চাহ মিলন বা চাহ মিৰাণ। সম্ভৱতঃ আজান দি নামাজ পঢ়িবলৈ আহ্বান জনোৱা বাবেই তেখেত আজান ফকীৰ নামেৰে খ্যাত হৈ পৰে।[২] উল্লেখযোগ্য যে তাৰ আগতে আহোম ৰাজ্যত ইছলাম ধৰ্মাৱলম্বীসকলৰ নামাজৰ আগতে আজান

দিয়াৰ প্ৰথা প্ৰচলন নাছিল বা ৰজাঘৰৰ অনুমতি নাছিল। অসমীয়া ভাষা শিকি জিকিৰ, জাৰী আদি গীতবোৰ ৰচনা কৰি এইবোৰৰ জৰিয়তে আজান ফকীৰে ইছলাম ধৰ্মৰ একেশ্বৰবাদ প্ৰচাৰ কৰিছিল।

অসমলৈ ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে অহা পীৰ-ফকীৰসকলক অসমৰ শাসক শ্ৰেণীয়ে বিশেষকৈ আহোম স্বৰ্গদেউসকলে মাটি-বাৰী দান কৰিছিল। ড° মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত 'প্ৰাচ্য শাসনাৱলী'[৩]ত আহোম স্বৰ্গদেৱ যেনে শিৱ সিংহ, ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ, গৌৰীনাথ সিংহ, চন্দ্ৰকান্ত সিংহ আদিয়ে পীৰ, ফকীৰ, দৰবেছ, আউলীয়াসকলক ৰাজ্যৰ বিভিন্ন ঠাইত তামৰ ফলি কৰি মাটি দান দিয়াৰ তথ্য উল্লেখ আছে। খাজনামুক্ত এই মাটিত পীৰ-ফকীৰে একোখন 'খানকাহ' (থান, আশ্ৰম) পাতিছিল, যি পৰৱৰ্তী সময়ত ইছলাম ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ হৈ পৰিছিল। এই 'খানকাহ'বোৰত ধৰ্ম-দীক্ষাও দিয়া হৈছিল। ইয়াত পীৰসকল যিসকলক মুছলমান গোসাঁই বা গৰীয়া গোসাঁই বোলা হৈছিল, তেওঁলোকে ইয়াত তেওঁলোকৰ 'মুৰিদ'(শিষ্য)সকলৰ সৈতে বাস কৰিছিল। ১৮৮১ চনৰ ভাৰতৰ লোকপিয়ল প্ৰতিবেদনত এই থান বা আশ্ৰমবোৰক মুছলমান সত্ৰ হিচাপে উল্লেখ কৰিছে। বৈষ্ণৱসকলৰ সত্ৰ অনুষ্ঠানৰ বহুতো নীতি-নিয়ম অনুকৰণ কৰা এনে মুছলমান সত্ৰ সেই সময়লৈকে উজনি অসমৰ বিভিন্ন ঠাইত বিশেষকৈ যোৰহাট জিলাত কেইবাখনো আছিল। তাৰ ভিতৰত হোলোঙাপৰীয়া সত্ৰ, বাতিৰপৰীয়া সত্ৰ উল্লেখযোগ্য।[৪] কেইজনমান আহোম স্বৰ্গদেৱে কেইবাজনো পীৰ-ফকীৰক ৰাজধানীত ৰাখিছিল আৰু স্বৰ্গদেৱসকল ৰাজপ্ৰাসাদ এৰি বাহিৰলৈ গ'লে এই পীৰসকলে ঊৰ্দ্ধবাহু হৈ ৰজাৰ মঙ্গলৰ অৰ্থে পৰমেশ্বৰৰ ওচৰত দোৱা মাগিছিল। ৰজাৰ, ৰজাৰ পৰিয়ালৰ আৰু ৰাজ্যৰ মংগলৰ বাবে ভগৱানক তুতি-মিনতি কৰিবৰ কাৰণে চাহ নেৱাজ নামৰ পীৰ এজনক মাজে-সময়ে হাজোৰ পোৱামক্কা তীৰ্থলৈ স্বৰ্গদেৱে বস্তু-সম্ভাৰ দি পঠিয়াইছিল বুলি বুৰঞ্জীত উল্লেখ আছে।[৫]

আহোম স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ (১৬৯৬ - ১৭১৪ খ্ৰীষ্টাব্দ) দিনত বৃত্তিমুখী কামত পাৰদৰ্শী আঠোটা মুছলমান পৰিয়ালক উত্তৰ ভাৰতৰ পৰা

আনি ৰজাঘৰীয়া মৰ্যাদাৰে ৰাজ্যত প্ৰতিষ্ঠা কৰিছিল। পাৰ্চীপঢ়ীয়া, আখৰকটীয়া, শিলাকটীয়া, গুণাকটীয়া, খনিকৰ, নেগেৰীয়া, দৰ্জী আৰু জোলা হিচাপে খেল পাতি দিয়া এই সম্ভ্ৰান্ত মুছলমান পৰিয়ালকেইটাৰ পৰা আৰু তেওঁলোকৰ আলমতো অসমৰ মুছলমান সমাজৰ বিস্তাৰ ঘটিছিল।

গতিকে, মধ্যযুগৰ অসমৰ মুছলমান সমাজ নিম্নলিখিত বিভিন্ন মুছলমান জনসমষ্টিৰ বংশধৰ বুলি ক'ব পৰা যায়।

ক) বিভিন্ন সময়ত মুছলমান ৰাজশক্তিৰ অসম আক্ৰমণৰ সময়ত এই ভূখণ্ডলৈ অহা ইছলামধৰ্মী লোকসকল, যিসকল নিজ দেশলৈ উভতি নগৈ এই দেশতে বিয়া-বাৰু কৰি নিগাজীকৈ বসতি কৰিছিল।

খ) উল্লেখিত আক্ৰমণসমূহৰ সময়ত অসমীয়া সৈন্যৰ হাতত বন্দী হোৱা আৰু মুক্তিৰ পাছতো স্বদেশলৈ উভতি নগৈ অসমতে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা মুছলমান সৈন্যসকল।

গ) অসমীয়া মুছলমানসকলৰ মাজত ইছলামধৰ্মীয় ৰীতি-নীতি প্ৰকৃত অৰ্থত প্ৰতিষ্ঠা কৰা আৰু অসমৰ অমুছলমান প্ৰজাৰ মাজত ইছলাম ধৰ্ম প্ৰচাৰ কৰাৰ মানসেৰে অসমলৈ অহা পীৰ-ফকীৰসকল।

ঘ) নানান বিদ্যা আৰু শিল্পকলাত পাৰ্গত কেইবাটাও মুছলমান পৰিয়ালক আহোম যুগত বিশেষকৈ স্বৰ্গদেৱ ৰুদ্ৰ সিংহৰ ৰাজত্বকালত উত্তৰ ভাৰতলৈ মানুহ পঠিয়াই নিমন্ত্ৰণ কৰি অসমলৈ অনা মুছলমানসকলৰ বংশধৰসকল।

ঙ) মুছলমান পীৰ-ফকীৰসকলৰ মুখেদি সনাতন সাম্যবাদী ধৰ্মবাণীত আকৃষ্ট হৈ পীৰসকলৰ ভক্ত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰা অসমৰ অমুছলমান প্ৰজা আৰু তেওঁলোকৰ বংশধৰসকল।

চ) মুছলমানৰ লগত খোৱা-লোৱা কৰাৰ কাৰণেই হওক বা আন কোনো কাৰণত হিন্দু সমাজৰ পৰা সমাজচ্যুত হৈ ইছলাম ধৰ্মত দীক্ষা ল'বলৈ বাধ্য হোৱা বহু অমুছলমান প্ৰজা আৰু তেওঁলোকৰ সতি-সন্ততিসকল।

১৮৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদনমতে অসমৰ সৰহসংখ্যক মুছলমান মূলতঃ নিম্ন জাতিৰ হিন্দু আৰু জনজাতীয় লোক। একেখন প্ৰতিবেদনত এইবুলিও উল্লেখ আছে যে সেই সময়ছোৱাত সুৰমা উপত্যকাত মুছলমান জনসংখ্যা বৃদ্ধিৰ কাৰণ আছিল ধৰ্মান্তৰ ব্যৱস্থা। অসমৰ জনসাধাৰণৰ বিষয়ে ইতিমধ্যে হোৱা নৃতাত্ত্বিক অধ্যয়নসমূহে স্পষ্টভাৱে সুচায় যে অসমৰ মুছলমান জনসংখ্যা গঠনৰ ক্ষেত্ৰত ইছলাম ধৰ্মলৈ ধৰ্মান্তৰ হোৱা প্ৰক্ৰিয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ। আকৌ সামাজিক দিশসমূহৰ বিষয়ে হোৱা অধ্যয়নসমূহে অসমৰ কলিতা আৰু কৈৱৰ্ত জাতিৰ লোকৰ সৈতে অসমীয়া মুছলমানসকলৰ যথেষ্ট সাদৃশ্য লাভ কৰিছে।[৬]

এনেদৰে বিভিন্ন সময়ত বিভিন্ন কাৰণত অসমলৈ আগমন ঘটা এই মুছলমান লোকসকলে অসমৰ চুকে-কোণে সিঁচৰতি হৈ বসবাস কৰিবলৈ ধৰে। বুৰঞ্জীবিদ ড° সূৰ্য্য কুমাৰ ভূঞাদেৱে তেখেতৰ ‘স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ’ নামৰ গ্ৰন্থত লিখিছে-- “ইয়ালৈ যিসকল মুছলমান নিজ খুচিৰে আহিছিল বা যুদ্ধ-বিগ্ৰহাদিত ইয়ালৈ আহি দেশলৈ নগৈ ইয়াতে চিৰস্থায়ী হৈছিল, তেওঁলোকে এই অসম দেশকে আপোন বুলি সাবটি ধৰি কালক্ৰমে কনৌজ আদিৰ পৰা অহা হিন্দু প্ৰজাৰ দৰে ইয়াৰ শিৰফুটা বুনিয়াদী বাসিন্দা হৈ পৰিছিল।”[৭]

অসমৰ প্ৰতিটো বিপদৰ সময়ত অসমীয়া মুছলমানসকলে মাতৃভূমি অসমৰ প্ৰতিহে দেহ-মন সমৰ্পণ কৰিছিল। স্থানীয় অসমীয়া মুছলমানসকলে অসম আক্ৰমণকাৰী স্বধৰ্মী মুছলমান ৰাজশক্তিৰ প্ৰতি সহানুভূতি দেখুৱাব বুলি মোগলসকলে ভাবিছিল যদিও অসমীয়া মুছলমানে তেনে সহানুভূতি বিদেশী মুছলমানৰ প্ৰতি দেখুওৱা নাছিল। মোগল সেনাপতি মীৰজুমলাই অসম আক্ৰমণ কৰাৰ সময়ত বাদুলী ফুকন, জগতৰাম ডেকা আদি ভালেমান হিন্দু বা আহোম বিষয়াই মোগলৰ পক্ষ লৈছিলগৈ।[৮] আনকি স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ পৰম বিশ্বাসী মনথিৰ ভৰালী বৰুৱাই মীৰজুমলাৰ লগত বুজাবুজিলৈ আহিবলৈ গোপনে কটকী পঠিয়াইছিল, কিন্তু অসমীয়া মুছলমানসকলে

প্ৰতাপী মীৰজুমলাক আগত পায়ো স্বধৰ্মীয় বিদেশীৰ প্ৰতি কোনো প্ৰকাৰৰ সহানুভূতি দেখুওৱা নাছিল। সেয়ে মীৰজুমলাৰ লগত অহা বুৰঞ্জী লেখক চিহাবুদ্দিন তালিচে লিখিছিল — "As for the Musalmans who had been taken prisoner in former times and had chosen to marry here, their desendants act exactly in the manner of the Assamese and have nothing of Islam except the name, their hearts are inclined far more towards mingling with the Assamese than towards association with Muslims....."[৯]

ইতিপূৰ্বে উল্লেখ কৰা হৈছে অসম আৰু মুছলমানৰ সংঘৰ্ষৰ ফলস্বৰূপে অসমলৈ যথেষ্টসংখ্যক মুছলমান ব্যক্তিৰ প্ৰব্ৰজন হৈছিল আৰু তেখেতসকল ইয়াতে নিগাজীকৈ বসতি কৰি অসমৰ মুছলমান সমাজ এখন গঢ়ি তুলিছিল। বিভিন্ন সময়ত হোৱা এই প্ৰব্ৰজনে অসমৰ থলুৱা মুছলমান জনসংখ্যা ক্ৰমে বৃদ্ধি কৰি গৈছিল। ১৮৭২ চনৰ লোকপিয়লৰ প্ৰতিবেদন মতে বৰ্তমান অসমৰ ভৌগোলিক অঞ্চলত সেই সময়ত বসবাস কৰা ১,৭৬,১০৯ জন মুছলমান জনসংখ্যাৰ এক চতুৰ্থাংশ লোক মানৰ অসম আক্ৰমণৰ পাছত অহা অৰ্থাৎ অসমত ব্ৰিটিছ শাসনৰ আৰম্ভণিৰ সময়ত অহা। ব্ৰিটিছে অসম অধিকাৰ কৰাৰ পৰৱৰ্তী সময়ত যেতিয়া অসমত আইন-শৃংখলা পৰিস্থিতি নিয়মীয়া হ'ল তথা নিয়োগ আৰু ব্যৱসায়ৰ যথেষ্ট সুযোগ ওলাল, তেনে সময়ত পূৰ্ববঙ্গৰ (বৰ্তমানৰ বাংলাদেশ) সীমামূৰীয়া জিলাকেইখনৰ পৰা যেনে ঃ ৰংপুৰ, ছিলেট, ঢাকা, মৈমনসিং আদি জিলাকেইখনৰ পৰা যথেষ্টসংখ্যক লোকৰ অসমলৈ প্ৰব্ৰজন আৰম্ভ হয়।[১০] এই প্ৰব্ৰজনকাৰীসকল প্ৰথমতে অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত বসতি কৰিবলৈ লয় আৰু ক্ৰমান্বয়ে এইসকল লোক ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন অংশত সিঁচৰতি হৈ পৰে। ১৮৭২ আৰু ১৮৮১ চনৰ লোকপিয়লৰ প্ৰতিবেদন লক্ষ্য কৰিলে দেখা যায় যে এই এটা দশকতে যথেষ্টসংখ্যক মুছলমান প্ৰব্ৰজনকাৰীয়ে অসম উপত্যকাত প্ৰৱেশ কৰিছিল। ১৮৭২ চনত আটাইকেইখন জিলা (গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লক্ষীমপুৰ জিলা) সামৰি অসমৰ মুছলমান জনসংখ্যা

১,৭৬,১০৯ জন থকাৰ বিপৰীতে ১৮৮১ চনত ইয়াৰ পৰিমাণ ২,০৪,৩৪৪ জন হ'লগৈ।[১১] ঊনবিংশ শতিকাৰ শেষভাগত আৰু বিংশ শতিকাৰ প্ৰথমাৰ্ধত যথেষ্টসংখ্যক কৃষিজীৱী মুছলমান প্ৰব্ৰজনকাৰীয়ে অসমত প্ৰৱেশ কৰে আৰু কামৰূপ, গোৱালপাৰা আদি সীমান্ত জিলাকেইখনৰ চৰ অঞ্চলবিলাকত বসতি কৰিবলৈ লয়। সংখ্যাৰ ফালৰ পৰা চাবলৈ গ'লে এইসকল লোক সমগ্ৰ অসমৰ মুছলমানসকলৰ ভিতৰত সংখ্যাগৰিষ্ঠ গোট। অসমীয়া ভাষাক মাতৃভাষা তথা শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰা এই নতুনকৈ অসমলৈ অহা মুছলমানসকলে বৃহত্তৰ অসমীয়া সমাজৰ লগত বিশেষকৈ অসমৰ মুছলমান সমাজখনৰ লগত জীণ যাবলৈ চেষ্টা কৰি আহিছে।

## মুছলমানসকলৰ সামাজিক গোট

ইছলাম ধৰ্ম মতে সকলো মানুহ সমান। ইছলাম ধৰ্মত জাতিভেদ প্ৰথাৰ স্থান নাই যদিও অসমৰ মুছলমানসকল চৈয়দ, ছেখ আৰু গৰীয়া, মৰীয়া — এই তিনিটা সামাজিক গোটত বিভক্ত হৈ থকাটো পৰিলক্ষিত হয়। এই বিভাগকেইটাৰ নিজস্ব কিছুমান বৈশিষ্ট্য আছে আৰু ফলস্বৰূপে এই সামাজিক গোটকেইটাই পৰস্পৰে পৰস্পৰৰ লগত কিছু পৰিমাণে সামাজিক দূৰত্ব মানি চলা পৰিলক্ষিত হয়।

## চৈয়দ

ইছলাম বিশ্বৰ ইতিহাসত চৈয়দসকলে নিজকে হজৰত মহম্মদ(দঃ)ৰ কন্যা ফাতিমা(ৰাঃ)ৰ বংশোদ্ভৱ বুলি দাবী কৰে। অসমত এওঁলোকক 'দাৱন' বুলিও জনা যায়। ভাৰতবৰ্ষৰ চৈয়দসকলৰ পূৰ্বপুৰুষসকল সৈনিক হিচাপে বিভিন্ন বিদেশী মুছলমান আক্ৰমণকাৰীৰ লগত ভাৰতলৈ আহিছিল।[১২] সংখ্যাৰ দিশৰ পৰা চালে অসমৰ মুছলমান সমাজত চৈয়দসকল এটা সংখ্যালঘু গোট। অসমৰ বিভিন্ন ঠাইত বৰ্তমানে চৈয়দসকল বসবাস কৰি আছে যদিও অবিভক্ত শিৱসাগৰ জিলাতেই সৰহসংখ্যক চৈয়দ মুছলমানৰ বসতি দেখিবলৈ পোৱা যায়। অসমৰ চৈয়দসকলে নিজকে সপ্তদশ

শতিকাতে ইছলাম ধৰ্মৰ প্ৰচাৰৰ বাবে সুদূৰ বাগদাদ বা আন কোনো আৰব দেশৰ পৰা অসমলৈ অহা আজান ফকীৰ আৰু তেওঁৰ ভাতৃৰ বংশধৰ বুলি পৰিচয় দিব বিচাৰে। সেইবাবেই হয়তো অসমৰ মুছলমান সমাজত চৈয়দসকলক ইছলামধৰ্মীয় ৰীতি-নীতিবিলাক পৰিচালনা কৰা শ্ৰেণী (পুৰোহিত শ্ৰেণী) বুলি গণ্য কৰা হৈছিল আৰু সেয়ে তেখেতসকলে অসমৰ মুছলমানসকলৰ ধৰ্মীয় তথা সামাজিক জীৱনত এক প্ৰভাৱশালী স্থান অধিকাৰ কৰি আহিছে।

## ছেখ আৰু গৰীয়া

ছেখ (Sheikh) শব্দৰ অৰ্থ হ'ল নমস্য নেতা। আৰব বিশ্বত প্ৰকৃত আৰব বংশোদ্ভৱসকলৰ নামৰ আগত 'ছেখ' শব্দটি ব্যৱহাৰ কৰা হয়। কিন্তু ভাৰতবৰ্ষত স্থানীয় হিন্দুৰ পৰা ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা লোকসকলক মধ্যযুগত সৌজন্যতামূলকভাৱে 'ছেখ' বোলা হৈছিল যেন অনুমান হয়। W.W. Hunter-এ তেওঁৰ 'A Statistical Account of Assam'ত ঊনবিংশ শতিকাৰ শেষৰফালে অসমৰ গোৱালপাৰাকে আদি কৰি পশ্চিম অসমত ছেখ, চৈয়দ, পাঠান আৰু মোগল পৰিয়ালৰ অৱস্থিতিৰ কথা উল্লেখ কৰিছে। আনহাতে ১৮৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদনত সেই সময়ত ইছলাম ধৰ্ম গ্ৰহণ কৰা অসমৰ লোকসকলক 'ছেখ' বুলি উল্লেখ কৰিছে। উক্ত প্ৰতিবেদনত 'ছেখ'সকলক কোচ জাতিৰ হিন্দুসকলৰ সমপৰ্যায়ৰ লোক বুলি উল্লেখ কৰি কোৱা হৈছে যে সেই সময়ত ইছলাম ধৰ্ম গ্ৰহণ কৰা লোকসকলে 'কোচ' উপাধি লৈছিল। Hunter-এ এইসকল মুছলমান লোকক 'মুছলমান কোচ' বুলি উল্লেখ কৰিছে।[১৩] গতিকে অসমৰ 'ছেখ' মুছলমানসকলৰ কিছুসংখ্যক লোক ইছলাম ধৰ্ম গ্ৰহণ কৰা থলুৱা লোকসকলৰ বংশোদ্ভৱ বুলি ক'ব পাৰি।

'গৰীয়া'সকল হৈছে থলুৱা মুছলমানসকল, যিসকল বৃহত্তৰ 'ছেখ' গোটটোৰে অন্তৰ্গত। আচলতে 'ছেখ' আৰু 'গৰীয়া' মুছলমানৰ মাজত

পাৰ্থক্যৰ ৰেখা এডাল অংকন কৰাটো বৰ টান। অসমীয়া মুছলমানসকলক বুজাবলৈ কেতিয়াৰ পৰা আৰু কিহৰ কাৰণে 'গৰীয়া' বা 'গড়ীয়া' শব্দৰ প্ৰয়োগ আৰম্ভ হ'ল, তাক লৈ যথেষ্ট বিতৰ্ক আছে। উত্তৰ গুৱাহাটীৰ 'কানাই বৰশী বোৱা শিলালিপি'ত যিখন ১২০৫-০৬ খ্ৰীষ্টাব্দত মহম্মদ-বিন-বখতিয়াৰ খিলিজিৰ কামৰূপ অভিযানৰ পিছত খোদিত কৰা হৈছিল, তাত মুছলমান আক্ৰমণকাৰীসকলক 'তুৰস্কা' বুলি অভিহিত কৰা হৈছে। আকৌ প্ৰাচীন অসমীয়া সাহিত্যবিলাকত বিশেষকৈ বৈষ্ণৱ সাহিত্যত মুছলমানসকলক বুজাবলৈ 'যৱন' শব্দটো ব্যৱহাৰ কৰা দেখা যায়। পুৰণি অসমীয়া বুৰঞ্জী কিছুমানত মুছলমান আক্ৰমণকাৰীক 'বঙাল' বুলি উল্লেখ কৰিছে। আচলতে প্ৰাচীন বঙ্গদেশৰ পৰা অহা হিন্দু, মুছলমান উভয় আক্ৰমণকাৰীক 'বঙাল' বোলা হৈছিল।

মধ্যযুগত অসমৰ মুছলমানসকলক বুজাবলৈ 'গৰীয়া' নামকৰণ কেনেকৈ হ'বলৈ পালে তাৰ কেইবাটাও ব্যাখ্যা পোৱা যায়। চন্দ্ৰকান্ত অভিধান মতে অসমৰ মুছলমানসকল ভাৰতবৰ্ষত মুছলমান শাসনৰ প্ৰতিষ্ঠাতা ঘোৰ ৰাজ্যৰ অধিপতি মহম্মদ ঘোৰী (Muhammad of Ghor)ৰ অনুগামী আছিল কাৰণে তেওঁলোকক 'গৰীয়া' বোলা হয়। অন্য এটা মত অনুসৰি 'গৰীয়া' শব্দটো 'গৌড়'ৰ পৰা আহিছে। বঙ্গৰ পুৰণি নাম গৌড় ৰাজ্য। আনকি অসম-মুছলমান সম্পৰ্ক স্থাপন হোৱাৰ সময়তো বঙ্গৰ নাম গৌড় ৰাজ্যহে আছিল। আৰম্ভণিৰ সময়ত গৌড় ৰাজ্যৰ পৰা অহা মুছলমানসকলক গৌড়ীয়া বা গৰীয়া নুবুলিলেও পৰৱৰ্তী সময়ত অৰ্থাৎ সপ্তদশ শতিকাত আহোম স্বৰ্গদেৱসকলে বঙ্গৰ পৰা যেতিয়া দক্ষ কাৰিকৰ, শিল্পী, দৰ্জী, জোলা আদিক আমন্ত্ৰণ কৰি আনি অসমত বহুৱায়, তেতিয়াৰ পৰা সেইসকল মুছলমান লোকক বুজাবলৈ 'গৰীয়া' (গৌড়ীয়া) নামটো ব্যাপকভাৱে ব্যৱহাৰ হ'বলৈ ধৰে।[১৪] এই মতক সমৰ্থন কৰিলে এটা প্ৰশ্ন উদয় হয় যে বিভিন্ন সময়ত অসমৰ ৰজাসকলে বঙ্গ বা গৌড় ৰাজ্যৰ পৰা বহুকেইজন বিদ্বান পণ্ডিত তথা হিন্দু ধাৰ্মিক লোকক আমন্ত্ৰণ কৰি আনি পৰিয়ালসহ অসমৰ বিভিন্ন ঠাইত বহুৱাইছিল, তেনে গৌড়ৰ পৰা অহা হিন্দু

লোকক গৰীয়া বোলাৰ উদাহৰণ ক'তো পাবলৈ নাই। আনকি গৌড় ৰাজ্যত মুছলমান শাসন প্ৰতিষ্ঠা হোৱাৰ আগতেই কেইবাজনো হিন্দু ৰজাৰ দিনত গৌড় ৰজাই অসমৰ পশ্চিম অঞ্চলৰ একাংশ জয় কৰি শাসনো কৰিছিল, তেনেসকলকো গৰীয়া বোলাৰ কোনো নজিৰ পাবলৈ নাই।[১৫] আনহাতে W W Hunter-ৰ মতে, অসমত বসতি কৰিব লোৱাৰ সময়ত যিসকল মুছলমান লোকে দৰ্জী বৃত্তি গ্ৰহণ কৰিছিল, তেখেতসকলক 'গৰীয়া' আৰু যিসকলে কঁাহ-পিতলৰ সামগ্ৰী তৈয়াৰ কৰা বৃত্তি গ্ৰহণ কৰিছিল, তেখেতসকলক 'মৰীয়া' বোলা হৈছিল।[১৬] W W Hunte ৰ মতত বিশেষ যুক্তি দেখিবলৈ পোৱা নাযায়, কাৰণ আজিৰ অলপ বছৰৰ আগলৈকে অসমত মুছলমান দৰ্জীসকলক 'খলিফা' নামেৰেও জানিব পৰা গৈছিল। আকৌ সকলোবিলাক মুছলমান লোক যিসকলক 'গৰীয়া' বোলা হৈছিল, তেওঁলোক সকলোৱে দৰ্জী বৃত্তিহে গ্ৰহণ কৰিছিল বুলিও ক'ব নোৱাৰি। A History of Assamৰ প্ৰণেতা E A Gait এ 'গৰীয়া' শব্দটো 'মৰীয়া' শব্দৰ অপভ্ৰংশও হ'ব পাৰে বুলিও ক'ব খোজে।[১৭] প্ৰখ্যাত গৱেষক মোহিনী কুমাৰ শইকীয়াই চন্দ্ৰকান্ত অভিধানৰ ব্যাখ্যাক সমৰ্থন কৰি ক'ব খোজে যে যদিও ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে কামৰূপ আক্ৰমণ কৰা মুছলমান ৰাজশক্তিৰ আক্ৰমণকাৰীক কামৰূপৰ জনসাধাৰণে 'তুৰস্কা' বুলিছিল; কিন্তু যেতিয়া পৰৱৰ্তী সময়ত তেওঁলোকে গম পালে যে 'তুৰস্কা'সকল আন কোনো নহয় বৰঞ্চ ভাৰত জয় কৰা মহম্মদ ঘোৰীৰ অনুগামীহে, তেতিয়াৰ পৰা তেওঁলোকক 'ঘৌৰীয়া' (Ghoria) বুলি উল্লেখ কৰিবলৈ ল'লে আৰু কালক্ৰমত এই 'ঘৌৰীয়া' শব্দটো গৰীয়ালৈ সলনি হয়।[১৮] শইকীয়াদেৱৰ মতত যথেষ্ট যুক্তি থাকিলেও ইয়াতো এটা প্ৰশ্ন উদ্ৰেক হয় যে মুছলমানৰ প্ৰথম আক্ৰমণৰ তিনিশ বছৰতকৈ অধিক কালৰ পাছতহে ১৫৩২ খ্ৰীঃত অসম আক্ৰমণ কৰা মুছলমান ৰাজশক্তি বাহিনীক 'গৰীয়া' বুলি উল্লেখ কৰাৰ প্ৰমাণ পোৱা যায়।[১৯] এইদৰে বিভিন্ন দিশ বিবেচনা কৰি চালে দেখা যায় যে Gait ৰ গ্ৰন্থত উল্লেখ থকাৰ দৰে (পৃষ্ঠা ৯০) বঙ্গদেশৰ পুৰণি ৰাজধানী গৌড়

অঞ্চলৰ পৰা অসমলৈ অহাৰ বাবে অসমৰ সৰ্বসাধাৰণ মুছলমানে নিজকে ‘গৰীয়া’ বুলি চিনাকি দিব বিচাৰে — এই মতক বৰ্তমানে সংখ্যাগৰিষ্ঠই মানি ল’ব খোজে।

## মৰীয়া

অসমৰ মুছলমানসকলৰ তৃতীয়টো সামাজিক গোট হৈছে ‘মৰীয়া’ মুছলমানসকল। ১৫৩২ খ্ৰীষ্টাব্দত আহোম স্বৰ্গদেৱ চুহুংমুঙৰ ৰাজত্বকালত গৌড় ৰাজ্যৰ (বঙ্গদেশৰ) তুৰ্বক নামৰ মুছলমান সেনাপতিৰ নেতৃত্বত অসম আক্ৰমণৰ বাবে অহা মুছলমান সৈন্যবাহিনী আহোমসকলৰ হাতত পৰাস্ত হয় আৰু একাংশ মুছলমান সৈন্য যুদ্ধবন্দী হিচাপে অসমতে ৰৈ যায়। আহোম সেনাপতি কনচেং বৰপাত্ৰ গোহাঁই ডাঙৰীয়াই এই যুদ্ধবন্দী পাঠান সৈন্যবোৰক প্ৰথমে ৰজাৰ ‘হাতী ঘাঁহী’ কৰি ৰাখিছিল। কিন্তু তেওঁলোকে সেই কাম কৰিব নজনাত তেতিয়া বন্দী পাঠানসকলক নি ৰজাৰ খেতিপথাৰত খেতি কৰিবলৈ লগোৱা হ’ল। পিছে হাল বাব নাজানি তেওঁলোকে আঁতৰৰ পৰা বোকা আনি সেইবোৰত কঠীয়া ৰুই খেতি কৰিবলৈ ল’লে। এওঁলোকে ঠঁটা মাটিত বোকা দি খেতি কৰা অঞ্চলেই হৈছে বৰ্তমানৰ বোকাখাত।[২০] দুয়োটা কামতে যুদ্ধবন্দীসকলে দেখুওৱা অকৰ্মণ্যতাৰ বাবে ৰজাই সিহঁতক মুকলি কৰি দি নিজ নিজ কৰ্মৰে জীৱিকা নিৰ্বাহৰ নিৰ্দেশ দিয়াত এই মুছলমান বন্দী সৈনিকসকলে পিতলৰ কলহ, লোটা, বাচন-বৰ্তন আদি নিৰ্মাণ কৰাত দক্ষতা দেখুৱাবলৈ ল’লে। এইসকল লোককে অসমত ‘মৰীয়া’ মুছলমান নামে জনা যায়। মৰিয়াই মৰিয়াই কাঁহ-পিতলৰ বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰাৰ বাবে তেখেতসকল মৰীয়া হিচাপে জনাজাত হয়।[২১] এইসকল মৰীয়া মুছলমানে পৰৱৰ্তী সময়ত স্থানীয় তিৰোতাৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰাৰ ফলস্বৰূপে তেওঁলোকৰ বংশ বৃদ্ধি হয় যদিও আহোম ৰাজত্বকালত তেওঁলোকৰ সংখ্যা অন্যান্য শ্ৰেণীসমূহৰ তুলনাত যথেষ্ট নগণ্য আছিল। অসম-মুছলমান সংঘাতৰ বাবে তেওঁলোক নিজৰ

জন্মস্থান তথা স্বধৰ্মীয় উত্তৰ ভাৰতৰ মিত্ৰসকলৰ পৰা বিচ্ছিন্ন হৈ থকাৰ বাবে তেওঁলোক স্বাভাৱিকতে স্থানীয় বিভিন্ন সমাজ-সাংস্কৃতিক উপাদানৰ দ্বাৰা প্ৰভাৱিত হ'বলৈ ধৰে। ১৮৭২ চনৰ ভাৰতবৰ্ষৰ লোকপিয়লৰ তথ্য সংগ্ৰহৰ সময়ত মৰীয়াসকলক আদিবাসী জনজাতিৰ (aboriginal tribes) তালিকাত ৰখাৰ বিপৰীতে অসমৰ বাকী মুছলমান জনসাধাৰণক সাধাৰণ ভাগত ৰখা হৈছিল।[২২] ১৯০১ চনৰ লোকপিয়লৰ পৰিসংখ্যা অনুসৰি অসমত মাত্ৰ ১২৩৪ জন মৰীয়া মুছলমান ব্যক্তি আছিল।[২৩] সেই সময়ত মৰীয়া লোকৰ সংখ্যা কম হ'লেও বৰ্তমান অসমত মৰীয়া লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। বৰ্তমান উজনি আৰু নামনি অসম মিলি ৫৫ খনতকৈ অধিক মৰীয়া গাঁও আছে। তাৰ ভিতৰত বেছিখিনি গাঁও উজনি অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ অবিভক্ত শিৱসাগৰ জিলাত অৱস্থিত।

মৰীয়াসকলেই হৈছে পূব অসমত বসতি কৰিবলৈ লোৱা প্ৰথম মুছলমান জনসমষ্টি। এইসকলে পৰৱৰ্তী সময়ত এই ভূখণ্ডক নিজৰ মাতৃভূমি গণ্য কৰি অসমীয়া আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, পৰম্পৰা আদি গ্ৰহণ কৰি হাড়ে-হিমজুৰে অসমীয়া হৈ মাতৃভূমিৰ হকে নিজৰ জীৱনকো তুচ্ছ কৰি অসমীয়া হিন্দু প্ৰজাৰ দৰে অসম আক্ৰমণকাৰীক আনকি মুছলমান আক্ৰমণকাৰীকো বাধা দিবলৈ যুঁজলৈ আগবাঢ়ি গৈছিল।

এটা সময়ত ইছলামীয় দৰ্শনৰ পৰা অলপ ফালৰি কাটি অহা এই মৰীয়াসকল পৰৱৰ্তী সময়ত অসমলৈ ধৰ্ম প্ৰচাৰৰ বাবে অহা পীৰ, দৰবেছ, সন্ত, আউলীয়া আদিসকলৰ প্ৰভাৱত পৰি ইছলামধৰ্মীয় দৰ্শন, ৰীতি-নীতি আদি অন্যান্য মুছলমানৰ দৰে কঠোৰভাৱে পালন কৰিবলৈ আৰম্ভ কৰে যদিও অসমৰ মুছলমান সমাজৰ আনকেইটা সামাজিক গোট যেনে চৈয়দ, গৰীয়া আদিসকলে মৰীয়াসকলৰ পৰা এক সামাজিক ব্যৱধান বা দূৰত্ব আগৰ দৰে বজাই ৰাখিলে। বিবাহকে আদি কৰি আন সামাজিক সম্পৰ্ক মৰীয়াসকলৰ লগত ৰাখিবলৈ সাধাৰণতে নিবিচাৰিছিল। অৱশ্যে বৰ্তমান পৰিস্থিতি সলনি হৈছে। অসমীয়া মুছলমান হিচাপে অসমৰ মুছলমান সমাজত

বৰ্তমানে মৰীয়াসকলে স্বীকৃতি লাভ কৰিছে। অৱশ্যে অসমৰ বিভিন্ন মুছলমান সামাজিক গোটকেইটাৰ মাজত থকা ব্যৱধান একেবাৰে নাইকিয়া হ'ল বুলি ক'ব নোৱাৰি। অৰ্থনৈতিকভাৱেও মৰীয়াসকল অসমৰ আন মুছলমানসকলতকৈ কিছু অনগ্ৰসৰ হৈ আছে, যাৰ বাবে চৰকাৰে মৰীয়াসকলক অন্যান্য পিছপৰা শ্ৰেণীৰ (MOBC) তালিকাভুক্ত কৰিছে। আনকি বৰ্তমান চৰকাৰে অসমৰ মৰীয়াসকলৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে 'মৰীয়া কল্যাণ পৰিষদ'ও গঠন কৰিছে।

বৰ্তমান অসমৰ বিভিন্ন ঠাইত বসবাস কৰি থকা মৰীয়া মুছলমানসকলৰ বহুতে কৃষি, ব্যৱসায় বা আধুনিক শিক্ষাৰে শিক্ষিত হৈ চৰকাৰী, বেচৰকাৰী চাকৰিত জড়িত হ'লেও পৰম্পৰাগত বা বংশগত বৃত্তি তেওঁলোকে একেবাৰে এৰি দিয়া নাই। কাঁহ-পিতলৰ সামগ্ৰী প্ৰস্তুত কৰাটো মৰীয়াসকলৰ পৰম্পৰাগত ব্যৱসায় বা বৃত্তি হ'লেও বৰ্তমান অৱস্থাত কেঁচামালৰ নাটনিকে ধৰি নানা আলৈ-আহুকালৰ বাবে মৰীয়াসকলৰ পৰম্পৰাগত ব্যৱসায় আজি উৰলি যোৱাৰ পথত।

## দেশী

অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা এক বৃহৎসংখ্যক মুছলমানক 'দেশী' মুছলমান বুলি চিহ্নিত কৰা হয়। এওঁলোক এই অঞ্চলটোৰ খিলঞ্জীয়া বাসিন্দা। বিগত চতুৰ্দশ শতিকাৰ পৰা বিভিন্ন সময়ত আৰু বিভিন্ন অৱস্থাত এওঁলোক ধৰ্মান্তৰিত হৈ মুছলমান হোৱা লোক। অসমৰ মুছলমান সমাজৰ সামাজিক আৰু সাংস্কৃতিক অৱস্থানৰ পৰা চাবলৈ গ'লে 'দেশী' মুছলমানসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্যান্য অঞ্চলৰ গৰীয়া তথা ছেখসকলৰ দৰেই।

## পূৰ্ববঙ্গীয় মূলৰ মুছলমান

১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমত আহোমসকলৰ ছশবছৰীয়া ৰাজত্বৰ অন্ত পৰে আৰু অসমত ইংৰাজ শাসন প্ৰতিষ্ঠা হয়। মানৰ

আক্ৰমণে ভাঙি থৈ যোৱা অসমৰ অৰ্থনৈতিক কাঠামো টনকিয়াল কৰিবৰ বাবে আৰু অসমত এনেয়ে পৰি থকা কৃষি উপযোগী মাটিত খেতি কৰাৰ ব্যৱস্থা কৰি কৃষি উৎপাদন বৃদ্ধি কৰিবৰ বাবে ঊনবিংশ শতিকাৰ শেষৰপিনে বহুতো শিক্ষিত অসমীয়া ব্যক্তিৰ পৰামৰ্শত ইংৰাজসকলে ধান আৰু মৰাপাটৰ খেতি কৰিবলৈ পূৰ্ববঙ্গৰ পৰা যথেষ্ট সংখ্যক কৃষকক অসমলৈ আনে। ইয়াকে দেখি ঊনবিংশ শতিকাৰ শেষভাগৰ পৰা পূৰ্ববংগৰ পৰা কৃষিজীৱী মানুহৰ সোঁত ব'বলৈ আৰম্ভ হয়। শ্ৰমজীৱী এই লোকসকলে প্ৰচুৰ শাৰীৰিক শ্ৰমেৰে কৃষি অনুপযোগী মাটিতো খেতি কৰি অসমত কৃষি উৎপাদনত যুগান্তৰকাৰী পৰিৱৰ্তন আনি দিয়ে। কঠোৰ পৰিশ্ৰমী এওঁবিলাকৰ অধিকাংশই আছিল সেই সময়ৰ পূব বঙ্গৰ জমিদাৰসকলৰ উৎপীড়নত আৰু দাৰিদ্ৰ্যৰ বাবে নিজ দেশ এৰি অহা মুছলমান কৃষক। প্ৰাক-স্বাধীনতা কালৰ গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও আৰু লক্ষীমপুৰ জিলাত এওঁলোকে নিগাজীকৈ বসবাস কৰিবলৈ লয়।

ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা পূব বঙ্গৰ মৈমনসিং, পাবনা, বগোৰা আৰু ৰংপুৰ জিলাৰ পৰা যথেষ্টসংখ্যক মুছলমান লোক পশ্চিম অসমৰ ঘাইকৈ গোৱালপাৰা, ধুবুৰী, কামৰূপ, নগাঁও, দৰং, লক্ষীমপুৰ আদি জিলাকেইখনৰ নদীৰ চৰ অঞ্চলবিলাকত বসবাস কৰিবলৈ লয়। এওঁলোকক সাধাৰণতে চৰ অঞ্চলৰ মুছলমান বা 'চৰুৱা মুছলমান' বুলি অভিহিত কৰা হয়। চৰ অঞ্চলৰ লোকসকল অসমৰ সমাজ ব্যৱস্থাত শেহতীয়া অন্তৰ্ভুক্তি। যদিও তেওঁলোক পূব বঙ্গীয় লোক বা তেওঁলোকৰ বংশধৰ, তথাপিতো চৰ-চাপৰিত অসমীয়া শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি অসমীয়া ভাষাক মাতৃভাষা আৰু শিক্ষাৰ মাধ্যম ৰূপে গ্ৰহণ কৰি অসমীয়া সমাজত ক্ৰমে জীণ যাবলৈ ধৰিছে।

এইদৰে পূব বঙ্গৰ (বৰ্তমানৰ বাংলাদেশ) পৰা ভাৰত বিভাজনৰ বহু দশক আগৰে পৰা অসমলৈ প্ৰব্ৰজন কৰা আৰু পশ্চিম অসমত প্ৰধানকৈ নিগাজীকৈ বসবাস কৰিবলৈ লোৱা মুছলমানসকল অসমৰ মুছলমান সমাজৰ

গুৰুত্বপূৰ্ণ অংগ। ইয়াৰ উপৰি অসমৰ মুছলমান সমাজত ছিলেটিয়া (ছিলেট জিলাৰ পৰা অহা) মুছলমান, ঢাকায়া (ঢাকাৰপৰা অহা) মুছলমান এই সকলোবোৰ বৰ্তমানে লাহে লাহে অসমীয়া হৈ পৰিছে। অসমৰ সমাজ জীৱনত এইসকল লোকক ভঁাটীয়া, পমুৱা, মিঞা, দেশী, মৈমনচিঙীয়া আদি বিভিন্ন নামেৰে অভিহিত কৰাতকৈ আমাৰ বোধেৰে এওঁলোকক অভিবাসী অসমীয়া মুছলমান বুলি জ্ঞান কৰাটোৱে বেছি যুক্তিসংগত হ'ব। ঊনবিংশ শতিকাৰ শেষভাগৰ পৰা ব্যৱসায় বা আন কৰ্মৰ সন্ধানত উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থান আদি উত্তৰ ভাৰতীয় অঞ্চলৰ পৰা হিন্দীভাষী মুছলমান লোকৰ অসমলৈ আগমন হৈছিল। ইয়াৰে বহুতে অসমত স্থায়ীভাৱে থাকি গৈছিল। তেওঁলোকৰ বংশধৰসকল বৰ্তমান অসমৰ বিভিন্ন ঠাইত বসবাস কৰি আছে। আকৌ অসমৰ বৰাক উপত্যকাৰ বিভিন্ন অঞ্চলত মণিপুৰৰ পৰা অহা যথেষ্ট মণিপুৰী মুছলমান বা মেইটেই মুছলমান লোকে বসবাস কৰি আছে। তেওঁলোকে আঁকোৱালি লৈ থকা সংস্কৃতি হৈছে সম্পূৰ্ণ মণিপুৰী সংস্কৃতি।[২৫]

পৃথিৱীৰ বিভিন্ন ঠাইৰ মুছলমানসকলৰ সাংস্কৃতিক জীৱনত স্থানীয় সংস্কৃতিৰ বহুতো উপাদান সোমাই পৰাৰ দৰে অসমৰ মুছলমান সমাজতো বহুতো স্থানীয় উপাদান সোমাই পৰিছে। ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে অসমলৈ আগমন ঘটা আৰু ইয়াত নিগাজীকৈ বসবাস কৰিবলৈ লোৱাৰ সময়ৰ পৰা অসমৰ থলুৱা লোকৰ লগত এই মুছলমানসকলৰ এটা ওচৰ সম্পৰ্ক স্থাপন হৈছিল আৰু তাৰ ফলত এই নতুনকৈ অহা মুছলমানসকলৰ লগত অসমীয়া সংস্কৃতিৰ সম্বন্ধও ওতপ্ৰোতভাৱে জড়িত হৈছিল। তেতিয়াৰ পৰাই অসমৰ জনজীৱনত নতুন কিছুমান সামগ্ৰী, আদব-কায়দা, পোছাক-পৰিচ্ছদ, সংগীত-বাদ্য, চিত্ৰকলা, স্থপতিবিদ্যা, খোৱা-বোৱা আদিও অসমত প্ৰচলন হ'ল আৰু উদাৰ অসমীয়াই ভালপোৱাবোৰ নিজৰ ভিতৰত সুমুৱাই ল'লে। আনহাতে অসমৰ মুছলমানসকলেও নিজৰ বহুতো সংস্কৃতি এৰি থলুৱা নীতি-নিয়ম আনন্দেৰে গ্ৰহণ কৰিলে। সেয়ে

ঐতিহাসিক চিহাবুদ্দিন তালিচে ৰংপুৰত থকা মুছলমান প্ৰজাসকলৰ জীৱন যাত্ৰা প্ৰত্যক্ষ কৰি তেওঁবিলাকক নামতহে মুছলমান বুলি উল্লেখ কৰিছে। অতীজৰ পৰা অসমৰ মুছলমানসকল অসমীয়া ভাষা আৰু সংস্কৃতিক লৈ গৌৰৱান্বিত হৈ আহিছে। অসমীয়া মুছলমানসকলৰ সামাজিক সম্পৰ্কৰ ওপৰত থলুৱা সাংস্কৃতিক প্ৰভাৱ ইমানেই গভীৰ যে অসমীয়া মুছলমানসকল তেওঁলোকৰ সহধৰ্মী বাঙালীসকল বা হিন্দীভাষী মুছলমানসকলতকৈ অসমীয়া হিন্দু জনসাধাৰণৰ সৈতেহে অধিক ঘনিষ্ঠ আছিল। অসমৰ হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্কৰ কথা স্বৰ্গীয় লীলা গগৈদেৱে এইদৰে লিখিছে - "হিন্দু-মুছলমানৰ সহ-অৱস্থানৰ মূল কাৰণ হ'ল ধৰ্মত মুছলমান হ'লেও তেওঁবিলাকে সামাজিক আৰু সাংস্কৃতিক জীৱনত চুবুৰীয়া হিন্দু মানুহক অনুসৰণ কৰি চলিছিল। বিহু, বিয়া আদি অনুষ্ঠানক নিজা কৰি লৈছিল। অনেক মানুহৰ পিন্ধন-উৰণ, খাৱন-বোৱনৰ মাজত তেনে কোনো লক্ষ্যণীয় পাৰ্থক্য নাছিল। অসমত ইছলাম ধৰ্মৰ বীজ সিঁচাৰে পৰা কুৰি শতিকালৈ অসমীয়া মুছলমানে অসমীয়া সংস্কৃতিৰ দীঘে-বাণিয়ে সোমাই নিজৰ ধৰ্মীয় ঐতিহ্য ৰক্ষা কৰি আহিছিল।" (অসমৰ সংস্কৃতি, পৃ ঃ ১৯১-১৯২)

## সামাজিক জীৱন

২০০১ চনৰ লোকপিয়ল অনুসৰি অসমৰ ৩০.২৯ শতাংশ লোক মুছলমান ধৰ্মাৱলম্বী। পূৰ্বে উল্লেখ কৰা অনুসৰি ত্ৰয়োদশ শতিকাৰ পৰা অসম-মুছলমান ৰাজশক্তিৰ সংঘাত আৰু পাৰস্পৰিক যুদ্ধবিলাকৰ মাজেদিয়েই অসমত ইছলাম ধৰ্মাৱলম্বীসকলৰ উত্থান হৈছিল আৰু পৰৱৰ্তী কালত ধৰ্মান্তৰকৰণ আৰু প্ৰাক্-স্বাধীনতা কালৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অসমলৈ হোৱা প্ৰব্ৰজনে অসমত মুছলমান ধৰ্মীয় লোকৰ সংখ্যা বৃদ্ধি কৰিছিল। এইটো সম্পূৰ্ণ সত্য যে চুবুৰীয়া বিদেশী ৰাষ্ট্ৰৰ পৰা হোৱা প্ৰব্ৰজনৰ বাবে অসমত মুছলমান জনসংখ্যা যথেষ্ট বৃদ্ধি পাইছে। অৱশ্যে ১৯৭১ চনৰ পাছৰ পৰা অসমলৈ যদি তেওঁলোকৰ অবৈধ অনুপ্ৰৱেশ হৈছে,

এই অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ প্ৰতি সাধাৰণ অসমীয়া হিন্দুসকলৰ যি মনোভাব আৰু দৃষ্টিভঙ্গী, অসমৰ মুছলমানসকলৰো সেই একে মনোভাব আৰু দৃষ্টিভঙ্গী।

অসমৰ মুছলমানসকলৰ পাৰিবাৰিক জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া হিন্দু জনসাধাৰণৰ মাজত প্ৰচলিত অনেক ৰীতি-নীতিকে অসমীয়া মুছলমানসকলে পৰম্পৰাগতভাৱে পালন কৰি আহিছে। প্ৰচলিত ইছলামীয় নীতিৰ আওতাৰ বাহিৰত হ'লেও অসমীয়া মুছলমানে অনেক থলুৱা আচাৰ-নীতি, পৰম্পৰা আদি আন্তৰিকতাৰে পালন কৰি আহিছে যদিও তেওঁলোকে নিজস্ব ধৰ্মীয় বৈশিষ্ট্য একেবাৰে পৰিত্যাগ কৰা নাই। এই সুকীয়া বৈশিষ্ট্যবোৰে তেওঁলোকৰ এক স্বকীয় পৰিচয় বহন কৰাত সহায় কৰিছে। অসমৰ অন্য জাতি-জনগোষ্ঠীৰ দৰে অসমৰ মুছলমানসকলো পৰিয়ালকেন্দ্ৰিক। একক আৰু যৌথ পৰিয়াল এই দুয়োটা অসমৰ মুছলমান সমাজত দেখিবলৈ পোৱা যায় যদিও যৌথ পৰিয়ালৰ ব্যৱস্থা অসমৰ আনসকলতকৈ মুছলমানসকলৰ মাজত প্ৰচলন অলপ বেছি দেখা যায়। একক পৰিয়ালত স্বামী বা পিতৃজনেই ঘৰখনৰ বা পৰিয়ালটোৰ মুৰব্বী, কিন্তু যৌথ পৰিয়ালৰ ক্ষেত্ৰত পৰিয়ালটোৰ প্ৰাপ্তবয়স্ক পুৰুষ সদস্যসকলৰ ভিতৰত জ্যেষ্ঠজনেই মুৰব্বীৰ দায়িত্ব পালন কৰে। যদিহে পৰিয়ালটোত কোনো প্ৰাপ্তবয়স্ক পুৰুষ সদস্য নাথাকে, তেতিয়াহে ঘৰখনৰ জ্যেষ্ঠ মহিলাগৰাকী পৰিয়ালটোৰ মুৰব্বী হিচাপে বিবেচিত হয়। ঘৰখনৰ সকলো সম্পত্তিৰ ওপৰত মুৰব্বীজনৰ সম্পূৰ্ণ অধিকাৰ ন্যস্ত থাকে আৰু মুৰব্বীজনেই নিজৰ 'বংশ'ৰ ভিতৰত বা বাহিৰৰ সমাজখনত ঘৰখনক প্ৰতিনিধিত্ব কৰে। পৰিয়ালটোৰ সকলো দৰকাৰী সিদ্ধান্ত ঘৰখনৰ মুৰব্বীজনেই সাধাৰণতে গ্ৰহণ কৰে। ঘৰখনত দৈনন্দিন কাম-কাজ নিয়াৰিকৈ সমাপন কৰিবৰ বাবে বিভিন্ন দায়িত্ব ঘৰখনৰ পুৰুষ-মহিলা, ল'ৰা-ছোৱালীৰ মাজত বিতৰণ কৰি দিয়া থাকে যদিও এই কৰ্মৰ বিতৰণত কোনো ধৰা-বন্ধা নিয়ম নাই। সাধাৰণতে মহিলা-ছোৱালীসকলে ঘৰুৱা কাম-কাজ যেনে - ৰন্ধা-বঢ়া, ঘৰখন পৰিষ্কাৰ

কৰি ৰখা, চিলাই কৰা, ঊন গোঁঠা আদি আৰু পুৰুষসকলে খেতি কৰা, ব্যৱসায় কৰা অৰ্থাৎ ঘৰখনৰ উপাৰ্জনৰ বাবে কাম কৰা, বজাৰ কৰা, ঘৰচীয়া জীৱ-জন্তু চৰাবলৈ নিয়া, ঘৰ নিৰ্মাণ কৰা, মেৰামতি কৰা, গৰু-গাড়ী, মটৰ-গাড়ী চলোৱা আদি কাম কৰিব লাগিছিল। বিশেষ অৱস্থাত বা প্ৰয়োজনত পুৰুষ-মহিলাৰ কামবিলাক সকলোৱে মিলি-জুলি সমূহীয়াভাৱে কৰাও দেখা যায়।

'বংশ' বা 'বংশলতা'ক আৰু বংশ মৰ্যাদাক অসমৰ মুছলমানসকলে যথেষ্ট গুৰুত্ব প্ৰদান কৰা দেখা যায়। একেজন পূৰ্বপুৰুষৰ উত্তৰাধিকাৰীসকলক লৈয়ে এই বংশ বা বংশলতাৰ সৃষ্টি। এনে বংশ কেইবাপুৰুষকালৰো হ'ব পাৰে। এনে বংশ দুই প্ৰকাৰৰ - (ক) পিতৃকুল আৰু (খ) মাতৃকুল। মাতৃকুলৰ বংশধৰসকলতকৈ পিতৃকুলৰ বংশধৰসকলে অসমৰ মুছলমান সমাজ-সংস্কৃতিক আৰু ধৰ্মীয় ব্যৱস্থাত বেছি গুৰুত্ব লাভ কৰা দেখা যায়। 'শ্বৰিয়ত' বা ইছলামীয় আইন অনুসৰি সম্পত্তিৰ অধিকাৰৰ ওপৰত পিতৃকুলৰ সদস্যসকলেহে অগ্ৰাধিকাৰ লাভ কৰে। আনহাতে বিভিন্ন সামাজিক অনুষ্ঠানবিলাকত পিতৃ সম্পৰ্কীয় আৰু মাতৃ সম্পৰ্কীয়সকলে সমানে অংশ গ্ৰহণ কৰে আৰু আনন্দ উপভোগ কৰে।

অসমীয়া মুছলমানসকলৰ অধিকাংশ আত্মীয়তামূলক পৰিভাষা (kinship terminology) অসমীয়া হিন্দু লোকসকলৰ সৈতে প্ৰায়ে একে। মা-বাবা, খুড়া-খুড়ী, পেহা-পেহী, জেঠাই-জেঠো, মামা-মামী, মাহী আদি সম্বন্ধবাচক শব্দবোৰ উভয় সম্প্ৰদায়ে একেধৰণে ব্যৱহাৰ কৰে।

## ধৰ্মীয় আচাৰ-নীতি, উৎসৱ আৰু অনুষ্ঠান

পৃথিৱীৰ সৰ্বত্ৰ অনুগামী বিয়পি থকা ধৰ্মসমূহৰ ভিতৰত অন্যতম হ'ল ইছলাম ধৰ্ম। অনুগামীৰ পৰিসংখ্যাৰ ফালৰ পৰা চাবলৈ গ'লে বিশ্বত ইছলাম ধৰ্ম দ্বিতীয় স্থানত আছে। আৰব মৰুভূমিত প্ৰথমতে উত্থান ঘটা এই ধৰ্মৰ প্ৰধান প্ৰচাৰক হ'ল হজৰত মহম্মদ। 'ইছলাম' আৰবী ভাষাৰ শব্দ।

ইয়াৰ অৰ্থ শান্তি, আত্মসমৰ্পণ আৰু আনুগত্য। ইছলাম ধৰ্ম মূলতঃ পঞ্চ বুনিয়াদ অৰ্থাৎ পাঁচটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত। এইকেইটা হ'ল- (ক) কলিমা (মূলমন্ত্ৰ), (খ) নামাজ, (গ) ৰোজা (উপবাস), (ঘ) হজ (মক্কালৈ তীৰ্থযাত্ৰা কৰা) আৰু (ঙ) জাকাত (নিৰ্দিষ্ট পৰিমাণৰ বাধ্যতামূলক দান)। ইছলাম ধৰ্মৰ দৃষ্টিত আল্লাহ হ'ল এই জগতৰ সৃষ্টিকৰ্তা, একমাত্ৰ গৰাকী। তেখেত পৰম শক্তিমান আৰু সকলো জীৱৰে ত্ৰাণকৰ্তা। যি ব্যক্তিয়ে নিৰাকাৰ আল্লাহৰ একত্ব স্বীকাৰ কৰি লয় আৰু ইছলামৰ পঞ্চ বুনিয়াদ আৰু নীতি-নিয়মৰ প্ৰতি নিজকে সমৰ্পিত কৰি তাৰ প্ৰতি অনুগত হৈ সেইবোৰ হজৰত মহম্মদে দেখুৱাই দিয়া পদ্ধতিৰে মানি চলিবলৈ বিচাৰে, তেখেতসকল ইছলাম ধৰ্মাৱলম্বী।[২৬] এই ইছলাম ধৰ্মাৱলম্বী লোকসকলক মুছলমান বুলি কোৱা হয়।

"সৃষ্টিকৰ্তা আল্লাহে মানৱজাতি স্ৰজন কৰি সুশৃংখল জীৱন-যাপন পৰিচালনাৰ অৰ্থে বিভিন্ন সময়ত প্ৰেৰিত দূতৰ জৰিয়তে কিছুমান স্বৰ্গীয় গ্ৰন্থ অৱতীৰ্ণ কৰিছে। এইবোৰত প্ৰভুৰ আদেশ-নিষেধ, হুকুম-আহ্বান আদি লিপিবদ্ধ কৰা আছে। এই স্বৰ্গীয় গ্ৰন্থবোৰৰ ভিতৰত চাৰিখন বিশেষভাৱে উল্লেখযোগ্য - তৌৰাত, জবুৰ, ইঞ্জিল আৰু কোৰআন। ইয়াৰ ভিতৰত কোৰআনখন আল্লাহে মানৱ জাতিলৈ পঠোৱা সৰ্বশেষ আৰু পূৰ্ণাংগ বিধান বুলি কোৱা হৈছে। জিব্ৰাইল ফিৰিস্তাৰ জৰিয়তে হজৰত মহম্মদৰ ওপৰত এইখন গ্ৰন্থ অৱতীৰ্ণ হৈছিল। ইয়াক শ্ৰেষ্ঠ আৰু সমগ্ৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ ধৰ্মগ্ৰন্থ বুলি কোৱা হয়। আৰবী ভাষাত ৰচিত এই ধৰ্মগ্ৰন্থ কোৰআন পাঠ কৰাটোও পুণ্যৰ কাম বুলি গণ্য কৰা হয"।[২৭]

অসমৰ মুছলমানসকল ধৰ্ম বিষয়ত যথেষ্ট উদাৰ। দৈনন্দিন জীৱনত ইছলামীয় ৰীতি-নীতিবিলাক আন্তৰিকতাৰে মানি চলে। ইছলামৰ পঞ্চ বুনিয়াদৰ ওপৰত সম্পূৰ্ণ ঈমান (বিশ্বাস) ৰাখে। পঞ্চ বুনিয়াদৰ দ্বিতীয় বুনিয়াদ নামাজ বা উপাসনা। দৈনিক পাঁচ ৰক্ত নামাজ পঢ়া পবিত্ৰ ধৰ্মীয় কৰ্তব্য বুলি প্ৰায় সকলো মুছলমানে জ্ঞান কৰে। মছজিদত জামাত (দল) হৈ

ৰক্তীয়া[২৮] নামাজ আদায় কৰাটো অধিক পুণ্যৰ কাম বুলি বিবেচনা কৰা হয়। মছজিদত নামাজ আদায় কৰাৰ সুবিধাৰ বাবেই অসমৰ মুছলমানপ্ৰধান অঞ্চলবিলাকত প্ৰায় প্ৰতিটো চুবুৰিত মছজিদ দেখিবলৈ পোৱা যায়। অৱশ্যে মছজিদত জামাত হৈ নামাজ আদায় কৰাটো অসমত মাত্ৰ পুৰুষসকলৰ মাজতে সীমাবদ্ধ হৈ আছে। মহিলাসকলে আৰু নামাজৰ সময়ত মছজিদত উপস্থিত থাকিব নোৱৰা পুৰুষসকলে ঘৰতে এককভাৱে নামাজ আদায় কৰে। দৈনিক পাঁচবাৰকৈ নামাজ পঢ়াৰ উপৰি বিশ্বৰ সকলো ইছলাম ধৰ্মাৱলম্বীৰ নিচিনাকৈ অসমৰ মুছলমানসকলেও প্ৰতি শুকুৰবাৰে দুপৰীয়া মছজিদত একত্ৰিত হৈ দলবদ্ধভাৱে 'জুম্মা' নামাজ আদায় কৰে। উল্লেখযোগ্য এই জুম্মাৰ নামাজ মাত্ৰ মছজিদত জামাত হৈ সম্পন্ন কৰা হয়, এককভাৱে মছজিদত বা ঘৰত সমাপন কৰিব নোৱাৰি। অসমৰ সকলোবোৰ মছজিদত দৈনিক পাঁচবাৰ নামাজৰ ব্যৱস্থা কৰা হয় যদিও সকলোবিলাক মছজিদত 'জুম্মা'ৰ নামাজ সমাপন কৰা নহয়। অসমৰ বহু ঠাইত জুম্মাৰ নামাজ সেই অঞ্চলত প্ৰতিষ্ঠিত আটাইকেইটা মছজিদত সমাপন কৰাতকৈ আটাইকেইটা মছজিদৰ জামাত একত্ৰিত হৈ সেই অঞ্চলৰ ডাঙৰ মছজিদটোত বা পুৰণি মছজিদটোত সমাপন কৰে। এই ব্যৱস্থাৰ এটা ভাল দিশ হৈছে এই ব্যৱস্থাই অঞ্চলটোৰ মুছলমান বাসিন্দাসকলৰ মাজত একতা আৰু মিলা-প্ৰীতি বৃদ্ধি কৰাত সহায় কৰে। অসমত জুম্মাৰ নামাজৰ সূচনা হয় ১২৫৭ খ্ৰীষ্টাব্দত, যেতিয়া গৌড় ৰজা মালিক উজবেক তুগ্ৰীল খানে কামৰূপ-কমতাৰ বিৰুদ্ধে যুদ্ধত জয়লাভৰ আনন্দ উদ্‌যাপনৰ বাবে উত্তৰ গুৱাহাটীত (কামৰূপ নগৰ) এটি মছজিদ সজায় আৰু শুকুৰবাৰৰ সমূহীয়া (জুম্মা) নামাজৰ সূচনা কৰে।[২৯] আকৌ মছজিদত নামাজৰ নিৰ্দিষ্ট সময়ৰ আগতে সেই অঞ্চলৰ মুছলমান পুৰুষসকলক নামাজলৈ আহ্বান জনাই নিৰ্দিষ্ট নিয়মেৰে আজান দিয়া হয়। আজানৰ অৰ্থই হ'ল আহ্বান। অৱশ্যে আহোম শাসনাধীন অসমত আজান দিয়াৰ প্ৰথা সপ্তদশ শতিকাৰ পৰাহে আৰম্ভ হৈছিল। অসম বুৰঞ্জীৰ পৰা জানিব পাৰি সপ্তদশ শতিকাত সুদূৰ

বাগদাদ বা আৰবৰ কোনো অঞ্চলৰ পৰা ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে আহোম ৰাজ্যত বসতি কৰিবলৈ লোৱা চুফী সাধক চাহ মিৰাণে আহোম ৰাজ্যত আগৰে পৰা থকা মুছলমানসকলক নামাজলৈ আহ্বান কৰিবৰ বাবে আজান দিয়াৰ ব্যৱস্থা কৰিবলৈ লয়, যাৰ বাবে তেখেত আজান ফকীৰ নামেৰে জনপ্ৰিয় হৈ পৰে। তাৰ আগলৈকে অসমত আজান দিয়াৰ প্ৰথাৰ প্ৰচলন বা ৰাজকীয় অনুমতি নাছিল। প্ৰায়বিলাক মছজিদতে আজান দিবলৈ নিৰ্দিষ্ট এক গম্বুজ বা মিনাৰ আছিল।

ইছলামৰ পঞ্চ বুনিয়াদৰ তৃতীয়টো বুনিয়াদ হ'ল ৰোজা বা উপবাস। অসমৰ মুছলমান ধৰ্মাৱলম্বীসকলে ইছলামীয় কেলেণ্ডাৰৰ নৱম মাহ অৰ্থাৎ ৰমজান মাহত ৰোজা ৰখাটো পৱিত্ৰ ধৰ্মীয় কৰ্তব্য বুলি মানি আহিছে। পাৰ্ছী ভাষাৰ শব্দ ৰোজাৰ অৰ্থ হ'ল বিৰত থকা বা আত্মসংযম অৱলম্বন কৰা। প্ৰাপ্তবয়স্ক প্ৰত্যেক মুছলমান পুৰুষ-মহিলাৰ ওপৰত এই ৰোজা ফৰজ অৰ্থাৎ বাধ্যতামূলক। সময়ৰ সংকেত দিবৰ বাবে ঘড়ীৰ ব্যৱহাৰ কম থকাৰ সময়ত অৰ্থাৎ আজি কিছু বছৰৰ আগলৈকে অসমৰ মুছলমান বসতিপ্ৰধান অঞ্চলবিলাকত মুছলমান ডেকাসকলে চেহেৰীৰ (সূৰ্যোদয়ৰ আগতে গ্ৰহণ কৰা আহাৰ) সময়ত অৰ্থাৎ পুৱতি নিশা আলিবাটেদি জিকিৰ, গজল আদি গীত গাই মুছলমানসকলক ৰোজা ৰাখিবৰ বাবে আহ্বান জনাইছিল। এই ব্যৱস্থা অসমৰ কোনো কোনো মুছলমান বসতিপ্ৰধান অঞ্চলত আজিও প্ৰচলিত হৈ আছে বুলি জানিব পাৰি। গোটেই দিনটো উপবাসে থাকি সূৰ্য অস্ত যোৱাৰ লগে লগে ইফতাৰ (খাদ্য গ্ৰহণ) কৰা হয়। অসমৰ মুছলমান সমাজত ইফ্তাৰৰ জৰিয়তে পাৰস্পৰিক মিলা-প্ৰীতিৰ কিছুমান সুন্দৰ নিদৰ্শন পোৱা যায়। মছজিদৰ ওচৰত থকা বাসিন্দাসকলে নিজৰ ঘৰৰ পৰা লৈ যোৱা ইফ্তাৰৰ বিভিন্ন খাদ্যসমূহ মছজিদত পৰস্পৰে পৰস্পৰৰ মাজত বিলাই দি একেলগে আনন্দৰে ইফতাৰ গ্ৰহণ কৰাৰ অপূৰ্ব দৃশ্য অসমৰ বিভিন্ন ঠাইৰ অসংখ্য মছজিদত দেখিবলৈ পোৱা যায়। ইয়াৰ এটা ডাঙৰ সুবিধা হ'ল সমাজৰ একেবাৰে অভাৱগ্ৰস্ত লোকজনেও সকলোৰে লগত সমানে

তৃপ্তিৰে ইফ্‌তাৰ গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি যিকোনো ৰোজাদাৰ বাটৰুৱাই ইফ্‌তাৰৰ সময় হ'লে যিকোনো মছজিদত প্ৰৱেশ কৰিলে তেখেতৰ ইফ্‌তাৰৰ ব্যৱস্থা সমাধা হয়। আকৌ এঘৰে আন এঘৰলৈ ইফ্‌তাৰৰ সামগ্ৰী পঠিওৱা ৰীতিও অসমীয়া মুছলমান সমাজত দেখিবলৈ পোৱা যায়। এইবিলাকে নিশ্চিতভাৱে অসমৰ মুছলমান সমাজত একতা আৰু মিলা-প্ৰীতি বৃদ্ধি কৰিছে। আজিকালি আকৌ ৰাজহুৱা ইফ্‌তাৰৰ আয়োজন কৰাও দেখিবলৈ পোৱা যায়, যিবিলাকলৈ আনকি অ-মুছলমান বন্ধুসকলেও নিমন্ত্ৰণ পায় বা অংশগ্ৰহণ কৰে। আকৌ কেতিয়াবা এনে ৰাজহুৱা ইফ্‌তাৰ অনুষ্ঠানৰ উদ্যোক্তাসকলেই অনা-মুছলমান। এইবিলাক অনুষ্ঠান সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰতীক।

ধৰ্মীয় ধ্যান-ধাৰণাৰে পৱিত্ৰ বুলি জ্ঞান কৰা ঠাইলৈ তীৰ্থ কৰিবলৈ যোৱাটোক বিশ্বৰ প্ৰতিটো ধৰ্মই অতিশয় পুণ্যৰ কাম বুলি জ্ঞান কৰে। প্ৰতিজন ধৰ্মভীৰু ব্যক্তিৰে বিশ্বাস যে তীৰ্থক্ষেত্ৰত গৈ প্ৰাৰ্থনা কৰিলে প্ৰভু সোনকালে সন্তুষ্ট হয় আৰু তীৰ্থযাত্ৰীজনৰ মনোকামনা সিদ্ধ হয়। ইছলাম ধৰ্মাৱলম্বীসকলেও তেনেদৰে বিশ্বাস কৰে। ইছলাম ধৰ্মৰ পঞ্চ বুনিয়াদৰ অন্যতম বুনিয়াদেই হৈছে হজ বা তীৰ্থযাত্ৰা। বিশ্বৰ ইছলাম ধৰ্মাৱলম্বীসকলে ইছলামীয় কেলেণ্ডাৰৰ জিলহজ মাহত আৰব দেশৰ পৱিত্ৰ মক্কা নগৰীলৈ হজ সমাপনৰ বাবে যায়। ইছলাম ধৰ্মই সমৰ্থৱান প্ৰতিজন মুছলমানৰ বাবে জীৱনত অন্ততঃ এবাৰ হজ কৰাটো বাধ্যতামূলক কৰিছে। অসমৰ মুছলমান ধৰ্মাৱলম্বীসকলৰ বহুজনে অতীজৰে পৰা বৰ্তমানলৈকে প্ৰত্যেক বছৰতে হজ সমাপন কৰি আহিছে। আজি কিছু বছৰৰ আগলৈকে অসমৰ পৰা হজলৈ বুলি ওলোৱা লোকৰ সংখ্যা তাকৰ আছিল আৰু সাধাৰণতে বয়সিয়াল লোকসকলহে যেন পৱিত্ৰ হজৰ বাবে যায় তেনেধৰণৰ এটি ধাৰণা আছিল। কিন্তু বৰ্তমান বিভিন্ন কাৰণত যেনে - যাতায়াত ব্যৱস্থাৰ সুচল হোৱাৰ বাবেই হওক বা ধৰ্মৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱাৰ বাবেই হওক, বৰ্তমান অসমত হজযাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে আৰু তেওঁলোকৰ মাজত ডেকা-

গাভৰুৰ সংখ্যা বৰ্তমান বঢ়াটো বিশেষ মন কৰিবলগীয়া। প্ৰত্যেক মুছলমান ব্যক্তিয়ে জীৱনত এবাৰ হজ কৰিবলৈ পোৱাটো পৰম সৌভাগ্যৰ কথা বুলি গণ্য কৰে। আগতে হজ কৰিবলৈ বুলি ওলোৱা ব্যক্তিজনক লৈ অঞ্চলটোত কেইমাহমানৰ আগৰে পৰা আলোচনা-বিলোচনা আৰম্ভ হৈছিল। তীৰ্থযাত্ৰীজনে আত্মীয়-স্বজন, ইষ্ট-কুটুম্বক দেখা কৰি দোৱা বা আশীৰ্বাদ লয় আৰু তেওঁলোকেও তীৰ্থযাত্ৰীজনক পৱিত্ৰ ঠাইত তেওঁলোকৰ বাবে আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ কৰে। ই কোনো ধৰ্মীয় পৰম্পৰা নহয়, বৰং লোক পৰম্পৰাহে।[৩০] ঠিক তেনেদৰে হজ সমাপন কৰি অহা ব্যক্তিজনক দেখা-সাক্ষাৎ কৰাটোও এক পুণ্যৰ কাম বুলি অসমৰ মুছলমানসকলেও জ্ঞান কৰে। আহোম স্বৰ্গদেৱসকলেও ইছলামীয় তীৰ্থস্থানসমূহত প্ৰাৰ্থনা কৰিবলৈ মানুহ পঠিওৱাৰ উদাহৰণ অসম বুৰঞ্জীত উল্লেখ আছে। ৰুদ্ৰসিংহ স্বৰ্গদেৱে চাহ নেৱাজ নামৰ এজন পীৰক ৰাজ্যত মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ শিৱসাগৰৰ পৰা হাজোৰ পোৱামক্কালৈ বিভিন্ন বয়-বস্তুসহ প্ৰেৰণ কৰিছিল বুলি জানিব পাৰি।[৩১]

ইছলামধৰ্মীয় উৎসৱবিলাক যেনে ঈদ্-উল-ফিটৰ বা ৰমজান ঈদ, ইদ-উল-আজহা বা কোৰবাণী ঈদ, ফাতেহা-ই-দোৱাজ দহম, লাইলাতুল বৰাত, লাইলাতুল কদৰ আদি অতি ভক্তিভাবেৰে অসমৰ মুছলমানসকলে পালন কৰি আহিছে। দুয়োটা ঈদৰ নামাজ সমূহীয়াভাৱে আদায় কৰিবৰ বাবে অসমৰ বিভিন্ন গাঁও, চহৰত ঈদগাহৰ ব্যৱস্থা আছে। আকৌ মহৰম বা আচুৰা (আৰবী শব্দ আচৰাৰ পৰা আহিছে যাৰ অৰ্থ হ'ল দহ) উপলক্ষে মছজিদবিলাকত ফাতেহাৰ আয়োজন কৰা হয়। ইছলামীয় কেলেণ্ডাৰৰ প্ৰথম মাহ মহৰম মাহৰ প্ৰথম দহদিন ইছলাম ধৰ্মৰ বুৰঞ্জীত অতি গুৰুত্বপূৰ্ণ। হজৰত মহম্মদৰ জন্মৰ আগৰ আৰু পাছৰ ইছলামীয় ইতিহাসৰ বহু গুৰুত্বপূৰ্ণ ঘটনাৰ সাক্ষী হৈছে মহৰম মাহৰ প্ৰথম দহদিন। কাৰবালাৰ কৰুণ ঘটনাও সংঘটিত হৈছিল এইকেইটা দিনতে। কাৰবালাৰ শ্বহীদসকলৰ বাবে শোক প্ৰকাশ কৰি মহৰম মাহৰ প্ৰথম দহদিন অসমৰ মুছলমানসকলেও সাধাৰণতে আনন্দ-

উৎসৱ আদিৰ পৰা বিৰত থাকে। আনকি বহুতে এই দহদিনত নখ-চুলিও নাকাটিছিল। আগতে এইকেইটা দিনত বিশেষ আৱশ্যক নহ'লে তিৰোতাসকলে ঘৰৰ পৰা নোলাইছিল। আনকি বিবাহিতা জীয়ৰীয়ে মাকৰ ঘৰলৈও নগৈছিল। অৱশ্যে বৰ্তমান এইবিলাক যথেষ্ট সলনি হৈছে। কাৰবালাৰ যুদ্ধ আৰু তাত সংঘটিত হোৱা কৰুণ ঘটনাক স্মৰণ কৰি লাঠী, তৰোৱাল আদি লৈ 'তাজিয়া' উলিওৱা প্ৰথা বিহাৰ, উত্তৰ প্ৰদেশ আদিৰ পৰা আহি অসমত বসবাস কৰিবলৈ লোৱা চিয়া সম্প্ৰদায়ৰ জৰিয়তে কুৰি শতিকাৰ দ্বিতীয়, তৃতীয় দশকৰ পৰা অসমত প্ৰচলন হয় বুলি আব্দুছ ছাত্তাৰদেৱে তেখেতৰ 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি' নামৰ গ্ৰন্থত উল্লেখ কৰিছে। চুন্নি সম্প্ৰদায়ৰ অসমীয়া মুছলমানসকলে 'তাজিয়া' সাজি শোভাযাত্ৰা উলিওৱা কাৰ্যত সাধাৰণতে জড়িত নহয়।

ইছলামীয় কেলেণ্ডাৰৰ তৃতীয় মাহ অৰ্থাৎ ৰবিউল আউৱাল মাহৰ বাৰ তাৰিখে ফাতেহা-ই-দোৱাজ-দহম পালন কৰা হয়। ফাতেহা-ই-দোৱাজ-দহম এক ইছলামী ধৰ্মীয় সামাজিক অনুষ্ঠান। এই অনুষ্ঠান পৰম্পৰাগতভাৱে বিশেষকৈ দক্ষিণ-পূব এছিয়াত নিষ্ঠাসহকাৰে পালন কৰা হয়। দোৱাজ-দহম পাৰ্চী ভাষা আৰু ই দ্বাদশ বুজায়। হজৰত মোহাম্মদ(দঃ)ৰ জন্ম ১২ ৰবিউল আউৱাল বাবে এই অনুষ্ঠানটো 'ফাতেহা দোৱাজ দহম' বুলি জনা যায়। ইয়াক 'ইয়াউমুন নবী' (নবীৰ দিন) বা ঈদে মিলাদুন নবী (নবীৰ জন্ম উৎসৱ) বুলিও কোনো কোনো দেশত কোৱা হয়। এই অনুষ্ঠান পালনৰ ক্ষেত্ৰত নানা মত থাকিলেও ভাৰতবৰ্ষৰ অন্য ঠাইৰ দৰে অসমতো এই দিনটো বিশেষভাৱে উদ্‌যাপন কৰি অহা হৈছে। অসমৰ প্ৰায়সমূহ মছজিদত তথা কোনো কোনো ইছলামধৰ্মীয় শৈক্ষিক আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰে। ধৰ্মীয় আলোচনা আদিৰ ব্যৱস্থা কৰা হয়, য'ত ইছলামধৰ্মীয় মৌলবীসকলে তথা ইছলাম ধৰ্মৰ বিষয়ে বিশেষ জ্ঞান থকা আন আন বিদ্বান লোকে এনে ধৰ্মীয় আলোচনা সভাবিলাকত শেষ নবী হজৰত মহম্মদ সম্পৰ্কে বিশেষকৈ তেখেতৰ জীৱন চৰিত, আদৰ্শ,

শিকনি, কৰ্মসূচী, ইত্যাদিৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। সৰ্বসাধাৰণ লোকে এনে বক্তৃতা অনুষ্ঠানৰ পৰাই অনেক ধৰ্মীয় নীতি-নিয়ম আদিৰ প্ৰাথমিক জ্ঞান আহৰণ কৰে। বক্তৃতা অনুষ্ঠানৰ শেষত সকলোৰে বাবে সুখ, শান্তি আৰু প্ৰগতিৰ বাবে কামনা কৰি তথা বেমাৰ-আজাৰ, অপায়-অমংগলৰ পৰা ৰেহাই পাবৰ বাবে আল্লাহৰ অনুগ্ৰহ বিচাৰি দোৱা (প্ৰাৰ্থনা) কৰা হয়। ধৰ্মীয় কাৰ্যসূচীৰ পাছত ৰাজহুৱা 'চিৰ্ন্নী'ৰ আয়োজন কৰা হয়। কোনো কোনো অঞ্চলত সমূহীয়া ভোজ-ভাতৰ ব্যৱস্থা কৰা হয়। উজনি অসমৰ কেইটামান মছজিদত ফাতেহা-ই-দোৱাজ-দহম উপলক্ষে এক বৃহৎ পৰিসৰত ৰাজহুৱা ভোজৰ আয়োজন বৰ্তমানলৈকে চলি আহিছে। আকৌ এই দিৱস উপলক্ষে বিভিন্ন ঠাইৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা যেনে - কেৰাত পাঠ, গজল, জিকিৰ, নাট - ই- ৰছুল, কুইজ আদি অনুষ্ঠিত হয়। শেষ নবী হজৰত মহম্মদৰ জীৱনী, আদৰ্শ, শিকনি, কাৰ্যাৱলী, মানৱ সমাজলৈ ইছলামৰ অৱদান ইত্যাদি ধৰ্মীয় বিষয় সম্পৰ্কে অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাসমূহত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে অংশগ্ৰহণ কৰে। মুঠতে ফাতেহা-ই-দোৱাজ-দহম অসমৰ ইছলাম ধৰ্মাৱলম্বীসকলে আড়ম্বৰপূৰ্ণভাৱে পালন কৰে।

ইছলামীয় কেলেণ্ডাৰৰ অষ্টম মাহ চাবানৰ ১৫ তাৰিখৰ নিশা 'শ্বেবে বৰাত' আৰু নৱম মাহ তথা পৱিত্ৰ ৰমজান মাহৰ ২৭ তাৰিখৰ নিশা 'শ্বেবে ক্বদৰ' বা 'লাইলাতুল ক্বদৰ' পালন কৰা হয়। ইছলাম ধৰ্মত এই দুয়োটা নিশাক অতি পৱিত্ৰ আৰু সৌভাগ্যৰ নিশা বুলি গণ্য কৰা হয়। এই দুয়োটা নিশাতে মছজিদত বিশেষ প্ৰাৰ্থনাৰ ব্যৱস্থা কৰা হয়। জামাতৰ সকলোৱে মিলি বা অকলশৰে কবৰস্থানলৈ গৈ কবৰ জিয়াৰৎ কৰে। ধৰ্মপ্ৰাণসকলে এই দুয়োটা নিশা উজাগৰে থাকি নফল (ঐচ্ছিক) নামাজ পঢ়ি, পৱিত্ৰ কোৰাণ পাঠ কৰি বা জিকিৰ - তচবীহ লৈ আল্লাহৰ ইবাদত কৰে। শ্বেবে বৰাতৰ দিনা বহুতে ৰোজা ৰাখে। শ্বেবে বৰাতৰ দিনা একে অঞ্চলত থকা মুছলমানসকলে পৰস্পৰে পৰস্পৰৰ ঘৰলৈ বিভিন্ন ধৰণৰ খাদ্য বিতৰণৰ পৰম্পৰাও অসমৰ বহু ঠাইত প্ৰচলন আছে।

কোনো শুভ কাৰ্যৰ বা মাংগলিক কাৰ্যৰ শুভাৰম্ভ কৰাৰ সময়ত অসমৰ হিন্দু সম্প্ৰদায়ে যেনেদৰে পূজা-পাতল বা নাম-প্ৰসংগৰ আয়োজন কৰে, ঠিক তেনেদৰে অসমৰ মুছলমানসকলেও বিশেষ কিবা কাৰ্য সমাপন কৰিবলৈ যোৱাৰ আগতে বিশেষ প্ৰাৰ্থনা বা দোৱা আৰু মিলাদৰ আয়োজন কৰে। এনে দোৱাত চামিল হোৱা বা যোগদান কৰাটোও চাৱাব(পুণ্য)ৰ কাম বুলি গণ্য কৰা হয়। সৰ্বসাধাৰণ মুছলমান লোকৰ বিশ্বাস, দোৱা অনুষ্ঠানত ফিৰিস্তা বা দেৱদূতবোৰেও মানুহৰ লগত অংশগ্ৰহণ কৰে আৰু আকাংক্ষিত কামটো সুকলমে সম্পন্ন হয়[৩২]।

নিজৰ সন্তানক বাল্যকালতেই ইছলামধৰ্মীয় ৰীতি-নীতি, নামাজ ইত্যাদিৰ শিক্ষা দিয়াটো অভিভাৱকৰ দায়িত্ব বুলি গণ্য কৰা হয়। ঘৰুৱাভাৱে মৌলবীৰ দ্বাৰা ধৰ্মীয় শিক্ষা লাভ কৰাৰ উপৰি অসমৰ প্ৰায়বিলাক মছজিদত সংলগ্ন থকা মকতব বা মাদ্ৰাছাত ধৰ্মীয় শিক্ষাদানৰ ব্যৱস্থা থকা দেখা যায়। ইয়াৰ উপৰি অসমৰ বিভিন্ন ঠাইত বহুতো ইছলামধৰ্মীয় শিক্ষানুষ্ঠান আছে য'ত আৰবী, উৰ্দু আৰু পাৰ্ছী ভাষাৰ জ্ঞান দিয়াৰ উপৰি কোৰআন, হাদীছ আৰু শ্বৰীয়তৰ জ্ঞান ছাত্ৰসকলক দিয়া হয়। এনে শিক্ষানুষ্ঠান অসমত অষ্টাদশ শতিকাৰ পৰা থকাৰ কথা বুৰঞ্জীত পোৱা যায়। ব্ৰিটিছ চিকিৎসক তথা লেখক ড° জে পি ৱেদ (Dr. J.P. Wade) যিজন ১৭৯২ খ্ৰীষ্টাব্দৰ পৰা ১৭৯৪ খ্ৰীষ্টাব্দলৈ অসমত আছিল, তেখেতে গুৱাহাটীত দহ-বাৰখনমান আৰু আহোম ৰাজধানী ৰংপুৰত (বৰ্তমানৰ শিৱসাগৰ) কুৰিখনতকৈ অধিক এনে ইছলামধৰ্মীয় শিক্ষা দিয়া শিক্ষানুষ্ঠান দেখা পাইছিল বুলি উল্লেখ কৰিছে।[৩৩]

## অন্যান্য সামাজিক অনুষ্ঠান

অসমৰ জনসমাজত প্ৰচলিত অনেক লোকবিশ্বাস আৰু নীতি-নিয়মৰ প্ৰচলন অসমৰ মুছলমানসকলৰ মাজতো আছে। সামাজিক অনুষ্ঠান— জন্ম, বিবাহ আৰু মৃত্যু সম্বন্ধীয় যিবোৰ লোকবিশ্বাস আৰু

নীতি-নিয়মৰ প্ৰচলন অসমৰ মুছলমানসকলৰ মাজত আছে, সেই নিয়মৰ লগত ইছলাম ধৰ্মৰ সম্পৰ্ক প্ৰায়ে নাই। আধুনিক শিক্ষাৰ পোহৰ নপৰা সময়ত অসমীয়া মানুহে ৰোগ-ব্যাধিবিলাকক অপদেৱতাৰ ক্ৰিয়া-কাৰ্য বুলি ভাবিছিল। গতিকে এই ৰোগ-ব্যাধিবিলাক দূৰ কৰিবৰ বাবে আৰম্ভ হৈছিল জৰা-ফুঁকা, বেজৰ বেজালি, জোনাব-মৌলবীৰ তাবিজ আদি। অসমৰ মুছলমানসকলো ইয়াৰ ব্যতিক্ৰম নাছিল। ল'ৰা-ছোৱালীক জন্মৰ সময়ৰে পৰা অপশক্তিৰ কোপৰ পৰা ৰক্ষা কৰিবলৈ অসমৰ অনা-মুছলমানসকলৰ দৰে মুছলমানসকলেও নানাধৰণৰ আচাৰ-আচৰণ কৰিছিল। সন্তান জন্মৰ পিছত প্ৰসূতি আৰু সন্তানক ভূত-প্ৰেত, ডাইনী, যখিনী আদি অপশক্তিৰ পৰা ৰক্ষা কৰিবলৈ প্ৰসূতিৰ শোৱাপাটীৰ তলত এখন দা বা কটাৰী থৈ দিয়া, প্ৰসূতিৰ ঘৰৰ বেৰত বগৰীৰ জেং গুঁজি লোৱা, জোনাব-মৌলবীৰ পৰা তাবিজ আনি সন্তানৰ গাত পিন্ধাই দিয়া আদি আচাৰ-আচৰণ মানি চলিছিল। সন্তান সম্ভৱা তিৰোতাগৰাকীক অপশক্তিৰ কোপৰ পৰা ৰক্ষা পাবৰ বাবে অসমৰ মুছলমানসকলেও বিভিন্ন অসমীয়া লোকাচাৰ মানি চলা দেখা যায়। চন্দ্ৰ আৰু সূৰ্য গ্ৰহণৰ সময়ছোৱাত গৰ্ভৱতী তিৰোতাক খোৱা আৰু শোৱাৰ পৰা আঁতৰত ৰখা হয়, পূৰ্ণিমা আৰু অমাৱস্যাৰ নিশা গৰ্ভৱতী তিৰোতা ঘৰৰ বাহিৰলৈ ওলোৱা অমঙ্গলজনক বুলি গণ্য কৰা হয়। গৰ্ভৱতী তিৰোতাক বিশেষকৈ প্ৰথম সন্তান জন্মৰ সময়ত জীয়ৰীক মাকৰ ঘৰলৈ লৈ যোৱাটো অসমীয়া সামাজিক প্ৰথাৰ প্ৰচলন অতীজৰে পৰা মুছলমান সমাজতো প্ৰচলিত হৈ আহিছে। আনহাতে সন্তান জন্ম হোৱাৰ পিছতেই পৰিয়ালৰ জ্যেষ্ঠ সদস্য এজনে নৱজাতকৰ ওচৰত উচ্চস্বৰে 'আজান' দিয়াৰ প্ৰথা অসমৰ মুছলমানসকলৰ মাজত প্ৰচলিত আছে। ইয়াৰ উদ্দেশ্য হ'ল নৱজাতক শিশুটোৰ কাণত পোনতেই আল্লাহৰ নাম ধ্বনিত হয় আৰু লগতে মছজিদৰ সলনি অন্য স্থানৰ পৰা অসময়ত আজান দিলে ওচৰ-চুবুৰীয়ায়ো গম পায় যে কাৰোবাৰ ঘৰত সন্তান জন্ম হৈছে। প্ৰসূতিয়ে সন্তান ঘৰতে জন্ম দিব লগা হ'লে সন্তান জন্মৰ সময়ত প্ৰসূতিৰ ক্ষেত্ৰত কৰিবলগীয়া নিয়মবোৰ

স্থানীয় ধাইগৰাকীয়ে পালন কৰে। বাঁহৰ চলিৰে ধাইগৰাকীয়ে শিশুটিৰ নাড়ী ছেদন কৰে। নৱজাতক শিশুটিক আৰু লগতে মাতৃগৰাকীক মালিচ কৰা, গৰম সেক দিয়া আদি কাৰ্য ধাইগৰাকীয়ে পালন কৰে। ঠিক তেনেদৰে কেঁচুৱাক নাড়ী সৰিলেহে বাহিৰলৈ উলিয়ায় আৰু ওচৰ-চুবুৰীয়া, আত্মীয়-স্বজনক নিমন্ত্ৰণ কৰি বাজলৈ উলিওৱা অনুষ্ঠান পাতি সাধ্যানুসৰি আপ্যায়ন কৰি আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। সন্তান জন্ম হোৱাৰ পৰৱৰ্তী সময়ত সন্তানটিৰ নামত 'আকিকা' আগবঢ়োৱা এক উল্লেখযোগ্য ইছলামধৰ্মীয় ৰীতি, যিটো অসমৰ মুছলমানসকলেও অতীজৰে পৰা মানি চলি আহিছে। 'আকিকা'ৰ অৰ্থ হ'ল জীৱৰ বিনিময়ত জীৱ উছৰ্গা কৰা। সন্তান জন্ম হোৱাৰ ৪০ (চল্লিশ) দিনৰ ভিতৰত এই 'আকিকা' অনুষ্ঠানটি সমাপন কৰিব লাগে বুলি কোৱা হয় যদিও অভিভাৱকে সুবিধা অনুযায়ী এই অনুষ্ঠানটি সম্পন্ন কৰি আহিছে। পৰম্পৰা অনুযায়ী পুত্ৰ সন্তানৰ ক্ষেত্ৰত দুটা ছাগলী বা এটি গৰু আৰু কন্যা সন্তানৰ ক্ষেত্ৰত এটা ছাগলী বা সাতজনী ছোৱালীৰ বিনিময়ত এটি গৰু আল্লাহৰ নামত উছৰ্গা বা আকিকা দিয়া হয় আৰু ইয়াৰ মাংস ওচৰ-চুবুৰীয়া ইছলাম ধৰ্মাৱলম্বীসকল আৰু আত্মীয়-স্বজনৰ মাজত বিলাই দিয়া হয়। আকিকাৰ দিনা জোনাব মৌলবী মাতি নৱজাতক শিশুটিক সকলো ধৰণৰ অপায়-অমংগলৰ পৰা ৰক্ষা কৰি শিশুটিৰ সু-স্বাস্থ্য, সু-চৰিত্ৰ আৰু সুন্দৰ ভৱিষ্যৎ কামনা কৰি আল্লাহৰ ওচৰত দোৱা কৰা হয়। কোনো কোনো পৰিয়ালে আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়া আৰু অঞ্চলটোৰ দুখীয়া লোকসকলক নিমন্ত্ৰণ কৰি ভোজ-ভাতৰ আয়োজন কৰা দেখা যায়। এই আকিকা অনুষ্ঠানতে সন্তানটিৰ নামকৰণ কৰা হয়। নামকৰণৰ ক্ষেত্ৰত আৰবী বা পাৰ্চী শব্দ ব্যৱহাৰ কৰিলেও গ্ৰাম্য সমাজত কলিয়া, কলিমন, তিলেশ্বৰ, কৃপেশ্বৰ আদি নামো আগতে ৰখা হৈছিল।

পুত্ৰ সন্তানৰ ক্ষেত্ৰত অসমৰ মুছলমানসকলে অতীজৰে পৰা মানি চলা এটা ইছলামধৰ্মীয় কাৰ্য হৈছে 'চুন্নত' বা খটনা, যিটোক স্থানীয় মুছলমানসকলে ল'ৰা সন্তানটিক মুছলমান কৰা অনুষ্ঠান বুলিও ক'ব খোজে।

পুৰুষ লিংগৰ আগভাগত থকা বৰ্ধিত ছালটুকুৰা ছেদন কৰাটোৱেই হ'ল চুন্নত বা খট্‌না। কিমান বয়সত ল'ৰাটিক চুন্নত কৰাব লাগে সেই সম্পৰ্কে ধৰাবন্ধা নিয়ম নাই। বুৰঞ্জীমতে, মোগল সম্ৰাট মহামতি আকবৰে বাৰ বছৰ বয়সৰ আগতে এই চুন্নত দিয়া কাৰ্য নিষিদ্ধ কৰিছিল। অসমৰ মুছলমানসকলে বাল্যকালতে, সাধাৰণতে ল'ৰাটিৰ বে-যোৰ বয়সত এই অনুষ্ঠানটি অতীজত আড়ম্বৰপূৰ্ণভাৱে পালন কৰিছিল। আগতে প্ৰায় প্ৰতিটো অঞ্চলতে 'চুন্নত' বা খট্‌না কাৰ্য সম্পন্ন কৰা দক্ষ লোক (বিশেষজ্ঞ) আছিল। কিন্তু বৰ্তমান সময়ত বাধ্যতামূলক এই অনুষ্ঠানটি অনুষ্টুপীয়াকৈ সম্পূৰ্ণ আধুনিক চিকিৎসা বিজ্ঞান অনুসৰি পালন কৰা দেখা যায়।

বিবাহ মানৱ জীৱনৰ অতি গুৰুত্বপূৰ্ণ এক সামাজিক লৌকিক অনুষ্ঠান। ইছলামৰ দৃষ্টিত পুৰুষ-মহিলা সকলোৰে উপযুক্ত সময়ত বিবাহকাৰ্য সম্পন্ন কৰোৱাটো এক আৱশ্যকীয় কৰ্তব্য। বিনা কাৰণত বিবাহৰ পৰা আঁতৰি থকাটো অনুচিত বুলি ইছলাম ধৰ্মই গণ্য কৰে। জন্ম-মৃত্যুৰ দৰে বিবাহৰ সময় আৰু সঙ্গী আল্লাহহে নিৰ্ধাৰণ কৰি থয় আৰু সেইমতেই সংঘটিত হয় বুলি ইছলাম ধৰ্মাৱলম্বীসকলে বিশ্বাস কৰে। অসমৰ মুছলমান সমাজত বিবাহ বা 'নিকাহ' নামৰ সামাজিকভাৱে প্ৰাণময় এই অনুষ্ঠানটোত অনেক থলুৱা নীতি-নিয়ম আৰু লোকবিশ্বাসৰ প্ৰচলন দেখা যায়। বিবাহৰ বাবে পাত্ৰ বা পাত্ৰী নিৰ্বাচনৰ ক্ষেত্ৰত 'ঘটক'ৰ ব্যৱহাৰো দেখা যায়। বিয়াৰ লগত জড়িত সামাজিক নীতি-নিয়ম, ক্ৰিয়া-কাণ্ডত পুৰুষতকৈ মহিলাসকলৰ অংশগ্ৰহণ বা ব্যস্ততা বেছি আৰু সেইবাবেই বিয়া বুলিলে পৰিয়ালৰ মহিলাসকলৰ লগতে সমগ্ৰ চুবুৰিটোৰ মহিলাসকলৰ মাজত এক বিশেষ উদ্দীপনাৰ সৃষ্টি হয়। আগতে বিয়াৰ ঘৰত ৰাইজক সুধিবলৈ প্ৰয়োজনীয় তামোল-পাণ, চুবুৰিৰ মহিলাসকলে কাটি দি সহায় কৰি দিছিল। তেনেদৰে বিয়াৰ খবৰ কৰিবলৈ অহা আলহীক আপ্যায়িত কৰিবৰ বাবে প্ৰয়োজনীয় পিঠা-পনা, চিৰা, সান্দহ, আখৈ আদি 'নাস্তা' তৈয়াৰ কৰি দি বিয়াঘৰখনক যথেষ্ট সহায় কৰি দিছিল। ঠিক তেনেদৰে চুবুৰিটোৰ

ডেকাল'ৰাহঁতে বিয়াৰ বাবে খৰি ফলা, ৰভা সজা, কইনা বহুৱাবলৈ বেই সজোৱা কামবিলাক কৰি দিছিল। বিয়াৰ বাবে পাত্ৰ বা পাত্ৰী নিৰ্বাচন কৰাৰ পৰা আঠমঙ্গলা খোৱালৈকে যিমানবিলাক নীতি-নিয়ম আছে, সেইবিলাক অসমীয়া হিন্দু আৰু মুছলমানৰ প্ৰায় একে। আনকি বিয়াত ব্যৱহৃত বহু সঁজুলি একে আৰু অভিন্ন।

বিবাহৰ লগত জড়িত এটা আনন্দমুখৰ অনুষ্ঠান হ'ল ছোৱালী(কইনা)ক আঙঠি পিন্ধোৱা। ল'ৰা-ছোৱালীৰ পৰিয়ালৰ মাজত বিয়াৰ বাবে ৰাজী হৈ যোৱাৰ পাছত ল'ৰাঘৰৰ ফালৰ পৰা ন-ছোৱালীলৈ বুলি সোণৰ আঙঠি, বস্ত্ৰ, প্ৰসাধন সামগ্ৰী ইত্যাদি উপহাৰ হিচাপে আৰু লগতে মিঠাই আৰু ফল-মূল লৈ ল'ৰাঘৰৰ আত্মীয় কইনাৰ ঘৰলৈ যায় আৰু লগত নিয়া আঙঠি, বস্ত্ৰ-অলংকাৰ আদি পিন্ধাই আনুষ্ঠানিকভাৱে বিয়াৰ দিন-বাৰ ঠিক কৰি আহে। আজিৰ যুগত কেতিয়াবা ভাবী 'দৰা'ও লগত যায় আৰু ভাবী 'কইনা'ক সমাজৰ উপস্থিতিত আঙঠি পিন্ধায়। তেৱেঁই বিবাহ পূৰ্ব এই অনুষ্ঠানটোক উজনি অসমত জোৰোণ আৰু নামনি অসমত 'তেলৰ ভাৰ দিয়া' বোলা হয়।[৩৪] প্ৰকৃত অৰ্থত ইছলাম ধৰ্মমতে বিবাহত জোৰোণ নামৰ কোনো অনুষ্ঠান নাই। ই এক থলুৱা সংস্কৃতিহে। অসমৰ মুছলমান সমাজে ইয়াক আঁকোৱালি লৈ অতীজৰে পৰা আন্তৰিকতাৰে পালন কৰি আহিছে। ঠিক তেনেদৰে বিয়া দিবলৈ ওলোৱা কইনাগৰাকীক মাহ-হালধি সানি, মূৰত অগ্ৰজ মহিলাই তেল দি আশীৰ্বাদ দি গা-ধুওৱা প্ৰথা আদি অসমীয়া সংস্কৃতি বা পৰম্পৰাও অসমীয়া মুছলমানসকলেও অতীজৰ পৰা মানি আহিছে। এই প্ৰথাসমূহ ধৰ্মীয় প্ৰথা নহয়, ই থলুৱা লোকপ্ৰথাহে।

বিয়াৰ মূল অনুষ্ঠানটো হ'ল 'নিকাহ'। নিকাহৰ দিনা দৰাই বন্ধু-বান্ধৱ, আত্মীয় আৰু ওচৰ-চুবুৰীয়াৰ সৈতে (বৰযাত্ৰী) কইনাৰ ঘৰত উপস্থিত হয়। দৰাৰ নিকট বন্ধু এজন বিবাহৰ প্ৰতিটো কাৰ্যতে দৰাৰ কাষতে থাকে। তেখেতক 'দৰাধৰা' বা 'তামুলী' বা 'দোস্ত' বোলা হয়। নিকাহ বা বিবাহ বন্ধনৰ আগমুহূৰ্তত দুয়োপক্ষৰ জামাত(ৰাইজ)ৰ আগত 'মোহৰ' (Mahr/

Muhr) কইনাৰ বিত্তীয় নিৰাপত্তাৰ পৰিমাণ, যিটো দুয়োপক্ষই আগতেই নিৰ্ধাৰণ কৰি থয়, তাক ৰাইজক অৱগত কৰা হয়। মোহৰ সাধাৰণতে স্বামীৰ সামৰ্থ্য অনুসৰি নিৰ্ধাৰণ কৰা হয় আৰু স্বামী-স্ত্ৰীৰ মিলনৰ আগে আগে ধৰ্ম মতে ইয়াত স্বামীয়ে স্ত্ৰীক আদায় দিব লাগে যদিও যিহেতু 'নিকাহ' স্বামী-স্ত্ৰীৰ পাৰস্পৰিক সন্মতি আৰু বিশ্বাসৰ ভিত্তিত অনুষ্ঠিত হয়, সেয়ে মোহৰ বা মোহৰাণা আদায় দিয়া বিষয়টো সেই সময়ত গৌণ হৈ পৰে। নিকাহৰ সময়ত দৰাৰ নিকট আত্মীয় (পুৰুষ) এজনক উকিল আৰু দুয়োপক্ষৰ দুজন সাক্ষী নিয়োজিত কৰি ৰাইজৰ উপস্থিতিত কইনাক আনুমানিকভাৱে বিবাহৰ প্ৰস্তাৱ দি দৰা আৰু কইনাৰ সন্মতি জানিবলৈ প্ৰেৰণ কৰা হয়। এইক্ষেত্ৰত ৰাইজে তেওঁলোকৰ মাজৰ পৰা দুজনক সাক্ষী নিয়োগ কৰি দিয়ে। সাক্ষী বাধ্যতামূলক। চাবলৈ গ'লে দৰা-কইনাৰ পূৰ্বসন্মতি সাপেক্ষেই যেতিয়া বিবাহ ঠিক কৰা হয়, তেনে ক্ষেত্ৰত নিকাহৰ সময়ত তেওঁলোকৰ মত জনাৰ প্ৰশ্ন আহিব নালাগে যদিও এয়া এক ইছলামীয় পৰম্পৰা। কাৰণ ইছলামত বিবাহ ৰাজহুৱাভাৱে স্বীকৃত হ'ব লাগে। কইনাই বিবাহৰ প্ৰস্তাৱত সন্মতি দিয়াৰ পাছত সাক্ষীদ্বয়ৰ উপস্থিতিত উকিলে ৰাইজক অৱগত কৰে আৰু দৰাৰ মত পোৱাৰ পাছত উপস্থিত থকা মৌলবীয়ে বিশেষ বিবাহ সম্পৰ্কীয় খুৎবা (ভাষণ) পাঠ কৰি নাৰী-পুৰুষৰ পাৰস্পৰিক দায়িত্ব আৰু তেওঁলোকৰ ঘৰখনৰ প্ৰতি, পৰিয়াল তথা সমাজৰ প্ৰতি থকা দায়িত্ব তথা কৰ্তব্য সোঁৱৰাই দিয়ে। খুৎবাৰ অন্তত দৰা-কইনাৰ যুগ্মজীৱনৰ সফলতা কামনা কৰি আল্লাহৰ ওচৰত অনুগ্ৰহ আৰু মঙ্গল বিচাৰি সকলোৱে প্ৰাৰ্থনা জনায়। এনেদৰে নিকাহ সম্পন্ন হয়। নিকাহৰ অন্তত উপস্থিত সকলোৰে মাজত দৰাপক্ষৰ ফালৰ পৰা শুকান খেজুৰ (চোহোৰা) বা অন্য মিঠা বস্তু বিলাই দিয়া হয়। আজিকালি অৱশ্যে চোহ্‌ৰাৰ সলনি বা লগত লাড়ু বা আন মিঠা শুকান ফল বিলোৱা দেখা যায়। ই ইছলামীয় পৰম্পৰা।

নিকাহৰ অন্তত কইনাৰ আত্মীয়-স্বজনক দৰাই তামোল-পাণেৰে মান ধৰাৰ অসমীয়া সংস্কৃতি অসমৰ মুছলমানসকলৰ মাজতো প্ৰচলিত আছে। মুছলমান কইনাজনীয়েও দৰাঘৰলৈ গৈ দৰাৰ আত্মীয়-স্বজনক মান

ধৰিব লাগে। বিবাহ অনুষ্ঠানৰ লগত জড়িত এটি আমোদজনক সংস্কৃতি হৈছে বিয়া নাম। অসমৰ লোক-সাহিত্যৰ ই মূল্যৱান আৰু আকৰ্ষণীয় সম্পদ। অসমীয়া হিন্দু-মুছলমান উভয় সমাজতে বিয়া নামৰ একে আদৰ। মুছলমান তিৰোতাসকলো বিভিন্ন সুৰত বিয়া নাম জোৰাত পাকৈত আছিল। পশ্চিম অসমত বিশেষকৈ গোৱালপাৰা, ধুবুৰী অঞ্চলৰ তিৰোতাসকলে বিয়া নামৰ তালে তালে এক বিশেষভঙ্গীত মনোমোহা নৃত্যও কৰিছিল। আনকি সেই অঞ্চলত নিকাহৰ অন্তত কইনাৰ শিৰত সেন্দূৰ দিয়াৰ প্ৰথাও আজি কেইবছৰমানৰ আগলৈকে প্ৰচলিত আছিল। গৌৰীপুৰ অঞ্চলত নিজৰ বিয়াত সেন্দূৰ লোৱা তথা বিয়া নামৰ লগে লগে নৃত্য কৰা কেইবাগৰাকীমান মুছলমান পৌঢ়া মহিলাক তথ্য সংগ্ৰহৰ সময়ত লগ পোৱা গৈছিল। অসমীয়া মুছলমান নাৰীয়ে ৰচনা কৰা বিয়া নামত ইছলামীয় শব্দ, ধৰ্মৰ কথা তথা ইছলামীয় প্ৰেম কাহিনীৰ পৰিচয় পাব পাৰি।[৩৫]

সাজসজ্জা বা আ-অলংকাৰৰ ফালৰ পৰাও অসমীয়া মুছলমান কইনাজনীক অসমীয়া হিন্দু কইনাজনীৰ পৰা পৃথক কৰা টান। অৱশ্যে বৰ্তমান নগৰীয়া মুছলমান কইনাৰ সাজ-পোছাক, অলংকাৰ আদিৰ ক্ষেত্ৰত অলপ আধুনিকতাৰ চাপ পৰিলেও গৰিষ্ঠসংখ্যক অসমীয়া মুছলমানে কইনাজনী সজাওঁতে গামখাৰু, লোকাপাৰ, বেনা, দুগ-দুগিৰে অলংকৃত কৰি বন কৰা ৰিহা-মেখেলা পিন্ধাই মূৰত জীয়াফুল গুঁজি সমাজত বহুওৱা হয়। জানিবপৰা মতে আগৰ দিনত অসমৰ মুছলমান দৰাৰ সাজ-পোছাকৰ ক্ষেত্ৰতো অসমীয়া হিন্দু সম্প্ৰদায়ৰ দৰাৰ সৈতে বিশেষ পাৰ্থক্য নাছিল। অৱশ্যে বৰ্তমান মুছলমান দৰাৰ সাজ-পোছাকত মোগল সাজপাৰৰ প্ৰভাৱ বিশেষ মন কৰিবলগীয়া। মূৰত ৰাজকীয় পাগুৰী, শৰীৰত গুণাৰ বন কৰা তিৰ্‌বিৰাই থকা দীঘল চৌগা চাপকন, ভৰিত নেগেৰা জোতাৰ সৈতে দৰাজনক দেখিবলৈ সেইদিনা ছবিত দেখা মোগল ৰজাৰ দৰেই লাগে।

কইনাক উলিয়াই দিয়াৰ সময়ত ঘৰখনত এক অতি কৰুণ দৃশ্যৰ সৃষ্টি হয়। ছোৱালীৰ মাক-দেউতাকে জোঁৱায়েকক আনুষ্ঠানিকভাৱে ছোৱালীগৰাকীক অৰ্পণ কৰে আৰু ল'ৰা-ছোৱালীহালে একেলগে

ছোৱালীৰ মাক-দেউতাকক তচলিম (প্ৰণাম) কৰে আৰু আশীৰ্বাদ লয়। ইছলাম ধৰ্ম মতে একমাত্ৰ মহান আল্লাহৰ বাদে আন কাৰো ওচৰত মূৰ দোঁৱাব বা তচলিম কৰিব নাপায় যদিও অসমৰ মুছলমান দৰা-কইনাই ইয়াক অতীজৰে পৰা আন্তৰিকতাৰে পালন কৰি আহিছে। ঠিক তেনেদৰে কইনাক উলিয়াই দিয়াৰ পাছতেই কইনাৰ বৰঘৰৰ দুৱাৰ বন্ধ কৰি দিয়া হয়। লোকবিশ্বাস মতে ঘৰৰ ছোৱালীজনী উলিয়াই দিয়াৰ সময়ত ঘৰ-দুৱাৰ মেলি থ'লে ছোৱালীজনীৰ লগতে ঘৰৰ লখিমীজনীও গুচি যায়। ই অসমীয়া হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ বিশ্বাস।[৩৬] বিয়াৰ লগত জড়িত আন এটা অনুষ্ঠান হৈছে আঠমঙলা। নিকাহৰ আঠ দিনৰ মূৰত কইনাই মাকৰ ঘৰলৈ আঠমঙলা খাবলৈ অহা অনুষ্ঠানটো অসমৰ হিন্দু-মুছলমান উভয় সমাজতে পৰম্পৰাগতভাৱে আন্তৰিকতাৰে পালন কৰে। অৱশ্যে আজিকালি আধুনিকতাৰ প্ৰভাৱৰ আঠদিনৰ আগত বা বেছিদিনৰ পিছতো আঠমঙলা খাবলৈ আহে।

বিবাহৰ ক্ষেত্ৰত অসমৰ মুছলমানসকলে কিছুমান থলুৱা সংস্কাৰ বিশ্বাস কৰি চলি আহিছে। ইছলাম ধৰ্মত অশুভ দিন বুলি কোনোদিন বা মাহক নিৰ্দিষ্ট কৰা নাই যদিও অসমীয়া মুছলমানসকলে দৰা-কইনাৰ জন্ম মাহত নিকাহৰ দিন সাধাৰণতে ধাৰ্য নকৰিছিল। ধৰ্মীয় বাধা নাই যদিও ইছলামীয় কেলেণ্ডাৰৰ ৰোজা ৰখাৰ মাহ ৰমজান মাহত সাধাৰণতে বিবাহৰ দিন নলৈছিল। অসমৰ প্ৰকৃতি আৰু ভৌগোলিক অৱস্থানে অসমৰ লোকজীৱন আৰু লোক-সংস্কৃতিক যথেষ্ট প্ৰভাৱ পেলাই আহিছে। সেয়ে অন্যান্য অসমীয়াসকলৰ দৰে মুছলমানসকলেও নিকাহৰ দিন ধাৰ্য কৰোঁতে সাধাৰণতে ব'হাগ, জেঠ, আঘোণ, মাঘ আৰু ফাগুন মাহকে উপযুক্ত বুলি গণ্য কৰি আহিছে। গতিকে, নিঃসন্দেহে ক'ব পাৰি অসমৰ মুছলমানসকলৰ বিবাহ নামৰ সামাজিক অনুষ্ঠানটোৰ লগত জড়িত থকা আচৰণ আৰু সংস্কাৰ কোনো ধৰ্মীয় দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত নহয়।

অসমৰ স্থানীয় মুছলমানসকলে অতীজৰ পৰা পালন কৰা মৃতকৰ কাম-কাজ, নীতি-নিয়মবিলাকত অসমীয়া হিন্দু সমাজৰ বিশ্বাস আৰু

সংস্কাৰ পৰিলক্ষিত হয়। মৃতকক নিৰ্দিষ্ট নিয়মেৰে গা-ধুৱাই 'কফন' পিন্ধাই (শুভ্ৰ কাপোৰেৰে দেহটো মেৰিয়াই দিয়া), কবৰস্থানত জানাজা নামাজ পঢ়ি নিৰ্দিষ্ট জোখত কবৰ খান্দি মৃতকক 'দফন' (সৎকাৰ) দিয়া ইত্যাদি কাৰ্য সম্পূৰ্ণ ইছলামধৰ্মীয় নিয়মেৰে সম্পন্ন কৰা হয় আৰু এই কাৰ্যবিলাকত প্ৰতিৱেশী আৰু আত্মীয়-স্বজনে সহযোগিতা আগবঢ়ায়। মৃতকৰ গা-ধুওৱা ঠাইডোখৰত বগৰীৰ জেং এডাল গুঁজি থোৱা পৰম্পৰা এটা অসমীয়া মুছলমান সমাজত দেখিবলৈ পোৱা যায়। অসমীয়া হিন্দু সমাজৰ তিলনী, দহাৰ অনুৰূপ তিনিদিনীয়া, দহদিনীয়া সকাম পৰম্পৰাগতভাৱে অসমৰ মুছলমানসকলেও পালন কৰি আহিছে। এইবোৰ ইছলামধৰ্মীয় পৰম্পৰা নহয়। নিঃসন্দেহে এইবিলাকৰ মূলতে হ'ল সাংস্কৃতিক ঘনিষ্ঠতা। ঠিক তেনেদৰে ইছলামধৰ্মীয় পৰম্পৰা অনুসৰি মৃতকৰ ৰুহৰ মগ্‌ফিৰাতৰ (আত্মাৰ সদ্‌গতিৰ) বাবে আল্লাৰ পৰা ক্ষমা প্ৰাৰ্থনা কৰি মৃত্যুৰ চল্লিশ দিনৰ দিনা 'চাল্লিছা' অনুষ্ঠিত কৰাৰ পৰম্পৰা অসমৰ মুছলমান সমাজত মানি চলা দেখা যায়। মৃতকৰ বাবে পালিত নিয়মবোৰৰ মাজত আৰু এটা উল্লেখযোগ্য দিশ অসমৰ মুছলমানসকলৰ মাজত প্ৰত্যক্ষ কৰা হয় আৰু সেইটো হ'ল মৃতকৰ ঘৰত তিনিদিনলৈকে কোনো খাদ্যবস্তু ৰন্ধা-বঢ়া কৰা নহয়। এই সময়ছোৱাত মৃতকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে ওচৰ-চুবুৰীয়া তথা আত্মীয়-স্বজনে নিৰামিষ খাদ্যবস্তুৰ যোগান ধৰে। ই কোনো ধৰ্মীয় পৰম্পৰা নহয় যদিও এনে পৰম্পৰাই সামাজিক মিলাপ্ৰীতি আৰু ঘনিষ্ঠতা যথেষ্ট বৃদ্ধি কৰে।

অসমৰ মুছলমান সমাজত কবৰস্থানলৈ গৈ মৃত মাক-দেউতাক, আত্মীয়-স্বজনৰ কবৰত জিয়াৰত কৰা আৰু মৃত ব্যক্তিসকলে যদি জীৱিত কালত কোনো গুনাহ বা পাপ কৰিছিল তাক ক্ষমা কৰি দিবৰ বাবে লগতে মৃত ব্যক্তিসকলৰ ৰুহে বা আত্মাই যাতে বেহেস্ত(স্বৰ্গ)ত স্থান লাভ কৰে তাৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰাৰ এক ধৰ্মীয় পৰম্পৰা প্ৰচলিত আছে। বিশেষকৈ ইছলাম ধৰ্মৰ প্ৰতিটো প্ৰধান উৎসৱৰ দিনা প্ৰতিজন মুছলমানে কবৰ জিয়াৰত কৰাটো এক পৱিত্ৰ ধৰ্মীয় কৰ্তব্য ৰূপে গণ্য কৰে।

## স্থানীয় লোকবিশ্বাস, উৎসৱ, ৰীতি-নীতি

পূৰ্বতে উল্লেখ কৰা হৈছে যে অসমলৈ মুছলমানসকলৰ আগমন একে সময়তে, একেটা কাৰণতে বা ৰাজ্যখনৰ সকলোবোৰ অঞ্চললৈ একে লগে হোৱা নাছিল। তদুপৰি বিভিন্ন অঞ্চলত পূৰ্বৰে পৰা বসবাস কৰি অহা থলুৱা লোকসকলৰ সৈতে হোৱা সম্পৰ্কৰ বাবেও ভিন ভিন অঞ্চলত মুছলমানসকলৰ জীৱন যাত্ৰা আৰু সংস্কৃতিৰ পাৰ্থক্য বিশেষ মন কৰিবলগীয়া। বৰাক উপত্যকাৰ মুছলমানসকলৰ সংস্কৃতি ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমানৰ সংস্কৃতিৰ পৰা কিছু পৃথক। ঠিক সেইদৰে পশ্চিম অসমৰ মুছলমান সমাজ জীৱনৰ কিছুমান ৰীতি-নীতিৰ লগত উজনি অসমৰ মুছলমানসকলৰ সংস্কৃতিৰ পাৰ্থক্য আছে। ধৰ্মীয় পৰম্পৰাৰ বাদে উজনি অসমৰ মুছলমানসকলৰ সৈতে অসমীয়া-হিন্দু সমাজৰ বিশেষ পাৰ্থক্য নাছিল বুলি চিহাবউদ্দিন তালিচ সমন্বিতে আহোম যুগৰ অনেক বুৰঞ্জীবিদে বিভিন্ন ইতিহাস গ্ৰন্থত উল্লেখ কৰিছে। এই মুছলমানসকলে স্থানীয় হিন্দু সমাজৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম পালন কৰি স্থানীয় সমাজৰ সৈতে একীভূত হৈ পৰিছিল। মঙ্গলদৈ অঞ্চলৰ মাৰৈ গাঁও, ছিপাঝাৰ আদিত বসবাস কৰা অনেক মুছলমানে এসময়ত নামঘৰ স্থাপন কৰাৰ বাদেও ওজাপালি গাইছিল। মঙ্গলদৈৰ ওচৰত ওজা বৰা চুক নামৰ মুছলমান গাঁও এখনো আছিল আৰু সেই গাঁৱত ওজাপালিৰ উপৰি ঢুলীয়া, কালীয়া আদিৰ দলো আছিল। ঊনবিংশ শতিকাত মঙ্গলদৈ অঞ্চলৰ মুছলমান সমাজখনৰ এক সুন্দৰ প্ৰতিচ্ছবি পোৱা যায় ১৯৫৭ চনতে মৃত্যু হোৱা মঙ্গলদৈ অঞ্চলৰ এজন শিক্ষাব্ৰতী নজৰ আলী চাহাবৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰ জীৱনৰ কিছু কথা' নামৰ পুথিৰ পৰা। তেখেতে লিখিছিল - "আজিকালিৰ নিচিনাকৈ কোৰাণ শ্বৰিফ পঢ়ি সমাজক বুজাব পৰা লোক সেই সময়ত নাছিল বুলিলেই হয়। দুই-এক মুঞ্চি-মোল্লাই সামাজিক নীতি-নিয়মবোৰ চলাইছিল মাত্ৰ। তেতিয়াৰ দিনত ইয়াৰ গাঁওবিলাকত মছজিদ নাছিল বোলে। ঘোপাত (বৰ্তমান মুছলিমঘোপা) মাত্ৰ একেটি 'নামঘৰ' আছিল। তাতে পীৰৰ নামে ভোজ পাতি ৰঙা কুকুৰা কাটি তাৰ তেজৰ পিঠা তৈয়াৰ কৰি খাই ৰাইজে জাহেলী (নিষিদ্ধ) নাম-গীত

গাইছিল। ঠায়ে ঠায়ে বিবাহে-সবাহে ঢোল-কালি প্ৰচলন আছিল। মুছলমানৰ ভিতৰতে ঢুলীয়া, কালীয়া, দেউৰী, ওজাপালিপৰ্যন্ত আছিল। আনকি এই ঢুলীয়া-কালীয়া, ওজাসকল হিন্দু বিয়া-সবাহলৈকো সেই সেই কামৰ বাবে নিমন্ত্ৰিত হৈছিল। কালীয়াপাৰা গাঁও এতিয়াও আছে। মাৰৈৰ বৰ ওজাৰ বংশধৰসকল আজিও বিদ্যমান"[৩৭]। অসমৰ মুছলমানসকলৰ এইবিলাক কাৰ্যকলাপে পৰৱৰ্তী সময়ত উত্তৰ ভাৰতৰ পৰা অহা মুছলমানসকলক আৰু ধৰ্মগুৰুসকলক অসন্তুষ্ট কৰিছিল। আনকি হিন্দু-মুছলমানৰ একেজন আল্লাহৰে সৃষ্টি বুলি জ্ঞান কৰি কোনোধৰণৰ ভেদ-ভাব নৰখা উদাৰমনা আজান ফকীৰেও সেই সময়ৰ মুছলমানসকলৰ কৰ্মকাণ্ড দেখি এনেদৰে জিকিৰ ৰচনা কৰিছিল—

"আগলতি পাত পাৰ পূজো নানা দেৱ,
দোজখত পৰিব বান্দা নুতুলিব কেও।"[৩৮]

ইছলামীয় ভক্তিবাদৰ সুপণ্ডিত আজান ফকীৰে অসমৰ ভক্তিবাদী গীত-মাত আৰু হিন্দুধৰ্মীয় তত্ত্বকথা আয়ত্ত কৰি সেইবোৰৰ আলমত ৰচনা কৰা ইছলামীয় ভক্তিবাদী গীত জিকিৰসমূহ অসমৰ মুছলমান সমাজৰ লোকগীত ৰূপে স্বীকৃতি লাভ কৰিছে। ইছলামীয় ভাবধাৰাৰে সমৃদ্ধ হ'লেও জিকিৰবোৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ তত্ত্বকথা, বেদ, পুৰাণ, সন্ত-মহন্ত আদিৰ উল্লেখ লক্ষ্য কৰিবলগীয়া। যেনে -

"চাৰিবেদে গিয়ানকে কয় ঔ আল্লা
চাৰিবেদে গিয়ানকে কয়,
চাৰিবেদ পঢ়িলো গিয়ানকে নেভাবিলো
গিয়ানৰ নাই পৰিচয়,
কোৰাণে-পুৰাণে একেকে কৈছে
জানিবা গিয়ানৰ লোকে
সন্ত মহন্ত আউলীয়াসকলে
একেটি নামতে খাটে।"[৩৯]

এইদৰে বৈষ্ণৱ ধৰ্মই প্ৰভাৱ বিস্তাৰ কৰাৰ উপৰি স্থানীয় ধৰ্মীয় বিশ্বাসে অসমৰ মুছলমানসকলৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। হিন্দু প্ৰতিৱেশীসকলৰ দৰে অসমৰ কোনো কোনো অঞ্চলৰ মুছলমানসকলে শৰীৰত বসন্ত দেখা দিলে ইয়াক বেমাৰ বুলি গণ্য কৰাতকৈ ইয়াক শীতলা দেৱীৰ গৰাকীৰ কাৰ্য বুলি গণ্য কৰি দেৱী আইক সন্তুষ্ট কৰাৰ বাবে বিভিন্ন মাংগলিক কাৰ্য সমাপন কৰা দেখা যায়। একালত কোনো কোনোৱে ইয়াৰ বাবে পাৰ বলি দিছিল বুলি জনা যায়। ইছলাম ধৰ্মত মূৰ্তি পূজা নিষিদ্ধ যদিও অসমৰ হিন্দু সমাজৰ প্ৰভাৱত এসময়ত অসমৰ কোনো কোনো অঞ্চলৰ বিশেষকৈ অবিভক্ত গোৱালপাৰা অঞ্চলৰ মুছলমানসকলেও পূজা-পাতল কৰিছিল বুলি জনা যায়। সুকবি নাৰায়ণদেৱৰ পদ্ম-পুৰাণত ইছলামধৰ্মী লোকেও পূজা কৰাৰ কথা উল্লেখ আছে। অবিভক্ত কামৰূপ জিলা, নগাঁও জিলা আৰু মঙ্গলদৈৰ বহুতো মুছলমান লোকে তেওঁলোকৰ হিন্দু প্ৰতিৱেশীসকলৰ লগত 'মনসা' পূজাত অংশগ্ৰহণ কৰাৰ কথা জানিব পাৰি। মৌলবী মোল্লাসকলে কামৰূপৰ এইসকল মুছলমানক 'জাহিল' বুলি আৰু নগাঁৱত 'ঢেকেৰী' বুলি কৈছিল।[৪০] অসমৰ কিছুসংখ্যক মুছলমানৰ এইদৰে প্ৰকৃতি পূজা, মূৰ্তি পূজা আদিত জড়িত থকা দেখি আজান ফকীৰ চাহাবে তেওঁৰ জিকিৰৰ মাধ্যমেৰে গভীৰ ক্ষোভ প্ৰকাশ কৰা দেখা যায়। অনুমান কৰিব পাৰি ওপৰত উল্লেখ কৰা মুছলমানসকল ইছলাম ধৰ্ম গ্ৰহণ কৰা বৰ বেছি দিন হোৱা নাছিল আৰু ফলস্বৰূপে পূৰ্বৰ ধৰ্মীয় কাৰ্য বা অভ্যাসবোৰ তেতিয়াও তেওঁলোকৰ মাজত প্ৰচলিত হৈ আছিল। তথাপি বৰ্তমান অসমৰ কোনো অঞ্চলৰ মুছলমান লোকে প্ৰত্যক্ষভাৱে পূজাত জড়িত থকাৰ কথা জানিব পৰা নাযায়। অৱশ্যে বৰ্তমানেও অসমৰ বিভিন্ন ঠাইত অজস্ৰ মুছলমান লোকে হিন্দুধৰ্মীয় কাৰ্যত পৰোক্ষভাৱে জড়িত হৈ থকাৰ অলেখ উদাহৰণ আছে। নামঘৰ আৰু মছজিদ নিৰ্মাণ কৰোঁতে গাঁওখনৰ বা অঞ্চলটোৰ হিন্দু-মুছলমান সকলোৱে উঠি-পৰি লগাৰ বহু দৃষ্টান্ত অসমত দেখিবলৈ পোৱা যায়। এইবিলাক অসমৰ পৰম্পৰাগত

সাম্প্ৰদায়িক সম্প্ৰীতিৰ চানেকি। উদাহৰণস্বৰূপে শিৱসাগৰৰ বিখ্যাত শিৱ দ'ল, দেৱী দ'ল আৰু বিষ্ণু দ'লৰ পূজা-পাৰ্বণৰ সময়ত নাগাৰা বাদ্য বজাই স্তুতি কৰাৰ লগতে তিনিওটা দ'লৰ তদাৰকৰ দায়িত্ব আহোম স্বৰ্গদেৱ শিৱসিংহৰ দিনত বৰৰজা অম্বিকা কুঁৱৰীয়ে মুছলমানৰ ওপৰতে ন্যস্ত কৰিছিল আৰু তেখেতক শিৱসাগৰৰ ধাইআলিত বাহৰ পাতি দিছিল। এই দৌলা পৰিয়ালৰ নাতি-পুতি বৰ্তমানো শিৱসাগৰৰ ধাইআলিত বসবাস কৰে। এই দৌলা পৰিয়ালৰ সদস্যই শিৱসাগৰ দ'ল পৰিচালনা সমিতিৰ সদস্য হোৱাৰ উপৰি পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব চম্ভালিব লগাত পৰিছিল। উল্লেখনীয় যে অদ্যপৰিমিত দ'লৰ পূজাত আগবঢ়োৱা নৈবেদ্যৰ প্ৰথমভাগ দৌলা পৰিয়াললৈ পঠোৱা হয়।

অসমৰ মূল সংস্কৃতি কৃষিমুখী গ্ৰাম্য সংস্কৃতি। এই সংস্কৃতিৰ বাহক হিন্দু-মুছলমান উভয়ে ৰাজ্যৰ বিভিন্ন অঞ্চলত একেলগে খেতি কৰি আহিছে। পূৰ্বতে উল্লেখ কৰা হৈছে যে ষষ্ঠদশ শতিকাৰ প্ৰথমভাগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূব দিশত বসবাস কৰিব লোৱা প্ৰথমচাম মুছলমান অৰ্থাৎ মৰীয়া মুছলমানসকল অসমৰ কৃষিকাৰ্যৰ প্ৰতি সম্পূৰ্ণ অজ্ঞ আছিল। কিন্তু সপ্তদশ শতিকাত আজান পীৰ চাহাবে ৰচনা কৰা এটি জিকিৰত সেই সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূব দিশত বসবাস কৰা নিৰক্ষৰ, অশিক্ষিত মুছলমানসকলে শিক্ষা বা জ্ঞান আহৰণ কৰাতো 'ফৰজ' বুলি জানিও শিক্ষাৰ প্ৰতি ৰাপ দেখুৱাতকৈ খেতি-বাতিৰ প্ৰতি বেছি ধাউতি দেখুৱাইছিল বুলি মন্তব্য কৰিছে।

তলবোল্ ইল্মে ফৰিজতোন,
ফৰজকো নকৰে কাণ ।
হাল বাবলৈও শকত,
পহৰা দিবলৈকো শিয়ান।।

ইয়াৰ পৰা অনুমান কৰিব পাৰি অসমৰ কৃষি ব্যৱস্থাৰ বিষয়ে সম্পূৰ্ণ অজ্ঞ এই মুছলমানসকলে এটা শতিকাৰ ভিতৰতে কৃষিকাৰ্যৰ জ্ঞান আহৰণ কৰি

কৃষিকাৰ্যত অভ্যস্ত হৈ পৰিছিল। অসমত কৃষিৰ লগত জড়িত ৰীতি-নীতি বা সংস্কৃতি, আহিলা-পাতি ইত্যাদি হিন্দু-মুছলমানৰ প্ৰায় একে। ন-ভূঁই পতা, হাল তোলা বা নাঙল ধোৱা, লখিমী অনা, ন-খোৱা আদি কৃষিভিত্তিক কামবোৰ হিন্দু সম্প্ৰদায়ৰ লগতে অসমৰ মুছলমানসকলৰ মাজতো প্ৰচলন আছে। ধান দোৱা আৰম্ভ হোৱাৰ ঠিক পাছতেই অসমৰ কৃষিজীৱী জনগণে ন-খোৱা ভোজ পাতে। কৃষিনিৰ্ভৰ অসমৰ মুছলমানসকলেও অতীজৰে পৰা ন-খেতিৰ চাউল নিজে খোৱাৰ আগতে ওচৰ-চুবুৰীয়া, মিটিৰ-কুটুম্বক নিমন্ত্ৰণ কৰি ন-খোৱা ভোজ পাতে। আনকি নিজৰ খেতি নিজে নকৰি আধা শস্যৰ বন্দৱস্তিত আনৰ হতুৱাই খেতি কৰা নগৰীয়া মুছলমানসকলেও নিজৰ ভাগৰ শস্য পোৱাৰ পিছত অনুষ্টুপীয়াকৈ হ'লেও এনে ন-খোৱা ভোজ পাতে। এনে ন-খোৱা ভোজত জোনাব-মৌলবীয়ে অৱশ্যেই দাৱাত পায়। মৌলবীয়ে পৱিত্ৰ কোৰাণৰ বিশেষ একাংশ পাঠ কৰি ঘৰখনৰ তথা ঘৰৰ প্ৰতিজন সদস্যৰ মঙ্গল আৰু বৰকত (শ্ৰীবৃদ্ধি) কামনা কৰি আল্লাৰ ওচৰত দোৱা (প্ৰাৰ্থনা) কৰে। ঠিক তেনেদৰে খৰাং বতৰৰ অৱসান ঘটাই বৰষুণ কামনা কৰি 'ভেকুলীৰ বিয়া' বা 'বেঙৰ বিয়া' পতা নামৰ লোক অনুষ্ঠানটি অসমৰ গ্ৰাম্য জীৱনত প্ৰচলিত এক জনপ্ৰিয় লোকবিশ্বাস। অসমৰ কৃষিজীৱী মুছলমান জনসাধাৰণৰ মাজতো ই অঞ্চলবিশেষে প্ৰচলিত। বিশেষকৈ পশ্চিম অসমৰ গোৱালপাৰা অঞ্চলৰ স্থানীয় মুছলমানসকলৰ মাজত ই আজিও এক জনপ্ৰিয় অনুষ্ঠান হিচাপে প্ৰচলিত হৈ আছে। অসমৰ জাতীয় উৎসৱ বিহু বিশেষকৈ খেতি চপোৱা উৎসৱ মাঘ বিহু অসমৰ মুছলমানসকলে উদ্‌যাপন নকৰে যদিও ঘৰতে পিঠা-পনা সাজি খোৱাৰ ৰেৱাজ আছে। ভঁৰালত খাদ্য সঞ্চয় কৰা সম্বন্ধে থকা বহু অসমীয়া লোকবিশ্বাস অসমৰ মুছলমানসকলেও মানি চলি আহিছে। কোনো বিশেষ মাহত আৰু দিনত ভঁৰালৰ পৰা শস্য উলিয়াব নাপায় বুলি থকা লোকবিশ্বাস-পৰম্পৰা অসমৰ কৃষিজীৱী মুছলমানসকলেও বিশ্বাস কৰে। আনকি অসমৰ হিন্দু ধৰ্মাৱলম্বীসকলৰ দৰে অসমৰ গ্ৰাম্য সমাজৰ মুছলমান তিৰোতাসকলে 'না-পাক' (অশুচি) হৈ থকা সময়ছোৱাত ভঁৰালৰ পৰা শস্য

নুলিয়ায়। মুঠতে কৃষিৰ লগত জড়িত বহুতো স্থানীয় আচাৰ-অনুষ্ঠান অসমৰ মুছলমানসকলে অতীজৰ পৰা পালন কৰি আহিছে।

প্ৰাচীন কালৰে পৰা অসমত তামোল-পাণৰ ব্যাপক প্ৰচলন হৈ আহিছে। অসমত বসবাস কৰিবলৈ আৰম্ভ কৰাৰ পৰাই মুছলমানসকলেও তামোল-পাণৰ ব্যৱহাৰ কৰিবলৈ ধৰে। অৱশ্যে ভাৰতবৰ্ষৰ মুছলমানসকলৰ মাজত আগৰে পৰা শুকান তামোল (ছুপাৰী) খোৱাৰ প্ৰথা প্ৰচলন আছিল যদিও কেঁচা তামোল বা পনিয়লী তামোলৰ ব্যৱহাৰ অসমত বসবাস কৰিবলৈ লোৱাৰ পৰাহে মুছলমানসকলৰ মাজত প্ৰচলন হয়। মুছলমানসকলে তামোল-পাণৰ লগত আন এটা বস্তু সংযোজন কৰে আৰু সেইটো হ'ল ধঁপাত। মুছলমানসকল অসমলৈ অহাৰ পৰাহে ধঁপাতৰ প্ৰচলন অসমত হয় বুলি অনুমান কৰিব পাৰি। মুখ শুদ্ধি হিচাপে তামোল-পাণৰ প্ৰয়োজন হোৱাৰ উপৰি বিভিন্ন সামাজিক ক্ৰিয়া-কৰ্মতো তামোল-পাণৰ ব্যাপক ব্যৱহাৰ হৈ আহিছে। আলহী-অতিথিক সৰ্বপ্ৰথমে তামোল-পাণ দি অভ্যৰ্থনা জনোৱা হয়। সন্মানীয় ব্যক্তি, বয়োজ্যেষ্ঠক তামোল-পাণ দি মান ধৰাৰ প্ৰথা মুছলমানসকলৰ মাজতো প্ৰচলন আছে। বিবাহৰ ভালেমান কাৰ্যতো তামোল-পাণৰ ব্যাপক ব্যৱহাৰ হয়। আমন্ত্ৰিত অতিথিলৈ তামোলৰ বঁটা আগবঢ়োৱা হয়। নিকাহৰ সময়ত দৰাপক্ষ আৰু কইনাপক্ষই পৰস্পৰে পৰস্পৰৰ জামাতলৈ বুলি তামোলৰ বঁটা আগবঢ়ায়। প্ৰায় প্ৰতিঘৰতে তামোল-পাণৰ লগত জড়িত কিছুমান সামগ্ৰী যেনে - তামোল কটা কটাৰী, তামোলৰ হাঁচতি, তামোলৰ জোলোঙা, বঁটা, খুন্দনা ইত্যাদি থকা দেখা যায়।

সমগ্ৰ বিশ্বৰ ইছলাম ধৰ্মাৱলম্বীসকলৰ দৰে অসমৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলো আমিষভোজী। প্ৰায় সকলো প্ৰকাৰৰ মাছ, গো-মাংস, ছাগলী আৰু কুকুৰাৰ মাংসই হৈছে প্ৰধান আমিষ আহাৰ। পাৰ চৰাই, হাঁহ আৰু ম'হৰ মাংস গ্ৰহণ কৰাত ইছলাম ধৰ্মমতে বাধা নাই যদিও অসমৰ মুছলমানসকলৰ মাজত ইয়াৰ প্ৰচলন অলপ কম। বিশেষকৈ ম'হৰ মাংস কাৎচিতহে অসমৰ মুছলমান সমাজত ব্যৱহাৰ হোৱাৰ কথা জানিব পাৰি। মুছলমানসকলৰ ৰন্ধা-বঢ়াৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ঘিউৰ আৰু

মচলাৰ ব্যাপক ব্যৱহাৰ। সৰ্বসাধাৰণ অসমীয়া সমাজৰ ৰন্ধা-বঢ়াত ঘিউৰ ব্যৱহাৰ মুছলমানসকলৰ প্ৰভাৱতহে অসমত আৰম্ভ হৈছিল বুলি ক'ব পাৰি। কাৰণ আক্ৰমণকাৰী মোগল সেনাপতি মীৰজুমলাৰ লগত অসমলৈ অহা বুৰঞ্জী লেখক চিহাবুদ্দিন তালিচে অসমীয়া মানুহৰ ঘিউৰ লগত সম্পৰ্কৰ নথকাৰ বিষয়ে লিখিছে - 'It is not their (Assamese people) custom to eat ghi, so that if any article even savours of ghi they will not eat it.'[৪১] মুছলমানসকলৰ যোগেদিয়েই পোলাও, পৰঠা, চেৰঁই, মাংসৰ কোপ্তা, কাবাব আদি মোগল খাদ্যসম্ভাৰৰ প্ৰচলন অসমত আৰম্ভ হয়। আলহী-অতিথিক আপ্যায়ন আৰু ঈদ-বিয়া আদিত উল্লেখিত খাদ্যসম্ভাৰ প্ৰায় অপৰিহাৰ্য আছিল। আনহাতে অসমত নিগাজীকৈ থাকিবলৈ লোৱাৰ পৰাই ভাতেই হৈ পৰিছিল অসমৰ মুছলমানসকলৰ খাদ্যৰ মূল। চাউলক তপত ভাত হিচাপে গ্ৰহণ কৰাৰ উপৰি বাহী ভাত, পঁইতা ভাত, কৰ্কৰা ভাতো অসমীয়া মুছলমানসকলৰ মাজতো সমানে জনপ্ৰিয়। চাউলৰ পৰা প্ৰস্তুত কৰা অসমীয়া জা-জলপানসমূহৰো ব্যাপক ব্যৱহাৰ হৈ আহিছে মুছলমানসকলৰ মাজত। বিভিন্ন স্বাদ আৰু বিভিন্ন সাঁচৰ পিঠা-পনা তৈয়াৰ কৰাত অসমীয়া মুছলমান ছোৱালী-বোৱাৰীও কোনোগুণে কম নহয়।

দেশ আৰু যুগৰ সংস্কৃতি, জলবায়ু আৰু ভৌগোলিক পৰিস্থিতিৰ লগত ঘৰ আৰু গৃহনিৰ্মাণ প্ৰণালীৰ প্ৰত্যক্ষ সম্বন্ধ থাকে। সেয়ে আজিৰ পৰা পঞ্চাশ বছৰৰ আগতে সজা ঘৰ আৰু বৰ্তমানে সজা ঘৰৰ মাজত অকল গৃহনিৰ্মাণ প্ৰণালীয়ে নহয়, বিভিন্ন ক্ষেত্ৰত যথেষ্ট প্ৰভেদ আছে। অসমত বসবাস কৰা হিন্দু-মুছলমান সকলোৱে তেওঁলোকৰ প্ৰয়োজন আৰু শক্তি সামৰ্থ্যৰে ঘৰ-দুৱাৰ নিৰ্মাণ কৰি আহিছে। ঘৰৰ নিৰ্মাণ প্ৰণালী লৈ হিন্দু-মুছলমানৰ পাৰ্থক্য একো নাই যদিও মুছলমানসকলে ইছলামধৰ্মীয় পৰম্পৰাসমূহো সযতনে মানি চলা দেখা যায়। ভাৰতকে আদি কৰি প্ৰাচ্যৰ দেশবিলাকৰ ইছলাম ধৰ্মাৱলম্বীসকলে তেওঁলোকৰ দৈনন্দিন কাম-কাজসমূহ 'কিবলা'ৰ দিশ পশ্চিম ফালে পিঠি দি কৰাৰ পৰা বিৰত থাকে।

অসমৰ ইছলাম ধৰ্মাৱলম্বীসকলেও তেওঁলোকৰ ঘৰৰ শোৱা কোঠা এনেদৰে নিৰ্মাণ কৰে, যাতে কোঠাটোত বিছনাখন উত্তৰ-দক্ষিণাকৈ বা পূবা-পশ্চিমাকৈ পাতিব পাৰি। পাকঘৰৰ (ৰান্ধনীঘৰ) জুইৰ চৌকা (বৰ্তমান গেছৰ ষ্ট'ভ) সাধাৰণতে পশ্চিম মুৱাকৈ পতা হয়। ঠিক তেনেদৰে প্ৰস্ৰাৱখানা, গোছল খানা (গা-ধোৱা ঘৰ) আৰু বাহিৰ যোৱা ঘৰ উত্তৰ-দক্ষিণমুৱাকৈ নিৰ্মাণ কৰা হয়। মুছলমানসকলৰ ঘৰ নগৰতেই হওক বা গ্ৰাম্য অঞ্চলতেই হওক, সম্ভ্ৰান্ত পৰিয়ালৰেই হওক বা সাধাৰণ পৰিয়ালৰেই হওক, প্ৰতিটোৰে দুৱাৰ-খিৰিকীত পৰ্দাৰ ব্যৱহাৰ থাকে। ই মুছলমানসকলৰ ঘৰৰ এক উল্লেখযোগ্য বৈশিষ্ট্য, যাৰ জৰিয়তে আজিৰ দিনতো নগৰত নহ'লেও গ্ৰাম্য অঞ্চলত মুছলমান পৰিয়াল থকা ঘৰকেইটা সহজতে চিনাক্ত কৰিব পাৰি। মুঠতে ঘৰৰ দুৱাৰ-খিৰিকীত পৰ্দাৰ ব্যৱহাৰ মুছলমানসকলৰ দ্বাৰাই অসমত প্ৰচলন হ'বলৈ ধৰে বুলি ক'ব পাৰি।

সভ্যতা-সংস্কৃতিৰ অন্যতম পথ নিৰ্দেশক হৈছে সাজপাৰ, আ-অলংকাৰ আদি। সাজপাৰে যিদৰে শ্ৰেণী বিভাজন সুচায়, সেইদৰে ব্যক্তিত্বৰ ওপৰতো সাজপাৰে বিশেষ মৰ্যাদা দিয়ে। সাজপাৰতেই সৌন্দৰ্যপ্ৰিয়তা, শিল্পীমন, সুকুমাৰ স্বাদ, আৰ্থিক অৱস্থা আদি প্ৰকাশ পায়। অতীজত মুছলমান ছোৱালী পুষ্পিতা হোৱাৰ লগে লগে চুটি পোছাক পৰিধান কৰাৰ পৰা বিৰত ৰাখি মেখেলা-চাদৰ, ছেলোৱাৰ-কামিজ আদি পৰিধান কৰিবলৈ দিয়া হৈছিল। বিবাহৰ উপযুক্ত সময় হোৱাৰ পৰা ছোৱালীয়ে মেখেলা-চাদৰ, শাৰী আদি পৰিধান কৰিছিল, ন-কইনাই বাহিৰলৈ ফুৰিবলৈ যাওঁতে আটকধুনীয়া ফুল বচা পাটৰ বা মুগাৰ মেখেলা-চাদৰ আদি পৰিধান কৰিছিল। অতীজত গ্ৰাম্য মুছলমান তিৰোতাৰ মাজত শাৰীৰ ব্যৱহাৰ নহৈছিল। গ্ৰাম্য অঞ্চলৰ মুছলমান পুৰুষসকলে থোৰ মাৰি বা থোৰ নামাৰি ধুতি পৰিধান কৰিছিল। কিন্তু বৰ্তমান বাহিৰৰ প্ৰভাৱত পুৰুষ-মহিলাৰ সাজ-পোছাক পৰিৱৰ্তন হৈছে। অসমীয়া মুছলমান পুৰুষ-মহিলাসকলো ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতবৰ্ষৰ অন্য প্ৰান্তৰ বা বিশ্বৰ ইছলামধৰ্মীয় দেশবিলাকৰ ইছলাম ধৰ্মাৱলম্বী তিৰোতাৰ দৰে অসমীয়া

মুছলমান তিৰোতাই শৰীৰৰ সৰ্বাংগ ঢকা পোছাক অৰ্থাৎ 'বোৰ্খা' নিপিন্ধিছিল বা নিপিন্ধে যদিও বৰ্তমান দুই-চাৰি অসমীয়া মুছলমান তিৰোতাই নতুনকৈ বোৰ্খা পিন্ধিবলৈ ধৰা দেখা গৈছে। আ-অলংকাৰৰ ক্ষেত্ৰত দেখা যায় পুৰুষৰ মাজত আঙঠিৰ বাদে বিশেষ অলংকাৰ ব্যৱহাৰ নহয়। তিৰোতাসকল স্বাভাৱিকতে অলংকাৰপ্ৰিয়। সোণৰ অলংকাৰৰ ক্ষেত্ৰত তিৰোতাসকলে বেনা, দুগ-দুগি, লোকাপাৰ, জেঠী নেজীয়া আঙঠি আদি অসমীয়া অলংকাৰ যথেষ্ট পৰিমাণে ব্যৱহাৰ কৰি আহিছে। ছোৱালীক বাল্যকালতেই কাণ ফুটাই কাণফুলি পৰিধান কৰিবলৈ দিয়ে। বিধৱা তিৰোতাই সাধাৰণতে বিশেষ অলংকাৰ পৰিধান নকৰে।

অসমীয়া সমাজত প্ৰচলিত বিভিন্ন আচাৰ-ব্যৱহাৰ, লোকবিশ্বাস, অন্ধবিশ্বাস অতীজৰে পৰা অসমীয়া মুছলমানসকলেও মানি আহিছে। উদাহৰণ স্বৰূপে শনি আৰু মঙলবাৰে নখ, বাঁহ আৰু মাটি কটাৰ পৰা গ্ৰাম্য অঞ্চলৰ মুছলমানসকলেও বিৰত থাকে। ঘৰৰ দুৱাৰডলিত বহা তথা ঘৰৰ দুৱাৰ গুৰিয়াই খোলা আদি ঘৰৰ বৰকত (উন্নতি) নষ্ট হোৱা কাৰ্য বুলি বিশ্বাস কৰে। শৰীৰত বসন্ত দেখা দিলে অন্যান্য অসমীয়াৰ দৰে মুছলমানসকলেও যথা ৰীতি-নীতি পালন কৰি আইৰ সকামৰ দৰে এক অনুষ্ঠান পাতি চুবুৰিৰ সৰু ল'ৰা-ছোৱালীক 'চিৰ্ন্নী' কৰি খুৱায়। সেইদৰে বাৰীত লগা ফল-ফুল, শাক-পাচলিৰ মুখ নালাগিবৰ বাবে অসমৰ মুছলমানসকলেও হেঁদালিত টেকেলি এটা বা মাটিৰ খোলা এখন চূণৰ ফোঁট আঁকি আঁৰি দিয়ে, নতুবা ফটা জোতা বা চেন্দেল এপাট আঁৰি দিয়াও দেখিবলৈ পোৱা যায়। সেইদৰে কেঁচুৱাৰ মুখ নালাগিবৰ বাবে নিতৌ সন্ধিয়া কেঁচুৱাৰ মুখ ভাঙে অৰ্থাৎ বগা সৰিয়হ এমুঠি জাৰি তাক থু-থু কৰি জুইত পেলাই দিয়ে। বিভিন্ন ধৰণৰ অশৰীৰী আত্মা, যেনে জিন, পৰী, যখিনী, ভূত-প্ৰেত, দেও, খেতৰ, বীড়া, পৰুৱা, খবিছ, বুঢ়া ডাঙৰীয়া ইত্যাদিৰ ভাল আৰু বেয়া কাৰ্যকলাপ সম্পৰ্কে থকা অন্ধবিশ্বাস মুছলমান সমাজতো প্ৰচলন থকা দেখা যায়। ঘৰত শগুন, হুদু আদি চৰাই পৰা অমঙ্গল বুলি

ভাবে। ফেঁচাই নিউ নিউ কৰিলে পৰিয়ালৰ বা চুবুৰিৰ কোনোবাৰ মৃত্যু হয় বুলি ধাৰণা কৰে। মেকুৰীয়ে এক অদ্ভুত ধৰণে সঘনাই মেও-মেওকৈ ঘূৰি ফুৰা অমঙ্গলৰ চিন বুলি গণ্য কৰে। এইবিলাক অন্ধবিশ্বাস, কু-সংস্কাৰ অসমৰ হিন্দু-মুছলমান উভয় সমাজৰে একে। সপোন সম্পৰ্কে থকা অসমীয়া লোকবিশ্বাস আৰু অন্ধবিশ্বাসসমূহ অসমৰ হিন্দু-মুছলমান উভয় সমাজে একেধৰণেৰে বিশ্বাস কৰে। সপোনত কাৰোবাৰ বিয়া দেখাটো, সপোনত হঁহা ইত্যাদি অমঙ্গলজনক বুলি বিশ্বাস কৰে। ঠিক তেনেদৰে সপোনত সাঁতোৰা, গছত উঠা, হাতী চালনা কৰা ইত্যাদি ভৱিষ্যৎ প্ৰগতিৰ চিন বুলি গণ্য কৰা হয়। এনে ধৰণৰ লোকবিশ্বাস, অন্ধবিশ্বাস, কু-সংস্কাৰ, আচাৰ-ব্যৱহাৰ যে কেৱল গ্ৰাম্য সমাজতহে বৰ্তমানলৈকে প্ৰচলিত আছে এনে নহয়, আধুনিকতাৰ গৰাহত পৰি বহুতো আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি ত্যাগ কৰা নগৰীয়া মুছলমানসকলেও কম-বেছি পৰিমাণে এইসমূহ বৰ্তমানলৈকে বিশ্বাস কৰা যায়।

অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত অতি শুৱলা স্বৰৰ অসমীয়া নিচুকনি গীতো অসমৰ মুছলমানসকলৰ মাজত বহুলভাৱে প্ৰচলিত। অতি শুৱলা, ধৰ্মনিৰপেক্ষ অসমীয়া নিচুকনি গীতবিলাক মুছলমান তিৰোতাসকলেও ল'ৰা-ছোৱালীক শুৱাবৰ বাবে, খাদ্য খুৱাবৰ বাবে, সদাচাৰী হ'বৰ বাবে গোৱা শুনিবলৈ পোৱা যায়। "কেতিয়াবা এই গীতবোৰত এটি ইছলামীয় শৈলীও দেখা যায়। ঘাইকৈ নামনি অসমত বহুল প্ৰচলিত আঘোণ মাহৰ পূৰ্ণিমাৰ ৰাতি উদ্‌যাপিত মহো-হো গীতত মুছলমান ল'ৰা-ছোৱালীয়েও সমানে অংশগ্ৰহণ কৰে। কৰ্মবিষয়ক গীতৰ অন্তৰ্ভুক্ত নাওখেলৰ গীতসমূহত মুছলমানসকলৰ অৱদান প্ৰচুৰ। এই গীতবোৰত বৈষ্ণৱ প্ৰভাৱৰ লগতে ইছলামীয় প্ৰভাৱো অনুভূত হয়। অসমীয়া লোক-সাহিত্যৰ সঁফুৰা ভেকুলী বিয়াৰ গীত, ধাইনাম, ধেমালি গীত, লখিমী আদৰা নাম আদিকো হিন্দুসকলৰ দৰে মুছলমানসকলেও সমানে আদৰ কৰে। বাৰমাহী গীতত ছুফী প্ৰভাৱ অনুমেয়। মালিতাবোৰৰ কিছুমান গীতত

আজান ফকীৰৰ জীৱন কাহিনীও পোৱা যায়। অসমৰ মৰীয়া সম্প্ৰদায়ৰ মাজত প্ৰচলিত এবিধ মালিতা হ'ল জনা-গাভৰুৰ গীত।"[৪২] পশ্চিম অসমত হিন্দু-মুছলমানৰ মাজত সমানে জনপ্ৰিয় গীত হ'ল কুশান গীত আৰু মাৰফতী গীত। কুশান গীতসমূহত অসমলৈ ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে অহা ধৰ্মগুৰুসকলৰ কথা, যেনে মাণিক পীৰ, সোণা পীৰ আদিসকলৰ কথাও সন্নিৱিষ্ট থকা দেখা যায়। আনহাতে মাৰফতী গীতসমূহ আধ্যাত্মিক ভাবাপন্ন। মঙ্গলদৈ অঞ্চলৰ মুছলমান সমাজত প্ৰচলিত দুবিধ জনপ্ৰিয় লোক- পৰম্পৰামূলক গীত হ'ল চেৰাঢেক আৰু নবী গীত। "মানুহৰ মুখে মুখে চলি অহা চেৰাঢেকবোৰ মঙ্গলদৈ অঞ্চলৰ ইছলামধৰ্মী লোকৰ বিবাহ অনুষ্ঠানত দলবদ্ধভাৱে পৰিৱেশন কৰা হয়। দৰা আহি কইনা ঘৰৰ ৰভাথলীত বহাৰ লগে লগে কইনাপক্ষ আৰু দৰাপক্ষৰ ঢেকুৰৈ দল বহি ঢেক মাৰিবলৈ ধৰে। একোটা ঢেকুৰৈ দলত চাৰিজনৰ পৰা আঠজনলৈকে সদস্য থাকে। দলৰ মুখ্যজনক ওজা বা মুখ্য ঢেকুৰৈ আৰু বাকীবোৰক সহঃঢেকুৰৈ বোলা হয়। মুখ্য ঢেকুৰৈয়ে এখন ধৰ্মপুথি হাতত লৈ সুৰ লগাই ঢেক গায় আৰু বাকীবোৰে দীঘলীয়া সুৰ টানি তাল ধৰে।.... চেৰাঢেকৰ সৈতে বিয়াৰ জোৰানামৰ কিছু মিল আছে।"[৪৩]

জীৱন ধাৰণৰ পদ্ধতি, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ, ইত্যাদি বিভিন্ন ক্ষেত্ৰত অসমীয়া পুৰুষ-মহিলাৰ কোন হিন্দু, কোন মুছলমান প্ৰভেদ উলিওৱাতো যেনেদৰে কঠিন, ঠিক তেনেদৰে কথিত ভাষাৰ ফালৰ পৰাও অসমীয়া হিন্দু-মুছলমানক পৃথক কৰা টান। অসমৰ মুছলমানসকলেও তেওঁলোকৰ কথিত আৰু লিখিত ভাষাত অসমীয়া লোকভাষাৰ যুৰীয়া আৰু ধ্বন্যাত্মক শব্দবোৰ, জঁতুৱা ঠাঁচ আৰু ফকৰা যোজনা আদি অতি সুন্দৰভাৱে অতীজৰ পৰা ব্যৱহাৰ কৰি আহিছে। অৱশ্যে পাৰিবাৰিক জীৱনত অসমীয়া মুছলমানসকলৰ অনেকে আৰবী, পাৰ্ছী আৰু উৰ্দু শব্দ কথিত ভাষাত ব্যৱহাৰ কৰে। ইয়াৰ মূলতে আছিল মুছলমানসকলে ধৰ্ম শিক্ষাৰ তাগিদাত আৰবী আৰু উৰ্দু ভাষাৰ জ্ঞান আয়ত্ত কৰিব লাগিছিল আৰু স্বাভাৱিকতে তেওঁলোকে অৰ্থ

বুজি পোৱা কিছুমান মনোমোহা আৰবী আৰু উৰ্দু শব্দ তেওঁলোকৰ কথিত ভাষাত সোমাই পৰিছিল আৰু তেওঁলোকৰ জৰিয়তে হাজাৰ-বিজাৰ আৰবী, উৰ্দু আৰু পাৰ্চী শব্দ থলুৱা ৰূপ লৈ অসমীয়া ঘৰুৱা জীৱনত প্ৰৱেশ কৰি অসমীয়া ভাষা-সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। অসমীয়া প্ৰশংসাসূচক শব্দ 'চাবাচ' বা 'চাবাইচ' অসমীয়াত প্ৰচলিত গালি— জালিম (অত্যাচাৰী), দোচমন, হাৰামজাদা, জহুদ, হাৰামৰ নেগুৰ (সাংঘাতিক দুষ্ট), বদজাত, জহৰ গুটি আদি, অসমীয়া অভিশাপ— 'জহন্নামলৈ যা' আদি আৰবী আৰু পাৰ্চী মূলৰ শব্দবোৰ বিভিন্ন ক্ষেত্ৰত কথিত ভাষাত অসমৰ মুছলমানসকলে অন্যান্যসকলতকৈ বেছি ব্যৱহাৰ কৰা দেখা যায়।

অসমৰ মুছলমানসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এটি পূৰ্ণাংগ ৰূপৰেখা অংকন কৰি উলিওৱাটো বৰ সহজ কাৰ্য নহয়। কিয়নো অসমৰ মুছলমানসকলৰ মাত-কথা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খাদ্যাভ্যাস, সাজ-পোছাক, আ-অলংকাৰ আনকি জীৱন ধাৰণৰ প্ৰতিটো পদক্ষেপতে অসমৰ সামগ্ৰিক সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত ইমান গাঢ়ভাৱে সংমিশ্ৰিত হৈ আছে যে তাক সুকীয়াকৈ বিচাৰ কৰি চোৱাটো কঠিন হৈ পৰে। উক্ত আলোচনাৰ পৰা এইটো পৰিষ্কাৰ হৈছে যে ইছলামীয় ঐতিহ্য অসমত অতি প্ৰাচীন। ঐতিহ্যৰ অৱদানৰ পটভূমিতে অসমত পূৰ্বৰ পৰা বসতি স্থাপন কৰি অহা জনসাধাৰণে সমূহীয়া শ্ৰদ্ধা আৰু স্বীকৃতি লাভ কৰি আহিছে আৰু অসমত ইছলামৰ প্ৰাসঙ্গিকতা দেশত মানুহ বসতি থকালৈকে বৰ্তি থাকিব। ইছলামৰ প্ৰভাৱ অসমৰ সমাজ জীৱনৰ গভীৰলৈকে সোমাই থাকিব। ০

## প্ৰসঙ্গ পুথি

১) Reverty's translation, quoted by K.L. Barua, 2009, Early History of Kamrupa, Bani Mandir Edition, Guwahati, P - 199.

২) সূৰ্য্য কুমাৰ ভূঞা, ২০০৫, স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ, দ্বিতীয় প্ৰকাশ, প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃঃ ২১৪।

৩) ড° মহেশ্বৰ নেওগ (সম্পা), ১৯৭৮, প্ৰাচ্য শাসনাৱলী, প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃঃ ৬৪,১১৬।

৪) Census of India, 1881, Assam, Report Part-I, P-86.

৫) S.K. Bhuyan, 1990, Anglo-Assamese Relations, 3rd edn. L.B.S. Publications, Guwahati, P - 19.

৬) ড° ইৰশ্বাদ আলি, ১৯৮৭, অসমত ইছলাম ধৰ্মৰ বিস্তাৰ, অসমীয়া মুছলমান জনসংখ্যাৰ গঠন আৰু সংস্কৃতিৰ সংমিশ্ৰণ, অসমৰ মানুহ, সম্পাঃ ভুবন মোহন দাস, অসম সাহিত্য সভা, পৃঃ ৯৮।

৭) সূৰ্য্য কুমাৰ ভূঞা ২০০৫, স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ দ্বিতীয় প্ৰকাশ, প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃঃ ২০৩।

৮) শৰৎ কুমাৰ দত্ত (সম্পা) ১৯৯১, অসম বুৰঞ্জী (খ্ৰীষ্টাব্দ ১৬৪৮-১৬৮১), দ্বিতীয় প্ৰকাশ, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, পৃঃ ২১।

৯) E. Gait, 1926, The History of Assam, 2nd edn. (re-print), L.B.S Publication, Guwahati, P-141.

১০) Kasim Ali Ahmed, 2010, The Muslims of Assam, EBH Publishers, Guwahati, P-21.

১১) Census Report of India, 1881, Assam Pari, Calcuta 1883.

১২) Kasim Ali Ahmed. op cit P. 88

১৩) ড° ইৰশ্বাদ আলি, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯৭; W.W. Hunter, 1897, A Statistical Accounts of Assam, Vol. I, P-31.

১৪) চন্দ্ৰকান্ত অভিধান।

১৫) Mohini Kumar Saikia, 1986, Assam Muslim Relation and its Cultural Significance, Golaghat, P - 140.

১৬) W. W. Hunter op. cit., P-39.

১৭) E. Gait, op. cit., P-9o (Foot Note)

১৮) Mohini Kumar Saikia, op. cit., P-140.

১৯) সূৰ্য্য কুমাৰ ভূঞা, ২০০৯ সাতসৰী অসম বুৰঞ্জী, প্ৰথম বাণী মন্দিৰ সংস্কৰণ, গুৱাহাটী, পৃঃ ৩৩।

২০) গুণাভিৰাম বৰুৱা, ২০০৩, আসাম বুৰঞ্জী, ৩য় প্ৰকাশ, প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃঃ ৬১-৬২; আব্দুছ ছাত্তাৰ, ১৯৮৬, সংমিশ্ৰণত অসমীয়া সংস্কৃতি, ৩য় প্ৰকাশ, যোৰহাট পৃঃ ১০-১১।

২১) E. Gait, op. cit., P-90 (foot Note)

২২) Kasim Ali Ahmed, op. cit, P-103.

২৩) Census of India, 1901, Vol. IV-A, Assam Part - II, Table - XIII, P. 115.

২৪) Kasim Ali Ahmed, op. cit, P-90.

২৫) চমচেৰ আলি, ২০০৯, মেইটি - পাংগালঃ কাছাৰৰ মণিপুৰী মুছলমান, অসমৰ মুছলমান সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা, ছালিম আলি (সম্পাঃ) চেণ্ট্ৰেল ক্লাব, যোৰহাট, পৃঃ৬০।

২৬) মোঃ কেৰামত আলী, ২০০৪, নামাজ শিকোঁ আহক, ৮ম প্ৰকাশ, দাৰুল হিকমত, গুৱাহাটী, পৃঃ ৭।

২৭) ড° আব্দুল মালিক, ২০০৬, অসমীয়া উপন্যাসত মুছলমান জনজীৱনৰ চিত্ৰ, পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী, পৃঃ৪৯।

২৮) ৱক্ত মানে সময়। ইছলাম ধৰ্মত দৈনিক পাঁচবাৰ নামাজ পঢ়াটো ফৰজ বা বাধ্যতামূলক। পাঁচবাৰ পঢ়িবলগীয়া নামাজবোৰৰ সময় অনুসৰি নামকৰণ কৰা হৈছে - ফজৰ (ৰাতিপুৱা), জোহৰ (দুপৰীয়া), আচৰ (আবেলি), মগৰীব (গধূলি) আৰু ইছা (ৰাতি)।

২৯) K.L. Barua, op. cit., P-199.

৩০) ড° আব্দুল মালিক, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৮।

৩১) কামৰূপ জিলাৰ হাজোৰ দৰগাহত প্ৰাৰ্থনা কৰাটো পৱিত্ৰ মক্কাত হজ কৰাৰ চাৰিভাগৰ এভাগ (এক পোৱা) পুণ্যৰ কাম বুলি অসমৰ মুছলমানসকলে বিশ্বাস কৰে। সেয়ে পোৱামক্কা। ৰুদ্ৰসিংহই শ্বাহ

নেৰাজক পোৱা মক্কালৈ পঠিওৱাৰ কথা J.P. Wade ৰ বৰ্ণনাত উল্লেখ পোৱা যায়। সূৰ্য্য কুমাৰ ভূঞাদেৱেও তেওঁৰ 'ৰাজেশ্বৰ সিংহ' নামৰ গ্ৰন্থত উল্লেখ কৰিছে।

৩২) ড° আব্দুল মালিক, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮০।

৩৩) S.K. Bhuyan op. cit., P-14.

৩৪) ড° আব্দুল মালিক, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১১।

৩৫) ড° আব্দুল মালিক পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৩।

৩৬) ড° আব্দুল মালিক পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৭।

৩৭) আব্দুচ ছাত্তাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২৫-২৬।

৩৮) চাইদুল ইছলাম, ২০০৯, অসমৰ মুছলমানসকলৰ জীৱন যাত্ৰা আৰু সংস্কৃতি, অসমৰ মুছলমান সমাজ আৰু সংস্কৃতিৰ ৰূপৰেখা, চালিম আলি আহমেদ (সম্পাঃ) চেণ্ট্ৰেল ক্লাব, যোৰহাট, পৃঃ ১৬১।

৩৯) ইছমাইল হুছেইন, ২০০৯, অসমৰ মুছলমানৰ লোক-সংস্কৃতি, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫১-১৫২।

৪০) Mohini Kumar Saikia, op. cit., P- 229.

৪১) E.Gait, op. cit., P-137.

৪২) ড° আব্দুল মালিক, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৫।

৪৩) ইছমাইল হুছেইন, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫৩-১৫৪।

৪৪) নজৰ আলি, ১৯৬৯, মোৰ জীৱনৰ কিছু কথা (এম ইব্ৰাহিম আলি সম্পাদিত), মঙ্গলদৈ, কাচিজোন সম্পাদনা।

৪৫) চৈয়দ আব্দুল মালিক, ১৯৬১ অসমীয়া মুছলমানৰ ঘৰুৱা ভাষা। অসম সাহিত্য সভা পত্ৰিকা, সপ্তদশ বছৰ দ্বিতীয় সংখ্যা, পৃঃ ৫১-৫২।

৪৬) Ali, A.N.M.Irshad.1992 Influence of Indigenous Folk Traditions on the Assamese Muslims, A Hand book of Folklore Material of North East India (ed. Birendranath Dutta. etal at ABILAC, Guwahati P.P. 386-394.

# পৰিশিষ্ট

# অসমৰ মুছলমান ঃ “ইতিহাস আৰু ঐতিহ্যৰ অধ্যয়ন আৰু গৱেষণা”

## আমাৰ দাতাসকলৰ প্ৰতি কৃতজ্ঞতা জনাইছোঁ

১। আব্দুল মজিদ, নামঘৰ পথ, পাঞ্জাবাৰী
২। ৰাজীৱ চালেহ, জু- নাৰেঙ্গী, গুৱাহাটী
৩। মিছেছ চাজিদা খাতুন শইকীয়া, নুনমাটি, গুৱাহাটী
৪। হাচান চৌকত হান্নান, শান্তিপুৰ, গুৱাহাটী
৫। চৈয়দ মহম্মদ চৈফুল্লা, জু- নাৰেঙ্গী, গুৱাহাটী
৬। মিছেছ ৰুমেনা ৰহমান, খৃষ্টিয়ান বস্তি, গুৱাহাটী
৭। চৈয়দ আহমেদ চাহ, চাহাব টিলা, গুৱাহাটী
৮। মুবিদুল ইছলাম, হাতীগাঁও, গুৱাহাটী
৯। ড° এম আই খান দীঘলীপুখুৰী, গুৱাহাটী
১০। ইলটাফ হুছেইন বৰবৰা, বেলতলা, গুৱাহাটী
১১। আব্দুল ৰেকিব
১২। হাছিবুৰ ৰহমান, গ্ৰীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী
১৩। মিছেছ ৰৌচানা বেগম আৰু ফৰিদ শ্বাহ, পল্টন বজাৰ. গুৱাহাটী
১৪। ৱাহিদ চালেহ, হলেণ্ড
১৫। প্ৰয়াত ন্যায়াধীশ চফিকুল হক চাহাবৰ পৰিয়ালবৰ্গ
১৬। ৱাজিদুৰ ৰহমান, গোলাঘাট
১৭। হিৰেণ গগৈ, পাঞ্জাবাৰী, গুৱাহাটী
১৮। চামচুল হক, ৰাজগড় ৰোড, গুৱাহাটী
১৯। চৈয়দ হাৰুণাৰ ৰহমান, জুৰিপাৰ, গুৱাহাটী
২০। চৈয়দ তবিবুৰ ৰহমান, কবৰস্থান পথ, দ্বাৰান্ধা,গুৱাহাটী

২১।　এছ চৰৱাৰ, আলীগড়
২২।　মিছেছ আজিদা বেগম, সাতগাঁও, নৱাপাৰা, গুৱাহাটী
২৩।　ৰমিজুদ্দিন আহমেদ, সাতগাঁও, নৱাপাৰা, গুৱাহাটী
২৪।　আফ্রিন ৰহমান, যোৰহাট
২৫।　হাজাজুদ্দিন হাজৰিকা, গ্রীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী
২৬।　ৱাহিদুল ইছলাম, সাতগাঁও, বাঘৰবৰি
২৭।　নুৰ হুছেইন আহমেদ, বাঘৰবৰি, সাতগাঁও, গুৱাহাটী
২৮।　কালবি হাচান আহমেদ, গান্ধীবস্তি, গুৱাহাটী
২৯।　আলহাজ পজিৰুদ্দিন আহমেদ, লখিমী নগৰ, দিছপুৰ, গুৱাহাটী
৩০।　জে এইচ আহমেদ আবুল ফজল পথ, বেলতলা, গুৱাহাটী
৩১।　মেহমুদুৰ ৰেহমান বৰা, বাঘৰবৰি, পাঞ্জাবাৰী, গুৱাহাটী
৩২।　এম এ হাৰমাইন, গ্রীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী
৩৩।　এম এম এ জামান, গ্রীনলেণ্ড,পাঞ্জাবাৰী, গুৱাহাটী
৩৪।　এছ এইচ চৌধুৰী, ৰাজধানী মছজিদ লেন, দিছপুৰ
৩৫।　চৈয়দ মহম্মদ ইদ্রিচ, হাতীগাঁও, গুৱাহাটী
৩৬।　মোচাহিদ আলি, হাতীগাঁও, গুৱাহাটী
৩৭।　ইলতাফ হুছেইন হাজৰিকা, ৰুক্মিণীনগৰ, গুৱাহাটী
৩৮।　এ এইচ এচ মহম্মদ
৩৯।　ইমতিয়াজ আলী, তৰুণ নগৰ, গুৱাহাটী
৪০।　আব্দুল ৱাচি, নামঘৰ পথ,পাঞ্জাবাৰী, গুৱাহাটী
৪১।　মহম্মদ তাহেৰ, জালুকবাৰী, গুৱাহাটী
৪২।　ড° খোৰছেদ আলম, জালুকবাৰী, গুৱাহাটী
৪৩।　তাহফিজুৰ ৰহমান　জুৰিপাৰ, গুৱাহাটী
৪৪।　এছ এফ আনোৱাৰ
৪৫।　ইকৰাম হুছেইন
৪৬।　বজলুৰ ৰহমান, জুৰিপাৰ, গুৱাহাটী
৪৭।　আব্দুল মোন্নাফ, পাঞ্জাবাৰী, গুৱাহাটী

৪৮। নুৰুল হক , আলী আহমদ নগৰ, গুৱাহাটী
৪৯। মোখতাৰ হুছেইন হাজৰিকা, আলী আহমদ নগৰ, গুৱাহাটী
৫০। ফাৰুক আহমেদ, নামঘৰ পথ, পাঞ্জাবাৰী, গুৱাহাটী
৫১। লুতফুৰ ৰহমান, নামঘৰ পথ, পাঞ্জাবাৰী, গুৱাহাটী
৫২। নুৰ ৰহমান, নিহাৰিকা পথ, পাঞ্জাবাৰী, গুৱাহাটী
৫৩। আব্বাচ উদ্দিন চৌধুৰী, মটৰীয়া, গুৱাহাটী
৫৪। আই আলি
৫৫। আলতাফুৰ ৰহমান, মটৰীয়া, গুৱাহাটী
৫৬। আলহাজ আকবৰ আলি, সাতগাঁও, নৰাপাৰা , গুৱাহাটী
৫৭। কাচিম আলি, সাতগাঁও, নৰাপাৰা , গুৱাহাটী
৫৮। বদৰুল হাচান, সাতগাওঁ, নৰাপাৰা , গুৱাহাটী
৫৯। এম ৰহমান, সাতগাঁও, নৰাপাৰা , গুৱাহাটী
৬০। কৰিম আলি, সাতগাঁও, নৰাপাৰা , গুৱাহাটী
৬১। নুৰ আহমেদ বৰভূএগ্গা, সাতগাঁও, নৰাপাৰা , গুৱাহাটী
৬২। আলিম উদ্দিন লস্কাৰ, সাতগাঁও, নৰাপাৰা , গুৱাহাটী
৬৩। ড° কামালুল মজিদ, সাতগাঁও, নৰাপাৰা , গুৱাহাটী
৬৪। এম জেদ হাৰমাইন, গ্ৰীনলেণ্ড, বাঘৰবৰি , গুৱাহাটী
৬৫। ছাজ্জাদ খনিকৰ, মধুবন, মিলনপুৰ, গুৱাহাটী
৬৬। চফিউৰ ৰহমান শইকীয়া, সুন্দৰপুৰ, গুৱাহাটী
৬৭। মিছেছ পাৰবিন বেগম, আলীগড়
৬৮। মিছেছ চমচে আৰা ইছলাম, খৃষ্টানবস্তি, গুৱাহাটী
৬৯। ইনামুল ইছলাম, নীলমনি ফুকন ৰোড, খৃষ্টানবস্তি, গুৱাহাটী
৭০। ফকৰউদ্দিন আহমেদ, হাতীগাঁও, গুৱাহাটী
৭১। চফিকুৰ ৰহমান, হাতীগাঁও, গুৱাহাটী
৭২। মহম্মদ আলি খান, হাতীগাঁও, গুৱাহাটী
৭৩। চৈয়দ দিলুৱাৰ ইছলাম, ডিগবৈ, গুৱাহাটী
৭৪। নুৰুল হুদা, বেলতলা, গুৱাহাটী

৭৫। চিৰাজুল হক, সিজুবাৰী, গুৱাহাটী
৭৬। ড° মহম্মদ মইনুদ্দিন আহমেদ, আমেৰিকা যুক্তৰাষ্ট্ৰ
৭৭। হুছেইন আহমেদ, হাতীগাঁও, গুৱাহাটী
৭৮। ড° এ-এম খন্দকাৰ, হাতীগাঁও, গুৱাহাটী
৭৯। জুলফিকাৰ আলম হাজৰিকা, ইছলামপুৰ, গুৱাহাটী
৮০। মনোৱাৰ উদ্দিন আহমেদ, মাছখোৱা, গুৱাহাটী
৮১। মিছেছ মাচুম আৰা ৰহমান, হাতীগাঁও, গুৱাহাটী
৮২। খালিদ আতাউৰ ৰচুল মালিক, নগাঁও
৮৩। হবিবুৰ ৰহমান, গনেশগুৰি, গুৱাহাটী
৮৪। মিছেছ মনুৱাৰা খাতুন, নটবমা, গুৱাহাটী
৮৫। মজিদুৰ ৰহমান, ভঙাগড়, গুৱাহাটী
৮৬। মিছেছ আজিফা আহমেদ বৰা, নয়নপুৰ, গুৱাহাটী
৮৭। চৈয়দ লিয়াকত আলি, বাঘৰবৰি, গুৱাহাটী
৮৮। কমৰুজ্জামান আহমদ, বাঘৰবৰি, গুৱাহাটী
৮৯। দেবিৰা চুলতানা আহমদ, বাঘৰবৰি, গুৱাহাটী
৯০। ড° মুছাহিদ আহমদ, আমেৰিকা যুক্তৰাষ্ট্ৰ
৯১। ছাৰটাজ আহমদ, আমেৰিকা যুক্তৰাষ্ট্ৰ
৯২। যোৰহাট ফাৰ্ণিচাৰ, যোৰহাট
৯৩। ড° আই হাজৰিকা, যোৰহাট
৯৪। মঃ ৰছিদুন নবী, যোৰহাট
৯৫। আব্দুল কাদিৰ আৰু আব্দুল ছেলিম মেম'ৰিয়েল ট্ৰাষ্ট, গুৱাহাটী
আৰু জাকিৰুল হাৰমাইন, জেহিৰুল হাৰমাইন, মিছেছ ৰাবিয়া বেগম
৯৫। আবুল কালাম মেম'ৰিয়েল ট্ৰাষ্ট, যোৰহাট
৯৬। এইচ এছ আহমেদ, যোৰহাট
৯৭। কুতুবুদ্দিন ভিয়াত, যোৰহাট
৯৮। নুৰ খুৰছিদ হুছেইন, যোৰহাট
৯৯। ইকবাল আহমেদ, যোৰহাট

১০০। বজৰুল হক, যোৰহাট
১০১। মিছেছ জুলফা হাচিম, যোৰহাট
১০২। খাদিম জাহান, শিৱসাগৰ
১০৩। আচিক আহমেদ, যোৰহাট
১১৪। আলহাজ চাকফি ৰহমান, যোৰহাট
১০৫। ছাজিদুল হক বৰবৰা, যোৰহাট
১০৬। আফতাবুদ্দিন আহমেদ, যোৰহাট
১০৭। নেকিবুৰ ৰহমান বৰবৰা, যোৰহাট
১০৮। আলহাজ ড° জি আহমেদ
আলহাজ্জা ড° ৰাহিদা ইছলাম, আমগুৰি, শিৱসাগৰ
১০৯। তৌফিকুল হুছেইন, যোৰহাট
১১০। আলহাজ আনিচুৰ ৰহমান বৰবৰা, যোৰহাট
১১১। আচহাব ফজলুল আলি মেম'ৰিয়েল ট্ৰাষ্ট, যোৰহাট
১১২। মিছেছ ৰাহনাজ জামান, যোৰহাট
১১৩। মিছেছ আৰিফা জামান, যোৰহাট
১১৪। মিছেছ মল্লিকা বেগম, যোৰহাট
১১৫। নাচিম শ্বাহ, পল্টন বজাৰ, গুৱাহাটী
১১৬। মহিম আহমদ, মটৰীয়া, গুৱাহাটী
১১৭। জাকিৰ হুছেইন, উজান বজাৰ, গুৱাহাটী
১১৮। ড° হাতেম আলী, মৰিগাঁও
১১৯। অধ্যাপক আশ্ৰফ আলিৰ পৰিয়ালবৰ্গ, মাছখোৱা, গুৱাহাটী
১২০। নজৰুল ইছলাম, লেম্ব ৰোড, গুৱাহাটী
১২১। ড° জি. এম. এছ. চৌধুৰী, ডিব্ৰুগড়
১২২। ড° এম. জেদ. আহমদ, ডিব্ৰুগড়

*বিঃ দ্ৰঃ ওপৰত উল্লেখ কৰা দাতাসকলৰ উপৰিও যদি কোনোবা দাতাৰ নাম অনিচ্ছাকৃতভাৱে বাদ পৰিছে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা হ'ল।*

## 'আল-আমিন'ৰ কাৰ্যনিৰ্বাহক সমিতি (২০১৭-১৯ )

| | | |
|---|---|---|
| সভাপতি | ঃ | নুৰুল হক |
| উপ-সভাপতি | ঃ | ফকিল আহমেদ বৰা |
| সচিব প্ৰধান | ঃ | ইনামুল ইছলাম |
| বিত্তীয় সচিব | ঃ | ইমতিয়াজ আলী |
| যুটীয়া সচিব | | |
| (১) বিত্ত/আনুসঙ্গিক | ঃ | মিচেচ মাচুম আৰা ৰহমান |
| (২) প্ৰচাৰ/প্ৰশাসনীয় | ঃ | মিচেচ খোদেজা বেগম |

<u>কাৰ্যাবাহী সদস্য সকল ঃ</u>

*প্ৰতিষ্ঠাপক সদস্য ঃ*

১) আব্দুল মজিদ (মৃত্যু ২৪ ছেপ্তেম্বৰ ২০১৭), ২) কমৰুজ্জামান আহমদ,
৩) আব্দুল হাৰমাইন, ৪) হাচিবুৰ ৰহমান , ৫) আব্দুল ৰাছি ,
৬) ডাঃ তৌফিকুৰ ৰহমান বৰবৰা আৰু ৭) মঃ মেহমুদুৰ ৰেহমান বৰা।

পৃষ্ঠপোষক সদস্য ঃ ১) ইলতাফ হুছেইন হাজৰিকা

আজীৱন সদস্য ঃ

১) চফিউৰ ৰহমান শইকীয়া, ২) চৈয়দ হাৰুনাৰ ৰহমান,
৩) আলি ৰাজা, ৪) জেহিৰুল হাৰমাইন

৫) মাচুমা বেগম ৰাছিফ (আব্দুল মজিদ চাহাবৰ পৰিবৰ্ত্তে ) আৰু

৬) ড° তৈয়বুৰ ৰহমান

